UG ED S6- 02 (DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষান্মাসিক

সম্প্রদায় উন্নয়নৰ বাবে শিক্ষা

শিক্ষা



ইন্দিৰা মিৰি শিক্ষা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমনি গোস্বামী, শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰায়, শিক্ষা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, প্রাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয়

সমন্বয়ৰক্ষী

ড° ৰীতিমণি ৰৱদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়-	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° ৰেচেল কাবি	বিতুৰাজ গোহাঁই
২, ৩, ৭, ১০	বিতুৰাজ গোহাঁই	বিতুৰাজ গোহাঁই
৪, ৫, ৮, ৯, ১১, ১২, ১৪	ড° ৰীতিমণি ৰৱদলৈ	বিতুৰাজ গোহাঁই (অধ্যায় ৪,৯,১২) ড° ৰীতিমণি ৰৱদলৈ (অধ্যায় ৫) ড° ৰীতিমণি ৰৱদলৈ আৰু নিতিশ কুমাৰ দুৱৰা (অধ্যায় ৮,১১,১৪)
৬	অংকিতা চেতিয়া, অধ্যাপক অখিল ৰঞ্জন দত্ত আৰু ড° চন্দন ঠাকুৰীয়া	ড° কৃষাংগী শইকীয়া
১৩	প্রিয়ংকা শর্মা	মৃন্ময় লহকৰ

সম্পাদনা :

বিষয়বস্তু সম্পাদনা : ড° সোনালী চেতিয়া, টেঙাখাট মহাবিদ্যালয (অধ্যায় ১,৪,৫,৮,৯,১১,১২,১৪)
ড° ৰীতিমণি ৰৱদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ২,৩,৬,৭,১০,১৩)

ভাষা সম্পাদনা : ড° ৰীতিমণি ৰৱদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা : ড° ৰীতিমণি ৰৱদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', ২০২৬

This Self-learning material (SLM) of Krishna Kanta Handiqui State Open University is made available under Creative Commons Attibution-Non-commercial-shareAlike4.0 License (International): http//creativecommons.org/license/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় : পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ কার্যালয় : ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

এই পাঠ্যক্ৰমটো শিক্ষা বিষয়ক মূল পাঠ্যক্ৰম (Core Course) গ্ৰহণ কৰা স্নাতক ষষ্ঠ ছেমিষ্টাৰৰ শিক্ষার্থীসকলৰ বাবে প্ৰস্তুত কৰা হৈছে। UG ED S 6-02 পাঠ্যক্ৰমটোত মুঠ ১৪টা অধ্যায় অন্তর্ভুক্ত কৰা হৈছে।

এই পাঠ্যক্ৰমৰ প্ৰথম অধ্যায়ত সমাজ (Community) আৰু সমাজ উন্নয়নৰ ধাৰণা আৰু প্ৰাসংগিকতা আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত স্থানীয় সমাজ, গ্ৰাম্য সংস্কৃতি আৰু সমাজ সম্পৃক্ততাৰ চর্চা বিষয়ক আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়ত সমাজ উন্নয়নৰ স্তৰসমূহ, উপাদানসমূহ, নীতিসমূহ আৰু জনসম্পদৰ ব্যৱহাৰিক উপযোগিতা বিশদভাৱে ব্যাখ্যা কৰা হৈছে। চতুর্থ অধ্যায়ত স্ব-সহায়ক গোট (Self-Help Group)-ৰ প্ৰাসংগিকতা ব্যাখ্যা কৰা হৈছে। পঞ্চম অধ্যায়ত গ্ৰাম্য উন্নয়ন কার্যসূচী আৰু গ্ৰাম্য প্ৰতিষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ ভূমিকা আৰু সমাজ সচেতনতাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰা হৈছে। সপ্তম অধ্যায়ত বিভিন্ন স্থানীয় প্ৰশাসন ব্যৱস্থা আৰু সমাজৰ অংশগ্ৰহণৰ বিষয়ে আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত সমাজিক নেটৱর্কিংৰ সামাজিক অৱদান আৰু বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। নৱম অধ্যায়ত ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগ (MSMEs)-ৰ উন্নয়ন আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ সমাজ উন্নয়নত ভূমিকা আলোচনা কৰা হৈছে। দশম অধ্যায়ত সমাজ সম্পৃক্ততা বিষয়ক কার্যসূচীসমূহ আৰু সেইসমূহৰ মূল্যায়ন ব্যাখ্যা কৰা হৈছে। একাদশ অধ্যায়ত সমাজ সম্পৃক্ত গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত আলোকপাত কৰা হৈছে। দ্বাদশ অধ্যায়ত সমাজ সম্পৃক্ত গৱেষণাৰ নৈতিক দিশসমূহ আলোচনা কৰা হৈছে। ত্ৰয়োদশ আৰু চতুর্দশ অধ্যায়ত গ্ৰাম্য দাৰিদ্ৰ্যৰ ধাৰণা আৰু COVID-19 মহামাৰীয়ে প্ৰব্ৰজিত শ্ৰমিকসকলৰ ওপৰত পেলোৱা প্ৰভাৱ বিশদভাৱে আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— ‘জানি থোৱা ভাল’ বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। অধ্যায়ত থকা ‘চিন্তা-চর্চা কৰক’সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, ‘অগ্ৰগতি নিৰীক্ষণ’যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া ‘অগ্ৰগতিৰ খতিয়ান’ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ।

অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্ৰশ্ন’ হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান ‘প্ৰসঙ্গ পুথি’ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **সম্প্রদায়ৰ ধাৰণা আৰু বিস্তৃতি** ৭-২১
সমাজৰ ধাৰণা, সমাজৰ উপাদানসমূহ, সমাজৰ প্ৰকাৰসমূহ, গাঁথনি আৰু কার্যাৱলী, সমাজৰ বিগঠন (Deconstruction of Community), সমাজ উন্নয়ন

অধ্যায় ২ ঃ **স্থানীয় সমাজ, গ্ৰাম্য সংস্কৃতি আৰু সমাজিক অংশগ্ৰহণৰ অনুশীলন** ২২-৩৯
স্থানীয় সমাজৰ ধাৰণা, গ্ৰাম্য সমাজ, গ্ৰাম্য সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা, সামাজিক জীৱন, সমাজ সম্পৃক্ততাৰ চর্চা আৰু ৰূপসমূহ, সমাজ সম্পৃক্ততাত শিক্ষানুষ্ঠানৰ ভূমিকা, সমাজ সম্পৃক্ততা শক্তিশালী কৰাৰ ব্যৱস্থা

অধ্যায় ৩ ঃ **সম্প্রদায় উন্নয়ন** ৪০-৫৭
সমাজ উন্নয়নৰ ধাৰণা আৰু স্তৰসমূহ, উপাদানসমূহ, সমাজ উন্নয়নৰ নীতিসমূহ, জনসম্পদৰ উপযোগিতা

অধ্যায় ৪ ঃ **ক্ষুদ্ৰবিত্তৰ অৱদান** ৫৮-৭৩
ক্ষুদ্ৰ ঋণ ব্যৱস্থাৰ ধাৰণা, গ্ৰামীণ বেংক, ক্ষুদ্ৰ ঋণ ব্যৱস্থা, সংগঠন বা নিয়ন্ত্ৰণকাৰী প্ৰতিষ্ঠানসমূহ, ক্ষুদ্ৰ ঋণ ব্যৱস্থা আৰু নিয়োগৰ সুযোগসমূহ

অধ্যায় ৫ ঃ **গ্ৰাম্য উন্নয়ন** ৭৪-৯৬
সমাজ উন্নয়ন কার্যসূচীসমূহ, সমন্বিত গ্ৰাম্য উন্নয়ন কার্যসূচী, প্যঁনতম প্ৰয়োজনীয়তা কার্যসূচী, ভাৰতত মহিলা আৰু শিশুৰ উন্নয়ন, স্বেচ্ছাসেৱী সংগঠন আৰু গ্ৰাম্য উন্নয়নত জনসাধাৰণৰ অংশগ্ৰহণ

অধ্যায় ৬ ঃ **বিকেন্দ্ৰীকৰণৰ ৰাজনীতি** ৯৭-১১০
ভাৰতত পঞ্চায়তী ৰাজ ব্যৱস্থাৰ বিকাশ, অসমত স্থানীয় স্ব-শাসনৰ বিকাশ, ৭৩ ম আৰু ৭৪তম সংশোধনী আইন, পঞ্চায়তী ৰাজ ব্যৱস্থাৰ কার্যসম্পাদনত সমস্যাসমূহ

অধ্যায় ৭ ঃ **স্থানীয় প্ৰশাসন আৰু সম্প্রদায়ৰ অংশগ্ৰহণ** ১১১-১২৮
স্থানীয় প্ৰশাসনৰ ধাৰণা, গাঁথনি, সমাজৰ অংশগ্ৰহণ, স্থানীয় প্ৰশাসন শক্তিশালী কৰাত শিক্ষাৰ ভূমিকা, মুক্ত আৰু দূৰশিক্ষা (ODL) ব্যৱস্থাত সমাজ উন্নয়নৰ বাবে স্থানীয় প্ৰশাসনৰ প্ৰত্যাহ্বানসমূহ

অধ্যায় ৮ ঃ **সম্প্রদায় সংযোগ আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সামাজিক অৱদান** **১২৯-১৪৫**
সমাজিক নেটৱৰ্কিংৰ ধাৰণা, সমাজিক নেটৱৰ্কিংৰ সামাজিক অৱদান, সমাজ উন্নয়নত চৰকাৰী আঁচনিসমূহৰ ভূমিকা

অধ্যায় ৯ ঃ **ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ (MSME)ৰ বাবে উন্নয়ন আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু সম্প্রদায় উন্নয়ন** **১৪৬-১৬৩**
MSME-ৰ বিকাশ আৰু স্বৰূপ, ভাৰতত MSME খণ্ড, MSME-ৰ অন্তৰ্গত মুখ্য ক্ষেত্রসমূহ, MSMEs-ৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ উন্নয়ন

অধ্যায় ১০ ঃ **সম্প্রদায় নিয়োজিতকৰণৰ কাৰ্যসূচীসমূহ আৰু ইয়াৰ মূল্যায়ন** **১৬৪-১৭৮**
সমাজ সম্পৃক্ততাৰ ধাৰণা, সমাজ সম্পৃক্ততাত শিক্ষানুষ্ঠানৰ ভূমিকা, মুখ্য সমাজ সম্পৃক্ততা কাৰ্যসূচীসমূহ, মূল্যায়ন আৰু প্ৰত্যাহ্বানসমূহ।

অধ্যায় ১১ ঃ **সম্প্রদায় জড়িত গৱেষণা আৰু উদ্ভাৱন** **১৭৯-১৯৫**
সমাজ সম্পৃক্ত গৱেষণাৰ ধাৰণা, ৰূপ আৰু আৰ্হিসমূহ, উদ্ভাৱনত সমাজ সম্পৃক্ত গৱেষণাৰ ভূমিকা, লাভালাভ, প্ৰত্যাহ্বান আৰু ভৱিষ্যৎ দিশসমূহ

অধ্যায় ১২ ঃ **সামাজিক অংশগ্রহণমূলক গৱেষণাত নৈতিকতা** **১৯৬-২০৮**
সমাজ সম্পৃক্ত গৱেষণাত নৈতিকতাৰ বুজাবুজি, সমাজ সম্পৃক্ত গৱেষণাৰ মূল নৈতিক নীতিসমূহ, সমাজ সম্পৃক্ত গৱেষণাৰ অন্তৰালত থকা অন্যান্য নৈতিক প্ৰত্যাহ্বানসমূহ

অধ্যায় ১৩ ঃ **ভাৰতৰ গ্রাম্যাঞ্চলত দাৰিদ্র্য** **২০৯-২১৯**
দাৰিদ্র্যৰ ধাৰণা, গ্রাম্য ভাৰতত দাৰিদ্র্যৰ বৈশিষ্ট্যসমূহ, ভাৰতত গ্রাম্য দাৰিদ্র্যৰ প্ৰসাৰ, দাৰিদ্র্য নিৰ্মূলকৰণৰ ব্যৱস্থা

অধ্যায় ১৪ ঃ **প্ৰৱজনকাৰী শ্রমিকসকলৰ ওপৰত ক'ভিড-১৯ ৰ প্ৰভাৱ** **২২০-২৩৪**
ধাৰণা, COVID-১৯-এ প্ৰব্রজিত শ্রমিকসকলৰ ওপৰত পেলোৱা প্ৰভাৱ, প্ৰব্রজিত শ্রমিকসকলৰ বাবে প্ৰতিকাৰমূলক ব্যৱস্থাসমূহ

অধ্যায় ১ ঃ সম্প্রদায়ৰ ধাৰণা আৰু বিস্তৃতি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সম্প্রদায়ৰ ধাৰণা
১.৪ সম্প্রদায়ৰ উপাদান
১.৫ সম্প্রদায়ৰ প্রকাৰ
১.৬ গঠন আৰু কার্য
১.৭ সম্প্রদায়ৰ বিঘ্ন-বিশ্লেষণ
১.৮ সম্প্রদায় উন্নয়নৰ ধাৰণা
১.৮.১ সম্প্রদায় উন্নয়নৰ দর্শন
১.৯ সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ পার্থক্য
১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১১ অধিক জানিবলৈ
১.১২ অগ্রগতিৰ খতিয়ান
১.১৩ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি

- সম্প্রদায়ৰ ধাৰণা আৰু ইয়াৰ কার্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- সম্প্রদায়ৰ প্রকাৰ আৰু ইয়াৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰিব পাৰিব।
- সম্প্রদায়ৰ ভিতৰত কার্যকৰী ক্ষমতাৰ গতিশীলতা বিশ্লেষণ কৰিব পাৰিব।
- সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ পার্থক্য বর্ণনা কৰিবলৈ সক্ষম হ'ব।

১.২ পৰিচয়

এই অধ্যায়টো সামাজিক-সাংস্কৃতিক দিশৰ ওপৰত ভিত্তি কৰি সম্প্রদায়ৰ এটা ধাৰণা প্রদান কৰা হৈছে। সম্প্রদায়সমূহৰ বিভিন্ন গঠন আৰু কার্যৰ ওপৰত গুৰুত্ব আৰোপ কৰাহৈছে আৰু ইয়াৰ পৰা আশা কৰা হয় যে সম্প্রদায়ৰ লোকসমূহৰ কল্যাণৰ বাবে কার্য সম্পাদন কৰিব পৰা যাব।

তদুপৰি, বিভিন্ন ধৰণৰ সম্প্রদায় — অর্থাৎ গ্রাম্য, নগৰ আৰু জনজাতীয় সম্প্রদায়সমূহৰ বৈশিষ্ট্যসমূহো আলোচনা কৰা হৈছে। এই অধ্যায়ত ক্ষমতাৰ গতিশীলতা ব্যাখ্যা কৰা হৈছে যিয়ে সম্প্রদায়ৰ ভিতৰত আৰু সম্প্রদায়সমূহৰ মাজত কার্যকৰী প্রক্রিয়াক গঢ় দিয়ে আৰু এক সমতাৰ সমাজ গঢ়ি তুলিবলৈ সম্প্রদায়সমূহক বিশ্লেষণ কৰাৰ প্রয়োজনীয়তা উল্লেখ কৰে।

সম্প্রদায় আৰু ইয়াৰ গতিশীলতাক মূলতঃ এই অধ্যায়ত গুৰুত্ব দিয়া হৈছে, কিয়নো সম্প্রদায়ৰ প্রয়োজন আৰু সমস্যাসমূহৰ ওপৰত কাম কৰাৰ সময়ত এইবোৰক যথেষ্ট গুৰুত্ব প্রদান কৰা হয়।

১.৩ সম্প্রদায়ৰ ধাৰণা

সাধাৰণভাৱে, সম্প্রদায় হৈছে মানুহৰ এক সমষ্টি বা মানুহৰ এটা গোট যিসকল এটা ভৌগোলিক এলেকা বা কোনো নির্দিষ্ট স্থানত এক সাধাৰণ উদ্দেশ্যে, একে ধৰণৰ বৈশিষ্ট্য, পাৰস্পৰিক নির্ভৰশীলতা, একে জীৱন পদ্ধতি আৰু অবিৰত বা স্থায়ী সম্পর্কৰ সৈতে বসবাস কৰে।

ই সাধাৰণতে একে সম্পর্ক, ভাষা, ইতিহাস, অঞ্চল আৰু সকলোতকৈ গুৰুত্বপূর্ণভাৱে সংস্কৃতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা স্বাভাৱিক গোট হিচাপে বিবেচিত হয়। ভাৰতীয় সমাজৰ সামাজিক চিন্তাধাৰাৰ বিকাশত সম্প্রদায়ৰ ধাৰণাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে আৰু ই এতিয়াও সামাজিক বিজ্ঞানত বহুলভাৱে ব্যৱহৃত হৈ আছে।

তদুপৰি, কোনো এটা সম্প্রদায়ৰ অস্তিত্বৰ বাবে ‘পাৰস্পৰিক নির্ভৰশীলতা’ আৰু ‘সমষ্টিগত সক্ষমতা’ থাকিব লাগিব যাতে একেলগে নির্ধাৰণ কৰা লক্ষ্যসমূহ সাধন কৰিব পৰা যায়। সম্প্রদায়ৰ সদস্যসকলে নিজকে এটা সামাজিক জালৰ অংশ বুলি অনুভৱ কৰে — সকলো একেলগে সংযুক্ত পৰস্পৰে পৰস্পৰৰ ওপৰত নির্ভৰশীল হয়।

সম্প্রদায়ৰ ধাৰণাৰ বিস্তৃত আয়ত্তৰবাবে তলত কিছুমান সংজ্ঞা আগবঢ়োৱা হৈছে।

এৰিষ্টটলে- প্রথমে ‘সম্প্রদায়’ শব্দটো সংজ্ঞায়িত কৰিছিল, যাক তেওঁ একে মূল্যবোধ থকা মানুহৰ দ্বাৰা গঠিত এটা গোট বুলি উল্লেখ কৰিছিল।

MacIver-ৰ মতে, সম্প্রদায় হৈছে পৰিয়াল আৰু ব্যক্তিসকলৰ এক সমষ্টি, যিসকল এটা যথেষ্ট সংকুচিত আৰু সংলগ্ন ভৌগোলিক এলেকাত বসবাস কৰে আৰু য’ত আচৰণ, প্রথা, পৰম্পৰা আৰু ভাষাৰ উমৈহতীয়া ধৰণৰ মাজেৰে এক সাধাৰণ জীৱনৰ গুৰুত্বপূর্ণ উপাদানসমূহ দেখা পোৱা যায়।

সম্প্রদায়লৈ চোৱাৰ আন এটা উপায় হৈছে ফার্ডিনেণ্ড টনিছ (Ferdinand Tonnies) ৰ জেমেইনশ্বাফ্ট (Gemeinschaft) আৰু গিজেলশ্বাফ্ট (Gesellschaft) সৈতে জড়িত সমাজতাত্ত্বিক গঠন। জেমেইনশ্বাফ্ট সম্প্রদায়ত সদস্যসকলক তেওঁলোকে যেনেদৰে আছে সেইদৰে গ্রহণ কৰা হয়। ইয়াত সম্পর্ক অনানুষ্ঠানিক, ব্যক্তিগত আৰু প্রত্যক্ষ হয়। বংশগতি, অঞ্চল, সংস্কৃতি, ভাষা ইত্যাদিৰ ওপৰত গঢ় লোৱা বান্ধোন ইয়াত দেখা যায়। উদাহৰণস্বৰূপে পৰিয়াল আৰু অন্যান্য সৰু দল। আনহাতে, গিজেলশ্বাফ্ট সম্প্রদায় আনুষ্ঠানিক প্রকৃতিৰহয়।

ইয়াত আইন আৰু নীতি নিয়মে সামাজিক নিয়ন্ত্রণ কৰে। লগতে দলতকৈ ব্যক্তিগত স্বার্থক বেছি গুৰুত্ব দিয়া হয়।

নিউবি (Newby, 1980) য়ে সম্প্রদায়ক তিনিটা দিশত সংজ্ঞায়িত কৰিছে। প্রথম, এটা সামাজিক ব্যৱস্থা হিচাপে (সামাজিক সম্পর্কৰ এটা সমষ্টি)। দ্বিতীয়, এটা নির্দিষ্ট অঞ্চল হিচাপে (ভৌগোলিক অঞ্চল)। তৃতীয়, সম্পর্কৰ মানদণ্ড হিচাপে (সম্প্রদায়ৰ এক আত্মা)।

এই সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে সম্প্রদায় মানে একেলগে বসবাস কৰা, উমৈহতীয়া মূল্যবোধ, বসতি, সংস্কৃতি আৰু প্রথা থকা লোকৰ এটা গোট। পৰস্পৰৰ প্রতি সন্মান আৰু আমিমনোভাৱ ইয়াত বিদ্যমান। একতাৰ চেতনাই তেওঁলোকক বান্ধি ৰাখে।

১.৪ সম্প্রদায়ৰ উপাদানসমূহ

সম্প্রদায় হৈছে মানুহৰ এটা দল বা মানুহৰ এটা গোট, যিসকলে এটা ভৌগোলিক এলেকাত স্থায়ীভাৱে এক সাধাৰণ উদ্দেশ্যৰেবসবাস কৰেআৰু পাৰস্পৰিকভাৱে যোগাযোগ কৰে। সম্প্রদায়ৰ উপাদানসমূহ তলত আলোচনা কৰা হৈছে।

স্থানীয়তা ঃ মানুহৰ যিকোনো এটা দলে তেতিয়াহে সম্প্রদায় গঠন কৰে যেতিয়া তেওঁলোকে এটা নির্দিষ্ট স্থানত বসবাস কৰিবলৈ আৰম্ভ কৰে। অন্য শব্দত, স্থানীয়তা হৈছে সম্প্রদায়ৰ ভৌতিক ভিত্তি। একেলগে বাস কৰাটোৱে মানুহক সামাজিক সম্পর্ক গঢ়িবলৈ সহায় কৰে, তদুপৰি তেওঁলোকক সুৰক্ষা, নিৰাপত্তা আদি প্রদান কৰে। ই সদস্যসকলক তেওঁলোকৰ সাধাৰণ লক্ষ্যসমূহ উন্নীত আৰু পূৰণ কৰিবলৈ সহায় কৰে। কোনো এটা বিশেষ স্থানৰ ভৌতিক পৰিস্থিতিয়ে বৃহৎ পৰিমাণে সামাজিক জীৱনত প্রভাৱ পেলায়। স্থানীয়তা সম্প্রদায় জীৱনৰ এটা মৌলিক উপাদান হিচাপে বিবেচিত। তথাপিও, আধুনিক সময়ত সাংস্কৃতিক প্রবাহৰ বাবে স্থানীয় সম্পর্ক কিছু পৰিমাণে দুর্বল হৈছে।

সম্প্রদায় অনুভূতি ঃ সম্প্রদায় অনুভূতি মানে একেলগে থকা অনুভৱ। সদস্যসকলে "আমি-ভাৱেৰে" একেলগে বসবাস কৰে।

স্থিতিশীলতা ঃ এটা সম্প্রদায়ৰ স্থিতিশীল বৈশিষ্ট্য থাকে, যাৰ অর্থ হৈছে এটা নির্দিষ্ট স্থানত স্থায়ী দলীয় জীৱননির্বাহ।

সম্পর্কৰ নিয়ন্ত্রণ ঃ প্রতিটো সম্প্রদায়ে সময়ৰ লগে লগে পৰম্পৰা, ৰীতি-নীতি, নৈতিকতা, আচৰণ আৰু নিয়ম-কানুনৰ এটা প্রণালী গঢ়ি তোলে, যিয়ে সদস্যসকলৰ মাজৰ সম্পর্ক নিয়ন্ত্রণ কৰে।

স্বাভাৱিকতা ঃ সম্প্রদায়সমূহ স্বাভাৱিকভাৱে গঢ় লৈ উঠে। এইবোৰ ইচ্ছাকৃতভাৱে সৃষ্টি কৰা নহয়। এইবোৰ কোনো পৰিকল্পিত প্রচেষ্টাৰ ফল নহয়। ব্যক্তিসকলে জন্মসূত্রে ইয়াৰ সদস্য হয়। সেয়ে সদস্যপদ স্বেচ্ছাসেৱী নহয়। সম্প্রদায়সমূহৰ উৎপত্তি আৰু বিকাশ স্বতঃস্ফূর্ত। অৱশ্যে, এইবোৰ হঠাৎ আৰু স্বয়ংক্রিয়ভাৱে সৃষ্টি নহয়।

১.৫ সম্প্রদায়ৰ প্রকাৰসমূহ (Types of Community)

সাধাৰণতে জনসংখ্যাৰ বসতি অঞ্চলৰ ওপৰত ভিত্তি কৰি সম্প্রদায় দুটা সাধাৰণ প্রকাৰত ভাগ কৰা হয় - গ্রাম্য আৰু নগৰীয়া কিন্তু ইহঁতক সংজ্ঞায়িত কৰাৰ এক নির্দিষ্ট মাপকাঠী নাই। লগতে আন এটা প্রকাৰ হৈছে জনজাতীয় সম্প্রদায়। উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্য বিভিন্ন জনজাতিৰ বাসস্থান। গতিকে এই অধ্যায়ত আমি জনজাতীয় সম্প্রদায়ৰো আলোচনা কৰিম। অঞ্চল, বৃত্তি, জাতি, শ্রেণী আৰু ধর্মৰ দৰে কিছুমান উপাদানৰ ওপৰত ভিত্তি কৰি বিভিন্ন প্রকাৰৰ সম্প্রদায় চিনাক্ত কৰিব পাৰি।

পি. এ. ছ'ৰোকিন আৰু চি. চি. জিমাৰমেনৰ মতে, গ্রাম্য আৰু চহৰীয়া সম্প্রদায়ক পৃথক কৰা কাৰকসমূহ হৈছে বৃত্তি, জনসংখ্যাৰ আকাৰ, জনসংখ্যাৰ ঘনত্ব আৰু গতিশীলতা।

১.৫.১ গ্রাম্য সম্প্রদায় (Rural Community)

প্রাচীন কালত সকলো সম্প্রদায় মূলতঃ গ্রাম্য প্রকৃতিৰ আছিল। মানুহৰ সামাজিক জীৱন বিকাশৰ বিভিন্ন স্তৰৰ মাজেৰে পাৰ হৈ আহিছে। আদিম মানুহৰ সম্প্রদায় আছিল অসংগঠিত। সেইবোৰ সম্প্রদায়ত কেইটামান পৰিয়াল আছিল। সেই পৰিয়ালবোৰৰ খাদ্য সংগ্রহ আৰু শত্রুৰ পৰা আত্মৰক্ষা কৰাৰ কার্য্য পাৰস্পৰিকভাৱে নির্ভৰশীল আছিল। পর্যায়ক্রমে মানুহে কৃষি দক্ষতা আৰু জ্ঞান লাভ কৰে। তাৰ ফলত কৃষি জীৱনৰ বিকাশ ঘটে। তাৰ পিছত মানৱ সম্প্রদায় স্থায়ী হৈ পৰে। এই স্থায়ী সম্প্রদায়বোৰ 'গাঁও সম্প্রদায়' নামেৰে পৰিচিত হয়।

ক্র'পটকিনৰ মতে, 'আমি এনে একোটা মানৱ জাতি বা এখন দেশ নাজানো যিয়ে নিজৰ গ্রাম্য সম্প্রদায়ৰ সময় পাৰ কৰা নাই।' গাঁওক মানৱ বসতিৰ ভিত্তি আৰু সৰু অঞ্চল বুলি গণ্য কৰা হয়। বগার্ডাছে কৈছে, 'মানৱ সমাজ গ্রাম্য শ্রেণীত প্রতিপালিত হৈছিল।'

গ্রাম্য সমাজবিজ্ঞানী ড্ৰাইট ছেণ্ডাৰছে কৈছে, 'গ্রাম্য সম্প্রদায়ত বিস্তৃত খেতি পথাৰত বাস কৰা লোক আৰু এক ক্ষুদ্র গাঁও বা দল থাকে। এই দল বা গাঁওখনেই তেওঁলোকৰ সাধাৰণ কার্য্যকলাপৰ কেন্দ্র গঠন কৰে।'

গ্রাম্য সম্প্রদায়ৰ বৈশিষ্ট্যসমূহ ঃ

- গ্রাম্য সম্প্রদায় মূলতঃ সমসংজাতীয় (homogeneous)। তেওঁলোক একত্রিত। তেওঁলোকৰ চিন্তা, আচৰণ, সাজ-পোছাক, কার্য্য আৰু জীৱনযাপন একে ধৰণৰ হয়।
- গাঁও সম্প্রদায়ক এটা 'প্রাথমিক গোট' বুলি গণ্য কৰা হয়। কাৰণ ইয়াত মানুহৰ মাজত প্রত্যক্ষ সম্পর্ক বজাই ৰখা হয়।
- সম্পর্ক অনানুষ্ঠানিক, ব্যক্তিগত আৰু সামগ্রিক হয়।
- ৰীতি-নীতি, পৰম্পৰা, দলীয় মানদণ্ডৰ জৰিয়তে অনানুষ্ঠানিকভাৱে সামাজিক নিয়ন্ত্রণ কৰা হয়। এইবোৰে নৈতিক বা সামাজিক চাপ প্রয়োগ কৰে।

- গাঁৱৰ লোকৰ আচৰণ নিয়ন্ত্রণ কৰাত পঞ্চায়তে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- ইয়াত বৃত্তি মুখ্যতঃ কৃষি।
- মৎস্যশিল্প, সূতা কটা, বয়নশিল্প, কাঠৰ কাম আদি বিভিন্ন ব্যৱসায় দেখা গ্রাম্য সমাজতদেখা যায়। শ্রমৰ বিভাজন আৰু বিশেষীকৰণ কম হয়।
- গ্রাম্য সম্প্রদায়ত ব্যৱহৃত প্রযুক্তি সৰল আৰু পৰম্পৰাগত।
- পৰিয়ালৰ জৰিয়তে গ্রাম্য সম্প্রদায় গঢ় লৈ উঠে। ইয়াত সংহতিপূর্ণ সম্পর্ক থাকে। অধিক যুটীয়া পৰিয়ালৰ ব্যৱস্থা দেখা যায়।
- গ্রাম্য সম্প্রদায় অতি ৰক্ষণশীল আৰু পৰম্পৰাগত হয়। ইয়াত পৰম্পৰাই আচৰণ আৰু মনোভাৱ নির্ধাৰণ কৰে। তেওঁলোক হঠাৎ পৰিৱর্তনৰ বাবে সাজু নহয়। তেওঁলোক পুৰণি প্রথা আৰু পৰম্পৰাত আৱদ্ধ হৈ থাকে।
- গ্রাম্য সম্প্রদায়ৰ সৈতে জড়িত এটা গুৰুত্বপূর্ণ সামাজিক গাঁথনি হৈছে জাতি ব্যৱস্থা। ইয়াত জাতি আৰু অন্তঃবিবাহ কঠোৰভাৱে পালন কৰা হয়।

১.৫.২ চহৰীয়া সম্প্রদায় (Urban Community)

চহৰীয়া সম্প্রদায়ে এখন চহৰ বা নগৰক বুজায়। প্রতিটো সভ্যতাৰ ইতিহাস হৈছে তাৰ চহৰ আৰু নগৰৰ ইতিহাস। মানুহে মূলতঃ চহৰ নির্মাণ কৰিছিল। পাছত চহৰে মানুহক সভ্য কৰি তুলিছিল। গতিকে চহৰ হৈছে মানুহৰ সৃষ্টি আৰু নিজৰ পৰিবেশ।

চহৰীয়া সমাজবিজ্ঞানী হাৰার্ড উলিষ্টনে চহৰক এনেদৰে সংজ্ঞায়িত কৰিছে - 'এটা সীমিত ভৌগোলিক অঞ্চল, য'ত ঘনত্ব বসতিৰ জনসংখ্যা বাস কৰে। ইয়াত অনেক উমৈহতীয়া স্বার্থ আৰু প্রতিষ্ঠান থাকে। ৰাজ্যৰ দ্বাৰা অনুমোদিত স্থানীয় চৰকাৰৰ অধীনত থাকে।'

লুই ৱির্থে সমাজতাত্ত্বিক উদ্দেশ্যৰ বাবে চহৰক সংজ্ঞায়িত কৰিছে এটা বৃহৎ, ঘন আৰু স্থায়ী বসতি হিচাপে। এই বসতিত সামাজিকভাৱে ভিন্নধর্মী ব্যক্তি থাকে।

এটা স্থানক নগৰীয়া অঞ্চল হিচাপে শ্রেণীভুক্ত কৰিবলৈ তলৰ মাপকাঠী পূৰণ কৰা উচিত:

- নগৰ নিগম, পৌৰসভা, অধিসূচিত এলেকা সমিতি আৰু ছাউনী বর্ড থকা স্থান।
- জনসংখ্যা কমেও ৫,০০০ হ'ব লাগিব।
- জনসংখ্যাৰ ঘনত্ব প্রতি বর্গ মাইলত ১,০০০ জন (প্রতি বর্গ কিলোমিটাৰত ৪০০ জন) হ'ব লাগিব।
- ৭৫ শতাংশ কর্মী অকৃষি খণ্ডত নিয়োজিত থাকিব লাগিব (জনগণনা, ১৯৬১)।

চহৰীয়া সম্প্রদায়ৰ বিষয়ে আলোচনা কৰোঁতে 'নগৰীকৰণ' শব্দটোৰ সৈতে পৰিচিত হোৱা গুৰুত্বপূর্ণ। মানুহে চহৰীয়া অঞ্চলৰ সৈতে জড়িত মূল্যবোধ আৰু আচৰণ গ্রহণ কৰা প্রক্রিয়াটোকে নগৰীকৰণে বুজায়।

নগৰীয়া সম্প্রদায়ৰ বৈশিষ্ট্যসমূহ ঃ

- **ভিন্নধর্মীতা (Heterogeneity)** ঃ নগৰীয়া সম্প্রদায় জটিল আৰু বহুমুখী। ই বৈচিত্র্যৰ দ্বাৰা চিহ্নিত হয়। লুই ৱির্থৰ মতে, 'পাৰস্পৰিক ক্রিয়াৰ প্রক্রিয়াত অংশগ্রহণ কৰা ব্যক্তিৰ সংখ্যা যিমান বেছি, তেওঁলোকৰ মাজত বিভেদ (differentiation) ৰ সম্ভাৱনাও সিমান বেছি।'
- **গৌণ সম্পর্ক (Secondary relations)**ঃ চহৰীয়া সম্প্রদায় এটা গৌণ গোট। ইয়াত মানুহৰ মাজত প্রত্যক্ষ, বন্ধুত্বপূর্ণ বা অন্তৰংগ সম্পর্ক দেখা নাযাব পাৰে। ওচৰ-চুবুৰীয়াও পৰস্পৰৰ বাবে অচিনাকি যেন লাগে।
- **গৌণ নিয়ন্ত্রণ (Secondary control)** ঃ চহৰসমূহত সামাজিক আচৰণ নিয়ন্ত্রণ কৰা কঠিন। গ্রাম্য সম্প্রদায়ৰ দৰে ৰীতি-নীতি আৰু পৰম্পৰাই ইয়াত নিয়ন্ত্রণ কৰিব নোৱাৰে। আইন, পুলিচ, আদালতৰ দৰে বিশেষ সংস্থাৰ প্রয়োজন হয়।
- **শ্রমৰ বিভাজন (Division of labour)**ঃ জীৱনৰ প্রতিটো ক্ষেত্রতে বিশেষীকৰণ দেখা যায়। দক্ষতাৰ ভিত্তিত দক্ষ, অর্ধ-দক্ষ আৰু অদক্ষ শ্রমিকৰ বিভাজন থাকে।
- **সামাজিক গতিশীলতা (Social mobility)** ঃ মানুহৰ নিজৰ কৃতিত্ব আৰু সফলতাৰ ওপৰত ভিত্তি কৰি এটা সামাজিক মর্যাদাৰ পৰা আন এটালৈ গতি কৰাকে সামাজিক গতিশীলতা বোলা হয়। চহৰীয়া সম্প্রদায়ত এই গতিশীলতা দেখা যায়।
- **অনিয়ন্ত্রিত পৰিয়াল (Unstable family)** ঃ চহৰীয়া সম্প্রদায়ত পৰিয়ালসমূহ দৃঢ়ভাৱে সংগঠিত নহয়। সদস্যসকলৰ ওপৰত পৰিয়ালৰ বেছি নিয়ন্ত্রণ নাথাকে। ইয়াত বিগ্রহপূর্ণ সম্পর্কও দেখা যায়।
- **স্থানিক পৃথকীকৰণ (Spatial segregation)** ঃ চহৰীয়া সম্প্রদায় অত্যধিক জনাকীর্ণ হয়। ইয়াত কার্য্যক্ষেত্রীয় পৃথকীকৰণ দেখা যায়। অর্থাৎ এটা শ্রেণীৰ বৃত্তিগত গোটৰ লোক একেলগে বাস কৰে।
- চহৰ জীৱনৰ সৈতে জড়িত টানি অনা (pull) আৰু ঠেলি দিয়া (push) কাৰক: চহৰে মানুহক আকর্ষণ কৰে (টানি অনা কাৰক)। আনহাতে গাঁৱৰ অর্থনৈতিক সমস্যাসমূহে মানুহক গ্রাম্য জীৱন এৰি চহৰলৈ যাবলৈ বাধ্য কৰায় (ঠেলি দিয়া কাৰক)।

১.৫.৩ জনজাতীয় সম্প্রদায় (Tribal Community)

জনজাতি হৈছে মানুহৰ এটা ডাঙৰ গোট। ই আন গোটৰ পৰা মূলতঃ ইয়াৰ জনঘনত্ব আৰু অধিক স্থায়ী জীৱনশৈলীৰ দ্বাৰা পৃথক হৈ থাকে। ভাৰতীয় জনজাতিসমূহ দেশৰ মুঠ জনসংখ্যাৰ প্রায় ৮.১৪%। তেওঁলোক দেশৰ প্রায় ১৫% ভৌগোলিক অঞ্চলত বাস কৰে। এই অঞ্চল প্রাকৃতিক সম্পদেৰে সমৃদ্ধ। ভাৰতৰ বিভিন্ন অঞ্চলত এই জনজাতীয় সম্প্রদায়সমূহ বিস্তৃত হৈ আছে। উত্তৰ-পূব ভাৰতৰ জনজাতীসমূহ ভাৰতীয় জনজাতীয় সম্প্রদায়ৰ এক গুৰুত্বপূর্ণ অংশ। এই জনজাতি উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যত বিস্তৃত হৈ আছে।

ডুবেই (Dubey, 1960) অনুসৰি জনজাতিৰ এটা সৰল সংজ্ঞা হৈছে - 'জনজাতি সাধাৰণতে পাহাৰ-

জংঘলৰ আপেক্ষিক বিচ্ছিন্নতাত বাস কৰা আঞ্চলিক সমষ্টিক বুজায়।'

কেলকাৰ সমিতিয়ে এটা জনজাতিক অনুসূচিত জনজাতি হিচাপে নির্ধাৰণ কৰাৰ বাবে যি মাপকাঠী দিছে সেইবোৰ হৈছে - আদিম প্ৰকৃতি, স্বকীয় সংস্কৃতি, ভৌগোলিক বিচ্ছিন্নতা, সাধাৰণ জনতাৰ সৈতে যোগাযোগৰ অভাৱ আৰু পিছপৰা অৱস্থা। অনুসূচিত জনজাতি (ST) হৈছে প্ৰশাসনিক শব্দ। ঐতিহাসিকভাৱে সুবিধা বঞ্চিত আৰু পিছপৰা বুলি গণ্য কৰা শ্ৰেণীৰ লোকসকলৰ বাবে নির্দিষ্ট সাংবিধানিক অধিকাৰ, সুৰক্ষা আৰু সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে এই শব্দটো ব্যৱহাৰ কৰা হয়।

জনজাতীয় সম্প্রদায়ৰ বৈশিষ্ট্যসমূহ ঃ

- সমসংজাতীয়তা (Homogeneity)ঃ জনজাতীয় সম্প্রদায়ত পাৰস্পৰিক একতা, সাধাৰণ ভাষা, আৰু নিজৰ জনজাতীয় পৰিচয়ৰ সচেতনতা থাকে। তেওঁলোক এটা সাধাৰণ প্ৰকৃত বা পৌৰাণিক পূৰ্বপুৰুষৰ পৰা অহা বুলি বিশ্বাস কৰে। আত্মীয়তাৰ বান্ধোনে ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- সংস্কৃতি পৃথকভাৱে চিহ্নিত কৰিব পাৰি ঃ উৎসৱ, আচাৰ-ব্যৱহাৰ, নৃত্য আদিৰ জৰিয়তে জনজাতীয় সম্প্রদায়ৰ সংস্কৃতিক পৃথকভাৱে চিহ্নিত কৰিব পাৰি। সেইবোৰে তেওঁলোকৰ সামাজিক অনুষ্ঠানসমূহো প্ৰতিফলিত কৰে। প্ৰতিটো জনজাতিক তেওঁলোকে পিন্ধা সাজ-পোছাক, অলংকাৰ আৰু পৰিৱেশন কৰা নৃত্যৰ দ্বাৰা পৃথকভাৱে শ্ৰেণীভুক্ত কৰিব পাৰি। অনুষ্ঠান আৰু আচাৰ-অনুষ্ঠানক তেওঁলোকে অতি গুৰুত্ব দিয়ে। প্ৰতিটো জনজাতিৰ নিজস্ব ভাষা থাকে।
- আত্মনির্ভৰশীলতা ঃ ইয়াত বৃত্তি মূলতঃ কৃষি আৰু ঝুম খেতি। তেওঁলোক বয়ন আৰু পশুপালনৰ ওপৰত নির্ভৰশীল।
- নেতৃত্ব (Leadership) ঃ তেওঁলোকে স্বশাসনৰ ৰূপত নিজৰ জনজাতি বা জাতিৰ প্ৰতিনিধিত্ব কৰে। গোষ্ঠী (clan) ব্যৱস্থাৰ দ্বাৰা জনজাতীয় নেতৃত্ব সংগঠিত হয়।

আপোনাৰ অগ্রগতি পৰীক্ষা কৰক (Check Your Progress)

1. গ্রাম্য আৰু চহৰীয়া সম্প্রদায় পৃথক কৰাৰ ভিত্তি কি?
2. এটা উপজাতীয় সম্প্রদায়ক অনুসূচিত জনজাতি হিচাপে চিহ্নিত কৰাৰ মাপকাঠী ———— সমিতিয়ে দিছে।

১.৬ গাঁথনি আৰু কার্য্যাবলী (Structures and Functions)

১.৬.১ সম্প্রদায়ৰ গাঁথনি (Community Structure)

সম্প্রদায়ৰ গাঁথনি প্রাকৃতিক বিকাশৰ অংশ। সাধাৰণতে এই আৰ্হি অনির্ধাৰিত। চহৰৰ বিস্তাৰ বা বিকাশৰ

লগে লগে এই আৰ্হি সলনি হয়। সম্প্রদায়ত কার্য্যক্ষেত্র থকা শক্তি বা কেন্দ্র যেনে বিত্তীয় কেন্দ্র, ৰাজনৈতিক শক্তি, উদ্যোগিক অংশ ইত্যাদিৰ দ্বাৰাও এই গাঁথনি নির্ধাৰিত হয়। সম্প্রদায়ৰ ভৌতিক, সামাজিক আৰু ক্ষমতাৰ গাঁথনি তলত আলোচনা কৰা হৈছে —

ভৌতিক গাঁথনি (Physical Structure) ঃ

প্রতিটো সম্প্রদায়ৰ নিজা ভৌতিক গাঁথনি বা বৈশিষ্ট্য থাকে। কাৰণ তেওঁলোকৰ ভৌতিক সীমা অতি সুস্পষ্ট। সম্প্রদায়কর্মীসকল এই গাঁথনিসমূহৰ প্রতি সতর্ক হোৱা উচিত। কাৰণ এই গাঁথনিসমূহে সম্প্রদায়ৰ গতিশীলতা প্রকাশ কৰে। লগতে সম্পদবোৰ (প্রাকৃতিক বা মানৱসৃষ্ট) আৰু সেইবোৰলৈ যিসকলৰ সহজ আৰু বিনামূলীয়া সুবিধা আছে, তেওঁলোকৰ বিষয়েও এই গাঁথনিয়ে তথ্য দিয়ে। চহৰ বা নগৰত পৰিয়াল, ঘৰ, বৃত্তি আদি একক থাকে। গাঁও জীৱনৰ বাবে প্রয়োজনীয় সৰল আৰু মৌলিক গাঁথনি যেনে গীর্জা, দোকান, ৰাস্তা, যোগাযোগ বা পৰিবহণ আদি দেখা যায়।

সামাজিক গাঁথনি (Social Structure) ঃ

সম্প্রদায়ক এটা সামাজিক ব্যৱস্থা হিচাপে চাব পাৰি। জেনেৰেল ছিষ্টেমছ থিয়ৰী অনুসৰি, এটা ব্যৱস্থা বিভিন্ন উপাদানেৰে গঠিত। এই উপাদানবোৰে শৃংখলাবদ্ধ আৰু কার্যক্ষম পদ্ধতিৰে পাৰস্পৰিক ক্রিয়া আৰু সম্পর্ক স্থাপন কৰে। এই ব্যৱস্থাসমূহ পৰস্পৰ সংযুক্ত হোৱাৰ আৰু নিৰন্তৰভাৱে সম্পর্ক স্থাপন কৰাৰ এটা কাঠামো থাকে। সেইদৰে, এটা পৰিয়ালৰ অংশ হিচাপে এজন ব্যক্তি সম্প্রদায়ত থকা আত্মীয় গোটৰ সৈতে সংযুক্ত হয়। লগতে কামৰ স্থান, শিক্ষানুষ্ঠান, ধর্মীয় গোট আদি আন সকলো সামাজিক গাঁথনিৰ সৈতেও তেওঁ সংযুক্ত হয়। সম্প্রদায়ৰ ভিতৰত এই সামাজিক গোটসমূহৰ মাজৰ নিৰন্তৰ যোগাযোগ আৰু পাৰস্পৰিক ক্রিয়াই সম্প্রদায়ৰ সামাজিক গাঁথনিৰ সংজ্ঞা দিয়ে। এই সম্পর্কৰ গতিশীলতা এটা সম্প্রদায়ৰ পৰা আনটোলৈ ভিন্ন হ'ব পাৰে, কিন্তু এই গতিশীলতা সকলো সম্প্রদায়তে থাকে।

ক্ষমতাৰ গাঁথনি (Power Structure) ঃ

ক্ষমতাৰ গাঁথনি প্রতিটো সম্প্রদায়তে থাকে। এই গাঁথনি এটা সম্প্রদায়ৰ পৰা আনটোলৈ পৃথক হয়। যেতিয়া ক্ষমতা এজন ব্যক্তি বা এটা গোটত কেন্দ্রীভূত হয়, তেতিয়া ইয়াক ক্ষমতা কেন্দ্র (power centre) বোলা হয়।

১.৬.২ সম্প্রদায়ৰ কার্য্যাবলী (Functions of a Community)

সম্প্রদায় গঠন কৰা ব্যৱস্থা আৰু উপ-ব্যৱস্থাসমূহে বিশেষ কার্য্য সম্পাদন কৰে। তেওঁলোকৰ মাজত হোৱা সমন্বিত আৰু সংযুক্ত কার্য্যকলাপৰ জৰিয়তে সম্প্রদায়ৰ প্রয়োজনীয়তা পূৰণ কৰা হয়।

- **উৎপাদন, বিতৰণ, উপভোগ (Production, Distribution, Consumption) ঃ** সম্প্রদায়ে ইয়াৰ সদস্যসকলক জীৱিকা উপার্জনৰ মাধ্যম যোগান ধৰে। সম্প্রদায়ত কৃষি, উদ্যোগ বা আন সেৱাৰ সুযোগ উপলব্ধ হোৱা উচিত। তেতিয়াহে অর্থনীতি সৃষ্টি কৰিব পাৰি আৰু সদস্যসকলক যোগান ধৰিব পাৰি।

- **সামাজিকীকৰণ (Socialization)** ঃ সম্প্রদায়ত থকা সামাজিকীকৰণ আৰ্হি হৈছে নীতি-নিয়ম আৰু মূল্যবোধ সদস্যসকলকশিকোৱাৰ মাধ্যম। এই আৰ্হি অনানুষ্ঠানিক পদ্ধতিৰ জৰিয়তে হ'ব পাৰে বা আনুষ্ঠানিক শিক্ষাৰ জৰিয়তেও হ'ব পাৰে।
- **সামাজিক নিয়ন্ত্রণ (Social Control)** ঃ আনুষ্ঠানিক আইন আৰু ব্যৱস্থাই সম্প্রদায়ক মূল্যবোধ মানি চলিবলৈ বাধ্য কৰে। লগতে স্থানীয় গোটসমূহে প্রয়োগ কৰা নীতি-নিয়মেও এই কাম কৰে।
- **সামাজিক অংশগ্রহণ (Social Participation)** ঃ চুবুৰীয়া, ধর্মীয় গোট, যুৱ সংঘ, ব্যৱসায় আদিয়ে সম্প্রদায়ক সামাজিক জীৱনত অংশগ্রহণৰ সুযোগ প্রদান কৰে।
- **পাৰস্পৰিক সহায় (Mutual Support)** ঃ সম্প্রদায়ৰ জৰিয়তে সদস্যসকলে পৰস্পৰে পৰস্পৰক সহায় আগবঢ়াব পাৰে। লগতে তেওঁলোকে একত্রিতভাৱে যিকোনো কাম সম্পন্ন কৰিবলৈ সহযোগিতা কৰিব পাৰে।

১.৭ সম্প্রদায়ৰ বিকশিতকৰণ (Deconstruction of Community)

জাক ডেৰিডাৰ মতে, পুনর্গঠন হৈছে সম্প্রদায়উন্নয়নৰ সমালোচনামূলক প্রতিফলন। বিকশিত (de) আৰু পুনর্গঠন (re-construction) দীর্ঘদিন ধৰি বিতর্কিত হৈ আহিছে। সম্প্রদায় সংগঠনৰ মূল চাপ হৈছে সমাজৰ প্রান্তীয় (marginalized) শ্রেণীৰ সৈতে কাম কৰা। দৰিদ্রতা, জাতি আৰু লিংগৰ ভিত্তিত বৈষম্যৰ সন্মুখীন হোৱা লোকসকলৰ সৈতে কাম কৰাটোও ইয়াৰ ভিতৰত পৰে। বিকশিতকৰণে সমালোচনাত্মক তত্ত্ব (critical theory) দৃষ্টিভংগী গ্রহণ কৰে। ইয়াৰ অধিক সংস্কাৰবাদী বা চৰমপন্থী (radical) দৃষ্টিভংগী থাকে। ইয়াত লাইবেৰী দৃষ্টিভংগী (library approach) ওপৰত গুৰুত্ব দিয়া হয়, য'ত প্রান্তীয়কৰণৰ মূল উৎসবোৰ বিকশিত কৰা হয়। ই এক নিৰন্তৰ সংস্কাৰ প্রক্রিয়া।

প্রজন্মৰ পাছত প্রজন্ম ধৰি লোকসকল জাতি, বর্ণ, লিংগ আৰু যৌন অভিমুখীতাৰ বাবে প্রান্তীয়, অত্যাচাৰিত আৰু বৈষম্যমূলক আচৰণৰ সন্মুখীন হৈ আহিছে। এই অভ্যাসসমূহ আমাৰ সম্প্রদায়ৰ সামাজিক ব্যৱস্থাত সোমাই আছে। সম্প্রদায়ৰ বিকশিতকৰণৰ গুৰুত্ব হৈছে এই অভ্যাসসমূহ পৰীক্ষা কৰা। ইয়াত বিভিন্ন কাৰক থাকিব পাৰে, যেনে দলিত পৃষ্ঠভূমিৰ এগৰাকী মহিলা যি দৰিদ্রও। এনে পৰিস্থিতিত, তেওঁ লিংগৰ বাবে আৰু জাতি আৰু শ্রেণীৰ নিম্নতম স্থানত থকাৰ বাবে অত্যাচাৰ আৰু নির্যাতনৰ একাধিক সমস্যাৰসন্মুখীন হ'ব পাৰে।

আন এটা শ্রেণীৰ লোক হৈছে শৰণার্থী, অভিবাসী আৰু আশ্রয়প্রার্থী। তেওঁলোক বৈষম্যমূলক আচৰণৰ সন্মুখীন হয়। লগতে সম্পদ বা ন্যায়লৈ তেওঁলোকৰ সুবিধা নাথাকে। তেওঁলোকক অচিনাকি আৰু অনাকাংক্ষিত বুলি ব্যৱহাৰ কৰা উচিত নহয়। তেওঁলোকে যিবোৰ সম্প্রদায়ত বাস কৰে, সেই সম্প্রদায়সমূহে তেওঁলোকক আতিথ্য প্রদান কৰা উচিত।

সম্প্রদায়ৰ বিকশিতকৰণৰ সৈতে জড়িত সম্প্রদায় সংগঠকসকল সদায় সাজুহৈ থাকিব লাগে। তেওঁলোকে অধিক বার্তালাপকৰিব লাগে। মানুহে নিজৰ মতামত প্রকাশ কৰাৰ বাবে মুক্ত ৰাখিব লাগে। স্বাধীনতা আৰু

সমালোচনাত্মক চিন্তাৰ বাবে উৎসাহিত কৰিব লাগে। লগতে বাদ পেলোৱা আৰু প্ৰান্তীয় লোকসকলক গ্ৰহণ কৰিবলৈ সদায় সাজু থাকিব লাগে।

বিকশিতকৰণৰ স্থানীয় পৰিঘটনাসমূহক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সামাজিক আন্দোলনৰ সৈতে সংযোগ কৰা উচিত। তেনে কৰিলে বিশ্বব্যাপী দৃষ্টি আকৰ্ষণ কৰিব পাৰি। তেতিয়াহে মহিলা, দলিত, অন্যান্য প্ৰান্তীয় গোট, অক্ষম ব্যক্তি, শৰণাৰ্থী আদিৰ সৈতে জড়িত সমস্যাসমূহ নীতি পৰিৱৰ্তনলৈ ৰূপান্তৰিত হ'ব পাৰে। ইয়াৰ ফলত সমাজ লাভান্বিত হয়। সম্প্ৰদায়ৰ ভিতৰত বৈষম্যৰ কাৰকসমূহ বিকশিত কৰিবলৈ একাধিক কৌশল ব্যৱহাৰ কৰা প্ৰয়োজন। তেনে কৰিলে ক্ষমতাহীন সম্প্ৰদায়সমূহলৈ সমতা আৰু ন্যায় প্ৰদান কৰাত অৰিহণা যোগাব পাৰি।

W আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক (Check Your Progress)

3. সম্প্ৰদায়ৰ মূল কাৰ্য্যাবলীসমূহ কি কি?

১.৮ সম্প্ৰদায় উন্নয়নৰ ধাৰণা (Concept of Community Development)

সম্প্ৰদায় উন্নয়ন হৈছে এনে এটা ধাৰণা যাক কল্যাণ, মানৱ মঙ্গল আৰু সম্প্ৰদায়ত পৰিৱেশগত পুনৰুজ্জীৱনৰ ভিত্তি (paradigm) হিচাপে স্থান দিব পাৰি। দীৰ্ঘদিন ধৰি সম্প্ৰদায় উন্নয়ন মূলতঃ চৰকাৰী দায়িত্ব হিচাপে গণ্য কৰা হৈছিল। এই দায়িত্ব ৰাজ্যিক কাৰ্যকৰীসকলক অৰ্পণ কৰা হৈছিল। সম্প্ৰদায় উন্নয়নৰ লক্ষ্য হৈছে সম্প্ৰদায়ৰ সামগ্ৰিক উন্নয়ন।কিন্তু সম্প্ৰদায়, ৰাজ্যিক সংস্থা আৰু অন্যান্য প্ৰযুক্তিগত আৰু সম্পদশালী সংস্থাসমূহৰ সৈতে অংশীদাৰিত্বত সম্প্ৰদায় উন্নয়ন কৰিব পাৰি, যদি সকলোৰে উমউদ্দেশ্য থাকে। ৰাষ্ট্ৰসংঘৰ মতে, "সম্প্ৰদায় উন্নয়ন হৈছে এনে এটা প্ৰক্ৰিয়া য'ত সম্প্ৰদায়ৰ সদস্যসকলে সামূহিক কাৰ্য্য গ্ৰহণ কৰিবলৈ আৰু সাধাৰণ সমস্যাসমূহৰ সমাধান কৰিবলৈ একগোট হয়।" মেকক্লেনাগান (McClenaghan, 2000, পৃষ্ঠা 571) ৰ মতে, সম্প্ৰদায় উন্নয়নক 'এক উমৈহতীয়া সামাজিক গাঁথনি হিচাপেও সংজ্ঞায়িত কৰা হয়। এই সংজ্ঞাই মূলতঃ ইতিবাচক সামাজিক নীতি-নিয়ম, মূল্যবোধ আৰু অভ্যাস গ্ৰহণৰ প্ৰক্ৰিয়াত অৰ্থ বহন কৰে।'

এখন প্ৰবন্ধত সম্প্ৰদায় উন্নয়নৰ আন এটা বিস্তাৰিত সংজ্ঞা আলোচনা কৰা হৈছে। 'সম্প্ৰদায় উন্নয়নৰ সংজ্ঞাই নিজেই মানুহৰ বৃহৎ সহযোগিতা বিচাৰে। উদাহৰণস্বৰূপে, আটাইতকৈ বহুলভাৰে গৃহীত সংজ্ঞাটো ৰাষ্ট্ৰসংঘৰ এখন নথিত সন্নিবিষ্ট কৰা হৈছেঃ "সম্প্ৰদায় উন্নয়ন শব্দটোৱে এটা কাৰ্যসূচীৰ অধীনত দৃষ্টিভংগী আৰু কৌশলসমূহৰ ব্যৱহাৰ নিৰ্দিষ্ট কৰে। এই কৌশলসমূহ কাৰ্য্যপ্ৰণালী হিচাপে স্থানীয় সম্প্ৰদায়ৰ ওপৰত নিৰ্ভৰশীল। এইকাৰ্যসমূহে পৰিৱৰ্তনৰ প্ৰাথমিক আহিলা হিচাপে স্থানীয় উদ্যোগ আৰু নেতৃত্বক উদ্দীপিত কৰিবলৈ চেষ্টা কৰে।"(Mann, 1962)

১.৮.১ সম্প্রদায় উন্নয়নৰ দর্শন (Philosophy of Community Development)

সম্প্রদায় উন্নয়নৰ আঁৰৰ দর্শন হৈছে সামগ্রিক মানৱ উন্নয়ন আৰু বহনক্ষম উন্নয়নৰ সহাবস্থান। ভাৰতৰ প্রেক্ষাপটত সম্প্রদায় উন্নয়ন মহাত্মা গান্ধীৰ স্বৰাজ দর্শনৰ দ্বাৰা অনুপ্রাণিত। এই দর্শন বিকেন্দ্রীকৃত স্বশাসনৰ অভ্যাসলৈ ৰূপান্তৰিত হয়। এনে দর্শনে প্রত্যেক সম্প্রদায়ৰ সদস্যক বিবেকসম্পন্ন, সমান আৰু স্বকীয় হোৱাত সক্ষম কৰে। লগতে সুস্থ আৰু গতিশীল সম্প্রদায় গঢ়ি তোলাৰ প্রচেষ্টাত তেওঁলোকক সহায় কৰে। সম্প্রদায়ৰ সদস্যসকলৰ মাজত সহযোগিতাৰ ভিত্তিতো সম্প্রদায় উন্নয়নৰ মৌলিক দার্শনিক চিন্তাধাৰা গঢ় লৈ উঠে।

১.৯ সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ পার্থক্য (Difference between Community Development and Community Organisation)

সম্প্রদায় উন্নয়ন হৈছে এনে এটা প্রক্রিয়া যি সম্প্রদায়ৰ সম্পর্ক, নেতৃত্বৰ আর্হি আৰু ৰাজনৈতিক দলৰ পৰিৱর্তনেৰেচলিথাকে। ই নীতি প্রভাৱিত কৰাত বিৰাজমান থাকে। লগতে কার্যৰূপায়ন দ্রুত কৰাত আৰু সম্প্রদায়ৰ ভিতৰত সুস্থ বাতাবৰণ গঢ়ি তোলাত সহায় কৰে। ইয়াৰ ফলত সামাজিক আৰু সম্প্রদায়-সুনির্দিষ্ট পৰিৱর্তনক উৎসাহিত কৰা হয়। সম্প্রদায় উন্নয়নে সম্প্রদায়ৰ সদস্য, বিভিন্ন অংশীদাৰ আৰু সম্প্রদায়ৰ ভিতৰত থকা দক্ষতাৰ লগত জড়িত হৈ কাম কৰে। সম্প্রদায়ৰ প্রয়োজনীয়তা পূৰণৰ বাবে যথাযথ আন্তঃগাঁথনি নির্মাণ কৰাটো ইয়াৰ উদ্দেশ্য। ভাৰতৰ বিভিন্ন গাঁও আদর্শ গাঁও হিচাপে স্থান পাইছে। সেই গাঁওবোৰত সংশি-ষ্ট সংস্থাসমূহৰ উদ্দেশ্য, অংশগ্রহণ আৰু নিয়োজি তাৰে যথাযথভাৱে সম্প্রদায় উন্নয়ন ব্যৱস্থা কার্যকৰী কৰা হৈছে।

সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ পার্থক্যসমূহ তলত দিয়া হৈছে:

১. **আৰম্ভণি ঃ** সম্প্রদায় উন্নয়ন ৰাজ্যিক কর্তৃপক্ষই আৰম্ভ কৰে। ৰাজ্যিক কর্তৃপক্ষ যেনে পঞ্চায়ত বা গাঁও পৰিষদ আৰু উন্নয়ন বর্ডৰ দৰে স্থানীয় স্বশাসন প্রতিষ্ঠান। আনহাতে, সম্প্রদায় সংগঠন সম্প্রদায়ৰ সদস্যসকলে নিজেই আৰম্ভ কৰিব পাৰে। লগতে আন যিকোনো বাহ্যিক সংস্থাইও আৰম্ভ কৰিব পাৰে, যিয়ে সম্প্রদায় উন্নয়নৰ উদ্যোগ লয়।

২. **সময়সীমা ঃ** সম্প্রদায় উন্নয়ন প্রক্রিয়া দীর্ঘম্যাদী হিচাপে পৰিকল্পিত কৰা হয়। কেতিয়াবা কম সময়ৰ বাবেও পৰিকল্পিত কৰা হয়। আনহাতে, সম্প্রদায় সংগঠন বেছিভাগ কম সময়ৰ বাবেই কৰা হয়।

৩. **মাধ্যম আৰু লক্ষ্য ঃ** সম্প্রদায় সংগঠন হৈছে এটা উদ্দেশ্য সাধনৰ এটা মাধ্যম। আনহাতে, সম্প্রদায় উন্নয়ন হৈছে এটা লক্ষ্য যিটো লাভ কৰিবলগীয়া হয়।

৪. **সমালোচনাত্মক সচেতনতা ঃ** সমালোচনাত্মক সচেতনতা (Critical awareness) সম্প্রদায় সংগঠনৰ আটাইতকৈ গুৰুত্বপূর্ণ উপাদান। আনহাতে, সম্প্রদায় উন্নয়নে সমালোচনাত্মক সচেতনতাৰ লগত জড়িত

হোৱাৰ প্ৰয়োজন নাই।

৫. **প্ৰকৃতি ঃ** সম্প্রদায় উন্নয়ন হৈছে এটা গতিশীল প্রক্রিয়া। পৰিস্থিতি তন্ত্র (ecosystem) ৰ প্রয়োজনীয়তা, জলবায়ু পৰিৱর্তনশীলতা, অর্থনৈতিক কাৰক, সামাজিক-সাংস্কৃতিক প্রথাৰ দ্বাৰা এই প্রক্রিয়া নির্ধাৰণ হয়। আনহাতে, সম্প্রদায় সংগঠন সাময়িক আৰু প্রসংগভিত্তিক।

৬. **পৰিণতি ঃ** সম্প্রদায় সংগঠনে প্রতিকূল পৰিণতিৰ সৃষ্টি কৰিব পাৰে। যেনে - প্রতিক্রিয়া (backlash), পৰিয়ালৰ বিবাদ আৰু সম্প্রদায়ৰ সংঘাত। আনহাতে, সম্প্রদায় উন্নয়নে কার্যকৰীকৰণ প্রক্রিয়াৰ সময়ত উদ্ভৱ হোৱা বেছিভাগ সংঘাত সমাধান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৭. **বাধ্যতামূলকতা ঃ** সম্প্রদায় সংগঠন এটা স্পন্দনশীল প্রক্রিয়া। সম্প্রদায়ৰ সদস্যসকলৰ অংশগ্রহণ, নিৰন্তৰ যোগাযোগ আৰু সম্প্রদায়ৰ ভিতৰৰ ব্যক্তিসকলৰ আত্ম-সচেতনতাৰ সৈতে এই প্রক্রিয়া গুৰুত্বপূর্ণ হৈ পৰে। কিন্তু সম্প্রদায় উন্নয়ন প্রক্রিয়া গাঁও কার্যকৰী সংস্থাৰ বিষয়ববীয়া আৰু গাঁও কর্তৃপক্ষৰ বাবে বাধ্যতামূলক হ'ব পাৰে।

৮. **ব্যক্তিগত দৃষ্টিভংগী ঃ** সম্প্রদায় সংগঠনত মানুহৰ ব্যক্তিগত চিন্তাইসর্বাধিক গুৰুত্বপূর্ণ। প্রত্যেক ব্যক্তিৰ সমস্যাক ব্যক্তিগত মনোযোগ দিয়া হয়। কিন্তু সম্প্রদায় উন্নয়নত কার্যকৰী সংস্থাসমূহ ব্যক্তিগত নহ'বও পাৰে।

৯. **পদ্ধতি ঃ** সম্প্রদায় সংগঠনৰ সংগঠকে ভালদৰে অনুসৰণ কৰিবলগীয়া ব্যৱস্থাগত পদক্ষেপ থাকে। আনহাতে, সম্প্রদায় উন্নয়নত লক্ষ্য আহৰণ আটাইতকৈ গুৰুত্বপূর্ণ কাৰক।

১০. **সমস্যা সমাধানৰ ক্ষমতা ঃ** সম্প্রদায় সংগঠনে বহু বছৰৰ পাছতো এটা নির্দিষ্ট সম্প্রদায়ক প্রভাৱিত কৰিব পৰা সামাজিক সমস্যা সমাধান কৰিব নোৱাৰে। কিন্তু সম্প্রদায় উন্নয়নত বিভিন্ন অংশীদাৰৰ সহায়ত সমস্যা সমাধান সুসংগঠিত আৰু সুসংহত হৈ পৰে।

W আপোনাৰ অগ্রগতি পৰীক্ষা কৰক (Check Your Progress)

4. সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ পার্থক্যসমূহ চমুকৈ বর্ণনা কৰক।

2 ১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

- সম্প্রদায় মানে একেলগে বসবাস কৰা লোকৰ এটা গোট। তেওঁলোকে মূল্যবোধ, স্থান, সংস্কৃতি আৰু প্রথা উমৈহতীয়া হয়। পৰস্পৰৰ প্রতি আনুগত্য আৰু আমি অনুভৱ তেওঁলোকৰ মাজত থাকে। একতাৰ চেতনাই তেওঁলোকক বান্ধি ৰাখে।
- গ্রাম্য, চহৰীয়া আৰু জনজাতীয় সম্প্রদায় হৈছে বিভিন্ন প্রকাৰৰ সম্প্রদায়। প্রতিটো প্রকাৰৰ নিজস্ব বৈশিষ্ট্য আছে।

- গ্রাম্য সম্প্রদায়ত বিস্তৃত খেতি পথাৰত বাস কৰা লোক আৰু এটা ক্ষুদ্র গাঁও বা দল থাকে। এই দল বা গাঁওখনেই তেওঁলোকৰ সাধাৰণ কার্য্যকলাপৰ কেন্দ্র। গ্রাম্য সম্প্রদায় সমসংজাতীয় (homogeneous)। ই প্রাথমিক গোষ্ঠীৰে গঠিত, য'ত প্রত্যক্ষ সম্পর্ক থাকে। মানুহৰ আচাৰ-ব্যৱহাৰ পৰম্পৰাগত আৰু ৰক্ষণশীল। তেওঁলোক কৃষিৰ লগত জড়িত। ৰীতি-নীতি, সংস্কৃতি আৰু পৰম্পৰাৰ দ্বাৰা তেওঁলোক আবদ্ধ।
- চহৰীয়া সম্প্রদায়ে এখন অপেক্ষাকৃত ডাঙৰ, ঘন আৰু স্থায়ী বসতিক বুজায়। এই বসতিত সামাজিকভাৱে ভিন্নধর্মী ব্যক্তি থাকে। গৌণ গোটৰ সম্পর্ক, গৌণ সামাজিক নিয়ন্ত্রণ, অস্থিৰ পৰিয়াল আৰু শ্রমৰ বৈচিত্র্য হৈছে চহৰ জীৱন গঠন কৰা মাপকাঠী।
- জনজাতি সাধাৰণতে পাহাৰ-জংঘলৰ আপেক্ষিক বিচ্ছিন্নতাত বাস কৰা আঞ্চলিক সমষ্টি। ইয়াৰ বৈশিষ্ট্যসমূহ হৈছে - সমজাতীয় জনজাতীয় পৰিচয়, শক্তিশালী আত্মীয়তাৰ বান্ধোন, স্বকীয় সংস্কৃতি আৰু প্রথা, আত্মনির্ভৰশীলতা। উপজাতীয় সম্প্রদায়ৰ নিজস্ব স্বশাসনৰ ৰূপত উপজাতীয় নেতৃত্ব থাকে।
- সম্প্রদায়ৰ গাঁথনি প্রাকৃতিক বিকাশৰ অংশ। ভৌতিক, সামাজিক আৰু ক্ষমতাৰ গাঁথনি হৈছে সম্প্রদায়ৰ গাঁথনি বুজাৰ বিভিন্ন উপায়। এই গাঁথনিবোৰ প্রতিটো সম্প্রদায়ত ভিন্ন হ'ব পাৰে।
- সম্প্রদায়ৰ বিভিন্ন ব্যৱস্থাই সম্প্রদায়ৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ বিশেষ কার্য্য সম্পাদন কৰে। যেনে - উৎপাদন, সামাজিকীকৰণ, সামাজিক নিয়ন্ত্রণ, আৰু অংশগ্রহণৰ জৰিয়তে পৰস্পৰক সহায় কৰা।
- সম্প্রদায়ৰ বিকশিতকৰণ (deconstruction) হৈছে সম্প্রদায়ৰ সমালোচনামূলক প্রতিফলন। ইয়াৰ উদ্দেশ্য ন্যায় নিশ্চিত কৰা। ইয়াৰ মূল চাপ হৈছে প্রান্তীয় (marginalized) সম্প্রদায়, দৰিদ্র, দলিত, মহিলা, সম্প্রদায় আদিৰ ওপৰত। এইসকল যুগ যুগ ধৰি বৈষম্যমূলক আচৰণৰ বলি হৈ আহিছে। বিকশিতকৰণে মানুহৰ চিন্তাধাৰা পুনর্গঠন কৰিবলৈ সংস্কাৰবাদী বা চৰমপন্থী দৃষ্টিভংগী গ্রহণ কৰে। লগতে তেওঁলোকক অংশগ্রহণ আৰু সিদ্ধান্ত গ্রহণত জড়িত হোৱাৰ বাবে এটা নিৰাপদ স্থান প্রদান কৰে।
- সম্প্রদায় উন্নয়ন হৈছে এনে এটা ধাৰণা। এই ধাৰণাই সম্প্রদায়ক সম্পদ, দক্ষতা আৰু কৌশলৰে সমষ্টিগত কার্য্য গ্রহণ কৰিবলৈ সক্ষম কৰে।
- কেতিয়াবা সম্প্রদায় উন্নয়নক সম্প্রদায় সংগঠন বুলি একেটা অর্থত ব্যৱহাৰ কৰা হয়। কিন্তু প্রতিটো শব্দৰ নিজা নির্দিষ্ট অর্থ আছে। সম্প্রদায় উন্নয়ন হৈছে লক্ষ্য আৰু সম্প্রদায় সংগঠন সেই লক্ষ্য অর্জনৰ এটা মাধ্যম হ'ব পাৰে।

০ ১.১১ অধিক জানিবলৈ (Further Reading)

- চেকো, পি. এম. (সম্পা. ২০০৫). উপজাতীয় সম্প্রদায় আৰু সামাজিক পৰিৱর্তন. ছেইজ পাব্লিকেচনছ: নিউ দিল্লী।
- দেশাই, এ. আৰ. (২০০৫). পৰিৱর্তনশীল ভাৰতৰ গ্রাম্য জীৱন (২য় সংস্কৰণ). পপুলাৰ প্রকাশন: মুম্বাই।
- মেকাইভাৰ, আৰ.এম., গুপেজ, চি.এইচ. (১৯৪৯). সমাজ — এটা পৰিচয়মূলক বিশ্লেষণ. ছিলঞ্জিত

পাব্লিকেচনছ: নিউ দিল্লী।

- নাগপাল, এইচ. (১৯৯৪). ভাৰতত আধুনিকীকৰণ আৰু নগৰীয়াকৰণ. ৰাৱত পাব্লিকেচনছ: জয়পুৰ।
- ছিদ্দিকী, এইচ.ৰাই. (১৯৯৭). সম্প্রদায়ৰ সৈতে কাম কৰা: সম্প্রদায়কর্মৰ পৰিচয়. হীৰা পাব্লিকেচনছ: নিউ দিল্লী।
- মান, আৰ.এছ. (১৯৬২). জাতি আৰু সম্প্রদায় উন্নয়ন. দ্য ইণ্ডিয়ান জার্নেল অৰ ছ'চিয়েল ৱৰ্ক, খণ্ড XXIII, নং I.

K ১.১২ অগ্রগতিৰ খতিয়ান (Answers to Check Your Progress)

প্রশ্ন ১ৰ উত্তৰ ঃ গ্রাম্য আৰু চহৰীয়া সম্প্রদায় পৃথক কৰা কাৰকসমূহ হৈছে বৃত্তি, জনসংখ্যাৰ আকাৰ, জনসংখ্যাৰ ঘনত্ব আৰু গতিশীলতা।

প্রশ্ন ২ৰ উত্তৰ ঃ এটা উপজাতীয় সম্প্রদায়ক অনুসূচিত জনজাতি হিচাপে চিহ্নিত কৰাৰ মাপকাঠী কেলকাৰ সমিতিয়ে দিছে।

প্রশ্ন ৩ৰ উত্তৰ ঃ সম্প্রদায়ৰ মূল কার্য্যাবলীসমূহ হৈছে - উৎপাদন, বিতৰণ, উপভোগ; সামাজিকীকৰণ; সামাজিক নিয়ন্ত্রণ; সামাজিক অংশগ্রহণ; আৰু পাৰস্পৰিক সহায়।

প্রশ্ন ৪ৰ উত্তৰ ঃ সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠন সম্প্রদায়কর্ম আৰু সম্প্রদায় অধ্যয়নৰ আন্তঃসম্পর্কিত ধাৰণা। কিন্তু ইহঁতৰ কেন্দ্রবিন্দু, দৃষ্টিভংগী আৰু উদ্দেশ্যৰ পার্থক্য আছে।

সম্প্রদায় উন্নয়নে মুখ্যতঃ সম্প্রদায়ৰ সামগ্রিক আর্থ-সামাজিক অৱস্থাৰ উন্নতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই শিক্ষা, স্বাস্থ্য, জীৱিকা, আন্তঃগাঁথনি আৰু সম্প্রদায় কল্যাণৰ ক্ষেত্রসমূহত ইতিবাচক পৰিৱর্তন আনিবলৈ পৰিকল্পিত প্রচেষ্টা হিচাপে কাম কৰে। প্রক্রিয়াটো সাধাৰণতে দীর্ঘম্যাদী হয়। আনহাতে, সম্প্রদায় সংগঠনে লোকসকলক তেওঁলোকৰ সাধাৰণ সমস্যা চিনাক্ত কৰিবলৈ সংগঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে সমস্যাসমূহ সমষ্টিগতভাৱে সমাধান কৰিবলৈও সংগঠিত কৰে। ইয়াৰ প্রাথমিক উদ্দেশ্য হৈছে লোকৰ সমষ্টিগত ক্ষমতা, নেতৃত্ব আৰু সিদ্ধান্ত গ্রহণ ক্ষমতা সবল কৰা। ই অধিক কার্য্য-ভিত্তিক। প্রায়ে অধিকাৰ, ন্যায় আৰু সম্পদলৈ প্ররেশাধিকাৰৰ সৈতে জড়িত সমস্যাসমূহ সমাধান কৰিবলৈ সম্প্রদায় সংগঠন ব্যৱহাৰ কৰা হয়। সম্প্রদায় সংগঠন বহুলাংশে সংগঠন (mobilization), উকীল (advocacy) আৰু ভূমি পর্যায়ৰ নেতৃত্বৰ ওপৰত নির্ভৰশীল। বাহিৰৰ পৰা চলোৱা উন্নয়ন কার্যসূচীতকৈ এইবোৰ বেলেগ।

মূল কথা, সম্প্রদায় উন্নয়ন বহল আৰু ফল-ভিত্তিক। ই সামগ্রিক উন্নতি আৰু কল্যাণৰ ওপৰত কেন্দ্রিত। আনহাতে, সম্প্রদায় সংগঠন প্রক্রিয়া-ভিত্তিক। পৰিৱর্তন আনিবলৈ ই মানুহৰ অংশগ্রহণ, একতা আৰু সমষ্টিগত কার্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

১.১৩ আৰ্হি প্ৰশ্ন (Model Questions)

1. এটা সম্প্রদায় গঠন কৰা মূল কাৰকসমূহ ব্যাখ্যা কৰক।
2. গ্রাম্য আৰু চহৰীয়া সম্প্রদায়ৰ মাজৰ পার্থক্য নির্ণয় কৰক।
3. গাঁথনিৰ ওপৰত ভিত্তি কৰি আপুনি সম্প্রদায়সমূহ কেনেকৈ বুজি পায়?
4. সম্প্রদায়সমূহ বিকশিত (deconstruct) কৰাৰ প্রয়োজনীয়তা আলোচনা কৰক।
5. সম্প্রদায় উন্নয়ন বুলিলে আপুনি কি বুজে?
6. ভাৰতত সম্প্রদায় উন্নয়নৰ দর্শন কি?
7. সম্প্রদায় উন্নয়ন আৰু সম্প্রদায় সংগঠনৰ মাজৰ মূল পার্থক্যসমূহ কি কি?

******

অধ্যায় ২ ঃ স্থানীয় সমাজ, গ্রাম্য সংস্কৃতি আৰু সমাজিক অংশগ্রহণৰ অনুশীলন

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 স্থানীয় সমাজৰ ধাৰণা

স্থানীয় সমাজৰ অর্থ

স্থানীয় সমাজৰ বৈশিষ্ট্য

স্থানীয সমাজৰ প্রকাৰ

2.4 গ্রাম্য সমাজ

গ্রাম্য সমাজৰ অর্থ

গ্রাম্য সমাজৰ প্রকৃতি

গ্রাম্য সমাজৰ গাঁঠনি

2.5 গ্রাম্য সংস্কৃতিৰ ধাৰণা

গ্রাম্য সংস্কৃতিৰ অর্থ

গ্রাম্য সংস্কৃতিৰ বৈশিষ্ট্যসমূহ

2.6 গ্রাম্য সমাজৰ ৰীতি-নীতি, পৰম্পৰা আৰু বিশ্বাস

2.7 গ্রাম্য সমাজৰ সামাজিক জীৱন

গ্রাম্য সমাজৰ পৰিয়াল ব্যৱস্থা

জাতি আৰু আত্মীয়-স্বজন

বৃত্তি আৰু অর্থনীতি

গ্রাম্য অঞ্চলত শিক্ষা আৰু সামাজিক পৰিৱর্তন

2.8 সমাজিক অংশগ্রহণৰ অনুশীলন

সমাজিক অংশগ্রহণৰ অর্থ

সমাজিক অংশগ্রহণৰ পৰিসৰ

2.9 সমাজিক অংশগ্রহণৰ প্রকাৰ

পৰিকল্পনাত অংশগ্রহণ

কার্যৰ্ন্বয়ত অংশগ্রহণ

নিৰীক্ষণ আৰু মূল্যায়নত অংশগ্রহণ

2.10 সমাজিক অংশগ্রহণ শক্তিশালীকৰণত শিক্ষাৰ ভূমিকা
2.11 সমাজিক অংশগ্রহণৰ সমস্যাসমূহ
2.12 সমাজিক অংশগ্রহণ সুদৃঢ়কৰণৰ উপায়
2.13 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.14 অধিক জানিবলৈ
2.15 অগ্রগতিৰ খতিয়ান
2.16 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত শিক্ষার্থীসকলে-

- স্থানীয় সমাজৰ অর্থ তথা ধাৰণা আৰু সামাজিক জীৱনত ইয়াৰ গুৰুত্ব বুজিব পাৰিব।
- সমাজৰ বৈশিষ্ট্য আৰু প্রকাৰ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতৰ গ্রাম্য সমাজৰ প্রকৃতি আৰু গাঁঠনি বর্ণনা কৰিব পাৰিব।
- গ্রাম্য সংস্কৃতিৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ বুজিব পাৰিব।
- গ্রাম্য সমাজৰ পৰিয়াল, জাতি, স্বজন আৰু বৃত্তিৰ দৰে সামাজিক অনুষ্ঠানসমূহ বিশ্লেষণ কৰিব পাৰিব।
- গ্রাম্য অঞ্চলত শিক্ষা আৰু সামাজিক পৰিৱর্তনৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব।
- সমাজিক অংশগ্রহণৰ অর্থ, পৰিসৰ আৰু প্রকাৰ বুজিব পাৰিব।
- শিক্ষা প্রতিষ্ঠানসমূহৰ সমাজিক অংশগ্রহণৰ উন্নয়নত ভূমিকা বিশ্লেষণ কৰিব পাৰিব।
- সমাজিক অংশগ্রহণ শক্তিশালীকৰণত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- সমাজিক অংশগ্রহণৰ সমস্যাসমূহ চিনাক্ত কৰি, তাৰ উত্তৰণৰ উপায় নির্ধাৰণ কৰিব পাৰিব।

২.২ পৰিচয়

মানুহে যি সমাজত বাস কৰে, সেই সমাজতে তেওঁলোকৰ বৃদ্ধি আৰু বিকাশ ঘটে; গতিকে সমাজ মানব জীৱনৰ এক অবিচ্ছেদ্য অংগ। সমাজখনে এজন ব্যক্তিৰ মূল্যবোধ, মনোভাৱ আৰু আচৰণ শৈশৱৰ পৰাই গঢ়ি তোলে। ভাৰতৰ মুঠ জনসংখ্যাৰ উল্লেখযোগ্য অংশ গাঁও অঞ্চলত বসবাস কৰে, গতিকে গ্রাম্য সমাজ আৰু ইয়াৰ সাংস্কৃতিক পৰিৱেশে শিশুসমূহৰ সামাজিকীকৰণত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। শিক্ষকৰ বাবে, বিশেষকৈ প্রাথমিক আৰু মাধ্যমিক শিক্ষা ক্ষেত্রত কর্মৰত শিক্ষকৰ বাবে, গ্রাম্য সমাজ, তাৰ সাংস্কৃতিক ব্যৱস্থা আৰু সমাজিক প্রতিষ্ঠান সম্পর্কে জনাটো অতি জৰুৰী।

সামাজিক অংশগ্রহণ (Community Engagement) বর্তমান শিক্ষাত গুৰুত্বপূর্ণ ধাৰণাৰূপে গঢ় লৈ উঠিছে, কাৰণ আধুনিক শিক্ষা ব্যৱস্থাই অংশীদাৰিত্বমূলক আৰু সমাজ-ভিত্তিক শিক্ষাক প্রাধান্য দিয়ে। ৰাষ্ট্রীয় শিক্ষা নীতি (NEP 2020)-তো বিদ্যালয় আৰু সমাজৰ মাজত সংযোগ, পৰম্পৰাগত জ্ঞানৰ ব্যৱহাৰ আৰু সামূহিক প্রচেষ্টাৰে সমাজৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সমাজিক অংশগ্রহণৰ জৰিয়তে বিদ্যালয়সমূহ কেৱল পৃথক প্রতিষ্ঠান হিচাপে নথকাকৈ স্থানীয় জীৱনৰ এক অঙ্গৰূপে কাম কৰে।

এই অধ্যায়ত স্থানীয় সমাজ, গ্রাম্য সংস্কৃতি আৰু শিক্ষাত সমাজিক অংশগ্রহণৰ গুৰুত্বৰ ওপৰত বিস্তৃত আলোচনা কৰা হৈছে।

২.৩ স্থানীয় সমাজৰ ধাৰণা

"সমাজ" শব্দটো সমাজ বিজ্ঞানত বহুলভাৱে ব্যৱহৃত হয়, কিন্তু ইয়াৰ একোটা, সর্বজনস্বীকৃত সংজ্ঞা নাই। সাধাৰণ অর্থত, সমাজ বুলিলে এটি নির্দিষ্ট অঞ্চলত বসবাস কৰা মানুহৰ সমষ্টিক বুজোৱা হয়, যিয়ে একে স্বার্থ, মূল্যবোধ, পৰম্পৰা আৰু সমাজিক সম্পর্ক লৈ জীৱন নির্বাহ কৰে। যেতিয়া সমাজ এটি নির্দিষ্ট ভৌগোলিক অঞ্চল-যেনে গাঁও, চহৰ, বা কোনো অঞ্চলত সীমাবদ্ধ থাকে, তেতিয়া তাক স্থানীয় সমাজ বোলা হয়।

স্থানীয় সমাজ হৈছে এটি নিকটৱর্তী সমাজিক পৰিবেশ, য'ত ব্যক্তিসকলে নিয়মিতভাৱে পৰস্পৰ যোগাযোগ বা সম্পর্ক ৰক্ষা কৰে। ইয়াত পৰিয়াল, প্রতিষ্ঠান আৰু অনানুষ্ঠানিক সমাজিক গোটসমূহ থাকে, যিয়ে মানুহৰ দৈনন্দিন জীৱনক প্রভাৱিত কৰে। বিদ্যালয়, ধর্মীয় প্রতিষ্ঠান, বজাৰ, স্থানীয় সংস্থা আৰু স্বেচ্ছাসেৱী সংগঠনসমূহ স্থানীয় সমাজৰ অঙ্গ।

২.৩.১ স্থানীয় সমাজৰ অর্থ

স্থানীয় সমাজ বুলিলে এটা নির্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰা মানুহৰ গোটক বুজায়, যিয়ে একে সমাজিক জীৱন, স্বার্থ, পৰম্পৰা, প্রতিষ্ঠান আদি অনুশীলন কৰে আৰু নিয়মিতভাৱে পৰস্পৰ আন্ত: সম্পর্ক ৰক্ষা কৰে।

সহজ ভাষাত, স্থানীয় সমাজ বুলিলে-এখন গাঁও, চহৰ, বা এলেকাৰ মানুহক বুজিব পাৰি, যিসকলে সমাজিক সম্পর্ক আৰু পৰস্পৰ নির্ভৰশীলতাৰ জৰিয়তে সংযুক্ত হৈ থাকে। উমৈহতীয়া চিনাকি আৰু একত্রিত অনুভৱে এখন সমাজ হিচাপে তেওঁলোকৰ পৰিচয় গঢ়ি তোলে।

সমাজবিজ্ঞানীৰ মতে, স্থানীয় সমাজৰ তিনিটা মুখ্য উপাদান আছে-

- নির্দিষ্ট ভৌগোলিক অঞ্চল
- একেলগে বাস কৰা মানুহৰ দল
- একে স্বার্থ আৰু সমাজিক আন্ত: সম্পর্ক

২.৩.২ স্থানীয় সমাজৰ বৈশিষ্ট্য

স্থানীয় সমাজৰ বিশেষ কিছুমান বৈশিষ্ট্য আছে, যিয়ে ইয়াক আন সমাজিক গোটৰ পৰা পৃথক কৰে। যেনে-

- **ভৌগোলিক অঞ্চল ঃ** স্থানীয় সমাজে নির্দিষ্ট অঞ্চল-যেনে গাঁও, চহৰ, আদি অন্তর্ভুক্ত কৰে। সদস্যসকল নিকটৱর্তী দূৰত্বই নিয়মিত যোগাযোগ আৰু সহযোগিতা সহজ কৰি তোলে।
- **সামাজিক জীৱন ঃ** সদস্যসকলে একে সমাজিক জীৱন অতিবাহিত কৰে। একেলগে উৎসৱ, ধর্মীয় অনুষ্ঠান, আৰু সমাজিক কার্যসূচীত অংশ লয়, যিয়ে সমাজিক সম্পর্ক শক্তিশালী কৰে।
- **একাত্ম আৰু মানসিক সংযোগৰ অনুভৱ ঃ** সদস্যসকলৰ মাজত গভীৰ একাত্মিকতা আৰু মানসিক সংযোগ থাকে।
- **সামাজিক যোগাযোগ ঃ** সদস্যসকলৰ মাজত নিয়মিত আনুষ্ঠানিক বা অনানুষ্ঠানিক দুয়ো প্রকাৰৰ যোগাযোগ স্থাপন হয়।
- **উমৈহতীয়া প্রতিষ্ঠান ঃ** বিদ্যালয়, ধর্মীয় অনুষ্ঠান, স্থানীয় সংস্থা, বজাৰ আদি সদস্যসকলৰ বাবে উমৈহতীয়া বিধৰ হয়।
- **পৰস্পৰ নির্ভৰশীলতা ঃ** সদস্যসকলে অর্থনৈতিক, সমাজিক আৰু অন্যান্য ক্ষেত্রত পৰস্পৰে পৰস্পৰৰ ওপৰত নির্ভৰ কৰে। এই পৰস্পৰ নির্ভৰশীলতাই সহযোগিতা আৰু সংহতি বৃদ্ধি কৰে

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্থানীয় সমাজ বুলিলে কি বুজা ? স্থানীয় সমাজৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

২.৩.৩ স্থানীয় সমাজৰ প্রকাৰ

সমাজসমূহক বিভিন্নভাৱে, যেনে আকাৰ, গঠন আৰু জীৱনশৈলীৰ ভিত্তিত ভাগ কৰিব পাৰি। কিন্তু সমাজবিজ্ঞান আৰু শৈক্ষিক দৃষ্টিকোণৰ পৰা, সমাজক প্রধানকৈ গ্রাম্য সমাজ আৰু নগৰীয়া সমাজ হিচাপে ভাগ কৰা হয়।

- **গ্রাম্য সমাজ ঃ** কৃষি-ভিত্তিক জীৱন, ঘনিষ্ঠ সমাজিক সম্পর্ক, সহজ জীৱনশৈলী আৰু পৰম্পৰাগত মূল্যবোধৰ দ্বাৰা গ্রাম্য সমাজক চিনাক্ত কৰা হয়।
- **চহৰ বা নগৰীয়া সমাজ ঃ** নগৰীয়া সমাজত উদ্যোগ-সেৱা-ভিত্তিক জীৱিকা, বৈচিত্র্যপূর্ণ জনসংখ্যা, আনুষ্ঠানিক সমাজিক সম্পর্ক আৰু আধুনিক জীৱনশৈলী দেখা পোৱা যায়।
- **স্থানান্তৰিত সমাজ ঃ** এই ধৰণৰ সমাজ এনে অঞ্চলত পোৱা যায়, য'ত গাঁও আৰু চহৰ দুয়োটা জীৱনৰ মিশ্রিত বৈশিষ্ট্য দেখা যায়।

ভাৰতত গ্রাম্য সমাজে সামাজিক আৰু সাংস্কৃতিক জীৱনত মুখ্য ভূমিকা পালন কৰে। গতিকে, গ্রাম্য সমাজৰ বিষয়ে গভীৰ জ্ঞান থকাটো শিক্ষক আৰু ছাত্র-ছাত্রীয বাবে অতি প্রয়োজনীয়।

২.৪ গ্রাম্য সমাজ

গ্রাম্য সমাজ হৈছে ভাৰতীয় সমাজৰ মূল ভিত্তি। দ্রুত নগৰীকৰণৰ পিছতো, ভাৰতৰ বৃহৎ অংশ জনসংখ্যা আজিও গাঁও অঞ্চলত বসবাস কৰে। গাওঁ কেৱল বাসস্থানে নহয়; ই সামাজিক জীৱন, সংস্কৃতি, পৰম্পৰা আৰু সামুহিক কার্যকলাপৰ কেন্দ্র।

গ্রাম্য সমাজ সাধাৰণতে সীমিত পৰিসৰৰ আৰু ব্যক্তিগত সম্পর্ক, উমৈহতীয়া পৰম্পৰা আৰু মিলা-প্রীতিৰ প্রবল অনুভৱেৰে পৰিচিত। গ্রাম্য জীৱন বিশেষকৈ প্রকৃতি, ঋতু আৰু কৃষি কার্যৰ সৈতে গভীৰভাৱে সংলগ্ন।

২.৪.১ গ্রাম্য সমাজৰ অর্থ

গ্রাম্য সমাজ বুলিলে-গাঁৱত বসবাস কৰা, প্রধানকৈ কৃষিৰ লগত জড়িত, উমৈহতীয়া পৰম্পৰা, ৰীতি-নীতি আৰু সমাজিক প্রতিষ্ঠানেৰে জীৱন নির্বাহ কৰা মানুহৰ সমষ্টিকে বুজায়।

গ্রাম্য সমাজত সমাজিক জীৱন সহজ আৰু গভীৰভাৱে পৰম্পৰাগত। গ্রাম্য সমাজ সাধাৰণতে সামূহিক জীৱনেৰে পৰিচিত, য'ত ব্যক্তি স্বার্থতকৈ সমাজৰ মঙ্গলক অধিক প্রাধান্য দিয়া হয়। এই সামূহিক মনোভাৱেই সমাজভিত্তিক উন্নয়ন আৰু শিক্ষামূলক কার্যসূচী সফল কৰাৰ ক্ষেত্রত সহায় কৰে।

২.৪.২ গ্রাম্য সমাজৰ প্রকৃতি

গ্রাম্য সমাজৰ প্রকৃতি এনে এনেধৰণৰ-

- **কৃষি-ভিত্তিক অর্থনীতি ঃ** গাঁও অঞ্চলত কৃষি হ'ল মুখ্য বৃত্তি। কৃষিকর্ম, পশুপালন, মাছধৰা, গৃহশিল্প আদি গাঁও সমাজৰ অর্থনৈতিক আধাৰ।
- **ঘনিষ্ঠ সমাজিক সম্পর্ক ঃ** গাঁও সমাজত মানুহে এজনে আনজনৰ সৈতে পাৰস্পৰিক সম্পর্ক ৰক্ষা কৰে আৰু দৈনন্দিন জীৱনত প্রায়ে যোগাযোগৰ স্থাপন কৰা দেখা যায়।
- **পৰম্পৰাগত মূল্যবোধ ঃ** পৰম্পৰা, ৰীতি-নীতি গ্রাম্য সমাজ জীৱনত গভীৰভাৱে দেখিবলৈ পোৱা যায় । সাংস্কৃতিক পৰম্পৰাসমূহ এটা প্রজন্মৰ পৰা অন্য প্রজন্মলৈ হস্তান্তৰ হয়।
- **সহজ জীৱনশৈলী ঃ** গ্রাম্য সমাজত জীৱনশৈলী সাধাৰণ আৰু তুলনামূলকভাৱে কম জটিলতা থাকে। প্রয়োজনসমূহ সীমিত, আৰু ভোগবিলাসৰ অভ্যাস কম দেখা যায়।

- **সমাজিক নিয়ন্ত্রণ ঃ** অনানুষ্ঠানিক নিয়ম-কানুন আৰু সমাজিক নীতি নিয়মে গাঁও অঞ্চলত কার্যকৰীভাৱে কাম কৰে।
- **সামূহিক মনোভাৱ ঃ** সহযোগিতা আৰু পৰস্পৰ সহায়ৰ মনোভাৱ গাঁও জীৱনৰ মুখ্য বৈশিষ্ট্য। উৎসৱ, কৃষি কার্য আৰু সমস্যাৰ ৰ সময়ত মানুহে এজনে আনজনক সহায় কৰে।

২.৪.৩ গ্রাম্য সমাজৰ গঠন

গাঁও সমাজৰ এটা সু-সংগঠিত ৰূপ থাকে, যিয়ে সমাজিক সম্পর্ক ৰক্ষা কৰে। এই গঠন এনেধৰণৰ-

- **পৰিয়াল ব্যৱস্থা ঃ** পৰিয়াল হৈছে গ্রাম্য সমাজৰ মূল ভেটি। পৰিয়ালে শিশুৰ সামাজিকীকৰণত আৰু নৈতিক মূল্যবোধ প্রদানত মুখ্য ভূমিকা পালন কৰে।
- **জাতি প্রথা ঃ** বহু গাঁও অঞ্চলত জাতি প্রথাই সমাজিক যোগাযোগ, বৃত্তি আদিত প্রভাৱ পেলায়। যদিও ইয়াৰ প্রভাৱ লাহে লাহে কমি আহিছে, তথাপিও জাতি আজিও গ্রাম্য সমাজৰ গুৰুত্বপূর্ণ সমাজিক প্রতিষ্ঠান।
- **আত্মীয়তা ঃ** আত্মীয়তা আৰু পাৰস্পৰিক সম্পর্কই গ্রাম্য সমাজৰ সমাজিক সংহতি শক্তিশালী কৰে।
- **গাঁও প্রতিষ্ঠানসমূহ ঃ** পঞ্চায়ত, বিদ্যালয়, মন্দিৰ, সমবায় আদি প্রতিষ্ঠানসমূহে গাঁও জীৱন নিয়ন্ত্রণ আৰু প্রয়োজনীয় সেৱা প্রদান কৰে।

5 জানি থোৱা ভাল

পঞ্চায়তী ৰাজ ব্যৱস্থাই গ্রাম্য শাসন আৰু সমাজিক অংশগ্রহণৰ বাবে এটা গণতান্ত্রিক কাঠামো প্রদান কৰা কৰে। ই গাঁও উন্নয়ন আৰু সমাজিক অংশগ্রহণত মুখ্য ভূমিকা পালন কৰে।

কার্য ঃ

এখন ওচৰৰ গাঁও বা গ্রাম্য অঞ্চল পর্যবেক্ষণ কৰক। গাঁও সমাজৰ জীৱনত গুৰুত্বপূর্ণ ভূমিকা থকা যিকোনো দুটা প্রতিষ্ঠান চিনাক্ত কৰক আৰু তেওঁলোকৰ কার্য্যৰ ওপৰত সংক্ষেপে লিখক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ঃ গাঁও অঞ্চলৰ সমাজ বুলিলে কি বুজা যায়? গাঁও অঞ্চলৰ সমাজৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

২.৫ গ্রাম্য সংস্কৃতিৰ ধাৰণা

সংস্কৃতি হৈছে সমাজৰ আত্মা। ই মানুহৰ জীৱন যাপন প্রণালীক প্রতিনিধিত্ব কৰে, য'ত বিশ্বাস, মূল্যবোধ, ৰীতি-নীতি, পৰম্পৰা, ভাষা, কলা, নৈতিকতা আৰু সমাজিক প্রণালী অন্তর্ভুক্ত হৈ থাকে। গ্রাম্য সংস্কৃতি বুলিলে গ্রাম্য সমাজত বসবাস কৰা মানুহৰ সাংস্কৃতিক ঐতিহ্য আৰু জীৱনশৈলীকে বুজিব পাৰি। এই সংস্কৃতি সামাজিকীকৰণ আৰু অভিজ্ঞতাৰ জৰিয়তে প্রজন্মৰ পৰা প্রজন্মলৈ হস্তান্তৰ হৈ থাকে।

ভাৰতত, গ্রাম্য সংস্কৃতি জাতীয় সংস্কৃতিৰ মূল আধাৰ হিচাপে বিবেচনা কৰা হয়। আধুনিকতা আৰু বিশ্বায়নৰ প্রভাৱ থাকিলেও, গ্রাম্য সংস্কৃতিয়ে নিজৰ পৃথক পৰিচয় ৰক্ষা কৰি ৰাখিছে। গ্রাম্য সংস্কৃতিক কৃষি, প্রকৃতি, ঋতু, উৎসৱ আৰু সামূহিক জীৱনৰ সৈতে গভীৰভাৱে সংলগ্ন কৰিব পাৰি। গ্রাম্য সংস্কৃতিৰ জ্ঞান অতি প্রাসংগিক, কাৰণ শিক্ষা আৰু উন্নয়নমূলক কার্য্যসমূহ স্থানীয় সংস্কৃতিৰ প্রতি সংবেদনশীল হোৱাটো জৰুৰী।

বিশেষকৈ গ্রাম্য অঞ্চলত কর্মৰত দূৰশিক্ষাৰ শিক্ষার্থীসকলৰ বাবে, গাঁও সংস্কৃতিৰ অধ্যয়নে শিক্ষার্থীৰ পটভূমি, সমাজৰ আশা-আকাঙক্ষা আৰু সমাজিক বাস্তৱতা বুজাত সহায় কৰে। গ্রাম্য সংস্কৃতিক মান্যতা দিয়া আৰু ইয়াক শিক্ষাৰ অঙ্গ কৰি তোলা প্রক্রিয়াই শিক্ষাক অধিক ফলপ্রসূ আৰু অর্থবহ কৰি তোলে।

২.৫.১ গ্রাম্য অঞ্চলৰ সংস্কৃতিৰ অর্থ

গাঁও সংস্কৃতি বুলিলে গাঁৱত বসবাস কৰা মানুহৰ জীৱন পদ্ধতি, পৰম্পৰাগত বিশ্বাস, ৰীতি-নীতি, মূল্যবোধ, সমাজিক প্রতিষ্ঠান আৰু সমাজিক সম্পর্কৰে গঢ়ি উঠা এক সামগ্রিক ব্যৱস্থাকে বুজিব পাৰি।

ঘৰ-দোৱাৰ, সাজপাৰ, খাদ্যাভ্যাস আদি বস্তুগত দিশৰ লগতে বিশ্বাস, মূল্যবোধ, পৰম্পৰা, ৰীতি-নীতি, লোক-গীত, সামাজিক অনুষ্ঠান আদিও গ্রাম্য সংস্কৃতিৰ অন্তর্ভুক্ত। গ্রাম্য সংস্কৃতি সাধাৰণ, সামূহিক আৰু প্রকৃতিৰ সৈতে গভীৰভাৱে সংযুক্ত।

গাঁও অঞ্চলত সংস্কৃতি কেৱল তাত্ত্বিক নহয়, ই দৈনন্দিন জীৱন প্রণালীৰ অঙ্গ। উৎসৱ পার্বন, বিবাহ পদ্ধতি, কৃষি-পদ্ধতি, ধর্মীয় আচৰণ গ্রাম্য জীৱনৰ সাংস্কৃতিক বৈচিত্র্যৰ প্রতিফলন।

২.৫.২ গ্রাম্য সংস্কৃতিৰ বৈশিষ্ট্য

গ্রাম্য সংস্কৃতিৰ বিশেষ কিছুমান বৈশিষ্ট্য আছে, যিয়ে ইয়াক চহৰৰ সংস্কৃতিৰ পৰা পৃথক কৰে।

- **পৰম্পৰা-ভিত্তিক ঃ** গ্রাম্য সংস্কৃতি গভীৰভাৱে পৰম্পৰাগত। ৰীতি-নীতি, পৰম্পৰা, অনুষ্ঠান আদি পালন কৰা হয়, আৰু বয়োজ্যেষ্ঠসকলে সংস্কৃতি সংৰক্ষণত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।
- **প্রকৃতি-কেন্দ্রিক ঃ** গাঁও সংস্কৃতি প্রকৃতি আৰু কৃষিৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। ঋতু, বৰষুণ, প্রাকৃতিক

সম্পদ আদিয়ে মানুহৰ বৃত্তি আৰু দৈনন্দিন জীৱনৰ ওপৰত প্রভাৱ পেলায়।

- **সামুহিক জীৱন ঃ** গ্রাম্য সংস্কৃতিৰ ক্ষেত্রত সমাজিক জীৱনৰ গুৰুত্ব অধিক। গাঁৱৰ মানুহে সমাজিক, ধর্মীয় আৰু অর্থনৈতিক কার্য্যত সমূহিয়াকৈ অংশগ্রহণ কৰে।
- **সহজ জীৱনশৈলী ঃ** গ্রাম্য মানুহৰ জীৱনশৈলী সাধাৰণ আৰু নিম্ন ভোগবাদী হয়। তেওঁলোকৰ প্রয়োজন সীমিত হয়, আৰু প্রাথমিক চাহিদাৰ ওপৰত নির্ভৰশীল হোৱা দেখা যায়।
- **নৈতিক মূল্যবোধ ঃ** গাঁও সংস্কৃতিয়ে সততা, সহযোগিতা, জেষ্ঠৰ প্রতি সন্মান, পাৰস্পৰিক মূল্যবোধৰ জৰিয়তে জীৱন নির্বাহ কৰে।
- **মৌখিক পৰম্পৰা ঃ** লোক-গীত, কাহিনী, প্রবাদ আৰু মৌখিক কাহিনীত গাঁও সংস্কৃতি এক প্রজন্মৰ পৰা আনটোলৈ সংক্রমিত হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ গাঁও অঞ্চলৰ সংস্কৃতি বুলিলে কি বুজা? গাঁও সংস্কৃতিৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

২.৬ গাঁও অঞ্চলৰ সংস্কৃতিৰ ৰীতি-নীতি, পৰম্পৰা আৰু বিশ্বাস

ৰীতি, পৰম্পৰা আৰু বিশ্বাস গাঁও সংস্কৃতিৰ অবিচ্ছেদ্য অংশ। এইসমূহে সমাজিক আচৰণ নিয়ন্ত্রণ কৰে আৰু সমাজত শৃংখলা বজাই ৰাখে।

ৰীতি-নীতি (Customs) ঃ ৰীতি-নীতি হৈছে সামাজিক আচৰণৰ নির্দিষ্ট নিয়ম বা প্রথা। গ্রাম্য সমাজত ৰীতি-নীতিয়ে মানুহৰ আচৰণ, জীৱন পদ্ধতি আদি নিয়ন্ত্রণ কৰে।

পৰম্পৰা (Traditions) ঃ

পৰম্পৰা হৈছে পুৰণি ৰীতি-নীতি বা অভ্যাস, যি প্রজন্মৰ পৰা প্রজন্মলৈ প্রবাহিত হয়। গ্রাম্য সমাজৰ পৰম্পৰাই সমাজিক একতা আৰু নিজস্ব স্বকীয়তা গঢ়ি তোলে।

বিশ্বাস (Beliefs) ঃ

বিশ্বাস হৈছে সমাজৰ দ্বাৰা সত্য বুলি গ্রহণ কৰা ধাৰণা, যি সাধাৰণতে ধর্ম, প্রকৃতি বা সমাজিক জীৱনৰ সৈতে জড়িত।

গ্রাম্য সমাজৰ বিশ্বাসত অলৌকিক শক্তিত বিশ্বাস, কৃষিৰ উন্নতিৰ বাবে ৰীতি-নীতি আৰু পৰম্পৰাগত চিকিৎসা আদি অন্তর্ভুক্ত হয়। এইবোৰৰ কিছুমান বৈজ্ঞানিক দৃষ্টিৰে ভিত্তিহীন যেন লাগিলেও সমাজিক আৰু মানসিক দিশৰ পৰা ই মানুহ আশ্বাস, আশা আৰু একতা প্রদান কৰে।

শিক্ষাৰ ভূমিকা ঃ

শিক্ষাই যুক্তিভিত্তিক চিন্তা-চেতনাক উন্নীত কৰাৰ লগতে সাংস্কৃতিক অনুভূতিকো সম্মান জনায়। এক সফল শিক্ষা ব্যৱস্থাত সাংস্কৃতিক সংবেদনশীলতা আৰু বৈজ্ঞানিক মনোভাৱৰ সমন্বয় একান্তই প্রয়োজন।

২.৭ গ্রাম্য অঞ্চলৰ সমাজিক জীৱন

গাঁও অঞ্চলৰ সমাজিক জীৱন ইজনে আনজনৰ সৈতে ঘনিষ্ঠ আন্তঃ-সম্পর্ক আৰু প্রবল সমাজিক বান্ধোনৰ দ্বাৰা গঠন হৈছে। গ্রাম্য সমাজত উৎসৱ, বিবাহ, ধর্মীয় অনুষ্ঠান আদি সমাজিক কার্য্যই মানুহক একত্রিত কৰে আৰু সমাজিক সংহতি শক্তিশালী কৰে।

গাঁও অঞ্চলৰ সমাজিক জীৱনৰ মূলত দিশসমূহ হ'ল-

২.৭.১ গ্রাম্য সমাজত পৰিয়াল ব্যৱস্থা

গাঁও সমাজত পৰিয়াল হৈছে আটাইতকৈ গুৰুত্ব পূর্ণ সমাজিক প্রতিষ্ঠান। ই হৈছে সমাজীকিকৰণৰ মূল মাধ্যম।

গাঁও অঞ্চলত সাধাৰণতে যুটীয়া পৰিয়াল দেখা যায়, য'ত এখন ঘৰতে বহু লোক একেলগে বাস কৰে। এনে পৰিয়ালে সহযোগিতাৰে জীৱন নির্বাহ, সম্পদৰ বিতৰণ, বৃদ্ধ আৰু শিশুসকলৰ যত্ন ইত্যাদিত সহায় কৰিব পাৰে।

২.৭.২ জাতি আৰু স্বজন পদ্ধতি

ভাৰতীয় গ্রাম্য সমাজত জাতি এটা গুৰুত্বপূর্ণ সমাজিক প্রতিষ্ঠান। ই পৰম্পৰাগতভাৱে বৃত্তি, সমাজিক প্রস্থিতি আৰু সমাজিক যোগাযোগ নির্ধাৰণ কৰিছিল। যদিও শিক্ষা প্রসাৰ আৰু সমাজ সংস্কাৰৰ ফলত ইয়াৰ প্রভাৰ কমিছে, তথাপিও বহু অঞ্চলত জাতিয়ে সমাজিক জীৱন প্রভাৱিত কৰে।

২.৭.৩ স্বজন পদ্ধতি (Kinship) ঃ

স্বজন পদ্ধতি হৈছে জন্মগত, বিবাহ বা বংশগত দিশৰ ওপৰত আধাৰিত সম্পর্ক। স্বজন পদ্ধতিয়ে গ্রাম্য সমাজৰ স্থিতিশীলতা বজাই ৰাখে। গ্রাম্য সমাজত স্বজন পদ্ধতিৰ বান্ধোনে জীৱন নির্বাহ, কৃষি, উৎসৱ, সংকটৰ আদিৰ ক্ষেত্রত সহযোগিতা আগবঢ়ায়।

২.৭.৪ ব্যৱসায় আৰু অর্থনীতি

কৃষি গ্রাম্য অর্থনীতিৰ মূল আধাৰ। অধিকাংশ গ্রাম্য পৰিয়াল কৃষিকর্ম, পশুপালন, মীনপালন, হস্তশিল্প আদিৰ লগত জড়িত বৃত্তিত নির্ভৰশীল।

গ্রাম্য অর্থনীতি প্রায়েই ঋতুভিত্তিক আৰু বতৰৰ ওপৰত নির্ভৰশীল। এই অর্থনৈতিক অনিশ্চয়তাই বহু সময়ত ছাত্র-ছাত্রীৰ শৈক্ষিক অংশগ্রহণত প্রভাৱিত কৰে, কাৰণ শিশু সকলে কৃষিকর্মত নিয়োজিত হৈ পৰে।

তদুপৰি ৰাজহুৱা আঁচনি, সমবায় সেৱা আৰু আত্ম-সহায়ক গোটেও গ্রাম্য জীৱিকা উন্নত কৰাত সহায় কৰিছে।

২.৭.৫ গাঁও অঞ্চলত শিক্ষা আৰু সমাজিক পৰিবর্তন

শিক্ষা গ্রাম্য সমাজৰ সামাজিক পৰিবর্তনৰ এক শক্তিশালী মাধ্যম। ই ব্যক্তিক ব্যক্তিগত আৰু সমাজিক বিকাশৰ বাবে প্রয়োজনীয় জ্ঞান, দক্ষতা, মূল্যবোধ আদি প্রদান কৰে।

শিক্ষাৰ জৰিয়তে গাঁৱৰ মানুহে স্বাস্থ্য, পৰিছন্নতা, অধিকাৰ আৰু চৰকাৰী আঁচনিৰ প্রতি সজাগ হ'ব পাৰে। শিক্ষাই লিংগ-সমতা, সমাজিক সমতা আৰু গণতান্ত্রিক অংশগ্রহণ বৃদ্ধি কৰে। দূৰশিক্ষাই গাঁও অঞ্চলত নিয়মিত বিদ্যালয়ত অংশ ল'ব নোৱাৰা শিক্ষার্থীৰ বাবে নতুনকৈ শিক্ষা গ্রহণ কৰাৰ সুবিধা আগবঢ়াইছে।

5 জানি থোৱা ভাল

বহু গ্রাম্য বিদ্যালয় সমাজৰ কেন্দ্র হিচাপে কাম কৰে, য'ত শিক্ষাৰ লগতে সাংস্কৃতিক আৰু সমাজিক কার্য্যও অনুষ্ঠিত হয়।

Activity:

এটা গ্রাম্য পৰিয়ালৰ সৈতে আলোচনা কৰা আৰু শিক্ষাই গ্রাম্য জীৱনত আনিব পৰা যিকোনো দুটা পৰিবর্তন উল্লেখ কৰা।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ গ্রাম্য সমাজত পৰিয়াল কিয় গুৰুত্বপূর্ণ? গ্রাম্য অঞ্চলত শিক্ষাই কেনেকৈ সমাজিক পৰিবর্তন আনে?

২.৮ সমাজিক অংশগ্রহণৰ চর্চা

সমাজিক অংশগ্রহণ বুলিলে, কোনো সমাজৰ সমস্যা সমাধানত ব্যক্তি, দল আৰু প্রতিষ্ঠানসমূহৰ সক্রিয় আৰু উদ্দেশ্যমূলক অংশগ্রহণক বুজোৱা হয়। ই এক সামূহিক প্রক্রিয়া, য'ত সমাজৰ সদস্যসকলে প্রয়োজন চিনাক্তকৰণ, পৰিকল্পনা, কার্য্য ৰূপায়ণ আৰু ফলাফল মূল্যায়নত অংশ লয়। শিক্ষাৰ ক্ষেত্রত, সমাজিক অংশগ্রহণে শিক্ষা প্রতিষ্ঠান আৰু সমাজৰ মাজত সংযোগ স্থাপন কৰে আৰু শিক্ষাৰ লগত বাস্তৱ জীৱন অভিজ্ঞতা সংযুক্ত কৰে।

গাঁও আৰু স্থানীয় সমাজত অংশগ্রহণমূলক চর্চা সহযোগিতা আৰু সামূহিক জীৱনৰ ওপৰত আধাৰিত। সমাজিক অংশগ্রহণে গণতান্ত্রিক অংশীদাৰিত্ব, সমাজিক দায়িত্ব আদি বৃদ্ধি কৰে।

২.৮.১ সমাজিক অংশগ্রহণৰ অর্থ

সমাজিক অংশগ্রহণ বুলিলে এনে এটা প্রক্রিয়াক বুজায়, য'ত ব্যক্তি আৰু দলসমূহে সমাজৰ সদস্যসকলৰ সৈতে একেলগে সমাজিক, শিক্ষামূলক, সাংস্কৃতিক আৰু অর্থনৈতিক অৱস্থা উন্নত কৰাৰ বাবে কাম কৰে।

এই ক্ষেত্রত অংশীদাৰী সিদ্ধান্ত গ্রহণ, পৰস্পৰ সন্মান আৰু সামূহিক কার্য্যক প্রাধান্য দিয়া হয়। অংশগ্রহণৰ জৰিয়তে সমাজৰ সকলো শ্রেণীৰ লোকে উন্নয়ন কার্য্যত সক্রিয় অংশীদাৰ হৈ উঠে।

গ্রাম্যাঞ্চলৰ অংশগ্রহণ সাধাৰণতে গাঁও সভা, দলীয় কর্ম, স্বেচ্ছাসেৱী সংস্থা আৰু স্থানীয় প্রতিষ্ঠান (যেনে পঞ্চায়ত, বিদ্যালয়)ৰ জৰিয়তে সম্ভৱ হৈ উঠে।

২.৮.২ সমাজিক অংশগ্রহণৰ পৰিসৰ

সমাজিক অংশগ্রহণৰ পৰিসৰ বহুমুখী আৰু বিস্তৃত। ইয়াত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- **শিক্ষাগত উন্নয়ন ঃ** সাক্ষৰতা অভিযান, প্রাপ্তবয়স্ক শিক্ষা, বিনামূলীয়া পাঠদান আৰু নামভর্তি অভিযানৰ দৰে কার্য্যসমূহ শিক্ষাগত উন্নয়নৰ লগত জড়িত। এইসমূহে নিৰক্ষৰতা হ্রাস, শিক্ষাৰ প্রৱেশ বৃদ্ধি আৰু শিশুৰ পৰা বয়োজ্যেষ্ঠলৈ জীৱনজোৱা শিক্ষা প্রদান কৰে।
- **স্বাস্থ্য আৰু পৰিচ্ছন্নতা ঃ** স্বাস্থ্য, পুষ্টি, পৰিচ্ছন্নতা আদি সম্পর্কে সচেতনতা বৃদ্ধি কার্যসূচীয়েও সামাজিক অংশগ্রহণ অন্তর্ভুক্ত কৰে। শৈক্ষিক অভিযান, কর্মশালা, সজাগতা সভা ইত্যাদিৰ জৰিয়তে ব্যক্তিসকলক পৰিচ্ছন্নতা, বিশুদ্ধ পানী, টিকাকৰণ আৰু স্বাস্থ্যকৰ জীৱনশৈলীৰ বিষয়ে অৱগত কৰা হয়।
- **পৰিবেশ সংৰক্ষণ ঃ** পৰিবেশ সংৰক্ষণ আৰু পৰিচ্ছন্নতা বজাই ৰাখিবলৈ বৃক্ষৰোপণ, জল সংৰক্ষণ, পৰিচ্ছন্নতা অভিযান, বহনক্ষম উন্নয়ন, সজাগতা সভা আদিও সামাজিক অংশগ্রহণক নিশ্চিত কে

- **মহিলা আৰু যুৱকৰ অংশগ্রহণ ঃ** সমাজিক, শিক্ষামূলক আৰু অর্থনৈতিক কার্য্যত মহিলা আৰু যুৱকৰ সক্রিয় অংশগ্রহণ দেখিবলৈ পোৱা যায়। দক্ষতৰ বিকাশ, আত্ম-সহায়ক গোট গঠন, নেতৃত্ব প্রশিক্ষণ, সজাগতামূলক কার্য্য আদিসমূহে তেওঁলোকক অধিক আত্মবিশ্বাসী আৰু দায়িত্বশীল কৰি তোলে।
- **সমাজিক ন্যায় ঃ** দৰিদ্র, বয়োজ্যেষ্ঠ, বিশেষভাবে সক্ষম, পিছপৰা শ্রেণীসমূহৰ অন্তর্ভুক্তিয়েও সামাজিক অংশগ্রহণক প্রতিনিধিত্ব কৰে। তেওঁলোকৰ প্রয়োজন চিনাক্তকৰণ আৰু কল্যাণ আঁচনিৰ সুবিধা নিশ্চিতকৰণ অতিকৈ প্রয়োজন।
- **স্থানীয় শাসন ঃ** সামাজিক অংশগ্রহণে সমাজৰ সদস্যসকলক পৰিকল্পনা, সিদ্ধান্ত গ্রহণ, আৰু উন্নয়ন কার্য্যৰ মূল্যায়নত অন্তর্ভুক্ত কৰাকো সাঙুৰি লয়। গাওঁ সভা আৰু স্থানীয় কর্তৃপক্ষৰ জৰিয়তে এই সুবিধা সম্ভৰ হয়। সমাজিক অংশগ্রহণে স্থানীয় সমস্যাৰ স্থানীয়ভাৱে সমাধান, সমাজিক সংহতি আৰু সামাজিক উন্নয়ন নিশ্চিত কৰে।

ᴡ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সামাজিক অংশগ্রহণ বুলিলে কি বুজা যায়? সমাজিক অংশগ্রহণৰ অধীনত অন্তর্ভুক্ত যিকোনো দুটা ক্ষেত্র উল্লেখ কৰা।

২.৯ সমাজিক অংশগ্রহণৰ প্রকাৰ

সমাজিক অংশগ্রহণ বিভিন্ন ৰূপত দেখা যায়-

২.৯.১ পৰিকল্পনাত অংশগ্রহণ

পৰিকল্পনাত অংশগ্রহণ হৈছে ফলপ্রসূ সমাজিক অংশগ্রহণৰ আধাৰ। গাঁও বা স্থানীয় সদস্যসকলে স্থানীয় সমস্যা চিনাক্ত কৰে আৰু উন্নয়নমূলক পৰিকল্পনাৰ বাবে মতামত প্রদান কৰে। গাওঁ সভা, পঞ্চায়ত আৰু ৱার্ড কমিটি তথা স্থানীয় মঞ্চসমূহে অংশগ্রহণমূলক পৰিকল্পনাৰ সুযোগ আগবঢ়ায়।

যেতিয়া সকলো মানুহে পৰিকল্পনাত অংশ লয়, তেতিয়া উন্নয়ন কার্য্যসমূহ অধিক প্রাসঙ্গিক, প্রয়োজনভিত্তিক আৰু সমাজৰ বাবে গ্রহণযোগ্য হয়।

২.৯.২ কার্য্য ৰূপায়ণত অংশগ্রহণ

কার্য্য ৰূপায়ণ বুলিলে পৰিকল্পনাক কার্য্যত ৰূপান্তৰ কৰাকে বুজায়। সমাজৰ সদস্যসকলে উপযুক্ত শ্রমিক, দক্ষতা স্থানীয় জ্ঞান আৰু সম্পদ আগবঢ়ায়।

উদাহৰণ স্বৰূপে-সাক্ষৰতা অভিযান, পৰিৱেশ পৰিছন্নতা অভিযান, পৰিবেশ সংৰক্ষণ আদিত সক্রিয় অংশগ্রহণ কৰা।

২.৯.৩ পর্যবেক্ষণ আৰু মূল্যায়নত অংশগ্রহণ

পর্যবেক্ষণ আৰু মূল্যায়নে সমাজিক কার্য্যৰ অগ্রগতি আৰু ইয়াৰ প্রভাৱৰ মূল্যাংকন কৰাত সহায় কৰে। সদস্যসকলে কার্য্য পর্যবেক্ষণ কৰি সমস্যাৰ উপস্থাপন আৰু উন্নয়নমূলক পৰামর্শ আগবঢ়ায়। সমাজিক অডিট (Social Audit) এক গুৰুত্বপূর্ণ সঁজুলি, য'ত সদস্যসকলে মিলিতভাৱে পৰিকল্পনা, কার্য্য ৰূপায়ণ আৰু ফলাফল পর্যালোচনা কৰে, যাতে স্বচ্ছতা আৰু ফলপ্রসূতা বৃদ্ধি পায়।

২.১০ সামাজিক অংশগ্রহণ সুদৃঢ়কৰণত শিক্ষাৰ ভূমিকা

সমাজিক অংশগ্রহণ সুদৃঢ়কৰণত শিক্ষাই অতি গুৰুত্বপূর্ণ আৰু পৰিৱর্তনশীল ভূমিকা পালন কৰে, কাৰণ শিক্ষাই মানুহক জ্ঞানী, দায়িত্বশীল আৰু উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে। এজন শিক্ষিত ব্যক্তিয়ে স্থানীয় সমস্যা, সমাজৰ প্রয়োজন আৰু সামাজিক অনুষ্ঠানৰ কার্যসূচীসমূহ বুজিব পাৰে। শিক্ষাই মানুহক অধিকাৰ আৰু কর্তব্যৰ বিষয়ে সজাগতা বৃদ্ধি কৰে, যাৰ জৰিয়তে মানুহে সমাজিক জীৱনত সিদ্ধান্ত গ্রহণত অংশগ্রহণ কৰিব পাৰে।

শিক্ষাই গণতান্ত্রিক মূল্যবোধ-যেনে সহযোগিতা, সহিষ্ণুতা, সমতা আৰু সমাজিক ন্যায় মনোভাৱৰ প্রসাৰ কৰে আৰু ব্যক্তিসকলে সামূহিক প্রচেষ্টা, বৈচিত্র্যৰ সন্মান, শান্তিপূর্ণ জীৱনৰ গুৰুত্ব বুজি উঠে। এই মূল্যবোধসমূহ সমাজিক অংশগ্রহণৰ বাবে অত্যাৱশ্যক। শিক্ষিত নাগৰিকে স্থানীয় শাসন, সমাজিক সংগঠন আৰু উন্নয়নমূলক কার্য্যত অধিক গঠনমূলকভাৱে অংশগ্রহণ কৰে।

সমাজিক অংশগ্রহণত শিক্ষানুষ্ঠানসমূহে অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই ক্ষেত্রত্রত সমাজিক অংশগ্রহণত আগবঢ়োৱা অৱদানসমূহ হ'ল-

- **সম্প্রসাৰণ কার্য্য ঃ** শিক্ষানুষ্ঠানসমূহে সাক্ষৰতা অভিযান, পৰিৱেশ পৰিছন্নতা অভিযান, গাঁও পৰিদর্শন, পৰিবেশ সংৰক্ষণ আদি কার্যসমূহৰ ব্যৱস্থা কৰে। এই কার্য্যসমূহে শিক্ষার্থীসকলক পাঠ্যবিষয়ক জ্ঞান বাস্তৰ

জীৱনত প্রয়োগ কৰিবলৈ সহায় কৰে আৰু সমাজিক দায়িত্ববোধ সৃষ্টি কৰে।

- **সজাগতা সৃষ্টি ঃ** শিক্ষাই স্বাস্থ্য, পৰিছন্নতা, সাক্ষৰতা, লিংগ-সমতা আৰু সমাজিক সমস্যা সম্পর্কে স অনুষ্ঠানৰ আয়োজন কৰে। ইয়াৰ জৰিয়তে সমাজৰ সদস্যসকল সচেতনতাবোধ সৃষ্টি হয় আৰু শিক্ষার্থীসকলৰ যোগাযোগ দক্ষতা বিকাশ পায়।
- **সামাজিক প্রকল্পত অংশগ্রহণ ঃ** শিক্ষার্থীসকলে সমাজত জৰীপ, ক্ষেত্র অধ্যয়ন, সেৱা-ভিত্তিক শিক্ষা আৰু গৱেষণা কার্যত অংশ লয়। ইয়াৰ জৰিয়তে তেওঁলোকৰ নেতৃত্ব গুণাৱলী আৰু অভিজ্ঞতাভিত্তিক দক্ষতাৰ বিকাশ পায়।
- **স্থানীয় সংস্থা আৰু এন.জি.ও.-ৰ সৈতে সহযোগিতা ঃ** শৈক্ষিক প্রতিষ্ঠানসমূহে পঞ্চায়ত, পৌৰ সভা বা এনজিঅ'ৰ সৈতে সহযোগিতাৰে সমাজিক কার্য্য সফলভাৱে ৰূপায়ণ কৰি সামাজিক অংশগ্রহণ নিশ্চিত কৰে।

ᴡ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ শিক্ষা প্রতিষ্ঠানসমূহে সমাজিক অংশগ্রহণ উন্নত কৰিবলৈ যিকোনো দুটা উপায় উল্লেখ কৰা। সমাজ-ভিত্তিক কার্যত শিক্ষার্থী অংশগ্রহণ কিয় গুৰুত্বপূর্ণ?

২.১১ সমাজিক অংশগ্রহণৰ সমস্যাসমূহ

সমাজিক অংশগ্রহণৰ গুৰুত্ব থাকিলেও, কার্যকৰী অংশগ্রহণৰ ক্ষেত্রত কেইবাটাও সমস্যা দেখা যায়-

- **সজাগতাৰ অভাৱ ঃ** বহু সমাজৰ লোকে নিজৰ অধিকাৰ, কর্তব্য আৰু সমাজত অংশগ্রহণৰ সুযোগৰ বিষয়ে সজাগ নহয়। এই সজাগতাৰ অভাৱে সক্রিয় অংশগ্রহণ কৰে দিয়ে আৰু অর্থবহভাৱে সমাজ উন্নয়নত অংশগ্রহণৰ দক্ষতা সীমিত কৰে।
- **ৰাজনৈতিক হস্তক্ষেপ ঃ** স্থানীয় পর্যায়ত ৰাজনৈতিক প্রভাৱে বহু সময়ত সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াত প্রভাৱ পেলায়। যেতিয়া ৰাজনৈতিক স্বার্থৰ বাবে সমাজিক অনুষ্ঠানসমূহ পৰিচালিত হয়, তেতিয়া সদস্যসকলৰ মাজত বিশ্বাস কমি আহে।
- **সম্পদৰ অভাৱ ঃ** বহু সময়ত সমাজিক অংশগ্রহণৰ প্রচেষ্টা অর্থনৈতিক সম্পদ, পর্যাপ্ত প্রশিক্ষণপ্রাপ্ত ব্যক্তি আৰু উপযুক্ত সুবিধাৰ অভাৱত বাধাগ্রস্ত হয়। এই বাধাবোৰে সমাজিক কার্য্যৰ সফলতা কমাই দিয়ে।
- **প্রশাসনিক অদক্ষতা ঃ** বহু সময়ত সিদ্ধান্ত গ্রহণত পলম, সংস্থাসমূহৰ মাজত সমন্বয়ৰ অভাৱ আৰু স্বচ্ছতাৰ অভাৱে সমাজিক কার্য্যৰ কার্যক্ষমতা হ্রাস কৰে। ইয়াৰ ফলত সদস্যসকলৰ হতাশা বৃদ্ধি পায় আৰু তেওঁলোকৰ অংশগ্রহণৰ ইচ্ছা কমি আহে।

- **সমাজিক বাধা ঃ** জাতি, ধর্ম, লিংগ, আর্থ-সামাজিক অৱস্থাৰ দৰে সমাজিক বৈষম্যই সকলো সদস্যৰ সমান অংশগ্রহণত বাধা দিয়ে। পিছপৰা শ্রেণীৰ লোকসকল বহু সময়ত সিদ্ধান্ত গ্রহণৰ পৰা বাদ পৰে, যাৰ ফলত সমাজিক অংশগ্রহণত ব্যাঘাত জন্মে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সমাজিক অংশগ্রহণৰ যিকোনো দুটা সমস্যা উল্লেখ কৰা। সজাগতাৰ অভাৱে সমাজিক অংশগ্রহণত কেনেকৈ প্রভাৱ পেলায়?

২.১২ সমাজিক অংশগ্রহণ শক্তিশালীকৰণৰ উপায়

সমাজিক অংশগ্রহণৰ সমস্যাসমূহ সমাধানৰ বাবে আৰু সমাজিক অংশগ্রহণ শক্তিশালীকৰণৰ বাবে নিম্নলিখিত উপায়সমূহ গ্রহণ কৰিব পৰা যায়-

- **শিক্ষা আৰু গণমাধ্যম ঃ** শিক্ষা আৰু গণমাধ্যমে সদস্যসকলক তেওঁলোকৰ অধিকাৰ, কর্তব্য, চৰকাৰী আঁচনি আৰু উন্নয়নমূলক কার্য্যৰ বিষয়ে সজাগতা সৃষ্টি কৰিব লাগে। বিদ্যালয়, ৰেডিঅ', টেলিভিছন, সামাজিক মাধ্যম আৰু ছপা সামগ্রীৰ জৰিয়তে সজাগতা অভিযান আয়োজন কৰি সক্রিয় অংশগ্রহণ আৰু দায়িত্বশীল নাগৰিকত্ব সৃষ্টি কৰিব লাগে।
- **প্রশিক্ষণ আৰু নির্দেশনা ঃ** সমাজ আৰু স্থানীয় প্রতিনিধিসকলৰ নেতৃত্ব, পৰিচালনা আৰু যোগাযোগ দক্ষতা বিকাশৰ বাবে প্রশিক্ষণ আৰু নির্দেশনা কার্যসূচী আয়োজন কৰিব লাগে। দক্ষতা বৃদ্ধিয়ে তেওঁলোকক সমাজ উন্নয়ন কার্য্য সফলভাৱে পৰিকল্পনা, ৰূপায়ণ আৰু ব্যৱস্থাপনা কৰাত সহায় কৰে।
- **শিক্ষানুষ্ঠান আৰু সমাজৰ মাজত সুসম্পর্ক ঃ** শিক্ষানুষ্ঠান আৰু স্থানীয় সমাজৰ সহযোগিতাই আৰু সু-সুসম্পর্কই সমাজিক উন্নয়নৰ প্রসাৰ কৰে। বিদ্যালয়, মহাবিদ্যালয়ে সামাজিক সম্প্রসাৰণ কার্য্য, আৰু স্থানীয় উন্নয়ন প্রকল্পত শিক্ষার্থীসকলক অংশগ্রহণৰ বাবে উৎসাহিত কৰিব লাগে।
- **অংশগ্রহণমূলক পৰিকল্পনা ঃ** অংশগ্রহণমূলক পৰিকল্পনাৰে সমাজৰ সদস্যসকলক সামাজিক প্রয়োজন চিনাক্তকৰণ, প্রাধান্য নির্ধাৰণ আৰু উন্নয়নমূলক কার্য্যৰ পৰিকল্পনাত অন্তর্ভুক্ত কৰিব লাগে।
- **সঠিক সিদ্ধান্ত গ্রহণ ঃ** সঠিক সিদ্ধান্ত গ্রহণে সমাজৰ লোকসকলৰ মাজত জনবিশ্বাস গঢ়ি তোলে। তথ্যৰ মুক্ত আদান-প্রদান, ৰাজহুৱা সভা আয়োজন আৰু সমাজিক পর্যবেক্ষণে ফলপ্রসূ অংশগ্রহণ নিশ্চিত কৰে।

২.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

- স্থানীয় সমাজ বুলিলে, এটি নির্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰা মানুহৰ সমষ্টিক বুজোৱা হয়, যিয়ে একে সমাজিক জীৱন, স্বার্থ, আৰু পাৰস্পৰিক সম্পর্কৰ দ্বাৰা জীৱন নির্বাহ কৰে।
- গ্রাম্য সমাজ ভাৰতীয় সমাজৰ মূল স্তম্ভ, কাৰণ দেশৰ বেছি ভাগ জনসংখ্যাই গাঁৱত বাস কৰে। এই সমাজ ব্যক্তিগত সম্পর্ক, সামূহিক জীৱন, কৃষি-ভিত্তিক বৃত্তি আৰু পৰম্পৰাগত মূল্যবোধেৰে পৰিচিত।
- গ্রাম্য সংস্কৃতি হৈছে গাঁওবাসীৰ পৰম্পৰাগত জীৱনধাৰা, য'ত ৰীতি-নীতি, বিশ্বাস, মূল্যবোধ আৰু সমাজিক অভ্যাস অন্তর্ভুক্ত হৈ থাকে।
- গাঁও সমাজত পৰিয়াল, জাতি, স্বজন পদ্ধতি আৰু গ্রাম্য প্রতিষ্ঠানসমূহে সমাজিক জীৱন নিয়ন্ত্রণ কৰে। এই প্রতিষ্ঠানসমূহে আচৰণ নিয়ন্ত্রণ, সহযোগিতা আৰু অনানুষ্ঠানিক নিয়ম-কানুনৰ জৰিয়তে সমাজিক শৃংখলা বজাই ৰাখে।
- সমাজিক অংশগ্রহণ বুলিলে সমাজৰ সদস্যসকলৰ সক্রিয় অংশগ্রহণ, পৰিকল্পনা, কার্য ৰূপায়ন আৰু মূল্যায়নত অংশগ্রহণক বুজোৱা হয়। ইয়াৰ ফলত উন্নয়নমূলক কার্য্যসমূহ অধিক প্রয়োজনভিত্তিক, অংশীদাৰিত্বমূলক হয়।
- শিক্ষা প্রতিষ্ঠানসমূহে সচেতনতা অভিযান আৰু সমাজ-ভিত্তিক শিক্ষামূলক প্রকল্পৰ জৰিয়তে সমাজিক অংশগ্রহণ উন্নীত কৰে। ইয়াৰ ফলত শিক্ষা সমাজিকভাৱে অধিক প্রাসঙ্গিক আৰু বাস্তৱ সমাজৰ প্রয়োজনৰ সৈতে সংযুক্ত হয়।
- শিক্ষাই সমাজিক অংশগ্রহণ শক্তিশালীকৰণত মুখ্য ভূমিকা পালন কৰে, কাৰণ ই ব্যক্তিক জ্ঞানী, দায়িত্বশীল আৰু অংশীদাৰিত্বমূলক নাগৰিক হিচাপে গঢ়ি তোলে।
- সমাজিক অংশগ্রহণত সজাগতাৰ অভাৱ, ৰাজনৈতিক প্রভাৱ, সম্পদৰ অভাৱ, প্রশাসনিক অদক্ষতা আৰু সমাজিক বৈষম্য আদি বহুতো সমস্যা থাকে।
- সমাজিক অংশগ্রহণ শক্তিশালীকৰণৰ বাবে সজাগতা বৃদ্ধি, দক্ষতা বিকাশ, অংশীদাৰিত্বমূলক পৰিকল্পনা, স্বচ্ছ সিদ্ধান্ত গ্রহণ আদি অতিকৈ প্রয়োজন।

২.৪ অধিক জানিবলৈ (Further Reading)

1. Bhattacharya, S. (2018). *Community Development in India*. New Delhi: Sage.
2. Srinath Baruah (2011). *Education and Community Development*. Guwahati: KKHSOU.
3. NCERT (2014). *Social Change and Education*. New Delhi.
4. Government of India. *73rd and 74th Constitutional Amendments*.

K ২.৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্থানীয় সমাজ বুলিলে এটা নির্দিষ্ট ভৌগোলিক অঞ্চলত বাস কৰা মানুহৰ গোটক বুজায়, যিয়ে একে ৰীতি-নীতি, পৰম্পৰা, আদর্শ, পাৰস্পৰিক সম্পর্ক আদিৰে জীৱন নির্বাহ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য সংস্কৃতি হৈছে গাঁওবাসীৰ পৰম্পৰাগত জীৱনধাৰা। ইয়াত ৰীতি-নীতি, বিশ্বাস, মূল্যবোধ, অনুষ্ঠান, লোক -সংস্কৃতি আৰু সমাজিক অভ্যাস অন্তর্ভুক্ত কৰা হয়, যিয়ে কৃষি, প্রকৃতি আৰু সামূহিক জীৱনৰ সৈতে গভীৰভাৱে সংযুক্ত হৈ থাকে।

৩ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য সমাজত পৰিয়াল গুৰুত্বপূর্ণ, কাৰণ ই সামাজিকীকৰণ আৰু অর্থনৈতিক সহযোগিতাৰ মূল আধাৰ। পৰিয়ালে ব্যক্তিক মানসিক নিৰাপত্তা, সংস্কৃতিৰ স্থানান্তৰ আৰু শিক্ষা, বৃত্তি আৰু আচৰণত দিশ-নির্দেশনা প্রদান কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাই গ্রাম্য অঞ্চলত স্বাস্থ্য, পৰিছন্নতা, অধিকাৰ আৰু সমাজিক সমতাৰ বিষয়ে সজাগতা বৃদ্ধি কৰে। ই সমাজিক কু-প্রথা হ্রাস, লিংগ-সমতাৰ প্রসাৰ আৰু গণতান্ত্রিক আৰু উন্নয়নমূলক কার্য্যত সকলোৰে অংশগ্রহণত গুৰুত্ব দিয়ে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সমাজিক অংশগ্রহণ বুলিলে সমাজৰ সদস্যসকলে সমস্যা চিনাক্তকৰণ, পৰিকল্পনা আৰু উন্নয়ন কার্য্য ৰূপায়নত অংশগ্রহণ কৰাকে বুজায়। ই সহযোগিতা, সমাজিক দায়িত্ব আদিৰ জৰিয়তে সমাজৰ উন্নয়ন সাধন কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষানুষ্ঠানসমূহে সম্প্রসাৰণমূলক কার্য্য, সজাগতা অভিযান আৰু সমাজ-ভিত্তিক প্রকল্পৰ জৰিয়তে সমাজিক অংশগ্রহণৰ প্রসাৰ সাধন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ সজাগতাৰ অভাৱে সদস্যসকলৰ অংশগ্রহণ কমাই আনে, কিয়নো তেওঁলোকে নিজৰ অধিকাৰ, দায়িত্ব আৰু অংশগ্রহণৰ সুযোগ সম্পর্কে সচেতন নহয়।

M ২.৬ আৰ্হি প্রশ্ন

ক) **অতি চুটি প্রশ্ন** (50টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ স্থানীয় সমাজ বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ ঃ গ্রাম্য সমাজৰ সংজ্ঞা লিখা।

প্রশ্ন নং ৩ ঃ গ্রাম্য সংস্কৃতি বুলিলে কি বুজা?

প্রশ্ন নং ৪ ঃ স্থানীয় সমাজৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন নং ৫ ঃ গ্রাম্য সংস্কৃতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা

প্রশ্ন নং ৬ ঃ সমাজিক অংশগ্রহণ কি?

প্রশ্ন নং ৭ ঃ অংশগ্রহণমূলক পৰিকল্পনা বুলিলে কি বুজা?

প্রশ্ন নং ৮ ঃ গাঁও সমাজত থকা যিকোনো দুটা সমাজিক প্রতিষ্ঠানৰ নাম লিখা।

প্রশ্ন নং ৯ ঃ সমাজিক অডিট বুলিলে কি বুজা যায়?

প্রশ্ন নং ১০ ঃ সমাজিক অংশগ্রহণৰ দুটা সমস্যা উল্লেখ কৰা।

খ) চুটি প্রশ্ন (150টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ স্থানীয় সমাজৰ ধাৰণা আৰু বৈশিষ্ট্য ব্যাখ্যা কৰা।

প্রশ্ন নং ২ ঃ ভাৰতত গ্রাম্য সমাজৰ স্বভাব বর্ণনা কৰা।

প্রশ্ন নং ৩ ঃ গ্রাম্য সংস্কৃতিৰ মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰা।

প্রশ্ন নং ৪ ঃ গ্রাম্য সমাজত পৰিয়ালৰ ভূমিকা ব্যাখ্যা কৰা।

প্রশ্ন নং ৫ ঃ শিক্ষাই গ্রাম্য অঞ্চলত সমাজিক পৰিবর্তনকাৰী হিচাপে কেনেকৈ কাম কৰে?

প্রশ্ন নং ৬ ঃ সামাজিক অংশগ্রহণৰ পৰিসৰ বর্ণনা কৰা।

প্রশ্ন নং ৭ ঃ সামাজিক অংশগ্রহণ উন্নীতকৰণত শিক্ষা প্রতিষ্ঠানৰ ভূমিকা ব্যাখ্যা কৰা।

প্রশ্ন নং ৮ ঃ স্থানীয় উন্নয়ন কার্যত সমাজিক অংশগ্রহণৰ গুৰুত্ব আলোচনা কৰা।

প্রশ্ন নং ৯ ঃ সমাজিক অংশগ্রহণৰ মুখ্য সমস্যাবোৰ কি?

প্রশ্ন নং ১০ ঃ সমাজ উন্নয়নত অংশীদাৰিত্বমূলক পৰিকল্পনাৰ গুৰুত্ব ব্যাখ্যা কৰা।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ স্থানীয় সমাজৰ ধাৰণা আলোচনা কৰি ইয়াৰ শিক্ষাগত গুৰুত্ব ব্যাখ্যা কৰা

প্রশ্ন নং ২ ঃ পৰিয়াল, জাতি আৰু আত্মীয় স্বজনৰ প্রেক্ষাপটত গাঁও সমাজৰ গঠন উল্লেখ কৰা।

প্রশ্ন নং ৩ ঃ গ্রাম্য সংস্কৃতি আৰু শিক্ষাৰ সম্পর্ক বিশ্লেষণ কৰা।

প্রশ্ন নং ৪ ঃ সমাজিক অংশগ্রহণৰ অর্থ, প্রকাৰ আৰু পৰিসৰ আলোচনা কৰা।

প্রশ্ন নং ৫ ঃ সমাজিক অংশগ্রহণ শক্তিশালীকৰণত শিক্ষাৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন নং ৬ ঃ সমাজিক অংশগ্রহণৰ সমস্যাসমূহ সমালোচনামূলকভাৱে বিশ্লেষণ কৰি উত্তৰণৰ উপায় উল্লেখ কৰাৰ

প্রশ্ন নং ৭ ঃ শিক্ষা প্রতিষ্ঠানসমূহ কেনেকৈ সমাজ উন্নয়নৰ কেন্দ্র হিচাপে কাম কৰিব পাৰে?

প্রশ্ন নং ৮ ঃ এটি স্থানীয় সমাজ পর্যবেক্ষণ কৰি তাতে প্রচলিত সমাজিক অংশগ্রহণৰ যিকোনো দুটা ৰূপ বর্ণনা কৰা।

প্রশ্ন নং ৯ ঃ বিদ্যালয়ে স্থানীয় সমাজৰ সৈতে সম্পর্ক সুদৃঢ় কৰাৰ উপায় উল্লেখ কৰা।

প্রশ্ন নং ১০ ঃ দূৰশিক্ষাৰ শিক্ষার্থীসকলে গাঁও অঞ্চলত সমাজিক অংশগ্রহণত কেনেকৈ অৱদান আগবঢ়াব পাৰে আলোচনা কৰা।

******

অধ্যায় ৩ ঃ সম্প্রদায় উন্নয়ন (Community Development)

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য

3.2 পৰিচয়

3.3 সম্প্রদায় উন্নয়নৰ ধাৰণা

3.4 সম্প্রদায় উন্নয়নৰ স্তৰ

- 3.4.1 চিনাক্তকৰণ
- 3.4.2 পৰিকল্পনা
- 3.4.3 কার্যকৰীকৰণ
- 3.4.4 নিৰীক্ষণ
- 3.4.5 মূল্যায়ন

3.5 সম্প্রদায় উন্নয়নৰ উপাদান

3.6 সম্প্রদায় উন্নয়নৰ নীতি

3.7 জনসাধাৰণৰ সম্পদৰ ব্যৱহাৰিকতা

- 3.7.1 শিক্ষা
- 3.7.2 স্বাস্থ্য
- 3.7.3 পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহ
- 3.7.4 অ-চৰকাৰী সংগঠন আৰু নাগৰিক সমাজ
- 3.7.5 চৰকাৰী আঁচনি

3.8 সম্প্রদায় উন্নয়নত শিক্ষাৰ ভূমিকা

3.9 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

3.10 অধিক জানিবলৈ

3.11 অগ্রগতিৰ খতিয়ান

3.12 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সম্প্রদায় উন্নয়নৰ অর্থ আৰু ধাৰণা বুজিবলৈ সক্ষম হ'ব।

- সম্প্রদায় উন্নয়নৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰিব পাৰিব।
- সম্প্রদায় উন্নয়নত অন্তৰ্ভুক্ত বিভিন্ন স্তৰসমূহ বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।
- সম্প্রদায় উন্নয়নত মানুহৰ অংশগ্রহণৰ গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব।
- সম্প্রদায় উন্নয়নক এক শিক্ষামূলক আৰু সামাজিক প্রক্রিয়া হিচাপে উপলব্ধি কৰিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

সম্প্রদায় উন্নয়ন হৈছে এনে এক প্রক্রিয়া যাৰ মাধ্যমেৰে মানুহে সামগ্রিক প্রচেষ্টা আৰু অংশ গ্রহণৰ জৰিয়তে নিজৰ জীৱন-যাপনৰ অৱস্থা উন্নত কৰিবলৈ সক্ষম হয়। আধুনিক সমাজত উন্নয়নক কেৱল অর্থনৈতিক বিকাশ হিচাপে ধৰা নহয়, বৰঞ্চ ইয়াক এনে এক সামগ্রিক প্রক্রিয়া হিচাপে বুজা হয়, য'ত এখন সম্প্রদায়ত বসবাস কৰা মানুহৰ সামাজিক, সাংস্কৃতিক, শিক্ষামূলক, ৰাজনৈতিক, অর্থনৈতিক আদি সর্বাংগীণ উন্নতি অন্তর্ভুক্ত হৈ থাকে।

ভাৰত এখন বৈচিত্র্যময় দেশ। ইয়াত গ্রাম্য, নগৰীয়া, জনজাতীয় আৰু বিভিন্ন প্রান্তৰ সম্প্রদায় বসবাস কৰে। দৰিদ্রতা, নিৰক্ষৰতা, শিক্ষিত নিবনুৱা, স্বাস্থ্য সুবিধাৰ অভাৱ, সচেতনতাৰ অভাৱ আৰু অসমতা আৰু সুযোগৰ অভাৱ আদি সমস্যাই উন্নয়নৰ ক্ষেত্রত বিভিন্ন প্রত্যাহ্বান সৃষ্টি কৰে। এই সমস্যাসমূহ সমাধানৰ বাবে সম্প্রদায় ভিত্তিক সমাধানৰ প্রয়োজন হয়। শিক্ষাগত দৃষ্টিভংগীৰ পৰা সম্প্রদায় উন্নয়ন সামাজিক শিক্ষা, সচেতনতা সৃষ্টি আৰু সমতা পূর্ণ ব্যৱস্থাৰ সৈতে ঘনিষ্ঠ ভাৱে সম্পর্কিত। শিক্ষানুষ্ঠান, শিক্ষক, সমাজকর্মী আৰু স্থানীয় নেতৃত্বই সম্প্রদায়ৰ মানুহক সংগঠিত কৰি সকলো ক্ষেত্রতে অংশ গ্রহণ নিশ্চিত কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দূৰৱর্তী শিক্ষাৰ জৰিয়তে সম্প্রদায় উন্নয়নৰ ধাৰণা লাভ কৰাটো অত্যন্তই প্রয়োজনীয়, কাৰণ ইয়াৰ জৰিয়তে শিক্ষা আৰু বাস্তৱ জীৱনৰ সামাজিক সমস্যাৰ সৈতে সম্পর্ক স্থাপন কৰিব পাৰি।

৩.২ সম্প্রদায় উন্নয়নৰ ধাৰণা

"Community Development" শব্দটো দুটা মুখ্য শব্দৰ দ্বাৰা গঠিত—Community (সম্প্রদায়) আৰু Development (উন্নয়ন)।

সম্প্রদায় বুলিলে কোনো এক নির্দিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰা মানুহৰ এটা দলক বুজায়, যিসকলে একে ধৰণৰ স্বার্থ, মূল্যবোধ, সংস্কৃতি আৰু সামাজিক সম্পর্কৰ জৰিয়তে জীয়াই থাকে।

উন্নয়ন হ'ল এনে এক প্রগতিশীল পৰিবর্তন যাৰ ফলত জীৱন-ধাৰণৰ মান উন্নত হয়।

সেয়ে, সম্প্রদায় উন্নয়নক এনে এক পৰিকল্পিত আৰু সংগঠিত প্রচেষ্টা হিচাপে বুজিব পাৰি, যাৰ লক্ষ্য হৈছে সম্প্রদায়ৰ সদস্যসকলৰ সক্রিয় অংশগ্রহণৰ মাধ্যমে সম্প্রদায়ৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক তথা সর্বাংগীণ অৱস্থাৰ উন্নত কৰা।

সংযুক্ত ৰাষ্ট্ৰ সংঘ (United Nations)ৰ মতে—

"সম্প্রদায় উন্নয়ন হৈছে এনে এক প্রক্রিয়া য'ত সম্প্রদায়ৰ সদস্য সকলে একে লগে মিলি সাধাৰণ সমস্যা সমূহৰ সমাধানৰ বাবে দলগত পদক্ষেপ গ্ৰহণ কৰে।"

৩.২ সম্প্রদায় উন্নয়নৰ স্তৰসমূহ (Stages of Community Development)

সম্প্রদায় উন্নয়ন হঠাৎ সংঘটিত হোৱা কোনো কার্য নহয়। ই এক সু-সংগঠিত পদ্ধতিৰ মাজেৰে অগ্রসৰ হোৱা এক প্রক্রিয়া। প্রতিটো স্তৰে সামগ্রিক উন্নয়ন প্রক্রিয়াত এক গুৰুত্বপূর্ণ অৱদান আগবঢ়ায়। এই স্তৰসমূহ উন্নয়নমূলক কার্যসূচীৰ সঠিক পৰিকল্পনা, কার্যকৰীকৰণ আৰু মূল্যায়নত সহায় কৰে।

৩.৪.১ চিনাক্তকৰণ স্তৰ (Identification Stage)

প্রয়োজনীয়তাসমূহ চিনাক্ত কৰা সম্প্রদায় উন্নয়নৰ প্রথম আৰু আটাইতকৈ গুৰুত্বপূর্ণ স্তৰ। এই স্তৰত সম্প্রদায়ৰ বাস্তৱ সমস্যা, প্রয়োজন আৰু অগ্রাধিকাৰসমূহ সম্প্রদায়ৰ সদস্যসকলৰ সৈতে যোগাযোগ আৰু আলোচনাৰ জৰিয়তে চিনাক্ত কৰা হয়। এই প্রয়োজনসমূহ শিক্ষা, স্বাস্থ্য, নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বা অন্যান্য দিশৰ সৈতে জড়িত।

এই স্তৰে উন্নয়নমূলক কার্যসূচীসমূহ সম্প্রদায়ভিত্তিক আৰু প্রাসংগিক হোৱাটো নিশ্চিত কৰে। প্রয়োজনীয়তা চিনাক্ত কৰাৰ বাবে জৰীপ, দলীয় আলোচনা আৰু সম্প্রদায় সভা আদি পদ্ধতি ব্যৱহাৰ কৰা হয়। সঠিক ভাৱে প্রয়োজন চিনাক্ত কৰিলেই সম্পদৰ অপচয় ৰোধ কৰিব পৰা যায়।

t চিন্তা চর্চা কৰক ৩.১

আপোনাৰ ওচৰৰ এটা সম্প্রদায় পৰিদর্শন কৰক বা পর্যবেক্ষণ কৰক আৰু তাত মানুহে সন্মুখীন হোৱা তিনিটা মুখ্য সমস্যাৰ তালিকা প্রস্তুতকৰক। অন্ততঃ এজন সম্প্রদায়ৰ সদস্যৰ সৈতে এই বিষয়ে আলোচনা কৰক।

৩.৪.২ পৰিকল্পনা স্তৰ (Planning Stage)

পৰিকল্পনা স্তৰত লক্ষ্য নির্ধাৰণ, কৌশল নির্বাচন আৰু চিনাক্ত কৰা প্রয়োজনসমূহ পূৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হয়। ফলপ্রসূ পৰিকল্পনা সাধাৰণতে অংশগ্রহণমূলক হয়, য'ত সম্প্রদায়ৰ সদস্যসকলে সিদ্ধান্ত গ্ৰহণ

প্রক্রিয়াত সক্রিয়ভাৱে অংশগ্রহণ কৰে। ইয়াৰ জৰিয়তে বিভিন্ন কার্যসূচী সু-সংগঠিতভাৱে সম্পাদন কৰিব পাৰি।

এই স্তৰত অগ্রাধিকাৰসমূহ নির্ধাৰণ কৰা হয়, দায়িত্বসমূহ নির্ধাৰণ কৰা হয় আৰু সময়সীমা ধার্য কৰা হয়। পৰিকল্পনা স্তৰে স্থানীয় সংস্থা, শিক্ষানুষ্ঠান আৰু স্বেচ্ছাসেৱী সংগঠন আদি বিভিন্ন অনুষ্ঠানৰ মাজত সমন্বয় স্থাপন কৰে।

5 জানি থোৱা ভাল

সম্প্রদায় উন্নয়নৰ পৰিকল্পনা সাধাৰণতে অংশগ্রহণমূলক হয়, য'ত গাওঁ সভা আৰু স্থানীয় সমিতিসমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৩.৪.৩ কার্যকৰীকৰণ স্তৰ (Implementation Stage)

কার্যকৰীকৰণ স্তৰত পৰিকল্পনাসমূহ বাস্তৱ কার্যত ৰূপান্তৰ কৰা হয়। এই স্তৰত প্রস্তুত কৰা পৰিকল্পনা অনুসৰি বিভিন্ন কার্য্য সম্পাদন কৰা হয়। সফল কার্যকৰীকৰণ সঠিক সমন্বয়, নেতৃত্ব আৰু সম্প্রদায়ৰ সক্রিয় অংশগ্রহণৰ ওপৰত নির্ভৰ কৰে।

এই স্তৰত সম্প্রদায়ৰ সদস্যসকলে নিজৰ শ্রম, দক্ষতা আৰু সম্পদৰ অৱদান আগবঢ়ায়। ফলপ্রসূ কার্যকৰীকৰণে সম্প্রদায়ৰ সদস্যসকলৰ মাজত আত্মবিশ্বাস আৰু ঐক্য বৃদ্ধি কৰে।

৩.৪.৪ নিৰীক্ষণ স্তৰ (Monitoring Stage)

নিৰীক্ষণ স্তৰত চলি থকা উন্নয়নমূলক কার্য্যসমূহ নিয়মিতভাৱে পর্যবেক্ষণ আৰু পর্যালোচনা কৰা হয়। ইয়াৰ মূল উদ্দেশ্য হৈছে কার্য্যসমূহ পৰিকল্পনা অনুসাৰে আগবঢ়িছে নে নাই সেইটো নিশ্চিত কৰা।

নিৰীক্ষণে সম্ভাব্য সমস্যা চিনাক্ত কৰাত সহায় কৰে আৰু সময়মতে সংশোধনমূলক ব্যৱস্থা গ্রহণ কৰিবলৈ সুযোগ দিয়ে। এই প্রক্রিয়াই উন্নয়নমূলক কার্যসূচীৰ কার্যকাৰিতা বৃদ্ধি কৰে।

৩.৪.৫ মূল্যায়ন স্তৰ (Evaluation Stage)

মূল্যায়ন সম্প্রদায় উন্নয়নৰ অন্তিম স্তৰ। ইয়াত উন্নয়নমূলক কার্যসূচীৰ ফলাফল মূল্যায়ন কৰা হয় যাতে লক্ষ্যসমূহ লাভ কৰা হৈছে নে নাই সেয়া নির্ণয় কৰিব পৰা যায়।

মূল্যায়নে শক্তি, দুর্বলতা আৰু উন্নয়নৰ বাবে প্রয়োজনীয় দিশসমূহ চিনাক্ত কৰাত সহায় কৰে। আভ্যন্তৰীণ (সম্প্রদায়ভিত্তিক) আৰু বাহ্যিক মূল্যায়ন দুয়ো প্রকাৰৰ পদ্ধতি ব্যৱহাৰ কৰিব পাৰি। মূল্যায়নৰ ফলাফল ভবিষ্যতৰ পৰিকল্পনাৰ বাবে ভিত্তি হিচাপে ব্যৱহাৰ কৰা হয় আৰু উন্নয়নমূলক কার্যসূচীৰ দায়বদ্ধতা নিশ্চিত কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সম্প্রদায় উন্নয়নত পৰিকল্পনা কিয় গুৰুত্বপূর্ণ?

প্রশ্ন নং ২ ঃ নিৰীক্ষণ (Monitoring) বুলিলে কি বুজা যায়?

৩.৫ সম্প্রদায় উন্নয়নৰ উপাদানসমূহ (Components of Community Development)

সম্প্রদায় উন্নয়ন এক সামগ্রিক প্রক্রিয়া। ই জীৱনৰ কেৱল এটা দিশত গুৰুত্ব নিদিয়ে; বৰং এখন সম্প্রদায়ত বসবাস কৰা ব্যক্তি আৰু দলসমূহৰ সামগ্রিক কল্যাণৰ ওপৰত গুৰুত্ব দিয়ে। সম্প্রদায় উন্নয়নৰ সফলতা ইয়াৰ বিভিন্ন উপাদানৰ সঠিক সমন্বয়ৰ ওপৰত নির্ভৰ কৰে।

৩.৫.১ সামাজিক উপাদান (Social Component)

সম্প্রদায় উন্নয়নৰ সামাজিক উপাদানৰ মূল লক্ষ্য হৈছে সম্প্রদায়ৰ সদস্যসকলৰ মাজত সামাজিক সম্পর্ক, সামাজিক ঐক্য আৰু সামগ্রিক সম্প্রীতি উন্নত কৰা। ই পৰিয়াল, বিদ্যালয় আৰু সম্প্রদায় ভিত্তিক সংগঠনসমূহৰ দৰে সামাজিক প্রতিষ্ঠানসমূহ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

এই উপাদানসমূহৰ ভিতৰত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- সামাজিক সমতা আৰু ন্যায়ৰ প্রসাৰ
- জাতিগত বৈষম্য, লিংগ বৈষম্য আৰু কুসংস্কাৰৰ দৰে সামাজিক কুসংস্কাৰ হ্রাস
- সহযোগিতা, পাৰস্পৰিক সম্পর্ক আৰু সহনশীলতাৰ বিকাশ

সামাজিক উপাদান শক্তিশালী কৰাত শিক্ষাৰ গুৰুত্বপূর্ণ ভূমিকা আছে, কিয়নো শিক্ষাই সচেতন সৃষ্টি কৰে, গণতান্ত্রিক মূল্যবোধৰ বিকাশ কৰে আৰু সামাজিক দায়িত্ববোধ গঢ়ি তোলে।

5 জানি থোৱা ভাল

সামাজিক উন্নয়নক সম্প্রদায় উন্নয়নৰ ভিত্তি বুলি গণ্য কৰা হয়, কাৰণ সামাজিক ঐক্য নাথাকি অর্থনৈতিক বা ৰাজনৈতিক উন্নয়ন সম্ভৱ হ'ব নোৱাৰে।

৩.৫.২ অর্থনৈতিক উপাদান (Economic Component)

অর্থনৈতিক উপাদানৰ মূল লক্ষ্য হৈছে সম্প্রদায়ৰ অর্থনৈতিক অৱস্থা উন্নত কৰা। দৰিদ্রতা, নিৰু আৰু কর্মসংস্থাপনৰ অভাৱ উন্নয়নৰ মুখ্য বাধা।

এই উপাদানত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- আয় বৃদ্ধিৰ কার্য্যসূচী
- দক্ষতা বিকাশ আৰু কাৰিকৰী প্রশিক্ষণ
- স্বনিয়োজিত কর্মসংস্থান আৰু উদ্যোগীকৰণৰ প্রসাৰ
- স্থানীয় সম্পদৰ উন্নত ব্যৱহাৰ

সম্প্রদায় উন্নয়ন কার্যসূচীত সাধাৰণতে অর্থনৈতিক উন্নয়ন শিক্ষা আৰু প্রশিক্ষণৰ সৈতে জড়িত থাকে, যাতে মানুহ আত্মনির্ভৰশীল আৰু অর্থনৈতিকভাৱে স্বাৱলম্বী হৈ উঠিব পাৰে।

t চিন্তা চর্চা কৰক ৩.২

আপোনাৰ স্থানীয় সম্প্রদায়ত প্রচলিত কোনো এটা আয় বহনকাৰী কার্য চিনাক্ত কৰক। শিক্ষাই কেনেদৰে সেই কার্যর্য্য উন্নত কৰিব পাৰে তাৰ দুটা উপায় লিখক।

৩.৫.৩ শিক্ষামূলক উপাদান (Educational Component)

শিক্ষা সম্প্রদায় উন্নয়নৰ এটা অত্যন্ত গুৰুত্বপূর্ণ উপাদান। ই ব্যক্তিসকলক জ্ঞান, দক্ষতা, মূল্যবে আদি প্রদান কৰে, যি সামাজিক অংশগ্রহণ আৰু উন্নয়নৰ বাবে অতিকৈ প্রয়োজনীয়।

শিক্ষামূলক উন্নয়নত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- সাক্ষৰতা আৰু প্রাপ্তবয়স্ক শিক্ষা কার্যসূচী
- বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষালাভৰ সুযোগ

- অ-আনুষ্ঠানিক আৰু জীৱনজোৰা শিক্ষা
- স্বাস্থ্য, পৰিচ্ছন্নতা আৰু অধিকাৰ সম্পৰ্কীয় সচেতনতা কার্যসূচী

শিক্ষাই মানুহক নিজৰ সমস্যা বুজিবলৈ, সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিবলৈ আৰু সম্পদসমূহ সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম কৰি তোলে।

৩.৫.৪ স্বাস্থ্য আৰু পৰিবেশ উপাদান (Health and Environmental Component)

স্বাস্থ্য আৰু পৰিবেশগত উপাদানে সম্প্রদায়ৰ জীৱনৰ মানদণ্ড উন্নত কৰাত প্রত্যক্ষ প্রভাৱ পেলায়। এক স্বচ্ছ সম্প্রদায় অধিক উৎপাদনশীল আৰু সামাজিকভাৱে অধিক সুদৃঢ় হয়।

এই উপাদানত গুৰুত্ব দিয়া দিশসমূহ হ'ল-

- মৌলিক স্বাস্থ্যসেৱাৰ সুবিধা লাভ
- মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা
- পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু বিশুদ্ধ পানীৰ ব্যৱস্থা
- পৰিবেশ সংৰক্ষণ

৩.৫.৫ ৰাজনৈতিক আৰু প্রশাসনিক উপাদান (Political and Administrative Component)

সম্প্রদায় উন্নয়ন ৰাজনৈতিক আৰু প্রশাসনিক ব্যৱস্থাৰ সৈতে সম্পর্কিত। মানুহে নাগৰিক হিচাপে নিজৰ অধিকাৰ, কর্তব্য আৰু দায়িত্ব সম্পর্কে সচেতন হোৱা উচিত।

এই উপাদানত অন্তর্ভুক্ত দিশসমূহ-

- স্থানীয় স্ব-শাসনমূলক ব্যৱস্থাত অংশগ্ৰহণ
- গণতান্ত্রিক সিদ্ধান্ত গ্ৰহণ
- নেতৃত্বৰ বিকাশ
- স্বচ্ছতা আৰু দায়বদ্ধতা

পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহে সম্প্রদায়সমূহক ক্ষমতাশালী কৰি তুলিবলৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সম্প্রদায় উন্নয়নত শিক্ষা কিয় এটা গুৰুত্বপূর্ণ উপাদান বুলি গণ্য কৰা হয় ?

প্রশ্ন নং ৪ ঃ সম্প্রদায় উন্নয়নৰ এটা অর্থনৈতিক লাভ উল্লেখ কৰক।

৩.৬ সম্প্রদায় উন্নয়নৰ নীতি-নিয়মসমূহ (Principles of Community Development)

সম্প্রদায় উন্নয়নৰ নীতিসমূহক উন্নয়নমূলক কার্য্যসূচীসমূহ পৰিকল্পনা আৰু বাস্তৱায়নৰ বাবে পথনির্দেশক নীতি হিচাপে গণ্য কৰা হয়। এই নীতিসমূহে নিশ্চিত কৰে যে উন্নয়ন মানুহক কেন্দ্র গণতান্ত্রিকভাৱে আগবাঢ়ে। এই নীতিসমূহে পৰিকল্পনাবিদ, শিক্ষাবিদ আৰু সমাজকর্মীসকলক সম্প্রদায়ৰ সৈতে ফলপ্রসূভাৱে কাম কৰিবলৈ আৰু উন্নয়নৰ লক্ষ্য পূৰণ কৰিবলৈ সহায় কৰে।

৩.৬.১ মানুহৰ অংশগ্রহণৰ নীতি (Principle of People's Participation)

সম্প্রদায় উন্নয়ন মানুহৰ সক্রিয় অংশগ্রহণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে। যদি মানুহে কেৱল নিজৰ উন্নয়নৰ স্বার্থত কাম কৰে আৰু সামাজিক কার্য্যসূচীত সক্রিয়ভাৱে অংশগ্রহণ নকৰে, তেন্তে উন্নয়ন কেতিয়াও সম্ভৱ হ'ব নোৱাৰে।

অংশগ্রহণৰ নীতিয়ে —

- বাস্তৱ প্রয়োজন চিনাক্ত কৰাত সহায় কৰে
- উন্নয়ন কার্য্যসূচীৰ ফলাফল নিশ্চিত কৰে

৩.৬.২ আত্মসহায়ক নীতি (Principle of Self-Help)

আত্মসহায়ক নীতিয়ে সম্প্রদায়ক নিজৰ সম্পদ আৰু ক্ষমতাৰ ওপৰত নির্ভৰ কৰিবলৈ অনুপ্রাণিত কৰে। এই নীতিয়ে সম্পূর্ণৰূপে বাহ্যিক সহায়ৰ ওপৰত নির্ভৰ নকৰি নিজৰ শক্তিৰে উন্নয়ন কৰিবলৈ প্রেৰণা দিয়ে।

ই বিশেষকৈ-

- আত্মনির্ভৰশীলতা বৃদ্ধি কৰে
- পৰিশ্রমৰ মর্যাদা বৃদ্ধি কৰে
- মানুহৰ মাজত আত্মবিশ্বাস সৃষ্টি কৰে

বাহ্যিক সংস্থাসমূহে সম্প্রদায়ক সহায় আৰু পৰামর্শ দিব পাৰে, কিন্তু উন্নয়ন কার্য্যসূচী সম্পূর্ণৰ নিয়ন্ত্রণ কৰিবলৈ দিয়াটো উচিত নহয়। এই নীতিয়ে সম্প্রদায়ক অধিক স্বাধীন আৰু দায়িত্বশীল কৰি তোলে।

5 জানি থোৱা ভাল

"মানুহক নিজে নিজকে সহায় কৰিবলৈ সহায় কৰা" (Help people to help themselves) এই কথাটোৱেই সম্প্রদায় উন্নয়নত আত্মসহায়কৰ মূল ধাৰণা প্রকাশ কৰে।

৩.৬.৩ গণতান্ত্রিক সিদ্ধান্ত গ্রহণৰ নীতি (Principle of Democratic Decision-Making)

সম্প্রদায় উন্নয়ন গণতান্ত্রিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি চলে, য'ত আলোচনা আৰু ঐকমত্যৰ জৰিয়তে সামুহিকভাৱে সিদ্ধান্ত গ্রহণ কৰা হয়।

এই নীতিয়ে নিম্নোক্ত দিশসমূহৰ নিশ্চিত কৰে-

- সমতা আৰু ন্যায়
- বিভিন্ন মতামতৰ প্রতি সন্মান
- উন্নয়ন কার্য্যসূচীত স্বচ্ছতা

গণতান্ত্রিক সিদ্ধান্ত গ্রহণে সম্প্রদায় আৰু উন্নয়ন সংস্থাসমূহৰ মাজত বিশ্বাস বৃদ্ধি কৰে।

৩.৬.৪ নেতৃত্ব বিকাশৰ নীতি (Principle of Leadership Development)

সম্প্রদায় উন্নয়ন কার্য্যসূচীসমূহ সঠিকভাৱে আগবঢ়াবলৈ দক্ষ নেতৃত্ব অত্যন্ত প্রয়োজন। নেতাসকলে মানুহক উৎসাহিত কৰে, বিভিন্ন কার্য্যসূচী গ্রহণ কৰে আৰু সম্প্রদায়ৰ ভিতৰত সৃষ্টি হোৱা সমস্যাসমূহ সমাধান কৰাত সহায় কৰে।

নেতৃত্ব বিকাশত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- স্থানীয় নেতাসকলক চিনাক্ত কৰা
- প্রশিক্ষণ প্রদান কৰা
- যুৱক আৰু মহিলাৰ অংশগ্রহণত গুৰুত্ব দিয়া

শিক্ষাই দায়িত্বশীল, সচেতন আৰু নেতৃত্ব বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৩.৬.৫ সমন্বয়ৰ নীতি (Principle of Coordination)

সম্প্রদায় উন্নয়নত বহু সংস্থা জড়িত থাকে, যেনে-

- চৰকাৰী বিভাগ
- বেচৰকাৰী সংগঠন (NGOs)
- শিক্ষানুষ্ঠান
- স্থানীয় সংস্থা

এই সংস্থাসমূহৰ মাজত সমন্বয় থাকিলে সমস্যা আৰু প্রত্যাহ্বান হ্রাস পায় আৰু সম্পদৰ সঠিক ব্যৱহাৰ হয়। সমন্বয়ৰ অভাৱে প্রায়ে বিভ্রান্তি আৰু জনসাধাৰণৰ সম্পদৰ অপচয় ঘটায়।

৩.৬.৬ সাংস্কৃতিক সংবেদনশীলতাৰ নীতি (Principle of Cultural Sensitivity)

সম্প্রদায় উন্নয়ন কার্য্যসূচীসমূহে স্থানীয় সংস্কৃতি, পৰম্পৰা আৰু মূল্যবোধৰ প্রতি সন্মান দেখুৱাব লাগিব। যদি কোনো কার্য্যসূচীয়ে স্থানীয় সংস্কৃতিক উপেক্ষা কৰে, তেন্তে সম্প্রদায়ৰ মাজত প্রতিবাদ বা অনীহা সৃষ্টি হ'ব পাৰে।

সাংস্কৃতিক সংবেদনশীলতাই-

- উন্নয়ন কার্য্যসূচীৰ গ্রহণযোগ্যতা বৃদ্ধি কৰে
- স্থানীয় পৰিচয় সংৰক্ষণ কৰে
- পৰম্পৰাগত মূল্যবোধ আৰু আধুনিক উন্নয়নৰ মাজত সামঞ্জস্য স্থাপন কৰে

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সম্প্রদায় উন্নয়নত মানুহৰ অংশগ্রহণ বুলিলে কি বুজা যায়?

প্রশ্ন নং ৬ ঃ সম্প্রদায় উন্নয়নত নেতৃত্ব বিকাশ কিয় গুৰুত্বপূর্ণ?

৩.৭ জনসাধাৰণৰ সম্পদৰ উপযোগিতা (Utility of Public Resources)

জনসাধাৰণৰ সম্পদ বুলিলে সেইসমূহ সুবিধা, সেৱা আৰু প্রতিষ্ঠানক বুজায় যিবোৰ চৰকাৰ বা জনসাধাৰণৰ সংস্থাসমূহে মানুহৰ কল্যাণৰ বাবে সৃষ্টি, পৰিচালনা আৰু নিয়ন্ত্রণ কৰে। এই জনসাধাৰণৰ সম্পদসমূহৰ ফলপ্রসূ ব্যৱহাৰ সম্প্রদায় উন্নয়নৰ বাবে অত্যন্ত গুৰুত্বপূর্ণ।

যেতিয়া সম্প্রদায়সমূহে জনসাধাৰণৰ সম্পদসমূহৰ বিষয়ে সচেতন হয় আৰু সেয়া সক্রিয়ভাৱে ব্যৱহাৰ কৰে, তেতিয়া উন্নয়ন অধিক অন্তর্ভুক্তিমূলক হিচাপে গঢ়ি উঠে।

জনসাধাৰণৰ সম্পদসমূহে সামাজিক বৈষম্য হ্রাস কৰা, জীৱনৰ মান উন্নত কৰা আৰু সামাজিক ন্যায় প্রসাৰত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শিক্ষা, স্বাস্থ্যসেৱা, বেচৰকাৰী সংগঠন আৰু চৰকাৰী কল্যাণমূলক আঁচনিসমূহে উমৈহতীয়াভাৱে সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়ায়।

৩.৭.১ শিক্ষা (Education)

শিক্ষা সম্প্রদায় উন্নয়নৰ বাবে আটাইতকৈ শক্তিশালী সম্পদ। শিক্ষাই ব্যক্তিসকলক ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবে প্রয়োজনীয় জ্ঞান, দক্ষতা, মূল্যবোধ আৰু মনোভাৱ প্রদান কৰে। শিক্ষাৰ জৰিয়তে মানুহে নিজৰ অধিকাৰ, কর্তব্য আৰু দায়িত্বৰ প্রতি সচেতন হয়।

সম্প্রদায় উন্নয়নত শিক্ষাৰ ভূমিকা-

- সাক্ষৰতা আৰু জীৱনজোৰা শিক্ষাৰ প্রসাৰ কৰা
- সামাজিক সচেতনতা আৰু নাগৰিকত্ববোধৰ সৃষ্টি কৰা
- নিয়োগ আৰু আত্মনির্ভৰশীলতাৰ বাবে দক্ষতা বিকাশ কৰা
- গণতান্ত্রিক প্রক্রিয়াত সকলোৱে অংশগ্রহণ নিশ্চিত কৰা

বিদ্যালয় আৰু মহাবিদ্যালয়ৰ দৰে আনুষ্ঠানিক শিক্ষানুষ্ঠানসমূহৰ লগতে অ-আনুষ্ঠানিক আৰু প্রাপ্তবয়স্ক শিক্ষা কার্যসূচীসমূহেও সম্প্রদায়ৰ উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়াই আহিছে। দূ�ৰশিক্ষা প্রতিষ্ঠানসমূহেও বিশেষভাৱে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে, কাৰণ এই শিক্ষাই সেইসকল শিক্ষার্থীক শিক্ষা জ্ঞান প্রদান কৰে, যিসকল সাধাৰণ শিক্ষাব্যৱস্থাৰ পৰা বঞ্চিত।

5 জানি থোৱা ভাল

শিক্ষাক প্রায়ে সম্প্রদায় উন্নয়নৰ "মেৰুদণ্ড" বুলি কোৱা হয়, কাৰণ শিক্ষাই মানুহক সামাজিক আৰু অর্থনৈতিক কার্যকলাপত অর্থপূর্ণভাৱে অংশগ্রহণ কৰিবলৈ সক্ষম কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃশিক্ষাই কেনেকৈ সম্প্রদায় উন্নয়নত অৱদান আগবঢ়ায়?

৩.৭.২ স্বাস্থ্য (Health)

স্বাস্থ্য হৈছে আন এটা গুৰুত্বপূৰ্ণ জনসাধাৰণৰ সম্পদ, যিয়ে সম্প্রদায়ৰ উৎপাদনশীলতা আৰু কল্যাণৰ ওপৰত প্রত্যক্ষ প্রভাৱ পেলায়। এক সুস্থ জনসমাজে উন্নয়নমূলক কার্য্যসমূহত সক্রিয়ভাৱে অংশগ্রহণ কৰিব পাৰে, কিন্তু দুৰ্বল স্বাস্থ্যই উন্নয়ন আৰু অগ্রগতিক সীমাবদ্ধ কৰে।

জনস্বাস্থ্য সম্পদসমূহৰ ভিতৰত অন্তর্ভুক্ত দিশসমূহ হ'ল-

- প্রাথমিক স্বাস্থ্যকেন্দ্র (PHCs)
- চিকিৎসালয় আৰু চিকিৎসা সুবিধা
- মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা
- টিকাকৰণ আৰু পুষ্টিকৰ খাদ্য যোগান কার্যসূচী

স্বাস্থ্য শিক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান আৰু সজাগতামূলক কার্যসূচীসমূহে সম্প্রদায়ক ৰোগ প্রতিৰোধ আৰু সুস্থ জীৱনশৈলী গ্রহণ কৰাত সহায় কৰে।

৩.৭.৩ পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহ (Panchayati Raj Institutions)

পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহ স্থানীয় স্বায়ত্ত শাসনৰ সংস্থা, যিসমূহে বিকেন্দ্রীকৃত ক্ষমতাৰে সম্প্রদায় উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই প্রতিষ্ঠানসমূহে শাসন ব্যৱস্থাক মানুহৰ ওচৰলৈ আনে আৰু উন্নয়নৰ পৰিকল্পনা তথা কার্যকৰীকৰণত মানুহৰ অংশগ্রহণ নিশ্চিত কৰে।

পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহৰ ব্যৱহাৰিকতা-

- স্থানীয় প্রয়োজনসমূহ চিনাক্ত কৰা
- উন্নয়ন কার্যসূচীসমূহ কার্যকৰী কৰা
- সম্প্রদায়ৰ অংশগ্রহণ নিশ্চিত কৰা
- চৰকাৰী আঁচনিসমূহৰ নিৰীক্ষণ আৰু মূল্যায়ন কৰা

৩.৭.৪ বেচৰকাৰী সংগঠন আৰু নাগৰিক সমাজ সংগঠন (NGOs and Civil Society Organisations)

বেচৰকাৰী সংগঠন (NGOS) আৰু নাগৰিক সমাজ সংগঠনসমূহ সম্প্রদায় উন্নয়নত এক গুৰুত্বপূৰ্ণ প্রেৰক শক্তি হিচাপে কাম কৰে। এইসমূহ সম্প্রদায়ৰ সৈতে ঘনিষ্ঠভাৱে জড়িত থাকি কাম কৰে আৰু বহুসময়ত মানুহ আৰু চৰকাৰী সংস্থাৰ মাজত সংযোগ স্থাপন কৰে।

বেচৰকাৰী সংগঠন আৰু নাগৰিক সমাজ সংগঠনৰ অৱদানসমূহ-

- সজাগতা সৃষ্টি কৰা
- দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ প্ৰদান কৰা
- উন্নয়নমূলক প্ৰকল্পৰ বাস্তৱায়িত কৰা
- প্ৰান্তীয় আৰু দুৰ্বল শ্ৰেণীসমূহক সহায় কৰা

৩.৭.৫ চৰকাৰী আঁচনি (Government Schemes)

চৰকাৰী কল্যাণমূলক আঁচনিসমূহ হৈছে সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন সাধনৰ বাবে প্ৰস্তুত কৰা মুখ্য পদক্ষেপ। এই আঁচনিসমূহে দৰিদ্ৰতা, নিবনুৱা, স্বাস্থ্য, শিক্ষা আৰু বাসস্থান আদি দিশৰ সমস্যাসমূহ সমাধান কৰাৰ লক্ষ্যৰে প্ৰদান কৰা হয়।

উদাহৰণস্বৰূপে-

- শিক্ষাৰ্থীৰ বৃত্তি আৰু মধ্যাহ্ন ভোজন কাৰ্যসূচী
- স্বাস্থ্য বীমা আঁচনি
- নিয়োগ সৃষ্টিৰ কাৰ্যসূচী
- বাসস্থান আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আঁচনি

৩.৮ সম্প্রদায় উন্নয়নত শিক্ষাৰ ভূমিকা (Role of Education in Community Development)

শিক্ষা সম্প্রদায় উন্নয়নৰ আটাইতকৈ শক্তিশালী মাধ্যমসমূহৰ ভিতৰত এটা। ই কেৱল জ্ঞান আৰু দক্ষতা প্ৰদান কৰাই নহয়, বৰং ব্যক্তিৰ মনোভাৱ, মূল্যবোধ আৰু আচৰণত ইতিবাচক পৰিবৰ্তন আনে। শিক্ষাৰ জৰিয়তে মানুহে নিজৰ অধিকাৰ, কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সচেতন হয়, যাৰ ফলত তেওঁলোকে সম্প্রদায় জীৱনত ফলপ্ৰসূভাৱে অংশগ্ৰহণ কৰিব পাৰে।

শিক্ষাই সাক্ষৰতা, সামাজিক সচেতনতা আৰু সমালোচনামূলক চিন্তাধাৰাৰ বিকাশৰ জৰিয়তে সম্প্রদায় উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। সাক্ষৰ আৰু সচেতন ব্যক্তিসকলে সম্প্রদায়ৰ সমস্যাসমূহ সহজে চিনাক্ত কৰিব পাৰে, সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব পাৰে আৰু সমস্যাৰ সমাধান কৰিবলৈ সক্ষম হয়। শিক্ষাই গণতান্ত্ৰিক মূল্যবোধ, সামাজিক ন্যায় আৰু সমতাৰো বিকাশ ঘটায়।

বিদ্যালয় আৰু মহাবিদ্যালয়ৰ জৰিয়তে প্ৰদান কৰা আনুষ্ঠানিক শিক্ষাই ব্যক্তিসকলক উৎপাদনশীল কৰি তোলে আৰু সম্প্রদায়ৰ ভিতৰত নেতৃত্ব গ্ৰহণৰ বাবে প্ৰস্তুত কৰে। আনুষ্ঠানিক শিক্ষাৰ লগতে অ-আনুষ্ঠানিক আৰু

প্রাপ্তবয়স্ক শিক্ষাৰ কার্যসূচীসমূহে বিদ্যালয়ৰ বাহিৰত বিশেষকৈ গ্রাম্য আৰু পিছপৰা অঞ্চলৰ যুৱক-যুৱতী আৰু প্রাপ্তবয়স্কসকলৰ শৈক্ষিক প্রয়োজনীয়তা পূৰণ কৰে।

এই ধৰণৰ শিক্ষাৰ কার্যসূচীসমূহে সাক্ষৰতা, বৃত্তিগত দক্ষতা আৰু জীৱন-ধাৰণৰ দক্ষতা বৃদ্ধি কৰে। শিক্ষক আৰু শিক্ষানুষ্ঠানসমূহ সম্প্রদায় উন্নয়নৰ ক্ষেত্রত পৰিবর্তনৰ বাহক হিচাপে কাম কৰে। শিক্ষাৰ জৰিয়তে স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিবেশ সংৰক্ষণ আৰু সামাজিক সম্প্রীতিৰ দৰে বিষয়ত সজাগতা অনুষ্ঠান আয়োজন কৰা হয়। শিক্ষানুষ্ঠানসমূহে স্থানীয় সংস্থা আৰু স্বেচ্ছাসেৰী সংগঠনসমূহৰ সৈতে সহযোগিতা কৰি তৃণমূল স্তৰত উন্নয়নৰ কার্যসূচীসমূহ বাস্তৰায়িত কৰাত সহায় কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ সম্প্রদায় উন্নয়নত পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহৰ যিকোনো দুটা ভূমিকা উল্লেখ কৰক।

প্রশ্ন নং ৯ ঃ সম্প্রদায় উন্নয়নত NGOS কিয় গুৰুত্বপূর্ণ?

2 ৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

- সম্প্রদায় উন্নয়ন হৈছে মানুহক কেন্দ্র কৰি গঢ়ি উঠা এক অংশগ্রহণমূলক প্রক্রিয়া, যাৰ লক্ষ্য হৈছে সম্প্রদায়ৰ সামাজিক, অর্থনৈতিক, শিক্ষাগত, সাংস্কৃতিক আদি দিশৰ উন্নত কৰা। ই এক সামুহিক প্রচেষ্টা।
- সম্প্রদায় উন্নয়ন এক অবিৰত আৰু গতিশীল প্রক্রিয়া, যি সমাজৰ পৰিবর্তিত প্রয়োজন অনুসৰি পৰিবর্তন হয়। ই মানুহক নিজৰ সমস্যা চিনাক্ত কৰি সমাধানৰ পথ বিচাৰিবলৈ সক্ষম কৰে।
- সম্প্রদায় উন্নয়নৰ প্রক্রিয়া সাধাৰণতে কেইবাটাও স্তৰৰ মাজেৰে আগবাঢ়ে যেনে- প্রয়োজন চিনাক্তকৰণ, পৰিকল্পনা, কার্যকৰীকৰণ, নিৰীক্ষণ আৰু মূল্যায়ন। প্রতিটো স্তৰে উন্নয়নমূলক কার্যসূচীৰ প্রাসংগিকতা, কার্যকাৰিতা আৰু সফলতা নিশ্চিত কৰে।
- মানুহৰ অংশগ্রহণ সম্প্রদায় উন্নয়নৰ মূল ভিত্তি। সক্রিয় অংশগ্রহণে সম্প্রদায়ৰ সদস্যসকলৰ মাজত দায়িত্ববোধ সৃষ্টি কৰে।
- সম্প্রদায় উন্নয়ন বিভিন্ন উপাদানৰ সমন্বয়ৰ দ্বাৰা গঠিত, যেনে-সামাজিক, অর্থনৈতিক, শিক্ষাগত, স্বাস্থ্য, পৰিবেশ আৰু ৰাজনৈতিক উন্নয়ন। এই উপাদানসমূহৰ সুষম সমন্বয়ে সামগ্রিক উন্নয়ন নিশ্চিত কৰে।
- সম্প্রদায় উন্নয়নৰ নীতি-যেনে আত্মসহায়ক, গণতান্ত্রিক সিদ্ধান্ত গ্রহণ, নেতৃত্ব বিকাশ, সমন্বয় আৰু সাংস্কৃতিক সংবেদনশীলতা-আদিয়ে উন্নয়নমূলক কার্যসূচীসমূহ সঠিকভাৱে বাস্তৰায়িত কৰিবলৈ নির্দেশনা দিয়ে।
- শিক্ষা, স্বাস্থ্যসেৰা, পঞ্চায়তী ৰাজ প্রতিষ্ঠান, NGOS আৰু চৰকাৰী কল্যাণমূলক আঁচনিৰ দৰে জনসাধাৰণৰ সম্পদসমূহ সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- শিক্ষাই সম্প্রদায় উন্নয়নত বাহকৰ দৰে কাম কৰে, কাৰণ ই সচেতনতা সৃষ্টি কৰে, দক্ষতা বিকাশ কৰে আৰু সামাজিক দায়িত্ববোধ বৃদ্ধি কৰে।
- শিক্ষানুষ্ঠান আৰু শিক্ষকসকল সমাজ পৰিবৰ্তনৰ মূল শক্তি হিচাপে কাম কৰে। তেওঁলোকে সজাগতামূলক কার্যসূচী, দক্ষতা বিকাশ আৰু সম্প্রদায় সম্পর্কীয় কার্য্যকলাপসমূহ আয়োজন কৰি সম্প্রদায়ক শক্তিশালী কৰে।
- ফলপ্রসূ সম্প্রদায় উন্নয়নে সামাজিক সম্প্রীতি, অর্থনৈতিক আত্মনির্ভৰশীলতা আৰু সমাজৰ উন্নয়ন নিশ্চিত কৰে। ইয়াৰ জৰিয়তে সম্প্রদায়সমূহ অধিক ক্ষমতাশালী, আত্মবিশ্বাসী আৰু নিজৰ উন্নয়ন নিজে পৰিচালনা কৰিবলৈ সক্ষম হয়।

০ ৩.১০ অধিক জানিবলৈ (Further Reading)

1. Bhattacharya, S. (2016). *Community Development: Concepts and Practices*. New Delhi: Sage Publications.
2. United Nations (2015). *Community Development and Sustainable Development Goals*.
3. Rao, M.S. (2014). *Social Change and Community Development in India*. New Delhi: Oxford University Press.
4. Government of India. *Panchayati Raj and Rural Development Reports*.

K ৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায় উন্নয়ন হ'ল এনে এক পৰিকল্পিত আৰু সংগঠিত প্রক্রিয়া যাৰ লক্ষ্য হৈছে এখন সম্প্রদায়ৰ সামাজিক, অর্থনৈতিক, শিক্ষাগত আৰু সাংস্কৃতিক অৱস্থা উন্নত কৰা। ইয়াত মানুহৰ অংশগ্রহণ, আৰু সামগ্রিক প্রচেষ্টাৰ ওপৰত গুৰুত্ব দিয়া হয় যাতে সম্প্রদায়ৰ সদস্যসকল নিজে নিজৰ সমস্যা সমাধান কৰি জীৱনৰ মান উন্নত কৰিব পাৰে। সম্প্রদায় উন্নয়নত পৰিকল্পনা অত্যন্ত গুৰুত্বপূর্ণ, কাৰণ ই প্রয়োজনীয়তাসমূহ চিনাক্ত কৰা, লক্ষ্য নির্ধাৰণ কৰা আৰু সম্পদসমূহ সুসংগঠিতভাৱে ব্যৱহাৰ কৰাত সহায় কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ নিৰীক্ষণ (Monitoring) বুলিলে উন্নয়ন কার্য্যসমূহ নিয়মিতভাৱে পর্যবেক্ষণ কৰা আৰু পৰিকল্পনা অনুসাৰে কার্য্যসমূহ সম্পন্ন হৈছে নে নাই সেয়া নিশ্চিত কৰাক বুজায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাক সম্প্রদায় উন্নয়নৰ গুৰুত্বপূর্ণ উপাদান বুলি গণ্য কৰা হয়, কাৰণ শিক্ষাই মানুহৰ মাজত সচেতনতা সৃষ্টি কৰে, দক্ষতা বিকাশ কৰে আৰু সামাজিক দায়িত্ববোধ বৃদ্ধি কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায় উন্নয়নৰ এটা মুখ্য অর্থনৈতিক লাভ হৈছে নিয়োগ সৃষ্টি, যাৰ ফলত আয় বৃদ্ধি পায় আৰু দৰিদ্রতা হ্রাস পায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায় উন্নয়নত মানুহৰ অংশগ্রহণ বুলিলে সম্প্রদায়ৰ সদস্যসকলে সক্রিয়ভাৱে প্রয়োজন চিনাক্ত কৰা, পৰিকল্পনা কৰা আৰু উন্নয়ন কার্য্যসূচীসমূহ বাস্তৱায়িত কৰাত অংশগ্রহণ কৰাক বুজায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ নেতৃত্ব বিকাশ গুৰুত্বপূর্ণ, কাৰণ দক্ষ নেতাসকলে মানুহক সংগঠিত কৰে, উৎসাহিত কৰে আৰু উন্নয়ন কার্য্যসূচীসমূহৰ সফলতা নিশ্চিত কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাই ব্যক্তিসকলক জ্ঞান, দক্ষতা আৰু অধিকাৰ-কর্তব্যৰ বিষয়ে সচেতনতা প্রদান কৰি সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ অৱদান আগবঢ়ায়। শিক্ষিত মানুহে সিদ্ধান্ত গ্রহণ কৰিব পাৰে, জনসাধাৰণৰ সম্পদসমূহ ফলপ্রসূভাৱে ব্যৱহাৰ কৰিব পাৰে আৰু স্বাস্থ্যকৰ আৰু উৎপাদনশীল জীৱনবোধ গ্রহণ কৰিব পাৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহে স্থানীয় প্রয়োজনসমূহ চিনাক্ত কৰা আৰু তৃণমূল স্তৰত উন্নয়ন কার্য্যসূচীসমূহ বাস্তৱায়িত কৰাৰ জৰিয়তে সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

৯ নং প্রশ্নৰ উত্তৰ ঃ NGOS সমূহ গুৰুত্বপূর্ণ, কাৰণ ই সচেতনতা সৃষ্টি কৰে, প্রশিক্ষণ প্রদান কৰে, পিছপৰা শ্রেণীৰ লোকসকলক সহায় কৰে আৰু সম্প্রদায় আৰু চৰকাৰৰ মাজত সংযোগ স্থাপন কৰে।

৩.১২ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (150টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় উন্নয়ন বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ ঃ সম্প্রদায় শব্দটোৰ সংজ্ঞা দিয়া।

প্রশ্ন নং ৩ ঃ সম্প্রদায় উন্নয়নত মানুহৰ অংশগ্রহণ বুলিলে কি বুজা যায়?

প্রশ্ন নং ৪ ঃ সম্প্রদায় উন্নয়নৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন নং ৫ ঃ সম্প্রদায় উন্নয়নৰ চিনাক্তকৰণ স্তৰ কি?

প্রশ্ন নং ৬ ঃ সম্প্রদায় উন্নয়নত পৰিকল্পনা বুলিলে কি বুজা যায়?

প্রশ্ন নং ৭ ঃ সম্প্রদায় উন্নয়নৰ নীতি হিচাপে আত্মসহায়কৰ সংজ্ঞা দিয়া।

প্রশ্ন নং ৮ ঃ জনসাধাৰণৰ সম্পদ বুলিলে কি বুজা যায়?

প্রশ্ন নং ৯ ঃ সম্প্রদায় উন্নয়নত ব্যৱহৃত জনসাধাৰণৰ সম্পদৰ দুটা উদাহৰণ দিয়া।

প্রশ্ন নং ১০ ঃ সম্প্রদায় উন্নয়নত শিক্ষাৰ ভূমিকা কি?

খ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় উন্নয়নৰ ধাৰণা ব্যাখ্যা কৰা।

প্রশ্ন নং ২ ঃ সম্প্রদায় উন্নয়নৰ স্বৰূপ আৰু পৰিসৰ বর্ণনা কৰা।

প্রশ্ন নং ৩ ঃ সম্প্রদায় উন্নয়নত মানুহৰ অংশগ্রহণৰ গুৰুত্ব আলোচনা কৰা।

প্রশ্ন নং ৪ ঃ সম্প্রদায় উন্নয়নৰ চিনাক্তকৰণ আৰু পৰিকল্পনা স্তৰসমূহ ব্যাখ্যা কৰা।

প্রশ্ন নং ৫ ঃ সম্প্রদায় উন্নয়নৰ উপাদান হিচাপে শিক্ষাৰ ভূমিকা বর্ণনা কৰা।

প্রশ্ন নং ৬ ঃ সম্প্রদায় উন্নয়নৰ সামাজিক আৰু অর্থনৈতিক উপাদানসমূহ ব্যাখ্যা কৰা।

প্রশ্ন নং ৭ ঃ সম্প্রদায় উন্নয়নত স্বাস্থ্য আৰু পৰিবেশ উপাদানৰ গুৰুত্ব আলোচনা কৰা।

প্রশ্ন নং ৮ ঃ সম্প্রদায় উন্নয়নত পঞ্চায়তী ৰাজ প্রতিষ্ঠানসমূহৰ ভূমিকা ব্যাখ্যা কৰক।

প্রশ্ন নং ৯ ঃ সম্প্রদায় উন্নয়নত NGOS আৰু নাগৰিক সমাজ সংগঠনসমূহৰ অৱদান আলোচনা কৰক।

প্রশ্ন নং ১০ ঃ সম্প্রদায় উন্নয়নত গণতান্ত্রিক সিদ্ধান্ত গ্রহণৰ নীতি ব্যাখ্যা কৰক।

গ) **দীঘল উত্তৰৰ প্রশ্নসমূহ**

(প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দত লিখা)

১. সম্প্রদায় উন্নয়নৰ ধাৰণা ব্যাখ্যা কৰক আৰু ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২. সম্প্রদায় উন্নয়নৰ ধাপসমূহ বর্ণনা কৰক আৰু ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰক।

৩. সম্প্রদায় উন্নয়নৰ বিভিন্ন উপাদান উদাহৰণসহ আলোচনা কৰক।

৪. সম্প্রদায় উন্নয়নৰ নীতিসমূহ ব্যাখ্যা কৰা আৰু ভাৰতীয় সমাজত ইয়াৰ প্রাসংগিকতা আলোচনা কৰক।

৫. সম্প্রদায় উন্নয়ন প্রসাৰত জনসাধাৰণৰ সম্পদসমূহৰ ব্যৱহাৰিকতা বিশ্লেষণ কৰা।

৬. সম্প্রদায় উন্নয়নৰ মাধ্যম হিচাপে শিক্ষাৰ ভূমিকা পর্যালোচনা কৰা।

৭. সম্প্রদায় উন্নয়ন শক্তিশালী কৰাত পঞ্চায়তী ৰাজ প্রতিষ্ঠান আৰু NGOS ৰ ভূমিকা আলোচনা কৰা।

৮. সম্প্রদায় উন্নয়নৰ বাবে জনসাধাৰণৰ সম্পদসমূহৰ ফলপ্রসূ ব্যৱহাৰত থকা সমস্যাসমূহ সমালোচনামূলকভাৱে পর্যালোচনা কৰা।

(ঘ) প্রয়োগমূলক / কার্যভিত্তিক প্রশ্নসমূহ

১. আপোনাৰ ওচৰৰ এটা সম্প্রদায় পৰিদর্শন কৰি তাত চলি থকা দুটা উন্নয়ন কার্য্যসূচী চিনাক্ত কৰা আৰু সিহঁতৰ প্রভাৱ বিশ্লেষণ কৰা।

২. স্থানীয় পঞ্চায়তৰ সম্প্রদায় উন্নয়নত থকা ভূমিকা বিষয়ক এটা সংক্ষিপ্ত প্রতিবেদন প্রস্তুত কৰা।

৩. বিদ্যালয় আৰু মহাবিদ্যালয়সমূহে সম্প্রদায় উন্নয়ন কার্য্যসূচীত কেনেদৰে অৱদান আগবঢ়াব পাৰে তাৰ প্রস্তাৱ দিয়া।

৪. দূ�ৰশিক্ষাৰ শিক্ষার্থীসকলে কেনেদৰে সম্প্রদায় উন্নয়ন কার্য্যসূচীত সক্রিয়ভাৱে অংশগ্রহণ কৰিব পাৰে সেই বিষয়ে আলোচনা কৰা।

*****

অধ্যায় ৪ : ক্ষুদ্রবিত্তৰ অৱদান

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ক্ষুদ্র বিত্তৰ ধাৰণা
৪.৪ গ্রামীণ বেংক
৪.৫ ভাৰতত ক্ষুদ্রবিত্ত
৪.৬ ক্ষুদ্র বিত্ত প্রদান কৰা ভাৰতৰ বিভিন্ন সংস্থাসমূহ
৪.৭ ক্ষুদ্র বিত্তৰ সংস্থাসমূহ নিয়ন্ত্রণকাৰী সংস্থাসমূহ
৪.৮ ক্ষুদ্র বিত্ত আৰু নিয়োজনৰ সুবিধা
৪.৯ পাঠটিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্রগতিৰ খতিয়ান
৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়ৰ শেষত আপুনি —

- ক্ষুদ্র বিত্তৰ সংজ্ঞা দিব পাৰিব।
- ভাৰতত ক্ষুদ্র বিত্তৰ প্রয়োজনীয়তা আলোচনা কৰিব পাৰিব।
- ক্ষুদ্র বিত্ত প্রদান কৰা বিভিন্ন সংস্থাসমূহ আৰু এইবোৰে কেনেদৰে সংস্থাসমূহৰ সুবিধা প্রদান কৰে, তাৰ ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

অপুনি নিশ্চয় জানে যে গণতান্ত্রিক দেশ ভাৰতৰ নাগৰিক হিচাপে সকলো নাগৰিকৰে যে মর্যাদাৰে জীয়াই থকা আৰু ভাৰতীয় সংবিধানৰ দ্বাৰা প্রদান কৰা সুযোগসমূহ উপভোগ কৰাৰ মৌলিক অধিকাৰ আছে। জনসাধাৰণক সৱলীকৰণ বা তেওঁলোকৰ ক্ষমতা অধিক শক্তিশালী কৰিবলৈ চৰকাৰে সময়ে সময়ে বিভিন্ন প্রচেষ্টা হাতত লৈ আহিছে। স্বর্ণ জয়ন্তী গ্রাম স্বৰোজগাৰ যোজনাৰ অধীনত আত্মসহায়ক গোট গঠন কৰাটো এইসমূহৰ ভিতৰত এটা

অন্যতম প্রধান উপাদান। এই আত্মসহায়ক গোটসমূহে সঁচাকৈয়ে জনসাধাৰণৰ মাজত ক্ষুদ্র ঋণ সৃষ্টিৰ বাবে সাপ্তাহিক বা মাহিলী ভিত্তিত তেওঁলোকৰ ক্ষুদ্র সঞ্চয়সমূহক গতিশীল কৰিবলৈ সক্ষম হৈছে আৰু তেওঁলোকক নিজৰ ঋণ প্রক্রিয়া বা উদ্যোগ আৰম্ভ কৰিবলৈ সহায় কৰিছে। যদি আমি আত্মসহায়ক গোটৰ ইতিহাস সাধাৰণভাৱে চাওঁ, তেন্তে দেখা পাম যে বাংলাদেশৰ এজন সমাজ কর্মী, বেংকাৰ, অর্থনীতিবিদ আৰু সামাজিক উদ্যোগী ড০ মহম্মদ ইউনূছে ১৯৭০ চনত এই ধাৰণাটোক বিকশিত কৰিছিল, যাৰ বাবে তেওঁ গ্রামীণ বেংক প্রতিষ্ঠা কৰা আৰু ক্ষুদ্রঋণ আৰু ক্ষুদ্রবিত্তৰ ধাৰণাসমূহৰ পথ প্রদর্শক হিচাপে ২০০৬ চনত শান্তিৰ নোবেল পুৰস্কাৰ লাভ কৰিছিল। আত্মসহায়ক গোটৰ মূল উদ্দেশ্য হৈছে যে আত্মসহায়ক গোটৰ সদস্যসকলে তেওঁলোকৰ জৰুৰী ঋণৰ প্রয়োজন পূৰণ কৰিবলৈ নিজৰ দ্বাৰা উৎপন্ন সম্পদসমূহ ফলপ্রসূভাৱে পুনর্ব্যৱহাৰ কৰিব পাৰে। ভাৰততে আত্মসহায়ক গোট আন্দোলন ১৯৮০ চনত আৰম্ভ হৈছিল। ভাৰতৰ লগতে সমগ্র দক্ষিণ এছিয়াত মহিলাৰ আত্মসহায়ক গোটসমূহে আত্মসহায়ক গোটৰ মুখ্য সংখ্যা হিচাপে এক প্রভাৱশালী ভূমিকা পালন কৰে।

যিকোনো ব্যৱসায়ৰ সম্প্রসাৰণ বা ব্যৱসায় আৰম্ভ কৰাৰ বাবে মূলধনৰ প্রয়োজন। অৱশ্যে, সকলো লোকৰ ব্যৱসায় আৰম্ভ কৰিবলৈ ইমান মূলধন থকাৰ সৌভাগ্য নহয়। আৰু এই পৰিমাণো তেনেই আপেক্ষিক। এজন ব্যক্তিৰ বাবে এক লাখ টকা যথেষ্ট নহ'বও পাৰে কিয়নো তেওঁ ৫০ লাখ টকাৰ প্রয়োজন হোৱা ব্যৱসায় আৰম্ভ কৰিব খোজে। অৱশ্যে, আন এজন ব্যক্তিৰ বাবে, এক লাখ টকাই বহুত বেছি হ'ব পাৰে আৰু সেইবাবে তেওঁ এক লাখ টকাৰে ব্যৱসায় আৰম্ভ কৰিবলৈ ঋণ বিচাৰিব।

সাধাৰণতে বেংকসমূহে ঋণ দিবলৈ বিচাৰে। বেংকসমূহে সঞ্চয়কাৰীসকলৰ পৰা ধন জমা লয় আৰু ব্যৱসায়ৰ বাবে ব্যৱহাৰ কৰিব বিচৰা ঋণগ্রহণকাৰীসকলক ঋণ হিচাপে প্রদান কৰে। দুয়োটা কার্যৰ মাজৰ সুতৰ পার্থক্যই হৈছে বেংকৰ উপার্জন। কিন্তু যিহেতু বেংকৰ ধনসমূহ আন কোনোবা গ্রাহকৰহে ধন, সেইবাবে তেওঁলোক ঋণ দিয়াৰ ক্ষেত্রত সাৱধান হৈ পৰে।

প্রথমতে, তেওঁলোকে বিশ্বাস কৰিব আৰু ঋণ দিব। কিন্তু যদি কম ধন উভতি আহে, তেন্তে পিছত অহাসকলে ইয়াৰ ঋণাত্মক ফলাফল ভোগ কৰিবলগীয়া হয়। ভাৰতৰ বহু ৰাজ্যত, বিশেষকৈ অসমত, এইটো এটা নির্ঘাত সত্য হৈ পৰিছে। অসমত বর্তমান বেংকৰ পৰা ঋণ পোৱাটো অতি কঠিন হৈ পৰিছে আৰু সেয়েহে ব্যৱসায়ৰ দিশৰ উন্নতি হোৱা নাই। অসমীয়া লোকসকলৰ ইমান মূলধন নাই যে তেওঁলোকে নিজাকৈ ব্যৱসায় আৰম্ভ কৰিব পাৰে।

যদি বেংকে ঋণ নিদিয়ে, তেন্তে মানুহে আন কাৰোবাৰ পৰা ঋণ ল'ব পাৰেনে? হয়, মহাজনসকলো আছে। কিন্তু তেওঁলোকে দিয়া ধনৰ বাবে অতি উচ্চ হাৰত সুত আদায় কৰে। পর্যাপ্ত জামানত নহ'লে তেওঁলোকে ডাঙৰ ঋণ নিদিয়ে। ঋণ পৰিশোধ নকৰিলে তেওঁলোকে কঠোৰ কৌশল ব্যৱহাৰ কৰে। সেয়েহে, মানুহে তেওঁলোকৰ পৰা ঋণ ল'ব নিবিচাৰে। বন্ধু-বান্ধবী আৰু আত্মীয়সকলে কেতিয়াবা ঋণ দিয়ে। কিন্তু সেয়া এটা নিয়মীয়া কথা নহয়। দেখা যায় যে মাৰোৱাৰী সমাজে তেওঁলোকৰ সদস্যসকলক ব্যৱসায় স্থাপন কৰাত সহায় কৰে।

অৱশ্যে, ভাৰতৰ গ্রাম্য বিত্ত তিনিটা মূল ক্ষেত্রৰ ওপৰত কেন্দ্রীভূত, অর্থাৎ ঋণ, কৃষক আৰু সুতৰ হাৰ। গ্রাম্য ঋণ মানে কেৱল কৃষি উন্নয়নৰ বাবে প্রদান কৰা ঋণক নুবুজাই, যদিও গ্রাম্যঋণৰ ইয়েই সৰহ অংশ দখল কৰি আছে, তাৰ লগতে গ্রাম্য ঋণে গ্রাম্য উদ্যোগীকৰণ আৰু আত্মসহায়ক গোটসমূহক প্রোৎসাহিত কৰাৰ বাবেও ঋণ প্রদান

কৰে। যদিও গ্রাম্য বিত্তৰ লক্ষ্য বেছিভাগেই কৃষকসকলৰ সর্বাংগীণ উন্নয়ন কিন্তু তত্রাচ আজিলৈকে কৃষকসকলৰ অৱস্থা দুর্বল হৈ আছে। ক্ষুদ্রঋণ হৈছে ব্যৱসায়ৰ মালিকসকলক কম সুতৰ হাৰত কম পৰিমাণৰ ধন ঋণ দিয়াৰ এক প্রক্রিয়া যাৰ সাধাৰণতে জামানতৰ অভাৱ থাকে। এইসমূহ ঋণৰ বেছিভাগেই উদ্যোগীকৰণক সমর্থন কৰিবলৈ আৰু দৰিদ্রতা হ্রাস কৰিবলৈ প্রস্তুত কৰা হৈছে। সেয়েহে, ক্ষুদ্রঋণৰ লগতে ক্ষুদ্রবিত্তৰ প্রাসংগিকতা আৰু ই কেনেকৈ ভাৰতৰ দৰে দেশত বিশেষকৈ প্রান্তীয়কৃত লোকসকলৰ বাবে অর্থনৈতিক গতিশীলতালৈ লৈ যায় সেই বিষয়ে বুজি পোৱাটো গুৰুত্বপূর্ণ।

৪.৩ ক্ষুদ্র বিত্তৰ ধাৰণা

সংজ্ঞা

ক্ষুদ্রবিত্তই অতি ক্ষুদ্র ঋণক বুজোৱা যেন লাগিব পাৰে। এফালে ই সত্য, কিন্তু একেসময়তে ইয়াৰ আন এটা বিশেষ বৈশিষ্ট্য আছে। ই গোট, সঞ্চয়, ধন প্রেৰণ আৰু ঋণৰ সৈতে জড়িত। পৰিচিতসকলৰ গোটৰ (Peer group) ধাৰণাটো ক্ষুদ্রবিত্তৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ হৈ পৰে। একেটা অঞ্চলৰ কিছুমান লোকৰ গোটক ঋণ দিয়া হয় যাতে ঋণ পৰিশোধৰ সমস্যা হ'লে পৰিচিতসকলৰ সহায় বা ঋণ পৰিশোধ কৰিবলৈ সদস্যৰ ওপৰত পৰিচিতসকলৰ দ্বাৰা হেঁচা দিব পাৰি। এইটো অতি গুৰুত্বপূর্ণ, অন্যথা ঋণসমূহ ব্যক্তিগত ঋণৰ দৰে গঠন কৰিব লাগিব আৰু এইক্ষেত্রতো বেংক ঋণৰ ক্ষেত্রত যিদৰে সমস্যা হয়, তেনেদৰেই সমস্যাৰ উদ্ভৱ হ'বগৈ। আনুষ্ঠানিকতা থকা বাবে আকৌ কোনো প্রতিষ্ঠানৰ পৰা ব্যক্তিগত ঋণ পোৱাটো সহজো নহয়।

প্রকৃততে, ক্ষুদ্রবিত্তৰ ধাৰণাটো এই ধাৰণাৰ ওপৰত আধাৰিত যে দৰিদ্র লোকসকলে বিত্তীয় সেৱাসমূহ তেওঁলোকৰ প্রয়োজন অনুসৰি প্রস্তুত কৰা হ'লে সঞ্চয় কৰিবলৈ, ঋণ ল'বলৈ আৰু ঋণ পৰিশোধ কৰিবলৈ সক্ষম হৈ উঠিব। ই পৰম্পৰাগত জামানত অবিহনে ক্ষুদ্র ঋণ, গোটক ঋণ দিয়া, পাৰস্পৰিক বিশ্বাস আৰু সামাজিক দায়িত্বৰ ওপৰত গুৰুত্ব দিয়ে। ক্ষুদ্রবিত্তই স্ব-নিয়োজন বৃদ্ধি কৰি, দৰিদ্রতা হ্রাস কৰি আৰু বহনক্ষম জীৰিকা আৰু অর্থনৈতিক বিকাশক প্রোৎসাহিত কৰি প্রান্তীয়কৃত অংশসমূহ বিশেষকৈ মহিলাসকলক সৱলীকৰণ কৰিব বিচাৰে। ক্ষুদ্রবিত্তই ক্ষুদ্র পৰিসৰৰ বিত্তীয় সেৱাসমূহ, যেনে ক্ষুদ্রঋণ, সঞ্চয়, বীমা আৰু ধন স্থানান্তৰ সুবিধাসমূহ সাধাৰণতে কম আয়ৰ ব্যক্তি বা গোটসমূহক প্রদান কৰাটোকে বুজায়, যিসকলৰ আনুষ্ঠানিক বেংকিং প্রণালীত প্রৱেশৰ অভাৱ আছে। ইয়াৰ প্রাথমিক লক্ষ্য হৈছে বিত্তীয় অন্তর্ভুক্তিৰ প্রচাৰ কৰা আৰু দৰিদ্রসকলৰ মাজত, বিশেষকৈ গ্রাম্য আৰু অনানুষ্ঠানিক খণ্ডত, আয় উৎপাদনকাৰী কার্যকলাপসমূহক সমর্থন কৰা।

কেনেকৈ আৰম্ভ হৈছিল ?

আধুনিক ক্ষুদ্র বিত্তৰ শুভাৰম্ভ হৈছিল বাংলাদেশৰ মহম্মদ ইউনুছ নামৰ বেংকিং ক্ষেত্রৰ সৈতে জড়িত নথকা এগৰাকী ব্যক্তিৰ দ্বাৰা। আন বহুতো লোকে দুখীয়াক কম পৰিমাণৰ ধন ধাৰলৈ দিবলৈ চেষ্টা কৰিছিল। কিন্তু আমি জনা ক্ষুদ্র বিত্তৰ আৰম্ভণি সেই পৰীক্ষা-নীৰিক্ষাৰ পৰাই হৈছিল। মহম্মদ ইউনুছে তেওঁ অধ্যাপনা কৰা

বিশ্ববিদ্যালয়খনলৈ যাওঁতে প্রায়েই এখন গাঁৱৰ মাজেৰে পাৰ হৈ গৈছিল। তেওঁ মন কৰিছিল যে গাঁওখনৰ বহুতো দুখীয়া পৰিয়ালৰ লোকে বাঁহৰ কাম কৰিছিল আৰু মৰাপাটৰ মোনা বনাইছিল। তেওঁ উপলব্ধি কৰিছিল যে বহু বছৰৰ পাছতো এই লোকসকলৰ জীৱনশৈলীৰ কোনো পৰিৱর্তন হোৱা নাই আৰু তেওঁলোকে কেতিয়াও উন্নত জীৱন লাভ কৰা নাছিল। সেয়ে এদিনাখন তেওঁ তেওঁলোকক সুধিছিল যে কিয় এনেকুৱা হৈছে। উত্তৰ আছিল যে দুখীয়া লোকসকলে ব্যৱসায়ীৰ পৰা উচ্চ সুতত ধন ধাৰ কৰিছিল, যাৰ ফলত সুত হিচাপে তেওঁলোকে কৰা উপার্জনৰ বেছিখিনি অংশৰ ধন ধাৰে দিওঁতাক ঘূৰাই দিবলগীয়া হৈছিল। মহম্মদ ইউনুছে এটা স্থানীয় বেংকক এইসকল শ্রমিকক ধন ধাৰলৈ দিবলৈ ক'বলৈ সিদ্ধান্ত লৈছিল। কিন্তু এইসকল শ্রমিকক ধন ধাৰলৈ দিবলৈ বেংকটোৱে অস্বীকাৰ কৰিছিল। তেওঁ বেংকক কৈছিল যে যদি তেওঁলোকক ঋণ দিয়ে আৰু তেওঁলোকে পৰিশোধ কৰে, তেন্তে বেংকে তেওঁলোকক ঋণ দিবনে? বেংক মেনেজাৰে কৈছিল যে তেওঁ দিব। মহম্মদ ইউনুছে নিজৰ জেপৰ পৰা বাঁহৰ কাম কৰা লোকসকলৰ গোটটোক কম পৰিমাণৰ ধন দিছিল আৰু তাৰ পিছত পৰিশোধৰ বাবে অপেক্ষা কৰিছিল। তেওঁৰ ঋণ লোকসকলে কোনো সমস্যা নোহোৱাকৈ পৰিশোধ কৰিছিল। পুনৰ তেওঁ বেংকৰ ওচৰলৈ গৈছিল আৰু বেংকে অস্বীকাৰ কৰিছিল। দুখীয়া লোকসকলকো বেংকৰ ঋণৰ বাবে উপযুক্ত বুলি প্রমাণ কৰিবলৈ তেওঁ লোকসকলক অধিক ঋণ দিছিল। কিন্তু তেওঁৰ ঋণবোৰ দুখীয়া লোকসকলে ঘূৰাই দিয়া স্বত্বেও বেংকটোৱে ঋণ দিবলৈ অস্বীকাৰ কৰিছিল। তাৰ পিছত এই সম্পর্কে চৰকাৰী মহলতো বহুত আলোচনা হৈছিল কিন্তু তাৰ পাছতো বেংকসমূহক পতিয়ন নিয়াব পৰা নাছিল। এইধৰণৰ ঘটনাৰ ফলশ্রুতিতেই ক্ষুদ্র বিত্তৰ ধাৰণাটোৰ জন্ম হৈছিল।

৪.৪ গ্রামীণ বেংক

গ্রামীণ বেংক হৈছে ১৯৮৩ চনত অধ্যাপক মঃ ইউনুছে বাংলাদেশত প্রতিষ্ঠা কৰা এক অগ্রণী ক্ষুদ্র বিত্ত প্রতিষ্ঠান। এই অনুষ্ঠানটোৰ মূল উদ্দেশ্য আছিল বন্ধকৰ অভাৱৰ বাবে আনুষ্ঠানিক বেংকিং সেৱাৰ সুবিধা লাভ কৰিব নোৱাৰা দৰিদ্র লোকসকলক আৰু বিশেষকৈ মহিলাসকলক ক্ষুদ্র ঋণ প্রদান কৰা।

গ্রামীণ বেংকৰ মূল নীতিটো হৈছে ঋণ মানুহৰ মৌলিক অধিকাৰ। ই দৰিদ্র লোকসকলক সৰু ব্যৱসায়, কৃষি, পশুপালন, আৰু হস্তশিল্পৰ দৰে আয় সৃষ্টিকাৰী কার্যকলাপত জড়িত হ'বলৈ সহায় কৰিবলৈ বন্ধকবিহীন ঋণ আগবঢ়ায়। বেংকটোৱে গোট ভিত্তিক ঋণ ব্যৱস্থা অনুসৰণ কৰে, য'ত ঋণ গ্রহণকাৰীসকলে এটা সৰু গোট গঠন কৰে আৰু পৰিশোধৰ ক্ষেত্রত ইজনে সিজনক সহায় কৰে। ইয়াৰ ফলত বিত্তীয় অনুশাসন আৰু পাৰস্পৰিক জবাবদিহিতা নিশ্চিত হয়।

গ্রামীণ বেংকে দৰিদ্রতা নিবাৰণ, মহিলা সৱলীকৰণ, আৰু গ্রাম্য উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। ইয়াৰ ঋণগ্রহণকাৰীসকলৰ অধিকাংশই মহিলা, যাৰ ফলত তেওঁলোকৰ অর্থনৈতিক স্বাধীনতা, সামাজিক মর্যাদা আৰু পৰিয়াল তথা সম্প্রদায়ৰ ভিতৰত সিদ্ধান্ত গ্রহণৰ ক্ষমতা শক্তিশালী হৈছে। বেংকটোৱে ইয়াৰ সদস্যসকলক সঞ্চয়ৰ সুবিধা, গৃহ ঋণ, আৰু শিক্ষা ঋণো প্রদান কৰে।

গ্রামীণ বেংকৰ অভিনৱ দৃষ্টিভংগী আৰু বিশ্বব্যাপী প্রভাৱৰ বাবে মহম্মদ ইউনুছ আৰু গ্রামীণ বেংকক যৌথভাৱে ২০০৬ চনত শান্তিৰ নোবেল বঁটা প্রদান কৰা হৈছিল। গ্রামীণ বেংকৰ আৰ্হিটো পাছলৈ বহু দেশত অনুকৰণ কৰা হৈছে আৰু সমগ্র বিশ্বতে ক্ষুদ্র বিত্ত কার্যসূচীসমূহক এক ফলপ্রসূ সর্বাংগীণ আৰু বহনক্ষম উন্নয়নৰ আহিলা হিচাপে প্রভাৱিত কৰিছে।

মহম্মদ ইউনুছৰ মতে, গ্রামীণ বেংক এনে কিছু নীতিৰ ওপৰত আধাৰিত, যিসমূহ নীতি এটা আনুষ্ঠানিক বেংকৰ সম্পূর্ণ বিপৰীত।

৪.৫ ভাৰতত ক্ষুদ্রবিত্ত

ভাৰতীয় প্রয়োগঃ

ভাৰত আৰু অন্যান্য দেশতো দৰিদ্র লোকক ঋণ দিবলৈ এনে প্রচেষ্টা হাতত লোৱা হৈছিল। ভাৰতৰ MYRADA (মহীশূৰ পুনৰ সংস্থাপন আৰু উন্নয়ন সংস্থা), SEWA (স্ব নিয়োজিত মহিলা সংস্থা) আছিল এনে কিছু বেচৰকাৰী সংস্থা যিসমূহে ঋণ প্রদান কৰিছিল। এই খণ্ডত এক চকুত লগা অগ্রগতি দেখা গৈছিল যেতিয়া NABARD-য়ে ক্ষুদ্র বিত্তৰ এক আঁচনি আৰম্ভ কৰিছিল, য'ত এনেধৰণৰ গোটসমূহক আত্মসহায়ক গোট (অসমৰ দৰে ৰাজ্যত আত্মসহায়ক গোট) বুলি কোৱা হৈছিল। এইটো ভাৰতৰ প্রধান ক্ষুদ্র বিত্ত কার্যসূচীত পৰিণত হৈছিল।

তাৰ অলপ পিছতে ভাৰত চৰকাৰেও IRDP (সুসংহত গ্রাম্য উন্নয়ন কার্যসূচী) আৰম্ভ কৰিছিল, য'ত আত্মসহায়ক গোট গঠন কৰাটো বাধ্যতামূলক আছিল। চৰকাৰে এই পদক্ষেপ লোৱাৰ পিছত এই খণ্ডত এক বৃহৎ বিপ্লৱ আহিছিল। প্রায় প্রতিটো বিভাগে নিজৰ কার্যকলাপৰ বাবে আত্মসহায়ক গোট গঠন কৰিবলৈ আৰম্ভ কৰিছিল।

তদুপৰি, বেচৰকাৰী সংস্থাবোৰে এই আঁচনিখন গ্রহণ কৰি বৃহৎ পৰিমাণে ক্ষুদ্র বিত্তৰ কাম আৰম্ভ কৰিছিল। NABARD (কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে ৰাষ্ট্রীয় বেংক) আৰু SIDBI (ক্ষুদ্র উদ্যোগ উন্নয়ন বেংক অফ ইণ্ডিয়া)-এ কিছু পুঁজি আৰু প্রশিক্ষণ প্রদান কৰিছিল। অসম আৰু ভাৰতৰ পূর্বাঞ্চলত RGVN (ৰাষ্ট্রীয় গ্রাম্য বিকাশ নিধি)-এ বেচৰকাৰী সংস্থাসমূহক ক্ষুদ্র বিত্তৰ বাবে সৰু পৰিশোধযোগ্য অনুদানৰ লগতে অপৰিশোধযোগ্য অনুদান দিবলৈ আৰম্ভ কৰিছিল। RGVN-ৰ পোনপটীয়াকৈ কাম কৰাৰ বাবে নিজস্ব ক্ষুদ্র বিত্ত শাখা এটাও আছিল।

কিছুমান বিদেশী প্রতিষ্ঠানৰ লগতে ব্যক্তিগত বিনিয়োগকাৰীয়েও বেচৰকাৰী সংস্থাসমূহক সহায় কৰিবলৈ আৰম্ভ কৰিছিল। বিশ্ব বেংকৰ CGAP (দৰিদ্রতমসকলক সহায় কৰিবলৈ পৰামর্শদাতা গোট)-য়েও এই খণ্ডসমূহক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। এইদৰে, ক্ষুদ্র বিত্ত প্রায় এক ঘৰুৱা শব্দ হৈ পৰিছিল। সোনকালেই বেংকসমূহে বেচৰকাৰী সংস্থা আৰু MFI (ক্ষুদ্র বিত্ত প্রতিষ্ঠান)-ক গ্রাহকসকলক ঋণ দিবলৈ আৰম্ভ কৰিছিল। এই আন্দোলন বৃহৎ হৈ পৰিছিল কিন্তু RBI বা চৰকাৰৰ ফালৰ পৰা কোনো হস্তক্ষেপ নাছিল। সেয়েহে, পৰিচলানা ব্যৱস্থাত কিছু খেলিমেলি আছিল। ক্ষুদ্র বিত্তৰ অনুশীলন কৰা কেইটামান বেচৰকাৰী সংস্থা একলগ হৈ এই খণ্ডৰ উদ্দেশ্য পূৰণ কৰিবলৈ SaDhan নামৰ এটা সংস্থা গঠন কৰিছিল। SaDhan-এ এই খণ্ডটোক নিয়ন্ত্রণ কৰিবলৈ সংসদত এখন আইন গৃহীত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু বিশেষ সহাৰি পোৱা নাছিল।

সুতৰ হাৰ ঃ

এই খণ্ডটোত মূল সমস্যাজনক বিষয় আছিল সুতৰ হাৰ। ঋণ বিতৰণৰ লগতে কিস্তি সংগ্রহ কৰিবলৈ ঋণগ্রহণকাৰীৰ ঘৰলৈ যাব লগা হোৱাৰ বাবে সুতৰ হাৰ অধিক আছিল। আৰম্ভণিতে এইটো ইমান এটা সমস্যা নাছিল। কিন্তু এবছৰতকৈ অধিক সময়ৰ বাবে ঋণ পুনৰাবৃত্তি হোৱাত ঋণগ্রহণকাৰীসকলে কষ্ট পাবলৈ কৰিবলৈ আৰম্ভ কৰিছিল। আনহাতে ইয়াৰ ফলত বেচৰকাৰী সংস্থাসমূহেও যথেষ্ট লাভ অর্জন কৰিছিল। তেওঁলোকে সুতৰ হাৰ হ্রাস কৰিব বিচৰা নাছিল কিয়নো তেওঁলোকে আগতে কেতিয়াও নোপোৱা ভাল উপার্জনৰ সুযোগ দেখিছিল। একে সময়তে তেওঁলোকে ভাবিছিল যে এয়া দুখীয়াক সহায় কৰাৰ এক ভাল উপায়।

যদিও SaDhan-এ চৰকাৰক হস্তক্ষেপ কৰিবলৈ আৰু এই খণ্ডটোক নিয়ন্ত্রণ কৰিবলৈ অনুৰোধ জনাইছিল, কোনো সঁহাৰি পোৱা নাছিল। কেৱল অন্ধ্রপ্রদেশত হোৱা এক সংকটৰ বাবে নীতি নির্ধাৰকসকল ক্ষুদ্র বিত্ত খণ্ডটোৰ বিষয়ে চিন্তা কৰিবলৈ বাধ্য হৈছিল। অন্ধ্রপ্রদেশত ক্ষুদ্র বিত্ত সঞ্চালকসকলৰ হেঁচাত সত্তৰটাতকৈও অধিক আত্মহত্যাৰ ঘটন

এই খণ্ডটোত কোনো ডাঙৰ অসুবিধা নোহোৱাকৈ কাম চলি আছিল, কেৱল অন্ধ্রপ্রদেশত এখন আইন গৃহীত হৈছিল যিয়ে ৰাজ্যখনত ক্ষুদ্র বিত্তৰ কাম প্রায় বন্ধ কৰি দিছিল। দেশৰ আনলমূহ অংশত বহুতো MFI NBFC গঠন কৰা হৈছিল। কেইবছৰমানৰ পিছত RBIয়ে NBFC সমূহক ক্ষুদ্র বিত্ত বেংক গঠন কৰিবলৈ অনুজ্ঞা পত্র দিয়াৰ নীতি লৈ আহিছিল। গতিকে SFB (ক্ষুদ্র বিত্ত বেংক) নামৰ এটা নতুন গোটৰ সৃষ্টি হৈছিল। একে সময়তে, এই খণ্ডটোত লাভ দেখি কিছুমান বেংকে (বেছিভাগেই ব্যক্তিগত খণ্ডত) ক্ষুদ্র বিত্তৰ কামো আৰম্ভ কৰিছিল। L and T-ৰ দৰে সংগঠনেও ঋণ দিবলৈ আৰম্ভ কৰিছিল আৰু HDECৰ দৰে প্রতিষ্ঠিত বেংকেও ঋণ দিয়াৰ কাম কৰিবলৈ আৰম্ভ কৰিছিল। কিছুমান বেংকে দুখীয়া প্রান্তীয় পৰিয়ালসমূহৰ ওচৰলৈ যাবলৈ বিজনেছ কৰেছপনডেন্ট আৰু বিজনেছ ফেচিলিটেটৰ মডেল ব্যৱহাৰ কৰিছিল। অসমত কাম কৰা MIIS ৰ পৰা ইতিবাচক ফলাফল দেখি, বহুতো MFIs-য়ে অসমতো তেওঁলোকৰ কার্যকলাপ আৰম্ভ কৰিছিল। ইয়াৰ ফলশ্রুতিত দুখীয়া মহিলাসকল শোষণৰ বলি হোৱাৰ খবৰ আহিছিল আৰু অসমত তেওঁলোকে MFIs (ক্ষুদ্র বিত্ত প্রতিষ্ঠানসমূহ)ৰ নীতিৰ বিৰুদ্ধে মাত মাতিবলৈ আৰম্ভ কৰিছিল। নির্বাচন ওচৰ চাপি অহাৰ বাবে ৰাজনৈতিক দলসমূহেও বিষয়টোত হস্তক্ষেপ কৰিছিল। নতুন চৰকাৰে ঋণ গ্রহণকাৰীসকলৰ হৈ MFISক ঋণ পৰিশোধ কৰাৰ প্রতিশ্রুতি দিছিল। ঋণ ৰেহাই সন্দর্ভত এতিয়াও কাম চলি আছে। চৰকাৰৰ পদক্ষেপসমূহৰ পৰৱর্তী প্রভাৱসমূহ চাবলৈ বাকী আছে।

কেন্দ্রীয় চৰকাৰৰ ফালৰ পৰা এই খণ্ডটোলৈ চকু দিয়াৰ কোনো পদক্ষেপ নাই, যদিও এই খণ্ডটোৰ বাবে দুখীয়া লোকসকল ঋণজনিত কাৰণত শোষণৰ বলি হ'ব পাৰে। RBIয়ে কিছু অধিক নিয়ন্ত্রণৰ ওপৰত কাম কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত দুখীয়া লোকসকল উপকৃত হ'বনে নাই সেয়াও সময়তহে পৰিষ্কাৰ হ'ব।

সমালোচনাঃ

বিভিন্ন অধ্যয়নে দেখুৱাইছে যে ক্ষুদ্র বিত্ত আঁচনিয়ে দৰিদ্রতা হ্রাস কৰা নাই। যদি ই আন জীৱিকা কার্যসূচীৰ সৈতে সংযুক্ত হয়, তেন্তে সেয়া এক বেলেগ কথা, কিয়নো BRAC, SEWA আদিৰ দৰে সংগঠনে দৰিদ্র লোকসকলক প্রকৃততে সহায় কৰাৰ উদ্দেশ্যৰে তেওঁলোকৰ ভাল কৰিছে। যদি এই সংগঠনসমূহে ভাবে যে কেৱল

দৰিদ্ৰ লোকসকলক ঋণ দি তেওঁলোকে নিজৰ কৰ্তব্য সম্পাদন কৰিছে, তেন্তে এয়া এক ডাঙৰ ভুল। দৰিদ্ৰ লোকসকলক ঋণ প্ৰদানৰ যোগেদি তেওঁলোকৰ উন্নয়ন সাধন কৰিব পৰা যায় বুলি ৱাশ্বিংটন কনচেনচাছে প্ৰচলন কৰা এই ধাৰণাটোৰ সম্পৰ্কে যথেষ্ট সমালোচনা দেখা পোৱা যায়। যদি তেওঁলোকে নিজকে উন্নত কৰিব নোৱাৰে তেন্তে সেয়া তেওঁলোকৰ ভুল।

সামগ্ৰিকভাৱে ক্ষুদ্ৰ বিত্তৰ ধন ভোগৰ (Consumption) মসৃণকৰণৰ লগতে পৰিয়ালৰ অনুষ্ঠান, দুৰ্ঘটনাৰ চিকিৎসালয়ত ভৰ্তি আৰু কিছু উৎপাদনশীল কামত ব্যৱহাৰ কৰা পুঁজিৰ দৰে অত্যাৱশ্যকীয় ব্যয়ৰ বাবেও ব্যৱস্থা কৰা হয়। যদি এইবোৰৰ বাবে ক্ষুদ্ৰ ঋণৰ ব্যৱস্থা কৰা হৈছে তেন্তে ক্ষুদ্ৰ বিত্তই দৰিদ্ৰতাৰ সমস্যা সমাধান কৰিব বুলি কোৱাটো সমীচীন নহ'ব। অৱশ্যে, এনে লাগে যেন ক্ষুদ্ৰ ঋণদাতাসকলে প্ৰশংসা লাভ কৰিবলৈ নিজকে সমাজ কৰ্মী হিচাপে দেখুৱাব বিচাৰে। তেওঁলোকে বেছিভাগেই সুতৰ প্ৰকৃত হাৰ বা তেওঁলোকৰ নিজৰ লাভ্যাংশ লুকুৱাবলৈ চেষ্টা কৰা দেখা পোৱা যায়।

তেওঁলোক এনে দৃষ্টিকোণৰ পৰা সুতখোৰ মহাজনতকৈও বেয়াহে! মহাজনসকলৰ মহাজন হোৱাৰ বিষয়ে কোনো দ্বিধা নাই। কিন্তু এই গোটটোসমূহৰ আছে। নিঃসন্দেহে সংখ্যাত কম হ'লেও তেওঁলোকৰ কিছুসংখ্যকৰ দুখীয়া ঋণগ্ৰহণকাৰীসকলৰ প্ৰতি সহানুভূতিশীল।

৪.৬ ক্ষুদ্ৰ বিত্ত প্ৰদান কৰা ভাৰতৰ বিভিন্ন সংস্থাসমূহ

আৰম্ভণিতে সমিতি হিচাপে পঞ্জীয়নভুক্ত বেচৰকাৰী সংস্থাবোৰেহে ক্ষুদ্ৰ বিত্ত যোগান ধৰিছিল। SIDBI আৰু NABARD ৰ দৰে সংগঠনবোৰে এইসমূহ সংস্থাক সহায় কৰিছিল। পিছলৈ তেওঁলোকে ICICI বেংকৰ পৰাও কিছু ঋণ লাভ কৰিছিল, যিসমূহ ক্ষুদ্ৰ বিত্তৰ প্ৰচাৰত একপ্ৰকাৰৰ পথ প্ৰদৰ্শক আছিল। বিদেশী দাতাসকলেও এই খণ্ডটোক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল এই ভাবি যে ভাৰতৰ দৰে এখন দুখীয়া দেশে ক্ষুদ্ৰ বিত্তৰ প্ৰসাৰৰ দ্বাৰা দৰিদ্ৰতা হ্ৰাস কৰিব পাৰিব। এইদৰে বিদেশৰ পৰা বিনিয়োগকাৰীসকলেও এই সংগঠনসমূহৰ কিছুমানত মুনাফাৰ আশাত ধন বিনিয়োগ কৰিছিল।

বেচৰকাৰী সংস্থাবোৰে কৰা লাভৰ পৰিমাণ আৰু বেংকবোৰৰ পৰা ঋণ লাভ কৰিবলৈ লাভজনক NBFC হ'বলৈ পোৱা উৎসাহৰ বাবে বহুতো বেচৰকাৰী সংস্থাই NBFC গঠন কৰিছিল। ২০১১ চনৰ মালেগাম সমিতিৰ প্ৰতিবেদনৰ পিছত বহুতো NBFC ক RBIৰ অধীনত NBFC MFIs হিচাপে পঞ্জীয়ন কৰিবলৈ গঠন কৰা হৈছিল। নতুন RBI নীতিয়ে এই নতুন ধাৰণাটোৰ সৃষ্টি কৰাৰ পিছত ইয়াৰে কিছুমান SIB লৈও পৰিণত হৈছিল।

আজি HDFC বেংক, বন্ধন বেংকৰ দৰে বেংকসমূহক ক্ষুদ্ৰঋণৰ ক্ষেত্ৰত আগভাগ লোৱা দেখা পোৱা যায়। তাৰ পিছত NESFB, JANA BANK আদিৰ দৰে SIB সমূহেও একেধৰণেৰে কাম কৰি আছে। আন এটা শ্ৰেণী হৈছে গ্ৰামীণ চাহাবা, UNACO আদিৰ দৰে NBFC MFIs সমূহ। চতুৰ্থতে, কিছুমান বেচৰকাৰী সংস্থাকো এইটো খণ্ডত দেখা পোৱা যায়। সেইদৰে লাচেন এণ্ড টুৰোৰ দৰে প্ৰকৃত NBFC সমূহেও ক্ষুদ্ৰ বিত্তৰ কাম কৰি আছে।

NERৰ অৱস্থাঃ

আৰম্ভণিতে RGVNৰ সহায় লৈ বহুতো বেচৰকাৰী সংস্থাই ক্ষুদ্র বিত্ত আৰম্ভ কৰিছিল। RGVN ৰ CSP (ক্রেডিট এণ্ড চেভিংছ প্রগ্রাম) নামৰ নিজস্ব ক্ষুদ্র বিত্ত শাখা আছিল, যিটো বাংলাদেশৰ গ্রামীণ বেংকৰ আর্হিত গঢ়ি উঠিছিল। তেওঁলোকে NBFC গঠন কৰাৰ পিছত তাৰপৰা CSPটোক পৃথক কৰিছিল। আজি ই NESFB নামৰ এটা ক্ষুদ্র বিত্ত বেংকলৈ পৰিণত হৈছে। অসমত চৰকাৰৰ নীতিৰ বহুতো বেচৰকাৰী সংস্থা (NGO)ই ক্ষুদ্র বিত্তৰ কাম বন্ধ কৰিছিল, কিয়নো ক্ষুদ্র বিত্ত এটা লাভজনক ব্যৱসায় আছিল আৰু NGOসমূহে চৰকাৰী নীতিৰ বাবে এনেধৰণৰ লাভজনক ব্যৱসায় কৰিব নোৱাৰে। বর্তমান ASRLM ৰ অধীনত গঠিত ক্লাষ্টাৰ পর্যায়ৰ ফেডাৰেচনসমূহে গোটৰ সদস্যসকলক ক্ষুদ্র বিত্ত যোগান ধৰি আছে।

বর্তমান সময়চোৱাত উত্তৰ-পূর্বাঞ্চলত যথেষ্ট সংখ্যক MFI আছে। ইয়াৰে বেছিভাগেই অসমৰ আৰু কেইটামান মণিপুৰৰ। আন ৰাজ্যসমূহত কেইখনমান বেচৰকাৰী সংস্থাই ক্ষুদ্র বিত্তৰ কাম কৰি আছে। NEDFi-য়ে এই MFI সমূহৰ বেছিভাগকে ঋণৰ সহায় আগবঢ়াইছে। উত্তৰ-পূব অঞ্চলত কেৱল এটা SFB আছে আৰু সেয়া হ'ল NESFB। কিন্তু অঞ্চলটোৰ বাহিৰৰ বেছিভাগ SFB ৰ শাখা ইয়াত আছে। অসমত প্রায় ৩৮ টা সংগঠনে ঋণ প্রদান কৰি আছে যেন লাগে।

অসমত যথেষ্ট সংখ্যক বেচৰকাৰী সংস্থাই MF ৰ কাম কৰিছিল যদিও চৰকাৰৰ নীতিৰ বাবে এই সংখ্যা হ্রাস পাইছে। অনানুষ্ঠানিক ঋণ প্রদানকাৰী সংস্থা সঞ্চয় (Sancchays)ৰ বহুকেইটা শাখাই বর্তমান সময়ত অসমত স্থানীয় লোকসকলক ঋণ প্রদানৰ কাম কৰি আছে। মণিপুৰ আৰু আন উত্তৰ-পূবৰ ৰাজ্যসমূহত এনে ধৰণৰ পৰম্পৰাগত প্রতিষ্ঠান আছে যিয়ে স্থানীয় লোকসকলক ঋণ দিয়ে। NESFB, গ্রামীণ সহাৰা, ASOMI, নাইটিংগেল ফাইন সেৱা, SATRA, আজাগৰ, UNACO, WVO হৈছে উত্তৰ-পূর্বাঞ্চলৰ কিছুমান এনেধৰণৰ ঋণ প্রদানকাৰী সংগঠন।

৪.৭ ক্ষুদ্র বিত্তৰ সংস্থাসমূহ নিয়ন্ত্রণকাৰী সংস্থাসমূহ

স্বনিয়ন্ত্রণ

বেচৰকাৰী সংস্থা, MFI আৰু NBFC সমূহৰ স্ব-নিয়ন্ত্রণৰ বাবে MFI আৰু বেচৰকাৰী সংস্থাসমূহে নিজেই দুটা সংস্থাৰ গঠন কৰি লৈছে। SaDhan হৈছে ১৯৯৯ চনত গঠিত এনে এটা পুৰণি সংস্থা। যেতিয়া ক্ষুদ্র ঋণ আন্দোলনে গা কৰি উঠিছিল আৰু কোনো নিয়ন্ত্রণ নাছিল তেতিয়াই SaDhanৰ সৃষ্টি হৈছিল। বৃহৎ সংখ্যক NBFC গঠন হোৱাৰ পিছত MFINৰ গঠন কৰা হৈছিল। MFINৰ মূল কাম আছিল বেচৰকাৰী সংস্থাবোৰতকৈ অধিক ব্যাপক আৰু পৃথক সংস্থাসমূহৰ স্বার্থ সুৰক্ষিত কৰা। RBIয়ে দুয়োটা সংগঠনক SRO বা স্ব-নিয়ন্ত্রণকাৰী সংস্থা হিচাপে স্বীকৃতি দিছে। MFI NBFC সমূহক RBIয়ে নিয়ন্ত্রণ কৰে। বেচৰকাৰী সংস্থা, MFI সমূহক কোনো সংগঠনে নিয়ন্ত্রণ নকৰে। আনকি অনানুষ্ঠানিক প্রতিষ্ঠান, সমবায় আৰু বেংকসমূহকো RBIয়ে নিয়ন্ত্রণ নকৰে। বেংকসমূহক অৱশ্যে বেংকিং আইনৰ অধীনত RBIয়ে নিয়ন্ত্রণ কৰে, কিন্তু MF এইধৰণৰ নিয়ন্ত্রণৰ অধীনত নহয়।

যিহেতু বেংকসমূহক NBFC MFI সমূহৰ দৰে আৰবিআইয়ে নিয়ন্ত্রণ কৰা নাছিল, সেয়েহে তেওঁলোকৰ

এটা ডাঙৰ সুবিধা আছিল যে আৰম্ভণিতে তেওঁলোকে সঞ্চয়কাৰীসকলক দিয়া জমা সুতৰ হাৰ আৰু ঋণগ্রহণকাৰীসকলৰ পৰা লোৱা ২৬% সুতৰ হাৰৰ মাজত বৃহৎ পার্থক্য অর্জন কৰিব পাৰিছিল। NBFC MFI সমূহে কেৱল ১০% লাভ ল'ব পাৰে, আনহাতে বেংকসমূহে যিকোনো লাভ ল'ব পাৰে আনকি ২০% বা ততোধিকো।

অনানুষ্ঠানিক MFI সমূহ, সঞ্চয়সমূৰ, আত্মসহায়ক গোটসমূহঃ

গাঁৱত আৰু চহৰত ঋণ প্রদানৰ দৰে বিত্তীয় কার্যকলাপ চলাবলৈ অনানুষ্ঠানিকভাৱে কিছু ঋণ প্রতিষ্ঠান গঢ়ি উঠিছিল। নামঘৰসমূহত নিজা সমিতি থাকে আৰু কেতিয়াবা আন উৎস নথকা সময়ত তেওঁলোকে সদস্যসকলক কিছু ধন ধাৰলৈ দি সহায় কৰে। কেতিয়াবা চাহিদাৰ বাবে এইটো এটা নিয়মীয়া কাম হৈ পৰে আৰু তেতিয়া এটা সুকীয়া গোটৰ গঠন কৰা হয়।

বহুতো গাঁৱত যুৱক-যুৱতীসকলে ধন সংগ্রহ কৰি এটা সঞ্চয় স্থাপন কৰে। এই সঞ্চয়বোৰে তেওঁলোকৰ ওচৰত জমা থকা ধনৰ ওপৰত সুত প্রদান কৰে আৰু নিজৰ অঞ্চলৰ চিনাকি ব্যক্তিসকলক ঋণ দিয়ে। মণিপুৰত মাৰুপ নামৰ ঋণ প্রদানকাৰী গোটবোৰ এনেধৰণৰ গোটৰ এক সাধাৰণ উদাহৰণ। এই অনানুষ্ঠানিক প্রতিষ্ঠানবোৰে স্থানীয় লোকসকলৰ প্রয়োজন পূৰণ কৰে কিয়নো বেংকৰ পৰা ঋণ পোৱাটো অতি কঠিন বা সময় খৰচী।

NABARDয়ে আত্মসহায়ক গোটৰ ধাৰণাটো আৰম্ভ কৰিছিল। প্রায় দহগৰাকী মহিলাৰ এটা গোটক এটা নাম দি আৰু প্রতি মাহে কিমান সঞ্চয় কৰিব লাগে, কিমান ঋণ দিব লাগে আৰু কিমান সুতৰ হাৰত দিব লাগে আদি বিভিন্ন বিষয়ত সিদ্ধান্ত ল'বলৈ নিয়মীয়া সভা অনুষ্ঠিত কৰি আত্মসহায়ক গোট গঠন কৰিবলৈ উৎসাহিত কৰা হৈছিল। ছয় মাহ উকলি যোৱাৰ পিছত এই আত্মসহায়ক গোটসমূহে বেংকৰ পৰা ঋণৰ আবেদন কৰিব পাৰে আৰু বিভিন্ন চৰকাৰী আঁচনিও লাভ কৰিব পাৰে। আত্মসহায়ক গোটটো পৰিপক্ক হ'বলৈ আৰু কমেও কিছু সময় টিকি থাকিব বুলি প্রমাণিত হ'বলৈ অতি কমেও ছয় মাহৰ সফল সময়সীমাৰ প্রয়োজন হয়। এইধৰণৰ গোটসমূহত সহকর্মীৰ হেঁচা আৰু সহকর্মীৰ সহায় দুয়োটাৰে গুৰুত্বপূর্ণ ভূমিকা থাকে। আজি-কালি প্রতিটো বিভাগতে আত্মসহায়ক গোটৰ ধাৰণাটো দেখিবলৈ পোৱা যায় যাতে চৰকাৰী আঁচনিসমূহ তেওঁলোকৰ জৰিয়তে কার্যত ৰূপায়ণ কৰিব পৰা যায়। NRLM (ৰাষ্ট্রীয় গ্রাম্য জীৱিকা অভিযান) আৰু NULM (ৰাষ্ট্রীয় নগৰীয়া জীৱিকা অভিযান) অভিযানৰ অধীনত সকলো দুখীয়া মহিলাক আত্মসহায়ক গোটৰ মাজলৈ অনা হৈছে। স্থানীয় পর্যায় পাৰ হোৱাৰ পাছত আত্মসহায়ক গোটসমূহৰ এলেকা পর্যায়ৰ ফেডাৰেচন আৰু ক্লাষ্টাৰ পর্যায়ৰ ফেডাৰেচন থাকে। CLI (ক্লাষ্টাৰ পর্যায়ৰ ফেডাৰেচন) ক আত্মসহায়ক গোটসমূহক আৰু তাৰ পিছত সদস্যসকলক দিবলৈ ঘূর্ণীয় অনুদান প্রদান কৰা হয়। ঋণগ্রহণকাৰীসকলৰ ঋণৰ ইতিহাস প্রস্তুত কৰা আৰু এইসম্পর্কীয় অধিক তথ্য জনাৰ বাবে গোটসমূহৰ সৈতে বেংকৰ সংযোগো সঠিকৰূপত বিকশিত কৰা হৈছে।

এইদৰে, গ্রাম্য উদ্যোগ আৰু গ্রাম্য অঞ্চলৰ মহিলাসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ ক্ষেত্রত অন্যতম প্রভাৱশালী পদ্ধতি হৈছে আত্মসহায়ক গোটৰ গঠন। আত্মসহায়ক গোটসমূহক গ্রাম্য মহিলা সৱলীকৰণ, দৰিদ্রসকলৰ মাজত নেতৃত্বৰ ক্ষমতা বৃদ্ধি কৰা, বিদ্যালয় এৰা ছাত্র-ছাত্রীৰ সংখ্যা হ্রাস কৰা (বিশেষকৈ ছোৱালীৰ) আৰু স্বাস্থ্যকৰ খাদ্য যোগান ধৰাৰ এক আহিলা হিচাপে দেখা পোৱা যায়।

আত্মসহায়ক সমূহৰ সুবিধাসমূহ তলত দিয়া হ'ল ঃ

- **বন্ধকৰ সমস্যা সমাধান ঃ** আত্মসহায়ক গোটসমূহে ঋণগ্রহণকাৰীসকলক বন্ধকৰ অভাৱৰ সমস্যা সমাধান কৰাত সহায় কৰে। ঋণ লোৱাৰ সময়ত বন্ধক আগবঢ়োৱাটো গ্রাম্য অঞ্চলৰ লোকসকলৰ বাবে এক ডাঙৰ চিন্তাৰ বিষয় হৈ পৰে। সেয়েহে তেওঁলোকে কোনো বাণিজ্যিক বেংকৰ পৰা ঋণ লোৱাৰ সামর্থ্য নাথাকে। আত্মসহায়ক গোটসমূহে ঋণ লোৱাৰ সময়ত বন্ধকৰ সমস্যাৰ ক্ষেত্রত শিথিলতা অনাৰ ফলত ঋণগ্রহণকাৰীসকলৰ সহায় হয়।
- **সময়মতে ঋণ আৰু উপযুক্ত সুতৰ হাৰ ঃ** তেওঁলোকে বিভিন্ন উদ্দেশ্যৰ বাবে সময়মতে আৰু উপযুক্ত সুতৰ হাৰত ঋণ লাভ কৰিব পাৰে। ঋণগ্রহণকাৰীয়ে কোনো পলম নকৰাকৈ সময়মতে আৰু সুলভ সুতৰ হাৰত ঋণ পোৱাটো নিশ্চিত হয়। এনেধৰণৰ সুবিধা সাধাৰণতে বাণিজ্যিক বেংকসমূহৰ ক্ষেত্রত সম্ভৱ নহয় কিয়নো বাণিজ্যিক বেংকে কোনো ঋণ অনুমোদন কৰাৰ আগতে ঋণগ্রহণকাৰীৰ কেইবাখনো নথি পৰীক্ষা কৰে।
- **গ্রাম্য দৰিদ্রৰ সংগঠনৰ মূল ভেটি ঃ** আত্মসহায়ক গোটসমূহ গ্রাম্য দৰিদ্র লোকসকলৰ সংগঠনৰ মূল ভেটি। আত্মসহায়ক গোটসমূহ গ্রাম্য লোকসকলৰ আর্থিক উন্নয়নৰ পথ। বিভিন্ন আত্মসহায়ক গোট আৰু সহজে উপলব্ধ ঋণৰ জৰিয়তে গ্রাম্য লোকসকল যথেষ্ট উপকৃত হয় আৰু ইয়াৰ ফলত তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত হৈ পৰে।
- **বিত্তীয় আত্মনির্ভৰশীলতা আৰু সামাজিক আলোচনাঃ** আত্মসহায়ক গোটসমূহে মহিলাসকলক কেৱল আর্থিকভাৱে আত্মনির্ভৰশীল হোৱাতেই সহায় নকৰে বৰং গোটৰ নিয়মীয়া বৈঠকসমূহে স্বাস্থ্য, পুষ্টি, ঘৰুৱা হিংসা আদি বিভিন্ন সামাজিক বিষয়ত আলোচনা আৰু পদক্ষেপ লোৱাৰ বাবে এক মঞ্চ প্রদান কৰে।

অৱশ্যে কিছুমান সীমাবদ্ধতা বা অসুবিধাও আছে, যেনেঃ

- বিপণন সংস্থাসমূহৰ সৈতে সংযোগৰ অভাৱ।
- পর্যাপ্ত প্রচাৰ ব্যৱস্থাৰ অভাৱ।
- আত্মসহায়ক গোটসমূহৰ দ্বাৰা প্রস্তুত কৰা সামগ্রীৰ বাবে স্থায়ী বজাৰৰ অভাৱ।
- উপযুক্ত ব্রেণ্ড নামৰ অনুপস্থিতি।
- অনুন্নত পেকেজিং আদি।

K অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ঃ আত্মসহায়ক গোট মানে কি? আত্মসহায়ক গোটসমূহৰ মূল চৰিত্রসমূহ লিখা।

প্রশ্ন নং ২ঃ ক্ষুদ্রঋণক সংজ্ঞায়িত কৰা আৰু ইয়াৰ উদ্দেশ্যসমূহ লিখা।

প্রশ্ন নং ৩ঃ ক্ষুদ্রবিত্ত ব্যৱস্থাত আত্মসহায়ক গোটৰ ভূমিকা সম্পর্কে ব্যাখ্যা কৰা।

প্রশ্ন নং ৪ঃ ভাৰততে আত্মসহায়ক গোট আৰু বেংকৰ সংযোগৰ সমস্যা সম্পর্কে ব্যাখ্যা কৰা।

প্রশ্ন নং ৪ঃ মহিলা সৱলীকৰণত আত্মসহায়ক গোটসমূহৰ ভূমিকা কেনেধৰণৰ সেইসম্পর্কে ব্যাখ্যা কৰা।

৪.৮ ক্ষুদ্র বিত্ত আৰু নিয়োজনৰ সুবিধা

আৰম্ভণিতে দুর্বল হৈ থকা বহুতো বেচৰকাৰী সংস্থাই ক্ষুদ্রবিত্তৰ কাম আৰম্ভ কৰি শক্তিশালী হৈ উঠিল। এইদৰে NGOসমূহ বর্তমান নিয়োজন সৃষ্টিকাৰী এক সংস্থা হৈ পৰিছে। এইদৰে, কিছুমান MFIৰ অধীনত এহাজাৰতকৈও অধিক লোকে কাম কৰি আছে।

নিম্ন পর্যায়ত ব্যক্তিসকল সাধাৰণতে দ্বাদশ শ্রেণী উত্তীর্ণ হয়। কিন্তু বহুতো MFIয়ে কেৱল স্নাতকসকলকহে নিযুক্তি দিয়ে। এইক্ষেত্রত যিহেতু কোনোধৰণৰ বিশেষীকৃত ডিগ্রীৰ ব্যৱস্থা নাই গতিকে সাধাৰণ দিশত দক্ষ লোকসকলক নিযুক্তি প্রদান কৰে। সাক্ষাৎকাৰত ক্ষুদ্র বিত্ত আঁচনি বা আত্মসহায়ক গোটৰ বিষয়ে তেওঁলোকৰ সজাগতাৰ বিষয়ে প্রশ্ন সোধা হয়। যদি তেওঁলোকে কম্পিউটাৰ আৰু একাউন্টিংৰ ক্ষেত্রত কৌশলী তথা পৰিপক্ক তেন্তে তেওঁলোকক সহজে বাছনি কৰা হয়।

সেইদৰে প্রার্থীসকলৰ পাটিগণিত আৰু পৰিসংখ্যা তথা সুতৰ হাৰ গণনা কৰাৰ দক্ষতাৰো প্রয়োজন হয়। অৱশ্যে, সমাজৰ বিষয়ে আৰু দুখীয়া লোকসকলৰ অৱস্থাৰ বিষয়ে জ্ঞান থকাটো ক্ষুদ্রবিত্ত খণ্ডত প্রৱেশ কৰাৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ হৈ পৰে।

সততে দেখা যায় যে বেংকৰ পৰা ঋণ আৰু বিভিন্ন চৰকাৰী অনুদান লাভ কৰিবলৈ ব্যক্তিগতভাৱে আবেদন কৰাতকৈ আত্মসহায়ক গোটৰ দৰে এটা গোট গঠন কৰি তাৰ যোগেদি আবেদন কৰিলে বেছি ফলপ্রসূ হয়। গতিকে এইক্ষেত্রত এজন স্নাতকোত্তৰ বা এজন স্নাতকতকৈ এদল নিৰক্ষৰ মহিলাই অধিক সহজে ঋণ পাব পাৰে। অৱশ্যে, আৱেদনকাৰী গোটটোৰ ওচৰত বৈঠকৰ কার্যবিৱৰণী, সঞ্চয়, গোটৰ ভিতৰত ঋণ লোৱা আদিৰ দৰে নথি-পত্র থাকিব লাগিব। সদস্যসকলে গোটৰ কার্যকলাপ সম্পূর্ণকৈ নকিৰলেও অতি কমেও কেৱল এটা গোট হিচাপে তেওঁলোকৰ অস্তিত্ব থাকিব লাগিব যাতে পিছত ঋণ ঘূৰাই লোৱাৰ সময়ত সহকর্মীৰ হেঁচা আৰু সহকর্মীৰ সহায় ব্যৱহাৰ কৰিব পৰা যায়।

চৰকাৰেও এনে গোটসমূহে ভালদৰে কাম কৰাটো আশা কৰে। শেহতীয়াকৈ কৃষক উৎপাদক সংস্থা (FPO)ৰ ধাৰণাটোৱে শিৰোনাম দখল কৰিছে। NABARD, SFAC (ক্ষুদ্র কৃষকৰ কৃষি-ব্যৱসায়িক কনচর্টিয়াম) আৰু অন্যান্য বিভাগসমূহেও এনে সংগঠনসমূহক উৎসাহিত কৰি আছে। MUDRA ঋণ আঁচনি হৈছে ক্ষুদ্র উদ্যোগীসকলক সহায় কৰাৰ বাবে প্রণয়ণ কৰা এখন শেহতীয়া আঁচনি। উত্তৰ-পূর্বাঞ্চলত, NEDFi (নর্থ ইষ্টার্ণ ডেভেলপমেন্ট ফাইনেন্স কর্পোৰেচন লিমিটেড)-য়েও ব্যক্তিসকলক ক্ষুদ্র ঋণ প্রদান কৰে। মহিলাসকলৰ বাবে তেওঁলোকৰ বিশেষ আঁচনি আছে আৰু সুতৰ হাৰো MFIসমূহে লোৱা হাৰতকৈ যথেষ্ট কম (প্রায় ৭%, য'ত MFI সমূহে ২২% হাৰত সুত লয়)।

MFI গঠন কৰি জীৱিকা উপার্জন কৰাৰো উপায় আছে। বর্তমান সময়ত গাঁৱসমূহত যুৱক-যুৱতীসকলে অনানুষ্ঠানিক সঞ্চয় গঠন কৰিছে কিয়নো RBI ৰ পৰা সঠিক অনুজ্ঞাপত্র পোৱাটো অতি কঠিন। কিছুমান NGO বা যুৱক-যুৱতীয়ে NBFC কিনি লৈছিল আৰু তাৰ পিছত সেইবোৰক MFI লৈ ৰূপান্তৰিত কৰিছিল। সেয়া কৰিবলৈ যাওঁতেও বৃহৎ পৰিমাণৰ ধনৰ প্রয়োজন হয়। উত্তৰ-পূর্বাঞ্চলৰ বাবে RBI ত অনুজ্ঞাপত্র প্রক্রিয়াৰ ক্ষেত্রত কিছু শিথিলতা আছে।

এজন ব্যক্তিয়ে এটা ফার্মাৰ প্রডিউচাৰ কোম্পানী (FPC) গঠন কৰিব পাৰে যি এটা নির্দিষ্ট ধৰণৰ ফার্মাৰ প্রডিউচাৰ অর্গেনাইজেচন (FPO) হিচাপে কাম কৰি তাৰ পিছত সদস্যসকলক ঋণ দিয়াৰ কাম আৰম্ভ কৰিব পাৰে। যিহেতু প্রতিজন কৃষকক কাম কৰিবলৈ পুঁজিৰ প্রয়োজন হয় গতিকে কৃষকসকলক সহায় কৰিবলৈ এটা সৰু পুঁজিৰ প্রয়োজন। কৃষকসকলে এই ক্ষেত্রত সহায় বিচাৰে কিয়নো তেওঁলোকৰ ওচৰত বিত্তীয় কার্যকলাপ চলোৱাৰ বাবে সময় আৰু বুজাবুজি দুয়োটাৰে অভাৱ।

তাৰ পিছত BC (বিজিনেছ কৰেছপনডেন্ট) আৰু BF (বিজিনেছ ফেচিলিটেটৰ) সকলক বেংকে এইসমূহ কাম কৰিবলৈ নিযুক্তি প্রদান কৰে। জমা আৰু ঋণৰ বিষয়ে ভাল জ্ঞান থকা যুৱক-যুৱতীসকল এই গোটৰ সদস্য হ'ব পাৰে। তেওঁলোকে দুখীয়া লোকসকলক সহায় কৰিব পাৰে আৰু একে সময়তে জীৱিকা উপার্জন কৰিব পাৰে।

ক্ষুদ্র ঋণৰ বাবে আত্মসহায়ক গোট গঠন কৰাটো এটা সঠিক বিকল্প। বেংকে এনে গোটসমূহক ঋণ দিবলৈ পছন্দ কৰে। তেওঁলোকৰ ওচৰত তেওঁলোক বেংকৰ পৰা ঋণ ল'বলৈ যোগ্য বুলি প্রমাণ কৰিবলৈ কিছু নথি-পত্র থাকে। আমাৰ বেছিভাগ যুৱক-যুৱতীৰ ওচৰত তেওঁলোক "বেংক যোগ্য" বুলি দেখুৱাবলৈ কোনো নথি-পত্র নাথাকে। নিজকে বেংক যোগ্য হিচাপে প্রদর্শন কৰাৰ এটা উপায় হ'ল বেংক একাউণ্টত লেনদেন দেখুওৱা। উদাহৰণ স্বৰূপে, যদি এটা দুগ্ধ পামৰ পৰিকল্পনা কৰা হয় তেন্তে বিদ্যমান গাখীৰ উৎপাদন আৰু বিক্রী আদিৰ ৰেকর্ড কৰিব লাগিব যাতে বেংকক দেখুৱাব পাৰি যে ব্যক্তিজনে ঋণৰ বিষয়ে গুৰুত্ব সহকাৰে চিন্তা কৰিছে। সাধাৰণতে, নতুন স্নাতকসকলে ঋণ নাপায়। কিন্তু যেতিয়া এটা আত্মসহায়ক গোট গঠন কৰা হয় তেতিয়াহে বেংকৰ বিশ্বাসযোগ্যতা বৃদ্ধি পায়।

K অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ৬ঃ ক্ষুদ্রবিত্ত ব্যৱস্থাই কিদৰে নিয়োজন সৃষ্টিত সহায় কৰে সেই সম্পর্কে ব্যাখ্যা কৰা।

2 আমি কি শিকিলোঁ (Let Us Sum Up)

- স্বর্ণজয়ন্তী গ্রাম স্বৰোজগাৰ যোজনাৰ অধীনত আত্মসহায়ক গোট গঠন কৰাটো এটা প্রধান উপাদান।
- আত্মসহায়ক গোটসমূহে সাপ্তাহিক বা মাহেকীয়া ভিত্তিত লোকসকলৰ ক্ষুদ্র সঞ্চয়সমূহৰ যোগেদি বাস্তৱিক

অর্থত ক্ষুদ্র ঋণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে আৰু তেওঁলোকক নিজৰ ঋণ প্রদান প্রক্রিয়া আৰম্ভ কৰাত সহায় কৰিছে।

- ক্ষুদ্র বিত্তই স্ব-নিয়োজন বৃদ্ধি, দৰিদ্রতা হ্রাস, আৰু বহনক্ষম জীৱিকা তথা অর্থনৈতিক উন্নয়নক উৎসাহিত কৰি সমাজৰ পিছপৰা শ্রেণীসমূহক বিশেষকৈ মহিলাসকলক সৱল কৰিব বিচাৰে।
- ক্ষুদ্র বিত্তই কম আয়ৰ ব্যক্তি বা গোটসমূহক, বিশেষকৈ যিসকলৰ আনুষ্ঠানিক বেংকিং প্রণালীত প্রৱেশ নাই তেওঁলোকক ক্ষুদ্র ঋণ, সঞ্চয়, বীমা, আৰু ধন স্থানান্তৰৰ সুবিধাৰ দৰে ক্ষুদ্র পৰিসৰৰ বিত্তীয় সেৱা প্রদান কৰাত সহায় কৰে।
- ক্ষুদ্র বিত্তৰ প্রাথমিক লক্ষ্য হৈছে দৰিদ্রসকলৰ মাজত আৰু বিশেষকৈ গ্রাম্য আৰু অনানুষ্ঠানিক খণ্ডসমূহত বিত্তীয় অন্তর্ভুক্তি আৰু আয় সৃষ্টিকাৰী কার্যকলাপসমূহক সমর্থন কৰা।
- গ্রামীণ বেংক হৈছে এক অগ্রণী ক্ষুদ্র বিত্ত প্রতিষ্ঠান। ইয়াক ১৯৮৩ চনত অধ্যাপক মহম্মদ ইউনুছে বাংলাদেশত প্রথমবাৰলৈ আনুষ্ঠানিকভাৱে প্রতিষ্ঠা কৰিছিল।
- বন্ধকৰ অভাৱৰ বাবে আনুষ্ঠানিক বেংকিং সেৱাৰ সুবিধা লাভ কৰিব নোৱাৰা দৰিদ্র লোকসকলক, বিশেষকৈ মহিলাসকলক ক্ষুদ্র ঋণ (মাইক্র'ক্রেডিট) প্রদান কৰাৰ উদ্দেশ্যৰে গ্রামীণ বেংক প্রতিষ্ঠা কৰা হৈছিল।
- ভাৰতৰ MYRADA (মহীশূৰ পুনৰ সংস্থাপন আৰু উন্নয়ন সংস্থা), SEWA (স্ব নিয়োজিত মহিলা সংস্থা) আছিল এনে কিছু বেচৰকাৰী সংস্থা যিয়ে ঋণ প্রদান কৰিছিল।
- NABARD-এ ক্ষুদ্র বিত্তৰ এক আঁচনি আৰম্ভ কৰাৰ লগে লগে এই খণ্ডত এক বৃহৎ উত্থান দেখা গৈছিল, য'ত আত্মসহায়ক গোটসমূহক যথেষ্ট পৰিমাণে সহায় কৰা হয়। এইটো ভাৰতৰ এটা প্রধান ক্ষুদ্র বিত্ত কার্যসূচীত পৰিণত হৈছিল।

৪.১০ অধিক জানিবলৈ

- Kanniammal, K. (2015). Micro Financing of Rural Women Through Self Help Groups. Discovery Publishing House.
- Chaudhury, S. K., Sarkar, S. Dash, S. K. (Eds.) (2019). Self-Help Group and Microfinance: A Strategy for Women Empowerment and Poverty Eradication.
- Kalpana, K. (2017). Women, Microfinance and the State in Neo-liberal India. Routledge India.
- Panda, D. K. (2009). Understanding Microfinance. Wiley India.

2 ৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

প্রশ্ন নং ১ৰ উত্তৰ ঃ আত্মসহায়ক গোট (SHG) হৈছে ১০-২০ জন ব্যক্তিৰ এটা সৰু, অনানুষ্ঠানিক, স্বেচ্ছামূলক সংস্থা, যি সাধাৰণতে একেধৰণৰ আর্থ-সামাজিক পটভূমিৰ পৰা আহে আৰু নিয়মীয়াকৈ সঞ্চয় কৰিবলৈ আৰু নিজৰ সদস্যসকলক সৰু ঋণ প্রদান কৰিবলৈ একেলগে আহে। SHG সমূহৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত আছে স্বেচ্ছামূলক সদস্যপদ, নিয়মীয়া সঞ্চয়, আভ্যন্তৰীণ ঋণ প্রদান, সামুহিক সিদ্ধান্ত গ্রহণ, আৰু পাৰস্পৰিক বিশ্বাস। SHG সমূহে স্ব-সহায়, পাৰস্পৰিক সমর্থন, আৰু গণতান্ত্রিক কার্যকলাপৰ নীতিসমূহৰ ওপৰত কাম কৰে। তেওঁলোকে সৰল হিচাপ-নিকাচ ৰাখে আৰু ক্রমান্বয়ে বেংকৰ সৈতে ঋণ সংযোগ স্থাপন কৰে। ভাৰতত, SHG সমূহে वित्तीय অন্তর্ভুক্তি, বিশেষকৈ গ্রাম্য মহিলাসকলৰ মাজত, প্রসাৰ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সঞ্চয় একত্রিত কৰি আৰু ক্ষুদ্র ঋণ লাভ কৰি, SHG সমূহে সদস্যসকলক ভোগৰ প্রয়োজন পুৰণ কৰিবলৈ, আয় সৃষ্টিকাৰী কার্যকলাপ আৰম্ভ কৰিবলৈ, আৰু অনানুষ্ঠানিক মহাজনসকলৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰাত সহায় কৰে।

প্রশ্ন নং ২ৰ উত্তৰ ঃ ক্ষুদ্র বিত্তই আনুষ্ঠানিক বেংকিং প্রণালীত প্ররেশ নথকা কম আয়ৰ ব্যক্তিসকলক সৰু ঋণ, সঞ্চয়, বীমা, আৰু ধন প্রেৰণৰ সুবিধাৰ দৰে वित्तीय সেৰা প্রদান কৰাত বুজায়। ক্ষুদ্র বিত্তৰ প্রাথমিক উদ্দেশ্য হৈছে দৰিদ্রসকলক আর্থিক কার্যকলাপত অংশগ্রহণ কৰিবলৈ সক্ষম কৰি वित्तीय অন্তর্ভুক্তি প্রসাৰ কৰা। ইয়াৰ লক্ষ্য হৈছে দৰিদ্রতা হ্রাস কৰা, স্ব-নিয়োগ উৎসাহিত কৰা, ক্ষুদ্র উদ্যোগক সমর্থন কৰা, আৰু পৰিয়ালৰ আয় বৃদ্ধি কৰা। ক্ষুদ্র বিত্তই মহিলাসকলক ঋণ আৰু সিদ্ধান্ত গ্রহণৰ ক্ষমতালৈ তেওঁলোকৰ প্ররেশ উন্নত কৰি সৰলীকৰণৰ ওপৰতো গুৰুত্ব দিয়ে। SHG আৰু যুটীয়া দায়বদ্ধতা গোটৰ দৰে আর্হিৰ জৰিয়তে বন্ধকবিহীন ঋণ আগবঢ়াই, ক্ষুদ্র বিত্ত প্রতিষ্ঠানসমূহে মহাজনসকলৰ দ্বাৰা শোষণ হ্রাস কৰাত সহায় কৰে আৰু গ্রাম্য আৰু নগৰীয়া অনানুষ্ঠানিক খণ্ডসমূহত বহনক্ষম জীৰিকা প্রসাৰ কৰে।

প্রশ্ন নং ৩ৰ উত্তৰ ঃ আত্মসহায়ক গোটসমূহে वित्तीय প্রতিষ্ঠান আৰু দৰিদ্রসকলৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰি ক্ষুদ্র বিত্ত যোগান ধৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। SHG সমূহে সদস্যসকলৰ মাজত সঞ্চয় একত্রিত কৰে আৰু একত্রিত সম্পদৰ পৰা সৰু ঋণ প্রদান কৰে, যাৰ ফলত সঞ্চয়ৰ অভ্যাস আৰু वित्तीय অনুশাসন সৃষ্টি হয়। SHG-বেংক সংযোগ কার্যসূচীৰ জৰিয়তে, বেংকসমূহে বন্ধক অবিহনে SHG সমূহক ঋণ প্রদান কৰে, যাৰ ফলত লেনদেনৰ ব্যয় আৰু বিপদ হ্রাস হয়। SHG সমূহে সহকর্মীৰ চাপ আৰু সামুহিক দায়বদ্ধতাৰ বাবে উন্নত ঋণ ব্যৱহাৰ আৰু পৰিশোধ নিশ্চিত কৰে। তেওঁলোকে ক্ষমতা নির্মাণ, वित्तीय সাক্ষৰতা, আৰু উদ্যোগ উন্নয়নৰ বাবে এক মঞ্চও প্রদান কৰে। এইদৰে, SHG সমূহে ক্ষুদ্র বিত্তৰ প্রচাৰ শক্তিশালী কৰে

আৰু দৰিদ্রতা হ্রাস, মহিলা সৱলীকৰণ, আৰু গ্রাম্য উন্নয়নত অৰিহণা যোগায়। প্রশ্ন নং ৪ৰ উত্তৰ: SHG-বেংক সংযোগ কার্যসূচী (SHG-BL.P) হৈছে ১৯৯২ চনত NABARD ৰ দ্বাৰা ভাৰততত আৰম্ভ কৰা এটা প্রধান ক্ষুদ্র বিত্ত পদক্ষেপ। এই কার্যসূচীয়ে অনানুষ্ঠানিক আত্মসহায়ক গোটসমূহক আনুষ্ঠানিক বেংকিং প্রতিষ্ঠানসমূহৰ সৈতে সংযুক্ত কৰে, যাৰ ফলত SHG সমূহে সঞ্চয় আৰু ঋণৰ সুবিধা লাভ কৰিব পাৰে। এই আৰ্হিৰ অধীনত, বেংকসমূহে SHG সমূহক তেওঁলোকৰ সঞ্চয়ৰ প্রদর্শন আৰু ঋণৰ অনুশাসনৰ ওপৰত ভিত্তি কৰি ঋণ প্রদান কৰে, কোনো বন্ধক নিবিচৰাকৈ। এই কার্যসূচীয়ে বিত্তীয় অন্তর্ভুক্তি, বিশেষকৈ গ্রাম্য মহিলাসকলৰ মাজত, যথেষ্ট বৃদ্ধি কৰিছে। ই প্রতিষ্ঠানিক ঋণৰ সুবিধা উন্নত কৰিছে, মহাজনসকলৰ ওপৰত নির্ভৰশীলতা হ্রাস কৰিছে, আৰু আয় সৃষ্টিকাৰী কার্যকলাপসমূহক উৎসাহিত কৰিছে। SHG-BLP ক বিশ্বৰ অন্যতম বৃহৎ ক্ষুদ্র বিত্ত কার্যসূচী আৰু সর্বাংগীণ বিকাশৰ এক সফল আৰ্হি হিচাপে গণ্য কৰা হয়।

প্রশ্ন নং ৪ৰ উত্তৰ ঃ ক্ষুদ্র বিত্তই মহিলাসকলৰ বিত্তীয় সম্পদৰ সুবিধা উন্নত কৰি তেওঁলোকৰ সৱলীকৰণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। SHG আৰু ক্ষুদ্র বিত্ত প্রতিষ্ঠানসমূহৰ জৰিয়তে, মহিলাসকলে জীৱিকাৰ কার্যকলাপৰ বাবে সৰু ঋণ লাভ কৰে, যিয়ে তেওঁলোকৰ আয় আৰু অর্থনৈতিক স্বাধীনতা বৃদ্ধি কৰে। SHG ত অংশগ্রহণে মহিলাসকলৰ আত্মবিশ্বাস, নেতৃত্বৰ দক্ষতা, আৰু পৰিয়াল আৰু সম্প্রদায়ৰ ভিতৰত সিদ্ধান্ত গ্রহণৰ ক্ষমতা বৃদ্ধি কৰে। নিয়মীয়া বৈঠক আৰু গোটৰ কার্যকলাপসমূহে সামাজিক সজাগতা, সামূহিক পদক্ষেপ, আৰু পাৰস্পৰিক সমর্থনক উৎসাহিত কৰে। ক্ষুদ্র বিত্তই মহিলাসকলক সঞ্চয়ৰ অভ্যাস আৰু বিত্তীয় সাক্ষৰতা বিকশিত কৰাতো সহায় কৰে। সামগ্রিকভাৱে, ক্ষুদ্র বিত্তই মহিলাসকলৰ আর্থিক আৰু সামাজিক দুয়োটা সৱলীকৰণত অৰিহণা যোগায়, যাৰ ফলত তেওঁলোকে দৰিদ্রতাৰ ওপৰত জয়লাভ কৰিব পাৰে, দুর্বলতা হ্রাস কৰিব পাৰে, আৰু তেওঁলোকৰ জীৱনৰ মান উন্নত কৰিব পাৰে।

প্রশ্ন নং ৫ৰ উত্তৰ ঃ ক্ষুদ্র বিত্তই কম আয়ৰ ব্যক্তিসকলক সৰু, বন্ধকবিহীন ঋণ প্রদান কৰি নিয়োগৰ সুযোগ সৃষ্টি কৰাত অৰিহণা যোগায়, যাৰ ফলত তেওঁলোকে ক্ষুদ্র উদ্যোগ আৰম্ভ বা সম্প্রসাৰিত কৰিব পাৰে। ঋণন সুবিধাই লোকসকলক কৃষি, সৰু ব্যৱসায়, হস্তশিল্প, আৰু সৰু সেৱাৰ দৰে স্ব-নিয়োগ কার্যকলাপত জড়িত হ'বলৈ সহায় কৰে। ক্ষুদ্র বিত্তই মহিলা আৰু গ্রাম্য যুৱক-যুৱতীসকলক উদ্যোগ আৰু আয় সৃষ্টিকাৰী কার্যকলাপসমূহক উৎসাহিত কৰি সমর্থন কৰে। আত্মসহায়ক গোটসমূহৰ জৰিয়তে, সদস্যসকলে বিত্তীয় সহায়, দক্ষতা বিকাশ, আৰু আত্মবিশ্বাস লাভ কৰে, যাৰ ফলত বহনক্ষম জীৱিকাৰ সৃষ্টি হয়। এইদৰে, ক্ষুদ্র বিত্তই নিবনুৱা সমস্যা হ্রাস কৰাত আৰু সর্বাংগীণ অর্থনৈতিক বিকাশ প্রসাৰ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

M ৪.২ আৰ্হি প্ৰশ্ন

১. ক্ষুদ্র বিত্ত কি? ইয়াৰ উদ্দেশ্য আৰু তাৎপর্য আলোচনা কৰা।
২. ক্ষুদ্র বিত্তৰ ধাৰণা আৰু বিত্তীয় অন্তর্ভুক্তিত ইয়াৰ ভূমিকা ব্যাখ্যা কৰা।
৩. ক্ষুদ্র বিত্ত প্রতিষ্ঠানসমূহৰ মূল বৈশিষ্ট্যসমূহ কি কি?
৪. আত্মসহায়ক গোট (SHGs) কি? ক্ষুদ্র বিত্ত ব্যৱস্থাত ইয়াৰ ভূমিকা ব্যাখ্যা কৰা।
৫. গ্রাম্য দৰিদ্রসকলৰ মাজত সঞ্চয় আৰু ঋণৰ প্রচাৰত SHG সমূহৰ ভূমিকা আলোচনা কৰা।
৬. ক্ষুদ্র বিত্তৰ জৰিয়তে SHG সমূহে মহিলা সৱলীকৰণত কেনেদৰে অৰিহণা যোগায়?
৭. গ্রাম্য অঞ্চলত ক্ষুদ্র বিত্তই কেনেদৰে নিয়োগৰ সুযোগ সৃষ্টি কৰে?
৮. স্ব-নিয়োগ আৰু উদ্যোগীকৰণৰ প্রচাৰত ক্ষুদ্র বিত্তৰ ভূমিকা আলোচনা কৰা।
৯. জীৱিকাৰ সুযোগ সৃষ্টিত SHG সমূহৰ অৰিহণা পৰীক্ষা কৰা।

*****

অধ্যায় ৫ ঃ গ্রাম্য উন্নয়ন

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

5.2 পৰিচয়

5.3 সমাজ উন্নয়ন প্রকল্প

5.4 সংহত গ্রাম্য উন্নয়ন আঁচনি

5.4.1 সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ

5.5 ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি

5.5.1 ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি

5.6 গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন

5.6.1 অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা

5.6.2 শিশুৰ যতন কার্য্যসূচী

5.6.3 ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান

5.7 গ্রাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্রহণ

5.7.1 গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন

5.7.2 গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ

5.8 অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

5.9 অধিক জানিবলৈ

5.10 অগ্রগতিৰ নিৰীক্ষণ

5.11 আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিভিন্ন উন্নয়নমূলক এলেকা চিনাক্ত কৰিব পাৰিব
- সময়ে সময়ে ভাৰতত প্রৱর্তন কৰা বিভিন্ন গ্রাম্য উন্নয়নমূলক আঁচনিৰ আৱশ্যকীয়তা ব্যাখ্যা কৰিব পাৰিব
- স্বৰাজোত্তৰ কালত চৰকাৰে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনি আৰু কৌশল আলোচনা কৰিব পাৰিব
- দৰিদ্রতা নির্মূলকৰণৰ বাবে ভাৰতত বিভিন্ন সময়ত গ্রহণ কৰা গুৰুত্বপূর্ণ আঁচনিসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়ত আমি স্বৰাজোত্তৰ ভাৰতত গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিসমূহৰ সংক্ষিপ্ত আলোচনা কৰিম। স্বাধীনতা সংগ্রামৰ সময়ত জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল এখন দেশৰ উন্নয়ন ইয়াৰ গাঁৱসমূহৰ উন্নতিৰ ওপৰত নির্ভৰশীল। তেওঁৰ মতে তৃণমূল পর্যায়ৰ পৰা উন্নতি হ'লেহে সমাজৰ সর্বাংগীন উন্নতি সম্ভৱ। নির্ধাৰিত দিশত পৰিৱর্তনৰ বাবেই দেশে উন্নয়নমূলক আঁচনিসমূহ প্রৱর্তন কৰে। গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনি আৰু পৰিকল্পনাসমূহৰ লক্ষ্য গাওঁবাসীৰ জীৱনৰ মান উন্নত কৰা। এইখিনিতে উল্লেখ কৰিব লাগিব যে গ্রাম্য উন্নয়নৰ আওতাত কেৱল কৃষিয়ে নহয় ইয়াৰ লগতে সমাজ কল্যাণ যেনে, শিক্ষা, স্বাস্থ্য, দৰিদ্রতা নির্মূলকৰণ, বিশুদ্ধ খোৱাপানী যোগান, অনাময় ব্যৱস্থা, বৈদ্যুতিক যোগান, যুৱপ্রজন্মৰ নিযুক্তি, গ্রাম্য উদ্যোগ স্থাপন, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি, বজাৰৰ সৈতে সংযোগৰ লগতে আন আন বিভিন্ন দিশক সামৰি লোৱা হৈছে।

ঔপনিৱেশিক সাম্রাজ্যবাদৰ ফলত ভাৰতে লাভ কৰা অনগ্রসৰ আৰু স্থবিৰ অর্থনীতিৰ কুফল স্বাধীনতাৰ সময়ত এক সন্ধিক্ষণ ৰূপে বিবেচিত হয়। এই প্রত্যাহ্বানৰ সৈতে মুখামুখি হোৱাৰ লগতে ভৱিষ্যতৰ বিকাশৰ লক্ষ্যৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰা হৈছিল। সামগ্রিক দৃষ্টিভংগীৰে উন্নয়নৰ আঁচনি প্রস্তুত কৰি বিকাশ, সমৃদ্ধি আৰু জনতাৰ উন্নত জীৱনশৈলীৰ বাবে ইয়াক সকলো দিশৰ পৰা বলৱৎ কৰি আর্থ-সামাজিক দিশত বৃহৎ ৰূপান্তৰ ঘটোৱাতো সময়ৰ আহ্বান আছিল। গ্রাম্য উন্নয়নৰ ক্ষেত্রত দৰিদ্রতা, বৈষম্য আৰু নিবনুৱা সমস্যা নির্মূলকৰণক বিশেষ গুৰত্ব দিয়াটো অনিবার্য।

গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ হ'ল-

জীৱনৰ মৌলিক প্রয়োজন ঃ মানুহৰ কিছুমান মৌলিক প্রয়োজন থাকে যাৰ অবিহনে জীৱন ধাৰণ অসম্ভৱ। এই মৌলিক প্রয়োজনসমূহ হৈছে খাদ্য, বস্ত্র, বাসস্থান, প্রাথমিক সাক্ষৰতা, প্রাথমিক স্বাস্থ্যসেৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা।

আত্ম-সন্মান ঃ প্রতিজন ব্যক্তি আৰু প্রতিখন ৰাষ্ট্রৰ সুকীয়া আত্ম-সন্মানবোধ বা সন্মান থাকে। এই আত্ম সন্মানবোধৰ অভাৱ বা নস্যাৎকৰণে উন্নয়নৰ অভাৱকে সূচায়।

স্বাধীনতা ঃ স্বাধীনতা মানে এই প্রসংগতসামাজিক দাসত্বৰ পৰা ৰাজনৈতিক, ভাৱাদর্শীয় আৰু অর্থনৈতিক স্বাধীনতাক বুজোৱা হৈছে। এখন সমাজত যেতিয়ালৈকে প্রকৃতি, অন্য ব্যক্তি অথবা সংস্থাৰ ওচৰত মানুহে বশ্যতা স্বীকাৰ কৰি থকাৰ লগতে অজ্ঞতা আৰু আওপুৱণি ভাৱধাৰাৰে পৰিচালিত হ'ব তেতিয়ালৈকে সেইখন সমাজে উন্নয়নৰ জখলা বগাইছে বুলি দাবী কৰিব নোৱাৰে। যিকোনো ধৰণৰ দাসত্ব অনুন্নতিৰ পৰিচায়ক।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গ্রামাঞ্চল বিকাশৰ বা উন্নয়নৰ মূখ্য উদ্দেশ্য কি ?

প্রশ্ন নং ২ ঃ গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ কি কি ?

৫.৩ সমাজ উন্নয়ন প্রকল্প

পৰিকল্পনা আয়োগে প্রথম পঞ্চবার্ষিক পৰিকল্পনাত সমাজ উন্নয়নৰ আঁচনিসমূহক এনে এক প্রক্রিয়া আখ্যা দিছিল যাৰ জড়িয়তে পঞ্চবার্ষিক পৰিকল্পনাই গ্রামাঞ্চলত সামাজিক আৰু অর্থনৈতিক পৰিৱর্তনৰ ধাৰাৰ সূচনা কৰিব পাৰে। 1952 চনৰ 2 অক্টোবৰৰ গান্ধী জয়ন্তীৰ দিনা সমাজ উন্নয়ন প্রকল্প (Community Development Project) দেশত প্রৱর্তন কৰা হৈছিল। প্রথম পঞ্চবার্ষিক পৰিকল্পনাত আৰম্ভ কৰা সমাজ উন্নয়নৰ প্রকল্পৰ জড়িয়তে আমি গ্রাম্য উন্নয়নৰ আৰম্ভনি হোৱা বুলি ক'ব পাৰো। এই আঁচনিৰ জড়িয়তে প্রধানকৈ গাঁৱসমূহৰ উন্নতি সাধন কৰিব বিচৰা হৈছিল। ইয়াৰ দ্বাৰা কৃষি আৰু সম্পর্কিত দিশৰ উন্নতিক বুজোৱা হৈছিল, যেনে-

- জলসিঞ্চন,
- যোগাযোগ,
- শিক্ষা,
- স্বাস্থ্য,
- অনুপূৰক নিযুক্তি,
- বাসস্থান,
- সমাজ কল্যাণ আৰু
- প্রশিক্ষণ।

সমাজ উন্নয়ন প্রকল্প আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা দেশৰ সর্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন প্রকল্প হৈছে গ্রামাঞ্চলবাসীৰ সর্বাংগীন উন্নয়নৰ বাবে গ্রহণ কৰা এক বহুমুখী প্রকল্পৰ আঁচনি। এই আঁচনিৰ অধীনত কৃষি, পশুপালন, জলসিঞ্চন, সমবায়, জনস্বাস্থ্য, শিক্ষা, সামাজিক শিক্ষা, যোগাযোগ, গ্রাম্য উদ্যোগ আদি বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। ইয়াৰ লগতে কৃষি, জলসিঞ্চন, শিক্ষা আৰু পশুচিকিৎসা ক্ষেত্রত বিশেষজ্ঞৰ সেৱাও আগবঢ়াইছিল এই আঁচনিয়ে। বিনামূলীয়াকৈ এই সেৱা ৰাইজে লাভ কৰিব পাৰিছিল। ইয়াৰ বাহিৰেও সমাজ উন্নয়নৰ প্রকল্পই গাওঁবাসীক কম সুতত ঋণ প্রদানৰো ব্যৱস্থা কৰিছিল। সমাজ উন্নয়ন প্রকল্পৰ মূল লক্ষ্য আছিল গাওঁবাসীক আত্ম-নির্ভৰশীল কৰি তোলা। গাঁওবাসীয়ে নিজা প্রচেষ্টাত বিকাশ সাধন কৰিব আৰু তাৰ বাবে চৰকাৰে প্রয়োজনীয় বিশেষজ্ঞ সেৱা আৰু আর্থিক সাহার্য প্রদান কৰিব।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সমাজ উন্নয়ন প্রকল্পৰ প্রধান লক্ষ্য কোন শ্রেণীৰ লোক আছিল?

প্রশ্ন নং ৪ ঃ সমাজ উন্নয়ন প্রকল্পই কোনবোৰ বিষয়ক সামৰি লয় ?

৫.৪ সংহত গ্রাম্য উন্নয়ন আঁচনি

ভাৰতত প্রধানকৈ সামাজিক ন্যায়ৰ ভিত্তিত বিকাশৰ লক্ষ্য গ্রহণ কৰা হয়। দৰিদ্রতাক ক্ষীপ্রগতিত কমাবলৈ আৰু ইয়াক সম্পূর্ণৰূপে নির্মূলকৰাটোৱেই ৰাষ্ট্রীয় লক্ষ্য। সংহত গ্রাম্য উন্নয়ন আঁচনিখন প্রথমবাৰ প্রৱর্তন কৰা হৈছিল 1978–1979 চনত। সমগ্র দেশৰ 2,300 টা নির্বাচিত ব্লকত প্রথমবাৰ এই আঁচনি প্রৱর্তন কৰা হৈছিল আৰু পৰৱর্তী সময়ত 2 অক্টোবৰ, 1980 চনত এই আঁচনিৰ সমগ্র দেশতে প্রসাৰ ঘটোৱা হৈছিল। সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূর্ণ পদক্ষেপ। বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি।

এই আঁচনিৰ লক্ষ্য গ্রামাঞ্চলৰ দৰিদ্র ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্রদান কৰি তেওঁলোকক দৰিদ্র সীমাৰেখাৰ ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্রাম্য উন্নয়নৰ দ্বাৰা গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্রদান কৰি আয়ৰ ক্ষেত্রত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল। এয়া হৈছে এক সাহাযপ্রাপ্ত আঁচনি আৰু এইক্ষেত্রত কেন্দ্র আৰু ৰাজ্যই 50ঃ50 হাৰত পূঁজিৰ যোগান ধৰে। উন্নয়নৰ আটাইতকৈ গুৰুত্বপূর্ণ ক্ষেত্র যেনে-কৃষি, ক্ষুদ্র জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱাৰ লগতে আন আঞ্চলিক ক্ষেত্রত সামগ্রিক আৰু সংহত আঁচনি গ্রহণ কৰি গ্রামাঞ্চলৰ দৰিদ্রতা দূৰ কৰাৰ প্রয়াস কৰা হয় এই আঁচনিত। নির্দিষ্ট একোটা গোটৰ পৰিয়ালসমূহৰ উপার্জন বৃদ্ধিৰ ক্ষেত্রত পূর্বৱর্তী আঁচনিসমূহে যেতিয়া যোগাত্মক প্রভাৱ পেলোৱাত ব্যর্থ হ'ল তেতিয়াই এনেধৰণৰ সামগ্রিক আঁচনিৰ প্রয়োজনীয়তা অনুভৱ কৰা হৈছিল। সংহত গ্রাম্য উন্নয়ন আঁচনিক চৰকাৰীভাবে দৰিদ্রতা নির্মূলকৰণৰ আটাইতকৈ বৃহৎ প্রক্রিয়া আখ্যা দিয়া হৈছে।

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ বাবে যিসমূহত গোটক লক্ষ্যৰূপে নির্ধাৰণ কৰা হয় সেইসমূহ হৈছে অষ্টম পৰিকল্পনা অনুসৰি দৰিদ্র সীমাৰেখাৰ তলৰ অর্থাৎ বার্ষিক এঘাৰ হাজাৰ টকাতকৈ কম ধন উপার্জন কৰা ক্ষুদ্র কৃষক, কৃষি শ্রমিক আৰু গ্রাম্য কাৰিকৰসকল। এই আঁচনিৰ অধীনত প্রকৃততে যাতে সমাজৰ অৱহেলিত শ্রেণীয়ে লাভান্বিত হয় সেই কথা নিশ্চিত কৰিবলৈ উল্লেখ কৰা হৈছিল যে আঁচনিৰ সহায় লাভ কৰা শতকৰা পঞ্চাশ শতাংশ পৰিয়াল যাতে অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ হয়। ইয়াৰ লগতে কোৱা হৈছিল যে আঁচনিৰ হিতাধিকাৰীসকলৰ শতকৰা চল্লিশ শতাংশ মহিলা হ'ব লাগিব আৰু শতকাৰ তিনি শতাংশ হিতাধিকাৰী শাৰিৰীকভাৱে বাধাগ্রস্ত লোকক প্রতিনিধিত্ব কৰা হ'ব লাগিব। এনেধৰণে দেশৰ গ্রাম্যক্ষেত্রত আকাংক্ষিত আর্থ-সামাজিক পৰিৱর্তনৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল।

আঁচনি সংশোধনৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছিল। যেনে—

- কৃষি আৰু ইয়াৰ সম্পৰ্কিত অন্যান্য কাৰ্যাৱলীৰ বাবে সু�ৰক্ষা বিহীন ঋণৰ উৰ্ধসীমা পাঁচহাজাৰ টকাৰ পৰা দহহাজাৰ টকালৈ বৃদ্ধি কৰা হৈছিল।
- ফলমূল সংশোধন, মীন পালন আদি নতুন আৰু উদ্ভাৱনামূলক কাৰ্যাৱলীকো আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছিল।
- জিলা গ্ৰাম্য উন্নয়ন সংস্থা (DRDA) আৰু কৰ্মসংস্থান কেন্দ্ৰৰ সৈতে নিয়োগৰ সুবিধাৰ বাবে ওচৰ সম্পৰ্ক ৰক্ষা কৰি কাৰ্যাৱলী অব্যাহত ৰখাৰ লগতে আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ (TRYSEM, Training of Rural Youth for Self Employment) অধীনত প্ৰশিক্ষণ প্ৰদান কৰা। আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ (TRYSEM) হৈছে সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ (IRDP) এক আভ্যন্তৰীণ অংগ আৰু ইয়াৰ লক্ষ্য হৈছে আত্ম-নিৰ্ভৰশীল হ'ব পৰাকৈ গাঁৱৰ যুৱচামক কৌশলগত জ্ঞান প্ৰদান।

৫.৬.১ সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বিশেষ দিশ

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ বহুকেইটা বিশেষ দিশ আছে। সেইসমূহ হৈছে ঃ

- গ্ৰামাঞ্চলৰ দৰিদ্ৰ আৰু অৱহেলিত পৰিয়ালসমূহক সহায় কৰাই এই আঁচনিৰ লক্ষ্য আৰু ইয়াৰ দ্বাৰা দৰিদ্ৰতা আৰু বঞ্চিতকৰণ মূল কাৰণক নিৰ্মূল কৰিব বিচৰা হয়।
- সংহত গ্ৰাম্য উন্নয়ন আঁচনি হৈছে মূলতঃ এক দৰিদ্ৰতাবিৰোধী আঁচনি। এই আঁচনিৰ জড়িয়তে দৰিদ্ৰ পৰিয়ালসমূহক সহায় আগবঢ়োৱা হয় যাতে তেওঁলোকে উৎপাদনশীল সম্পদ, প্ৰযুক্তি আৰু কৌশল আহৰণ কৰি অৰ্থনৈতিক দিশত টনকীয়াল হ'ব পাৰে।
- সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ দ্বাৰা পৰিয়ালসমূহৰ কেৱল আৰ্থিক দিশতেই নহয় ইয়াৰ লগতে সামাজিক, শিক্ষামূলক আৰু পৰিপুষ্টিজনিত আদি দিশতো উন্নয়ন সাধন কৰিব বিচৰা হয়। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে যাতে বিভিন্ন ধৰণৰ সেৱা যেনে পৰিপুষ্টি, বাধ্যতামূলক শিক্ষা, প্ৰাপ্তবয়স্কৰ শিক্ষা, পৰিয়াল কল্যাণ, শিশু আৰু মহিলা কল্যাণ আদিৰ সুফল লাভ কৰে সেইক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। নিদিষ্ট বিভাগসমূহে এই সেৱা আগবঢ়াব লাগে।
- সংহত গ্ৰাম্য উন্নয়ন আঁচনিয়ে হিতাধিকাৰীসকলৰ বাবে বহুকেইখন ব্যক্তিগত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। ভূমি উন্নয়নমূলক বিভিন্ন ব্যৱস্থা, কৃষি সামগ্ৰী যোগান, ক্ষুদ্ৰ জলসিঞ্চন, মীনপালন, দুগ্ধ উৎপাদন, ছাগলী-গাহৰি পালন, কাপোৰ চিলাই, বয়ন, উল গুঁঠা, ৰিক্সাচালক, মাছৰ জাল গুঁঠা, কমাৰ আদি এনেধৰণৰ পদক্ষেপৰ অন্তৰ্গত।
- আত্ম নিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ (TRYSEM) হৈছে সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূৰ্ণ দিশ। ইয়াৰ জড়িয়তে নিৰ্বাচিত গ্ৰাম্য যুৱক-যুৱতীক বিভিন্ন নতুন আঁচনি, বৃত্তি, কৃষি আৰু ইয়াৰ সৈতে জড়িত কাৰ্যাৱলীৰ আধুনিক প্ৰযুক্তি, উদ্যোগমূলক আঁচনি যেনে চিলাই, উল গুঁঠা, দুগ্ধপালন,

কমাৰ, বয়নশিল্প আদি ক্ষেত্ৰত ছমাহৰ বাধ্যতামূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ জড়িয়তে হিতাধিকাৰীসকলৰ কৌশল উন্নত হোৱাৰ লগতে বিশেষজ্ঞ দক্ষতা আৰু উৎপাদনক্ষমতাৰ বৃদ্ধি হ'ব বুলি আশা কৰা হয়।

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ লক্ষ্যপূৰণৰ বাবে ইয়াৰ বিভিন্ন পৰ্যায়ত গ্ৰামাঞ্চলবাসীৰ সক্ৰিয় অংশগ্ৰহণ অতি প্ৰয়োজনীয়। কেৱল ইয়াৰ মাধ্যমতহে এই গ্ৰাম্য উন্নয়নৰ আঁচনিৰ উদ্দেশ্য সফল হ'ব পাৰে। এইক্ষেত্ৰত উন্নত জীৱনশৈলী আহৰণৰ বাবে গ্ৰাম্য যুৱক-যুৱতীসকলক অনুপ্ৰাণিত কৰি তুলিবলৈ চৰকাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। যিকোনো আঁচনিৰ সফলতা আৰু বিফলতাৰ মাপকাঠী নিৰ্ভৰ কৰে ইয়াক কিমান ভালদৰে পৰিচালনা আৰু সংগঠিত কৰা হৈছে সেই দিশৰ ওপৰত। সৰ্বোপৰি জনতাৰ সচেতনতা হৈছে যিকোনো আঁচনি সফল কৰাৰ আন এক গুৰুত্বপূণ কাৰক।

সংহত গ্ৰাম্য উন্নয়ন আচনিক প্ৰৱৰ্তন কৰে জিলা গ্ৰাম্য উন্নয়ন সংস্থা (District Rural Development Agency) নামৰ স্বায়ত্বশাসিত সংস্থাই। কেন্দ্ৰীয় পৰ্যায়ত সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰপুঁজি মোকলাই দিয়া, নীতি প্ৰস্তুতকৰণ, সামগ্ৰিক নিৰ্দেশনা, পৰিচালনা, পৰ্যবেক্ষণ আৰু মূল্যায়নৰ দায়িত্ব গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ (Ministry of Rural Development)। আঁচনি সুচাৰুৰূপে কাৰ্যকৰী কৰিবলৈ গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ে সমৰৰ্তী মূল্যায়ন আৰু প্ৰভাৱৰ অধ্যয়নৰ পোষকতা কৰে। ৰাজ্য চৰকাৰসমূহক সময়ে সময়ে আঁচনিৰ মূল্যায়ন কৰিবলৈ পৰামৰ্শ দিয়া হয় যাতে আঁচনিৰ প্ৰভাৱ নিশ্চিতকৰণৰ লগতে আঁচনিত বিনিয়োগ কৰা পুঁজিৰ পৰা হিতাধিকাৰীসকলে প্ৰত্যক্ষভাৱে অতিৰিক্ত উপাৰ্জন বা নিয়োগৰ সুবিধা কিমানদূৰলৈকে লাভ কৰিছে সেয়া জানিব পৰা হয়। যিমানদূৰ সম্ভৱ ৰাজ্য চৰকাৰসমূহে আঁচনিৰ সমৰৰ্তী মূল্যায়ন আৰু প্ৰভাৱ অধ্যয়নৰ বাবে নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰে অথবা ইয়াৰ দায়িত্ব এইক্ষেত্ৰত দক্ষতাসম্পন্ন নিৰ্বাচিত শিক্ষা অথবা গৱেষণা প্ৰতিষ্ঠানকো ৰাজ্য চৰকাৰে অৰ্পণ কৰিব পাৰে।

ৰাষ্ট্ৰীয় পৰ্যায়ত সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ মূল্যায়নৰ অধ্যয়ন বহুসময়ত সম্পন্ন কৰি আহিছে কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক (NABARD), ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া (RBI), পৰিকল্পনা আয়োগৰ আঁচনি মূল্যায়ন সংস্থা (PEO) আৰু শিক্ষামূলক সংস্থাসমূহে। সংসদৰ ৰাজহুৱা হিচাপ পৰীক্ষণ কমিটিয়ে (PAC) সংহত গ্ৰাম্য উন্নয়ন আঁচনিক নতুন ৰূপ দিবৰ বাবে কিছু পৰামৰ্শ আগবঢ়াইছেঃ

- হিতাধিকাৰীসকলক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ উন্নীত কৰিবৰ বাবে তেওঁলোকৰ উপাৰ্জন বৃদ্ধিৰ লক্ষ্যৰে জনমূৰি বিনিয়োগ (ৰাজসাহাৰ্য আৰু ঋণ) যথেষ্ট কম হোৱা পৰিলক্ষিত হৈছে।
- বিভিন্ন উপাৰ্জনমুখী কাৰ্যসূচীক সমৰ্থন জনাব পৰা আন্তঃগাঠনি অনুপযুক্ত।
- জিলা গ্ৰাম্য উন্নয়ন সংস্থাৰ প্ৰশাসনীয় গোটত সংশ্লিষ্ট সংস্থাসমূহৰ অনুপযুক্ত প্ৰতিনিধিত্ব।
- আঁচনিসমূহত ৰাইজৰ অংশগ্ৰহণৰ অনুপস্থিতি।
- নিম্ন পৰ্যায়ৰ বিষয়াৰ দুৰ্নীতিৰ ব্যাপক প্ৰভাৱ।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) গ্রাম্য সমাজত দৰিদ্রতা নির্মূলকৰণেই সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্য।

খ) সংহত গ্রাম্য উন্নয়ন সফল ৰূপায়নৰ বাবে ৰাইজৰ অংশগ্রহণ আটাইতকৈ গুৰুত্বপূর্ণ কাৰক।

প্রশ্ন নং ৬ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ লক্ষ্যসমূহ কি কি?

প্রশ্ন নং ৭ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ গুৰুত্বপূর্ণ বিষয়সমূহ উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) সংহত গ্রাম্য উন্নয়ন আঁচনি প্রৱর্তন কৰা হৈছিল ..... চনত।

খ) ..... হৈছে সংহত গ্রাম্য উন্নয়ন আঁচনিৰ এক গুৰুত্বপূর্ণ বিষয় যাৰ লক্ষ্য হৈছে গ্রাম্য যুৱক-যুৱতীক আত্ম নির্ভৰশীলতাৰ প্রশিক্ষণ প্রদান কৰা।

৫৫ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি

পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাৰ খচৰাত প্রথমবাৰলৈ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ অধীনত সামাজিক সেৱা যেনে প্রাথমিক শিক্ষা, গ্রাম্য স্বাস্থ্য, পৰিপুষ্টি, খোৱাপানী, গাঁৱৰ ভূমিহীনসকলক আবাসগৃহ প্রদান, নগৰীয় বস্তি এলেকাৰ উন্নয়ন, গ্রাম্য পথ, গ্রাম্য বৈদ্যুতিকীকৰণক প্রাধান্য দি অন্তর্ভুক্ত কৰা হৈছিল। পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাত প্রথমবাৰলৈ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি প্রৱর্তন কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল দেশৰ গ্রাম্য অঞ্চলত বসবাস কৰা সকলো শ্রেণীৰ লোকৰ বাবে এক প্রাথমিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিত কৰা। এই পদক্ষেপৰ জড়িয়তে এক নির্ধাৰিত সময়সীমাৰ ভিতৰত ভিন্নমুখী সুযোগ-সুবিধা উপলব্ধ কৰাই কেতবোৰ বিশেষ সামাজিক সেৱাৰ গ্রহণযোগ্যতা নির্দিষ্ট পর্যায়লৈ উন্নীত কৰিবলৈ বিচৰা হৈছিল।

কেতবোৰ বিশেষ ৰাজহুৱা সেৱা, সুযোগ আৰু সুবিধাই জীৱনধাৰণৰ মান নির্ধাৰণ কৰে। গ্রাম্য জনসাধাৰণ বিশেষকৈ ৰাজহুৱা সুযোগ-সুবিধাৰ পৰা নগৰীয়া জনসাধাৰণতকৈ পিচ পৰি থাকে। এই সকলোবোৰ সুবিধা গঁএগা ৰাইজক দিবলৈ ভাৰত চৰকাৰে পঞ্চম পঞ্চবার্ষিক পৰিকল্পনাত নূন্যতম প্রয়োজনীয় আঁচনি আৰম্ভ কৰে। প্রথম অৱস্থাত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিত আঠটা বিষয়ক অন্তর্ভুক্ত কৰা হৈছিল। পৰৱর্তী ষষ্ঠ পৰিকল্পনাত প্রাপ্তবয়স্কৰ শিক্ষা নামৰ আন এটা বিষয় অন্তর্ভুক্ত কৰে। সপ্তম পঞ্চবার্ষিক পৰিকল্পনাত গ্রাম্য ৰন্ধন শক্তি, গ্রাম্য অনাময় আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা অন্তর্ভুক্তিৰে নূন্যতম প্রয়োজনীয় আঁচনিক আৰু বহলাই পেলাই। নূন্যতম প্রয়োজনীয়তাৰ আঁচনিৰ বিষয়সমূহ হ'ল—

- প্রাথমিক শিক্ষা
- প্রাপ্তবয়স্কৰ শিক্ষা
- গ্রাম্য স্বাস্থ্য

- গ্রাম্য পানী যোগান
- গ্রাম্য পথ
- গ্রাম্য আবাস
- গ্রাম্য বৈদ্যুতিকীকৰণ
- নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ
- পৰিপুষ্টি
- গ্রাম্য ৰন্ধন শক্তি
- গ্রাম্য অনাময়
- ৰাজহুৱা বিতৰণ ব্যৱস্থা।

পূর্বৱর্তী আঁচনিসমূহৰ অভিজ্ঞতাৰ ভিত্তিত ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ ধাৰণাই গঢ় লৈ উঠে। এই অভিজ্ঞতাই প্রমাণ কৰি দেখুৱাইছিল যে পাৰস্পৰিক বুজাবুজিৰ অবিহনে বিকাশ অথবা সামাজিক গ্রহণযোগ্যতাৰ ধাৰণা গঢ়ি উঠিব নোৱাৰে অথবা বর্তি থাকিবও নোৱাৰে। ন্যূনতম প্রয়োজনীয়তাৰ আঁচনিৰ প্রধান উদ্দেশ্য আছিল গ্রাম্য জনসাধাৰণক বিশেষকৈ গ্রাম্য দৰিদ্রসকলক মৌলিক প্রয়োজনৰ অন্তর্গত কেতবোৰ বিশেষ সামাজিক সেৱা প্রদান কৰা। ইয়াৰ দ্বাৰা পৰিকল্পনা গ্রহণ কৰা হৈছিল যে আঁচনিৰ প্রতিটো বিষয়ক এক ৰাষ্ট্রীয় এক মানৰ আধাৰত দেশৰ প্রতিখন ঠাইত নির্ধাৰিত সময়সীমাৰ ভিতৰত প্রৱর্তন কৰিলে ৰাষ্ট্রীয় লক্ষ্য পূৰণ হ'ব। এই আঁচনিত নির্দিষ্ট সময়সীমাৰ ভিতৰত ৰাষ্ট্রীয় মানৰ আধাৰত নির্ধাৰণ কৰা সামাজিক সেৱা প্রদানৰ কৰাৰ ক্ষেত্রত গুৰুত্ব দিয়া হৈছিল। আঁচনিখনক অধিক সাফল্যমণ্ডিত কৰি তুলিবলৈ ন্যূনতম প্রয়োজনীয়তাৰ বাৰটা বিষয়ৰ সেৱাক নির্ধাৰিত এলেকা অথবা হিতাধিকাৰীৰ মাজত সামগ্রিক ৰূপত প্রৱর্তন কৰা হৈছিল। এই আঁচনিখন প্রকৃততে মানৱ সম্পদ উন্নয়নৰ এক পদক্ষেপ বুলিও ক'ব পৰা যায়। আঁচনিখনৰ প্রৱর্তনৰ দ্বাৰা ৰাজহুৱা সংস্থাসমূহৰ মাধ্যমত বিনামূলীয়া অথবা ৰাজসাহার্যযুক্ত সেৱা আগবঢ়াই দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰা ৰাইজৰ মাজত সেৱাসমূহৰ গ্রহণযোগ্যতা বৃদ্ধি কৰাত গুৰুত্ব দিয়া হৈছিল। এই পদক্ষেপৰ জড়িয়তে গ্রাম্য আৰু নগৰীয় উভয় ঠাইৰ কর্মীৰ উৎপাদনশীলতাৰ দক্ষতা বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল।

৫.৫.১ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি

2004 চনৰ মে' মাহত সংযুক্ত প্রগতিশীল মর্চা চৰকাৰে গ্রাম্য এলেকাত জীৱনশৈলীৰ মান উন্নত কৰিবলৈ ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনি প্রৱর্তন কৰে। ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনিৰ অন্তর্গত তথা গ্রাম্যক্ষেত্রত প্রাসংগিক কেতবোৰ বিশেষ বিষয় হৈছে—

➢ *গ্রাম্য আন্তঃগাঠনি ঃ* গ্রাম্য আন্তঃগাঠনিৰ জলসিঞ্চন, খোৱাপানী, আবাস, পথ, টেলিফোন সেৱা আৰু বৈদ্যুতিকীকৰণ এই ছটা নির্বাচিত এলেকাৰ লক্ষ্যত উপনীত হ'বলৈ গ্রহণ কৰা ভাৰত নির্মাণ হৈছে এক চাৰি বছৰীয়া কার্যসূচী (2005–09)।

- *ইন্দিৰা আৱাস যোজনা ঃ* গ্রাম্য এলেকাত দৰিদ্রতা আৰু আৱাসগৃহৰ এক প্রত্যক্ষ সম্পর্ক আছে। বসবাসৰ বাবে সাধাৰণতে দৰিদ্র লোকৰ আবাসগৃহ হয় নাথাকে অথবা সেয়া বসবাসৰ উপযোগী নহয়। সমাজ উন্নয়ন কার্যসূচীৰ অধীনত গ্রাম্য আৱাসগৃহৰ আঁচনি 1957 চনত প্রৱর্তন কৰা হৈছিল। 1985 চনৰ জুন মাহত কেন্দ্রীয় বিত্ত মন্ত্রীয়ে এক বৈশিষ্ট্যপূর্ণ সিদ্ধান্তৰে কেন্দ্রৰ আৰ এল ই জি পি পুঁজিৰ এক নির্দিষ্ট অংশ অনুসূচিত জাতি অথবা অনুসূচিত জনজাতিৰ লোক আৰু বন্ধোৱা শ্রমিকৰ (Bonder Labour) আবাসগৃহ নির্মাণৰ বাবে আৱণ্টন কৰা ঘোষণা কৰে। ইন্দিৰা আৱাস যোজনা আঁচনি সেই ঘোষণাৰে ফল। 1989 চনৰ এপ্রিল মাহত এই আঁচনি জে আৰ আই আঁচনিৰ অন্তর্গত হয়। এইক্ষেত্রত সমস্যা অনুধাৱন কৰি কেন্দ্র চৰকাৰে 'সকলোৰে বাবে বাসগৃহ' এই লক্ষ্যৰে 1998 চনত এক ৰাষ্ট্রীয় আবাস আৰু বসতি আঁচনি (NHHP) ঘোষণা কৰে। দশম পঞ্চবার্ষিক পৰিকল্পনাৰ সমাপ্তিলৈকে চৰকাৰে আশ্রয়হীনতাৰ সকলো সমস্যা সমাধান কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছিল।
- *প্রধানমন্ত্রী গ্রাম চৰক যোজনাঃ* এই আঁচনিৰ প্রধান উদ্দেশ্য আছিল সকলো বতৰত উপযোগী পথ নির্মাণৰ লগতে বছৰৰ প্রতিটো সময়ত ব্যৱহাৰযোগ্য প্রয়োজনীয় কালভার্ট আৰু নলা-নর্দমাৰ নির্মাণ। এই আঁচনিৰ জড়িয়তে এহাজাৰ বা ততোধিক লোকৰ বসতি থকা সকলো অসংযোজিত এলেকাক তিনি বছৰৰ ভিতৰত (2000–2003), পাঁচশ বা ততোধিক লোকৰ বসতি থকা সকলো অংসযোজিত এলেকাক দশম পৰিকল্পনাৰ অন্তিম সময়সীমাৰ ভিতৰত (2007] সামৰি লোৱাৰ পৰিকল্পনা গ্রহণ কৰা হৈছিল। আনহাতে সকলো পাহাৰীয়া ৰাজ্য (উত্তৰ-পূৰ, ছিক্কিম, হিমাচল প্রদেশ, জম্মু-কাশ্মীৰ আৰু উত্তৰাখণ্ড), মৰুভূমি এলেকাৰ লগতে পঞ্চম অনুসূচীৰ অন্তর্গত এলেকাসমূহত 250 জন বা ততোধিক লোকৰ বসতি থকা এলেকাক পথ যোগাযোগেৰে সংযোজিত কৰাৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল।

গ্রাম্য পথ যোগাযোগ ব্যৱস্থাৰ পৰিসৰ গ্রাম্য উন্নয়নৰ গুৰুত্বপূর্ণ দিশৰূপে কেৱল সামাজিক-আর্থিক সেৱাসমূহ উপলব্ধ কৰোৱাই কৃষি কার্যৰ আয় বৃদ্ধি আৰু দেশত উৎপাদনক্ষম নিয়োগ সুবিধা সৃষ্টিতে সীমাৱদ্ধ নহয়, একেসময়তে এই ব্যৱস্থা হৈছে দৰিদ্রতা নির্মূলকৰণৰ এক গুৰুত্বপূর্ণ পদক্ষেপ।

এনেধৰণে চৰকাৰে দৰিদ্রতা দূৰীকৰণগ লগতে এখন 'সমতাপূর্ণ সমাজ' গঢ়িবৰ বাবে বহু আঁচনি প্রৱর্তন কৰি আহিছে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি বুলি ক'লে আপুনি কি বুজে?

প্রশ্ন নং ১০ ঃ কি কি দিশক এই আঁচনিয়ে সামৰি লৈছে?

প্রশ্ন নং ১১ ঃ খালী ঠাই পূৰণ কৰক—

ক) ..... ক .....অংশৰূপে প্রৱর্তন কৰা হৈছিল।

খ) ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনিক গ্রহণ কৰা হৈছিল ..... ৰ বাবে।

গ) .....ক ..... ৰ এক গুৰুত্বপূর্ণ বিষয়ৰূপে প্রৱর্তন কৰা হৈছিল ..... পৰিকল্পনাত।

৫.৬ গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন

ভাৰতত মহিলা আৰু শিশুৰ উন্নয়নৰ ধাৰণা নতুন নহয়। দেশৰ সামগ্রিক উন্নয়নৰ বাবে মহিলা আৰু শিশুৰ উন্নয়নৰ দিশক পঞ্চবার্ষিক পৰিকল্পনাসমূহ, চৰকাৰী আঁচনিসমূহৰ লগতে ৰাষ্ট্রীয় স্বাস্থ্য নীতি আৰু ৰাষ্ট্রীয় জনসংখ্যা নীতিত অগ্রাধিকাৰ প্রদান কৰা হয়। সমাজৰ সর্বাংগীন উন্নতিৰ বাবে মহিলা আৰু শিশুৰ স্বাস্থ্যৰ উন্নতিক যথেষ্ট প্রাধান্য দিয়া হয়। 1943 চনত গঠন কৰা প্রথম স্বাস্থ্য জৰীপ আৰু উন্নয়ন কমিটিয়ে পৰামর্শ আগবঢ়াইছিল যে স্বাস্থ্য উন্নয়নৰ যিকোনো আঁচনিত মহিলা আৰু শিশুৰ ৰোগ নির্মূলকৰণ আৰু মৃত্যুহাৰ হ্রাস কৰাক অন্যতম গুৰুত্বপূর্ণ বিষয়ৰূপে গ্রহণ কৰিব লাগে। 1961 চনত গঠন কৰা স্বাস্থ্য জৰীপ আৰু পৰিকল্পনা কমিটিয়েও একে মতকে পোষণ কৰে। মহিলা আৰু শিশুৰ উন্নয়নৰ বাবে বিশেষকৈ গ্রাম এলেকাত চৰকাৰে গ্রহণ কৰা আঁচনিসমূহৰ ভূমিকা আলোচনা কৰো আহক-

সংহত গ্রাম্য উন্নয়ন আঁচনিৰ অংশৰূপে গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়নৰ (DWCRA) আঁচনিক গ্রহণ কৰা হৈছিল 1982 চনত। ইয়াৰ লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্র সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপার্জনমুখী বৃত্তি গ্রহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। লগতে তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপার্জনমুখী কার্যব্যৱস্থাৰ সৃষ্টি কৰা। গ্রামাঞ্চলৰ মহিলাৰ জীৱনশৈলী উন্নত কৰিবৰ বাবে গ্রহণ কৰা এনেধৰণৰ এইখনেই প্রথম আঁচনি। সংহত গ্রাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈ ব্যতিক্রম এই আঁচনিত উপার্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আর্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামূহিক কাম কাজত গুৰুত্ব প্রদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নির্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নির্ভৰ কৰিব।

এই আঁচনিৰ কিছু গুৰুত্বপূর্ণ দিশ হ'ল-

- গ্রাম্য সমাজত মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্র মহিলাসকলৰ আর্থ-সামাজিক স্থান উন্নীত কৰিবলৈ আত্মনির্ভৰশীলতাৰ ওপৰত ভিত্তি কৰি উপার্জনমুখী বৃত্তি গ্রহণ কৰিব পৰাকৈ মহিলাৰ গোট গঠন কৰা।
- এই আঁচনিৰ জড়িয়তে দৰিদ্র মহিলাসকলক নিয়োগৰ সুবিধা, কৌশলৰ উন্নতি, প্রশিক্ষণৰ বাবে ঋণ আৰু

অন্যান্য সহযোগিতাৰ সেৱা আগবঢ়াই আঁচনিৰ অধীনস্থ মহিলাসকলে যাতে গোট হিচাপে উপার্জনমুখী বৃত্তি গ্ৰহণ কৰি উপার্জন বৃদ্ধি কৰিব পাৰে তাৰ লক্ষ্য নির্ধাৰণ কৰা হৈছিল।

- ব্যক্তিগত প্ৰচেষ্টাতকৈ সমূহীয়া কার্যপন্থা অধিক ফলপ্ৰসূ হোৱাৰ বাবে সামূহিক কার্যকলাপক উৎসাহ যোগোৱা। গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত মোনাফা আৰু ঋণ ব্যৱস্থাক উৎসাহ যোগাই তেওঁলোকক আত্ম নির্ভৰশীল কৰি তুলিব বিচৰা হৈছিল।

- ইয়াৰ দ্বাৰা গ্ৰামাঞ্চলৰ মহিলাসকলৰ মাজত স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিয়াল কল্যাণ, স্বাস্থ্যৰ যতন, শিশুৰ যতন আদি সেৱা উপলব্ধ কৰোৱাই মহিলা আৰু শিশুৰ জীৱনধাৰণৰ সকলো দিশক উন্নত কৰি তুলিব বিচৰা হৈছিল।

উন্নয়নৰ ক্ষেত্ৰত মহিলাক অতি গুৰুত্বপূর্ণ বিবেচনা কৰি অর্থনৈতিক সৱলীকৰণক বিশেষ গুৰুত্ব দি গ্ৰহণ কৰা গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিয়ে এই সকলোবোৰ দিশত সেৱা আগবঢ়ায়। কেৱল গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলৰ উপার্জন বৃদ্ধি কৰাই নহয় ইয়াৰ দ্বাৰা শৃংখলাৱদ্ধ সংগঠিত সামূহিক গোটৰূপে মহিলাসকলৰ আত্ম নির্ভৰশীলতা বৃদ্ধি কৰিবলৈ ঋণ, কৌশল উন্নীতকৰণ আৰু আন্তঃগাঠনিৰ সহযোগিতাও প্ৰদান কৰা হৈছিল। সংহত গ্ৰামৰ উন্নয়ন আঁচনিৰ সুফল যাতে প্ৰত্যক্ষভাৱে মহিলাসকলে লাভ কৰিব পাৰে তাৰবাবে গ্ৰাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনি (DWCRA) প্ৰৱর্তন কৰা হৈছিল। 1999 চনৰ এপ্ৰিল মাহৰ পৰা এই আঁচনিক স্বর্ণজ্যোতি গ্ৰাম স্বৰোজগাৰ যোজনাৰূপে (SGSY) সংহত গ্ৰাম্য উন্নয়ন আঁচনি (IRDP), আত্ম নির্ভৰশীলতাৰ বাবে গ্ৰামাঞ্চলৰ যুৱক-যুৱতীৰ বিশেষ প্ৰশিক্ষণ (TRYSEM) আদি আঁচনিৰ সৈতে প্ৰৱর্তন কৰা হয়।

৫.৬.১ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা

সংহত গ্ৰাম্য উন্নয়ন আঁচনিৰ অধীনত 1991 চনত অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱা আৰম্ভ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল গ্ৰাম সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰি ৰাষ্ট্ৰই তেওঁলোকক প্ৰদান কৰা সামাজিক সেৱাসমূহ দাবী কৰিব পৰাকৈ সক্ষম কৰি তোলা আৰু লগতে সর্বাংগীন উন্নয়নৰ বাবে এই সেৱাসমূহৰ প্ৰৱর্তন আৰু পৰিচালনাৰ ক্ষেত্ৰত দায়িত্ব গ্ৰহণতো সক্ষম কৰি তোলা। পৰম্পৰাগত পদ্ধতি যেনে দৃশ্যাৱলী, নাটক, লোক সংস্কৃতি, পুতলা নাচ আদিৰ সহায়ত সম্প্ৰদায়সমূহৰ মাজত সজাগতাৰ সৃষ্টি কৰিব বিচৰা হয়। এই আঁচনিৰ জড়িয়তে গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাৰ সংগঠনক শক্তিশালী কৰি তোলাৰ লগতে মহিলাৰ অর্থনৈতিক সামাজিক মান উন্নত কৰি তোলাৰ লক্ষ্য গ্ৰহণ কৰা হৈছিল। শতকৰা এশ শতাংশ চৰকাৰী অনুদান অর্থাৎ প্ৰতিখন জিলাত 5 লাখ টকাৰে ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় খোৱাপানী অভিযান, ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান, ICDS আঁচনি আদিক তৃণমূল পর্যায়ত 298খন জিলাৰ অঞ্চলভিত্তিক সংপৃক্তকৰণ সেৱাত সংপৃক্ত কৰিব বিচৰা হৈছিল।

৫.৬.২ শিশুৰ যতন কার্যসূচী

1995-96 চনত গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অন্তর্গত কৰা শিশুৰ যতন কার্যসূচীৰ প্রধান উদ্দেশ্যসমূহ আছিল-

- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিত (DWCRA) কর্মৰত মহিলাৰ শিশুৰ বাবে শিশু গৃহৰ(creche) ব্যৱস্থা কৰা।
- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) নিৰক্ষৰ সদস্য আৰু শিক্ষা জীৱন আধৰুৱাকৈ বিদ্যালয় ত্যাগ কৰা কন্যা শিশুক গুৰুত্ব দি আঁচনিৰ অধীনত সাক্ষৰতা কেন্দ্র স্থাপন কৰা ।
- কন্যা শিশুৰ সৈতে সংঘটিত শৈশৱৰ লিংগভিত্তিক বৈষম্য হ্রাস কৰাত বিশেষ গুৰুত্ব প্রদান কৰি গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ (DWCRA) অধীনস্থ শিশুসকলৰ বিশেষকৈ কন্যা শিশুসকলৰ মাজত প্রতিষেধক প্রদান, পৰিপুষ্টি আদি ব্যৱস্থাৰ আঁসোৱাহ দূৰ কৰা ।
- গ্রাম্য মহিলা আৰু শিশু উন্নয়ন আঁচনিৰ সদস্যসকলৰ শাৰীৰিকভাৱে বাধাগ্রস্ত সন্তানৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰা। কন্যা শিশুৰ সৈতে শাৰীৰিক নির্যাতনৰ ঘটনা সংঘটিত হ'লে তাৎক্ষণিকভাৱে আইনী ব্যৱস্থা গ্রহণ কৰাৰ লগতে উপযুক্ত ক্ষতিপূৰণ প্রদান কৰা।
- শিশুৰ যতন কার্যসূচীয়ে ছবছৰ অথবা তাতোকৈ কম বয়সৰ শিশুক সামৰি লৈছে। প্রতিটো জিলা গ্রাম্য উন্নয়ন সংস্থাই (DRDA) শিশুৰ যতন কার্যসূচী প্রৱর্তনৰ বাবে মুঠ ডেৰ লাখ টকা (কেন্দ্রীয় পুঁজিৰ পৰা একলাখ আৰু ৰাজ্যপুঁজিৰ পৰা পঞ্চাশহাজাৰ টকা) লাভ কৰিব।

৫.৬.৩ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান, ২০০৫-২০১২

অর্থনৈতিক আৰু সামাজিক উন্নয়ন প্রক্রিয়াৰ লগতে জীৱনশৈলীৰ মান উন্নত কৰাৰ ক্ষেত্রত প্রধানকৈ গ্রাম্য এলেকাত স্বাস্থ্যৰ গুৰুত্ব উপলব্ধি কৰি ভাৰত চৰকাৰে ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান প্রৱর্তন কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। এই আঁচনিৰ উদ্দেশ্য আছিল স্বাস্থ্য সেৱা প্রদানৰ ক্ষেত্রত উপযুক্ত কার্যকৰী পদক্ষেপ গ্রহণ কৰা। নির্ধাৰিত সাতবছৰৰ সময়সীমাৰ (2005-2012] ভিতৰত গ্রাম্য এলেকাত দ্রুত স্বাস্থ্য সেৱা প্রদান কৰাৰ লগতে ব্যক্তিসকলৰ স্বাস্থ্যৰ অৱস্থা উন্নত কৰিবৰ বাবে এই আঁচনি প্রৱর্তন কৰা হৈছিল।

এই অভিযানে এক সামগ্রিক দৃষ্টিভংগীৰে স্বাস্থ্যৰ সৈতে উন্নত স্বাস্থ্যসেৱাৰ বিভিন্ন কাৰক যেনে পৰিপুষ্টি, অনাময়, পৰিচ্ছন্নতা আৰু বিশুদ্ধ খোৱাপানী আদিৰ সম্পর্ক স্থাপন কৰিছিল। ইয়াৰ লগতে স্বাস্থ্যৰ যতনৰ বাবে ভাৰতীয় ঔষধ ব্যৱস্থাক মূল সূঁতিলৈ অনাৰ লক্ষ্য গ্রহণ কৰিছিল। এই আঁচনিৰ কর্মপৰিকল্পনাৰ অন্তর্গত বিষয়সমূহ হৈছে, স্বাস্থ্যক্ষেত্রত ৰাজহুৱা ব্যয় বৃদ্ধি কৰা, স্বাস্থ্যৰ আন্তঃগাঠনিৰ ক্ষেত্রত আঞ্চলিক বৈষম্য দূৰ কৰা, সাহার্য বৃদ্ধি কৰা, সাংগঠনিক সংৰচনাৰ সংহতিকৰণ, স্বাস্থসেৱাৰ কর্মীৰ সংখ্যা বৃদ্ধি, স্বাস্থ্য কার্যসূচীৰ বিকেন্দ্রিকৰণ আৰু

জিলাভিত্তিত ইয়াক গ্রহণ কৰা, সম্প্রদায়সমূহৰ অংশগ্রহণ, জিলা স্বাস্থ্যসেৱালৈ পৰিচালনা আৰু বিত্তীয় সদস্য প্রেৰণ আৰু দেশৰ প্রতিটো ব্লকত ভাৰতীয় ৰাজহুৱা স্বাস্থ্য মান অনুসৰি সম্প্রদায়ত্তিক স্বাস্থ্যকেন্দ্রক পূর্ণাংগ চিকিৎসালয়লৈ উন্নীত কৰা। ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানত সর্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ বিহাৰ, মধ্যপ্রদেশ, ৰাজস্থান, উত্তৰ প্রদেশ, ঝাৰখণ্ড, ছট্টিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্রদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্রদেশ, ছিক্কিম আৰু মিজোৰাম।

➢ **প্রধান লক্ষ্য ঃ**

- ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানৰ মূল লক্ষ্য হৈছে বিশেষকৈ গ্রামাঞ্চলত বসবাস কৰা লোক, দৰিদ্র, মহিলা আৰু শিশুক প্রাধান্য দি জনসাধাৰণৰ বাবে মানবিশিষ্ট স্বাস্থ্যসেৱা উপলব্ধ কৰোৱা। নৱজাতকৰ মৃত্যুহাৰ আৰু প্রসৱকালীন মৃত্যুহাৰ হ্রাস কৰাও এই আঁচনিৰ অন্যতম লক্ষ্য।
- মহিলাৰ স্বাস্থ্য, শিশুৰ স্বাস্থ্য, পানী, পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্রতিষেধক আৰু পৰিপুষ্টি আদি স্বাস্থ্যক্ষেত্রৰ বিভিন্ন সেৱাক সার্বজনীন ৰূপত উপলব্ধ কৰোৱা।
- সংক্রামক আৰু অসংক্রামক দুয়োধৰণৰ ৰোগৰ লগতে স্থানীয়ভাৱে সোঁচৰা ৰোগ নিয়ন্ত্রণ আৰু নির্মূল কৰা।
- সংহত প্রাথমিক স্বাস্থ্যসেৱাৰ ব্যাপকহাৰত প্রসাৰ ঘটোৱা।
- জনসংখ্যা নিয়ন্ত্রণ, লিংগ আৰু জনসংখ্যাৰ ভাৰসাম্য ৰক্ষা কৰা।
- গ্রাম্য জনসাধাৰণক স্বাস্থ্যসম্মত জীৱনশৈলীৰ প্রতি উৎসাহী কৰি তোলা।
- ৰাষ্ট্রীয়, ৰাজ্যিক, ব্লক আৰু জিলা পর্যায়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আঁচনিসমূহৰ সংহতিকৰণ।
- প্রতিখন গাঁও অথবা বৃহৎ বসতিস্থানত সমূহীয়া আৰু ৰাজহুৱা স্বাস্থ্যক্ষেত্রৰ মাজত সংযোগকাৰীৰূপে পঞ্চায়তৰ দ্বাৰা নিযুক্তিপ্রাপ্ত আৰু পঞ্চায়তৰ ওচৰত দায়বদ্ধ এগৰাকী মহিলা সামাজিক স্বীকৃত স্বাস্থ্যকর্মী (ASHA) থাকিব। এই 'আশা' কর্মীগৰাকীয়ে স্বেচ্ছাসেৱীৰূপে স্বাস্থ্যক্ষেত্রত দায়িত্ব পালন কৰে। সার্বজনীন প্রতিষেধক ব্যৱস্থা, প্রজনন আৰু শিশুস্বাস্থ্য ক্ষেত্রত পৰামর্শকাৰী তথা সহকাৰী সেৱা, ঘৰে ঘৰে শৌচাগাৰ নির্মাণ আৰু অন্যান্য স্বাস্থসেৱাৰ কার্যসূচীৰ প্রসাৰৰ ক্ষেত্রত নিজৰ প্রদর্শনৰ ভিত্তিত অনুদান লাভ কৰে।পঞ্চায়তৰ গ্রাম্য স্বাস্থ্য কমিটিৰ নেতৃত্বত 'আশা' কর্মীগৰাকীয়ে অংগনবাদী কর্মী, এ এন এম আৰু অন্য বিভাগৰ কার্যকর্তা, আত্ম সহায়ক গোটৰ সদস্যৰ সহযোগিতাত গ্রাম্য স্বাস্থ্য আঁচনিৰ প্রস্তুতকৰণ আৰু প্রৱর্তনৰ ব্যৱস্থা গ্রহণ কৰে।
- সাধাৰণ ৰোগসমূহৰ বাবে ঔষধৰ টোপোলাসহ গাঁও পর্যায়ত প্রশিক্ষণপ্রাপ্ত অঞ্চলভিত্তিক কর্মীৰ উপস্থিতি। ৰাজহুৱা স্বাস্থকেন্দ্র আৰু সমূহীয়া স্বাস্থ্যকেন্দ্রত চিকিৎসকৰ উপস্থিতিৰ নিশ্চয়তা, ঔষধ মজুতকৰণ সহ উন্নত চিকিৎসালয় সেৱা উপলব্ধ কৰা। উন্নত চিকিৎসাসেৱাৰ বাবে অন্য চিকিৎসাকেন্দ্রলৈ স্থানান্তৰৰ সুব্যৱস্থা আৰু দৰিদ্র সীমাৰেখাৰ তলৰ লোকৰ বাবে 'জননী সুৰক্ষা যোজনা'ৰ অধীনত উন্নত চিকিৎসাৰ বাবে সাহার্য প্রদান কৰা।
- অংগনবাদী পর্যায়ত এটা নির্দিষ্ট দিনত স্বাস্থ্যদিৱস উদযাপন কৰা। এই দিৱসত প্রতিষেধক,

জন্মৰ পূৰ্বৰ আৰু পৰৱৰ্তী সময়ৰ স্বাস্থ্যপৰীক্ষাৰ লগতে মাতৃ তথা শিশুৰ পৰিপুষ্টি সম্পৰ্কীয় আৰু অন্যান্য স্বাস্থ্যসেৱা প্ৰদান কৰা।

পৰিকল্পিত উন্নয়নৰ ষাঠী বছৰৰ পিছতো স্বাস্থ্যসেৱা ক্ষেত্ৰত ভাৰত এতিয়াও বহু পিছ পৰি আছে। বিশ্বৰ শতকৰা ষোল্ল শতাংশ লোকৰ জনসংখ্যাৰ দেশ ভাৰতত প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুৰ হাৰ বিশ্বৰ শতকৰা ত্ৰিশ শতাংশ। ভাৰতত প্ৰসূতিৰ মৃত্যুৰ হাৰ যথেষ্ট অধিক। উন্নত দেশসমূহত জন্মৰ সময়ত প্ৰতিজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস 79 বছৰ ইয়াৰ বিপৰীতে ভাৰতত জন্মৰ সময়ত এজন ব্যক্তিৰ সম্ভাৱিত গড় আয়ুস মাত্ৰ 64 বছৰ। ভাৰতত অৰ্ধেকসংখ্যকতকৈও অধিক মহিলা ৰক্তহীনতাৰ সমস্যাত ভোগে যাৰ বাবে তেওঁলোক উচ্চহাৰত ৰোগত আক্ৰান্ত হয়। ভাৰতত তিনি বছৰৰ অধীন শিশুসকলৰ প্ৰায় অৰ্ধেকসংখ্যকেই ভিন্ন পৰ্যায়ৰ অপুষ্টিত আক্ৰান্ত হয়। এই অৱস্থা উপ-চাহাৰীয় দেশসমূহতকৈও নিকৃষ্ট। অৰ্থাৎ বুজা যায় যে প্ৰায় অৰ্ধেকসংখ্যক ভাৰতীয় শিশু বৃদ্ধিহীনতা, মানসিক প্ৰতিবন্ধকতা আৰু সংক্ৰামক ৰোগ আদি স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত হোৱাৰ আশংকা থাকে।

ৱ অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ চমুকৈ উত্তৰ দিয়ক-

ক) কোন চনত গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনি প্ৰৱৰ্তন কৰা হৈছিল?

খ) গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্ৰধান লক্ষ্য কি আছিল?

গ) ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান কোন চনত আৰু প্ৰৱৰ্তন কৰাৰ উদ্দেশ্য কি?

প্ৰশ্ন নং ১৩ ঃ গ্ৰাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্ৰধান বিষয়সমূহ কি কি আছিল?

.প্ৰশ্ন নং ১৪ঃ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানে সামৰি লোৱা ৰাজ্যকেইখনৰ নাম তালিকাভুক্ত কৰক।

প্ৰশ্ন নং ১৫ ঃ অৰ্থ বহলাই লিখক —

ক) NRHM খ) NHS গ) CBCS ঘ) JSY

ঙ) DWCRA চ) PPP ছ) ASHA

৫.৭ গ্ৰাম্য উন্নয়নত স্বেচ্ছাসেৱী সংগঠন আৰু ৰাইজৰ অংশগ্ৰহণ

এখন সমাজৰ সামগ্ৰিকভাৱে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু প্ৰশাসনীয় সকলো দিশ সামৰি উৰ্ধগামী উন্নয়নক সূচোৱা গ্ৰাম্য উন্নয়ন হৈছে এক গতিশীল প্ৰক্ৰিয়া। ইয়াৰ মূল লক্ষ্য হৈছে উন্নয়নৰ সুফলৰ গ্ৰাম্য সমাজৰ অতি দৰিদ্ৰ পৰিয়ালসমূহৰ মাজলৈ প্ৰসাৰ ঘটোৱা। উল্লেখযোগ্য যে কোনো এখন গ্ৰাম্য উন্নয়ন আঁচনিৰ

সফলতা-বিফলতা আনকি এই আঁচনি বর্তি থকা-নথকা নির্ভৰ কৰে ইয়াৰ পৰিচালনাৰ ওপৰত। এনেধৰণৰ আঁচনিক উপযুক্তভাৱে পৰিচালনা নকৰিলে উন্নয়নৰ পথ ৰুদ্ধ হৈ পৰিব। তাৎপর্যপূর্ণ যে এইক্ষেত্রত ৰাইজৰ অংশগ্রহণ আৰু উপযুক্ত সজাগতাইহে তৃণমূল পর্যায়ত উন্নয়ন সাধন কৰিব পাৰে।

৫.৭.১ গ্রাম্য এলেকাত স্বেচ্ছাসেৱী সংগঠন

স্বেচ্ছাসেৱী সংগঠন অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। এই সংগঠনসমূহে গ্রাম্য জনসাধাৰণক উন্নয়নমূলক আঁচনিৰ পৰিকল্পনা অথবা প্রৱর্তনৰ ক্ষেত্রত উৎসাহ যোগাব পাৰে। গাঁৱৰ অধিকসংখ্যক লোক অশিক্ষিত হোৱাৰ বাবে তেওঁলোকে গাঁও পর্যায়ত প্রৱর্তন কৰা বিভিন্ন চৰকাৰী আঁচনিৰ সুফল উপলব্ধি কৰিব নোৱাৰে। এইক্ষেত্রত স্বেচ্ছাসেৱী অথবা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহে তেওঁলোকক সজাগতামূলক শিবিৰ আৰু উপযুক্ত প্রশিক্ষণ ব্যৱস্থাৰে চৰকাৰী আঁচনিত অংশ ল'বলৈ অনুপ্রাণিত কৰি তুলিব পাৰে।

বর্তমান দেশত গ্রাম্য উন্নয়ন প্রকল্প সফলভাৱে প্রৱর্তন আৰু পৰিচালনা কৰিব পৰাকৈ প্রয়োজনীয় আন্তঃগাঁঠনি সম্পন্ন যথেষ্টসংখ্যক স্বেচ্ছাসেৱী সংগঠন আছে। ৰাষ্ট্রীয় স্তৰত গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ প্রসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কর্ম আৰু গ্রাম্য উন্নয়ন প্রযুক্তিৰ অগ্রগতি পৰিষদ' (CAPART, The Council for Advancement of People's Action And Rural Development Technology)। চছাইটিৰ সামাজিক পঞ্জীকৰণ আইনৰ (Societies Registration Act) অধীনত 1986 চনৰ এক ছেপ্টেম্বৰত এই আঁচনিৰ পঞ্জীকৰণ কৰা হৈছিল। ইয়াৰ মুখ্য কার্যালয় অৱস্থিত নতুন দিল্লীত। গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী কার্যক উৎসাহ, প্রসাৰতা প্রদান আৰু সহযোগিতা আগবঢ়োৱাই পৰিষদৰ মূল লক্ষ্য।

উন্নয়নৰ বাবে বর্তমান অধিক উদ্যমেৰে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহ আগবাঢ়ি অহা দেখা যায়। পূঁজি যোগান ধৰা সংস্থাসমূহৰ সহযোগিতাৰ বাবে ডাঙৰ-সৰু সকলোধৰণৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনে কাম কৰি যোৱাৰ অনুপ্রেৰণা লাভ কৰিছে। ইয়াৰ দ্বাৰা পূঁজি যোগান ধৰা সংস্থাসমূহেও পূর্বৰ তুলনাত অধিক সক্রিয় ভূমিকা গ্রহণ কৰাটো প্রয়োজনীয় হৈ পৰিছে। এনেধৰণৰ গৰিষ্ঠসংখ্যক সংস্থাই এতিয়া 'সম্পদৰ কেন্দ্র'ৰ ভূমিকা গ্রহণ কৰি আঁচনিসমূহ পৰিকল্পনা আৰু প্রৱর্তনৰ লগতে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ সক্রিয়তা বৃদ্ধিত অৰিহণা যোগায়। উচ্চ স্তৰত উন্নয়ন অনাৰ ক্ষেত্রত বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ যোগ্যতাই ইতিমধ্যে স্বীকৃতি লাভ কৰিছে।

৫.৭.২ গ্রাম্য উন্নয়নত ৰাইজৰ অংশগ্রহণ

গ্রাম্য উন্নয়নৰ যিকোনো ক্ষেত্রত আটাইতকৈ গুৰুত্বপূর্ণ দিশটোৱে হৈছে 'ৰাইজ', যাৰ বাবে আঁচনিসমূহ প্রৱর্তন কৰা হয়। সেইবাবে গ্রাম্য জনসাধাৰণৰ সক্রিয় আৰু সর্বব্যাপী অংশগ্রহণ অবিহনে ৰাষ্ট্রীয় পৰিসৰত যিকোনো

গ্রাম্য উন্নয়ন আঁচনিক প্ৰৱৰ্তন কৰাটো সম্ভৱ নহয়। গ্রাম্য উন্নয়নৰ আঁচনিক এনেধৰণে প্রণয়ন কৰিব লাগে যাতে এই পদক্ষেপে অধিকসংখ্যক লোকক আঁচনিত অংশগ্রহণৰ বাবে উৎসাহ যোগোৱাৰ লগতে আঁচনিৰ সফল প্ৰৱৰ্তনত তেওঁলোকক জড়িত কৰি তোলে।

গ্রাম্য উন্নয়ন আঁচনিত অংশগ্রহণৰ বাবে ৰাইজক উৎসাহী আৰু নিৰুৎসাহী কৰি তুলিব পৰা কেইবাটাও কাৰক আছে। সেইবাবে আঁচনি প্রস্তুতৰ দায়িত্বত থকা সকলে জনসাধাৰণে পৰিকল্পনাত অংশগ্রহণ কৰিবৰ বাবে আগ্রহী কাৰকসমূহ উলিয়াই বিশেষ কিছুমান কৌশল উদ্ভাৱন কৰিব লাগে। বিগত সময়ত পৰিকল্পনা প্রস্তুতকৰণ আৰু প্ৰৱৰ্তনত ৰাইজক অংশগ্রহণ কৰোৱাৰ বাবে ভাৰতে গ্রহণ কৰা প্রচেষ্টাক পর্যালোচনা কৰিলে দেখা পোৱা যায় যে পৰিকল্পনাৰ বিকেন্দ্রীকৰণ আৰু প্রশাসনীয় পদক্ষেপৰ ক্ষেত্রত জনসম্পর্কৰক্ষী সংস্থাসমূহে আশা কৰা মতে ফলাফল প্রদর্শন কৰিব পৰা নাই।

1992 চনত সংবিধানৰ 73 সংখ্যক সংশোধনীৰ পিছত গ্রাম্য উন্নয়ন কার্যসূচীৰ পৰিকল্পনা আৰু প্ৰৱৰ্তনৰ ক্ষেত্রত ৰাইজৰ অংশগ্রহণ পূর্বতকৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছিল। কিন্তু বর্তমান সময়লৈকে দেখা যায় যে এই দৃশ্যপটৰ চকুত লগাকৈ পৰিৱর্তন হোৱা নাই। এতিয়া উন্নয়নৰ আঁচনিসমূহত বহুসংখ্যক লোক অংশগ্রহণৰ পৰা বিৰত আছে, ইয়াৰ কাৰণ এনেদৰে তুলি ধৰিব পাৰি-

- গ্রাম্য এলেকাত বসবাস কৰা লোকসকল সাধাৰণতে অশিক্ষিত অথবা অর্ধশিক্ষিত হয় বাবে তেওঁলোকে নিজৰ অংশগ্রহণৰ গুৰুত্ব উপলব্ধি নকৰে।
- প্রেৰণাৰ অভাৱো তেওঁলোকৰ সক্রিয় অংশগ্রহণৰ ক্ষেত্রত প্রতিবন্ধক হৈ দেখা দিয়ে।
- ৰাইজৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনি সন্দর্ভত অজ্ঞতাৰ বাবেও তেওঁলোকে আঁচনিসমূহত সক্রিয় অংশগ্রহণ কৰিবলৈ সক্ষম নহয়।
- সজাগতাৰ অভাৱৰ মাজতে এই কার্যসূচীসমূহ প্ৰৱৰ্তন কৰা হয়। অর্থাৎ নির্দিষ্ট কর্তৃপক্ষৰ পৰা ৰাইজৰ মাজলৈ তথ্য অতি কম পৰিমাণে সৰবৰাহ হয়।
- সাধাৰণতে সিদ্ধান্ত লোৱাৰ ক্ষেত্রত মহিলাসকলক আঁতৰাই ৰখা হয় বাবে তেওঁলোকৰ অংশগ্রহণৰ হাৰ নিম্নমানৰ হোৱা দেখা যায়।

অর্থাৎ 'গ্রাম্য উন্নয়ন' সংজ্ঞাৰ দ্বাৰা গ্রাম্য লোকসকলৰ জীৱনশৈলী উন্নত কৰাৰ লক্ষ্যৰে গ্রহণ কৰা সামগ্রিক উন্নয়নৰ ধাৰণাক বুজোৱা হয়। এই প্রসংগত ইয়াক এক সামগ্রিক আৰু বহুমাত্রিক ধাৰণা বুলি ক'ব পৰা যায় আৰু এই ব্যৱস্থাৰ দ্বাৰা গ্রাম্য এলেকাত কৃষিক্ষেত্র আৰু ইয়াৰ সৈতে সম্পর্কিত কার্যাৱলী, গ্রাম্য আৰু কুটিৰ উদ্যোগ, হস্তশিল্প, আর্থ-সামাজিক আন্তঃগাঠনি, সমূহীয়া সেৱা আৰু সুবিধাৰ লগতে সর্বোপৰি মানৱ সম্পদ উন্নয়নত গুৰুত্ব দিয়া হয়। গ্রাম্য উন্নয়নক এটা প্রক্রিয়া, এটা পৰিঘটনা, এটা কৌশল আৰু এক বিষয় ৰূপে ব্যাখ্যা কৰিব পৰা যায়। *প্রক্রিয়াৰূপে* ইয়ে নির্ধাৰিত ল ক্ষ্যত উপনীত হ'বলৈ ব্যক্তি, সম্প্রদায় আৰু ৰাষ্ট্রৰ কর্মব্যস্ততাক বুজায়। *পৰিঘটনাৰূপে* গ্রাম্য উন্নয়ন হৈছে বিভিন্ন অর্থনৈতিক, আর্থ-সামাজিক, সংস্থাগত, প্রযুক্তিগত আদি কাৰণৰ সহঅৱস্থানৰ অন্তিম ফলাফল। *কৌশলৰূপে* গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ অর্থনৈতিক, সামাজিক উন্নতি সাধন কৰাৰ

উদ্দেশ্যে গ্রাম্য উন্নয়নক গ্রহণ কৰা হয়। *বিষয় ৰূপে* গ্রাম্য উন্নয়নৰ প্রকৃতি আন্তঃবিষয়মূলক আৰু ইয়াত কৃষি, সামজিক, ব্যৱহাৰিক, অভিযান্ত্রিক আৰু পৰিচালনা বিজ্ঞান আদি সকলো বিষয় জড়িত হৈ আছে। গ্রাম্য উন্নয়নৰ সৈতে সম্পর্কিত কেতবোৰ লক্ষ্য হৈছে-

- ❍ জনমূৰি আয় বৃদ্ধি কৰা (অর্থনৈতিক বিকাশ)।
- ❍ আয় ব্যৱস্থাৰ বিতৰণৰ ক্ষেত্রত উন্নতি (সমতা)।
- ❍ সম্পদ, শিক্ষা, স্বাস্থ্যসেৱা, নিয়োগৰ সুবিধা আৰু ন্যায়ৰ ক্ষেত্রত সমান অধিকাৰ।

গতিকে ইয়াৰ পৰা ক'ব পৰা যায় যে তৃণমূল পর্যায়ৰ পৰা উন্নয়নৰ নির্ধাৰিত লক্ষ্য হৈছে ৰাষ্ট্রীয় সমৃদ্ধি। সেইবাবে উন্নয়নৰ ক্ষেত্রত এক সংহত দৃষ্টিভংগী গ্রহণ কৰাটো বিশেষকৈ গ্রাম্য জনসাধাৰণৰ ক্ষেত্রত অতি প্রয়োজনীয়। ইয়াৰ বাবে গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা যিকোনো চৰকাৰী আঁচনিৰ সফলতাৰ বাবে স্থানীয় ৰাইজৰ সক্রিয় অংশগ্রহণ অতি জৰুৰী। উন্নয়নমূলক আঁচনিত সাধাৰণ ৰাইজৰ অংশগ্রহণ বৃদ্ধি কৰ্ত্তিলৈ চৰকাৰে গ্রাম্য জনসাধাৰাণৰ মাজত সজাগতা আনিব পৰা বিশেষ ব্যৱস্থা গ্রহণ কৰিবই লাগিব। পর্যাপ্ত সজাগতা আৰু সামাজিক সচেতনতাৰ অবিহনে ৰাইজে তেওঁলোকৰ বাবে গ্রহণ কৰা বিভিন্ন আঁচনিৰ গুৰুত্ব সম্পূর্ণৰূপে উপলব্ধি কৰাত ব্যর্থ হ'ব। এনেদৰে উন্নয়নৰ এক উর্ধগামী দৃষ্টিভংগী থকাটো প্রয়োজনীয় যাৰ জড়িয়তে ৰাইজে উন্নয়নৰ প্রক্রিয়াত সক্রিয় অংশগ্রহণ কৰিব পাৰে।

ৱ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ শুদ্ধ নে অশুদ্ধ লিখক।

ক) কৌশলৰূপে গ্রাম্য উন্নয়নে গ্রাম্য জনসাধাৰণৰ জীৱনশৈলীৰ মান আৰু স্থানৰ উন্নতি সাধন কৰাকে বুজায়।

খ) জনসাধাৰণৰ অংশগ্রহণ অবিহনে গ্রাম্য উন্নয়নৰ আঁচনি সফলভাৱে প্রৱর্তন কৰিব পৰা যায়।

প্রশ্ন নং ১৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) যিকোনো .....ৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে ..... যাৰ বাবে আঁচনি গ্রহণ কৰা হৈছে।

খ) ..... প্রসাৰৰ বাবে দায়িত্ব গ্রহণ কৰা মূল সংস্থা হৈছে .....।

গ) ..... য়ে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

t চিন্তা চর্চা কৰক ৫.১

চৰকাৰে অসমত প্ৰৱৰ্তন কৰা গুৰুত্বপূৰ্ণ গ্রাম্য উন্নয়ন আঁচনিসমূহৰ ওপৰত এটা টোকা লিখক।

অসমত ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানৰ সফলতা-বিফলতা মূল্যায়ন কৰক।

দৰিদ্রতা আৰু নিবনুৱা সমস্যা উভয়ে উভয়ৰ কাৰণ আৰু ফলাফল উদাহৰণসহ ব্যাখ্যা কৰক।

2 ৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ‘গ্রাম্য উন্নয়ন’ সংজ্ঞাৰ দ্বাৰা দৰিদ্র গাওঁবাসীৰ জীৱনৰ মানৰ সামগ্রিক উন্নয়নকে বুজোৱা হয়।
- গ্রাম্য উন্নয়নৰ ক্ষেত্রত দৰিদ্রতা নির্মূলকৰণকে সর্বাধিক গুৰুত্ব প্রদান কৰা হয়। অতীতৰে পৰা দৰিদ্রতা আৰু নিবনুৱা সমস্যাই দেশক ভাৰাক্রান্ত কৰি ৰাখিছে। উন্নয়নমূলক পৰিকল্পনাৰ আৰম্ভনিৰ পৰা এই দুই সমস্যাক নির্মূল কৰাটোৱে হৈছে দেশৰ অন্যতম প্রধান লক্ষ্য। সেই অনুসৰি সময়ে সময়ে ভাৰত চৰকাৰে দৰিদ্রতা আৰু নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে বিভিন্ন আঁচনি গ্রহণ কৰিছে।
- গ্রাম্য উন্নয়নৰ আঁচনিসমূহৰ দ্বাৰা ৰাইজৰ কর্মস্থান আৰু বসতিস্থানৰ অৱস্থা উন্নত কৰাত গুৰুত্ব প্রদান কৰা হয়। ৰাইজে কি বিচাৰে তাৰ আধাৰত নির্ভৰ কৰি আঁচনিসমূহৰ লক্ষ্য নির্ধাৰণ কৰা হয়। আনহাতে আকাংক্ষিত পৰিৱর্তন অনাৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিব পাৰে বুলি ৰাইজে ধাৰণা কৰে তাৰ ভিত্তিত এইক্ষেত্রত উন্নয়নৰ ব্যৱস্থা গ্রহণ কৰা হয়।
- আন্তঃগাথঁনি উন্নয়নৰ বাবে গ্রহণ কৰা এক অন্যতম আঁচনি হৈছে ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি।
- সমাজ উন্নয়ন আঁচনি আছিল সমতাৰ ওপৰত ভিত্তি কৰি কৃষি আৰু গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা দেশৰ সর্ববৃহৎ পৰিসৰৰ, সু-পৰিকল্পিত আৰু সংগঠিত পদক্ষেপ। সমাজ উন্নয়ন আঁচনিৰ মূল উদ্দেশ্য আছিল গ্রাম্য সমাজৰ বস্তুগত সম্পদ আৰু মানৱ সম্পদৰ সামগ্রিক উন্নয়ন সাধন কৰি স্থানীয় নেতৃত্ব আৰু স্বশাসনমূলক সংস্থাৰ বিকাশ ঘটোৱা যাতে গ্রামাঞ্চলবাসীৰ জীৱনৰ মান উন্নত হয়। ইয়ে কৃষি আৰু গ্রাম্য উন্নয়নমূলক আঁচনিৰ বাবে ভেঁটি স্থাপন কৰে।
- সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ। বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি। এই আঁচনি হৈছে দেশত দৰিদ্রতা নির্মূলকৰণৰ বাবে অঞ্চলভিত্তিক উন্নয়নমূলক ব্লকত বর্তমানেও প্রচলিত একমাত্র বৃহৎ আঁচনি।

- চৰকাৰী আৰু বেচৰকাৰী সংগঠনসমুহে গ্রাম্য উন্নয়নৰ ক্ষেত্রত যথেষ্ট ভুমিকা পালন কৰে । গ্রাম্য উন্নয়নৰ বাবে এই সংগঠনসমুহে গ্রাম্যঞ্চলৰ ব্যক্তিসকলক অর্থবহ আঁচনি তৈয়াৰ কৰিবৰ বাবে অভিৰুচিত কৰাৰ লগতে আঁচনিসমুহৰ প্রয়োগৰ ক্ষেত্রতো বলিষ্ঠ পদক্ষেপ গ্রহণ কৰিব পাৰে ।

৫.৯ অধিক জানিবলৈ

1) Ahlawat, S.R.(ed.).(2008). *Economic Reforms and Social Transformation*. Jaipur : Rawat Publications.

2) Deogaonkar, S.G. (1994).*Tribal Administration and Development (With Ethnographic Profiles of Selected Tribes)*. New Delhi:Concept Publishing Company.

3) Mohanty, Manoranjan (ed.) (2010). *India:Social Development Report 2010:The Land Question and the Marginalized*.Council for Social Development.New Delhi:Oxford Publishing House.

4) Samanta, R.K(ed.), (1991). *Rural Development in North-East India: Perspectives, Issues and Experiences*.New Delhi: Uppal Publishing House.

৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গ্রামাঞ্চলৰ ব্যক্তিসকলৰ জীবনধাৰণাৰ লাভৰ বাবে জনসাধাৰণৰ কল্যাণ সাধন কৰায়েই হ'ল গ্রাম্যঞ্চল বিকাশৰ মুখ্য উদ্দেশ্য। গ্রাম্য উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনি আৰু পৰিকল্পনাসমূহৰ লক্ষ্য গাওঁবাসীৰ জীৱনৰ মান উন্নত কৰা। গ্রাম্য উন্নয়নৰ আওতাত কেৱল কৃষিয়ে নহয় ইয়াৰ লগতে সমাজ কল্যাণ যেনে, শিক্ষা, স্বাস্থ্য, দৰিদ্রতা নির্মূলকৰণ, বিশুদ্ধ খোৱাপানী যোগান, অনাময় ব্যৱস্থা, বৈদ্যুতিক যোগান, যুৱপ্রজন্মৰ নিযুক্তি, গ্রাম্য উদ্যোগ স্থাপন, যোগাযোগ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি, বজাৰৰ সৈতে সংযোগৰ লগতে আন আন বিভিন্ন দিশ যেনে ব্যক্তিসকলৰ বাচনি প্রক্রিয়া প্রসাৰৰ লগতে সিদ্ধান্ত গ্র হন প্রক্রিয়াটো ব হুলভাবে জড়িত হো ৱা বিষয়কো সামৰি লোৱা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ হ'ল-

জীৱনৰ মৌলিক প্রয়োজনঃ মানুহৰ কিছুমান মৌলিক প্রয়োজন থাকে যাৰ অবিহনে জীৱন

ধাৰণ অসম্ভৱ। এই মৌলিক প্ৰয়োজনসমূহ হৈছে খাদ্য, বস্ত্ৰ, বাসস্থান, প্ৰাথমিক সাক্ষৰতা, প্ৰাথমিক স্বাস্থ্যসেৱাৰ লগতে জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা।

আত্ম-সন্মানঃ গ্রাম্যঞ্চল বিকাশে সমাজৰ প্রতিজন ব্যক্তিৰে আত্মসন্মান সুৰক্ষিত আৰু উন্নতশীল কৰি তুলে । প্রতিজন ব্যক্তি আৰু প্রতিখন ৰাষ্ট্রৰ সুকীয়া আত্ম-সন্মানবোধ বা সন্মান থাকে। এই আত্ম সন্মানবোধৰ অভাৱ বা নস্যাৎকৰণে উন্নয়নৰ অভাৱকে সূচায়।

স্বাধীনতাঃ স্বাধীনতা মানে এই প্রসংগত সামাজিক দাসত্বৰ পৰা ৰাজনৈতিক, ভাৱাদর্শীয় আৰু অর্থনৈতিক স্বাধীনতাক বুজোৱা হৈছে। গ্রামাঞ্চল বিকাশে ব্যক্তিসকলৰ বাবে তেনেধৰণৰ স্বাধীনতাকে বুজায় যিয়ে বহল অর্থত সমাজখনৰ বা দেশখনৰ বৃদ্ধি আৰু বিকাশত অৰিহনা যোগায় ।

৩ নং প্রশ্নৰ উত্তৰ ঃ সমাজ উন্নয়ন আঁচনিৰ প্রধান লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্রসকল।

৪ নং প্রশ্নৰ উত্তৰ ঃ সমাজ উন্নয়ন আঁচনিৰ মূল বিষয়সমূহ আছিলঃ কৃষি আৰু ইয়াৰ সম্পর্কিত বিষয়সমূহ, জলসিঞ্চন, যোগাযোগ, শিক্ষা, স্বাস্থ্য, অতিৰিক্ত নিযুক্তি, বাসগৃহ, সমাজ কল্যাণ আৰু প্রশিক্ষণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ। খ) অশুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনি হৈছে আত্ম নিয়োজনৰ ক্ষেত্রত গ্রহণ কৰা আটাইতকৈ গুৰুত্বপূর্ণ পদক্ষেপ । বর্তমান সময়ত সমগ্র দেশতে প্রচলিত এই আঁচনিয়ে হৈছে একমাত্র বৃহৎ দৰিদ্রতা দূৰীকৰণৰ আঁচনি। এই আঁচনিৰ লক্ষ্য গ্রামাঞ্চলৰ দৰিদ্র ৰাইজক আত্ম নিয়োজনৰ সুযোগ আৰু সুবিধা প্রদান কৰি তেওঁলোকক দৰিদ্র সীমাৰেখাৰ ওপৰলৈ অনাৰ ব্যৱস্থা কৰা। সংহত গ্রাম্য উন্নয়নৰ দ্বাৰা গ্রামাঞ্চলৰ দৰিদ্র ৰাইজৰ হকে সম্পদৰ সমবিতৰণ আৰু নিয়োগৰ সুবিধা প্রদান কৰি আয়ৰ ক্ষেত্রত থকা বৈষম্য দূৰ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ জড়িয়তে দৰিদ্রতা নির্মূলকৰণৰ বাবে উন্নয়নৰ গুৰুত্বপূর্ণ দিশসমূহ যেনে কৃষি, ক্ষুদ্র জলসিঞ্চন, মীন পালন, পশুপালন আৰু পশুচিকিৎসা, উদ্যোগ আৰু সেৱা আৰু অন্যান্য আঞ্চলিক সেৱাসমূহক সাঙুৰি এক সামগ্রিক আৰু সংহত আঁচনি গ্রহণ কৰা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) 1978–79¼

খ) আত্ম নিয়োজনৰ বাবে গ্রাম্য যুৱক-যুৱতীৰ প্রশিক্ষণ (TRYSEM)।

৯ নং প্রশ্নৰ উত্তৰ ঃ ন্যূনতম প্রয়োজনীয়তাৰ আঁচনি হৈছে চৰকাৰে দৰিদ্রতা নির্মূলকৰণৰ বাবে গ্রহণ কৰা অন্যতম গুৰুত্বপূর্ণ আঁচনি। গ্রামাঞ্চলত বসবাস কৰা সকলো শ্রেণীৰ লোকৰ বাবে এক মৌলিক মানবিশিষ্ট জীৱনশৈলী নিশ্চিতকৰাই আছিল ইয়াৰ লক্ষ্য। এক নির্দিষ্ট সময়সীমাৰ ভিতৰত এক গ্রহণযোগ্য সামাজিক মান লাভ কৰিব পৰাকৈ কেতবোৰ নির্ধাৰিত সেৱাক সামূহিকৰূপত উপলব্ধ কৰাটোৱে ইয়াৰ প্রধান দিশ।

১০ নং প্রশ্নৰ উত্তৰ ঃ ন্যূনতম প্রয়োজনীয়তাৰ অধীনস্থ বিষয়সমূহ হৈছে-

1) প্রাথমিক শিক্ষা।

2) প্রাপ্তবয়স্কৰ শিক্ষা।

3) গ্রাম্য স্বাস্থ্য।

4) গ্রাম্য পানী যোগান।

5) গ্রাম্য পথ।

6) গ্রাম্য আবাস।

7] গ্রাম্য বৈদ্যুতিকীকৰণ।

8) নগৰীয় বস্তি এলেকাৰ পৰিৱেশ উন্নীতকৰণ।

9) পৰিপুষ্টি।

10) গ্রাম্য ৰন্ধন শক্তি।

11) গ্রাম্য অনাময়।

12) ৰাজহুৱা বিতৰণ ব্যৱস্থা।

১১ নং প্রশ্নৰ উত্তৰ ঃ ক) সম্প্রদায় উন্নয়ন আঁচনিৰ অংশৰূপে গ্রাম্য আবাসগৃহৰ আঁচনিক 1957 চনত প্রৱর্তন কৰা হৈছিল।

খ) ৰাষ্ট্রীয় সাধাৰণ ন্যূনতম আঁচনিক (NCMP) গ্রাম্য এলেকাৰ জীৱনশৈলীৰ মান উন্নত কৰিবলৈ গ্রহণ কৰা হৈছিল।

১২ নং প্রশ্নৰ উত্তৰ ঃ ক) গ্রাম্য সমাজৰ মহিলা আৰু শিশু উন্নয়ন আঁচনিক 1957 চনত প্রৱর্তন কৰা হৈছিল।

খ) গ্রাম্য সমাজত মহিলা আৰু শিশুৰ উন্নয়ন (DWCRA) আঁচনিৰ প্রধান লক্ষ্য আছিল গ্রামাঞ্চলৰ দৰিদ্র সীমাৰেখাৰ তলৰ মহিলাসকলে আত্ম নিয়োজনৰ মাধ্যমেৰে উপার্জনমুখী বৃত্তি গ্রহণ কৰিব পৰাকৈ তেওঁলোকৰ সৱলীকৰণ কৰা। তেওঁলোকৰ মাজত আত্ম নিয়োজনৰ মাধ্যমত বহনক্ষম উপার্জনমুখী কার্যব্যৱস্থাৰ সৃষ্টি কৰা।

গ) 2005 চনত গ্রামাঞ্চলৰ ৰাইজৰ স্বাস্থ্য সেৱা উন্নত কৰিবলৈ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান আৰম্ভ কৰা হৈছিল।

১৩ নং প্রশ্নৰ উত্তৰ ঃ সংহত গ্রাম্য উন্নয়ন আঁচনিৰ অন্য দিশতকৈ ব্যতিক্রম এই আঁচনিত (DWCRA) উপার্জন বৃদ্ধি কৰাৰ লগতে স্বাস্থ্য, শিক্ষা, বিশুদ্ধ খোৱাপানী, অনাময়, পৰিপুষ্টি আৰু বহুকেইটা দিশত গুৰুত্ব দিয়া হৈছিল। গতিকে কেৱল আর্থিক উন্নয়নৰ লক্ষ্যই নহয় এই আঁচনিৰ জড়িয়তে সামাজিক উন্নয়নো সাধন কৰিব বিচৰা হৈছিল। এই আঁচনিৰ আন এক বৈশিষ্ট হ'ল ইয়াৰ দ্বাৰা সামূহিক কাম কাজত গুৰুত্ব প্রদান কৰা হৈছিল। ধাৰণা কৰা হৈছিল যে অনাগত সময়ত সজাগতা আৰু আত্ম নির্ভৰশীলতাৰ মাধ্যমত গঢ়ি উঠা এক জাগৰণৰ ওপৰতহে আনি মহিলা সৱলীকৰণ নির্ভৰ কৰিব।

১৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযানত সর্বাধিক গুৰুত্ব দিয়া ওঠৰখন ৰাজ্য হৈছেঃ

বিহাৰ, মধ্যপ্রদেশ, ৰাজস্থান, উত্তৰ প্রদেশ, ঝাৰখণ্ড, ছত্তিশগঢ়, উত্তৰাখণ্ড, উৰিষ্যা, হিমাচল প্রদেশ, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, মণিপুৰ, মেঘালয়, নাগালেণ্ড, অসম, অৰুণাচল প্রদেশ, ছিক্কিম আৰু মিজোৰাম।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ক) NRHM-National Rural Health Mission

খ) NHS-National Health Survey

গ) CBCS-Community Based Convergent Services

ঘ) JSY-Jawahar Rojgar Yojna

ঙ) DWCRA-Development of Women And Children in Rural Area

চ) PPP-Public Private Partnership

ছ) ASHA-Accredited Social Health Activist

১৬ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ। (খ) অশুদ্ধ।

১৭ নং প্রশ্নৰ উত্তৰ ঃ ক) যিকোনো গ্রাম্য উন্নয়ন আঁচনিৰ আটাইতকৈ গুৰুত্বপূর্ণ হৈছে জনসাধাৰণ যাৰ বাবে আঁচনি গ্রহণ কৰা হৈছে।

খ) গ্রাম্য উন্নয়নৰ বাবে স্বেচ্ছাসেৱী সংগঠনৰ প্রসাৰ ঘটাবলৈ দায়িত্বত থকা মূল সংস্থাটোৰ নাম হৈছে 'ৰাইজৰ কর্ম আৰু গ্রাম্য উন্নয়ন প্রযুক্তিৰ অগ্রগতি পৰিষদ।'

গ) স্বেচ্ছাসেৱী সংগঠনসমূহে গ্রাম্য উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

M ৫.১ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (150টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গ্রামাঞ্চল বিকাশ বুলিলে কি বুজে ?

প্রশ্ন ২ ঃ গ্রাম্য উন্নয়নৰ প্রধান বিষয়সমূহ কি কি ?

প্রশ্ন ৩ ঃ গ্রাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনি আৰু প্রকল্পসমূহৰ ৰূপায়ণৰ গুৰুত্ব আছে বুলি আপুনি কিয় ভাবে ?

প্রশ্ন ৪ ঃ নূন্যতম প্রয়োজনীয়তাৰ আঁচনিৰ প্রাসংগিকতা কি কি ?

প্রশ্ন ৫ ঃ চমুটোকা লিখক—

ক) বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনû স্বেচ্ছাসেৱী সংস্থা আৰু গ্রাম্য উন্নয়নত ইয়াৰ ভূমিকা।

খ) সংহত গ্রাম্য উন্নয়ন আঁচনি

প্রশ্ন ৬ ঃ সমাজ উন্নয়ন আঁচনিৰ মূল বৈশিষ্ট্যসমূহ তুলি ধৰক।

প্রশ্ন ৭ ঃ গ্রাম্য সমাজত মহিলা আৰু শিশু উন্নয়নআঁচনিৰ গুৰুত্বপূর্ণ দিশসমূহ কি কি ?

খ) ৰচনাধর্মী প্রশ্ন (300-500 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিগত সত্তৰ বছৰত ভাৰত চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনি আৰু ব্যৱস্থা গ্রহণ কৰা স্বত্তেও ভাৰতৰ গ্রাম্য সমাজ তুলনামূলকভাৱে কিয় পিছপৰা আৰু অনুন্নত? এখন ৰচনা লিখক।

প্রশ্ন ২ ঃ গ্রাম্য উন্নয়নত ৰাইজক জড়িত কৰোৱাৰ সুবিধাসমূহ কি কি?

প্রশ্ন ৩ ঃ গ্রাম্য সমাজত মহিলা আৰু শিশু উন্নয়নৰ বাবে গ্রহন কৰা গ্রাম্য সমাজত মহিলা আৰু শিশু উন্নয়নৰ (DWCRA) আঁচনিৰ গুৰুত্বপূর্ণ প্রকল্পসমূহৰ বিষয়ে আলোচনা কৰক ।

প্রশ্ন ৪ ঃ অসমত ৰাষ্ট্রীয় গ্রামীন স্বাস্থ্য অভিযানৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

*****

অধ্যায় ৬ ঃ বিকেন্দ্রীকৰণৰ ৰাজনীতি

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 পঞ্চায়তীৰাজ প্ৰতিষ্ঠান
6.4 ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিৱৰ্তন
6.5 অসমত স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ
6.6 73 আৰু 74 সংখ্যক সংশোধনী আইন
6.7 পঞ্চায়তৰাজৰ কাম-কাজৰ সমস্যা
6.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.9 অধিক জানিবলৈ
6.10 অগ্ৰগতিৰ খতিয়ান
6.11 আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত আৰু অসমত বিকেন্দ্রীকৃত বিকেন্দ্রীকৃত ব্যৱস্থাৰ বিকাশ আৰু ইয়াৰ বিভিন্ন প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পঞ্চায়তীৰাজ ব্যৱস্থাৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- পঞ্চায়তীৰাজ ব্যৱস্থাৰ ক্ষমতা আৰু কাৰ্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

'বিকেন্দ্রীকৰণ' শব্দটোক মেৰিয়ম বেৱষ্টাৰ অভিধানে কাৰ্য আৰু ক্ষমতাৰ বিক্ষিপ্ততা বা বিতৰণ বুলি সংজ্ঞা আগবঢ়াইছে। বিশেষকৈ কেন্দ্ৰৰ পৰা আঞ্চলিক আৰু স্থানীয় কৰ্তৃপক্ষলৈ ক্ষমতা প্ৰদানক বুজায়। ই হৈছে কেন্দ্ৰীয়, আঞ্চলিক আৰু স্থানীয় পৰ্য্যায়ৰ চৰকাৰী প্ৰতিষ্ঠানলৈ কৰ্তৃত্ব হস্তান্তৰ কৰা প্ৰক্ৰিয়া। ইয়াৰ লগত স্থানীয় পৰ্য্যায়ৰ লোকৰ অংশগ্ৰহণ জড়িত হৈ থাকে যিয়ে সিদ্ধান্ত গ্ৰহণৰ সুযোগৰ ভালদৰে উৎসাহিত কৰে, ৰাজনৈতিক

ক্ষমতা আৰু পুঁজিৰ হস্তান্তৰ, কার্য হস্তান্তৰ আদি নীতি প্রণয়ন আৰু আন্যান্য ৰাজনৈতিক প্রক্রিয়াৰ বাবে মানুহৰ অংশগ্রহণ অতি প্রয়োজন। ইয়াৰ দ্বাৰা সিদ্ধান্ত গ্রহণ প্রক্রিয়াত মানুহক জড়িত কৰা হয় আৰু দক্ষতা আৰু স্বচ্ছতা বৃদ্ধিৰ লগতে মানুহক চৰকাৰৰ ওচৰলৈ লৈ যায়। ভাৰতত বিকেন্দ্রীকৰণৰ প্রয়োজনীয়তা বহু আগতেই উপলব্ধি কৰা হৈছিল। গ্রাম্য স্থানীয় চৰকাৰক সাংবিধানিক সমর্থন দিয়াৰ প্রচেষ্টাৰ ফলত 73 সংখ্যক সংশোধনী আইন গৃহীত হয়। 73 নং সাংবিধানিক সংশোধনী আইন, 1992চনত গাঁও, মধ্যম আৰু জিলা পর্য্যায়ত পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থা কৰা হৈছিল। এই আইনখনে সমগ্র দেশতে পঞ্চায়তীৰাজ গাঁথনিত একাকাৰিতা আনিছে। 1992 চনত 73 সংখ্যক সংশোধনী আইন গৃহীত হোৱাৰ লগে লগে পৰিকল্পনা, সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াত মানুহৰ অংশগ্রহণ ভাৰতৰ গ্রাম্য অঞ্চলত ৰূপায়ন আৰু প্রদান ব্যৱস্থাক উল্লেখযোগ্যভাৱে স্বীকৃতি দিয়া হৈছে।

৬.৩ পঞ্চায়তীৰাজ প্রতিষ্ঠান

পঞ্চায়তীৰাজৰ প্রতিষ্ঠানটো প্রায় সকলো ধৰণৰ ৰাজনৈতিক প্রশাসনৰ বাবে মৌলিক হৈ আহিছে যিটো ভাৰতৰ বৃহৎ অংশই কেইবা সহস্রাব্দ ধৰি ইতিহাসৰ মাজত প্রত্যক্ষ কৰি আহিছে। পঞ্চায়ত হৈছে স্থানীয় চৰকাৰৰ বিভিন্ন প্রশাসনিক আৰু বিত্তীয় কাম-কাজৰ সৈতে জড়িত একক, পঞ্চায়তীৰাজৰ ধাৰণাটোৱে গান্ধীবাদী দর্শনৰ এটা মৌলিক নীতি গঠন কৰে, যিয়ে গাওঁ পঞ্চায়তক আত্মশাসনৰ একক হিচাপে গণ্য কৰে, ঔপনিৱেশিত কালত লর্ড মেয়ো আৰু লর্ড ৰিপণৰ দৰে কেইজনমান উল্লেখযোগ্য ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে লর্ড ৰিপনৰ দৰে কেইজনমান উল্লেখযোগ্য ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে লর্ড ৰিপন ভাৰতত স্থানীয় স্বায়ত্ব শাসনৰ পিতৃ হিচাপে পৰিচিত।

ভাৰতৰ স্থানীয় চৰকাৰৰ বিকাশত লর্ড ৰিপনে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল 1882 চনত আনুষ্ঠানিকভাৱে মনোনীত কৰা লোকসকলে বর্তমানৰ স্থানীয় চৰকাৰৰ ব্যৱস্থা ত্যাগ কৰি বিকেন্দ্রীকৰণৰ নতুন ব্যৱস্থা আগবঢ়ায়, তেওঁৰ স্থানীয় স্বায়ত্ব শাসনৰ পৰিকল্পনা অনুসৰি অধিক কার্যক্ষমতা লাভৰ বাবে স্থানীয় বর্ডসমূহক সৰু সৰু গোটত বিভক্ত কৰা হৈছিল। তেওঁ জনসাধাৰণৰ অংশগ্রহণ নিশ্চিত কৰাৰ বাবে স্থানীয় ব'র্ডসমূহৰ বাবেও নির্বাচনী ব্যৱস্থা প্রৱর্তন কৰে।

স্বাধীনতাৰ কিছু সময়ৰ পাছতেই পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ কাম ভাৰত চৰকাৰৰ ওপৰত পৰে, আমাৰ দেশৰ নেতাসকলৰ বাবে স্পষ্ট হৈ পৰিছিল যে বহৎ সংখ্যক গাঁৱৰ দেশ ভাৰতে গণতন্ত্রক শক্তিশালী কৰিবলৈ হ'লে গাঁও পঞ্চায়তসমূহ শক্তিশালী কৰিব লাগিব। তেওঁৰ মতে, গাঁওসমূহে স্বাৱলম্বী হ'বলৈ নির্বাচিত পঞ্চায়তৰ জৰিয়তে নিজে শাসন কৰিব পাৰিব লাগে, কিন্তু আশ্চার্য্য জনকভাৱে 1948 চনত প্রস্তুত কৰা সংবিধানৰ খচৰাত পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ কোনো স্থান নাছিল। গান্ধীয়ে ইয়াক তীব্র সমালোচনা কৰি তৎকালীনভাৱে গুৰুত্ব দিবলৈ আহ্বান জনায়। অৱশেষত পঞ্চায়তীৰাজৰ অনুষ্ঠানসমূহে ৰাজ্যিক নীতিৰ নির্দেশনামূলক নীতিসমূহ স্থান লাভ কৰে।

পৰম্পৰাগতভাৱে পঞ্চায়তসমূহৰ নেতৃত্বত আছে। পাঁচজন জ্ঞানী বৃদ্ধ যাক প্রশাসনত উপস্থিতি আৰু অভিজ্ঞতাই স্থানীয় স্বায়ত্ব শাসনৰ প্রশাসনত এক উপযোগী উদ্দেশ্য সাধন কৰিছিল। পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহেই দেশৰ বিকেন্দ্রীকৰণ ব্যৱস্থাৰ চালিকাশক্তি বুলি কোৱা হয়। বিকেন্দ্রীকৰণক জনসাধাৰণক সবলীকৰণ সিদ্ধান্ত গ্রহণ প্রক্রিয়াত জড়িত কৰাৰ এক মাধ্যম হিচাপে দেখা যায়। পথ, পৰিবহণ, পানী আৰু বিদ্যুতৰ দৰে স্থানীয় বিষয়সমূহ স্থানীয় জনসাধাৰণে ভালদৰে বুজি পায় আৰু পৰিচালনা কৰে কাৰণ ইয়াত সম্পদসমূহ যথেষ্ট দক্ষতাৰে সংঘটিত কৰাৰ ক্ষমতা আছে। ফলত মানুহে স্থানীয় প্রয়োজনীয়তাৰ প্রতি অধিক সঁহাৰি জনাব পাৰে আৰু উপলব্ধ সম্পদৰ উন্নত ব্যৱহাৰ কৰিব পাৰে। এখন দেশৰ গণতান্ত্রিক ব্যৱস্থা নিশ্চিত হ'ব পাৰে যদিহে শাসন ব্যৱস্থাত গণ অংশগ্রহণ থাকে। গতিকে ক্ষমতাৰ বিকেন্দ্রীকৰণক দেশৰ গণতন্ত্র আৰু আর্থসামাজিক উন্নয়ন সুনিশ্চিত কৰাৰ মাধ্যম হিচাপে বিৰোচিত হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোনখন আইনৰ জৰিয়তে ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক মর্যদা দিয়া হৈছিল?

প্রশ্ন নং ২ ঃ ..... গাঁও, মধ্যম, আৰু জিলা পর্যায়ত পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থা কৰা হৈছে

প্রশ্ন নং ৩ ঃ ভাৰতত কোন 'স্থানীয় প্রশাসনৰ পিতৃ' হিচাপে পৰিচিত।

৬.৪ ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিৱর্তন

স্বাধীনতাৰ পাছত, ভাৰতত আৰম্ভ হোৱা প্রথম বৃহৎ উন্নয়ণ কার্যসূচী আছিল 1952 চনৰ সামূহিক উন্নয়ন সাধন কার্যসূচী। ইয়াৰ মূল লক্ষ্য আছিল গ্রাম্য অঞ্চলৰ সামগ্রিক উন্নয়ন সাধন কৰা আৰু জনসাধাৰণৰ অংশগ্রহণক উৎসাহিত কৰা। এই কার্য্যসূচী এনেদৰে প্রণয়ন কৰা হৈছিল যাতে প্রশাসনিক কাঠামো জিলা, তহচিলû তালুকা আৰু গাঁও পর্য্যায়ৰ অঞ্চললৈকে বিয়পিব পাৰে। দেশৰ আটাইকেইখন জিলাকে উন্নয়ন বিষয়া (বি. ডি. অ) সৃষ্টি কৰা হয়। খণ্ড উন্নয়ন বিষয়াক সহায় কৰিবলৈ গাঁও পর্য্যায়ৰ শ্রমিক (ডি. এল. ডব্লিউ) নিযুক্তি দিয়া হয়। কিন্তু এই কার্যসূচী সফল নহ'ল। ইয়াৰ বিফলতাৰ প্রত্যক্ষ কাৰণ আছিল স্থানীয় পর্য্যায়ৰ গ্রাম্য উন্নয়নৰ কার্যসূচীত মানুহৰ অংশগ্রহণৰ অপর্যাপ্ত মাত্রা।

ভাৰতত কেইবাখনো সমিতি গঠন কৰা হৈছিল যিয়ে পঞ্চায়তীৰাজ বিকাশত অৰিহণা যোগাইছে। ইয়াৰে কিছুমান হ'ল—

বলবন্ত ৰায় মেহতা সমিতি

1957 চনত ভাৰত চৰকাৰে সামূহিক উন্নয়ন কার্যসূচী আৰু ৰাষ্ট্রীয় কার্যসূচীৰ কাম-কাজ পৰীক্ষা কৰাৰ লগতে

সম্প্রসাৰণ সেৱা আৰু তেওঁলোকৰ উন্নতিৰ উপায়ৰ পৰামৰ্শ দিবলৈ এখন সমিতি গঠন কৰি দিছিল। এই সমিতিখন বলবন্ত ৰায় মেহতাৰ নেতৃত্বত গঠন হৈছিল আৰু সেয়েহে ই বলবন্ত ৰায় মেহতা সমিতি নামেৰে পৰিচিত। 1957 চনৰ নৱেম্বৰ মাহত সমিতিখনে প্রতিবেদন দাখিল কৰি গণতান্ত্রিক বিকেন্দ্রীকৰণ বাবে এখন আঁচনিৰ পৰামৰ্শ দিয়ে যিখন আঁচনি 'পঞ্চায়তী ৰাজ' নামেৰে পৰিচিত হ'ল।

সমিতিৰ পৰামৰ্শ তলত উল্লেখ কৰা হ'ল—

- গাঁৱৰ পৰা জিলা পর্যায়লৈকে স্থানীয় স্ব-চৰকাৰী সংস্থাসমূহৰ তিনিটা স্তৰৰ গাঁথনি হ'ব লাগে আৰু এই সংস্থাসমূহে একেলগে সংযোগ কৰিব লাগে।
- এই সংস্থাসমূহে নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব পৰাকৈ ক্ষমতা আৰু দায়িত্বৰ প্রকৃত হস্তান্তৰ হ'ব লাগে।
- এই সংস্থাসমূহলৈ পর্যাপ্ত সম্পদ হস্তান্তৰ কৰিব লাগে যাতে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰিব পাৰে।
- তিনিওটা স্তৰৰ সকলো কল্যাণ আৰু উন্নয়নমূলক আঁচনি আৰু কার্যসূচী এই সংস্থাসমূহৰ জৰিয়তে কৰিব লাগে।
- তিনি স্তৰৰ ব্যৱস্থাই ভৱিষ্যতে ক্ষমতা আৰু দায়িত্বৰ অধিক বিভাজন আৰু নিস্পত্তিৰ সুবিধা প্রদান কৰিব লাগে। এই স্তৰসমূহক পৰোক্ষ নির্বাচনৰ জৰিয়তে জৈৰিকভাৱে একেলগে সংযোগ কৰা উচিত। সমিতিখনে জিলা পৰিষদ পঞ্চায়ত সমিতি আৰু গ্রাম্য পঞ্চায়ত নামেৰে জনাজাত। পঞ্চায়তসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থাৰ কল্পনা কৰি সামূহিক কামত জনসাধাৰণৰ অংশগ্রহণক উৎসাহিত কৰা, কৃষি আৰু পশুপালনৰ প্রসাৰ, পঞ্চায়তৰ জৰিয়তে দুর্বল শ্রেণী আৰু মহিলাসলৰ কল্যাণৰ প্রসাৰিত কৰাৰ পৰামর্শ আগবঢ়ায়।
- পঞ্চায়ত সমিতি কার্যকৰী সংস্থা হোৱাৰ বিপৰীতে জিলা পৰিষদ পৰামর্শ আৰু সমন্বয়ক সংস্থা হ'ব লাগে।
- জিলা পৰিষদৰ অধ্যক্ষ হ'ব লাগে জিলা উপায়ুক্ত।

এই পৰামর্শসমূহ 1958 চনৰ জানুৱাৰী মাহত ৰাষ্ট্রীয় উন্নয়ন পৰিষদে ৰাজ্যসমূহৰ ওপৰতো এৰি দিছিল যাতে ৰাজ্যসমূহে তেওঁলোকৰ বাবে উপযুক্ত নিজৰ আৰ্হি বিকশিত কৰিব পাৰে। ৰাজস্থানেই প্রথম ৰাজ্য যি 1959 চনৰ 2 অক্টোবৰত নগৌৰ জিলাত পঞ্চায়তীৰাজক প্রতিষ্ঠান স্থাপন কৰাৰ পিছত অন্ধ্রপ্রদেশে পঞ্চায়তীৰাজ প্রতিষ্ঠান কৰে।

বলবন্ত ৰায় মেহতা সমিতিৰ পৰামর্শসমূহ দেশৰ বহু ৰাজ্যই কার্যকৰী কৰে। কিন্তু ক্রমবর্ধমান দুর্নীতি অদক্ষতা আৰু অনিয়মৰ ফলত ই বৰ বেছি দিন নাথাকিল। নির্বাচন নিয়মিয়াকৈ অনুস্থিত নহ'ল। তদুপৰি এই সংস্থাসমূহত মানুহৰ অংশগ্রহণ অতি কম আছিল।

অশোক মেহতা সমিতি

- পূর্বৰ তিনিটা স্তৰৰ ব্যৱস্থাৰ ঠাইত দুটা স্তৰৰ ব্যৱস্থা প্রস্তাৱ কৰা হৈছিল। অর্থাৎ জিলা পর্য্যয়ত জিলা পৰিষদ আৰু তাৰ তলত এদল গাঁৱৰে গঠিত মণ্ডল পঞ্চায়ত।
- জিলা পৰিষদ কার্যবাহী সংস্থা হ'ব লাগে আৰু জিলা পর্য্যায়ত পৰিকল্পনাৰ দায়িত্ব ল'ব লাগিব।

- দুর্বল সামাজিক আৰু অর্থনৈতিক গোটসমূহৰ বাবে আবণ্টিত ধনৰ তদাৰক কৰিবলৈ জিলা পর্যায়ৰ সংস্থা এটাৰ দ্বাৰা নিয়মীয়াকৈ সামাজিক হিচাপ পৰীক্ষা হ'ব লাগে।
- ৰাজ্য চৰকাৰে পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ ঠাই ল'ব নালাগে। ন্যায় পঞ্চায়তসমূহক উন্নয়ন পঞ্চায়তৰ পৰা পৃথক সংস্থা হিচাপে ৰাখিব লাগে।
- পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ কাম কাজ চোৱাচিতা কৰিবলৈ ৰাজ্যিক মন্ত্রী পৰিষদত এজন পঞ্চায়তীৰাজ মন্ত্রী নিযুক্তি দিব লাগে।
- জনসংখ্যাৰ ভিত্তিত এই প্রতিষ্ঠানসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ বাবে সংৰক্ষণ কৰিব লাগিব।

জনতা চৰকাৰৰ পতনৰ বাবে অশোক মেহতা সমিতিৰ পৰামর্শ কার্যকৰী নহ'ল। এই সমিতিৰ পৰামর্শৰ ভিত্তিত কর্ণাটককে ধৰি কমসংখ্যাক ৰাজ্যই নতুন আইন প্রণয়ন কৰিছিল। 1980 চনৰ ভিতৰত স্থানীয় চৰকাৰসমূহৰ ওপৰত চকু ৰাখিবলৈ দুখন গুৰুত্বপূর্ণ সমিতি নিযুক্তি দিয়া হৈছিল। যথা 1985 চনৰ জি. ভি. কে. ৰাও সমিতি আৰু 1986 চনৰ ড. এল. এম. সিংভী সমিতি, জি. ভি. কে. ৰাও সমিতিয়ে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক পুনৰুজ্জীৱিত কৰাৰ পৰামর্শ দিছিল যাতে গ্রাম্য উন্নয়ন কার্যসূচীসমূহৰ পৰিকল্পনা ৰূপায়ণ আৰু নিৰীক্ষণৰ অধিক দায়িত্ব তেওঁলোকৰ ওপৰত অর্পণ কৰিব পৰা যায়। এল. এম. সিংভী সমিতিয়ে পৰামর্শ আগবঢ়াইছিল যে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ সাংবিধানিকভাৱে স্বীকৃতিপ্রাপ্ত আৰু সুৰক্ষিত হ'ব লাগে। সমিতিখনে লগতে প্রস্তাৱ আগবঢ়াইছিল যে সংবিধানৰ সপ্তমসূচীৰ সংশোধনীৰ যোগেদি এখন বিত্তীয় আয়োগ নিয়োগ আৰু গ্রাম্য উন্নয়ণ কার্যসূচী পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ হাতত অর্পন কৰিব লাগে। ভাৰতত পি. আৰ. আই. ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ 1988 চনত থংগন সমিতি আৰু গাডগিল সমিতি গঠন কৰা হৈছিল।

এই ঘটনাৰ পিছত ভাৰতৰ তেতিয়াৰ প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে 1989 চনৰ 15 জুলাইত স্থানীয় বিষয়ত 64 সংখ্যক সংশোধনী বিধেয়ক উত্থাপন কৰে। কিন্তু সংসদত প্রয়োজনীয় সমর্থন লাভ কৰাত ব্যর্থ হয়। 1990 চনৰ ছেপ্টেম্বৰ মাহত সংসদত বিধেয়কখন গৃহীত কৰিবলৈ দ্বিতীয়বাৰৰ বাবে প্রচেষ্টা চলোৱা হয় আৰু বিফল হয়। 1991 চনৰ ছেপ্তেম্বৰ মাহত কংগ্রেছ চৰকাৰে তেতিয়াৰ প্রধানমন্ত্রী পি. ভি. নৰসিংহ ৰাওৰ নেতৃত্বত পঞ্চায়তীৰাজৰ এখন নতুন উত্থাপন কৰিছিল। ইয়াক সামান্য পৰিবর্তন কৰি 1992 চনৰ 73 সংখ্যক সংশোধনী আইন হিচাপে গৃহীত কৰা হয় আৰু অৱশেষত 1993 চনৰ 24 এপ্রিলৰ পৰা বলবৎ হয়।

৬.৫ অসমত স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ

বর্তমানৰ স্থানীয় স্বশাসনৰ সূত্রপাত ব্রিটিছ শাসনৰ পৰাই হ'ব পাৰে। ব্রিটিছ শাসনৰ সময়ত স্থানীয় প্রতিষ্ঠানসমূহক সীমিত ক্ষমতা প্রদান কৰা হৈছিল। পঞ্চায়তৰ পৰম্পৰাগত ব্যৱস্থাই এক বৃহৎ বিপর্যয়ৰ সন্মুখীন হ'বলগীয়া হয়। কিয়নো ব্রিটিছসকলৰ থলুৱা জনসাধাৰণৰ কল্যাণৰ প্রতি আগ্রহ কম আছিল। কিন্তু ব্রিটিছৰ আগমনৰ আগতে গাঁৱৰ মানুহৰ জীৱন সম্পত্তি সুৰক্ষাৰ বাবে আমাৰ গাঁওসমূহ পৰিচালনা কৰিবলৈ কিছুমান

নীতি-নিয়ম আছিল। 1887 চনত চৌকিদাৰ পঞ্চায়ত আইন গৃহীত হয় আৰু ষাঠি (60) তকৈ অধিক ঘৰৰে গঠিত যিকোনো গাঁৱত পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হয়। এখন গাঁৱত যিকোনো পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হয়। এখন গাঁৱত যিকোনো পঞ্চায়ত সৃষ্টিৰ দায়িত্ব জিলা দণ্ডাধীশৰ ওপৰত ন্যস্ত কৰা হৈছিল। ইয়াৰ উপৰিও দুখনতকৈ অধিক গাঁৱৰ বাবে পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হৈছিল যদিহে সেইবোৰ ইটোৱে সিটোৰ লগত অবিৰতভাৱে থাকে। পঞ্চায়তৰ কাম-কাজ কেৱল চৌকিদাৰী ব্যৱস্থাৰ মাজতে সীমাবদ্ধ আছিল। ইয়াত উল্লেখ কৰিব পাৰি যে প্ৰাচীন অসমত চৌকীদাৰী ব্যৱস্থা প্ৰচলিত আছিল আৰু চৌকীদাৰে গাঁওবোৰক সেৱা আগবঢ়াইছিল আৰু তেওঁলোকৰ পৰা সেৱা নিশ্চিত কৰিবলৈ কৰ সংগ্ৰহৰ পৰা দৰমহা দিয়া হৈছিল।

ভাৰত আৰু অসম উভয়ৰে বাবে 1909 চনৰ পিছত পঞ্চায়ত ব্যৱস্থাৰ ইতিহাস এক নিৰ্দিষ্ট দিশলৈ পৰিণত হয়। কাৰণ, 1907 চনত বিকেন্দ্রীকৰণৰ ওপৰত বহুওৱা ৰয়েল আয়োগৰ পৰামৰ্শ 1909 চনত গ্ৰহণ কৰা হয়। আয়োগে পঞ্চায়তক অধিক ক্ষমতা প্ৰদান কৰিব লাগে বুলি পৰামৰ্শ দিছিল। তেতিয়াৰ পৰাই অৱগত গাঁও কৰ্তৃপক্ষ স্থাপনৰ চেষ্টা কৰা হৈছিল। সেই অনুসৰি অসম চৰকাৰে বিকেন্দ্রীকৰণৰ ওপৰত ৰয়েল আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰি অনাময়, পানী যোগান আদি সম্পৰ্কে অধিক ক্ষমতা প্ৰদানৰ প্ৰয়াস কৰিছিল। এই বিধানসমূহ স্থানীয় স্বায়ত্ব শাসন আইন, 1915ত অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু প্ৰতিষ্ঠানসমূহে এই আইনৰ অধীনত যেনেকৈ পঞ্চায়ত প্ৰতিষ্ঠা কৰিছিল। একেখন গাঁৱৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত সংঘাতৰ বাবে বহু প্ৰশাসনিক আৰু আৰ্থিক সমস্যাৰ সন্মুখীন হৈছিল।

1926 চনৰ অসম গ্ৰাম্য স্বায়ত্ব শাসন আইনখন গৃহীত হয় য'ত গাঁৱৰ মানুহে নিজৰ সমস্যা সমাধানৰ বাবে অংশগ্ৰহণ কৰিব পৰাকৈ প্ৰশাসনিক ব্যৱস্থাৰ ব্যৱস্থা কৰা হৈছিল। এই আইনৰ অধীনত পঞ্চায়তক ক্ষমতা প্ৰদান কৰা হৈছিল আৰু একেখন আইনৰ অধীনত সময়ৰ লগে লগে পঞ্চায়তৰ ক্ষমতা আৰু কাম-কাজ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু, গাঁওবাসীয়ে নিজৰ কাম-কাজৰ প্ৰশাসন চলাব পৰা নাছিল।

1948 চনত অসম গাঁও পঞ্চায়ত আইন গ্ৰহণ কৰা হয় আৰু ইয়াত দুই স্তৰীয় পঞ্চায়ত ব্যৱস্থা অৰ্থাৎ প্ৰাথমিক পঞ্চায়ত আৰু গ্ৰাম্য গঠন কৰা হৈছিল। গ্ৰাম্য পঞ্চায়তসমূহে এখনতকৈ অধিক গাঁও সেৱা আৰু প্ৰাথমিক পঞ্চায়তৰ প্ৰশাসনিক এলেকা হ'ব এখন গাঁও। কিন্তু এই আইনখনেও গাঁওসমূহক সন্তোষজনকভাৱে সেৱা আগবঢ়োৱাত ব্যৰ্থ হৈছিল।

অশোক মেহতা সমিতিৰ পৰামৰ্শ মতে (1957] 1959 চনৰ অসম পঞ্চায়তীৰাজ আইনত অসমৰ গ্ৰাম্যঞ্চলত মহকুমা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হৈছিল। ব্যৱস্থাটোৰ শীৰ্ষত মহকুমা পৰিষদ এটা পৰামৰ্শদাতা সংস্থা আৰু আঞ্চলিক পঞ্চায়ত আছিল মধ্যম স্তৰ আৰু নিম্নস্তৰত আছিল গাঁও পঞ্চায়ত। আঞ্চলিক পঞ্চায়ত ফলপ্ৰসূভাৱে কাম কৰিব নোৱাৰিলে আৰু ফলস্বৰূপে 1972 চনত ইয়াক বিলুপ্ত কৰা হ'ল। 1972 চনত দুই স্তৰীয় পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্তন কৰা হয় আৰু সেই অনুসৰি গাঁও পৰ্য্যায়ত গাঁও পঞ্চায়ত আৰু জিলা পৰ্যায়ত মহকুমা পৰিষদ স্থাপন কৰা হয়। মহকুমা পৰিষদক জনস্বাস্থ্য, শিক্ষা, কল্যাণ, কৃষি, ক্ষুদ্ৰ উদ্যোগ, সমবায় সমিতি আদিৰ ক্ষেত্ৰত কাৰ্যকৰী, কামৰ দায়িত্ব অৰ্পণ কৰা হয়। গাঁও পঞ্চায়তক কেইবাটাও উন্নয়নমূলক কামৰ দায়িত্ব অৰ্পণ কৰা হয়।

1986 চনত অসম পঞ্চায়তীৰাজ আইনখন গৃহীত হয় আৰু ইয়াত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ সমূহক আঞ্চলিক পঞ্চায়তৰ নিৰাপত্তা আৰু বাজেট অনুমোদন, পুঁজি বিতৰণৰ ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ দিবলৈ আঞ্চলিক পঞ্চায়তৰ কাম-কাজৰ পৰ্যালোচনা আদি কেইবাটাও কামৰ দায়িত্ব অৰ্পন কৰা হয়।

1992 চনত অসমত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল যিটো অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থাত মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। 1992 চনত ভাৰত চৰকাৰে সংবিধান (73 সংশোধনী) আইন 1992 ৰ দ্বাৰা নতুন পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তন কৰে। 73 তম সংশোধনীৰ অধীনত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্য অসম চৰকাৰে অসম পঞ্চায়তীৰাজ আইন 1986 ৰ ঠাইত অসম পঞ্চায়ত আইন 1994 প্ৰণয়ন কৰে। এই আইনৰ অধীনত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহ ক্ৰমে জিলা পৰ্যায়, ব্লক বা মধ্যম পৰ্যায় আৰু গাঁও পঞ্চায়ত গঠন কৰা হয়।

গাঁও পঞ্চায়তৰ ভোটাৰে পোনপটীয়াকৈ সভাপতি আৰু গাঁও পঞ্চায়তৰ সদস্য নিৰ্বাচন কৰে। আঞ্চলিক পঞ্চায়তৰ সভাপতি আঞ্চলিক পঞ্চায়তৰ সদস্যৰ মাজত পৰা নিৰ্বাচিত হয়। জিলা পৰিষদৰ সদস্যসকলক জিলা পৰিষদ সমষ্টিৰ ভোটাৰে নিৰ্বাচন কৰে। এছ. ছি. এছ. টি আৰু মহিলাৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা আছে। পঞ্চায়তৰ মুঠ আসনৰ 33í মহিলাৰ বাবে সংৰক্ষিত। জনসংখ্যাৰ ভিত্তিত অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি জনগোষ্ঠীৰ বাবে আসন সংৰক্ষিত কৰা হৈছি। এই আইনখনত পঞ্চায়ত সংস্থাসমূহৰ বিত্তীয় অৱস্থা পুনৰীক্ষণৰ বাজ্যিক বিত্ত আয়োগ গঠনৰ ব্যৱস্থা কৰা হৈছে আৰু ৰাজ্য আৰু পঞ্চায়তৰ মাজত সম্পদৰ ভাগ-বতৰা কৰাৰ পৰামৰ্শৰ দিয়া হৈছে। তদুপৰি জিলা আঁচনি একত্ৰিত কৰাৰ বাবে এখন জিলা পৰিকল্পনা সমিতি গঠন কৰা হ'ব। এই আইনখনে পঞ্চায়তৰ সম্পদসমূহ বহু দিশত সংগঠিত কৰাৰ সুযোগো প্ৰদান কৰে।

অসম পঞ্চায়ত আইন, 1994 তিনি স্তৰৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ কিছু কামৰ কথা উল্লেখ আছে ইয়াৰ ভিতৰত বাৰ্ষিক পৰিকল্পনা আৰু বাৰ্ষিক বাজেট প্ৰস্তুত কৰা, প্ৰাকৃতিক দুৰ্যোগত সাহায্য সংগঠিত কৰা, ৰাজহুৱা সম্পত্তিৰ বেদখল দূৰ কৰা, স্বেচ্ছাসেৰী শ্ৰমিকৰ সংগঠন আৰু সামূহিক কামত অৱদান আগবঢ়োৱা।
একেদৰে আঞ্চলিক পঞ্চায়তসমূহক বাৰ্ষিক পৰিকল্পনা আৰু বাৰ্ষিক বাজেট প্ৰস্তুত কৰাৰ দায়িত্ব অৰ্পণ কৰা হয় যিবোৰ অনুমোদনৰ বাবে জিলা পৰিষদৰ ওচৰত দাখিল কৰা হয়, সকলো গাঁও পঞ্চায়তৰ বাৰ্ষিক পৰিকল্পনা একত্ৰিত কৰা চৰকাৰ বা জিলা পৰিষদে ন্যস্ত কৰা কাম-কাজ সম্পাদন কৰা আৰু প্ৰাকৃতিক দুৰ্যোগত সাহায্য অভিযানত চৰকাৰক সহায় কৰা।

জিলা পৰিষদৰ কাম হ'ল জিলাখনৰ অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা আৰু এনে পৰিকল্পনাৰ সময়ত ৰূপায়ন সনিশ্চিত কৰা।

ৰাজ্যৰ বিধায়িনী দলে আইনৰ দ্বাৰা পঞ্চায়তক ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ দৰে স্ব-চৰকাৰী প্ৰতিষ্ঠান হিচাপে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ, জনসংখ্যাৰ অনুপাতে মহিলাৰ বাবে আসন সংৰক্ষণ (এক তৃতীয়াংশতকৈ কম নহয়) বাধ্যতামূলক সংৰক্ষণ অত্যাদি কাম কৰিবলৈ সক্ষম হ'বলৈ প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ ক্ষমতা আৰু কাম-কাজৰ ওপৰত

কার্যবাহী নিয়ন্ত্রণ ৰোধ কৰিবলৈ বহু ৰাজ্য চৰকাৰে আইন প্রণয়ন কৰি পঞ্চায়তক স্বায়ত্ব শাসনৰ প্রতিষ্ঠান হিচাপে ক্ষমতা প্রদান কৰি বহু বিভাগ পঞ্চায়তলৈ হস্তান্তৰ কৰিছে। মধ্যপ্রদেশত ৰাজ্য চৰকাৰে 22 টা বিভাগ পঞ্চায়তলৈ বদলি কৰে। অসমত ৰাজ্যচৰকাৰে 29 টা বিষয়ক ভিতৰত 14 টা বিষয় পঞ্চায়তীৰাজ প্রতিষ্ঠানলৈ বদলি কৰে।

৬.৬ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনী আইন

৭৩ সংখ্যক সংশোধনী আইনখনৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ হৈছে—

- এই আইনখন ভাৰতৰ সংবিধানৰ নৱম খণ্ডৰ সৈতে মিল আছে। এই অংশটো 234 ৰ পৰা 243 [0] লৈকে বিধানেৰে গঠিত।
- এই আইনখনে ভাৰতৰ সংবিধানত একাদশ অনুসূচিত সংযোজন কৰিছে। ইয়াত পঞ্চায়তসমূহৰ 29 টা কার্যকৰী বস্তু সন্নিবিষ্ট কৰা হৈছে আৰু 240 [জি) অনুচ্ছেদৰ বিষয়ে আলোচনা কৰা হৈছে।
- এই আইনখনে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক সাংবিধানিক মর্যদা প্রদান কৰে।
- এই আইনৰ চর্ত অনুসৰি ৰাজ্য চৰকাৰেসমূহে নতুন পঞ্চায়তীৰাজ ব্যৱস্থা গ্রহণ কৰিবলৈ সাংবিধানিক বাধ্যবাধকতাৰ অধীনত আছে।
- গাঁও, মধ্যম আৰু জিলা পর্যায়ত পঞ্চায়তত তিনিটা স্তৰৰ ব্যৱস্থা থাকিব।
- আইনখনৰ বাধ্যতামূলক বিধানসমূহ দুটা ভাগত অন্তর্ভুক্ত হ'ব।
  - (ক) সময়মতে নির্বাচন সংৰক্ষণৰ প্রয়োজনীয় বিধান সৃষ্টি কৰি আইনখনৰ বাধ্যতামূলক বিধানসমূহ ৰাজ্যিক আইনত অন্তর্ভুক্ত কৰা হ'ব।
  - (খ) আনহাতে স্বেচ্ছামূলক ব্যৱস্থাসমূহ ৰাজ্যসমূহৰ বিবেচনা অনুসৰি অন্তর্ভুক্ত হ'ব।

৭৩ সংখ্যক সংশোধনী আইনৰ বিধানসমূহ ঃ

(1) গ্রাম্য সভা (ধাৰা 243 ক) ঃ এই আইনত পঞ্চায়তীৰাজ ব্যৱস্থাৰ ভেটি হিচাপে এখন গ্রাম্য সভাৰ ব্যৱস্থা আছে। ই গাঁও পর্যায়ত পঞ্চায়তৰ এলেকাৰ ভিতৰত গঠিত গাঁৱৰ নির্বাচনী তালিকাত পঞ্জীয়নভুক্ত ব্যক্তিৰে গঠিত সংস্থা।

(2) সদস্য আৰু অধ্যক্ষ নির্বাচন (ধাৰা 243 গ) ঃ গাঁও মধ্যম আৰু জিলা পর্যায়ৰ পঞ্চায়তসমূহৰ সকলো সদস্যকে পোনপটীয়াকৈ ৰাইজে নির্বাচন কৰিব। মধ্যম আৰু জিলা পর্যায়ৰ পঞ্চায়তসমূহৰ অধ্যক্ষসকলক পৰোক্ষভাৱে নির্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজত নির্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজত নির্বাচিত কৰা হ'ব।

(3) আসম সংৰক্ষণ (ধাৰা 243 ঘ) ঃ এই আইনত অনুসূচিত জাতি বা অনুসূচিত জনজাতিসকলৰ জনসংখ্যা অনুপাতে প্রতিখন পঞ্চায়তত আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। যদি ৰাজ্যসমূহে প্রয়োজনীয় বুলি

বিবেচনা কৰে, তেন্তে তেওঁলোকে আন পিছপৰা শ্রেণীৰ বাবেও সংৰক্ষণ ব্যৱস্থা কৰিব পাৰে (OBCS)। এই আইনখনে মহিলাৰ বাবে মুঠ আসনৰ 1û3 ভাগতকৈ যাতে কম নহয় তাক নিশ্চিত কৰিছিল। মন কৰিবলগীয়া যে এই সংৰক্ষণসমূহ কেৱল পঞ্চায়তসমূহৰ সাধাৰণ সদস্যৰ ক্ষেত্রতে প্রযোজ্য নহয় বৰঞ্চ তিনিওটা স্তৰতে অধ্যক্ষ বা 'অধ্যক্ষাৰ' ক্ষেত্রটো প্রযোজ্য। তদুপৰি মহিলাৰ বাবে এক তৃতীয়াংশ আসনৰ সংৰক্ষণ কেৱল সাধাৰণ শ্রেণীৰ বাবেই নহয়, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্রেণীৰ বাবেও সংৰক্ষিত।

(4) শক্তি আৰু কার্য (243 জি) ঃৰাজ্যৰ বিধায়িনী দলে পঞ্চায়তসমূহক এনে ক্ষমতা আৰু কর্তৃত্ব প্রদান কৰিব পাৰে যাতে তেওঁলোকে নিজ চৰকাৰৰ প্রতিষ্ঠান হিচাপে কাম কৰিবলৈ সক্ষম হ'ব পাৰে। এনে আঁচনিত পঞ্চায়তসমূহ ক্ষমতা আৰু দায়িত্ব বিতৰণৰ ব্যৱস্থা থাকিব পাৰে যেনে অর্থনৈতিক উন্নয়নৰ আঁচনি ৰূপায়ণ আৰ তেওঁলোকৰ ওপৰত ন্যস্ত কৰা সামাজিক ন্যায়। ইয়াৰ উপৰিও পঞ্চায়তসমূহৰ স্বার্থত বিত্তীয় বিষয়সমূহ চাবলৈ ৰাজ্যিক বিত্ত আয়োগ (243 [1] অনুচ্ছেদৰ অধীনত) নিযুক্তি দিয়া হৈছে।

উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীসমূহৰ বিকেন্দ্রীকৰণৰ বিষয়সমূহ চোৱাৰ বাবে ইতিমধ্যে ষষ্ঠ অনুসূচীৰ অধীনত এটা সুকীয়া ব্যৱস্থা অর্থাৎ স্বায়ত্ব শাসিত জিলা পৰিষদসমূহৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী সৃষ্টিৰ আঁৰৰ ধাৰণা আছিল উত্তৰ-পূৰ ভাৰতৰ জনজাতীয় লোকক তেওঁলোকৰ ৰীতি-নীতি আৰু জীৱন-ধাৰণৰ পদ্ধতি সুৰক্ষিত কৰিব পৰাকৈ সহজ প্রশাসনিক ব্যৱস্থা প্রদান কৰা আৰু তেওঁলোকৰ কাম-কাজ পৰিচালনাত স্বায়ত্ব শাসন প্রদান কৰা।

৭৪ তম সংশোধনী আইন ঃ

1993 চনৰ এপ্রিল মাহৰ পৰা সংবিধান (74 সংশোধনী) আইন, 1992 কার্যকৰী হয়। সংবিধান (74 সংশোধনী) আইন, 1992 ৰ মূল বৈশিষ্ট্যসমূহ হ'ল --

বৈশিষ্ট্যসমূহ ঃ-

- ভাৰতীয় সংবিধানৰ নৱম খণ্ড ক 74 সংখ্যক সংশোধনী আইনৰ দ্বাৰা সংযোজন কৰা হৈছিল। এই অংশৰ শিৰোনাম হৈছে- পৌৰসভাসমূহ আৰু ইয়াত 243 (পি) অনুচ্ছেদৰ পৰা 243 (জেদ. জি) লৈকে বিধান আছে।
- এই আইনখনে ভাৰতৰ সংবিধানত দ্বাদশ অনুসূচীও সংযোজন কৰে। এই সূচীত পৌৰসভাৰ আঠাশটা কার্যকৰী বস্তু সন্নিবিষ্ট কৰা হৈছে। ইয়াত 243 (ডব্লিউ) অনুচ্ছেদৰ বিষয়ে আলোচনা কৰা হৈছে।
- এই আইনখনে প্রতিখন ৰাজ্যতে তিনি প্রকাৰৰ পৌৰসভা গঠনৰ ব্যৱস্থা কৰিছে- নগৰ পঞ্চায়ত, পৌৰসভা আৰু পৌৰনিগম।
- পৌৰসভাৰ সকলো আসন পৌৰসভা এলেকাৰ ভূখণ্ডীয় সমষ্টিৰ পৰা পোনপটীয়া নির্বাচনৰ দ্বাৰা পূৰণ কৰা হ'ব। প্রতিটো পৌৰসভা এলেকাক ৰার্ড হিচাপে জনাজাত ভূখণ্ডীয় সমষ্টিত ভাগ কৰা হ'ব। ৰাজ্যৰ বিধায়িনী দলে আইনৰ দ্বাৰা ৰার্ড সমিতিৰ গঠন, ধৰণ আৰু ভূখণ্ডৰ অঞ্চলৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব পাৰে।

- ৰাজ্যৰ বিধায়িনী দলে আইনৰ দ্বাৰা পৌৰসভাসমূহক আত্মশাসনৰ প্ৰতিষ্ঠান হিচাপে কাম কৰিবলৈ সক্ষম কৰিবলৈ প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰে আৰু এনে আইনত পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ক্ষমতা আৰু দায়িত্বসমূহ বিভাজনৰ ব্যৱস্থা থাকিব পাৰে আৰু ইয়াৰ ৰূপায়ন আৰু অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বিষয়সমূহ দ্বাদশ অনুসূচীত অন্তৰ্ভুক্ত। ৰাজ্যৰ বিধায়িনী দলে এনে পদ্ধতি অনুসৰি আৰু এনে সীমাৰ অধীনত এনে কৰ, শুল্ক, টোল আৰু মাচুল সংগ্ৰহ আৰু ব্যৱহাৰ কৰিবাল পৌৰসভাক আইনৰ দ্বাৰা অনুমোদন দিব পাৰে।
- 73 সংখ্যক সংশোধনী আইনৰ অধীনত গঠন কৰা বিত্ত আয়োগে পৌৰসভাৰ বিত্তীয় অৱস্থা পুনৰীক্ষণ কৰিব। একেদৰে পৌৰসভাসমূহৰ বাবে নিৰ্বাচনী তালিকা প্ৰস্তুত আৰু পৰিচালনাৰ অধীক্ষকৰ নিৰ্দেশনা আৰু নিয়ন্ত্ৰণ ৰাজ্যিক নিৰ্বাচন আয়োগক ওপৰত ন্যস্ত হ'ব।

৬.৭ পঞ্চায়তৰাজৰ কাম-কাজৰ সমস্যা

ভাৰতৰ পঞ্চায়তীৰাজ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক পৰ্যায়ত সমস্যাৰ সন্মুখীন হৈছে। এই সমস্যাসমূহে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ সুদক্ষ কাম-কাজৰ বাধাৰ সৃষ্টি কৰিছে। ইয়াৰে কিছুমান সমাস্যা হ'ল—

(1) পঞ্চায়তসমূহৰ নিয়মীয়া নিৰ্বাচন নহয়। যদিও সংবিধানত প্ৰতি 5 বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ ব্যৱস্থা আছে কিছুমান ৰাজ্যত নিৰ্বাচন দশক দশকৰ পিছত হয়.

(2) গোটবাদ, জাতি, শ্ৰেণী, আদি কাৰকে নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰধান ভূমিকা পালন কৰে সিয়ে এই প্ৰতিষ্ঠানসমূহৰ মসৃণ কাৰ্যকলাপত বাধাৰ সৃষ্টি কৰে।

(3) ৰাজ্য চৰকাৰ আৰু প্ৰশাসনিক সংস্থাসমূহৰ ৰাজনৈতিক হস্তক্ষেপ এক সাধাৰণ পৰিঘটনাত পৰিণত হৈছে, পঞ্চায়ত ব্যৱস্থাৰ নিৰ্বাচনত জনশক্তি, ধনশক্তি আৰু বাহুবলৰ অবৈধ ব্যৱহাৰে এই প্ৰতিষ্ঠানসমূহ দুৰ্বল কৰি তুলিছে।

(4) পঞ্চায়তসমূহৰ বাবে দক্ষ আৰু স্বচ্ছ কাৰ্যকৰী অধিকাৰ আৰু প্ৰশাসনিক স্বায়ত্বশাসনৰ স্পষ্ট অনুপস্থিতি।

(5) জনসাধাৰণ আৰু তেওঁলোকৰ প্ৰতিনিধিৰ অজ্ঞানতা আৰু নিৰক্ষৰতাৰ বাবে দুৰ্বল শ্ৰেণীৰ বাবে সংৰক্ষণৰ নীতিৰ বিশেষ লাভ হোৱা নাই।

(6) প্ৰশাসকসকলক সিদ্ধান্ত অনুসৰণ কৰিবলৈ বাধ্য কৰিব পৰাকৈ অন্তনিৰ্হিত গাঁথনিগত আৰু সাংগঠনিক শক্তিৰ অনুপস্থিতি এই প্ৰতিষ্ঠানসমূহৰ কাৰ্যকলাপত আন এক বাধা।

(7) ধন আৰু সম্পদৰ অভাৱ আন এটা সমস্যা।

(8) এই প্ৰতিষ্ঠানসমূহৰ বাবে এটা ডাঙৰ সমস্যা হ'ল কৰ আৰু মূল্য আৰোপ কৰিবলৈ আৰ্থিক স্বায়ত্বশাসনৰ অভাৱ।

(9) পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ উন্নয়নৰ বাবে আবণ্টিত ধন ৰাজ্য চৰকাৰসমূহে আন শিতানত ব্যয় কৰাটোৱেও সমস্যাৰ সৃষ্টি কৰে।

(10) বিভাজনৰ সাধাৰণ প্ৰকৃতিয়ে ডি. আৰ. ডি. এ. ডি. পি. চি আৰু অন্যান্য সংস্থাসমূহৰ বিভাগসমূহৰ সৈতে ওপৰা ওপৰিকৈ সোমাই থকাৰ বাবে কাৰ্যকৰী বিভাজনৰ প্ৰক্ৰিয়াটোকে অৰ্থহীন কৰি তোলে। ইয়াৰ উপৰিও বহুতো কাৰ্য পি. আৰ. আইৰ তিনিটা স্তৰৰ দুটাৰ মাজত ভাগ কৰা হয়। এইবোৰে পাছলৈ পঞ্চায়তসমূহৰ কাৰ্যক্ষমতা আৰু ফলপ্ৰসূতাত বিৰূপ প্ৰভাৱ পেলোৱাই নহয়, সংবিধানে কল্পনা কৰা ধৰণে অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈও সক্ষম হোৱা নাই।

পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ সঠিক কাম কাজ সুনিশ্চিত কৰিবলৈ ল'ব পৰা কেইটামান পদক্ষেপ তলত উল্লেখ কৰা হ'ল—

(1) পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ নিৰ্বাচিত সদস্য আৰু বিষয়াসকলক সামৰ্থ্য বিকাশৰ সমৰ্থন নিশ্চিত কৰা যিয়ে তেওঁলোকৰ কৰ্মদক্ষমতা যথেষ্ট বৃদ্ধি কৰিব পঞ্চায়ত প্ৰশিক্ষণে জিলা আৰু ৰাজ্যৰ মাজত এক্সপজাৰ ভ্ৰমণ আৰু পাৰস্পৰিক ক্ৰিয়াৰ জৰিয়তে পঞ্চায়তৰ নেতা আৰু বিষয়াসকলৰ মাজত একতাৰ সংস্কৃতিক প্ৰসাৰিত কৰিব লাগিব।

(2) পি আৰু আইনসমূহত সক্ষম পশিক্ষক আৰু সুবিধা প্ৰদানকাৰী দলৰ লগতে নূন্যতম সামৰ্থ্য বিকাশৰ আন্তঃগাঁথনি থাকিব লাগিব। পঞ্চায়ত (অনুসূচিত এলেকালৈ সম্প্ৰসাৰণ) অইন 1996 ৰ অন্তগৰ্ত অঞ্চলসমূহতো বিশেষ পশিক্ষণ কাৰ্যসূচী আয়োজন কৰিব লাগিব যাতে জনজাতীয় লোকসকলৰ সাংস্কৃতিক পৰম্পৰা আৰু বিশেষ প্ৰয়োজনীয়তাসমূহৰ প্ৰতি লক্ষ্য ৰাখিব পাৰি।

(3) গোটৰ আলোচনা, ৰাজহুৱা শুনানি, অংশগ্ৰহণমূলক সঁজুলি বিকশিত কৰা আদিৰ দৰে পৰামৰ্শমূলক প্ৰক্ৰিয়াৰ জৰিয়তে স্থানীয় শাসন পৰ্যায়ত ডাঙৰ ডাঙৰ বিঘিনিক চিনাক্ত কৰিলেও পি. আৰ. আইৰ কাৰ্যকলাপৰ সৈতে জড়িত গৱেষণা, অধ্যয়ন, মূল্যায়নক উৎসাহিত কৰা, যিয়ে নীতিগত ব্যৱস্থাৰ পৰামৰ্শ দিয়াৰ লগতে অধিক প্ৰশাসনিক সংস্কাৰৰ ক্ষেত্ৰসমূহৰ ইংগিত দিব।

(4) নাগৰিক সমাজ, সম্প্ৰদায় ভিত্তিক সংগঠন, স্বেচ্ছাসেৱী সংগঠন, স্থানীয় বেচৰকাৰী সংস্থা আদি জনসংগঠনসমূহৰ ৰাইজৰ অংশগ্ৰহণ আৰু জড়িততা উন্নয়নৰ সকলো পৰ্যায়তে এক অপৰিহাৰ্য নিয়োজিত শক্তি, গতিকে এই দিশত অধিক প্ৰচেষ্টা চলোৱাৰ প্ৰয়োজন.

স্থানীয় চৰকাৰৰ প্ৰতিষ্ঠানসমূহ হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কল্যাণ আৰু উন্নয়ন কাৰ্যকৰী কৰা সংস্থা। স্থানীয় চৰকাৰক অধিক ক্ষমতা প্ৰদান কৰাৰ অৰ্থ হ'ল ক্ষমতাৰ অধিক সংযোগ গণতন্ত্ৰৰ অৰ্থ হ'ল ক্ষমতা জনসাধাৰণৰ মাজত ভাগ হ'ব লাগে। গণতন্ত্ৰৰ অৰ্থ হ'ল ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু স্থানীয় চৰকাৰৰ সন্দৰ্ভত জনসাধাৰণক অধিক ক্ষমতা প্ৰদান কৰাটো গণতন্ত্ৰৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ। কিন্তু গণতন্ত্ৰ কেৱল আইনী বিধানত নহয়, এই বিধানসমূহৰ অনুশীলনতহে দেখা যায় যে তেওঁলোকে সময়ৰ প্ৰত্যাহ্বানমূলক জোৱাৰ সহ্য কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বলবন্ত ৰায় মেহতা সমিতিৰ যিকোনো চাৰিটা পৰামর্শৰলী উল্লেখ কৰক।

প্রশ্ন নং ৫ ঃ 73 তম সংশোধনীত মহিলাৰ উন্নয়নৰ কাৰণে প্রণয়ন কৰা চর্তসমূহ উল্লেখ কৰক।

প্রশ্ন নং ৬ ঃ 73 তম সংশোধনী যি কোনো দুটা বিধানৰ বিষয়ে চমুৰাই লিখক।

প্রশ্ন নং ৭ ঃ ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থা সূচাৰুৰূপে পৰিচালনা হোৱা চাৰিটা সমস্যাৰ বিষয়ে চমুৰাই লিখক।

2 ৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ বৃহৎ অংশই ইতিহাসৰ বুকুত প্রত্যক্ষ কৰা প্রায় সকলো ধৰণৰ ৰাজনৈতিক প্রশাসনৰ বাবে পঞ্চায়তীৰাজ প্রতিষ্ঠানটো কেইবাসহস্রাব্দ ধৰি গুৰুত্বপূর্ণ হৈ আহিছে। পঞ্চায়তসমূহ হৈছে বিভিন্ন প্রসাশনিক আৰু বিত্তীয় কাম-কাজ জড়িত স্থানীয় শাসনৰ একক।
- ভাৰতত ঔপনিবেশিক কালত লর্ড মেয়ো আৰু লর্ড ৰিপনৰ দৰে কেইজনমান উল্লেখযোগ্য ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল।
- স্বাধীনতাৰ পিছত ভাৰতীয় নেতাসকলে পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু এই ব্যৱস্থাক অধিক ফলপ্রসূ কৰি তুলিবলৈ কেইবাখনো সমিতি নিযুক্তি দিয়া হৈছিল। কিছুমান গুৰুত্বপূর্ণ সমিতি আছিল বলবন্ত ৰায় মেহতা সমিতি, অশোক মেহতা সমিতি আদি। এই সমিতিসমূহে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক ফলপ্রসূ আৰু কার্যক্ষম কৰি তোলাৰ বাবে গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়াইছিল।
- 1992 চনত 73 তম সংবিধান সংশোধনী আইন গৃহীত হয় যাৰ জৰিয়তে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক সাংবিধানিক মর্যদা প্রদান কৰা হৈছে।
- ভাৰতত পঞ্চায়তীৰাজে ৰাজনৈতিক সামাজিক অর্থনৈতিক পর্যায়ত সমস্যৰ সন্মুখীন হয় যিয়ে এই প্রতিষ্ঠানসমূহৰ কার্যক্ষম কার্যকলাপত বাধাৰ সৃষ্টি কৰে। পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহত মানুহৰ সক্রিয় অংশগ্রহণে নিশ্চিতভাৱে এই প্রতিষ্ঠানসমূহক অধিক ফলপ্রসু আৰু কার্যক্ষম কৰি তুলিব।

O ৬.৯ অধিক জানিবলৈ

1] জৈন. এল. চি. [2005] বিকেন্দ্রীকৰণ আৰু স্থানীয় শাসন, নতুন দিল্লী ঃ অৰিয়েণ্ট লংমেন প্রইভেচ লিমিটেড।

2] জয়াল, অন. জি. প্রকাশ, এ আৰু শর্মা, পি, কে (সম্পাদিত) [2006] ভাৰতত স্থানীয় শাসন বিকেন্দ্রীকৰণ আৰু ইয়াৰ বাহিৰত, নতুন দিল্লী ঃ অক্সফর্ড ইউনিভাৰচিটি প্রেছ।

3] পাৰাৰ, এম আৰ (সম্পাদিত) [2013] ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থা, নতুন দিল্লীঃ গৰিমা প্ৰকাশন।

4] শৰ্মা আৰু (সম্পাদিত) [2005] তৃণমূল পৰ্যায়ৰ শাসন ঃ গ্ৰাম্য ভাৰতত পৰিবৰ্তন আৰু প্ৰত্যাহ্বান জয়পুৰঃ আলেখ পাব্লিচাৰ্ছ।

৬.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 73 তম সংবিধান সংশোধনী আইন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 73 তম সংবিধান সংশোধনী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ লৰ্ড ৰিপন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (1] গাঁৱৰ পৰা জিলা পৰ্যায়লৈকে স্থানীয় স্ব-চৰকাৰী সংস্থাসমূহৰ তিনিটা স্তৰৰ গঠন হ'ব লাগে আৰু এই সংস্থাসমূহ একেলগে সংযোগ কৰিব লাগে।

(2] এই সংস্থাসমূহে নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব পৰাকৈ ক্ষমতা আৰু দায়িত্বৰ প্ৰকৃত হস্তান্তৰ হ'ব লাগে।

(3] এই সংস্থাসমূহলৈ পৰ্যাপ্ত সম্পদ হস্তান্তৰ কৰিব লাগে যাতে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰিব পাৰে।

(4] তিনিওটা স্তৰৰ সকলো কল্যাণ আৰু উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচী এই সংস্থাসমূহৰ জৰিয়তে কৰিব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 73 তম সংশোধনী আইনত মহিলাৰ বাবে 1û3 খন আসন সংৰক্ষণ ব্যৱস্থা আছে। ইয়াৰ উপৰিও মহিলাৰ বাবে সংৰক্ষণৰ প্ৰশ্ন নং 1û3 আসনৰ সংৰক্ষণ কেৱল সাধাৰণ শ্ৰেণীৰ বাবেই নহয়, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ বাবেও আসন সংৰক্ষিত আছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (1)áগাঁও সভা (ধাৰা 243 ক) ঃ 73 তম সংশোধনী আইনত পঞ্চায়তীৰাজ ব্যৱস্থাৰ ভেটি হিচাপে গাঁওসভাৰ ব্যৱস্থা আছে। ই গাঁও পৰ্যায়ত পঞ্চায়তৰ এলেকাৰ ভিতৰত গঠিত গাওঁৰ নিৰ্বাচনী তালিকাত পঞ্জীয়নভুক্ত ব্যক্তিৰে গঠিত এটা সংস্থা।

(2] সদস্য আৰু অধ্যক্ষ নিৰ্বাচন (ধাৰা 243 গ) ঃ গাওঁ মধ্যম আৰু জিলা পৰ্য্যায়াৰ পঞ্চায়তসমূহৰ সকলো সদস্যকে পোনপটীয়াকৈ জনসাধাৰণে নিৰ্বাচন কৰিব মধ্যম আৰু জিলা পৰ্যায়ৰ পঞ্চায়তসমূহৰ অধ্যক্ষ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজৰ পৰা পৰোক্ষভাৱে নিৰ্বাচিত হ'ব।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (1) এই প্ৰতিষ্ঠানসমূহৰ বাবে নিয়মীয়া নিৰ্বাচন নহয়। যদিও, সংবিধানত প্ৰতি 5 বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ ব্যৱস্থা আছে। কিছুমান ৰাজ্যত নিৰ্বাচন দশক দশকৰ পিছত হয়।

(2) গোটবাদ, জাতি, শ্ৰেণী আদি কাৰকে নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰধান ভূমিকা পালন কৰে

যিয়ে এই প্ৰতিষ্ঠানসমূহৰ মসৃণ কাৰ্যকলাপত বাধাৰ সৃষ্টি কৰে।

(3) ৰাজ্য চৰকাৰ আৰু প্ৰশাসনিক সংস্থাসমূহৰ ৰাজনৈতিক হস্তক্ষেপ এক সাধাৰণ পৰিঘটনাত পৰিণত হৈছে। পঞ্চায়ত ব্যৱস্থাৰ নিৰ্বাচনত জনশক্তি, ধনশক্তি আৰু বাহুবলৰ অবৈধ ব্যৱহাৰে এই প্ৰতিষ্ঠানসমূহ দুৰ্বল কৰি তুলিছে।

(4) পঞ্চায়তসমূহৰ বাবে দক্ষ আৰু স্বচ্ছ কাৰ্যকৰী অধিকাৰ আৰু প্ৰশাসনিক স্বায়ত্বশাসনৰ স্পষ্ট অনুপস্থিতি।

M ৬.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ স্থানীয় স্বায়ত্ব শাসনৰ পিতৃ কোন?

প্ৰশ্ন ২ ঃ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ গ্ৰহণ কৰা প্ৰথম ৰাজ্য কোনখন আছিল?

প্ৰশ্ন ৩ ঃ 73 তম সংশোধনী আইনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ৪ ঃ অশোক ৰায় মেহতা সমিতিৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ৫ ঃ 1992 চনৰ 74 তম সংশোধনী আইনৰ অধীনত পৌৰসভাক কিমান বিষয় অৰ্পণ কৰা হৈছে।

প্ৰশ্ন ৬ ঃ 1994 চনৰ অসম পঞ্চায়ত আইনৰ যোগেদি লাভ কৰা আঞ্চলিক পঞ্চায়তসমূহৰ কাৰ্যাৱলীৰ বিষয়ে চমুৱাই আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ 1926 চনৰ অসম গাঁও স্ব-চৰকাৰ আইনৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ৮ ঃ 74 তম সংশোধনী আইনৰ যিকোনো চাৰিটা বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন ৯ ঃ 1959 চনৰ অসম পঞ্চায়তীৰাদ আইনৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ১০ ঃ 1994 অসম পঞ্চায়ত আইনৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ১১ ঃ 74 তম সংশোধনী আইনৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ১২ ঃ অসমত স্থানীয় স্ব-চৰকাৰৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

*****

অধ্যায় ৭ ঃ স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণ (Local Administration and Community Involvement)

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 স্থানীয় প্রশাসনৰ ধাৰণা

- 7.3.1 স্থানীয় প্রশাসনৰ অর্থ
- 7.3.2 স্থানীয় প্রশাসনৰ স্বভাৱ

7.4 ভাৰতত স্থানীয় প্রশাসনৰ গাঁথনি

- 7.4.1 গ্রাম্য স্থানীয় প্রশাসন
- 7.4.2 নগৰীয়া স্থানীয় প্রশাসন

7.5 স্থানীয় প্রশাসনৰ কার্যাবলী

- 7.5.1 প্রশাসনিক কার্য
- 7.5.2 উন্নয়নমূলক কার্য
- 7.5.3 আর্থিক কার্য
- 7.5.4 নিয়ামক কার্য

7.6 সম্প্রদায়ৰ অংশগ্রহণ

- 7.6.1 সম্প্রদায়ৰ অংশগ্রহণৰ অর্থ
- 7.6.2 সম্প্রদায়ৰ অংশগ্রহণৰ গুৰুত্ব

7.7 সম্প্রদায়ৰ অংশগ্রহণৰ ৰূপসমূহ

- 7.7.1 পৰিকল্পনাত অংশগ্রহণ
- 7.7.2 ৰূপায়ণত অংশগ্রহণ
- 7.7.3 নিৰীক্ষণ আৰু মূল্যায়নত অংশগ্রহণ

7.8 সম্প্রদায়ৰ অংশগ্রহণ উৎসাহিত কৰাত স্থানীয় প্রশাসনৰ ভূমিকা

7.9 স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণ শক্তিশালী কৰাত শিক্ষাৰ ভূমিকা

7.10 স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণত থকা চেলেঞ্জসমূহ

7.11 স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণ শক্তিশালী কৰাৰ উপায়

7.12 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.13 অধিক জানিবলৈ
7.14 অগ্রগতিৰ খতিয়ান
7.15 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্থানীয় প্রশাসনৰ অর্থ আৰু ধাৰণা বুজি পাব;
- ভাৰতত স্থানীয় প্রশাসনৰ প্রকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰিব পাৰিব;
- গ্রাম্য আৰু নগৰীয়া স্থানীয় প্রশাসনিক সংস্থাৰ গাঁথনি বর্ণনা কৰিব পাৰিব;
- সম্প্রদায় জীৱনত স্থানীয় প্রশাসনৰ ভূমিকা বিশে-ষণ কৰিব পাৰিব;
- স্থানীয় শাসনত জনসাধাৰণৰ অংশগ্রহণৰ গুৰুত্ব অনুধাৱন কৰিব পাৰিব।

৭.২ পৰিচয়

প্রশাসন হ'ল কোনো সংগঠিত সমাজৰ এক অতি প্রয়োজনীয় কার্য। ভাৰতৰ দৰে গণতান্ত্রিক দেশত প্রশাসন কেৱল জাতীয় বা ৰাজ্যিক স্তৰত সীমাবদ্ধ নহয়; ই তৃণমূল স্তৰলৈকে বিস্তৃত। **স্থানীয় প্রশাসন** বুলিলে এনে এক শাসন ব্যৱস্থাক বুজায়, যি গাঁও, নগৰ, পৌৰ এলেকাত স্থানীয় বিষয়সমূহ পৰিচালনা কৰে আৰু সমাজকল্যাণত সহায় কৰে।

ভাৰত এক বিশাল আৰু বৈচিত্র্যময় দেশ। ইয়াৰ ভৌগোলিক, সাংস্কৃতিক, সামাজিক আৰু আর্থিক পৰিস্থিতি অঞ্চলভেদে যথেষ্ট পৃথক। এনে পৰিস্থিতিত কেৱল কেন্দ্রীভূত প্রশাসনৰ জৰিয়তে সকলো অঞ্চলৰ মানুহৰ সমস্যা আৰু প্রয়োজন ফলপ্রসূভাৱে সমাধান কৰা সম্ভৱ নহয়। সেয়ে **ক্ষমতাৰ বিকেন্দ্রীকৰণ** অতি প্রয়োজনীয় হৈ পৰে, যাতে শাসন অধিক ফলপ্রসূ হয় আৰু জনসাধাৰণৰ সক্রিয় অংশগ্রহণ নিশ্চিত হয়। স্থানীয় প্রশাসনে চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান হ্রাস কৰি প্রশাসনক মানুহৰ কাষলৈ চপাই আনে।

শিক্ষাগত দৃষ্টিভংগীৰে চালে, স্থানীয় প্রশাসন সম্প্রদায়ৰ অংশগ্রহণ, নাগৰিকৰ দায়িত্ববোধ আৰু গণতান্ত্রিক মূল্যবোধৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। বিদ্যালয়, শিক্ষক, শিক্ষার্থী আৰু সমাজৰ সদস্যসকলে শিক্ষা, স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৰু সমাজকল্যাণমূলক কামৰ ক্ষেত্রত স্থানীয় প্রশাসনিক সংস্থাৰ সৈতে নিয়মীয়াকৈ সম্পর্ক ৰাখে। সেয়ে স্থানীয় প্রশাসন সম্বন্ধে জ্ঞান লাভ কৰিলে শিক্ষার্থীয়ে শাসনব্যৱস্থাৰ তাত্ত্বিক জ্ঞানক সমাজজীৱনৰ ব্যৱহাৰিক বাস্তৱতাৰ সৈতে সংযোগ স্থাপন কৰিব পাৰে।

৭.৩ স্থানীয় প্রশাসনৰ ধাৰণা (Concept of Local Administration)

স্থানীয় প্রশাসন এখন দেশৰ সামগ্রিক প্রশাসনিক ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ অংশ। ইয়াৰ মূল লক্ষ্য হৈছে তৃণমূল স্তৰত গঠিত বিভিন্ন সংস্থাৰ জৰিয়তে স্থানীয় বিষয়সমূহ পৰিচালনা কৰা। এই সংস্থাসমূহে নির্দিষ্ট ভৌগোলিক এলেকাৰ ভিতৰত কাম কৰে আৰু জনসাধাৰণৰ দৈনন্দিন জীৱনৰ সৈতে সম্পৃক্ত সমস্যা আৰু প্রয়োজনসমূহ সমাধানৰ চেষ্টা কৰে।

স্থানীয় প্রশাসনৰ মূল ভিত্তি হৈছে বিকেন্দ্রীকৰণৰ নীতি। বিকেন্দ্রীকৰণ বুলিলে উচ্চস্তৰৰ চৰকাৰৰ পৰা স্থানীয় সংস্থাসমূহলৈ ক্ষমতা আৰু দায়িত্ব হস্তান্তৰ কৰাক বুজায়। এই ব্যৱস্থাৰ ফলত সিদ্ধান্তসমূহ জনসাধাৰণৰ ওচৰ চাপি গ্রহণ কৰাটো সম্ভৱ হয়, যাৰ ফলত শাসনব্যৱস্থা অধিক সঁহাৰিমূলক, অংশগ্রহণমূলক আৰু কার্যক্ষম হৈ উঠে।

৭.৩.১ স্থানীয় প্রশাসনৰ অর্থ (Meaning of Local Administration)

স্থানীয় প্রশাসন বুলিলে এনে এক প্রশাসনিক ব্যৱস্থাক বুজায়, যাৰ জৰিয়তে স্থানীয় স্বশাসিত সংস্থাসমূহে গাঁও, নগৰ বা চহৰ স্তৰত জনসাধাৰণৰ বিষয়সমূহ পৰিচালনা কৰে। উন্নয়নমূলক আৰু কল্যাণমূলক কার্যসূচীৰ পৰিকল্পনা, ৰূপায়ণ আৰু তদাৰক কৰাটো ইয়াৰ অন্তর্গত, যিসমূহ স্থানীয় সমাজৰ মংগলৰ বাবে গ্রহণ কৰা হয়।

সহজ ভাষাত ক'বলৈ গ'লে, স্থানীয় প্রশাসন হৈছে স্থানীয়ভাৱে নির্বাচিত প্রতিনিধি আৰু চৰকাৰী কর্মচাৰীৰ সহযোগত স্থানীয় এলেকাসমূহৰ পৰিচালনা। এই সংস্থাসমূহ পানী যোগান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, প্রাথমিক শিক্ষা, স্বাস্থ্যসেৱা, পথ-ঘাট নির্মাণ আৰু সমাজ উন্নয়নমূলক কার্যসূচী আদিৰ দৰে মৌলিক সেৱা আগবঢ়োৱাৰ বাবে দায়বদ্ধ।

স্থানীয় প্রশাসনৰ এক মুখ্য বৈশিষ্ট্য হৈছে জনসাধাৰণৰ নিকটতা। কেন্দ্রীয় বা ৰাজ্যিক প্রশাসনৰ তুলনাত স্থানীয় প্রশাসনিক সংস্থাসমূহ জনসাধাৰণৰ বাবে অধিক সুলভ। এই ঘনিষ্ঠতাৰ ফলত স্থানীয় প্রয়োজনসমূহ সঠিকভাৱে চিহ্নিত কৰিব পৰা যায় আৰু সমস্যা-সমূহ তৎক্ষণাত সমাধান কৰাও সহজ হয়।

5 জানি থোৱা ভাল

ভাৰতত স্থানীয় স্বশাসনৰ ধাৰণাই সাংবিধানিক স্বীকৃতি লাভ কৰে ১৯৯২ চনৰ ৭৩তম আৰু ৭৪তম **সংবিধান সংশোধনী** আইনৰ জৰিয়তে। এই সংশোধনীসমূহে পঞ্চায়তীৰাজ প্রতিষ্ঠান আৰু নগৰীয়া স্থানীয় সংস্থাসমূহক সাংবিধানিক মর্যাদা প্রদান কৰে।

৭.৩.২ স্থানীয় প্রশাসনৰ প্রকৃতি (Nature of Local Administration)

স্থানীয় প্রশাসনৰ কিছুমান মুখ্য বৈশিষ্ট্য তলত দিয়া হ'ল-

- **ই নমনীয় প্রকৃতিৰ,** কাৰণ স্থানীয় সমাজৰ প্রয়োজন, পৰিস্থিতি আৰু অগ্রাধিকাৰ অনুসৰি নীতি আৰু কার্যসূচীসমূহ ৰূপায়ণ কৰিব পাৰে।
- **ই উন্নয়নমুখী,** কাৰণ ইয়াৰ লক্ষ্য তৃণমূল স্তৰত সামাজিক আৰু আর্থিক উন্নয়ন সাধন কৰা।
- **ই কল্যাণমুখী,** কাৰণ ইয়াৰ মূল উদ্দেশ্য হৈছে সামাজিক ন্যায়, সমতা প্রতিষ্ঠা কৰা আৰু দুর্বল তথা পিছপৰা শ্রেণীৰ অন্তর্ভুক্তি নিশ্চিত কৰা।
- **ই দ্বায়বদ্ধমূলক,** কাৰণ স্থানীয় প্রতিনিধিসকল সদায় জনসাধাৰণৰ ওচৰত দায়বদ্ধ হৈ থাকে
- **ই সহযোগিতামূলক,** কাৰণ স্থানীয় প্রশাসনে চৰকাৰী বিভাগ, বেচৰকাৰী সংস্থা আৰু সমাজৰ সদস্যসকলৰ সৈতে সমন্বয় সাধন কৰি কাম কৰে।
- **ই স্বচ্ছতামূলক,** কাৰণ সিদ্ধান্ত, বাজেট আৰু উন্নয়নমূলক কার্যকলাপসমূহ জনসাধাৰণৰ আগত উন্মুক্তভাৱে প্রকাশ কৰা হয়।
- **ই ধাৰাবাহিক,** কাৰণ প্রশাসনিক আৰু উন্নয়নমূলক কামসমূহ নিয়মীয়াকৈ আৰু অবিৰতভাৱে চলি থাকে।
- **ই অন্তর্ভুক্তিমূলক,** কাৰণ ইয়াৰ জৰিয়তে মহিলা, যুৱসমাজ আৰু বঞ্চিত গোটসমূহক স্থানীয় শাসন আৰু সিদ্ধান্ত গ্রহণত অংশগ্রহণৰ সুযোগ প্রদান কৰা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্থানীয় প্রশাসন বুলিলে আপুনি কি বুজা? স্থানীয় প্রশাসনৰ যিকোনো দুটা স্বভাৱ উল্লেখ কৰা।

৭.৪ ভাৰতত স্থানীয় প্রশাসনৰ গাঁথনি (Structure of Local Administration in India)

ভাৰতত স্থানীয় প্রশাসনৰ গাঁথনি মূলতঃ গ্রাম্য আৰু নগৰীয়া-এই দুটা ভাগত বিভক্ত। এই বিভাজন বসতিৰ ধৰণ আৰু জনসংখ্যাৰ আকাৰৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। গ্রাম্য স্থানীয় প্রশাসনে গাঁও আৰু গ্রামাঞ্চলৰ প্রয়োজন পূৰণ কৰে, আনহাতে নগৰীয়া স্থানীয় প্রশাসনে নগৰ, পৌৰ এলেকা আৰু চহৰসমূহৰ পৰিচালনা কৰে।

ভাৰতীয় সংবিধানে স্থানীয় প্রশাসনিক প্রতিষ্ঠানসমূহৰ কার্যপদ্ধতিৰ বাবে এক সুস্পষ্ট কাঠামো প্রদান কৰিছে। **৭৩তম সংবিধান সংশোধনী** গ্রাম্য স্থানীয় সংস্থাৰ সৈতে জড়িত, আৰু **৭৪তম সংবিধান সংশোধনী** নগৰীয়া স্থানীয় সংস্থাৰ সৈতে সম্পর্কিত। এই দুয়োটাই মিলি ভাৰতত স্থানীয় স্বশাসনৰ ভেটি গঢ়ি তোলে।

৭.৪.১ গ্রাম্য স্থানীয় প্রশাসন (Rural Local Administration)

ভাৰতত গ্রাম্য স্থানীয় প্রশাসন মূলতঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত সংগঠিত। এই ব্যৱস্থা এক তিনিতৰপীয়া গঠনৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে, যাৰ উদ্দেশ্য হৈছে গণতান্ত্রিক বিকেন্দ্রীকৰণ আৰু গ্রাম্য উন্নয়নত জনসাধাৰণৰ সক্রিয় অংশগ্রহণ নিশ্চিত কৰা।

(ক) গাঁও সভা (Gram Sabha)

গ্রাম্য স্তৰত গাওঁ সভা হৈছে স্থানীয় প্রশাসনৰ মুঠ ভেটিস্বৰূপ। গাঁৱৰ সকলো প্রাপ্তবয়স্ক ভোটাৰে ইয়াৰ সদস্য। গাওঁ সভাই গাঁৱৰ সমস্যাসমূহ আলোচনা কৰে, উন্নয়ন পৰিকল্পনাৰ কৰে আৰু গাওঁ পঞ্চায়তৰ কার্যকলাপত স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰে।

(খ) গাওঁ পঞ্চায়ত (Gram Panchayat)

গাওঁ পঞ্চায়ত হৈছে গাঁও স্তৰৰ কার্যনির্বাহী সংস্থা। ইয়াৰ মূল দায়িত্ব হৈছে উন্নয়নমূলক কার্যসূচী ৰূপায়ণ, জনসাধাৰণৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণ আৰু মৌলিক সেৱা আগবঢ়োৱা। ইয়াৰ সদস্যসকল স্থানীয় জনসাধাৰণৰ দ্বাৰা নির্বাচিত হয়, যাৰ ফলত জনপ্রতিনিধিত্ব আৰু দায়বদ্ধতা দেখিবলৈ পোৱা যায়।

(গ) পঞ্চায়ত সমিতি / আঞ্চলিক পঞ্চায়ত (Panchayat Samiti û Anchalik Panchayat)

মধ্যৱর্তী স্তৰত পঞ্চায়ত সমিতি বা আঞ্চলিক পঞ্চায়ত একাধিক গাঁৱৰ মাজত উন্নয়নমূলক কার্যকলাপসমূহৰ সমন্বয় সাধন কৰে। ই গাওঁ পঞ্চায়ত আৰু জিলা পৰিষদৰ মাজত যোগসূত্র হিচাপে কাম কৰে। মণ্ডল স্তৰত উন্নয়নমূলক কার্যসূচীৰ পৰিকল্পনা আৰু তদাৰক ইয়াৰ অন্যতম মুখ্য কাম।

(ঘ) জিলা পৰিষদ (Zila Parishad)

জিলা স্তৰত জিলা পৰিষদ হৈছে গ্রাম্য স্থানীয় প্রশাসনৰ শীর্ষ সংস্থা। ই জিলা পর্যায়ত উন্নয়নৰ পৰিকল্পনা প্রস্তুত কৰে আৰু বিভিন্ন পঞ্চায়ত সমিতিৰ কার্যকলাপৰ সমন্বয় সাধন কৰে। জিলা পৰিষদে সমগ্র জিলাখনৰ গ্রাম্য উন্নয়নৰ দিশ নির্ধাৰণত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

t চিন্তা চর্চা কৰক ৭.১

আপোনাৰ ওচৰৰ কোনো এখন গাঁও পঞ্চায়ত পর্যবেক্ষণ কৰক বা ভ্রমণ কৰক। যোৱা এবছৰত গ্রাম পঞ্চায়তে গ্রহণ কৰা দুটা উন্নয়নমূলক কার্যসূচীৰ নাম লিখক।

৭.৪.২ নগৰীয়া স্থানীয় প্রশাসন (Urban Local Administration)

নগৰীয়া স্থানীয় প্রশাসনে নগৰ, চহৰ আৰু পৌৰ অঞ্চলসমূহ পৰিচালনা কৰে। নগৰীকৰণ বৃদ্ধি পোৱাৰ ফলত নগৰীয়া স্থানীয় সংস্থাসমূহৰ ভূমিকা অধিক গুৰুত্বপূর্ণ হৈ উঠিছে। বিশেষকৈ জনসংখ্যা বৃদ্ধি, আৱাসিক

সমস্যা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, যান-জঁট, জনস্বাস্থ্য আৰু পৰিৱেশ সুৰক্ষাৰ দৰে বিষয়সমূহ মোকাবিলা কৰাত এই সংস্থাসমূহৰ অৱদান উল্লেখযোগ্য।

নগৰীয়া স্থানীয় প্রশাসন সাধাৰণতে তলত দিয়া তিনিটা ধৰণৰ সংস্থাৰ অধীনত সংগঠিত হয়-

(ক) **পৌৰ নিগম (Municipal Corporation)**

পৌৰ নিগম বৃহৎ নগৰ আৰু মহানগৰসমূহত গঠন কৰা হয়। ই পানী যোগান, আৱর্জনা ব্যৱস্থাপনা, জনস্বাস্থ্য, নগৰ পৰিকল্পনা, পথ-ঘাট, আলোকসজ্জা, প্রাথমিক শিক্ষা আদি অত্যাৱশ্যকীয় সেৱা আগবঢ়ায়। পৌৰ নিগমত নির্বাচিত প্রতিনিধিসকল থাকে আৰু মেয়ৰ হৈছে ইয়াৰ আনুষ্ঠানিক মুৰব্বী।

(খ) **পৌৰসভা / পৌৰ পৰিষদ (Municipal Council)**

মধ্যম আকাৰৰ নগৰ বা চহৰত পৌৰসভা বা পৌৰ পৰিষদ গঠন কৰা হয়। ইয়াৰ গাঁথনি আৰু কার্য পৌৰ নিগমৰ সৈতে সাদৃশ্যপূর্ণ, যদিও ইয়াৰ কার্যপৰিসৰ তুলনামূলকভাৱে সৰু।

(গ) **নগৰ পঞ্চায়ত (Nagar Panchayat)**

যি অঞ্চলসমূহ ধীৰে ধীৰে গ্রাম্য অৱস্থাৰ পৰা নগৰীয়ালৈ ৰূপান্তৰিত হৈছে, তেনে এলেকাত নগৰ পঞ্চায়ত গঠন কৰা হয়। এই সংস্থাই মৌলিক নাগৰিক সেৱা প্রদান আৰু নগৰীকৰণ-সংক্রান্ত বিষয়সমূহ পৰিচালনা কৰে।

নগৰীয়া স্থানীয় সংস্থাসমূহে নাগৰিকসকলক নগৰ পৰিকল্পনা, অভিযোগ নিষ্পত্তি, উন্নয়নমূলক আঁচনি আৰু স্থানীয় সিদ্ধান্ত গ্রহণত অংশগ্রহণৰ সুযোগ দি সম্প্রদায়ৰ অংশগ্রহণ বৃদ্ধি কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ তিনিটা স্তৰৰ নাম লিখা। নগৰীয়া স্থানীয় সংস্থাৰ এটা কার্য উল্লেখ কৰা।

৭.৫ স্থানীয় প্রশাসনৰ কার্যাবলী (Functions of Local Administration)

স্থানীয় প্রশাসনে এনে বহুতো কার্য সম্পাদন কৰে যিবোৰে সম্প্রদায়ৰ সামাজিক, আর্থিক আৰু সাংস্কৃতিক জীৱনৰ ওপৰত প্রত্যক্ষ প্রভাৱ পেলায়। এই কার্যসমূহৰ মূল লক্ষ্য হৈছে ফলপ্রসূ শাসন, অত্যাৱশ্যকীয় সেৱা প্রদান আৰু জনকল্যাণৰ উন্নতি নিশ্চিত কৰা। যিহেতু স্থানীয় প্রশাসনিক সংস্থাসমূহ জনসাধাৰণৰ কাষত থাকে, সেয়েহে এইবিলাকে স্থানীয় প্রয়োজন আৰু অগ্রাধিকাৰ অধিক সঠিকভাৱে বুজিব পাৰে।

স্থানীয় প্রশাসনৰ কার্যসমূহ মূলতঃ চাৰিটা ভাগত বিভক্ত কৰিব পাৰি-

- প্রশাসনিক কার্য
- উন্নয়নমূলক কার্য

- আর্থিক কার্য
- নিয়ামক কার্য

৭.৫.১ প্রশাসনিক কার্য (Administrative Functions)

প্রশাসনিক কার্যসমূহ স্থানীয় প্রশাসনৰ ভেটিস্বৰূপ। স্থানীয় প্রশাসনিক সংস্থাসমূহে-

- ৰাজহুৱা নথি-পত্র সংৰক্ষণ কৰে,
- আইন আৰু নিয়মাৱলী কার্যকৰী কৰে,
- স্থানীয় স্তৰত কার্যৰত বিভিন্ন চৰকাৰী বিভাগৰ মাজত সমন্বয় সাধন কৰে;

বিদ্যালয়, স্বাস্থ্যকেন্দ্র, পৰিষ্কাৰ-পৰিচ্ছন্নতা সেৱা আৰু জনসাধাৰণৰ উপযোগী অন্যান্য ব্যৱস্থাৰ তদাৰক কৰে।

ইয়াৰ এক গুৰুত্বপূর্ণ দিশ হৈছে অভিযোগ নিষ্পত্তি ব্যৱস্থা। স্থানীয় সংস্থাসমূহে এনে মঞ্চ প্রদান কৰে য'ত সমাজৰ সদস্যসকলে ৰাজহুৱা সেৱাৰ সৈতে জড়িত সমস্যা উত্থাপন কৰিব পাৰে আৰু সময়োপযোগী সমাধান বিচাৰিব পাৰে। ইয়াৰ ফলত প্রশাসন আৰু জনসাধাৰণৰ মাজত আস্থা বৃদ্ধি পায়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ স্থানীয় প্রশাসনৰ প্রশাসনিক কার্যসমূহ কি? স্থানীয় স্তৰত অভিযোগ নিষ্পত্তি কিয় গুৰুত্বপূর্ণ?

৭.৫.২ উন্নয়নমূলক কার্য (Developmental Functions)

উন্নয়নমূলক কার্যসমূহৰ লক্ষ্য হৈছে স্থানীয় সমাজৰ সামগ্রিক জীৱনৰ মানদণ্ড উন্নত কৰা। এই কার্যসমূহৰ মাধ্যমে সামাজিক কল্যাণ, আর্থিক উন্নয়ন আদি সাধন কৰা হয়।

স্থানীয় প্রশাসনিক সংস্থাসমূহে-

- গ্রাম্য আৰু নগৰীয়া উন্নয়নমূলক কার্যসূচী পৰিকল্পনা আৰু ৰূপায়ণ কৰে;
- পানী যোগান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পথ-ঘাট, গৃহ নির্মাণ, স্বাস্থ্য আৰু পৰিৱেশ সুৰক্ষা সম্পর্কীয় কাম কৰে;
- আত্মসহায়ক গোট (Self Help Groups), দক্ষতা বিকাশ আৰু উপার্জনমুখী কার্যসূচীক উৎসাহিত কৰে।

উন্নয়নমূলক কার্যসমূহত জনসাধাৰণৰ অংশগ্রহণ থাকিলে উন্নয়ন অধিক প্রয়োজনভিত্তিক, কার্যকৰী আৰু স্থায়ী হয়। মানুহে যেতিয়া উন্নয়ন কার্যত নিজে অংশগ্রহণ কৰে, তেতিয়া তেওঁলোকৰ মাজত অধিকাৰবোধ আৰু দায়িত্ববোধ গঢ়ি উঠে।

5 জানি থোৱা ভাল

গ্রাম সভাৰ জৰিয়তে স্থানীয় উন্নয়ন পৰিকল্পনা প্রস্তুত কৰাটো সম্প্রদায়ৰ প্রয়োজন চিনাক্তকৰণ আৰু উন্নয়নমূলক কামৰ অগ্রাধিকাৰ নির্ধাৰণৰ এক গুৰুত্বপূর্ণ পদ্ধতি।

৭.৫.৩ আর্থিক কার্য (Financial Functions)

স্থানীয় প্রশাসনৰ ফলপ্রসূ কার্যসম্পাদনৰ বাবে আর্থিক কার্যসমূহ অতি গুৰুত্বপূর্ণ। স্থানীয় সংস্থাসমূহে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ পর্যাপ্ত আর্থিক সম্পদৰ প্রয়োজন হয়।

এই কার্যসমূহৰ অন্তর্গত-

- বাজেট প্রস্তুত কৰা;
- স্থানীয় কৰ সংগ্রহ কৰা;
- উন্নয়নমূলক প্রকল্পৰ বাবে ধন আৱণ্টন কৰা;
- আর্থিক লেনদেন আৰু হিচাপ-নিকাচ সংৰক্ষণ কৰা।

ইয়াৰ উপৰিও স্থানীয় সংস্থাসমূহে ৰাজ্য আৰু কেন্দ্র চৰকাৰৰ পৰা অনুদান আৰু আর্থিক সহায় লাভ কৰে।

সঠিক আর্থিক ব্যৱস্থাপনাই স্বচ্ছতা, দায়বদ্ধতা আৰু জনস্বার্থমুখী ব্যয় নিশ্চিত কৰে। ইয়াৰ ফলত জনসাধাৰণৰ ধন সমাজকল্যাণ আৰু উন্নয়নমূলক কামত সঠিকভাৱে ব্যৱহাৰ হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ স্থানীয় সংস্থাৰ আয়ৰ যিকোনো দুটা উৎস উল্লেখ কৰা। স্থানীয় প্রশাসনত আর্থিক দায়বদ্ধতা কিয় গুৰুত্বপূর্ণ?

৭.৫.৪ নৈতিক কার্য (Regulatory Functions)

নৈতিক কার্যসমূহে সমাজ জীৱনত শৃঙ্খলাবদ্ধতা আৰু আইনসম্মত পৰিৱেশ বজাই ৰাখে। স্থানীয় প্রশাসনিক সংস্থাসমূহে-

- জনস্বাস্থ্য,
- পৰিষ্কাৰ-পৰিচ্ছন্নতা,
- গৃহ বা ভবন নির্মাণ,

- পৰিৱেশ সুৰক্ষা,
- ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আদি বিষয়ৰ সৈতে জড়িত নীতি-নিয়মসমূহ কার্যকৰী কৰে।

এই কার্যসমূহৰ ফলত উন্নয়নমূলক কামসমূহ সুশৃংখল আৰু আইনসম্মতভাৱে সম্পন্ন হয়। লগতে, ইয়াৰ দ্বাৰা ৰাজহুৱা সম্পদৰ অপব্যৱহাৰ ৰোধ হয় আৰু গাঁও বা নগৰৰ সু-সংগঠিত বিকাশ নিশ্চিত হয়।

৭.৬ সম্প্রদায়ৰ অংশগ্রহণ (Community Involvement)

সম্প্রদায়ৰ অংশগ্রহণ গণতান্ত্রিক শাসন আৰু স্থায়ী উন্নয়নৰ এক কেন্দ্রীয় উপাদান। ইয়াৰ অর্থ হৈছে-সমাজৰ সদস্যসকলে সমস্যা চিনাক্তকৰণ, সমাধান পৰিকল্পনা, কার্যসূচী ৰূপায়ণ আৰু ফলাফল মূল্যায়নত সক্রিয়ভাৱে অংশগ্রহণ কৰা।

স্থানীয় প্রশাসন জনসাধাৰণৰ সহযোগ আৰু অংশগ্রহণ অবিহনে ফলপ্রসূভাৱে চলিব নোৱাৰে। সম্প্রদায়ৰ অংশগ্রহণে নিশ্চিত কৰে যে উন্নয়নমূলক কার্যসূচীসমূহ জনসাধাৰণৰ প্রকৃত প্রয়োজনৰ সৈতে সঙ্গতিপূর্ণ হয় আৰু ৰাজহুৱা সম্পদৰ সদ্ব্যৱহাৰ হয়।

ইয়াৰ দ্বাৰা গণতান্ত্রিক মূল্যবোধ যেনে-অংশগ্রহণ, সমতা, স্বচ্ছতা আৰু দায়বদ্ধতা-সবল হয়। লগতে, সম্প্রদায়ৰ সদস্যসকলৰ মাজত সামাজিক ঐক্য, সম্মিলিত দায়িত্ববোধ আৰু সহযোগিতাৰ মনোভাৱ বিকশিত হয়।

৭.৬.১ সম্প্রদায়ৰ অংশগ্রহণৰ অর্থ (Meaning of Community Involvement)

সম্প্রদায়ৰ অংশগ্রহণ বুলিলে সেই প্রক্রিয়াক বুজায়, যাৰ জৰিয়তে কোনো সম্প্রদায়ৰ ব্যক্তি, দল আৰু সংগঠনসমূহে সিদ্ধান্ত গ্রহণ আৰু উন্নয়নমূলক কার্যকলাপত সক্রিয়ভাৱে অংশ লয়। ইয়াৰ জৰিয়তে ব্যক্তিসকলে লাভ কৰে-

- মতামত আগবঢ়োৱা,
- সম্পদ বা সময় আগবঢ়োৱা,
- সমস্যা সমাধানৰ বাবে একত্রিতভাৱে কাম কৰা,
- স্থানীয় কল্যাণৰ বাবে যৌথ পদক্ষেপ গ্রহণ কৰা।

সম্প্রদায়ৰ অংশগ্রহণ কেৱল নির্বাচনত ভোট দিয়াৰ মাজতেই সীমাবদ্ধ নহয়। ই **গাওঁ সভা, ৱার্ড সভা, স্থানীয় সমিতি, স্বেচ্ছাসেৱী সংগঠন** আৰু **উন্নয়নমূলক কার্যসূচী**সমূহত অংশগ্রহণকো সামৰি লয়। এনে অংশগ্রহণে জনসাধাৰণক সচেতন কৰি তোলে আৰু শাসন ব্যৱস্থাক অধিক অন্তর্ভুক্তিমূলক কৰে।

t চিন্তা চর্চা কৰক ৭.২

আপোনাৰ ওচৰৰ কোনো গাওঁ সভা বা ৱার্ড সভা পর্যবেক্ষণ কৰক। তাত আলোচনা কৰা দুটা বিষয় আৰু তাত সম্প্রদায়ৰ সদস্যসকল কেনেকৈ অংশগ্রহণ কৰিলে, সেয়া লিখক।

৭.৬.২ সম্প্রদায়ৰ অংশগ্রহণৰ গুৰুত্ব (Importance of Community Involvement)

সম্প্রদায়ৰ অংশগ্রহণ ফলপ্রসূ স্থানীয় প্রশাসন আৰু স্থায়ী সমাজ উন্নয়নৰ বাবে এক মৌলিক প্রয়োজন। গণতান্ত্রিক ব্যৱস্থাত উন্নয়ন ওপৰৰ পৰা জোৰ কৰি জাপি দিব নোৱাৰি; ই জনসাধাৰণৰ সক্রিয় অংশগ্রহণৰ মাজেদি গঢ়ি উঠিব লাগে। জনসাধাৰণে যেতিয়া পৰিকল্পনা আৰু ৰূপায়ণত অংশ লয়, তেতিয়া স্থানীয় প্রশাসন অধিক সঁহাৰিমূলক, স্বচ্ছ আৰু দায়বদ্ধ হয়।

ইয়াৰ গুৰুত্ব এনেদৰে ক'ব পৰা যায়-

- সম্প্রদায়ৰ অংশগ্রহণে স্থানীয় প্রশাসকসকলক জনসাধাৰণৰ প্রকৃত প্রয়োজন, সমস্যা আৰু অগ্রাধিকাৰ বুজিবলৈ সহায় কৰে।
- ইয়াৰ ফলত উন্নয়নমূলক কার্যসূচী অধিক প্রয়োজনভিত্তিক, বাস্তৱমুখী আৰু গ্রহণযোগ্য হয়।
- জনসাধাৰণে স্থানীয় সংস্থাৰ কার্যকলাপ পর্যবেক্ষণ কৰাত তেওঁলোকৰ দায়বদ্ধতা বৃদ্ধি পায়।
- ৰাজহুৱা ধনৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰি দুর্নীতি আৰু অপব্যৱহাৰ হ্রাস কৰে।
- স্থানীয় শাসনত অংশগ্রহণ, সহযোগিতা আৰু যৌথ দায়িত্বৰ জৰিয়তে গণতান্ত্রিক মূল্যবোধ শক্তিশালী হয়।
- শিক্ষাগত দৃষ্টিকোণৰ পৰা, ই নেতৃত্ব, সচেতনতা আৰু সামাজিক দায়িত্ববোধ বিকাশৰ সুযোগ প্রদান কৰে।
- সক্রিয় অংশগ্রহণে জনসাধাৰণৰ মাজত অধিকাৰবোধ গঢ়ি তোলে, যাৰ ফলত উন্নয়নমূলক কার্যসূচীৰ স্থায়িত্ব নিশ্চিত হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সম্প্রদায়ৰ অংশগ্রহণ বুলিলে কি বুজায়? স্থানীয় প্রশাসনত সম্প্রদায়ৰ অংশগ্রহণৰ এটা লাভ উল্লেখ কৰা।

৭.৭ সম্প্রদায়ৰ অংশগ্রহণৰ প্রকাৰ বা দিশসমূহ (Forms of Community Involvement)

সম্প্রদায়ৰ অংশগ্রহণ বিভিন্ন ৰূপত দেখা যায়। এই প্রকাৰসমূহৰ জৰিয়তে জনসাধাৰণে স্থানীয় শাসন আৰু উন্নয়নত অর্থবহ অৱদান আগবঢ়ায়।

৭.৭.১ পৰিকল্পনাত অংশগ্রহণ (Participation in Planning)

পৰিকল্পনাত অংশগ্রহণ হৈছে সম্প্রদায়ৰ অংশগ্রহণৰ প্রথম আৰু অন্যতম গুৰুত্বপূর্ণ প্রকাৰ ইয়াৰ জৰিয়তে জনসাধাৰণে-

- সমস্যা চিনাক্ত কৰে,
- অগ্রাধিকাৰ নির্ধাৰণ কৰে,
- উন্নয়নমূলক পৰিকল্পনা প্রস্তুত কৰাত সহায় কৰে।

এইধৰণৰ অংশগ্রহণে উন্নয়নমূলক কার্যসূচীসমূহক অধিক বাস্তৱমুখী আৰু প্রয়োজনভিত্তিক কৰি তোলে।

৭.৭.২ ৰূপায়ণত অংশগ্রহণ (Participation in Implementation)

এই ধৰণৰ অংশগ্রহণত জনসাধাৰণে উন্নয়নমূলক কার্যসূচী বাস্তৱায়নত-শ্রম, দক্ষতা, স্থানীয় সম্পদ, সময় আদি আগবঢ়ায়। উদাহৰণস্বৰূপে, মানুহে-সমাজৰ সম্পত্তি নির্মাণত, ৰাজহুৱা সুবিধাৰ ৰক্ষণাবেক্ষণত, সামাজিক কার্যসূচী সংগঠনত অংশগ্রহণ কৰিব পাৰে।

৭.৭.৩ নিৰীক্ষণ আৰু মূল্যায়নত অংশগ্রহণ (Participation in Monitoring and Evaluation)

উন্নয়নমূলক কার্যসূচীৰ অগ্রগতি আৰু প্রভাৱ মূল্যায়নৰ ক্ষেত্রতো সম্প্রদায়ৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ। জনসাধাৰণে —

- কামৰ অগ্রগতি পর্যবেক্ষণ কৰে,
- সমস্যা বা অনিয়ম চিহ্নিত কৰে,
- উন্নতিৰ পৰামর্শ আগবঢ়ায়।

এইধৰণৰ অংশগ্রহণে স্থানীয় প্রশাসনিক সংস্থাসমূহৰ **স্বচ্ছতা** আৰু **দায়বদ্ধতা** বৃদ্ধি কৰে।

5 জানি থোৱা ভাল

সামাজিক নিৰীক্ষণ (Social Audit) হৈছে এক গুৰুত্বপূর্ণ উপায়, যাৰ জৰিয়তে জনসাধাৰণে স্থানীয় স্তৰত ৰূপায়িত ৰাজহুৱা কার্যসূচীসমূহ পর্যালোচনা আৰু মূল্যায়ন কৰিব পাৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সম্প্রদায়ৰ অংশগ্রহণৰ যিকোনো দুটা ৰূপৰ নাম লিখা। অংশগ্রহণমূলক পৰিকল্পনা কিয় গুৰুত্বপূর্ণ?

৭.৮ সম্প্রদায়ৰ অংশগ্রহণ উৎসাহিত কৰাত স্থানীয় প্রশাসনৰ ভূমিকা (Role of Local Administration in Promoting Community Involvement)

সম্প্রদায়ৰ অংশগ্রহণ উৎসাহিত আৰু স্থায়ী কৰি তোলাত স্থানীয় প্রশাসনে কেন্দ্রীয় ভূমিকা পালন কৰে। যিহেতু স্থানীয় প্রশাসন শাসনৰ আটাইতকৈ নিকটতম স্তৰ, সেয়ে ই চৰকাৰ আৰু জনসাধাৰণৰ মাজত মধ্যস্থতা হিচাপে কাম কৰে। স্থানীয় শাসন আৰু উন্নয়নমূলক কার্যত জনসাধাৰণক কিমান সক্রিয়ভাৱে জড়িত কৰিব পাৰি, তাৰ ওপৰতে ইয়াৰ সফলতা বহুলাংশে নির্ভৰ কৰে।

স্থানীয় প্রশাসনৰ মুখ্য ভূমিকা সমূহ-

- **অংশগ্রহণৰ মঞ্চ সৃষ্টি কৰা** ঃ গাওঁ সভা, ৱার্ড কমিটি, উন্নয়ন সমিতি আদিৰ জৰিয়তে জনসাধাৰণক মতামত প্রকাশৰ সুযোগ দিয়া।
- **স্থানীয় সমস্যা চিহ্নিতকৰণ** ঃ সমাজৰ সদস্যসকলৰ পৰা মতামত সংগ্রহ কৰি প্রকৃত সমস্যা বুজা।
- **সিদ্ধান্ত গ্রহণত জনসাধাৰণক সম্পৃক্ত কৰা** ঃ জনসাধাৰণক উপভোক্তা নহয়, বৰং অংশীদাৰ হিচাপে গঢ়ি তোলা।
- **তথ্যৰ স্বচ্ছতা নিশ্চিত কৰা** ঃ বাজেট, উন্নয়নমূলক কাম, চৰকাৰী আঁচনি আদিৰ তথ্য জনসাধাৰণৰ আগত প্রকাশ কৰা।
- **দায়বদ্ধতা বৃদ্ধি কৰা** ঃ জনসাধাৰণক প্রশাসনিক কার্যকলাপ পর্যবেক্ষণৰ সুযোগ দিয়া।
- **সচেতনতা আৰু প্রশিক্ষণৰ ব্যৱস্থা কৰা** ঃ অধিকাৰ, দায়িত্ব আৰু প্রশাসনিক পদ্ধতিৰ বিষয়ে সচেতনতা বৃদ্ধি কৰা।

এইধৰণৰ ব্যৱস্থাই জনসাধাৰণক স্থানীয় শাসনত **আত্মবিশ্বাসী, সচেতন** আৰু **দায়িত্বশীল** অংশগ্রহণকাৰী হিচাপে গঢ়ি তোলে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ঃ স্থানীয় প্রশাসনে কেনেকৈ সম্প্রদায়ৰ অংশগ্রহণ উৎসাহিত কৰে ? জনসাধাৰণে স্থানীয় শাসনত অংশগ্রহণ কৰা এটা মঞ্চৰ নাম লিখা।

৭.৯ স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণ শক্তিশালী কৰাত শিক্ষাৰ ভূমিকা (Role of Education in Strengthening Local Administration and Community Involvement)

শিক্ষাই স্থানীয় প্রশাসনক শক্তিশালী কৰা আৰু সম্প্রদায়ৰ সক্রিয় অংশগ্রহণ বৃদ্ধি কৰাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শিক্ষাই ব্যক্তি-মনত **জ্ঞান, মূল্যবোধ, দক্ষতা** আৰু **দায়িত্বশীল মনোভাৱ** গঢ়ি তোলে, যাৰ জৰিয়তে তেওঁলোক তৃণমূল স্তৰৰ গণতান্ত্রিক শাসনত অর্থবহভাৱে অংশগ্রহণ কৰিব পাৰে।

ভাৰতৰ দৰে বৈচিত্র্যময় আৰু গণতান্ত্রিক সমাজত ফলপ্রসূ স্থানীয় শাসন জনসাধাৰণৰ সচেতনতা আৰু অংশগ্রহণৰ ওপৰত বহুলাংশে নির্ভৰশীল। সেই দিশৰ পৰা শিক্ষাৰ ভূমিকা অত্যন্ত তাৎপর্যপূর্ণ।

শিক্ষাৰ ভূমিকা তলত দিয়া দিশসমূহত বুজা যায়—

- শিক্ষাই ব্যক্তিক স্থানীয় শাসন, প্রশাসনিক পদ্ধতি আৰু স্থানীয় সংস্থাসমূহৰ বিষয়ে জ্ঞান প্রদান কৰে।
- ই মানুহক নিজৰ অধিকাৰ আৰু কর্তব্য সম্বন্ধে সচেতন কৰে।
- শিক্ষাই নাগৰিকৰ সচেতনতাবোধ, সামাজিক দায়িত্ববোধ আৰু সহযোগিতামূলক মনোভাৱ গঢ়ি তোলে।
- বিদ্যালয় আৰু মহাবিদ্যালয়সমূহে স্বাস্থ্য, পৰিৱেশ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সামাজিক সম্প্রীতিৰ দৰে বিষয়ত সচেতনতামূলক কার্যসূচী আয়োজন কৰি সমাজৰ সৈতে সংযোগ স্থাপন কৰে।
- শিক্ষক আৰু শিক্ষার্থীসকলে বহু সময়ত স্থানীয় সংস্থাৰ সৈতে সহযোগিতাৰে সমাজ উন্নয়নমূলক কার্যসূচী ৰূপায়ণ কৰে।
- **প্রাপ্তবয়স্ক শিক্ষা** আৰু **অ-আনুষ্ঠানিক** শিক্ষা কার্যসূচীৰ জৰিয়তে বহু মানুহে চৰকাৰী বিজ্ঞপ্তি, আঁচনি আৰু প্রশাসনিক তথ্য বুজিবলৈ সক্ষম হয়।
- শিক্ষাই প্রশাসন আৰু জনসাধাৰণৰ মাজৰ যোগাযোগ অধিক ফলপ্রসূ কৰে।
- দূ�ৰশিক্ষাৰ শিক্ষার্থীয়ে স্থানীয় প্রশাসন সম্বন্ধীয় তাত্ত্বিক জ্ঞানক বাস্তৱ জীৱনৰ সমাজিক পৰিস্থিতিত প্রয়োগ কৰাৰ সুযোগ পায়।

5 জানি থোৱা ভাল

বর্তমান বহু শিক্ষানুষ্ঠানে NSS, extension activities আৰু বিভিন্ন **সচেতনতামূলক অভিযান**ৰ জৰিয়তে স্থানীয় সংস্থাৰ সৈতে সহযোগিতাৰে সমাজসেৱামূলক কার্যসূচী ৰূপায়ণ কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ শিক্ষাই কেনেকৈ সম্প্রদায়ৰ অংশগ্রহণ বৃদ্ধি কৰে? সমাজ উন্নয়নত শিক্ষাপ্রতিষ্ঠানৰ এটা ভূমিকা উল্লেখ কৰা।

৭.১০ স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণত থকা প্রত্যাহ্বানসমূহ (Challenges in Local Administration and Community Participation)

স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণৰ গুৰুত্ব থকা সত্ত্বেও, বহুতো সমস্যাই ইয়াৰ ফলপ্রসূ কার্যক্ষমতাত বাধা সৃষ্টি কৰে। এই সমস্যাসমূহে প্রশাসনিক দক্ষতা আৰু জনসাধাৰণৰ অংশগ্রহণ-দুয়োটাকেই ক্ষতিগ্রস্ত কৰে। মুখ্য প্রত্যাহ্বানসমূহ হ'ল-

- **সচেতনতাৰ অভাৱ ঃ** বহুতো মানুহে নিজৰ অধিকাৰ, ভূমিকা আৰু দায়িত্ব সম্পর্কে পর্যাপ্ত জ্ঞান নথকাৰ ফলত সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণ নকৰে।
- **ৰাজনৈতিক হস্তক্ষেপ ঃ** ৰাজনৈতিক স্বার্থই স্থানীয় সংস্থাৰ নিৰপেক্ষতা ক্ষুণ্ণ কৰিব পাৰে আৰু সৎ অংশগ্রহণক নিৰুৎসাহিত কৰে।
- **সম্পদৰ অভাৱ ঃ** পর্যাপ্ত ধন, প্রশিক্ষিত জনবল আৰু উপযুক্ত পৰিকাঠামোৰ অভাৱত উন্নয়নমূলক কার্যসূচী সুচাৰুৰূপে ৰূপায়ণ কৰিব নোৱাৰি।
- **প্রশাসনিক অদক্ষতা ঃ** সিদ্ধান্ত গ্রহণত বিলম্ব, কার্য ৰূপায়ণৰ দক্ষতাৰ অভাৱ আৰু দায়বদ্ধতাৰ অভাৱেও স্থানীয় প্রশাসনক দুর্বল কৰে।
- **সমন্বয়ৰ অভাৱ ঃ** বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাৰ মাজত সমন্বয়ৰ অভাৱত কামৰ পুনৰাবৃত্তি আৰু বিভ্রান্তি সৃষ্টি হয়।
- **সামাজিক বৈষম্য ঃ** বহু ক্ষেত্রত মহিলা, দুর্বল বা পিছপৰা শ্রেণীৰ অংশগ্রহণ সীমিত হৈ থাকে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ স্থানীয় প্রশাসনে সন্মুখীন হোৱা যিকোনো দুটা চেলেঞ্জ উল্লেখ কৰা। সচেতনতাৰ অভাৱে সম্প্রদায়ৰ অংশগ্রহণ কিয় হ্রাস কৰে?

৭.১১ স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণ শক্তিশালী কৰাৰ উপায় (Measures to Strengthen Local Administration and Community Involvement)

বিদ্যমান সমস্যাসমূহ অতিক্রম কৰি স্থানীয় প্রশাসনক অধিক শক্তিশালী আৰু জনমুখী কৰি তুলিবলৈ কিছুমান ব্যৱস্থা গ্রহণ কৰিব লাগিব। এই ব্যৱস্থাসমূহে স্থানীয় প্রশাসনক অধিক স্বচ্ছ, দ্বায়বদ্ধ, অংশগ্রহণমূলক আৰু ফলপ্রসূ কৰি তুলিব পাৰে।

মুখ্য ব্যৱস্থাসমূহ হ'ল-

- **সচেতনতা সৃষ্টিৰ ব্যৱস্থা** ঃ শিক্ষা, গণমাধ্যম আৰু সমাজভিত্তিক কার্যসূচীৰ জৰিয়তে জনসাধাৰণক স্থানীয় প্রশাসন, অধিকাৰ আৰু দায়িত্বৰ বিষয়ে সচেতন কৰা।
- **ক্ষমতা বিকাশ (Capacity Building)** ঃ স্থানীয় প্রতিনিধি আৰু চৰকাৰী কর্মচাৰীৰ বাবে প্রশিক্ষণৰ ব্যৱস্থা কৰি প্রশাসনিক দক্ষতা, নেতৃত্ব আৰু নৈতিকতা বৃদ্ধি কৰা।
- **স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰা** ঃ নিয়মীয়া সভা, বাজেট প্রকাশ, তথ প্রকাশ আৰু সামাজিক নিৰীক্ষণৰ ব্যৱস্থা শক্তিশালী কৰা।
- **পর্যাপ্ত আর্থিক সহায়** ঃ স্থানীয় সংস্থাসমূহলৈ সময়মতে আৰু অধিক ধন আবণ্টন নিশ্চিত কৰা।
- **সমন্বয় শক্তিশালী কৰা** ঃ চৰকাৰী বিভাগ, বেচৰকাৰী সংস্থা (NGOs) আৰু সামাজিক সংগঠনৰ মাজত সমন্বয় স্থাপন কৰা।
- **অন্তর্ভুক্তিমূলক অংশগ্রহণ** ঃ মহিলা, যুৱসমাজ, পিছপৰা আৰু প্রান্তীয় শ্রেণীৰ অংশগ্রহণ নিশ্চিত কৰা।
- **প্রযুক্তিৰ ব্যৱহাৰ** ঃ অভিযোগ নিষ্পত্তি, তথ্য প্রচাৰ আৰু প্রশাসনিক স্বচ্ছতাৰ বাবে ডিজিটেল ব্যৱস্থা বৃদ্ধি কৰা।

t চিন্তা চর্চা কৰক ৭.৩

আপোনাৰ স্থানীয় অঞ্চলত সম্প্রদায়ৰ অংশগ্রহণ বৃদ্ধি কৰিব পৰা দুটা ব্যৱস্থা লিখক।

২ ৭.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্থানীয় প্রশাসন তৃণমূল স্তৰৰ গণতান্ত্রিক শাসনৰ এক গুৰুত্বপূর্ণ অংগ।
- ই ক্ষমতাৰ বিকেন্দ্রীকৰণ নিশ্চিত কৰি শাসনব্যৱস্থাক জনসাধাৰণৰ কাষলৈ আনে।
- স্থানীয় সংস্থাসমূহ নির্বাচিত প্রতিনিধি আৰু সম্প্রদায়ভিত্তিক মঞ্চৰ জৰিয়তে জনঅংশগ্রহণ উৎসাহিত কৰে।
- স্থানীয় প্রশাসনে প্রশাসনিক, উন্নয়নমূলক, আর্থিক আৰু নৈতিক-এই চাৰিধৰণৰ মুখ্য কার্য সম্পাদন কৰে।
- ই ৰাজহুৱা সেৱা, উন্নয়ন, স্বাস্থ্য, শিক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পথ-ঘাট আৰু সমাজকল্যাণৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- সম্প্রদায়ৰ অংশগ্রহণে স্থানীয় শাসনক অধিক স্বচ্ছ, দ্বায়বদ্ধ আৰু অন্তর্ভুক্তিমূলক কৰি তোলে।
- জনসাধাৰণৰ সক্রিয় অংশগ্রহণে উন্নয়নমূলক কার্যসূচীসমূহ অধিক প্রয়োজনভিত্তিক আৰু স্থায়ী কৰে।
- স্থানীয় প্রশাসন চৰকাৰ আৰু সমাজৰ মাজত এক মধ্যস্থতাকাৰী হিচাপে কাম কৰে।
- শিক্ষাই নাগৰিকৰ সচেতনতা বৃদ্ধি, সামাজিক দায়িত্ববোধ সৃষ্টি আৰু গণতান্ত্রিক অংশগ্রহণৰ বিকাশ কৰে।
- শিক্ষানুষ্ঠানসমূহে বিভিন্ন সমাজসেৱামূলক আৰু সচেতনতামূলক কার্যসূচীৰ জৰিয়তে স্থানীয় উন্নয়নত সহায় কৰে।
- স্থানীয় প্রশাসনে বহু সমস্যাৰ সন্মুখীন হয়, যেনে-সচেতনতাৰ অভাৱ, ৰাজনৈতিক হস্তক্ষেপ, সম্পদৰ অভাৱ আদি।
- এই প্রত্যাহ্বানসমূহ অতিক্রম কৰিবলৈ সচেতনতা, প্রশিক্ষণ, স্বচ্ছতা, দ্বায়বদ্ধতা আৰু সমন্বয় বৃদ্ধি কৰাটো অত্যন্ত প্রয়োজনীয়।

০ ৭.১৩ অধিক জানিবলৈ

1. Bhattacharya, M. (2015). *Local Government in India*. New Delhi: Oxford University Press.
2. Government of India. *Panchayati Raj Institutions and Local Governance Reports*.
3. United Nations (2016). *Local Governance and Community Participation*.
4. Rao, M.S. (2014). *Social Change and Community Development in India*.

K ৭.১৪ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্থানীয় প্রশাসন বুলিলে তৃণমূল স্তৰত স্থানীয় বিষয়সমূহ পৰিচালনা কৰা শাসনব্যৱস্থাক বুজায়। ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহৰ ভিতৰত বিকেন্দ্রীকৰণ আৰু জনসাধাৰণৰ অংশগ্রহণ উল্লেখযোগ্য।

২ নং প্রশ্নৰ উত্তৰ ঃ পঞ্চায়তীৰাজ ব্যৱস্থাৰ তিনিটা স্তৰ হ'ল-গ্রাম পঞ্চায়ত, পঞ্চায়ত সমিতি আৰু জিলা পৰিষদ। নগৰীয়া স্থানীয় সংস্থাসমূহে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দৰে নাগৰিক সেৱা আগবঢ়ায়।

৩নং প্রশ্নৰ উত্তৰ ঃ প্রশাসনিক কার্যৰ ভিতৰত চৰকাৰী নীতি ৰূপায়ণ, নথি সংৰক্ষণ আৰু অভিযোগ নিষ্পত্তি অন্তর্ভুক্ত। অভিযোগ নিষ্পত্তিয়ে জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্থানীয় সংস্থাৰ আয়ৰ উৎসসমূহৰ ভিতৰত স্থানীয় কৰ আৰু চৰকাৰী অনুদান উল্লেখযোগ্য।

৫ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায়ৰ অংশগ্রহণ বুলিলে স্থানীয় শাসন আৰু উন্নয়নমূলক কার্যত জনসাধাৰণৰ সক্রিয় অংশগ্রহণক বুজায়। ইয়াৰ ফলত স্বচ্ছতা বৃদ্ধি পায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায়ৰ অংশগ্রহণৰ প্রকাৰসমূহৰ ভিতৰত পৰিকল্পনাত অংশগ্রহণ আৰু ৰূপায়ণত অংশগ্রহণ উল্লেখযোগ্য। অংশগ্রহণমূলক পৰিকল্পনাই উন্নয়নমূলক কামসমূহ অধিক প্রাসংগিক কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ স্থানীয় প্রশাসনে গ্রাম সভা, ৱার্ড কমিটি আদি মঞ্চৰ জৰিয়তে জনসাধাৰণৰ অংশগ্রহণ উৎসাহিত কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাই সচেতনতাবোধ, নাগৰিক দায়িত্ববোধৰ আৰু গণতান্ত্রিক মূল্যবোধ বিকাশ কৰে। শিক্ষাপ্রতিষ্ঠানসমূহে সমাজসেৱামূলক আৰু সচেতনতামূলক কার্যসূচী আয়োজন কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ স্থানীয় প্রশাসনৰ মুখ্য প্রত্যাহ্বানসমূহৰ ভিতৰত সচেতনতাৰ অভাৱ আৰু ৰাজনৈতিক হস্তক্ষেপ উল্লেখযোগ্য। সচেতনতা নাথাকিলে জনসাধাৰণে স্থানীয় শাসনত সক্রিয়ভাৱে অংশগ্রহণ নকৰে।

M ৭.১৫ আহিঁ প্রশ্ন

ক) **চুটি প্রশ্ন** (50টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ স্থানীয় প্রশাসন বুলিলে কি বুজায়?

প্রশ্ন নং ২ ঃ সম্প্রদায়ৰ অংশগ্রহণৰ সংজ্ঞা দিয়া।

প্রশ্ন নং ৩ ঃ স্থানীয় প্রশাসনৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন নং ৪ ঃ গ্রাম সভা কি?

প্রশ্ন নং ৫ ঃ ক্ষমতাৰ বিকেন্দ্রীকৰণ বুলিলে কি বুজায়?

প্রশ্ন নং ৬ ঃ স্থানীয় প্রশাসনৰ যিকোনো দুটা কার্যৰ নাম লিখা।

প্রশ্ন নং ৭ ঃ পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ ভূমিকা কি?

প্রশ্ন নং ৮ ঃ নগৰীয়া স্থানীয় সংস্থা কি?

প্রশ্ন নং ৯ ঃ সম্প্রদায়ৰ অংশগ্রহণৰ যিকোনো দুটা প্রকাৰ উল্লেখ কৰা।

প্রশ্ন নং ১০ ঃ সমাজ উন্নয়নত শিক্ষাৰ এটা ভূমিকা উল্লেখ কৰা।

খ) **চুটি প্রশ্ন** (150টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ স্থানীয় প্রশাসনৰ ধাৰণা আৰু প্রকৃতি ব্যাখ্যা কৰা।

প্রশ্ন নং ২ ঃ ভাৰতত গ্রাম্য স্থানীয় প্রশাসনৰ গাঁথনি বর্ণনা কৰা।

প্রশ্ন নং ৩ ঃ নগৰীয়া স্থানীয় সংস্থাসমূহৰ গাঁথনি আৰু কার্য আলোচনা কৰা।

প্রশ্ন নং ৪ ঃ স্থানীয় প্রশাসনৰ প্রশাসনিক আৰু উন্নয়নমূলক কার্য ব্যাখ্যা কৰা।

প্রশ্ন নং ৫ ঃ স্থানীয় শাসনত সম্প্রদায়ৰ অংশগ্রহণৰ গুৰুত্ব বিশ্লেষণ কৰা।

প্রশ্ন নং ৬ ঃ সম্প্রদায়ৰ অংশগ্রহণ উৎসাহিত কৰাত স্থানীয় প্রশাসনৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন নং ৭ ঃ স্থানীয় প্রশাসন শক্তিশালী কৰাত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰা।

প্রশ্ন নং ৮ ঃ ভাৰতত স্থানীয় প্রশাসনে সন্মুখীন হোৱা মুখ্য প্রত্যাহ্বানসমূহ বর্ণনা কৰা।

প্রশ্ন নং ৯ ঃ স্থানীয় উন্নয়নমূলক কার্যসূচীত সম্প্রদায়ৰ অংশগ্রহণৰ বিভিন্ন ৰূপ ব্যাখ্যা কৰা।

প্রশ্ন নং ১০ ঃ স্থানীয় শাসনত স্বচ্ছতা আৰু জবাবদিহিতাৰ দ্বায়বদ্ধতা আলোচনা কৰা।

গ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ গণতান্ত্রিক ব্যৱস্থাত স্থানীয় প্রশাসনৰ অর্থ, প্রকৃতি আৰু তাৎপর্য আলোচনা কৰা।

প্রশ্ন নং ২ ঃ ভাৰতত পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ গাঁথনি আৰু কার্যসমূহ বিশ্লেষণ কৰা।

প্রশ্ন নং ৩ ঃ সমাজ উন্নয়নত নগৰীয়া স্থানীয় সংস্থাসমূহৰ ভূমিকা মূল্যায়ন কৰা।

প্রশ্ন নং ৪ ঃ সামাজিক-আর্থিক উন্নয়ন সাধনত স্থানীয় প্রশাসনৰ কার্যসমূহ সমালোচনামূলকভাৱে আলোচনা কৰা।

প্রশ্ন নং ৫ ঃ স্থানীয় শাসন শক্তিশালী কৰাত সম্প্রদায়ৰ অংশগ্রহণৰ ভূমিকা মূল্যায়ন কৰা।

প্রশ্ন নং ৬ ঃ তৃণমূল স্তৰত গণতান্ত্রিক অংশগ্রহণ বৃদ্ধি কৰাত শিক্ষাৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন নং ৭ ঃ স্থানীয় প্রশাসনৰ মুখ্য প্রত্যাহবানসমূহ চিহ্নিত কৰি সেয়া দূৰ কৰাৰ উপযুক্ত ব্যৱস্থা প্রস্তাৱ কৰা।

প্রশ্ন নং ৮ ঃ স্থানীয় প্রশাসন আৰু সম্প্রদায়ৰ অংশগ্রহণৰ মাজৰ সম্পর্ক আলোচনা কৰা।

প্রশ্ন নং ৯ ঃ ভাৰতত ফলপ্রসূ স্থানীয় শাসনৰ বাবে ক্ষমতাৰবিকেন্দ্রীকৰণৰ তাৎপর্য ব্যাখ্যা কৰা।

প্রশ্ন নং ১০ ঃ স্থানীয় প্রশাসন শক্তিশালী আৰু সম্প্রদায়ৰ অংশগ্রহণ বৃদ্ধি কৰাৰ বাবে প্রয়োজনীয় ব্যৱস্থা উল্লেখ কৰা।

*****

অধ্যায় ৮ ঃ সম্প্রদায় সংযোগ আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সামাজিক অৱদান

অধ্যায় গাঁথনি

৮.১ শিকনৰ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সম্প্রদায় সংযোগৰ ধাৰণা

৮.৪ সম্প্রদায় সংযোগৰ সামাজিক অৱদান

৮.৪.১ সামাজিক অন্তর্ভুক্তি আৰু সংহতি

৮.৪.২ মহিলা আৰু প্রান্তীয় গোটৰ সবলীকৰণ

৮.৪.৩ দৰিদ্রতা হ্রাস আৰু জীৱিকা সহায়

৮.৪.৪ সজাগতা সৃষ্টি আৰু ক্ষমতা নির্মাণ

৮.৪.৫ স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণ

৮.৫ সম্প্রদায় উন্নয়নত চৰকাৰী আঁচনিৰ ভূমিকা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ শিকনৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সম্প্রদায় সংযোগৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- সম্প্রদায় সংযোগৰ সামাজিক অৱদানৰ বিভিন্ন দিশসমূহ আলোচনা কৰিব পাৰিব।
- সম্প্রদায় উন্নয়নত চৰকাৰী আঁচনিৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়ত সম্প্রদায় সংযোগ আৰু সম্প্রদায়ৰ অংশগ্রহণৰ সম্পূর্ণ ধাৰণা প্রদান কৰা হৈছে। সামাজিক

সংযোগ আৰু চৰকাৰী আঁচনিসমূহে অন্তর্ভুক্তিমূলক সামাজিক প্রসাৰত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সম্প্রদায় সংযোগৰ অর্থ হৈছে সামাজিক, অর্থনৈতিক আৰু উন্নয়নমূলক সমস্যাসমূহ সমাধান কৰিবলৈ স্থানীয় পর্যায়ত ব্যক্তি, দল আৰু সংগঠনসমূহৰ মাজত সামূহিক কার্য আৰু সহযোগিতা ৰক্ষা কৰা। আনহাতে, চৰকাৰী আঁচনিসমূহে সম্প্রদায় সমূহক সবল কৰিবলৈ আৰু সামাজিক কল্যাণ নিশ্চিত কৰিবলৈ নীতিগত সহায়, অর্থনৈতিক সাহায্য আৰু প্রাতিষ্ঠানিক কাঠামো প্রদান কৰে। সামগ্রিকভাৱে দুয়োটাই সামাজিক সংহতি, সবলীকৰণ, দৰিদ্রতা হ্রাস আৰু বহনক্ষম উন্নয়নত যথেষ্ট অৰিহণা যোগায়।

৮.৩ সম্প্রদায় সংযোগৰ ধাৰণা

সম্প্রদায় সংযোগৰ অর্থ হৈছে সম্প্রদায়ৰ ভিতৰত ব্যক্তি, দল আৰু প্রতিষ্ঠানসমূহৰ মাজত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংযোগ গঢ়ি তোলা আৰু সুদৃঢ় কৰাৰ প্রক্রিয়া। ইয়াত সম্প্রদায়ৰ সদস্য, আত্মসহায়ক গোট (এছ এই চজি), সমবায় সমিতি, বেচৰকাৰী সংস্থা (এন জি অ'),সম্প্রদায়-ভিত্তিক সংস্থা আৰু পঞ্চায়তীৰাজ অনুষ্ঠানৰ দৰে স্থানীয় শাসন ব্যৱস্থাৰ মাজত সক্রিয় সহযোগিতা জড়িত হৈ থাকে। এই সংযোগপাৰস্পৰিক বিশ্বাস, সামূহিকঅংশগ্রহণ, অংশীদাৰিত্বমূলক দায়িত্ব আৰু সহযোগিতাৰ নীতিৰ ওপৰত প্রতিষ্ঠিত।

সম্প্রদায়সংযোগে স্থানীয় লোকসকলক তেওঁলোকৰ সামাজিক আৰু অর্থনৈতিক জীৱনত প্রভাৱ পেলোৱা সিদ্ধান্ত গ্রহণ প্রক্রিয়াত জড়িত হ'বলৈ উৎসাহিত কৰি অন্তর্ভুক্তিমূলক অংশগ্রহণৰ প্রসাৰ কৰে। ই জ্ঞান, সম্পদ আৰু দক্ষতাৰ সুবিধা সহজ কৰি তোলে, যাৰ ফলত সাধাৰণ সমস্যাসমূহ সমাধান কৰিবলৈ সম্প্রদায়ৰ দক্ষতা বৃদ্ধি পায়। সামূহিক কার্য আৰু স্থানীয় নেতৃত্বৰ জৰিয়তে, সম্প্রদায়সমূহে সমস্যা চিনাক্ত কৰিবলৈ, সম্পদ সংগঠিত কৰিবলৈ আৰু স্থানীয় স্তৰৰ সমস্যা সমাধান কৰিবলৈ সক্ষম হয়।

সম্প্রদায় সংযোগৰ এটা মূল ফলাফল হৈছে সামাজিক মূলধন সৃষ্টি, যিয়ে সামাজিক সংহতি সুদৃঢ় কৰে আৰু উন্নয়ন কার্যসূচী আৰু কল্যাণমূলক আঁচনিসমূহ উন্নত কৰে। সামগ্রিকভাৱে, সম্প্রদায় সংযোগ ছ মানুহৰ নিজৰ প্রয়োজনীয়তা প্রকাশ কৰা, বাহ্যিক সংস্থাৰসৈতে আলোচনা কৰা আৰু বহনক্ষম সম্প্রদায উন্নয়নলৈ সঠিক অৰিহণা যোগোৱাৰ ক্ষমতা বৃদ্ধি কৰে।

এইদৰে, সম্প্রদায় নেটৱর্কিঙৰ মূল বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণৰ ঃ

- সামূহিক অংশগ্রহণ আৰু সহযোগিতা ঃ সম্প্রদায়ৰ সদস্যসকলে সাধাৰণ লক্ষ্যৰ বাবে কার্যকলাপ পৰিকল্পনা, সিদ্ধান্ত গ্রহণ আৰু কার্যকৰীকৰণত সক্রিয়ভাৱে অংশগ্রহণ কৰে।
- পাৰস্পৰিক সহায় আৰু অভিজ্ঞতাৰ বিনিময় ঃ সম্প্রদায় সংযোগে জ্ঞান, সম্পদ আৰু অভিজ্ঞতাৰ বিনিময় কৰাত সহায় কৰে, যাৰ ফলত সদস্যসকলে সামূহিকভাৱে সমস্যা সমাধান কৰিব পাৰে।
- স্থানীয় নেতৃত্ব আৰং গণতান্ত্রিক সিদ্ধান্ত গ্রহণ ঃ ইয়াত সম্প্রদায়-ভিত্তিক নেতৃত্ব আৰু অংশগ্রহণমূলক

সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ ওপৰত গুৰুত্ব দিয়া হয়।

- সামাজিক মূলধন গঠন ঃ সম্প্রদায়ৰ সদস্য আৰু দলসমূহৰ মাজত বিশ্বাস, সংহতি আৰু শক্তিশালী সামাজিক সম্পর্ক স্থাপিত হয়।
- স্থানীয় সমস্যা সমাধান ঃ স্থানীয়ভাৱে উপলব্ধ সম্পদ আৰু সমাধান পদ্ধতি ব্যৱহাৰ কৰি স্থানীয় সমস্যাসমূহ চিনাক্ত আৰু সমাধান কৰা হয়।
- অন্তর্ভুক্তি আৰু সবলীকৰণ ঃ মহিলা, যুৱক-যুৱতী আৰু দৰিদ্রৰ দৰে প্রান্তীয় গোটসমূহক সক্রিয়ভাৱে অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰা হয়।
- প্রতিষ্ঠান আৰু সংস্থাৰ সৈতে সংযোগ ঃ সম্প্রদায় সংযোগে সহযোগিতা আৰু সেৱাসমূহ লাভ কৰিবলৈ এন জি অ', চৰকাৰী বিভাগ আৰু উন্নয়নমূলক সংস্থাৰ সৈতে সংযোগ কৰে।

W আপোনাৰ অগ্রগতি পৰীক্ষা কৰক

প্রশ্ন ১: সম্প্রদায় নেটৱর্কিঙৰ দ্বাৰা কি বুজায়?

প্রশ্ন ২: সম্প্রদায় নেটৱর্কিঙৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

৮.৪ সম্প্রদায় সংযোগৰ সামাজিক অৱদান

সম্প্রদায় সংযোগে সামাজিক বিকাশ আৰু সম্প্রদায়ৰ জীৱন সমৃদ্ধ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই সম্প্রদায়ৰ ভিতৰত ব্যক্তি, দল আৰু প্রতিষ্ঠানসমূহৰ মাজত সহযোগিতা আৰু সংহতি বৃদ্ধি কৰে, সামূহিক প্রচেষ্টা আৰু অংশীদাৰী দায়িত্বৰ এক মঞ্চ সৃষ্টি কৰ। সক্রিয় অংশগ্রহণ আৰু পাৰস্পৰিক সহায়ৰ জৰিয়তে সম্প্রদায় সংযোগে বিশ্বাস আৰু সামাজিক সংহতি গঢ়ি তুলিবলৈ সহায় কৰে, যিসমূহ সামঞ্জস্যপূর্ণ সামাজিক সম্পর্কৰ বাবে অত্যাৱশ্যকীয়।

সম্প্রদায় সংযোগৰ অন্যতম মুখ্য সামাজিক অৱদান হৈছে মহিলা, যুৱক-যুৱতী আৰু অর্থনৈতিকভাৱে দুর্বল শ্রেণীৰ দৰে প্রান্তীয় গোটৰ সবলীকৰণ। অন্তর্ভুক্তিমূলক অংশগ্রহণ আৰু স্থানীয় নেতৃত্বক উৎসাহিত কৰি, সম্প্রদায় সংযোগে এই গোটসমূহক তেওঁলোকৰ উদ্বেগ প্রকাশ কৰিবলৈ, তেওঁলোকৰ অধিকাৰ দাবী কৰিবলৈ আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশ ল'বলৈ সক্ষম কৰে। ই স্থানীয় স্তৰত সামাজিক ন্যায় আৰু গণতান্ত্রিক শাসন ব্যৱস্থালৈ অৱিহণা যোগায়।

সম্প্রদায় নেটৱর্কিঙে সামাজিক সমস্যা, চৰকাৰী আঁচনি, স্বাস্থ্য, শিক্ষা আৰু কল্যাণ সেৱাসমূহ সম্পর্কে তথ্য আৰু সজাগতা সৃষ্টি কৰাতো সহায় কৰে। ই সামুহিক কার্য আৰু স্থানীয়ভাৱে উপযুক্ত সমাধানৰ জৰিয়তে দৰিদ্রতা, নিবনুৱা, নিৰক্ষৰতা আৰু সামাজিক বর্জনৰ দৰে সামাজিক সমস্যাসমূহ সমাধান কৰিবলৈ সম্প্রদায়ৰ

ক্ষমতা বৃদ্ধি কৰে।

তদুপৰি, সম্প্রদায় সংযোগে বিশ্বাস, সহযোগিতা আৰু পাৰস্পৰিক সম্পর্ক গঢ়ি তুলি সামাজিক মূলধন বৃদ্ধি কৰে। এই সংযোগে সম্প্রদায়, এন জি অ' আৰু চৰকাৰী প্রতিষ্ঠানসমূহৰ মাজত সমন্বয় উন্নত কৰে। সামগ্রিকভাৱে, সম্প্রদায় সংযোগে সামাজিক সম্পর্ক, অংশগ্রহণমূলক বিকাশ আৰু বহনক্ষম সামাজিক পৰিৱর্তনলৈ অৱিহণা যোগায়।

৮.৪.১ সামাজিক অন্তর্ভুক্তি আৰু সংহতি

সামাজিক অন্তর্ভুক্তি আৰু সংহতিৰ অর্থ হৈছে সেই প্রক্রিয়া যাৰ জৰিয়তে সমাজৰ সকলো সদস্য-লিংগ, জাতি, শ্রেণী, অক্ষমতা বা অর্থনৈতিক অৱস্থা নির্বিশেষে-সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত সম্পূর্ণভাৱে অংশগ্রহণ কৰিবলৈ সক্ষম হয়। সামাজিক অন্তর্ভুক্তিয়ে প্রান্তীয় আৰু দুর্বল গোটসমূহৰ বাবে সমান সুযোগ, সম্পদ সমবিতৰণ আৰু সামাজিক অংশগ্রহণ নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, আনহাতে সামাজিক সংহতিয়ে সমাজৰ ভিতৰত ব্যক্তি আৰু দলু মাজত সম্পর্ক, বিশ্বাস আৰু সংহতিৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এক সামাজিকভাৱে অন্তর্ভুক্তিমূলক সমাজে বৈষম্য, দৰিদ্রতা, শিক্ষা, স্বাস্থ্যসেৱা আৰু কর্মসংস্থাপনৰ বাধাসমূহ সমাধান কৰি অসমতা হ্রাস কৰে। অন্তর্ভুক্তিমূলক নীতি আৰু সম্প্রদায়ৰ উদ্যোগসমূহে প্রান্তীয় গোটসমূহক সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণ কৰি আৰু তেওঁলোকৰ অধিকাৰ সম্পর্কে দাবী কৰিবলৈ সক্ষম কৰি সবলীকৰণ কৰে। ই অধিক সামাজিক ন্যায় আৰু সুষম বিকাশৰ দিশে লৈ যাব পাৰে।

সামাজিক সংহতি উমৈহতীয়া মূল্যবোধ, পাৰস্পৰিক সন্মান, সহযোগিতা আৰু সামূহিক দায়িত্বৰ জৰিয়তে সুদৃঢ় হয়। শক্তিশালী সামাজিক বান্ধোনে শান্তিপূর্ণ জীৱনক উৎসাহিত কৰে, সামাজিক সংঘর্ষ হ্রাস কৰে, আৰু সম্প্রদায়ৰ সদস্যসকলৰ মাজত আত্মীয়তাৰ ভাৱ গঢ়ি তুলিব পাৰে। সম্প্রদায়ৰ অংশগ্রহণ আৰু সহযোগিতামূলক সমস্যাৰ সমাধানে সংহতি বৃদ্ধিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

সামগ্রিকভাৱে, সামাজিক অন্তর্ভুক্তি আৰু সংহতিয়ে বৈচিত্র্যক সম্মান কৰা আৰু সামূহিক উন্নয়নক অগ্রাধিকাৰ দিয়া এনে পৰিৱেশ সৃষ্টি কৰি সামাজিক স্থিৰতা, গণতান্ত্রিক অংশগ্রহণ আৰু বহনক্ষম বিকাশত অৱিহণা যোগায়।

৮.৪.২ মহিলা আৰু প্রান্তীয় গোটৰ সবলীকৰণ

- মহিলা আৰু প্রান্তীয় গোটৰ সবলীকৰণ সম্প্রদায় উন্নয়নৰ এক কেন্দ্রীয় উদ্দেশ্য। ই সেই প্রক্রিয়াক বুজায় যাৰ জৰিয়তে সমাজৰ সুবিধা বঞ্চিত গোটসমূহে সম্পদ, সুযোগ, সিদ্ধান্ত গ্রহণৰ ক্ষমতা আৰু তেওঁলোকৰ জীৱনৰ ওপৰত নিয়ন্ত্রণৰ সুযোগ লাভ কৰে। মহিলা, অনুসূচিত জাতি, অনুসূচিত জনজাতি, সংখ্যালঘু,

প্রতিবন্ধী ব্যক্তি আৰু অর্থনৈতিকভাৱে দুর্বল শ্রেণীয়ে ঐতিহাসিকভাৱে সামাজিক বর্জন, বৈষম্য আৰু উন্নয়ন প্রক্রিয়াত সীমিত অংশগ্রহণৰ সন্মুখীন হৈ আহিছে। সম্প্রদায় উন্নয়নে স্থানীয় স্তৰত অন্তর্ভুক্তি, অংশগ্রহণ আৰু সামাজিক ন্যায়ৰ প্রসাৰ কৰি এই অসমতাসমূহ সমাধান কৰাৰ লক্ষ্য ৰাখে।

সবলীকৰণৰ ধাৰণা

সবলীকৰণ হৈছে এক বহুমুখী ধাৰণা যিয়ে সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু মানসিক দিশক সামৰি লয়। ইয়াত আত্ম-বিশ্বাস গঢ়ি তোলা, দক্ষতা আৰু ক্ষমতা বৃদ্ধি কৰা, অধিকাৰ সম্পর্কে সজাগতা বৃদ্ধি কৰা আৰু ব্যক্তি আৰু গোটসমূহক সম্প্রদায়ৰ সিদ্ধান্ত গ্রহণত সক্রিয়ভাৱে অংশগ্রহণ কৰিবলৈ সক্ষম কৰা জড়িত হৈ থাকে। সম্প্রদায় উন্নয়নত, সবলীকৰণ কেৱল কল্যাণমুখী নহয় বৰঞ্চ উন্নয়ন গঢ় দিয়াৰ বাবে ক্ষমতা শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সম্প্রদায় উন্নয়নত মহিলাৰ সবলীকৰণ

মহিলাসকলে সামাজিক পৰিৱর্তনৰ বাহক হিচাপে সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কিন্তু তেওঁলোকে প্রায়ে লিংগ-ভিত্তিক বৈষম্য, শিক্ষা, কর্মসংস্থান আৰু নেতৃত্বৰ সীমিত অংশগ্রহণ আদি বৈষম্যৰ সম্মুখীন হয়।

= সম্প্রদায় উন্নয়ন ব্যৱস্থাই মহিলাক নাম্নোক্ত ধৰণে সবলীকৰণ কৰে:

- শিক্ষা আৰু দক্ষতা বিকাশ- যাৰ ফলত সাক্ষৰতা, বৃত্তিমূলক দক্ষতা আৰু উদ্যোগী ক্ষমতা বৃদ্ধি পায়।
- অর্থনৈতিক সবলীকৰণ-আত্ম সহায়ক গোট (এছ এইচ জি), সমবায় সমিতি আৰু উৎপাদনমূলক কার্যকলাপৰ জৰিয়তে, যিয়ে মহিলাক আর্থিক স্বাধীনতা অর্জন কৰিবলৈ সক্ষম কৰে।
- স্থানীয় শাসন ব্যৱস্থাত অংশগ্রহণ- বিশেষকৈ পঞ্চায়তীৰাজ ব্যৱস্থা আৰু সিদ্ধান্ত গ্রহণকাৰী প্রতিষ্ঠানত মহিলাৰ প্রতিনিধিত্বৰ জৰিয়তে।
- আইনী অধিকাৰ আৰু স্বাস্থ্য সম্পর্কে সজাগতা: যাৰ ভিতৰত প্রজনন স্বাস্থ্য, পুষ্টি আৰু হিংসাৰ বিৰুদ্ধে সুৰক্ষা অন্তর্ভুক্ত।

সবলীকৃত মহিলাসকলে পৰিয়ালৰ কল্যাণ সাধন কৰা, শিশুৰ বাবে উন্নত শিক্ষা, দৰিদ্রতা হ্রাস আৰু সামগ্রিক সম্প্রদায়ৰ অগ্রগতিত অৰিহণা যোগায়।

পিছপৰা বা প্রান্তীয় গোটৰ সবলীকৰণ

প্রান্তীয় গোটসমূহ প্রায়ে সামাজিক কুসংস্কাৰ, দৰিদ্রতা, শিক্ষাৰ অভাৱ আৰু ৰাজনৈতিক প্রান্তীয়কৰণৰ বাবে মূলসুঁতিৰ বিকাশৰ পৰা বাদ পৰি থাকে। সম্প্রদায় বিকাশে সমতা, মর্যাদা আৰু অংশগ্রহণ নিশ্চিত কৰি তেওঁলোকৰ সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এই ক্ষেত্রত মূল কৌশলসমূহ ঃ

- সামাজিক অন্তর্ভুক্তি: বৈষম্য হ্রাস কৰি আৰু শিক্ষা, স্বাস্থ্যসেৱা, বাসস্থান, আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দৰে ৰাজহুৱা সেৱাসমূহলৈ সমান অংশগ্রহণ নিশ্চিত কৰি।
- ক্ষমতাৰ বিকাশ আৰু দক্ষতাৰ প্রশিক্ষণ: আত্মনির্ভৰশীল আৰু জীৱিকাৰ সুযোগ উন্নত কৰি।
- চৰকাৰী কল্যাণমূলক আঁচনি আৰু ইতিবাচক কার্যব্যৱস্থা: যেনে সংৰক্ষণ, বৃত্তি, আৰু সামাজিক সুৰক্ষা ব্যৱস্থা।
- সম্প্রদায় সংগঠন আৰু সংযোগ শক্তিশালী কৰা: প্রান্তীয় গোটসমূহক সামূহিকভাৱে তেওঁলোকৰ মতামত প্রকাশ কৰিবলৈ সক্ষম কৰি তোলা।

সবলীকৰণৰ জৰিয়তে, প্রান্তীয় গোটসমূহে আত্মবিশ্বাস, নেতৃত্বৰ দক্ষতা আৰু তেওঁলোকৰ জীৱনত প্রভাৱ পেলোৱা নীতিসমূহ প্রভাৱিত কৰাৰ ক্ষমতা লাভ কৰে।

৮.৪.৩ দৰিদ্রতা হ্রাস আৰু জীৱিকাৰ উন্নয়ন

সম্প্রদায় সংযোগে দক্ষতাৰ বিকাশ, কর্মসংস্থাপনৰ সুযোগ আৰু চৰকাৰী সুবিধাসমূহলৈ অংশগ্রহণ সহজ কৰি তোলে। দৰিদ্রতা হ্রাস আৰু জীৱিকা উন্নয়ন হ'ল বিকাশ আৰু সামাজিক কল্যাণ নীতিৰ কেন্দ্রীয় লক্ষ্য। দৰিদ্রতা কেৱল আয়ৰ অভাৱ নহয় বৰঞ্চ খাদ্য, বাসস্থান, স্বাস্থ্যসেৱা, শিক্ষা আৰু মর্যাদাপূর্ণ জীৱনৰ সুযোগৰ দৰে মৌলিক প্রয়োজনীয়তাৰ বঞ্চনা জড়িত এক বহুমাত্রিক অৱস্থা। জীৱিকা সহায়ে কর্মসংস্থাপন, আত্মনির্ভৰশীল, দক্ষতা, আৰু উৎপাদনশীলতাত অংশগ্রহণৰ জৰিয়তে বহনক্ষম জীৱিকা নির্বাহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামগ্রিকভাৱে, দৰিদ্রতা হ্রাস আৰু জীৱিকা সহায়ে জীৱন মান উন্নত কৰা, সামাজিক অন্তর্ভুক্তি প্রসাৰ কৰা আৰু বহনক্ষম উন্নয়ন নিশ্চিত কৰাত সহায় কৰে।

দৰিদ্রতা হ্রাসৰ ধাৰণা

দৰিদ্রতা হ্রাসৰ অর্থ হৈছে দৰিদ্রতাৰ হাৰ, গভীৰতা আৰু দ্রুততা হ্রাস কৰাৰ কৌশল আৰু হস্তক্ষেপ। ই অর্থনৈতিক দুর্বলতা অতিক্রম কৰিবলৈ ব্যক্তি আৰু সম্প্রদায়ক সক্ষম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আধুনিক দৃষ্টিভংগী সমূহে দৰিদ্রতাক নিবনুৱা, সম্পদৰ অসমতা, সামাজিক বর্জন আৰু মানৱ মূলধনৰ অভাৱৰ সৈতে জড়িত এক গাঁথনিগত সমস্যা হিচাপে স্বীকৃতি দিয়ে।

জীৱিকা সহায়ৰ ধাৰণা

জীৱিকা সহায়ৰ ভিতৰত মানুহৰ উপার্জনৰ বাবে প্রয়োজনীয় সম্পদ, দক্ষতা আৰু কার্যকলাপ শক্তিশালী কৰা অন্তর্ভুক্ত। ইয়াত কর্মসংস্থাপন, দক্ষতা বিকাশ, অর্থ সেৱা, প্রাকৃতিক সম্পদ আৰু সামাজিক সুৰক্ষা আদি

অন্তর্ভুক্ত। এক বহনক্ষম জীৱিকা হৈছে এনে ব্যৱস্থা, যিয়ে পৰিবেশৰ অৱনতি নকৰাকৈ আয় আৰু উন্নয়ন বজাই ৰখা বা বৃদ্ধি কৰাৰ লগতে মানসিক চাপ আৰু প্রত্যাহ্বানৰ সৈতে মোকাবিলা কৰিব পাৰে।

জীৱিকা সহায়ৰ জৰিয়তে দৰিদ্রতা হ্রাস

জীৱিকা সহায়ে আয়ৰ সুযোগ সৃষ্টি কৰি আৰু নির্ভৰশীলতা হ্রাস কৰি দৰিদ্রতা হ্রাসত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ইয়াৰ মূল দিশসমূহৰ ভিতৰত ঃ

- কর্মসংস্থাপন সৃষ্টিৰ কার্যসূচী: বিশেষকৈ গ্রাম্য আৰু চহৰ অঞ্চলত, যিয়ে মজুৰিৰ কর্মসংস্থাপন প্রদান কৰে আৰু নিবনুৱা হ্রাস কৰে।
- দক্ষতাৰ বিকাশ আৰু বৃত্তিমূলক প্রশিক্ষণ: কর্মসংস্থাপনযোগ্যতা, উৎপাদনশীলতা আৰু উদ্যোগিতা বৃদ্ধি কৰে।
- আত্ম-নির্ভৰশীলতা আৰু স্থানীয় উদ্যোগৰ প্রসাৰ: ঋণ, বজাৰ আৰু প্রযুক্তিৰ ব্যৱহাৰ কৰে।
- কৃষি আৰু সংলগ্ন জীৱিকা সহায়: যাৰ ভিতৰত উন্নত কৃষি পদ্ধতি, পশুপালন, মীনপালন আৰু কৃষি-ভিত্তিক শিল্প অন্তর্ভুক্ত।
- সামাজিক সুৰক্ষা আৰু নিৰাপত্তা: যেনে পেন্সন, বীমা, আৰু খাদ্য সুৰক্ষা কার্যসূচী

৮.৪.৫ সজাগতা সৃষ্টি আৰু দক্ষতা নির্মাণ

সম্প্রদায় সংযোগে স্বাস্থ্য, শিক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, অধিকাৰ আৰু কল্যাণ আঁচনি সম্পর্কে সজাগতা সৃষ্টি কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

➢ সজাগতা সৃষ্টি আৰু ক্ষমতা নির্মাণ বহনক্ষম সম্প্রদায় উন্নয়নৰ অত্যাৱশ্যকীয় উপাদান। ই ব্যক্তি আৰু সম্প্রদায়সমূহক তেওঁলোকৰ অধিকাৰ, দায়িত্ব, সুযোগ আৰু প্রত্যাহ্বানসমূহ বুজিবলৈ সক্ষম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, লগতে উন্নয নমূলক কার্যসূচীৰ পৰিকল্পনা, কার্যকৰী আৰু পৰিচালনা কৰাৰ ক্ষমতা বৃদ্ধি কৰে। একেলগে, এই প্রক্রিয়াসমূহে মানুহক নিষ্ক্রিয় সুবিধাভোগীৰ পৰা উন্নয়ন প্রক্রিয়াত সক্রিয় অংশগ্রহণকাৰী আৰু সিদ্ধান্ত গ্রহণকাৰীলৈ ৰূপান্তৰিত কৰে।

এইদৰে, সজাগতা সৃষ্টিয়ে ব্যক্তি আৰু সম্প্রদায়সমূহক তেওঁলোকৰ জীৱনত প্রভাৱ পেলোৱা সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু উন্নয়নমূলক সমস্যাসমূহৰ বিষয়ে অৱগত আৰু সজাগ কৰাৰ প্রক্রিয়াক বুজায়। ই জ্ঞান বৃদ্ধি কৰা, মনোভাৱ সলনি কৰা আৰু ইতিবাচক আচৰণক উৎসাহিত কৰাৰ লক্ষ্য ৰাখে। সজাগতা সবলীকৰণৰ প্রথম পদক্ষেপ, কাৰণ মানুহ সজাগ হ'লেহে সার্থকভাৱে কাম কৰিব পাৰে।

- সজাগতা সৃষ্টিয়ে অন্তর্ভুক্ত কৰা দিশসমূহ ঃ
  - অধিকাৰ, প্রাপ্য আৰু আইনী ব্যৱস্থা বুজা
  - চৰকাৰী আঁচনি, কল্যাণমূলক কার্যসূচী আৰু সেৱাসমূহৰ জ্ঞান আহৰণ
  - স্বাস্থ্য, পুষ্টি, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শিক্ষা আৰু পৰিৱেশ সমস্যা সম্পর্কে সজাগতা
  - লিংগ সমতা, সামাজিক অন্তর্ভুক্তি আৰু মানৱ অধিকাৰ সম্পর্কে সংবেদনশীলতা

সজাগতা সৃষ্টিয়ে সম্প্রদায়ৰ সভা, প্রচাৰ অভিযান, কর্মশালা, বাটৰ নাট, জনসংযোগৰ মাধ্যম আৰু স্থানীয় নেতৃত্বৰ দৰে অংশগ্রহণমূলক পদ্ধতি ব্যৱহাৰ কৰে যাতে তথ্য সমাজৰ সকলো শ্রেণীলৈ, বিশেষকৈ মহিলা আৰু পিছপৰা শ্রেণীলৈ যাব পাৰে যে

সজাগতা সৃষ্টিৰ গুৰুত্ব

- সজাগতা সৃষ্টিয়ে সম্প্রদায়সমূহক এনেদৰে সহায় কৰে ঃ
  - সামাজিক সমস্যা আৰু ইয়াৰ মূল কাৰণ চিনাক্ত কৰা
  - শোষণ আৰু বৈষম্য হ্রাস কৰা
  - ৰাজহুৱা সেৱা আৰু কল্যাণমূলক সুবিধাসমূহত অংশগ্রহণ উন্নত কৰা
  - অংশগ্রহণমূলক সিদ্ধান্ত গ্রহণৰ প্রসাৰ কৰা
  - সামূহিক কার্য আৰু সামাজিক দায়িত্বৰ প্রসাৰ কৰা

ক্ষমতা নির্মাণৰ ধাৰণা

ক্ষমতা নির্মাণে ব্যক্তি, দল আৰু সম্প্রদায়ৰ দক্ষতা, ক্ষমতা, জ্ঞান বিকশিত আৰু শক্তিশালী কৰাৰ প্রক্রিয়াক বুজায়। ই ব্যৱহাৰিক দক্ষতা আৰু দীর্ঘম্যাদী সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

- ক্ষমতা নির্মাণ তিনিটা স্তৰত সম্পাদন হয়-
  - ব্যক্তিগত স্তৰ- দক্ষতা, নেতৃত্ব আৰু কাৰিকৰী জ্ঞান বৃদ্ধি কৰা
  - সাংগঠনিক স্তৰ সম্প্রদায় সংগঠন, আত্মসহায়ক গোট, সমবায় সমিতি আৰু এন জি অ' আদি শক্তিশালী কৰা
  - প্রাতিষ্ঠানিক স্তৰ ব্যৱস্থা, নীতি আৰু শাসন প্রক্রিয়া উন্নত কৰা

ক্ষমতা নির্মাণৰ উপাদানসমূহ

মূল উপাদানসমূহ ঃ

- দক্ষতা বিকাশ আৰু প্রশিক্ষণ: (বৃত্তিমূলক, ব্যৱস্থাপনা, প্রযুক্তিগত আৰু নেতৃত্বৰ দক্ষতা)
- সম্প্রদায়-ভিত্তিক সংগঠনসমূহৰ শক্তিশালীকৰণ

- সম্পদ সংগঠন আৰু ব্যৱস্থাপনা দক্ষতা পৰিকল্পনা, নিৰীক্ষণ আৰু মূল্যায়ন ক্ষমতা
- সংযোগ আৰু অংশীদাৰিত্বৰ বিকাশ

ক্ষমতা নির্মাণে নিশ্চিত কৰে যে সম্প্রদায়সমূহে স্বাধীনভাৱে উন্নয়ন কার্যসূচী পৰিচালনা কৰিব পাৰে আৰু পৰিৱর্তিত সামাজিক আৰু অর্থনৈতিক অৱস্থাৰ সৈতে খাপ খুৱাব পাৰে।

সম্প্রদায় উন্নয়নত ভূমিকা

সজাগতা সৃষ্টি আৰু ক্ষমতা নির্মাণ পৰস্পৰ সংলগ্ন। সজাগতাই মানুহক অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰে, আনহাতে ক্ষমতা নির্মাণে তেওঁলোকক কার্যকৰীভাৱে কাম কৰত সহায় কৰে। সম্প্রদায় উন্নয়নত ইয়াৰ ভূমিকা এনেধৰণৰ ঃ

- অংশগ্রহণ আৰু দায়িত্ববোধৰ প্রসাৰ কৰে
- স্থানীয় নেতৃত্ব আৰু প্রতিষ্ঠান শক্তিশালী কৰে
- উন্নয়ন কার্যসূচীৰ বহনক্ষমতা বৃদ্ধি কৰে
- আত্মনির্ভৰশীলতা আৰু স্থিতিস্থাপকতা বৃদ্ধি কৰে
- অন্তর্ভুক্তিমূলক আৰু গণতান্ত্রিক উন্নয়ন সমর্থন কৰে

৮.৪.৫ স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণ

- সম্প্রদায় সংযোগে মানুহক পঞ্চায়তীৰাজ ব্যৱস্থা (PRIS) আৰু স্থানীয় কর্তৃপক্ষৰ সৈতে জড়িত হ'বলৈ উৎসাহিত কৰি অংশগ্রহণমূলক শাসন ব্যৱস্থাক সমর্থন কৰে। ই স্বচ্ছতা, দায়বদ্ধতা আৰু উন্নয়ন কার্যসূচীৰ কার্যকৰী ৰূপায়ণ বৃদ্ধি কৰে।
- স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণ গণতান্ত্রিক ক্ষমতা বিকেন্দ্রীকৰণ আৰু সম্প্রদায় উন্নয়নৰ এক গুৰুত্বপূর্ণ দিশ। স্থানীয় শাসন ব্যৱস্থাই পঞ্চায়তীৰাজ প্রতিষ্ঠান (PRIS), নগৰ স্থানীয় সংস্থা (ULBs), গাঁও সভা, আৰু পৌৰ সংস্থাৰ দৰে প্রতিষ্ঠানৰ জৰিয়তে স্থানীয় স্তৰত প্রশাসন আৰু সিদ্ধান্ত গ্রহণৰ ব্যৱস্থাক বুজায়। কার্যকৰী স্থানীয় শাসন ব্যৱস্থাই নিশ্চিত কৰে যে উন্নয়ন পৰিকল্পনা আৰু সেৱা প্রদান স্থানীয় প্রয়োজনীয়তাৰ প্রতি সহানুভূতিশীল, অন্তর্ভুক্তিমূলক, স্বচ্ছ আৰু অংশগ্রহণমূলক।

স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণৰ গুৰুত্ব

- স্থানীয় স্তৰত গণতন্ত্র আৰু নাগৰিকৰ অংশগ্রহণ প্রসাৰ কৰা
- পানী, পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্য আৰু শিক্ষাৰ দৰে মৌলিক সেৱাৰ প্রদান উন্নত কৰা
- ন্যায্য আৰু অন্তর্ভুক্তিমূলক উন্নয়ন নিশ্চিত কৰা

- প্ৰশাসনত স্বচ্ছতা আৰু দায়বদ্ধতা বৃদ্ধি কৰা
- প্ৰতিনিধিত্বৰ জৰিয়তে মহিলা আৰু পিছপৰা শ্ৰেণীৰ সবলীকৰণ কৰা

➢ যেতিয়া স্থানীয় শাসন ব্যৱস্থা কার্যকৰী হয়, উন্নয়ন অধিক মানৱ-কেন্দ্রিক আৰু বহনক্ষম হৈ পৰে।

স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণৰ কৌশলসমূহ

স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণৰ ভিতৰত একাধিক কৌশল অন্তর্ভুক্ত, যেনে:

- ক্ষমতা আৰু সম্পদৰ বিকেন্দ্রীকৰণ, স্থানীয় সংস্থাসমূহক স্বাধীনভাৱে সিদ্ধান্ত ল'বলৈ আৰু অর্থ পৰিচালনা কৰিবলৈ সক্ষম কৰা।

- নির্বাচিত প্রতিনিধি আৰু বিষয়াসকলৰ ক্ষমতা নির্ধাৰণ: পৰিকল্পনা, বাজেট, নেতৃত্ব আৰু শাসন ব্যৱস্থাত প্রশিক্ষণ প্রদান কৰা।

- অংশগ্রহণমূলক পৰিকল্পনা আৰু সিদ্ধান্ত গ্রহণ, গাঁও সভা, ব্রার্ড কমিটি, আৰু ৰাজহুৱা পৰামর্শৰ জৰিয়তে সম্প্রদায়ৰ অংশগ্রহণক উৎসাহিত কৰা।

- স্বচ্ছতা আৰু দ্বায়বদ্ধতা, যেনে সামাজিক গৱেষণা, তথ্যৰ ৰাজহুৱা প্রকাশ, আৰু অভিযোগ নিষ্পত্তি ব্যৱস্থা।

- ডিজিটেল সঁজুলি আৰু ই-শাসন ব্যৱস্থাৰ ব্যৱহাৰ, যিয়ে দক্ষতা, তথ্য সংৰক্ষণ আৰু সেৱাসমূহত নাগৰিকৰ অংশগ্রহণ উন্নত কৰে।

সম্প্রদায় উন্নয়নত স্থানীয় শাসন ব্যৱস্থাৰ ভূমিকা

➢ শক্তিশালী স্থানীয় শাসন ব্যৱস্থাই সম্প্রদায় উন্নয়নত নিম্নোক্ত ধৰণে অৰিহণা যোগায়:

- স্থানীয়ভাৱে উপযুক্ত পদক্ষেপেৰে স্থানীয় সমস্যাসমূহ সমাধান কৰি
- দুর্বল আৰু পিছপৰা শ্ৰেণীৰ বাবে অন্তর্ভুক্তিমূলক উন্নয়ন নিশ্চিত কৰি
- স্থানীয় সম্পদৰ সঠিক ব্যৱহাৰৰ প্রসাৰ কৰি
- সামাজিক সংহতি আৰু সামুহিক দায়িত্ব শক্তিশালী কৰি
- বহনক্ষম আৰু দীর্ঘম্যাদী উন্নয়ন সাধন কৰি

সামৰণিত, আমি ক'ব পাৰো যে স্থানীয় শাসন ব্যৱস্থা সুদৃঢ়ীকৰণ গণতন্ত্র জীয়াই ৰাখিবলৈ আৰু অন্তর্ভুক্তিমূলক আৰু বহনক্ষম উন্নয়ন অর্জন কৰিবলৈ অত্যাৱশ্যকীয়। স্থানীয় প্রতিষ্ঠানসমূহক সবলীকৰণ কৰি, অংশগ্রহণ বৃদ্ধি কৰি, আৰু দায়বদ্ধতা নিশ্চিত কৰি এই স্থানীয় শাসন ব্যৱস্থা সম্প্রদায় উন্নয়নৰ বাবে এক কার্যকৰী আহিলা হৈ পৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৩: সম্প্রদায় নেটৱর্কিঙৰ সামাজিক অৱদান আলোচনা কৰক।

প্রশ্ন ৪: সম্প্রদায় নেটৱর্কিঙে কেনেকৈ সামাজিক অন্তর্ভুক্তি প্রসাৰ কৰে?

৮.৫ চৰকাৰী আঁচনি আৰু ইয়াৰ সামাজিক অৱদান

চৰকাৰী আঁচনিসমূহে অর্থনৈতিক, সামাজিক আৰু অন্যান্য সমস্যাসমূহ সমাধান কৰি সামাজিক কল্যাণ আৰু সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এই আঁচনিসমূহে লক্ষ্যভিত্তিক পদ্ধতিৰ জৰিয়তে দৰিদ্রতা হ্রাস কৰা, অন্তর্ভুক্তি প্রসাৰ কৰা আৰু মৌলিক সেৱাসমূহ লাভ কৰাৰ লক্ষ্য ৰাখে। সম্প্রদায়ৰ অংশগ্রহণ আৰু বিকেন্দ্রীকৃত ৰূপায়ণক উৎসাহিত কৰি, চৰকাৰী কার্যসূচীসমূহে সামাজিক উন্নয়ন আৰু অন্তর্ভুক্তিমূলক বিকাশলৈ যথেষ্ট অৱিহণা যোগায়।

তলত বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে আলোচনা কৰা হ'ল।

- **মহাত্মা গান্ধী ৰাষ্ট্রীয় গ্রাম্য কর্মসংস্থাপন নিশ্চয়তা আইন (MGNREGA)**

➢ মহাত্মা গান্ধী ৰাষ্ট্রীয় গ্রাম্য কর্মসংস্থাপন নিশ্চয়তা আইন (MGNREGA) হৈছে এক যুগান্তকাৰী সামাজিক সুৰক্ষা কার্যসূচী যিয়ে গ্রাম্য পৰিয়ালবোৰক প্রতি বছৰে কমেও 100 দিনৰ মজুৰিৰ সুবিধা প্রদান কৰে। ই স্থায়ী সম্প্রদায়ৰ সম্পদ সৃষ্টি কৰাৰ লগতে জীৱিকা নিৰাপত্তা বৃদ্ধি কৰাৰ লক্ষ্য ৰাখে।

MGNREGAয়ে ইয়াৰ জৰিয়তে এনেদৰে সম্প্রদায় উন্নয়ন শক্তিশালী কৰে:

- মজুৰিৰ সুবিধা প্রদান কৰি আৰু গ্রাম্য দৰিদ্রতা হ্রাস কৰি
- গ্রাম্য পথ, পুখুৰী, আৰু জল সংৰক্ষণ গাঁথনিৰ দৰে সম্প্রদায়ৰ সম্পদ সৃষ্টি কৰি
- পৰিকল্পনা আৰু নিৰীক্ষণত গাঁওসভাৰ জৰিয়তে সম্প্রদায়ৰ অংশগ্রহণক উৎসাহিত কৰি
- মহিলা আৰু পিছপৰা গোটৰ অংশগ্রহণ নিশ্চিত কৰি সামাজিক অন্তর্ভুক্তি প্রসাৰ কৰি

ৰাষ্ট্রীয় গ্রাম্য জীৱিকা মিছন (NRLM)

➢ ৰাষ্ট্রীয় গ্রাম্য জীৱিকা মিছন (NRLM)য়ে গ্রাম্য দৰিদ্রতাক আত্মসহায়ক গোট (SHG) আৰু অন্যান্য সংলগ্নত সংগঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই সম্প্রদায়ৰ প্রতিষ্ঠান শক্তিশালী কৰাৰ লগতে জীৱিকাৰ সুযোগ বৃদ্ধি কৰাৰ লক্ষ্য ৰাখে।

➢ NRLM ৰ সামাজিক অৱদানসমূহৰ অন্তর্ভুক্ত দিশসমূহ হ'ল-

- আত্মনির্ভৰশীল আৰু আয়-উৎপাদনমূলক কার্যসূচীৰ প্রসাৰ কৰা
- ঋণ, সঞ্চয় আৰু বীমাৰ জৰিয়তে আর্থিক অন্তর্ভুক্তি বৃদ্ধি কৰা

- নেতৃত্ব, সিদ্ধান্ত গ্রহণ আৰু উদ্যোগী দক্ষতা গঢ়ি মহিলাক সবলীকৰণ কৰা
- সামুহিক কার্য আৰু পাৰস্পৰিক সহায়ৰ বাবে সম্প্রদায় প্রতিষ্ঠান শক্তিশালী কৰা

NRLMয়ে বহনক্ষম জীৱিকা গঢ়ি তোলা আৰু গ্রাম্য সম্প্রদায়, বিশেষকৈ মহিলাক সবলীকৰণ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

প্রধানমন্ত্রী আবাস যোজনা (PMAY)

প্রধান মন্ত্রী আবাস যোজনা (PMAY) য়ে অর্থনৈতিকভাৱে দুর্বল শ্রেণী আৰু নিম্ন আয়ৰ লোকসকলক সুলভবাসস্থান প্রদান কৰে। বাসস্থান হৈছে মানুহৰ এক মৌলিক প্রয়োজন আৰু সামাজিক উন্নয়নৰ এক গুৰুত্বপূর্ণ কাৰক।

- PMAYয়ে ইয়াৰ জৰিয়তে সম্প্রদায় উন্নয়নলৈ নিম্নোক্ত ধৰণে অৰিহণা যোগায়:
  - জীৱনযাপনৰ অৱস্থা আৰু জীৱনৰ মানদণ্ড উন্নত কৰি
  - দৰিদ্রতাৰ সামাজিক মর্যাদা আৰু নিৰাপত্তা বৃদ্ধি কৰি
  - অন্তর্ভুক্তিমূলক আৰু পৰিকল্পিত বসতি প্রসাৰ কৰি
  - নির্মাণ কার্যকলাপৰ জৰিয়তে কর্মসংস্থাপনৰ সৃষ্টি কৰি

স্বচ্ছ ভাৰত মিছন

স্বচ্ছ ভাৰত মিছনে সম্প্রদাযৰ জৰিয়তে পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাস্থ্য আৰু পৰিচ্ছন্নতা উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই আচৰণগত পৰিৱর্তন আৰু সম্প্রদায়ৰ সক্রিয় অংশগ্রহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ইয়াৰ অন্তর্ভুক্ত অৱদানসমূহ হ'ল-

- পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু স্বাস্থ্যকৰ অভ্যাস প্রসাৰ কৰা
- সম্প্রদায়-নেতৃত্বাধীন সম্পূর্ণ পৰিষ্কাৰ-পৰিচ্ছন্নতাক উৎসাহিত কৰা
- গ্রাম্য আৰু চহৰ অঞ্চলত মুক্ত শৌচ (ODF) স্থিতি বর্জন কৰা
- ৰাজহুৱা স্বাস্থ্য আৰু পৰিৱেশ স্থায়িত্ব উন্নত কৰা

সম্প্রদায়ৰ অংশগ্রহণ আৰু সজাগতা এই মিছনৰ সফলতাৰ বাবে অতি প্রয়োজনীয়।

- **ৰাষ্ট্রীয় স্বাস্থ্য মিছন (NHM)**

ৰাষ্ট্রীয় স্বাস্থ্য মিছন (NHM)য়ে ৰাজহুৱা স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰাৰ লগতে গ্রাম্য আৰু পিছপৰা শ্রেণীৰ বাবে গুণগত স্বাস্থ্যসেৱা উন্নত কৰে।

NHMয়ে এনেদৰে সম্প্রদায় উন্নয়ন কৰে:

- স্বীকৃত সামাজিক স্বাস্থ্য কর্মী (ASHA)ৰ জৰিয়তে সম্প্রদায়ৰ স্বাস্থ্য সেৱা শক্তিশালী কৰি
- মাতৃ আৰু শিশু স্বাস্থ্য উন্নত কৰি
- প্রাথমিক স্বাস্থ্যসেৱা আৰু পুষ্টি সেৱা বৃদ্ধি কৰি
- স্বাস্থ্য আৰু প্রতিৰোধমূলক যত্নৰ ওপৰত সম্প্রদায় সজাগতা প্রসাৰ কৰি

- **বেটি বাচাও বেটি পড়াও**

➢ বেটি বাচাও বেটি পড়াও আঁচনিয়ে লিঙ্গ অসমতা, ছোৱালীৰ শিক্ষা, আৰু মহিলা সবলীকৰণৰ সৈতে জড়িত সমস্যাসমূহ সমাধান কৰে। ই সম্প্রদায়ৰ সজাগতা আৰু অংশগ্রহণৰ জৰিয়তে সামাজিক মনোভাৰ সলনি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ইয়াৰ অন্তর্গত দিশসমূহ-

- লিংগ সমতা আৰু সামাজিক অন্তর্ভুক্তি প্রসাৰ কৰা
-ছোৱালীৰ শিক্ষা আৰু সবলীকৰণক উৎসাহিত কৰা
- লিংগ বৈষম্যৰ বিৰুদ্ধে সম্প্রদায়ৰ সজাগতা বৃদ্ধি কৰা
- সম্প্রদায় উন্নয়নত মহিলাৰ ভূমিকা শক্তিশালী কৰা

এই আঁচনিয়ে লিংগ-সংবেদনশীল আৰু অন্তর্ভুক্তিমূলক সম্প্রদায় গঢ়ি তুলিবলৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- **প্রধান মন্ত্রী গ্রাম সড়ক যোজনা (PMGSY)**

প্রধান মন্ত্রী গ্রাম সড়ক যোজনা (PMGSY) হৈছে এটা গ্রাম্য উন্নয়ন আঁচনি যাৰ লক্ষ্য হৈছে সংযোগ বিচ্ছিন্ন গ্রাম্য বসতিবোৰলৈ পথ সংযোগ প্রদান কৰা। আঁচনিটোৱে গ্রাম্য জীৱন উন্নত কৰাৰ লগতে গাঁওসমূহক মচল অর্থনীতিৰ সৈতে সংযোগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

PMGSY ৰ গুৰুত্ব ঃ

- বজাৰ, শিক্ষানুষ্ঠান আৰু স্বাস্থ্য সেৱাৰ উন্নত কৰে
- গ্রাম্য সম্পর্ক আৰু সংযোগ বৃদ্ধি কৰে
- বাণিজ্য আৰু কর্মসংস্থানৰ সুযোগ সহজ কৰি অর্থনৈতিক প্রসাৰ সাধন কৰে
- গ্রাম্য সম্প্রদায়ৰ আঞ্চলিক আৰু সামাজিক বিচ্ছিন্নতা হ্রাস কৰে

সামগ্রিকভাৱে, PMGSYয়ে গ্রাম্য উন্নয়ন শক্তিশালী কৰাত আৰু গ্রাম্য অঞ্চলত জীৱনৰ মান উন্নত কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- **দীন দয়াল উপাধ্যায় গ্রাম্য কর্মশক্তি যোজনা (DDU-GKY)**

  দীন দয়াল উপাধ্যায় গ্রাম্য কর্মশক্তি যোজনা (DDU-GKY) হৈছে এটা দক্ষতা উন্নয়ন কার্যসূচী যি গ্রাম্য যুৱক-যুৱতীক মজুৰিৰ সুযোগ প্রদান কৰিবলৈ ৰূপায়ণ কৰা হৈছে। ই শিল্প-প্রাসংগিক দক্ষতাৰে যুৱক-যুৱতীক সাজু কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

➢ **DDU-GKY ৰ উদ্দেশ্যসমূহ ঃ**

- দক্ষতা প্রশিক্ষণৰ জৰিয়তে গ্রাম্য যুৱক-যুৱতীৰ কর্মসংস্থাপনযোগ্যতা বৃদ্ধি কৰা
- দক্ষতাৰ উন্নয়ন সাধন কৰা
- গ্রাম্য অঞ্চলত নিবনুৱা সমস্যা হ্রাস কৰা
- বহনক্ষম জীৱিকা আৰু অর্থনৈতিক স্বাধীনতা প্রসাৰ কৰা

DDU-GKYয়ে গ্রাম্য যুৱক-যুৱতীক দক্ষতা আৰু কর্মসংস্থানৰ সুযোগেৰে ক্ষমতায়ন কৰি সম্প্রদায় উন্নয়নলৈ অৱিহণা যোগায়।

সামৰণিত, ক'ব পাৰি যে চৰকাৰী আঁচনিসমূহে সম্প্রদায়ৰ অংশগ্রহণৰ জৰিয়তে সামাজিক আৰু অর্থনৈতিক সমস্যাসমূহ সমাধান কৰি সম্প্রদায় উন্নয়নত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। MGNREGA, NRLM, PMAY, স্বচ্ছ ভাৰত মিছন, NHM, ICDS, আৰু বেটি বাচাও বেটি পড়াওৰ দৰে আঁচনিসমূহে দৰিদ্রতা হ্রাস, জীৱিকা সহায়, স্বাস্থ্য, শিক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু লিংগ সমতালৈ যথেষ্ট অৱিহণা যোগায়। যেতিয়া কার্যকৰীভাৱে ৰূপায়ণ কৰা হয়, এই আঁচনিসমূহে সম্প্রদায় সংযোগ শক্তিশালী কৰে, প্রান্তীয় শ্রেণীৰ সবলীকৰণ কৰে, আৰু অন্তর্ভুক্তিমূলক আৰু বহনক্ষম উন্নয়নৰ প্রসাৰ সাধন কৰে।

যদি আমি সম্প্রদায় সংযোগ আৰু চৰকাৰী আঁচনিৰ মাজৰ সমন্বয়লৈ চাওঁ, ই সংযোগ আৰু আঁচনিৰ মাজৰ পাৰস্পৰিক সম্পর্কক প্রতিফলিত কৰে। সম্প্রদায় সংযোগে সঠিক চিনাক্তকৰণ, আঁচনিৰ কার্যকৰী ৰূপায়ণ, নিৰীক্ষণ আৰু সামাজিক গৱেষণা আৰু উন্নয়নৰ ফলাফলৰ বহনক্ষমতা নিশ্চিত কৰে আনহাতে চৰকাৰী আঁচনিসমূহে আর্থিক আৰু কাৰিকৰী সহায় প্রদান কৰি সম্প্রদায় প্রতিষ্ঠান শক্তিশালী কৰে। এইদৰে, সম্প্রদায় সংযোগে সামাজিক মূলধন শক্তিশালী কৰা, অন্তর্ভুক্তি প্রসাৰ কৰা আৰু প্রান্তীয় গোটক সবলীকৰণ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সম্প্রদায়, প্রতিষ্ঠান আৰু ৰাজ্যৰ মাজৰ সহযোগিতা অংশগ্রহণমূলক আৰু বহনক্ষম উন্নয়ন অর্জনৰ বাবে অত্যাৱশ্যকীয়।

আপোনাৰ অগ্রগতি পৰীক্ষা কৰক

প্রশ্ন ৫:চৰকাৰী আঁচনিৰ ৰূপায়ণত সম্প্রদায় নেটৱর্কিঙৰ ভূমিকা কি?

প্রশ্ন ৬:সম্প্রদায় নেটৱর্কিঙে সামাজিক মূলধন কেনেকৈ শক্তিশালী কৰে? ব্যাখ্যা কৰক।

প্রশ্ন ৭:সম্প্রদায় নেটৱর্কিং আৰু সবলীকৰণৰ ওপৰত এটা চমু টোকা লিখক।

2 ৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সম্প্রদায় সংযোগৰ অর্থ হৈছে সম্প্রদায়ৰ ভিতৰত ব্যক্তি, দল আৰু প্রতিষ্ঠানসমূহৰ মাজত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংযোগ গঢ়ি তোলা আৰু সুদৃঢ় কৰাৰ প্রক্রিয়া।
- সম্প্রদায় সংযোগত সম্প্রদায়ৰ সদস্য, আত্ম-সহায়ক গোট (এছ এইচ জি), সমবায় সমিতি, বেচৰকাৰী সংস্থা (এন জি অ'), সম্প্রদায়-ভিত্তিক সংস্থা আৰু পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ দৰে স্থানীয় শাসন প্রতিষ্ঠানসমূহৰ মাজত সক্রিয় সহযোগিতা জড়িত হৈ থাকে। এই সংযোগে পাৰস্পৰিক বিশ্বাস, সামুহিৰ অংশগ্রহণ, অংশীদাৰিত্ব আৰু সহযোগিতাৰ নীতিৰ ওপৰত নির্ভৰ কৰে।
- সম্প্রদায় সংযোগে স্থানীয় লোকসকলক তেওঁলোকৰ সামাজিক আৰু অর্থনৈতিক জীৱনত প্রভা পেলোৱ। সিদ্ধান্ত গ্রহণ প্রক্রিয়াত জড়িত হ'বলৈ উৎসাহিত কৰি অন্তর্ভুক্তিমূলক অংশগ্রহণৰ প্রসাৰ কৰে। ইয়াৰ লগতে, সম্প্রদায় সংযোগে তথ্য, সম্পদ আৰু দক্ষতাৰ বিনিময় সহজ কৰি তোলে, যাৰ ফলত সাধাৰণ সমস্যাসমূহ সমাধান কৰিবলৈ সম্প্রদায়ৰ ক্ষমতা বৃদ্ধি পায়। সামুহিক কার্য আৰু স্থানীয় নেতৃত্বৰ জৰিয়তে, সম্প্রদায়সমূহে সমস্যা চিনাক্ত কৰিবলৈ, সম্পদ সংগঠিত কৰিবলৈ আৰু স্থানীয় স্তৰৰ সমাধান কার্যকৰী কৰিবলৈ সক্ষম হয়।
- চৰকাৰী আঁচনিসমূহে অর্থনৈতিক, সামাজিক আৰু প্রাথমিক প্রত্যাহ্বানসমূহ সমাধান কৰি সামাজিক কল্যাণ আৰু সম্প্রদায় উন্নয়ন প্রসাৰত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- এই আঁচনিসমূহে লক্ষ্যভিত্তিক হস্তক্ষেপৰ জৰিয়তে দৰিদ্রতা হ্রাস কৰা, অন্তর্ভুক্তি প্রসাৰ কৰা আৰু মৌলিক সেৱাসমূহ লাভৰ উন্নত কৰাৰ লক্ষ্য ৰাখে। সম্প্রদায়ৰ অংশগ্রহণ আৰু বিকেন্দ্রীকৃত ৰূপায়ণক উৎসাহিত কৰি, চৰকাৰী কার্যসূচীসমূহে সামাজিক উন্নয়ন আৰু অন্তর্ভুক্তিমূলক বিকাশলৈ যথেষ্ট অৰিহণা যোগায়।

O ৮.৬ অধিক জানিবলৈ

ৰাকেশ সক্সেনা (2019)। চৰকাৰী আঁচনি, মিছন, প্রচাৰাভিযান আৰু ভাৰতৰ কার্যসূচী, প্রবাত প্রকাশন প্রকাশন

ড° অর্চনা কৌশিক (2019) ভাৰতত কল্যাণ আৰু উন্নয়ন প্রশাসন, গ্ল'বেল ভিছন পাব্লিচিং হাউচ

আৰ. কে. এ. সুব্রহ্মণ্য (2019) ভাৰতত সামাজিক সুৰক্ষাৰ ওপৰত প্রবন্ধ (খণ্ড ১) শিপ্রা পাবলিকেশ্যন

K ৮.৭ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ৰ উত্তৰ ঃ সম্প্রদায় সংযোগৰ অর্থ হৈছে সম্প্রদায়ৰ ভিতৰত ব্যক্তি, দল আৰু প্রতিষ্ঠানসমূহৰ মাজত

আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সংযোগ গঢ়ি তোলা আৰু সুদৃঢ় কৰাৰ প্ৰক্ৰিয়া।

প্ৰশ্ন নং ২ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগৰ মূল বৈশিষ্ট্যসমূহৰ ভিতৰত সম্প্রদায়ৰ সদস্যসকলৰ মাজত সামূহিক অংশগ্রহণ, পাৰস্পৰিক বিশ্বাস, সহযোগিতা আৰু অংশীদাৰিত্ব অন্তর্ভুক্ত। ই স্থানীয় প্রতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু চৰকাৰী সংস্থাসমূহৰ মাজত সহযোগিতাক উৎসাহিত কৰে।

প্ৰশ্ন নং ৩ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগে সামাজিক অন্তর্ভুক্তি, সহযোগিতা আৰু সংহতি প্রসাৰ কৰি সামাজিক উন্নয়নলৈ যথেষ্ট অৰিহণা যোগায়। ই সম্প্রদায়ৰ সদস্যসকলৰ মাজত সম্পর্ক শক্তিশালী কৰে, সামুহিক সমস্যা সমাধান বুদ্ধি কৰে, আৰু পিছপৰা গোটক সবলীকৰণ কৰে।

প্ৰশ্ন নং ৪ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগে এনে মঞ্চ সৃষ্টি কৰি সামাজিক অন্তর্ভুক্তিৰ প্রসাৰ কৰে য'ত প্রান্তীয় আৰু দুৰ্বল গোটসমূহে সিদ্ধান্ত গ্রহণ প্রক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্রহণ কৰিব পাৰে। ই সামাজিক বিচ্ছিন্নতা হ্রাস কৰাত সহায় কৰে, সম্পদৰ সমান সুবিধা নিশ্চিত কৰে, আৰু সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক গোটসমূহৰ মাজত সহযোগিতাক উৎসাহিত কৰে।

প্ৰশ্ন নং ৫ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগে সজাগতা সজাগতা সৃষ্টি কৰি আৰু সম্প্রদায়ৰ অংশগ্রহণ কৰি চৰকাৰী আঁচনিৰ কার্যকৰী ৰূপায়ণত সহায় কৰে। স্থানীয় নেটৱর্কসমূহে প্রকৃত সুবিধাভোগী চিনাক্ত কৰাত, কার্যসূচী ৰূপায়ণ নিৰীক্ষণ কৰাত, আৰু কর্তৃপক্ষক মতামত প্রদান কৰাত সহায় কৰে। এইবোৰে চৰকাৰী কল্যাণ কার্যসূচীৰ স্বচ্ছতা, দায়িত্ববোধ আৰু সামগ্রিক প্রভাৱ শক্তিশালী কৰে।

প্ৰশ্ন নং ৬ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগে সম্প্রদায়ৰ সদস্যসকলৰ মাজত বিশ্বাস, সহযোগিতা আদি গঢ়ি তুলি সামাজিক মূলধন শক্তিশালী কৰে। শক্তিশালী সামাজিক মূলধনে সম্প্রদায়সমূহক সামাজিক সমস্যাসমূহ কার্যকৰীভাৱে সমাধান কৰিবলৈ আৰু দীর্ঘম্যাদী উন্নয়ন উদ্যোগসমূহ বহন কৰিবলৈ সক্ষম কৰে।

প্ৰশ্ন নং ৬ ৰ উত্তৰ ঃ সম্প্রদায় সংযোগে তথ্য, সম্পদ আৰু সিদ্ধান্ত গ্রহণ প্রক্ৰিয়াত অংশগ্রহণ বৃদ্ধি কৰি ব্যক্তি আৰু গোটসমূহক সবলীকৰণ কৰে। ই নেতৃত্ব দক্ষতা গঢ়ি তোলে, সামূহিক মতামতক উৎসাহিত কৰে, আৰু বিশেষকৈ মহিলা, যুৱক-যুৱতী আৰু সুবিধাবঞ্চিত সম্প্রদায়ৰ মাজত অর্থনৈতিক আৰু সামাজিক সবলীকৰণত সহায় কৰে।

M ৮.৮ আৰ্হি প্রশ্ন

ক) অতি চমু উত্তৰৰ প্রশ্ন (30-50 শব্দৰ ভিতৰত উত্তৰ দিয়ক)

১। সম্প্রদায় সংযোগৰ দ্বাৰা আপুনি কি বুজে?

১। সম্প্রদায় সংযোগৰ প্রসঙ্গত সামাজিক অৱদানৰ সংজ্ঞা দিয়ক।

১। সম্প্রদায় সংযোগৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ ট্রৱক।

১। সম্প্রদায় সংযোগত বিশ্বাসৰ ভূমিকা কি?

১। প্রান্তীয় গোটৰ বাবে সম্প্রদায় সংযোগৰ দুটা সুবিধা উল্লেখ কৰক।

খ) চমু উত্তৰৰ প্রশ্ন (80-120 শব্দৰ ভিতৰত উত্তৰ দিয়ক)

১। সম্প্রদায় সংযোগৰ ধাৰণা ব্যাখ্যা কৰক।

২। সম্প্রদায় সংযোগৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰক।

৩। সম্প্রদায় সংযোগৰ কেনেকৈ সামাজিক অন্তর্ভুক্তি প্রসাৰ কৰে?

৪। সামাজিক মূলধন শক্তিশালী কৰাত সম্প্রদায় সংযোগৰ ভূমিকা ব্যাখ্যা কৰক।

৫। গ্রাম্য উন্নয়নত সম্প্রদায় সংযোগৰ গুৰুত্ব বর্ণনা কৰক।

৬। চৰকাৰী আঁচনিৰ কার্যকৰী ৰূপায়ণত সম্প্রদায় সংযোগৰ কেনেকৈ সহায় কৰে?

গ) দীঘল উত্তৰৰ প্রশ্ন (300-400 শব্দৰ ভিতৰত উত্তৰ দিয়ক)

১। সম্প্রদায় উন্নয়নত সম্প্রদায় সংযোগৰ সামাজিক অৱদান আলোচনা কৰক।

২। সামাজিক সংহতি আৰু সামুহিক অংশগ্রহণ প্রসাৰত সম্প্রদায় সংযোগৰ ভূমিকা বিশ্লেষণ কৰক।

৩। সম্প্রদায় সংযোগৰ কেনেকৈ মহিলা আৰু সুবিধাবঞ্চিত গোটৰ সবলীকৰণ সমর্থন কৰে আলোচনা কৰক।

৪। সম্প্রদায় সংযোগৰ আৰু চৰকাৰী কল্যাণ আঁচনিৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

৫। বহনক্ষম উন্নয়নত সম্প্রদায় নেটৱর্কিঙৰ তাৎপর্য মূল্যায়ন কৰক।

*****

অধ্যায় ৯ ঃ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ (MSME) ৰ বাবে উন্নয়ন আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু সম্প্ৰদায় উন্নয়ন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বিকাশ আৰু প্ৰকৃতি

৯.৪ ভাৰতত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ অৱস্থান

৯.৫ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ খণ্ডৰ অধীনত থকা মুখ্য ক্ষেত্ৰসমূহ

৯.৬ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বিকাশ

৯.৭ পাঠটিৰ পৰাআমি কিশিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্ৰগতিৰ খতিয়ান

৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো পঢ়ি আপুনি -

- বিশেষকৈ ভাৰতত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বিকাশ আৰু প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতত বৃহৎ পৰিমাণৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোচনা কৰিবপাৰিব।
- ভাৰতত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ অধীনত পৰিচালনা কৰা বিভিন্ন প্ৰকাৰৰ পাঠ্যক্ৰম আৰু কাৰ্যসূচীসমূহ সম্পৰ্কে আলোচনা কৰিবলৈসক্ষম হব।

৯.২ পৰিচয়

কৰ'না মহামাৰীয়ে গোটেই বিশ্বকে স্থবিৰ কৰি পেলালে। এই সংকটত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত খণ্ডটো হৈছে নিঃসন্দেহে ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ (MSME)। ব্যৱসায় বন্ধ হৈ যোৱা আৰু নিৰ্দিষ্ট খৰচবোৰ মূৰৰ ওপৰত ওলমি থকা অৱস্থাত এই উদ্যোগবোৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহ'ল ।যদিও এই উদ্যোগবোৰৰ

বাবে প্ৰত্যাহ্বান আৰু চমক একেবাৰে নতুন নহয়, বিশেষকৈ নোট বাতিল আৰু জি এছ টি নীতি ৰূপায়ণৰ পিছত, তথাপিও কভিড-১৯ য়ে সৰু আৰু মধ্য ব্যৱসায়ৰ উদ্যোক্তাসকলৰ জীৱনলৈ এক অনন্য বিপৰ্যয় কঢ়িয়াই আনিলে।

কভিড-১৯ ক ইতিহাসৰ আটাইতকৈ বিঘ্নকাৰী সংকটৰ ভিতৰত অন্যতম বুলি গণ্য কৰা হয়। ভাৰতে এই জটিল পৰিস্থিতি যথেষ্ট সৱলতা, নমনীয়তা, সংবেদনশীলতা আৰু অধ্যৱসায়ৰে পাৰ কৰিবলৈ সকলো প্ৰচেষ্টা চলাই আছে। ই অন্তৰ্ভুক্তিমূলক আৰু ন্যায়পূৰ্ণ বিকাশক উৎসাহিত কৰাৰ সম্ভাৱনাসমূহ আৱিষ্কাৰ কৰাৰ লক্ষ্য ৰাখিছে। লগতে দেশখনক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে নতুন আৱিষ্কাৰ কৰাৰো লক্ষ্য ৰাখিছে। 'আত্মনিৰ্ভৰ ভাৰত অভিযান' হৈছে অৰ্থনীতিৰ বিভিন্ন খণ্ডত দেশজুৰি বিকাশৰ শক্তিসমূহক একত্ৰিত কৰাৰ এক অভিযান। ই উদ্যোগীকৰণক উৎসাহিত কৰা, উদ্ভাৱনক প্ৰাধান্য দিয়া আৰু গ্ৰাম্য-চহৰৰ সামগ্ৰিক বিকাশৰ বাবে এটা পৰিৱেশ সৃষ্টি কৰাৰ এক উৎক্ষেপণ মঞ্চ। এই অধ্যায়ত আমি ভাৰতত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বিকাশ, প্ৰকৃতি আৰু তাৎপৰ্য্য সম্পৰ্কে আলোচনা কৰাৰ চেষ্টা কৰিম।

৯.৩ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বিকাশ আৰু প্ৰকৃতি বিকাশ

অৰ্থনৈতিক উদাৰীকৰণ, বিশ্বায়ন আৰু চৰকাৰী শিথিল নীতিৰ বাবে শেহতীয়া দশকবোৰত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে যথেষ্ট বিকাশ লাভ কৰিছে। বজাৰ মুকলি হোৱা প্ৰক্ৰিয়াই এই উদ্যোগবোৰক ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় দুয়োটা বাণিজ্যতে অংশগ্ৰহণ কৰিবলৈ সক্ষম কৰিছে। প্ৰতিষ্ঠানিক বিত্ত, অণুবিত্ত আৰু ঋণ সুবিধাসমূহলৈ অধিক প্ৰয়োভৰে সৰু উদ্যোক্তাসকলক তেওঁলোকৰ উদ্যোগ আৰম্ভ আৰু সম্প্ৰসাৰিত কৰাত সহায় কৰিছে। মেক ইন ইণ্ডিয়া, ষ্টাৰ্টআপ ইণ্ডিয়া, মুদ্ৰা যোজনা, আৰু ডিজিটেল ইণ্ডিয়াৰ দৰে চৰকাৰী পদক্ষেপসমূহে বিত্তীয় সাহায্য, দক্ষতা উন্নয়ন, প্ৰযুক্তিগত সহায় আৰু ডিজিটেল প্লেটফৰ্ম প্ৰদান কৰি এই উদ্যোগ খণ্ডটোক অধিক শক্তিশালী কৰি তুলিছে।

ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে এক বৃহৎ শ্ৰমিক শক্তি, বিশেষকৈ অদক্ষ আৰু অৰ্ধদক্ষ শ্ৰমিকক যোগ্য কৰি কৰ্মসংস্থান সৃষ্টিত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উদ্যোগবোৰে উদ্যোগিক উৎপাদন আৰু ৰপ্তানি ক্ষেত্ৰলৈ যথেষ্ট অৱিহণা যোগান ধৰে। লগতে গ্ৰাম্য আৰু অৰ্ধ-চহৰীয়া অঞ্চলত উদ্যোগ স্থাপন কৰি ভাৰসাম্যপূৰ্ণ স্থানীয় উন্নয়নক উৎসাহিত কৰে। ফলস্বৰূপে, এই উদ্যোগবোৰে স্থানীয় বৈষম্য হ্ৰাস কৰে আৰু অন্তৰ্ভুক্তিমূলক অৰ্থনৈতিক বিকাশক সমৰ্থন কৰে।

প্ৰকৃতি

পৃথক গাঁথনিগত আৰু কাৰ্যক্ষম বৈশিষ্ট্যৰ বাবে ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ অৰ্থনীতিৰ এটি গুৰুত্বপূৰ্ণ উপাদান। এই উদ্যোগবোৰৰ এটি মুখ্য বৈশিষ্ট্য হৈছে ডাঙৰ উদ্যোগৰ তুলনাতকম পৰ্যায়ত পুঁজি বিনিয়োগ। এই বৈশিষ্ট্যই সৰু উদ্যোক্তা আৰু প্ৰথমবাৰৰ বাবে ব্যৱসায় আৰম্ভ কৰিবলৈ আগ্ৰহী লোকসকলৰ বাবে সুগম কৰি তোলে। এই উদ্যোগবোৰ সাধাৰণতে শ্ৰম-নিবিড় প্ৰকৃতিৰ হয়। যাৰ ফলতেই বৃহৎ পৰিসৰৰ কৰ্মসংস্থান সৃষ্টি কৰিব

পাৰে, বিশেষকৈ দক্ষহীন আৰু অর্ধদক্ষ শ্রমিকৰ বাবে।

ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগৰ আন এটি গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে ইহঁতৰ নমনীয়তা আৰু সমাযোজন ক্ষমতা। এই উদ্যোগবোৰে সলনি হোৱা বজাৰ পৰিস্থিতি আৰু উপভোক্তাৰ চাহিদা অনুসৰি সহজেই নিজৰ উৎপাদন প্রক্রিয়া, সামগ্রী আৰু ব্যৱসায়িক কৌশল সামঞ্জস্য কৰিব পাৰে। এই উদ্যোগবোৰে মুখ্যতঃ স্থানীয়ভাৱে উপলব্ধ কেঁচামাল, দক্ষতা আৰু সম্পদৰ ওপৰত নির্ভৰশীল। যাৰ ফলত স্থানীয় সম্পদসমূহৰ ফলপ্রসূ ব্যৱহাৰ হয় আৰু স্থানীয় অর্থনৈতিক বিকাশক উৎসাহিত কৰে।

ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ উৎপাদন, সেৱা আৰু বাণিজ্যকে ধৰি বহু বিস্তৃত ক্ষেত্রত কার্যক্ষম। এই উদ্যোগবোৰে পৰম্পৰাগত আৰু ঘৰুৱা শিল্পৰ সামগ্রীৰ পৰা আৰম্ভ কৰি আধুনিক, প্রযুক্তি-নির্ভৰ সামগ্রীলৈকে বিভিন্ন প্রকাৰৰ সামগ্রী আৰু সেৱাৰ উৎপাদন কৰে। ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগে বিশেষকৈ যুৱক-যুৱতী, মহিলা আৰু সমাজৰ প্রান্তীয় শ্রেণীসমূহৰ মাজত উদ্যোগীকৰণ, আত্ম-সংস্থাপন আৰু উদ্ভাৱনক প্রাধান্য দিয়ে।

আয়ৰ সুযোগ প্রদান কৰি আৰু সৰু উৎপাদনকাৰীসকলক সমর্থন জনাই ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগে দৰিদ্রতা হ্রাস, অন্তর্ভুক্তিমূলক বিকাশ আৰু সামাজিক-অর্থনৈতিক উন্নয়নত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। গ্রাম্য আৰু অর্ধ-চহৰীয়া অঞ্চলত উদ্যোগিক কার্য্যকলাপ বিস্তাৰ কৰি এই উদ্যোগবোৰে ভাৰসাম্যপূর্ণ আঞ্চলিক উন্নয়নত অৰিহণা যোগান ধৰে। যাৰ ফলত আঞ্চলিক অসমতা হ্রাস পায় আৰু দেশৰ সামগ্রিক অর্থনৈতিক গাঁথনিয়ো শক্তিশালী হয়।

৯.৪ ভাৰতত ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগৰ অৱস্থান

ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ খণ্ডই ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ (জিডিপি) ২৯% অৰিহণা যোগান ধৰে। ইয়াৰ ৬.৩ কোটি উদ্যোগত ১১ কোটি লোক নিয়োজিত হৈ আছে। কভিড-১৯ আৰু তাৰ পৰৱর্তী পৰিস্থিতিত ২০২০ চনত এই খণ্ডটো প্রায় ভাঙি পৰিল, যাৰ ফলত ইয়াৰ ৰাজহ বহুখিনি হ্রাস পালে। ব্যৱসায়িক গতিশীলতা নিশ্চিত কৰাত এই খণ্ডটোৰে আটাইতকৈ বেছি ক্ষতি হ'লৈ। ইয়াৰ উপৰিও সময়ৰ তীব্র সংকট আৰু খহি পৰা চাহিদাই এই খণ্ডটোক যথেষ্ট প্রত্যাহ্বানৰ সন্মুখীন কৰালে। কভিড-১৯ সংকটৰ সময়ত এই উদ্যোগসমূহক প্রাথমিক সাহায্য পেকেজ প্রদান কৰাৰ উপৰিও কেন্দ্রীয় বাজেট ২০২১-২২ ত পুঁজিৰ অভাৱত ভোগা এই উদ্যোগসমূহলৈ ৰাহি আহিল। চৰকাৰে এই খণ্ডৰ বাবে ১৫,৭০০ কোটি টকা যোগান ধৰিলে।

বাজেটত একক ব্যক্তিৰ কোম্পানী (One Person Company) অন্তর্ভুক্ত কৰিবলৈ প্রদান কৰা অনুপ্রেৰণাই এই উদ্যোগক অধিক সমৃদ্ধ কৰিব। লগতে, ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগক পুনৰ শক্তিশালী কৰি কেন্দ্রীয় চৰকাৰ আৰু এমএছএমই মন্ত্রালয়ে বহুতো ক্ষুদ্র আৰু সৰু এককক এই খণ্ডৰ অধীনলৈ আনিলে। যাৰ ফলত সেই এককসমূহ বিভিন্ন ব্যৱস্থা, আঁচনি আৰু সুবিধাৰে লাভান্বিত হ'ল। চৰকাৰে ইতিমধ্যে আত্মনির্ভৰ ভাৰত অভিযানৰ অধীনত অসংখ্য ব্যৱস্থা গ্রহণ কৰিছে। সেই ব্যৱস্থাসমূহৰ ভিতৰত এই উদ্যোগৰ বাবে ২০,০০০ কোটি টকাৰ অধীনস্থ ঋণ (subordinate debt) আৰু এমএছএমই ফাণ্ড অফ ফাণ্ডৰ জৰিয়তে ৫০,০০০ কোটি টকাৰ ইকুইটি সংযোগ

অন্যতম। এই উদ্যোগসমূহ জৰুৰীকালীন ঋণ গেৰাণ্টি স্কীম (ECLGS) ৰ ৩ লাখ কোটি টকাৰ দ্বাৰাও লাভান্বিত হ'ল। ২০২১ চনৰ ২৯ জানুৱাৰীলৈ মুঠ ২.৯ লাখ কোটি টকাৰ ঋণ ইতিমধ্যে অনুমোদন হোৱাৰ লগতে ব্যৱসায়ৰ বাবে জামানত নথকা স্বয়ংক্রিয় ঋণ এই খণ্ডটোলৈ এক ডাঙৰ সহায় হৈ পৰিল। বিভিন্ন সামগ্রীৰ (যেনে ইস্পাত আৰু সংকৰ ধাতুৰ পৰা আৰম্ভ কৰি পোছাক আৰু চামৰালৈ) ওপৰত কৰ আৰু শুল্কৰ যুক্তিসংগতীকৰণে ঘৰুৱা উৎপাদনকাৰীক সহায় কৰে আৰু ই এই খণ্ডটোক অধিক উৎসাহিত কৰিব।

ভাৰতীয় ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ খণ্ড কভিড-১৯ মহামাৰীৰ দ্বাৰা বিপর্যয়গ্রস্ত হৈ পৰিছে। বিভিন্ন খণ্ডৰ লক্ষাধিক ব্যৱসায়ে ব্যাপক অর্থনৈতিক ধ্বংসৰ সন্মুখীন হৈছে। মহামাৰীৰ আগতেও এই খণ্ডটো চাপৰ অধীনত আছিল, য'ত পলমকৈ পৰিশোধ, কেইটামান গ্রাহকৰ ওপৰত অত্যধিক নির্ভৰশীলতা আৰু দক্ষ শ্রমিকৰ অভাৱ আদি প্রত্যাহ্বান আছিল। মহামাৰীয়ে এই খণ্ডটোৰ মেৰুদণ্ড ভাঙি পেলালে। এতিয়া আটাইতকৈ ডাঙৰ প্রত্যাহ্বান হৈছে মাত্র বাচি থকাটো।

মহামাৰীখনৰ খণ্ড-ভিত্তিক প্রভাৱৰ ফালে চালে দেখা যায় যে -

- বস্ত্র আৰু পোছাক খণ্ডই ৪৫ নিযুত প্রত্যক্ষ কর্মসংস্থাপন প্রদান কৰে আৰু মুঠ ঘৰুৱা উৎপাদনৰ ২% অৰিহণা যোগান ধৰে। চাহিদা সম্পর্কীয় সমস্যাই ভাৰতীয় বস্ত্র ৰপ্তানিত আঘাত হানিব বুলি আশা কৰা হৈছে। সীমিত চাহিদাৰ বাবে কর্মসংস্থাপন প্রভাৱিত হ'ব।
- অটো আৰু অটো উপাদান খণ্ডই ৪০ নিযুত কর্মসংস্থান প্রদান কৰে আৰু মুঠ ঘৰুৱা উৎপাদনৰ ৭.১% অৰিহণা যোগান ধৰে। এই খণ্ডই মানুহৰ ক্রয়ক্ষমতাত যথেষ্ট প্রভাৱিত কৰিব।
- বিমান পৰিবহণ আৰু পর্যটন খণ্ডই ৪২.৭ নিযুত কর্মসংস্থান প্রদান কৰে আৰু মুঠ ঘৰুৱা উৎপাদনৰ ২.৪% অৰিহণা যোগান ধৰে। এই খণ্ড ক'ভিডৰ আঘাতপ্রাপ্ত খণ্ডসমূহৰ ভিতৰত অন্যতম। পর্যটন খণ্ডত ব্যাপক পৰিমাণৰ চাকৰি হেৰুৱাব লাগিব।
- নির্মাণ আৰু স্থাৱৰ সম্পত্তি খণ্ড দেশৰ আটাইতকৈ ডাঙৰ কর্মসংস্থান সৃষ্টিকাৰী খণ্ডসমূহৰ ভিতৰত অন্যতম। প্রায় ২৫০ টা সহযোদ্ধা উদ্যোগৰ ওপৰত ইয়াৰ প্রভাৱ থাকে। ঘৰৰ বাবে চাহিদা মন্থৰ হ'ব বুলি আশা কৰা হৈছে। লগতে নতুন গৃহ নির্মাণ আৰম্ভ হোৱাত যথেষ্ট হ্রাস পাব।
- উপভোক্তা, খুচুৰা আৰু ইণ্টাৰনেট ব্যৱসায়ই মুঠ ঘৰুৱা উৎপাদনৰ ১০% অৰিহণা যোগান ধৰে আৰু ৮% কর্মসংস্থান প্রদান কৰে। অত্যাৱশ্যকীয় সামগ্রী সংগ্রহ কৰাৰ বাবে ইয়াত তৎক্ষণাৎ বৃদ্ধি দেখা যাব।
- শিক্ষা আৰু দক্ষতা অর্জন খণ্ডৰ বজাৰৰ আকাৰ ১০১.১ বিলিয়ন ডলাৰ। মন্থৰ মানৰ সম্পদৰ প্রয়োজনীয়তাই নিবনুৱা বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। কার্য্যকলাপ পুনৰ আৰম্ভ হোৱাৰ পিছতো এই উদ্যোগসমূহৰ কার্যক্ষমতাৰ সৈতে জড়িত সমস্যা থাকিব। যাৰ ফলত বহুতো লোকক চাকৰিৰ পৰা বর্খাস্ত কৰা হ'ব। পেছাদাৰীৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ মৌলিক স্বাস্থ্যসেৱা ই-শিক্ষণ পাঠ্যক্রম আৰম্ভ কৰাটো অতি গুৰুত্বপূর্ণ হ'ব।
- খাদ্য আৰু কৃষি খণ্ডই মুঠ ঘৰুৱা উৎপাদনৰ ১৬.৫% অৰিহণা যোগান ধৰে আৰু মুঠ কর্মসংস্থানৰ ৪৩ক্ষ প্রদান কৰে। প্রাথমিক কৃষি সামগ্রী আৰু বীজ, কীটনাশক, সাৰ আদি কৃষি উপাদান ব্যৱহাৰৰ ওপৰত প্রভাৱ কম হ'ব বুলি আশা কৰা হৈছে।

- পৰিবহণ আৰু লজিষ্টি' খণ্ডই মুঠ ঘৰুৱা উৎপাদনৰ ১৪% অৰিহণা যোগান ধৰে আৰু ৮.২৭ নিযুত লোকক কৰ্মসংস্থান প্ৰদান কৰে। এই খণ্ডত মধ্যমীয়া প্ৰভাৱ পৰিব। কিন্তু সকলো খণ্ডতে উৎপাদন হ্ৰাস পোৱাৰ বাবে লজিষ্টি'ৰ চাহিদা হ্ৰাস পোৱাটোৱে এক নিম্নমুখী চাপ সৃষ্টি কৰিব।

৯.৫ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ খণ্ডৰ অধীনত থকা মুখ্য ক্ষেত্ৰসমূহ

এই প্ৰসঙ্গত উল্লেখ কৰাটো প্ৰাসংগিক যে বৰ্তমান প্ৰেক্ষাপটত তলত উল্লেখ কৰা কিছুমান ক্ষেত্ৰই উদ্যোক্তাসকলৰ বাবে অসীম সুযোগ উন্মোচিত কৰি দিছে।

- **স্বাস্থ্য আৰু সুস্থতা (Health and Wellness):**

গোটেই বিশ্বতে জৰুৰীকালীন পৰিস্থিতি থকা অৱস্থাত স্বাস্থ্য আৰু সুস্থতা খণ্ডৰ বাবে নিজকে ব্যৱহাৰকাৰীৰ মাজত এক প্ৰয়োজনীয়তা হিচাপে স্থাপন কৰাৰ এক বৃহৎ সুযোগ আছে। ভাৰতীয় স্বাস্থ্যসেৱা উদ্যোগত আজি অপৰিসীম সম্ভাৱনা আছে। বৰ্তমান এই উদ্যোগৰ তিনিটা ডাঙৰ সমস্যা হৈছে - সামৰ্থ্য (affordability), প্ৰাপ্যতা (reach) আৰু বিশ্বাস (trust)। দৰিদ্ৰ স্বাস্থ্যসেৱা আন্তঃগাঁথনি আৰু কম ডক্তৰ-ৰোগী অনুপাতৰ বাবে দেশৰ সকলো ঠাইতে স্বাস্থ্যসেৱা সুবিধাসমূহ নাথাকে। যদি চিকিৎসকৰবাবে শাৰীৰিকভাৱে ৰোগীৰ ওচৰলৈ যোৱাটো সম্ভৱ নহয়, তেন্তে প্ৰযুক্তিয়েই অনলাইন পৰামৰ্শ (virtual consultation) ৰ সমস্যা সমাধানৰ আটাইতকৈ উত্তম উপায়। প্ৰয়োজনীয়তা অনুধাৱন কৰি বহুতো ষ্টাৰ্ট-আপ কোম্পানীয়ে এই মহামাৰীকে এটা সুযোগ হিচাপে গ্ৰহণ কৰি আগবাঢ়ি আহিছে। কেইটামান উদাহৰণ হৈছে - বাংগালোৰৰ ষ্টাৰ্ট-আপ বায়'ডিজাইন ইনোভেশ্বন লেবছে এটা পৰ্টেবল ভেণ্টিলেটৰ উদ্ভাৱন কৰিছে। হায়দৰাবাদৰ এৰ'বায়'ছিছ ইনোভেশ্বনে 'জীৱন লাইট' নামৰ এটা আইঅ'টি সমৰ্থিত ভেণ্টিলেচন ব্যৱস্থা উদ্ভাৱন কৰিছে। এইটো এটা কম খৰচী পৰ্টেবল ভেণ্টিলেটৰ, যিটো বিদ্যুৎ নাথাকিলেও ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ উপৰিও আন বহুতো ষ্টাৰ্ট-আপে আহি কৃত্ৰিম বুদ্ধিমত্তা (AI) ব্যৱহাৰ কৰি কৰোনা ভাইৰাস সম্পৰ্কীয় ভুৱা তথ্যৰ দৰে বিভিন্ন সমস্যাৰ সমাধান আগবঢ়াইছে। ষ্টাৰ্ট-আপসমূহৰ উপৰিও ভাৰতীয় গাড়ী নিৰ্মাতা কোম্পানী মাৰুতিৰে ঘোষণা কৰিছে যে তেওঁলোকে ভেণ্টিলেটৰ নিৰ্মাণৰ বাবে এজিভিএৰ সৈতে হাত মিলাইছে। এই তালিকা দীঘলীয়া হৈ আছে। এইটো এটা ইংগিত যে ভাৰতে য'ত নিজৰ শক্তি আছে, তাতে প্ৰতিযোগিতা কৰা উচিত - কম খৰচত উদ্ভাৱন কৰা।

- **ডিজিটেল শিক্ষা (Digital Education):**

এই খণ্ডই এক অভিনৰ বিকাশ লাভ কৰিছে। অনলাইন শিকোৱাৰ পৰা আৰম্ভ কৰি কামৰ মূল্যায়ন আৰু অনলাইন পৰীক্ষালৈকে ইসহায় কৰিব পাৰে। শিক্ষক আৰু শিকাৰু উভয়কে অধিক ফলপ্ৰসূ ডিজিটেল প্ৰক্ৰিয়া আৰু সঁজুলি গ্ৰহণ কৰাটো একান্ত প্ৰয়োজনীয় কৰি পেলালে। বাইজুচ,হোয়াইটহেট জুনিয়ৰ, ইউনাকাডেমী, টপৰ, ভেডাণ্টাৰ দৰে কোম্পানীসমূহে লকডাউনৰ প্ৰথম পৰ্যায়ৰ পৰাই ব্যৱহাৰৰ ক্ষেত্ৰত তিনিগুণলৈকে বৃদ্ধি লাভ কৰিছে।

- **ই-কমার্চ আৰু ডেলিভাৰী-ভিত্তিক সেৱা (E-Commerce and Delivery based services):**
  প্ৰযুক্তিগত বিপ্লৱ আৰু ইণ্টাৰফেচ ব্যৱস্থাপনা পদ্ধতিৰ আগমনৰ বাবে এই উদ্যোগসমূহ ইতিমধ্যে বিকাশৰ গতিপথত আছিল। শেহতীয়া পৰিঘটনাসমূহে সমগ্ৰ পৰিস্থিতিটোকে অভূতপূৰ্ব মাত্ৰালৈ অধিক ত্বৰান্বিত (catalyze) কৰিছে। অনলাইন অৰ্ডাৰযোগে সামগ্ৰী, সেৱা আৰু উপযোগিতাসমূহ ব্যৱহাৰ কৰিবলৈ আগতে ইচ্ছা নথকা লোকসকল এতিয়া ই-কমার্চ আৰু ডেলিভাৰী-ভিত্তিক সেৱাৰ জৰিয়তে নিজৰ দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীসমূহ যোগাৰ কৰিবলৈ বাধ্য হৈ পৰিছে। ভাৰতৰ অনলাইন সামগ্ৰী যোগানকাৰী বিগ বাস্কেট আৰু গ্ৰফার্ছে প্ৰায় দৈনিক ডেলিভাৰীৰ পৰিমাণ দুগুণ কৰিছে। দুয়োটা কোম্পানীয়ে বাঢ়ি অহা চাহিদা পূৰণ কৰিবলৈ নতুন শ্ৰমিক নিয়োগ কৰাৰ আশা প্ৰকাশ কৰিছে। প্ৰকৃততে অনলাইন গ্ৰোচেৰীকে ধৰি ই-খুচুৰা ব্যৱসায় দীৰ্ঘম্যাদীভাৱে এটা সূৰ্যোদয় খণ্ড (sunrise sector) হৈ থাকিব।
- **অ'টিটি (OTT) প্লেটফৰ্ম আৰু অনলাইন গেমিং (Online Gaming):**
  শচলচ্চিত্ৰসমূহ গণ মাধ্যমৰ ষ্ট্ৰিমিং এপ্লিকেচনৰ সৈতে অংশীদাৰিত্ব কৰি অনলাইনত মুক্তি পাই আহিছে। অ'টিটি প্লেটফৰ্ম আৰু অনলাইন গেমিং বিনোদনৰ পৰম্পৰাগত পদ্ধতিসমূহতকৈ অধিক ব্যৱহাৰ হৈ আহিছে। অতি সোনকালে যিসকল লোক এই মাধ্যমসমূহত অভ্যস্ত নাছিল, তেওঁলোকো সহজ হৈ পৰিব। বিনোদন বিচাৰি ঘৰৰ পৰা ওলাই যোৱাৰ যি প্ৰয়োজনীয়তা আছিল, সেই প্ৰয়োজনীয়তা এই মাধ্যমসমূহে সলনি কৰি পেলাব। এই প্লেটফৰ্মসমূহ সময় আৰু খৰচৰ ক্ষেত্ৰত যথেষ্ট ফলপ্ৰসূ বুলি প্ৰমাণিত হৈছে। সেইসমূহে একে অভিজ্ঞতাৰে অধিক ব্যক্তিগতকৃত সংস্কৰণ আগবঢ়ায়। আৰু এই সকলোবোৰ অভিজ্ঞতা ঘৰৰ সুবিধাজনক পৰিৱেশত লাভ কৰিব পাৰি।
- **বিকল্প চিকিৎসা (Alternative Medicine):**
  মহামাৰীৰ সময়ছোৱাত স্ব-যত্ন (self care) উদ্যোগৰ যথেষ্ট বিকাশ দেখা গৈছে। প্ৰেৰণাদায়ক বিষয়বস্তু, ব্যায়াম, স্বাস্থ্যকৰ আহাৰ, মনৰ পৰিচালনা আদিৰ ব্যৱহাৰ অতি দ্ৰুত গতিত বৃদ্ধি পাইছে। কভিড মহামাৰীখন সকলো লোকৰ বাবে এক সতর্কবাণী হিচাপে পৰিগণিত হ'লৈ। কভিড-উত্তৰ যুগত ৰোগ প্ৰতিৰোধ ক্ষমতা (immunity) শব্দটো সর্বাধিক ব্যৱহৃত (buzzword) হৈ পৰিব। আটাইতকৈ বেছি সুবিধা লাভ কৰা খণ্ডটো হৈছে বিকল্প চিকিৎসা। আয়ুর্বেদৰ বজাৰ নিৰন্তৰভাৱে বৃদ্ধি পাই আছে। ইয়াৰ লগে লগে স্বাস্থ্যকৰ খাদ্যৰ বজাৰো বৃদ্ধি পাই আছে।

এতিয়া ভাৰতীয় ব্যৱসায়সমূহৰ বাবে ৰূপান্তৰিত হোৱা আৰু 'আত্মনির্ভৰ ভাৰত' গঢ়ি তোলাৰ বাবে বিনিয়োগৰ প্ৰতি এক ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰাৰ সময় আহি পাইছে। উদ্যোক্তাসকলে কভিড-১৯ সংকটে উৎক্ষেপণ কৰা সুযোগসমূহৰ সদ্ব্যৱহাৰ কৰিব লাগে। যিসকলৰ ঋণৰ পৰিমাণ কম, তেওঁলোকে নতুন কৌশলগত খণ্ডসমূহত সতেজ আৰু সাহসী বিনিয়োগ কৰাত পিছুৱাই নাহক। চৰকাৰৰ কথা ক'বলৈ গ'লে, উদ্যোক্তাসকলক সুযোগসমূহৰ মূলধন কৰাত সহায় কৰাৰ উপৰিও চৰকাৰে স্বাস্থ্যসেৱা, শিক্ষা, পৰিৱেশ আৰু গ্ৰাম্য আন্তঃগাঁথনিকে ধৰি সামাজিক খণ্ডসমূহত বিনিয়োগ বৃদ্ধি কৰাটো অতি আৱশ্যকীয়। চাহিদা বজাই ৰখাৰ ফালেও দৃষ্টি দিয়াৰ প্ৰয়োজন। চৰকাৰে পিছৰ ফালে আন উদ্দীপক (stimulus) ৰ জৰিয়তে চাহিদা বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা উচিত।

৫৯ টা চীনা এপ নিষিদ্ধ কৰাটো উদ্দেশ্যৰ এক গুৰুত্বপূর্ণ ইংগিত। ভাৰতে নিৰন্তৰভাৱে নিজৰ আত্মনির্ভৰশীলতাৰ যাত্রা আৰম্ভ কৰা উচিত। এই যাত্রা তিনিটা অভিযানেৰে আৰম্ভ কৰিব লাগে - সৌৰ আৰু বেটাৰী শক্তি, উপভোক্তা ইলেক্ট্রনিকছ আৰু কৃত্রিম বুদ্ধিমত্তা (Artificial Intelligence)। চীনৰ সৈতে আমাৰ ব্যৱসায় ঘাটি হ্রাস কৰিবলৈ আৰু চীনা সামৰিক শক্তিৰ সমকক্ষ হ'বলৈ এই খণ্ডসমূহৰ স্বদেশীকৰণ আৰু বিশ্বমানৰ গুণগত মান আৰু মূল্যই একমাত্র পথ। জ্ঞানৰ লগতে আমি কিছু বছৰৰ কষ্ট সহ্য কৰিবলৈ নিজকে প্রস্তুত কৰিব লাগে, এই দৃঢ় বিশ্বাসেৰে যে আমি সেই কষ্টসমূহ অতিক্রম কৰিম। যদি আমি অতিক্রম নকৰো, তেন্তে আমাৰ প্রযুক্তি সার্বভৌম ভাৰতৰ সপোনটো টিকটক ভিডিঅ'ৰ দৰে হৈ পৰিব - অতি হ্রস্বকালীন আৰু ভ্রাম্যমাণ। এই মুহূর্তত ভাৰতে ভৰিষ্যতত বিনিয়োগ কৰাৰ প্রয়োজনীয়তা আছে। সেই বিনিয়োগ অনুকৰণৰ পৰা উদ্ভাৱনলৈ যোৱা ধৰণৰ হ'ব লাগে। দীর্ঘদিন ধৰি ভাৰতীয় কোম্পানীবোৰে ফার্মাচিউটিকেলছ, অটোমোবাইলছ বা আইটি সেৱা যিয়েই নহওক কিয়, উপভোগ কৰি আহিছে। উল্লেখ কৰাটো প্রাসংগিক যে ভাৰতৰ গৱেষণা আৰু বিকাশ ব্যয় মুঠ ঘৰুৱা উৎপাদনৰ মাত্র ০.৬%। আনহাতে, চীনৰ বাবে এই পৰিমাণ ২.১% আৰু দক্ষিণ কোৰিয়াৰ বাবে ৪.৫৫%। কর্পৰেট জগতৰ পৰিস্থিতিও পৃথক নহয়। অনুকৰণতকৈ উদ্ভাৱনক উৎসাহিত কৰাৰ লগতে ডিজাইন, অভিযান্ত্রিক আৰু বৃহৎ পৰিসৰত উৎপাদনৰ ওপৰত গুৰুত্ব দিয়াৰ প্রয়োজন আছে।

দৃঢ় চৰকাৰী সমর্থন আৰু ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগে প্রদর্শন কৰা সহনশীলতাৰ বলত এই খণ্ডটো উৰা মাৰিবলৈ সক্ষম হৈছে, যাৰ ফলত এটি পুনৰুত্থানৰ কাহিনী লিখি উলিওৱা হৈছে। কিন্তু অর্থনীতি প্রযুক্তিগত বিষণ্ণতাৰ (technical recession) মাজত থাকোতেই এই খণ্ডটোৱে নিজৰ সম্ভাৱনাসমূহ সর্বাধিক কৰিবলৈ এতিয়াও বহুত শক্তিশালী নীতিৰ প্রয়োজন। যদি এটা বিবেচনাপূর্ণ দৃষ্টিভংগী লোৱা হয় আৰু প্রয়োজনীয় পৰিৱর্তনসমূহ ঘটে, তেন্তে এই খণ্ডটো লাভান্বিত হ'ব। তাৰ ফলত এই উদ্যোগসমূহলৈ ঋণ আৰু পুঁজি সহজলভ্য হৈ পৰিব। গতিকে ঋণ প্রদান প্রক্রিয়াটো সহজ কৰিবলৈ আৰু সম্ভাব্য ঋণ গ্রহণকাৰীৰ ঋণ বিপদ নির্ধাৰণ কৰিবলৈ ডিজিটেল প্রযুক্তিসমূহৰ সুবিধা লৈ ঋণ প্রদান পৰিৱেশ তন্ত্রটো সহজ আৰু সবল কৰাৰ প্রয়োজনীয়তা আছে। লগতে সম্পাদন কৰিব লগীয়া আন নীতি পৰিৱর্তনসমূহ হৈছে -

১) খণ্ডটোৰ ভিতৰত ডিজিটেল প্রযুক্তিক উৎসাহিত কৰা।

২) ডিজিটেল সাক্ষৰতা প্রসাৰ কৰা।

৩) দক্ষতা অর্জনৰ প্রত্যাহ্বানসমূহ সমাধান কৰা।

৪) জিএছটি হ্রাস কৰা।

৫) বিভিন্ন অনুজ্ঞাপত্র আৰু আনুষংগিক নিয়মাৱলী সহজকৰা।

৬) ই-কমার্চৰ জৰিয়তে খণ্ডটোক অধিক বিস্তৃত বজাৰলৈ লৈ যোৱাকৈ হস্তক্ষেপপূর্ণ ব্যৱস্থা গ্রহণ কৰা।

কর্মসংস্থান প্রদানৰ ক্ষেত্রত ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ খণ্ড কৃষিৰ পিছতে স্থান পাইছে। ভাৰতীয় ৰপ্তানিৰ ৪৮% এই খণ্ডৰ দ্বাৰা সংঘটিত হয়। আত্মনির্ভৰ ভাৰত নির্মাণত ইয়াৰ ভূমিকা অতি সহায়ক। এই উদ্যোগসমূহৰ এক পঞ্চমাংশ গ্রাম্য অঞ্চলত অৱস্থিত। এই কথাই বহনক্ষম উন্নয়ন আৰু অন্তর্ভুক্তিমূলক উন্নয়নত আৰু গ্রাম্য অঞ্চলত বৃহৎ পৰিসৰৰ কর্মসংস্থাপন সৃষ্টিত এই উদ্যোগসমূহে পালন কৰা ভূমিকাৰ ইংগিত দিয়ে।

ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ মন্ত্ৰালয়ে বহু পৰিস্থিতিৰে এটা নীতি প্ৰস্তুত কৰাটো অতি গুৰুত্বপূৰ্ণ। এই নীতিৰ জৰিয়তে ভাইৰাছৰ বিস্তাৰৰ সমানুপাতিকভাৱে ব্যৱসায়িক কাৰ্য্যকলাপ কেনেকৈ নিৰন্তৰ ৰাখিব পাৰি, সেই বিষয়ে সিদ্ধান্ত ল'ব পৰা যাব। প্ৰস্তাৱিত নীতিয়ে তলত উল্লেখ কৰা বিষয়সমূহ বিবেচনা কৰিব পাৰে -

- নিয়োগকৰ্তাসকলক দৰমহা আৰু অন্যান্য বিধিগত বকেয়া পৰিশোধ কৰিবলৈ মজুৰী সহায় বা অনুদান পেকেজ উপলব্ধ কৰোৱা হ'ব পাৰে, বিশেষকৈ চুক্তিভিত্তিকদৈনিক মজুৰীয়া শ্ৰমিকসকলৰ বাবে।
- এই সংকট পাৰ কৰিবলৈ আত্ম-নিয়োজিত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ এককসমূহক প্ৰয়োজনীয় বেতন নেট (salary net) প্ৰদান কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব। যিসকল আত্ম-নিয়োজিত ব্যৱসায়ীয়ে নিজৰ টাৰ্ণঅভাৰ হ্ৰাস প্ৰমাণ কৰিব পাৰে, তেওঁলোকক (এটা নিৰ্দিষ্ট সীমাৰ অধীনত) ক্ষতিপূৰণ দিয়াৰ বাবেও সুযোগ থাকিব পাৰে।

ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে ডাঙৰ উদ্যোগতকৈ তুলনামূলকভাৱে কম পুঁজি ব্যয়ত বৃহৎ পৰিসৰৰ কৰ্মসংস্থানৰ সুযোগ প্ৰদান কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ উপৰিও পিছপৰা অঞ্চলবোৰৰ আত্মনিৰ্ভৰশীলতাতসহায় কৰে। এই উদ্যোগবোৰে আঞ্চলিক অসমতা হ্ৰাস কৰাত, ৰাষ্ট্ৰীয় আয় আৰু সম্পদৰ ন্যায়পূৰ্ণ বিতৰণ সুনিশ্চিত কৰাত সহায় কৰে। ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ ডাঙৰ উদ্যোগসমূহৰ সহায়ক হিচাপে কাম কৰে।এই খণ্ডই দেশৰ সামাজিক-অৰ্থনৈতিক বিকাশলৈ অপৰিসীম অৰিহণা যোগান ধৰে।

W আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক

প্ৰশ্ন ১: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ বুলিলে কি বুজা যায়?

প্ৰশ্ন ২: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে সম্প্ৰদায় উন্নয়নত কেনেদৰে অৰিহণা যোগান ধৰে?

প্ৰশ্ন ৩: কৰ্মসংস্থান সৃষ্টিত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৪: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে গ্ৰাম্য উন্নয়ন কেনেদৰে প্ৰসাৰ কৰে?

প্ৰশ্ন ৫: সম্প্ৰদায়ৰ মহিলাসকলক সবলীকৰণ কৰাত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ ভূমিকা কি?

৯.৬ ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ বিকাশ

ভাৰতত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বহুতো প্ৰশিক্ষণ কেন্দ্ৰ আছে। ইয়াত আমি এনে কেইটামান প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়ে আলোচনা কৰিম, যিবোৰে মানুহক অধিক উদ্যোক্তা হ'বলৈ সহায় কৰে।

১) **কেন্দ্ৰীয় টুল ৰুম এণ্ড ট্ৰেইনিং চেণ্টাৰ** (CTTC), **ভুৱনেশ্বৰ:**

ভাৰত চৰকাৰ আৰু ডেনমাৰ্ক চৰকাৰৰ মাজত হোৱা প্ৰযুক্তিগত সহযোগিতা কাৰ্যসূচীৰ অধীনত প্ৰয়োজনীয়তা

পূৰণৰ বাবে ভূৱনেশ্বৰৰ কেন্দ্ৰীয় টুল ৰুম এণ্ড ট্ৰেইনিং চেণ্টাৰ প্ৰতিষ্ঠা কৰা হৈছিল।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে-

- দীৰ্ঘম্যাদী আৰু হ্ৰস্বকালীন প্ৰশিক্ষণ প্ৰদান কৰা;
- সৰু পৰিসৰৰ উদ্যোগসমূহৰউৎপাদনশীলতা উন্নত কৰাৰ লক্ষ্যৰে টুল ইঞ্জিনিয়াৰিং ক্ষেত্ৰত তেনে উদ্যোগলৈপৰামৰ্শ আৰু সাধাৰণ সুবিধাৰ সেৱা প্ৰদান কৰা।

এই কেন্দ্ৰই উচ্চ গুণগত মানৰ মোল্ড, টুল, ডাইছ, জিগছ, ফি'চাৰ আদি ডিজাইন আৰু নিৰ্মাণ কৰাৰো প্ৰচেষ্টা চলায়।

২) **ইণ্ডো ডেনিছ টুল ৰুম** (IDTR), **জামচেদপুৰ:**

ইণ্ডো ডেনিছ টুল ৰুম, জামচেদপুৰ ভাৰত চৰকাৰৰ এখন চ'ছাইটি। ১৯৯১ চনত ভাৰত চৰকাৰ আৰু ডেনমাৰ্ক চৰকাৰৰ মাজত হোৱা দ্বিপাক্ষিক চুক্তিৰ অধীনত লগতে ৰাজ্য চৰকাৰৰ সহায়ত টুল ইঞ্জিনিয়াৰিঙত যৌথ সমাধান প্ৰদান কৰিবলৈ এই প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে-

- টুল এণ্ড ডাই মেকিং পাঠ্যক্ৰমৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলক দীৰ্ঘম্যাদী আৰু হ্ৰস্বকালীন প্ৰশিক্ষণ প্ৰদান কৰা;
- প্ৰাথমিকভাৱে সৰু পৰিসৰৰ উদ্যোগলৈ পৰামৰ্শ সেৱা প্ৰদান কৰা;
- মেচিনিং/হিট ট্ৰিটমেণ্টত সাধাৰণ সুবিধাৰ সেৱা প্ৰদান কৰা আৰু মোল্ড, টুল, ডাইছ, জিগছ, ফি'চাৰ আদি ডিজাইন আৰু নিৰ্মাণ কৰা।

প্ৰশিক্ষণ পাঠ্যক্ৰমসমূহৰ ভিতৰত আছে: অটোমোবাইল আৰু ইঞ্জিনিয়াৰিং খণ্ডৰ বাবে জিগছ, ফি'চাৰ, গেজ, ডাই কাষ্টিং ডাইছ, প্ৰেছ টুলিং আৰু প্লাষ্টিক মোল্ডৰ ডিজাইন আৰু নিৰ্মাণ আৰু মেচিনিং বিষয়ক প্ৰশিক্ষণ। টুল এণ্ড ডাই মেকিঙত ৪ বছৰীয়া ডিপ্লোমা, ২ বছৰীয়া আইটিআই, আৰু চিএডি/চিএএম/চএই, চিএনচি, পিএলচি, মেইনটেনেঞ্চ আদিৰ ওপৰত বিভিন্ন হ্ৰস্বকালীন প্ৰশিক্ষণ পাঠ্যক্ৰম ইয়াত উপলব্ধ।

৩) **কেন্দ্ৰীয় টুল ৰুম এণ্ড ট্ৰেইনিং চেণ্টাৰ (CTTC), কলকাতা:**

দেশৰ নমনীয় ক্ষুদ্ৰ উদ্যোগ (SME) খণ্ডৰ বিকাশক উৎসাহিত কৰাৰ লক্ষ্যৰে ভাৰত আৰু ডেনমাৰ্ক চৰকাৰৰ মাজত হোৱা প্ৰযুক্তিগত সহযোগিতা কাৰ্যসূচীৰ অধীনত কলকাতাৰ কেন্দ্ৰীয় টুল ৰুম এণ্ড ট্ৰেইনিং চেণ্টাৰ প্ৰতিষ্ঠা কৰা হৈছিল।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে-

- আন্তঃগাঁথনি সুবিধাসমূহৰ উন্নীতকৰণৰ জৰিয়তে বহুমুখী দক্ষতা বিকাশৰ কাৰ্য্যকলাপ বৃদ্ধি কৰা;
- ইঞ্জিনিয়াৰিঙত প্ৰযুক্তি-ব্যৱস্থাপনাগত সহায় সেৱা প্ৰদান কৰি ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ বিকাশক গুৰুত্ব দিয়া;

- সামগ্রী ডিজাইন আৰু বিকাশ, নির্মাণ, দক্ষতা বিকাশ আৰু উন্নীতকৰণ, আৰু প্রকল্প পৰামর্শৰ ক্ষেত্রত সহায় প্রদান কৰা;
- ভার্চুৱেল মেনুফেকচাৰিং, ডাইৰেক্ট ডিজিটেল মেনুফেকচাৰিঙৰ দৰে শ্রেষ্ঠ নির্মাণ পদ্ধতি গ্রহণ কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: টুল এণ্ড ডাই মেকিঙৰ দৰে দীর্ঘম্যাদী পাঠ্যক্রম; চিএডি, গাঁথনি আৰু ডিজাইন, চিএনচি মেচিন আদিৰ দৰে মধ্যম্যাদী পাঠ্যক্রম। লগতে চিএডি/চিএএম/চিএই/চিএনচি মেচিন, হেণ্ডহেল্ড সামগ্রী, ঘৰুৱা গেজেট আৰু যান্ত্রিক আৰু অ-যান্ত্রিক সামগ্রীও ইয়াত আছে।

৪) টুল ৰুম এণ্ড ট্রেইনিং চেণ্টাৰ (TRTC), গুৱাহাটী:

উত্তৰ-পূব অঞ্চলৰ উদ্যোগসমূহৰ টুলিং আৰু প্রশিক্ষণৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ ভাৰত চৰকাৰে টুল ৰুম এণ্ড ট্রেইনিং চেণ্টাৰ, গুৱাহাটী প্রতিষ্ঠা কৰিছে। অসম চৰকাৰে এই টুল ৰুমলৈ মাটিৰ লগতে প্রাথমিক ভৱন প্রদান কৰিছে। ২০০০ চনৰ ২৪ ফেব্রুৱাৰীত TRTC ভাৰত চৰকাৰৰ এখন চ'ছাইটি হিচাপে পঞ্জীয়ন কৰা হয়। ই আমিনগাঁও উদ্যোগিক অঞ্চল, উত্তৰ গুৱাহাটী ৰোড, গুৱাহাটীত অৱস্থিত।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে-

- আটাইতকৈ নতুন প্রযুক্তিৰে যুৱক-যুৱতীসকলক দীর্ঘম্যাদী, মধ্যম্যাদী আৰু হ্রস্বম্যাদী প্রশিক্ষণ প্রদান কৰা;
- গুণগত মানৰ টুল আৰু উপাদানৰ বিকাশ আৰু নির্মাণৰ ক্ষেত্রত মানসম্পন্ন সেৱা প্রদান কৰা;
- উদ্যোগিক অভিযান্ত্রিক আৰু অন্যান্য সহযোগী অভিযান্ত্রিক বাণিজ্যৰ ক্ষেত্রত মোল্ড, জিগছ, ফি'চাৰ, গেজ, আৰু মানৰ সম্পদৰউৎপাদন সুবিধাসমূহ বিকাশ কৰা;
- প্রাথমিকভাৱে ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগসমূহলৈ পৰামর্শ সুবিধা প্রদান কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: শেহতীয়া উচ্চ-টেক চফটৱেৰৰ সৈতে চিএডি/চিএএম/চিএনচি মেচিনিঙত ডিজাইন, মেচিন টুল অপা�ৰেচন, বাৰীতা মেচিনিং, ৱেল্ডিং টেকনলজি, আইটি, পিএলচি আদি।

৫) **ইণ্ডো জার্মান টুল ৰুম (IGTR), আহমেদাবাদ:**

ইণ্ডো জার্মান টুল ৰুম, আহমেদাবাদ টুল এণ্ড ডাই মেকিং আৰু প্রশিক্ষণৰ এক প্রতিষ্ঠান। IGTR কৌশলগতভাৱে গুজৰাটৰ ব্যৱসায়িক কেন্দ্র আহমেদাবাদ নগৰত অৱস্থিত। IGTR, আহমেদাবাদ শেহতীয়া ইউৰোপীয় মেচিন আৰু এক উদ্যমী আৰু প্রশিক্ষিত পেছাদাৰী দলৰে সজ্জিত।

ইয়াৰ উদ্দেশ্য হৈছে সৰু পৰিসৰৰ উদ্যোগসমূহক সহায় কৰা, বিশেষকৈ ধাতু আৰু প্লাষ্টিক গোটসমূহক টুল এণ্ড ডাইছ, মোল্ড, জিগছ এণ্ড ফি'চাৰ, গেজ আদিৰ ডিজাইন আৰু নির্মাণৰ ক্ষেত্রত সহায় কৰা; আৰু ইহঁতৰ উপযুক্ত ব্যৱহাৰ আৰু ৰক্ষণাবেক্ষণ নিশ্চিত কৰা; আধুনিক উৎপাদন প্রযুক্তি প্রদান কৰা; উন্নত সামগ্রী ডিজাইনৰ বাবে টুল-সম্পকীয় উদ্ভাৱন কৰা; টুল এণ্ড ডাই টেকনলজিত প্রশিক্ষণ আৰু উন্নীতকৰণ কৰা আৰু উৎপাদনশীলতা উন্নত কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: টুল এণ্ড ডাই মেকিং, চিএনচি মেচিনিং, চিএডি/চিএএম, মেচিন অপাৰেচন, পৰিদর্শন, গুণগত মান নিয়ন্ত্রণ, পৰীক্ষণ আৰু ৰক্ষণাবেক্ষণৰ ওপৰত দীর্ঘম্যাদী, মধ্যম্যাদী আৰু চুটি সময়ৰ পাঠ্যক্রম।

৬) **কেন্দ্রীয় হেণ্ড টুলছ প্রতিষ্ঠান** (CIHT), **জলন্ধৰ:**

কেন্দ্রীয় হেণ্ড টুলছ প্রতিষ্ঠান (এমএছএমই টুল ৰুম, জলন্ধৰ) দেশৰ হেণ্ড টুল উদ্যোগৰ বিকাশৰ বাবে দায়বদ্ধ এক অগ্রণী সংগঠন। ভাৰত চৰকাৰৰ উদ্যোগত পঞ্জাৱৰ জলন্ধৰত কেন্দ্রীয় হেণ্ড টুলছ প্রতিষ্ঠান এখন ৰাষ্ট্রীয় প্রতিষ্ঠান হিচাপে স্থাপন কৰা হৈছিল। এই প্রতিষ্ঠানটো ১৯৮৩ চনত সংযুক্ত ৰাষ্ট্র সংঘৰ উন্নয়ন কার্যসূচী (UNDP) আৰু পঞ্জাৱ চৰকাৰৰ সহায়ত স্থাপন কৰা হৈছিল। ই এটা স্বায়ত্তশাসিত সংস্থা। ইয়াৰ উদ্দেশ্য আছিল সাধাৰণতে অভিযান্ত্রিক উদ্যোগ আৰু বিশেষকৈ হেণ্ড টুল উদ্যোগলৈ প্রশিক্ষিত জনবল আৰু প্রযুক্তি সহায়ক সেৱা প্রদান কৰা।

ইয়াৰ উদ্দেশ্য হৈছে সামগ্রী ডিজাইন, উৎপাদন প্রযুক্তি, পৰীক্ষণ আৰু গুণগত মান নিয়ন্ত্রণ কৌশল, পেকিং আৰু সামগ্রী বিকাশত উন্নত প্রযুক্তি গ্রহণ কৰিবলৈ উদ্যোগসমূহৰ বাবে জনবল প্রশিক্ষণ প্রদান কৰা; পৰামর্শ সেৱা প্রদান কৰা যাতে তাৰ জৰিয়তে টার্ণকি প্রকল্প স্থাপন কৰিব পাৰি; উদ্যোগসমূহে নির্মাণ নকৰা টুলৰ ডিজাইন প্রদান কৰা; ফর্জিং, ডাইছ, টুলছ, জিগছ আৰু ফি'চাৰৰ বাবে সাধাৰণ সুবিধাৰ সেৱা প্রদান কৰা; আৰু হেণ্ড টুলৰ বাবে টুলিঙৰ ডিজাইন আৰু বিকাশ, হিট ট্রিটমেণ্টত সহায় প্রদান কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: সামগ্রী ডিজাইন আৰু বিকাশ, চিএডি/চিএএম, চিএনচি প্রগ্রামিং আৰু মেচিনিং, মেকাট্রনিকছ,অটোমেচন (পিএলচিৰ সৈতে), ৱেল্ডিং, ইলেক্ট্রিচিয়ান, গুণগত মান নিয়ন্ত্রণ আদি ক্ষেত্রত উদ্যোগসমূহৰ বাবে দক্ষতা বিকাশমূলক পাঠ্যক্রম; আৰু টুল ৰুম, হিট ট্রিটমেণ্ট, পৰীক্ষণ আৰু গুণগত মান নিয়ন্ত্রণ আদি বিভিন্ন ক্ষেত্রত অভিযান্ত্রিকী উদ্যোগসমূহলৈ সেৱা প্রদান কৰা।

৭) **কেন্দ্রীয় টুল ডিজাইন প্রতিষ্ঠান (CITD), হায়দৰাবাদ:**

এমএছএমই-টুল ৰুম, হায়দৰাবাদ (কেন্দ্রীয় টুল ডিজাইন প্রতিষ্ঠান) ভাৰত চৰকাৰে UNDP আৰু ILOৰ সহায়ত ১৯৬৮ চনত স্থাপন কৰিছিল। এই প্রতিষ্ঠান দেশৰ টুল ইঞ্জিনিয়াৰিং ক্ষেত্রখনৰ এক পথপ্রদর্শক প্রতিষ্ঠান। প্রতিষ্ঠানটো প্রাথমিকভাৱে সংযুক্ত ৰাষ্ট্র সংঘৰ উন্নয়ন কার্যসূচীৰ (UNDP) এক প্রকল্প হিচাপে স্থাপন কৰা হৈছিল। আন্তঃৰাষ্ট্রীয় শ্রম সংস্থা (ILO) য়ে এই প্রকল্প কার্যকৰী কৰিছিল।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে -

- টুলছ, ডাইছ আৰু মোল্ডছৰ ডিজাইনিং আৰু নির্মাণ; ডাইছ, জিগছ, ফি'চাৰ আৰু গেজ আদিৰ ডিজাইন আৰু নির্মাণৰ ক্ষেত্রত প্রযুক্তিগত মানৱসম্পদৰ প্রশিক্ষণ প্রদান কৰা;
- বিভিন্ন প্রক্রিয়াৰ বাবে টুল ডিজাইন আৰু বিকাশত সহায় প্রদান কৰাকে ধৰি সৰু পৰিসৰৰ উদ্যোগলৈ পৰামর্শ সেৱা প্রদান কৰা;
- ডাইছ, জিগছ আৰু অন্যান্য টুলৰ বাবে উপাদানসমূহ প্রতিমানিকৰণ কৰিবলৈ ব্যৱস্থানিশ্চিত কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: টুল ডিজাইন আৰু নির্মাণ, কম খৰচী অটোমেচন, মেকাট্রনিকছ আৰু চিএডি/চিএএম ক্ষেত্রত নিয়মীয়া আৰু খণ্ডকালীন প্রশিক্ষণ কার্যসূচী। ই কর্মৰত মানুহৰ সুবিধাৰ বাবে বিভিন্ন বিষয়ত হ্রস্বম্যাদীপাঠ্যক্রম, টুল ইঞ্জিনিয়াৰিঙত বিশেষ উদ্দেশ্য ক্লিনিক, আলোচনা চক্র, অভিযোজিত কার্যসূচীও পৰিচালনা কৰে।

৮) **বৈদ্যুতিক জোখ-মাখৰ আহিলা ডিজাইনৰ বাবে প্রতিষ্ঠান (IDEMI), মুম্বাই:**

IDEMI ভাৰত চৰকাৰে ১৯৬৮ চনত উদ্যোগ সংস্থাসমূহলৈ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে স্থাপন কৰা এক সংস্থা। ইয়াৰ উদ্দেশ্য হৈছে স্বদেশী আহিলা উদ্যোগৰ বিকাশৰ সম্ভাৱনাক গতি প্রদান কৰা। ফলত উদ্যোগিক খণ্ডত (বৈদ্যুতিক, ইলেক্ট্রনিকছ বা প্রক্রিয়া নিয়ন্ত্রণৰ আহিলা যিয়েই নহওক কিয়) উৎপাদনশীলতা আৰু গুণগত মান নিয়ন্ত্রণ বৃদ্ধি কৰি দেশৰ ক্রমাগত বাঢ়ি অহা আহিলাৰ প্রয়োজনীয়তা পূৰণ কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: যান্ত্রিক, বৈদ্যুতিক, ইলেক্ট্রনিকছ, এনিমেচন আৰু মাল্টিমিডিয়া ক্ষেত্রত দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যোগীকৰণৰ বাবে এক সপ্তাহৰ পৰা ১৮ মাহ ম্যাদৰ দক্ষতা বিকাশৰ প্রশিক্ষণ কার্যসূচী। ইয়াৰ উপৰিও আন পাঠ্যক্রমসমূহৰ ভিতৰত আছে হ্রস্বম্যাদী, মধ্যম্যাদী আৰু দীর্ঘম্যাদী পাঠ্যক্রম।

৯) **ইলেক্ট্রনিকছ সেৱা আৰু প্রশিক্ষণ কেন্দ্র** (ESTC), **ৰামনগৰ:**

ইলেক্ট্রনিকছ সেৱা আৰু প্রশিক্ষণ কেন্দ্র ভাৰত চৰকাৰৰ এটি ছ'ছাইটি হিচাপে ১৮৬০ চনৰ ছ'ছাইটি পঞ্জীয়ন আইন অধীনত ১৯৮৬ চনৰ এপ্রিল মাহত পঞ্জীয়ন কৰা হৈছিল। প্রকল্পৰ নথি অনুসৰি, এই প্রকল্প স্থাপনৰ মূল উদ্দেশ্য হৈছে ইলেক্ট্রনিকছ সামগ্রী আৰু অংশসমূহ একত্রীকৰণ আৰু নির্মাণত প্রযুক্তি প্রয়োগৰবাবে অত্যাৱশ্যকীয় প্রয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ মানৰ সম্পদৰ বিকাশ কৰা।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে-

- ইলেক্ট্রনিকছ আৰু আই টি উদ্যোগৰ বাবে উৎপাদন আৰু গুণগত মান নিয়ন্ত্রণৰ ক্ষেত্রসমূহত মানৱসম্পদৰ প্রশিক্ষণ প্রদান কৰা;
- অঞ্চলটোৰ উদ্যোক্তাসকললৈ সাধাৰণ সুবিধা প্রদান কৰা;
- সৰু পৰিসৰৰ ইলেক্ট্রনিকছ আৰু আই টি একক স্থাপন কৰাত নতুন উদ্যোক্তাসকলক পৰামর্শ আৰু নির্দেশনা প্রদান কৰা;
- উদ্যোগত উন্নত প্রযুক্তিগত সামগ্রী আৰু প্রক্রিয়াৰ বিকাশসাধন কৰা;
- অঞ্চলটোৰ সৰু পৰিসৰৰ উদ্যোগসমূহৰ বাবে পৰামর্শ শাখা গঢ়ি তোলা;
- অঞ্চলটোৰ ডাঙৰমধ্য উদ্যোগসমূহৰ বাবে সহায়ক শিল্প উদ্যোগসমূহচিনাক্তকৰণ আৰু প্রসাৰ কৰা;
- ঘৰুৱা আৰু ৰপ্তানি বজাৰৰ বাবে সামগ্রীৰ বজাৰ গৱেষণা আৰু উন্নয়ন পৰিচালনা কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: ইলেক্ট্রনিকছ, বৈদ্যুতিক আৰু সৌৰশক্তি, কম্পিউটাৰ, পিচিবি, যান্ত্রিক অংশৰ বাবে দক্ষতা বিকাশৰ প্রশিক্ষণ; আৰু চিএডি, চিএনচি প্রগ্রামিং, প্রগ্রামিং ভাষাৰ দৰে মধ্যম্যাদী আৰু হ্রস্বম্যাদী পাঠ্যক্রম।

১০) **প্রক্রিয়া আৰু সামগ্রী বিকাশ কেন্দ্র (PPDC), আগ্রা:**

প্রক্রিয়া আৰু সামগ্রী বিকাশ কেন্দ্র (PPDC), আগ্রা দেশৰ ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগসমূহক বিশেষভাৱে ফাউণ্ড্রী, ফর্জিং আৰু ইঞ্জিনিয়াৰিং ক্লাষ্টাৰৰ ওপৰত গুৰুত্ব দি সমর্থন কৰিবলৈ UNDP/UNIDO আৰু উত্তৰ

প্রদেশ চৰকাৰৰ সহায়ত স্থাপন কৰা হৈছিল। ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ মন্ত্রালয়ৰ অতিৰিক্ত সচিব আৰু উন্নয়ন আয়ুক্ত এই শাসন পৰিষদৰ অধ্যক্ষ। প্রধান সঞ্চালক এই কেন্দ্রৰ মুখ্য কার্যবাহী বিষয়া।

ইয়াৰ উদ্দেশ্য হৈছে দক্ষতা বিকাশ আৰু উন্নীতকৰণৰ প্রশিক্ষণ, প্রযুক্তিগত আৰু ব্যৱস্থাপনাগত পৰামর্শ, গুণগত মান উন্নয়ন, আৰু ফাউণ্ড্রী, পৰীক্ষণ, ফেব্রিকেচন আৰু মেচিন চপৰ দৰে সাধাৰণ সেৱা সুবিধা প্রদান কৰি ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগসমূহক সমর্থন প্রদান কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: দীর্ঘম্যাদী পাঠ্যক্রম যেনে কোপা (COPA) আৰু মডিউলাৰ, মেকানিকেল ড্রাফটছমেনৰ দৰে প্রযুক্তিগত বাণিজ্য; হ্রস্বম্যাদী পাঠ্যক্রম যেনে ডাই নির্মাণ-স্পার্ক ইৰ'জন, এনছিছ (Ansys), অটোকেড (Auto CAD), কেটিয়া (Catia), আৰু চিএনচি লেথ; প্রযুক্তিগত বাণিজ্য আৰু প্রকল্প ব্যৱস্থাপনা, ছি' ছিগমা (য়েল' বেল্ট, গ্রীন বেল্ট, ব্লেক বেল্ট), গোল্ড এপ্রাইজেল প্রেকটিচনাৰ, ইনকাম টে' প্রেকটিচনাৰৰ দৰে বিষয়ত মধ্যম্যাদী পাঠ্যক্রম।

১১) কেন্দ্রীয় ফুটৱিয়াৰ প্রশিক্ষণ প্রতিষ্ঠান (CFTI), চেন্নাই:

দেশৰ এই ধৰণৰ অগ্রণী প্রতিষ্ঠান চিএফটিআই চেন্নাই ১৯৫৭ চনৰ জুলাই মাহত ফর্ড ফাউণ্ডেচনৰ সহায়ত স্থাপন হয়। পূর্বৰ চিএফটিচিয়ে ১৮ মাহৰ "এডভান্সড ফুটৱিয়াৰ টেকনলজি কোর্চ" আৰু ব্যৱহাৰিক-ভিত্তিক প্রয়োজন অনুসৰি হ্রস্বম্যাদী পাঠ্যক্রম পৰিচালনা কৰিছিল। অধিক কার্য্যক্ষম স্বায়ত্তশাসনক উৎসাহিত কৰাৰ বাবে বিভাগীয়ভাৱে পৰিচালিত কেন্দ্রীয় ফুটৱিয়াৰ প্রশিক্ষণ কেন্দ্রক ১৯৯৬ চনৰ ১৪ এপ্রিলৰ পৰা এটা স্বায়ত্তশাসিত প্রতিষ্ঠানলৈ ৰূপান্তৰিত কৰা হয়। ইয়াৰ নামাকৰণ কৰা হয় "কেন্দ্রীয় ফুটৱিয়াৰ প্রশিক্ষণ প্রতিষ্ঠান" চেন্নাই হিচাপে। ৰাষ্ট্রীয় চামৰা উন্নয়ন কার্যসূচীৰ অধীনত UNDPৰ সহায়ত প্রতিষ্ঠানটো আধুনিকীকৰণ কৰা হৈছে আৰু ফুটৱিয়াৰ নির্মাণৰ আধুনিক পদ্ধতিৰ প্রশিক্ষণ দিবলৈ ই অত্যাধুনিক মেচিনেৰে সম্পূর্ণৰূপে সজ্জিত।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে -

- ফুটৱিয়াৰ প্রযুক্তি ক্ষেত্রত মানৱ সম্পদৰ প্রশিক্ষণ প্রদান কৰা;
- ফুটৱিয়াৰ আৰু ফুটৱিয়াৰ মেচিনাৰীৰ প্রশিক্ষক আৰু প্রযুক্তিবিদসকলক প্রশিক্ষণ আৰু গৱেষণা সুবিধা প্রদান কৰা;
- ফুটৱিয়াৰ প্রযুক্তি, ৰপ্তানি বিপণনৰ ওপৰত তথ্য ভিত্তি আৰু তথ্য বিস্তাৰ সংগঠিত কৰা;
- ফুটৱিয়াৰ উদ্যোগত প্রযুক্তি উন্নীতকৰণত সহায় আৰু প্রসাৰ কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: ফুটৱিয়াৰ প্রযুক্তি আৰু ব্যৱস্থাপনা অধ্যয়ন, ফুটৱিয়াৰ নির্মাণ আৰু ডিজাইন, ফুটৱিয়াৰ প্রযুক্তি, ফুটৱিয়াৰ ডিজাইন আৰু সামগ্রী বিকাশৰ বাবে দীর্ঘ, হ্রস্বম্যাদী আৰু মধ্যম্যাদী পাঠ্যক্রম।

১২) কেন্দ্রীয় টুল ৰুম (CTR), লুধিয়ানা:

CTR লুধিয়ানা হৈছে ভাৰত চৰকাৰ আৰু জার্মানী চৰকাৰৰ মাজত প্রযুক্তিগত সহযোগিতাৰ ওপৰত হোৱা দ্বিপাক্ষিক চুক্তিৰ অধীনত ১৯৮০ চনত স্থাপিত এটা ইণ্ডো-জার্মান প্রকল্প। ই ভাৰত চৰকাৰৰ ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ মন্ত্রালয়ৰ প্রশাসনিক নিয়ন্ত্রণত কার্য্য কৰে। ইয়াৰ মূল সেৱা ক্ষেত্রসমূহ হৈছে টুলিং বিকাশ, দ্রুত প্রটোটাইপিং, হিট ট্রিটমেণ্ট আৰু প্রশিক্ষণ।

ইয়াৰ উদ্দেশ্যসমূহ হৈছে -

- বিভিন্ন প্রকাৰৰ টুল নির্মাণ, হিট ট্রিটমেণ্ট, আৰু সংশ্লিষ্ট সেৱাৰ ক্ষেত্রত সৰু পৰিসৰৰ উদ্যোগসমূহলৈ সাধাৰণ সুবিধাৰ সেৱা প্রদান কৰা;
- উত্তৰ প্রান্তৰসৰু পৰিসৰৰ উদ্যোগসমূহৰদক্ষতা বৃদ্ধি কৰা;
- সৰু আৰু মধ্যম আকাৰৰ টুল নির্মাণ কৰা আৰু প্রশিক্ষণ প্রদান কৰা।

প্রশিক্ষণ পাঠ্যক্রমসমূহৰ ভিতৰত আছে: শিক্ষার্থীসকলৰ বাবে ডিপ্লোমা, হিট ট্রিটমেণ্টত প্রমাণ-পত্র পাঠ্যক্রম আৰু সংক্ষিপ্ত পাঠ্যক্রমৰ ৰূপত দীর্ঘম্যাদী প্রযুক্তিগত প্রশিক্ষণ; সৰু পৰিসৰৰ উদ্যোগসমূহৰ প্রযুক্তিগত কর্মচাৰীসকলৰ বাবে হ্রস্বম্যাদী আৰু খণ্ডকালীন পাঠ্যক্রম। এই পাঠ্যক্রমসমূহে চিএনচি প্রগ্রামিং আৰু মেচিনিং, চিএডি/চিএএমৰ দৰে উন্নত প্রযুক্তিসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে পৰম্পৰাগত বিষয়সমূহতো প্রশিক্ষণ প্রদান কৰে।

ভাৰতীয় উদ্যোগীকৰণ প্রতিষ্ঠান (IIE) ৰ দৰেই ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগৰ বাবে এমএছএমই ৰাষ্ট্রীয় প্রতিষ্ঠান (ni-msme) নামেৰে এটা প্রতিষ্ঠান আছে।

এই প্রতিষ্ঠানটো এতিয়া হায়দৰাবাদত অৱস্থিত। ইয়াৰ স্থাপন ১৯৬২ চনত হৈছিল। প্রতিষ্ঠানটোৰ নাম আছিল স্মল ইণ্ডাষ্ট্রি এ'টৈনচন ট্রেইনিং (SIET) ইনষ্টিটিউট। পৰৱর্তী দুটা দশকতকৈও অধিক সময় ধৰি SIET নামেৰে পৰিচিত এই প্রতিষ্ঠানটো ভাৰত চৰকাৰে নিযুক্ত শাসন পৰিষদৰ দ্বাৰা পৰিচালিত হয়। SIETৰ প্রতিষ্ঠাপক অধ্যক্ষ আছিল ড০ পি. চি. এলেকজেণ্ডাৰ, যি তেতিয়া উন্নয়ন আয়ুক্ত (সৰু পৰিসৰৰ উদ্যোগ) আছিল। চৰকাৰে SIET ক এটা ৰাষ্ট্রীয় প্রতিষ্ঠানৰ মর্যাদা প্রদান কৰিছিল। ইয়াৰ মূল লক্ষ্য আছিল প্রধানকৈ এটা ব্যৱসায়-অনুকূল পৰিৱেশ সৃষ্টি কৰি সৰু উদ্যোগসমূহৰ প্রসাৰত সহায় কৰা।

১৯৮৪ চনত ইউনিডোৱে SIET ক ইয়াৰ চেণ্টার্ছ অৱ এ'লেন্স স্কীমৰ অধীনত বিশিষ্ট প্রদর্শনৰ প্রতিষ্ঠান বুলি স্বীকৃতি প্রদান কৰে। ফলস্বৰূপে, ২০০৭ চনৰ ১১ এপ্রিলৰ পৰা প্রতিষ্ঠানটোৰ নাম ni-msme ৰাখিবলৈ পুনৰ নামাকৰণ কৰা হয়, যাতে ইয়াৰ উদ্দেশ্যসমূহৰ বিস্তৃত কেন্দ্রীয় বিষয়বস্তু প্রতিফলিত হয়। লগতে ইয়াৰ গাঁথনি আৰু সংগঠন পুনৰ ডিজাইন কৰা হয়। ni-msme (পূর্বৰ SIET) অন্ধ্র প্রদেশৰ হায়দৰাবাদত ১৯৬২ চনৰ ১ জুলাইৰ পৰা সর্বজনীন ছ'ছাইটি পঞ্জীয়ন আইন অফ ১৩৫০ৰ অধীনত পঞ্জীয়ন কৰা হৈছিল।

ইয়াৰ উদ্দেশ্য হৈছে উদ্যোগীকৰণ প্রসাৰ কৰা, আৰু বিশ্বায়নৰ সৈতে মোকাবিলা কৰিবলৈ ৰাষ্ট্রীয় পর্যায়ত লগতে আন্তঃৰাষ্ট্রীয় পর্যায়তো স্বীকৃতি লাভ কৰা।

এই প্রতিষ্ঠানে ব্যক্তিসকল, পেছাদাৰীসকল আৰু ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগৰ বাবে বিভিন্ন কার্যসূচী আগবঢ়ায়। সেই কার্যসূচীসমূহ হৈছে - উদ্যোক্তা আৰু দক্ষতা বিকাশ কার্যসূচী, অনুবীক্ষণিক উদ্যোগ বিকাশ, কৃষি উদ্যোগীকৰণ, কার্যবাহী বিকাশ কার্যসূচী, নির্মল প্রযুক্তি, সামগ্রী আৰু সেৱা কৰ (GST), বৌদ্ধিক সম্পত্তি সুবিধা কেন্দ্র (IPFC), অনুষদ বিকাশ কার্যসূচী (FDP), আন্তঃৰাষ্ট্রীয় বাণিজ্য আৰু লজিষ্টিকছ, কর্পৰেট সামাজিক দায়বদ্ধতা, এমএছএমই বিপণন, এমএছএমই গোট, আৰু সম্পূর্ণ গুণগত মান ব্যৱস্থাপনা।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক

প্ৰশ্ন ৬: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ আৰু সম্প্ৰদায়সমূহক সমৰ্থন কৰা কিছুমান চৰকাৰী আঁচনিৰ উল্লেখ কৰক।

প্ৰশ্ন ৭: দক্ষতা বিকাশত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ ভূমিকা কি?

প্ৰশ্ন ৮: প্ৰশিক্ষণ কেন্দ্ৰসমূহে তাঁত-ভিত্তিক ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগক কেনেদৰে সমৰ্থন কৰে?

প্ৰশ্ন ৯: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ অধীনত হেণ্ডলুম আৰু পাৱাৰলুম এককসমূহৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ১০: হেণ্ডলুম খণ্ডত মহিলা সবলীকৰণত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰসমূহে কেনেদৰে অৱিহণা যোগান ধৰে?

প্ৰশ্ন ১১: তাঁত-ভিত্তিক ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ কেন্দ্ৰসমূহত কি ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়?

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নিয়োগ, অৰ্থনৈতিক বিকাশ আৰু ভাৰসাম্যপূৰ্ণ আঞ্চলিক উন্নয়নত ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগৰ অৱিহণাৰ প্ৰসংগত ইয়াৰ ভূমিকা প্ৰায়ে বিশেষভাৱে উল্লেখ কৰা হয় যদিও এই উদ্যোগবোৰ কাৰ্যক্ষম হোৱাৰ লগতে ইয়াৰ মাপকাঠী (scale) প্ৰদান কৰিবলৈ সক্ষম হোৱাটো অতি গুৰুত্বপূৰ্ণ।
- ৰপ্তানি ক্ষেত্ৰলৈ যথেষ্ট অৱিহণা যোগান ধৰিও ভাৰতীয় ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰত এতিয়াও এক গণ্য কৰিবলগীয়া শক্তি হিচাপে অভিহিত কৰা নহয়।
- বিশ্ব পৰ্যায়ত তীব্ৰ প্ৰতিযোগিতা আৰু বিশ্বায়নৰ পৰা উদ্ভৱ হোৱা চাহিদাবোৰৰ বাবে ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগসমূহে অধিক প্ৰতিযোগিতামূলক ক্ষমতা প্ৰদৰ্শন কৰা, নিজকে কৌশলগতভাৱে অৱস্থান কৰা আৰু বিশ্বব্যাপী নিজৰ সংযোগৰ সুবিধা গ্ৰহণ কৰা অতি আৱশ্যকীয়।
- কভিড-১৯ মহামাৰীৰ বাবে বিশ্বব্যাপী যোগান প্ৰক্ৰিয়াতহোৱা প্ৰত্যাহ্বানেযি ভাবুকি কঢ়িয়াই আনিছে, সেইবোৰক সুযোগলৈ ৰূপান্তৰ কৰিব পাৰি।
- আমি ইয়াৰ লগতে শিকিলো যে ডিজিটেল শিক্ষা, ই-কমার্চ আৰু ডেলিভাৰী-ভিত্তিক সেৱা, অ'টিটি প্লেটফৰ্ম আৰু অনলাইন গেমিং, স্বাস্থ্য আৰু সুস্থতা, বিকল্প চিকিৎসা আদি ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ খণ্ডৰ অধীনৰ বিভিন্ন ক্ষেত্ৰসমূহে অহা দিনবোৰত কিমান অসংখ্য নতুন সুযোগ প্ৰদান কৰিব। কিন্তু অৰ্থনীতি প্ৰযুক্তিগত বিষণ্ণতাৰ (technical recession) মাজত থাকোতেই এই খণ্ডটোৱে নিজৰ সম্ভাৱনাসমূহ সৰ্বাধিক কৰিবলৈ এতিয়াও বহুত শক্তিশালী নীতিৰ প্ৰবল প্ৰয়োজন।
- আমি ইয়াৰ লগতে শিকিলো যে বিভিন্ন প্ৰতিষ্ঠান আৰু টুল ৰুমে কেনেদৰে লোকসকলক উদ্যোক্তা আৰু আত্মনিৰ্ভৰশীল হ'বলৈ সহায় কৰে।

৯.৮ অধিক জানিবলৈ

- Annual Report of MSME 2020-21, https:/ msme.gov.in/sites /default /files/ MSME-ANNUAL-REPORT-ENGLISH202020-21.pdf
- National Policy on Skill Development and Entrepreneurship 2015, দক্ষতা উন্নয়ন আৰু উদ্যোগীকৰণ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকাশিত, msde.gov.info-ত উপলব্ধ।
- National Skill Development Mission — A Framework for implementation, দক্ষতা উন্নয়ন আৰু উদ্যোগীকৰণ মন্ত্ৰালয়, ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকাশিত, msde.gov.in-ত উপলব্ধ।

৯.৯ অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ১ৰ উত্তৰ: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ (MSME) হৈছে সীমিত বিনিয়োগ আৰু টাৰ্ণঅভাৰৰ সৈতে উৎপাদনআৰু সেৱা কাৰ্য্যকলাপত নিয়োজিত ব্যৱসায়িক উদ্যোগ।অৰ্থনৈতিক বিকাশ, কৰ্মসংস্থান সৃষ্টি, আৰু ভাৰসাম্যপূৰ্ণ আঞ্চলিক উন্নয়ন, বিশেষকৈ গ্ৰাম্য আৰু অৰ্ধ-চহৰীয়া অঞ্চলত এই উদ্যোগেঅতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

প্ৰশ্ন ২ৰ উত্তৰ: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে স্থানীয় কৰ্মসংস্থান সৃষ্টি কৰি, উদ্যোগীকৰণক উৎসাহিত কৰি, স্থানীয় সম্পদৰ ব্যৱহাৰ কৰি, দৰিদ্ৰতা হ্ৰাস কৰি, আৰু জীৱনৰ মানদণ্ড উন্নত কৰি সম্প্ৰদায় উন্নয়নত অৰিহণা যোগান ধৰে। এই উদ্যোগবোৰে স্থানীয় অৰ্থনীতি সবল কৰাৰ লগতে সম্প্ৰদায়ৰ ভিতৰত আত্মনিৰ্ভৰশীলতাক উৎসাহিত কৰে।

প্ৰশ্ন ৩ৰ উত্তৰ: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগ শ্ৰম-নিবিড় প্ৰকৃতিৰ হয় আৰু তুলনামূলকভাৱে কম পুঁজি বিনিয়োগৰে বৃহৎ পৰিসৰৰ কৰ্মসংস্থাপন সৃষ্টি কৰে। এই উদ্যোগবোৰে গ্ৰাম্য আৰু পিছপৰা সম্প্ৰদায়সমূহত বিশেষকৈ মহিলা আৰু যুৱক-যুৱতীসকলক দক্ষ, অৰ্ধদক্ষ আৰু অদক্ষ শ্ৰমিক হিচাপে নিয়োগ প্ৰদান কৰে।

প্ৰশ্ন ৪ৰ উত্তৰ: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে গাঁওসমূহত সৰু উদ্যোগ স্থাপন কৰি, চহৰলৈ প্ৰব্ৰজনৰ পৰিমাণ হ্ৰাস কৰি, পৰম্পৰাগত দক্ষতা আৰু ব্যৱসায়সমূহক সমৰ্থন কৰি, আৰু গ্ৰাম্য অঞ্চলৰ আয় বৃদ্ধি কৰি গ্ৰাম্য উন্নয়ন প্ৰসাৰ কৰে। এই উদ্যোগবোৰে উদ্যোগিক বিকাশ বিকেন্দ্ৰীকৰণ কৰাত সহায় কৰে।

প্ৰশ্ন ৫ৰ উত্তৰ: ক্ষুদ্ৰ, সৰু আৰু মধ্য উদ্যোগে মহিলাৰবাবে উদ্যোগ, আত্ম-সহায়ক গোট (SHG), আৰু ঘৰুৱা উদ্যোগসমূহক উৎসাহিত কৰি মহিলাসকলক সবলীকৰণ কৰে। এই উদ্যোগবোৰে সম্প্ৰদায়ৰ ভিতৰত মহিলাৰ আয়, সিদ্ধান্ত গ্ৰহণ ক্ষমতা, আৰু সামাজিক মৰ্যাদা বৃদ্ধি কৰে।

প্রশ্ন ৬ৰ উত্তৰ: গুৰুত্বপূর্ণ আঁচনিসমূহৰ ভিতৰত আছে পিএমইজিপি (প্রধানমন্ত্রী নিয়োগ সৃষ্টি কার্যসূচী), মুদ্রা যোজনা, ষ্টেণ্ড-আপ ইণ্ডিয়া, ষ্টার্ট-আপ ইণ্ডিয়া, আৰু গোট উন্নয়ন কার্যসূচী। এই আঁচনিসমূহে উদ্যোগীকৰণ আৰু সম্প্রদায়-ভিত্তিক উদ্যোগসমূহক সমর্থন প্রদান কৰে।

প্রশ্ন ৭ৰ উত্তৰ:

ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ প্রশিক্ষণ কেন্দ্রসমূহে যুৱক-যুৱতী, মহিলা আৰু শিল্পীসকলক তেওঁলোকৰ নিয়োগ ক্ষমতা (employability) আৰু উদ্যোগীকৰণ দক্ষতা বৃদ্ধি কৰিবলৈ বৃত্তিমূলক আৰু প্রযুক্তিগত প্রশিক্ষণ প্রদান কৰে। এই কেন্দ্রসমূহে ব্যৱহাৰিক দক্ষতা, আধুনিক কৌশল, আৰু কার্যক্ষমতানির্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যাৰ ফলত সম্প্রদায়-ভিত্তিক উদ্যোগসমূহ সবলীকৰণত সহায়ক হয়।

প্রশ্ন ৮ৰ উত্তৰ: প্রশিক্ষণ কেন্দ্রসমূহে বয়ন কৌশল, তাঁত পৰিচালনা, ডিজাইন বিকাশ, গুণগত মান নিয়ন্ত্রণ, আৰু বিপণন সম্পর্কীয় দক্ষতাৰ প্রশিক্ষণ দি তাঁত-ভিত্তিক ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগসমূহক সমর্থন কৰে। এই কেন্দ্রসমূহে পৰম্পৰাগত শিপিনীসকলকনিজৰ দক্ষতা উন্নীতকৰণ কৰাত আৰু উন্নত পদ্ধতিগ্রহণ কৰি অধিক উৎপাদনশীলতা আৰু আয় বৃদ্ধি কৰাত সহায় কৰে।

প্রশ্ন ৯ৰ উত্তৰ: ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগৰ অধীনত হেণ্ডলুম আৰু পাৱাৰলুম উদ্যোগেপৰম্পৰাগত ব্যৱসায়সমূহ সংৰক্ষণ কৰে, গ্রাম্য কর্মসংস্থাপন সৃষ্টি কৰে, আৰু স্থানীয় উদ্যোগীকৰণ প্রসাৰ কৰে। এই উদ্যোগে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাৰ লগতে সম্প্রদায়ৰ শিপিনীআৰু কর্মীসকলৰবাবে জীৱিকাৰ সুৰক্ষা নিশ্চিত কৰে।

প্রশ্ন ১০ৰ উত্তৰ: ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ প্রশিক্ষণ কেন্দ্রসমূহে বয়ন, ছিলাই, আৰু ডিজাইন ক্ষেত্রত বিশেষ প্রশিক্ষণ প্রদান কৰি মহিলাসকলক সবলীকৰণ কৰে। এই প্রশিক্ষণে মহিলাসকলক ঘৰুৱা উদ্যোগ আৰম্ভ কৰিবলৈ সক্ষম কৰি তোলে। যাৰ ফলত তেওঁলোকৰ আয় বৃদ্ধি পায় আৰু সম্প্রদায়ৰ ভিতৰত তেওঁলোকৰ সামাজিক আৰু অর্থনৈতিক মর্যাদা উন্নত হয়।

প্রশ্ন ১১ৰ উত্তৰ: ক্ষুদ্র, সৰু আৰু মধ্য উদ্যোগ কেন্দ্রসমূহে হেণ্ডলুম বয়ন, পাৱাৰলুম পৰিচালনা, কাপোৰ ডিজাইন কাম, পেকেজিং, ব্রেণ্ডিং, আৰু ডিজিটেল বিপণন সম্পর্কীয় প্রশিক্ষণ প্রদান কৰে।

M ৯.১০ আৰ্হি প্রশ্ন

ক অতি চমু উত্তৰৰ প্রশ্ন (৫০ শব্দৰ ভিতৰত)

১. এমএছএমই বুলিলে আপুনি কি বুজে?

২. এমএছএমই উন্নয়নৰ প্রসংগত দক্ষতা প্রশিক্ষণৰ সংজ্ঞা দিয়ক।

৩. উদ্যোগীকৰণ বিকাশত প্রশিক্ষণৰ ভূমিকা কি?

৪. এমএছএমই প্রশিক্ষণ কার্যসূচীৰ যিকোনো দুটা উদ্দেশ্য উল্লেখ কৰক।

৫. এমএছএমইৰ কার্যক্ষমতানির্মাণ বুলিলে কি বুজা যায়?

খ. চমু উত্তৰৰ প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত)

১. এমএছএমইৰ বিকাশৰ বাবে প্রশিক্ষণৰ গুৰুত্ব ব্যাখ্যা কৰক।

২. এমএছএমইৰ বাবে চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত প্রশিক্ষণ কার্যসূচীসমূহৰ ভূমিকা আলোচনা কৰক।

৩. এমএছএমইৰ জৰিয়তে কেনেদৰে দক্ষতা বিকাশমূলক প্রশিক্ষণে কর্মসংস্থান সৃষ্টিত সহায় কৰে, ব্যাখ্যা কৰক।

৪. এমএছএমই উদ্যোক্তাসকলৰ বাবে ব্যৱস্থাপনাগত প্রশিক্ষণৰ প্রয়োজনীয়তা বর্ণনা কৰক।

৫. ভাৰতৰ লোকসকলৰ উদ্যোগীকৰণ বিকাশৰ বাবে এমএছএমই-প্রশিক্ষণ প্রতিষ্ঠানসমূহৰ ভূমিকা ব্যাখ্যা কৰক।

গ. দীঘলীয়া উত্তৰৰ প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

১. ভাৰতত এমএছএমই সবলীকৰণত প্রশিক্ষণ আৰু দক্ষতা বিকাশৰ ভূমিকা আলোচনা কৰক।

২. এমএছএমই বিকাশৰ বাবে প্রয়োজনীয় বিভিন্ন প্রকাৰৰ প্রশিক্ষণ কার্যসূচীসমূহ পৰীক্ষা কৰক।

৩. এমএছএমই বিকাশৰ ওপৰত উদ্যোগীকৰণ বিকাশ প্রশিক্ষণৰ প্রভাৱ বিশ্লেষণ কৰক।

৪. এমএছএমইৰ ধাৰণক্ষমতা নির্মাণত প্রশিক্ষণ প্রতিষ্ঠান আৰু চৰকাৰী আঁচনিসমূহৰ অৰিহণা বর্ণনা কৰক।

৫. এমএছএমইৰ বাবে প্রশিক্ষণ কার্যসূচী ৰূপায়ণৰ ক্ষেত্রত সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ মূল্যায়ন কৰি সেইবোৰ অতিক্রম কৰিবলৈ ব্যৱস্থা পৰামর্শ দিয়ক।

৬. প্রশিক্ষণ কার্যসূচীসমূহে কেনেদৰে এমএছএমইৰ উৎপাদনশীলতা আৰু প্রতিযোগিতামূলক ক্ষমতা উন্নত কৰিব পাৰে, ব্যাখ্যা কৰক।

৭. গ্রাম্য এমএছএমই প্রসাৰত বৃত্তিমূলক আৰু দক্ষতা-ভিত্তিক প্রশিক্ষণৰ ভূমিকাৰ মূল্যায়ন কৰক।

*****

অধ্যায় ১০ ঃ সম্প্রদায় নিয়োজিতকৰণৰ কার্যসূচীসমূহ আৰু ইয়াৰ মূল্যায়ন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সম্প্রদায় নিয়োজিতকৰণৰ ধাৰণা

১০.৪ সম্প্রদায় নিয়োজিতকৰণ কার্যসূচীসমূহৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

১০.৫ সম্প্রদায় নিয়োজিতকৰণ কার্যসূচীসমূহৰ প্রকাৰ

১০.৬ সম্প্রদায় নিয়োজিতকৰণত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা

১০.৭ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ

১০.৮ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন

১০.৯ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন

১০.১০ ভাৰতবর্ষত সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নত সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ

১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.১২ অধিক জানিবলৈ

১০.১৩ অগ্রগতিৰ খতিয়ান

১০.১৪ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই ইউনিটটো অধ্যয়ন কৰাৰ পিছত শিক্ষার্থীয়ে—

- সম্প্রদায় নিয়োজিতকৰণৰ অর্থ, প্রকৃতি আৰু পৰিসৰ বুজিব পাৰিব;
- শিক্ষামূলক ক্ষেত্রত সম্প্রদায় নিয়োজিতকৰণৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব;
- সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ প্রয়োজনীয়তা আৰু গুৰুত্ব বিশ্লেষণ কৰিব পাৰিব;
- বিভিন্ন ধৰণৰ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ চিনাক্ত কৰিব পাৰিব;
- সম্প্রদায় নিয়োজিতকৰণত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা বুজি ব্যাখ্যা কৰিব পাৰিব;
- সামাজিক উন্নয়ন আৰু মূল্যভিত্তিক শিক্ষাৰ সৈতে সম্প্রদায় নিয়োজিতকৰণৰ সম্পর্ক বুজিব পাৰিব;

- ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব;
- এই কার্যসূচীসমূহৰ মূল্যায়নৰ ধাৰণা, পদ্ধতি আৰু মানদণ্ডসমূহ বুজিব পাৰিব;
- মূল্যায়নত উদ্ভৱ হোৱা বিভিন্ন প্রত্যাহ্বান বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

শিক্ষা কেৱল শ্রেণীকক্ষত সীমাবদ্ধ জ্ঞান আহৰণৰ প্রক্রিয়া নহয়; ই হৈছে ব্যক্তিৰ সামগ্রিক বিকাশ সাধন কৰা এক অবিৰত সামাজিক প্রক্রিয়া। ব্যক্তিৰ বিকাশ কেৱল পুথিগত জ্ঞানৰ জৰিয়তে সম্ভৱ নহয়; সমাজ, সংস্কৃতি, পৰিৱেশ, জীৱন-অভিজ্ঞতা আৰু সামাজিক দায়বদ্ধতাৰ জৰিয়তে তেওঁৰ মানসিক, নৈতিক আৰু সামাজিক বিকাশ সাধিত হয়। সেয়েহে আধুনিক শিক্ষাব্যৱস্থাত শিক্ষার্থীক সমাজৰ সৈতে সংযোগ স্থাপন কৰোৱাটো বিশেষ গুৰুত্ব লাভ কৰিছে।

এই প্রেক্ষাপটত **সম্প্রদায় নিয়োজিতকৰণ** (Community Engagement) শিক্ষাৰ এক গুৰুত্বপূর্ণ অংশ হিচাপে স্বীকৃতি লাভ কৰিছে। শিক্ষানুষ্ঠান আৰু সম্প্রদায়ৰ মাজত অর্থবহ, সক্রিয় আৰু দ্বিমুখী সম্পর্ক গঢ়ি তোলাৰ জৰিয়তে শিক্ষার্থীক সমাজৰ বাস্তৱ সমস্যা, প্রয়োজনীয়তা, মূল্যবোধ আৰু উন্নয়নৰ প্রক্রিয়াৰ সৈতে পৰিচিত কৰোৱাই হৈছে সম্প্রদায় নিয়োজিতকৰণৰ মূল উদ্দেশ্য।

ভাৰতবর্ষৰ দৰে বৈচিত্র্যপূর্ণ সমাজত শিক্ষা কেৱল ব্যক্তিগত উন্নয়নৰ উপায় নহয়; ই সামাজিক ৰূপান্তৰৰো এক গুৰুত্বপূর্ণ খনিকৰ। সাক্ষৰতা, স্বাস্থ্য, পৰিচ্ছন্নতা, লিংগ সমতা, পৰিৱেশ সংৰক্ষণ, জীৱিকা বৃদ্ধি, গণতান্ত্রিক অংশগ্রহণ—এই সকলো ক্ষেত্রতে শিক্ষার্থীসকলক সম্প্রদায়ৰ সৈতে নিয়োজিত কৰাৰ প্রয়োজন আছে।

জাতীয় শিক্ষা নীতি ২০২০ (NEP 2020)-এ অভিজ্ঞতাভিত্তিক শিক্ষণ, সমাজভিত্তিক শিক্ষণ, সেৱাভিত্তিক শিক্ষণ (service learning), সামাজিক দায়বদ্ধতা আৰু মূল্যভিত্তিক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই নীতিয়ে স্পষ্টভাৱে সূচায় যে শিক্ষার্থীয়ে কেৱল তথ্য আৰু জ্ঞান আহৰণ কৰিলেই নহ'ব; তেওঁলোকে সমাজৰ সৈতে জড়িত হৈ বাস্তৱ জীৱনৰ সমস্যাসমূহ অনুধাৱন কৰি তাৰ সমাধানমুখী চিন্তা আৰু কর্মদক্ষতাৰ বিকাশ কৰিব লাগিব।

বিশেষকৈ দূ�ৰশিক্ষা ব্যৱস্থাত অধ্যয়ন কৰা শিক্ষার্থীসকলৰ ক্ষেত্রত সম্প্রদায় নিয়োজিতকৰণৰ তাৎপর্য অধিক। কিয়নো এইসকল শিক্ষার্থী বিভিন্ন সামাজিক, অর্থনৈতিক, বৃত্তিগত আৰু ভৌগোলিক পটভূমিৰ পৰা আহে। তেওঁলোকৰ বাবে সম্প্রদায়ভিত্তিক অভিজ্ঞতাই শিক্ষণক অধিক প্রাসংগিক আৰু ব্যৱহাৰিক কৰি তোলে।

এই অধ্যায়ত সম্প্রদায় নিয়োজিতকৰণৰ ধাৰণা, গুৰুত্ব, প্রকাৰ, শিক্ষানুষ্ঠানৰ ভূমিকা, ভাৰতবর্ষৰ মুখ্য কার্যসূচীসমূহ, মূল্যায়নৰ পদ্ধতি, ফলাফল আৰু প্রত্যাহ্বানসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰা হ'ব।

১০.৩ সম্প্রদায় নিয়োজিতকৰণৰ ধাৰণা

সম্প্রদায় নিয়োজিতকৰণ হৈছে এনে এক সুসংগঠিত, উদ্দেশ্যমূলক আৰু সহযোগিতামূলক প্রক্রিয়া, য'ত ব্যক্তি, দল, শিক্ষানুষ্ঠান, স্থানীয় সংস্থা, চৰকাৰী প্রতিষ্ঠান আৰু সম্প্রদায়ৰ সদস্যসকলে একেলগে কাম কৰি সম্প্রদায়ৰ সমস্যা চিনাক্ত কৰে, সমাধানৰ পথ নির্ধাৰণ কৰে আৰু উন্নয়নমূলক কার্যসূচী ৰূপায়ণত অংশগ্রহণ কৰে।

ই কেৱল "সহায়" বা "সেৱা" প্রদান কৰা নহয়; ৰৰং ই হৈছে এক অংশীদাৰিত্বমূলক প্রক্রিয়া। এই প্রক্রিয়াত সম্প্রদায়ক কেৱল উপভোক্তা বা গ্রাহক হিচাপে ধৰা নহয়; তেওঁলোকক সিদ্ধান্তগ্রহণ, পৰিকল্পনা, ৰূপায়ণ আৰু মূল্যায়নৰ সক্রিয় অংশীদাৰ হিচাপে বিবেচনা কৰা হয়।

সম্প্রদায় নিয়োজিতকৰণ তলৰ নীতিসমূহৰ ওপৰত প্রতিষ্ঠিত—

- অংশগ্রহণ
- সহযোগিতা
- অন্তর্ভুক্তিকৰণ
- স্থায়িত্ব

শিক্ষানুষ্ঠানসমূহে সজাগতামূলক কার্যসূচী, সেৱামূলক কার্য, সম্প্রসাৰণমূলক কার্যসূচী আৰু অংশগ্রহণমূলক গৱেষণাৰ জৰিয়তে সম্প্রদায়ৰ সৈতে নিয়োজিত হয়। এনে নিয়োজিতকৰণৰ ফলত শিক্ষার্থীৰ মাজত সামাজিক সংবেদনশীলতা, নেতৃত্বৰ গুণ আৰু গণতান্ত্রিক মূল্যবোধৰ বিকাশ ঘটে।

5 জানি থোৱা ভাল

সম্প্রদায় নিয়োজিতকৰণ আৰু সম্প্রদায় সেৱা একে নহয়। সম্প্রদায় সেৱা সাধাৰণতে হ্রস্বম্যাদী আৰু একমুখী হয়; কিন্তু সম্প্রদায় নিয়োজিতকৰণে দীর্ঘকালীন অংশীদাৰিত্ব আৰু উমৈহতীয়া সিদ্ধান্তগ্রহণক অধিক গুৰুত্ব দিয়ে।

১০.৪ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ শিক্ষামূলক উন্নয়ন আৰু সামাজিক পৰিৱর্তন—উভয় ক্ষেত্রতে অত্যন্ত প্রয়োজনীয়। ইয়াৰ গুৰুত্ব বিভিন্ন দৃষ্টিকোণৰ পৰা বুজিব পাৰি।

প্রথমতে, সম্প্রদায় নিয়োজিতকৰণে সম্প্রদায়ৰ **বাস্তৱ প্রয়োজনীয়তা**সমূহ চিনাক্ত কৰাত সহায় কৰে। সম্প্রদায়ৰ সক্রিয় অংশগ্রহণ অবিহনে ৰূপায়িত উন্নয়নমূলক কার্যসূচীসমূহে বহু সময়ত প্রকৃত সমস্যাবোৰ সমাধান কৰিব নোৱাৰে। নিয়োজিতকৰণৰ ফলত কার্যসূচীসমূহ অধিক প্রাসংগিক, প্রয়োজনভিত্তিক আৰু উপযোগী হয়।

দ্বিতীয়তে, সম্প্রদায় নিয়োজিতকৰণে শিক্ষার্থীৰ **সামগ্রিক বিকাশত** সহায় কৰে। সম্প্রদায়ৰ সৈতে আন্তঃক্রিয়াৰ মাধ্যমেৰে শিক্ষার্থীয়ে সহানুভূতি, সমস্যা-সমাধান ক্ষমতা, যোগাযোগ দক্ষতা আৰু সামাজিক দায়বদ্ধতাৰ গুণ আয়ত্ত কৰে। বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ সৈতে সংযোগ স্থাপন হ'লে শিক্ষণ অধিক অর্থবহ হৈ উঠে।

তৃতীয়তে, সম্প্রদায় নিয়োজিতকৰণে **গণতান্ত্রিক মূল্যবোধ** শক্তিশালী কৰে। সম্প্রদায়ভিত্তিক কার্যসূচীত অংশগ্রহণে আলোচনা, সহযোগিতা আৰু দলীয় সিদ্ধান্তগ্রহণৰ সংস্কৃতি গঢ়ি তোলে। ইয়াৰ ফলত ব্যক্তিয়ে নাগৰিক হিচাপে নিজৰ অধিকাৰ আৰু কর্তব্যৰ প্রতি সজাগ আৰু সচেতন হৈ উঠে।

চতুর্থতে, সম্প্রদায় নিয়োজিতকৰণে **স্থায়ী উন্নয়নত** অৱিহণা যোগায়। সম্প্রদায়ৰ সদস্যসকল যদি পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্রত সক্রিয়ভাৱে জড়িত থাকে, তেন্তে তেওঁলোকৰ মাজত দায়িত্ববোধৰ সৃষ্টি হয়। ফলত যিকোনো কার্যসূচীৰ স্থায়িত্ব বজাই ৰখা সম্ভৱ হয়।

পঞ্চমতে, বিশেষকৈ **দূৰশিক্ষাৰ শিক্ষার্থী**সকলৰ বাবে সম্প্রদায় নিয়োজিতকৰণে তত্ত্ব আৰু প্রয়োগৰ মাজৰ ব্যৱধান দূৰ কৰে, যাৰ ফলত শিক্ষণ তেওঁলোকৰ ব্যক্তিগত আৰু বৃত্তিগত জীৱনৰ সৈতে অধিক প্রাসংগিক হৈ উঠে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সম্প্রদায় নিয়োজিতকৰণ বুলিলে কি বুজায়?

প্রশ্ন নং ২ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ যিকোনো এটা গুৰুত্ব উল্লেখ কৰা।

১০.৫ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ প্রকাৰ

সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ সম্প্রদায়ৰ প্রয়োজন, উদ্দেশ্য আদিৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ হ'ব পাৰে। তলত কিছুমান প্রকাৰ আলোচনা কৰা হ'ল—

(ক) শিক্ষামূলক নিয়োজিতকৰণমূলক কার্যসূচী

এই কার্যসূচীসমূহ কোনো এক সম্প্রদায়ৰ মাজত শিক্ষাৰ সুযোগ আৰু মানদণ্ড উন্নত কৰাৰ লগত জড়িত। উদাহৰণস্বৰূপে—প্রাপ্তবয়স্ক সাক্ষৰতা কার্যসূচী, বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ বাবে সহায়ক বা গ্রীষ্মকালঘন পাঠদান, শিক্ষাৰ গুৰুত্ব সম্পর্কীয় সজাগতা অভিযান আৰু ডিজিটেল সাক্ষৰতা কার্যসূচী আদি।

(খ) স্বাস্থ্য আৰু পৰিচ্ছন্নতা সম্পর্কীয় কার্যসূচী

এই ধৰণৰ কার্যসূচীৰ উদ্দেশ্য হৈছে সম্প্রদায়ৰ স্বাস্থ্যৰ সুস্থতা, পৰিচ্ছন্নতা আৰু স্বাস্থ্য-সজাগতা বৃদ্ধি কৰা। ইয়াৰ ভিতৰত স্বাস্থ্য সজাগতা অভিযান, পুষ্টিকৰ খাদ্য যোগান, পৰিচ্ছন্নতা অভিযান আৰু প্রতিষেধকমূলক স্বাস্থ্যসেৱা সম্পর্কীয় সচেতনতা আদি অন্তর্ভুক্ত।

(গ) **পৰিৱেশমূলক নিয়োজিতকৰণমূলক কার্যসূচী**

এই কার্যসূচীসমূহে পৰিৱেশ সচেতনতা আৰু বহনক্ষম উন্নয়নৰ আচৰণক উৎসাহিত কৰে। বৃক্ষৰোপণ, নিষ্কাশন ব্যৱস্থাপনা, পানী সংৰক্ষণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান আদি এই শ্রেণীত পৰে।

(ঘ) **অর্থনৈতিক উন্নয়নমূলক কার্যসূচী**

এই ধৰণৰ কার্যসূচীৰ লক্ষ্য হৈছে জীৱিকাৰ বিকাশ আৰু আত্মনির্ভৰশীলতা বৃদ্ধিৰ বাবে দক্ষতা বিকাশ কৰা। দক্ষতাৰ প্রশিক্ষণ, আত্মনির্ভৰ গোট (SHG), উদ্যোগিক সচেতনতা আৰু বৃত্তিমূলক শিক্ষা এই ক্ষেত্রত উল্লেখযোগ্য উদাহৰণ।

(ঙ) **সামাজিক সচেতনতা কার্যসূচী**

এই কার্যসূচীসমূহে সম্প্রদায়ৰ গুৰুত্বপূর্ণ সামাজিক সমস্যা যেনে—লিংগ সমতা, শিশুৰ অধিকাৰ, আইনী সাক্ষৰতা, সামাজিক অন্তর্ভুক্তি আদিৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ জৰিয়তে প্রত্যাহ্বানমূলক ধাৰণা আৰু আচৰণক প্রত্যাহ্বান জনাই উন্নত মূল্যবোধ গঢ়ি তোলাত সহায় হয়।

t চিন্তা চর্চা কৰক ১০.১

আপোনাৰ নিজ অঞ্চলত অনুষ্ঠিত হোৱা যিকোনো এটা সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচী চিনাক্ত কৰি তাৰ উদ্দেশ্যসমূহ সংক্ষেপে লিখা।

১০.৬ সম্প্রদায় নিয়োজিতকৰণত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা

সম্প্রদায় নিয়োজিতকৰণৰ প্রচাৰ আৰু স্থায়িত্ব বজাই ৰখাৰ ক্ষেত্রত শিক্ষানুষ্ঠানসমূহে অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ কেৱল জ্ঞানৰ কেন্দ্র নহয়; এইসমূহ হ'ল সম্প্রদায়ৰ ভিতৰত অৱস্থিত একো একোটা সামাজিক প্রতিষ্ঠান।

শিক্ষানুষ্ঠানসমূহে তলত উল্লেখ কৰা উপায়েৰে সম্প্রদায় নিয়োজিতকৰণত অৰিহণা যোগায়—

(ক) **সম্প্রসাৰণ আৰু সম্প্রসাৰণমূলক কার্যসূচীৰ ব্যৱস্থা কৰা**

শিক্ষানুষ্ঠানসমূহে সাক্ষৰতা অভিযান, চাফাই অভিযান, ভ্রমণ কার্যসূচী, পৰিৱেশ সজাগতামূলক কার্যসূচী আদি সম্প্রসাৰণমূলক কার্যসূচী হিচাপে আয়োজন কৰে। ইয়াৰ ফলত শিক্ষার্থীয়ে শ্রেণীকক্ষত লাভ কৰা জ্ঞানক বাস্তৱ জীৱনত প্রয়োগ কৰাৰ সুযোগ পায় আৰু সামাজিক দায়বদ্ধতা বৃদ্ধি হয়।

(খ) **সজাগতামূলক কার্যসূচী আয়োজন কৰা**

স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শিক্ষা, লিংগ সমতা আৰু অন্যান্য সামাজিক বিষয়ত শিক্ষানুষ্ঠানসমূহে বিভিন্ন সজাগতামূলক কার্যসূচী অনুষ্ঠিত কৰে। এই কার্যসূচীসমূহে সম্প্রদায়ৰ সদস্যসকলক শিক্ষিত কৰাৰ লগতে

ছাত্র-ছাত্রীৰ যোগাযোগ দক্ষতা আৰু সামাজিক সংবেদনশীলতা বিকাশ কৰে।

(গ) **শিক্ষার্থীক সম্প্রদায়ভিত্তিক প্রকল্পত অন্তর্ভুক্ত কৰা**

জৰীপ, ক্ষেত্র অধ্যয়ন, সেবাভিত্তিক শিক্ষণ (service learning) আৰু অন্যান্য সম্প্রদায়ভিত্তিক প্রকল্পত শিক্ষার্থীক সংযোগ কৰাৰ ফলত তেওঁলোকৰ ব্যৱহাৰিক জ্ঞান, সমস্যা-সমাধান দক্ষতা আৰু নেতৃত্বৰ গুণ বৃদ্ধি পায়।

(ঘ) **স্থানীয় সংস্থা আৰু স্বেচ্ছাসেৱী সংগঠনৰ সৈতে সহযোগিতা কৰা**

শিক্ষানুষ্ঠানসমূহে স্থানীয় স্বায়ত্তশাসিত সংস্থা, পঞ্চায়ত, পৌৰসভা আৰু স্বেচ্ছাসেৱী সংগঠন (NGO)-ৰ সৈতে সহযোগিতাৰ মাধ্যমেৰে অধিক ফলপ্রসূভাৱে সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ ৰূপায়ণ কৰে। এনে সহযোগিতাই পৰিকল্পনা, সম্পদ বিতৰণ আৰু বহনক্ষম উন্নয়ন নিশ্চিত কৰাত সহায় কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শিক্ষানুষ্ঠানসমূহক সম্প্রদায় নিয়োজিতকৰণৰ গুৰুত্বপূর্ণ কেন্দ্র বুলি কিয় ধৰা হয়?

প্রশ্ন নং ৪ ঃ শিক্ষানুষ্ঠানসমূহে কোন কোন দুটা উপায়েৰে সম্প্রদায় নিয়োজিতকৰণত অৰিহণা যোগায়?

১০.৭ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ

ভাৰতবর্ষত সম্প্রদায়ভিত্তিক উন্নয়নৰ এক ঐতিহাসিক পৰম্পৰা আছে, আৰু সম্প্রদায় নিয়োজিতকৰণ জাতীয় পৰিকল্পনা আৰু শিক্ষামূলক ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংশ। সামাজিক, শিক্ষামূলক, স্বাস্থ্যজনিত আৰু উন্নয়নমূলক প্রত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ ভাৰত চৰকাৰে শিক্ষানুষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু স্থানীয় সংস্থাৰ সহযোগিতাত বিভিন্ন সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচী ৰূপায়ণ কৰিছে। এই কার্যসূচীসমূহৰ মূল লক্ষ্য হৈছে অংশগ্রহণমূলক উন্নয়ন, সামাজিক দায়বদ্ধতা আৰু অন্তর্ভুক্তিমূলক বিকাশক উৎসাহিত কৰা।

এই কার্যসূচীসমূহ ৰূপায়ণৰ ক্ষেত্রত শিক্ষানুষ্ঠানসমূহে ছাত্র-ছাত্রী, শিক্ষক আৰু সম্প্রদায়ৰ সদস্যসকলক সক্রিয়ভাৱে সংগঠিত কৰি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তলত ভাৰতবর্ষৰ কিছুমান মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীৰ বিষয়ে আলোচনা কৰা হ'ল—

১০.৭.১ ৰাষ্ট্রীয় সেৱা আঁচনি (National Service Scheme — NSS)

ৰাষ্ট্রীয় সেৱা আঁচনি (NSS) ভাৰতবর্ষৰ অন্যতম গুৰুত্বপূর্ণ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচী। ১৯৬৯ চনত এই আঁচনি আৰম্ভ কৰা হয়, যাৰ মূল উদ্দেশ্য আছিল স্বেচ্ছাসেৱামূলক সমাজসেৱাৰ মাধ্যমেৰে

শিক্ষার্থীৰ ব্যক্তিত্ব আৰু চৰিত্র গঢ়ি তোলা। NSS-ৰ পথনির্দেশক মূলমন্ত্র হৈছে—"Not Me, But You" অর্থাৎ "মই নহয়, তুমি"। এই মূলমন্ত্রই নিঃস্বার্থ সেৱা আৰু সামাজিক দায়বদ্ধতাৰ মনোভাৱক প্রতিফলিত কৰে।

NSS-ৰ অধীনত শিক্ষার্থীসকলে গাঁও অঞ্চলত পৰিচ্ছন্নতা অভিযান, প্রাপ্তবয়স্ক সাক্ষৰতা কার্যসূচী, স্বাস্থ্য সজাগতা অভিযান, ৰক্তদান শিবিৰ, দুর্যোগ ব্যৱস্থাপনা আৰু পৰিৱেশ সংৰক্ষণমূলক কার্যসূচীত অংশগ্রহণ কৰে। নিয়মীয়া কার্যসূচী আৰু বিশেষ শিবিৰৰ জৰিয়তে NSS স্বেচ্ছাসেৱকসকলে সম্প্রদায়ৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি সমস্যা চিনাক্ত কৰে আৰু সমাধানৰ প্রচেষ্টা গ্রহণ কৰে।

১০.৭.২ জাতীয় সাক্ষৰতা অভিযান (National Literacy Mission — NLM)

প্রাপ্তবয়স্ক, বিশেষকৈ মহিলা আৰু পিছপৰা শ্রেণীৰ মাজত নিৰক্ষৰতা দূৰীকৰণ আৰু কার্যকৰী সাক্ষৰতা বিকাশৰ উদ্দেশ্যে জাতীয় সাক্ষৰতা অভিযান আৰম্ভ কৰা হৈছিল। সাক্ষৰতাক ফলপ্রসূ সম্প্রদায় অংশগ্রহণ আৰু কার্যকৰীকৰণৰ ভিত্তি হিচাপে গণ্য কৰা হয়।

১০.৭.৩ সর্ব শিক্ষা অভিযান (Sarva Shiksha Abhiyan — SSA) ঃ

সকলো শিশুৰ বাবে প্রাথমিক শিক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে ৰূপায়িত এক গুৰুত্বপূর্ণ কার্যসূচী হ'ল সর্ব শিক্ষা অভিযান ।এই কার্যসূচীয়ে সম্প্রদায় নিয়োজিতকৰণত সহায় কৰে, কিয়নো ই বিদ্যালয়ৰ উন্নয়নত অভিভাৱক, শিক্ষক আৰু স্থানীয় সম্প্রদায়ৰ অংশগ্রহণক গুৰুত্ব দিয়ে। Village Education Committees (VECs), School Management Committees (SMCs) আৰু Parent-Teacher Associations (PTAs)-এ বিদ্যালয়ৰ পৰিকল্পনা, নিৰীক্ষণ আৰু উন্নয়নত সক্রিয় ভূমিকা পালন কৰে।

১০.৭.৪ স্বচ্ছ ভাৰত অভিযান

স্বচ্ছ ভাৰত অভিযান হৈছে পৰিচ্ছন্নতা, স্বাস্থ্যৰক্ষা, আৱর্জনা ব্যৱস্থাপনা আৰু পৰিষ্কাৰ পৰিৱেশৰ বাবে কাম কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা এক দেশজোৰা অভিযান। এই কার্যসূচীৰ মূল ভিত্তি হৈছে সম্প্রদায়ৰ সক্রিয় অংশগ্রহণ।

১০.৭.৫ জাতীয় স্বাস্থ্য অভিযান আৰু স্বাস্থ্য সচেতনতা কার্যসূচীসমূহ

জাতীয় স্বাস্থ্য অভিযান (National Health Mission — NHM)-ৰ মূল লক্ষ্য হৈছে বিশেষকৈ গ্রাম্যাঞ্চল আৰু পিছপৰা অঞ্চলসমূহত গুণগত স্বাস্থ্যসেৱাৰ উন্নত কৰা। প্রতিষেধকমূলক স্বাস্থ্যসেৱা আৰু স্বাস্থ্য সজাগতা প্রসাৰৰ ক্ষেত্রত সম্প্রদায় নিয়োজিতকৰণ অত্যন্ত প্রয়োজনীয়।

১০.৭.৬ স্কিল ইণ্ডিয়া মিছন আৰু বৃত্তিমূলক প্রশিক্ষণ কার্যসূচীসমূহ

স্কিল ইণ্ডিয়া মিছন-ৰ লক্ষ্য হৈছে যুৱসমাজক নিযুক্তি আৰু আত্মপ্রতিষ্ঠাৰ বাবে দক্ষতাভিত্তিক প্রশিক্ষণ প্রদান কৰা। দক্ষতা বিকাশৰ মাধ্যমেৰে সম্প্রদায় নিয়োজিতকৰণে অর্থনৈতিক অংশগ্রহণ বৃদ্ধি কৰে আৰু নিৰনুৱা সমস্যা হ্রাস কৰাত সহায় কৰে।

১০.৭.৭ ৰাষ্ট্রীয় গ্রাম্য জীৱিকা অভিযান (National Rural Livelihood Mission — NRLM)

ৰাষ্ট্রীয় গ্রাম্য জীৱিকা অভিযান-ৰ লক্ষ্য হৈছে বিশেষকৈ মহিলাসকলৰ মাজত আত্মপ্রতিষ্ঠা আৰু উদ্যোগিক বিকাশৰ জৰিয়তে দাৰিদ্র্যতা হ্রাস কৰা। এই কার্যসূচীত Self Help Groups (SHGs) আৰু সক্ষমতা বিকাশৰ কার্যকলাপৰ মাধ্যমেৰে সম্প্রদায় নিয়োজিতকৰণক প্রসাৰ সাধন কৰা হয়। শিক্ষানুষ্ঠানসমূহে প্রশিক্ষণ, সজাগতামূলক কার্যসূচী আৰু গৱেষণামূলক সহযোগিতা জৰিয়তে এই ক্ষেত্রত অৰিহণা যোগায়।

১০.৭.৮ পৰিৱেশ আৰু বহনক্ষম উন্নয়নমূলক কার্যসূচী

দেশত পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব প্রদান কৰা বহু কার্যসূচী দেখা পোৱা যায়। বৃক্ষৰোপণ, পানী সংৰক্ষণ, জলবায়ু সচেতনতা আদি কার্যসূচীৰ জৰিয়তে শিক্ষানুষ্ঠানসমূহে সম্প্রদায়ৰ সৈতে সক্রিয়ভাৱে নিয়োজিত হয়। Eco-club, পৰিৱেশ পৰিচ্ছন্নতা অভিযান আৰু সজাগতামূলক কার্যসূচীসমূহো ইয়াৰ অন্তর্গত।

১০.৭.৯ দুর্যোগ ব্যৱস্থাপনা কার্যসূচী

দুর্যোগৰ পৰিকল্পনা আৰু ব্যৱস্থাপনা গ্রহণৰ ক্ষেত্রত সম্প্রদায় নিয়োজিতকৰণৰ গুৰুত্ব অপৰিসীম। শিক্ষানুষ্ঠানসমূহে সজাগতামূলক অনুষ্ঠান, mock drill আৰু পৰিত্রাণমূলক কার্যসূচীৰ জৰিয়তে দুর্যোগ ব্যৱস্থাপনা কার্যসূচীসমূহত সহায় কৰে।

5 জানি থোৱা ভাল

MGNREGA-ৰ অধীনত **সামাজিক নিৰীক্ষা (Social Audit)** হৈছে সম্প্রদায়ভিত্তিক মূল্যায়নৰ এক শক্তিশালী উদাহৰণ, য'ত জনসাধাৰণে ৰাজহুৱা ব্যয় আৰু কার্যসূচীৰ ফলাফলসমূহ পর্যালোচনা কৰে।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নংপ্ত ঃ ভাৰতবর্ষৰ যিকোনো দুটা সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীৰ নাম লিখা।

প্রশ্ন নং ৬ ঃ NSS-এ কেনেদৰে সম্প্রদায় নিয়োজিতকৰণক উৎসাহিত কৰে?

১০.৮ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন

সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন বুলিলে এই কার্যসূচীসমূহৰ ফলপ্রসূতা, প্রাসংগিকতা আৰু সম্প্রদায়ৰ ওপৰত প্রভাৱৰ সুসংগঠিত মূল্য নির্ধাৰণক বুজায়। ইয়াৰ মাধ্যমেৰে বুজা যায় যে কার্যসূচীৰ উদ্দেশ্যসমূহ কিমানদূৰ সফলতাৰে সাধিত হৈছে আৰু কার্যকলাপসমূহে সম্প্রদায়ত ইতিবাচক আৰু স্থায়ী পৰিৱর্তন আনিব পাৰিছে নে নাই।

মূল্যায়নে সম্পদৰ সদ্ব্যৱহাৰৰ ক্ষেত্রত **দায়বদ্ধতা** নিশ্চিত কৰে আৰু ভৰিষ্যতৰ কার্যসূচী উন্নত কৰাৰ বাবে **প্রতিপুষ্টি (feedback)** প্রদান কৰে। লগতে ই অনুষ্ঠানসমূহক কার্যসূচীৰ পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্রত সবল আৰু দুর্বল দিশসমূহ চিনাক্ত কৰাত সহায় কৰে।

সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ সাধাৰণতে তলৰ মানদণ্ডৰ ওপৰত ভিত্তি কৰি মূল্যায়ন কৰা হয়—

- সম্প্রদায়ৰ প্রয়োজনীয়তাৰ সৈতে প্রাসংগিকতা
- উদ্দেশ্য সাধনৰ ক্ষেত্রত ফলপ্রসূতা
- সম্পদ ব্যৱহাৰৰ দক্ষতা

- সম্প্রদায়ৰ অংশগ্রহণ
- অন্তর্ভুক্তিকৰণ
- ফলাফলৰ স্থায়িত্ব

মূল্যায়নৰ বাবে ব্যৱহৃত সাধাৰণ পদ্ধতিসমূহৰ ভিতৰত আছে—

- পর্যবেক্ষণ
- সমীক্ষা
- সাক্ষাৎকাৰ
- দলভিত্তিক আলোচনা (Focus Group Discussion)
- নথি-পত্র আৰু প্রতিবেদন বিশ্লেষণ

মূল্যায়ন যিকোনো কার্য চলি থকা সময়তো কৰা হ'ব পাৰে, যাতে অগ্রগতি নিৰীক্ষণ কৰিব পৰা যায়; অথবা কার্যসূচী সম্পূর্ণ হোৱাৰ পাছতো সম্পাদন কৰা হ'ব পাৰে, যাতে সামগ্রিক প্রভাৱ নিৰূপণ কৰিব পৰা যায়। সেয়ে, গুণগত মানদণ্ড আৰু ধাৰাবাহিক উন্নয়ন নিশ্চিত কৰাৰ ক্ষেত্রত মূল্যায়নে অত্যন্ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

১০.৯ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন

ভাৰতবর্ষৰ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহে সামাজিক সচেতনতা, অংশগ্রহণ আৰু উন্নয়ন বৃদ্ধিত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

জাতীয় সেৱা আঁচনি (NSS)- এ শিক্ষার্থীৰ মাজত সামাজিক দায়বদ্ধতা, নেতৃত্বৰ গুণ আৰু নাগৰিকৰ সচেতনতা বিকাশ কৰাত যথেষ্ট সফলতা লাভ কৰিছে। সম্প্রদায়সমূহেও সজাগতামূলক কার্যসূচী আৰু স্বেচ্ছাসেৱামূলক সেৱাৰ পৰা উপকৃত হৈছে।

স্বচ্ছ ভাৰত অভিযান- এ পৰিৱেশ-পৰিচ্ছন্নতা উন্নত কৰা আৰু জনসাধাৰণৰ মাজত স্বাস্থ্যৰক্ষা সম্পর্কীয় সচেতনতা বৃদ্ধি কৰাত উল্লেখযোগ্য সফলতা লাভ কৰিছে।

জাতীয় সাক্ষৰতা অভিযান- এ বিশেষকৈ মহিলাসকলৰ মাজত নিৰক্ষৰতা হ্রাস আৰু কার্যকৰী সাক্ষৰতা বৃদ্ধিত সহায় কৰিছে। তথাপিও বহু ক্ষেত্রত শিক্ষার্থীৰ স্থায়ী অংশগ্রহণ আৰু সহযোগিতা দকম হোৱা দেখা যায়।

সর্ব শিক্ষা অভিযান- এ বিদ্যালয়ত নামভর্তিৰ হাৰ আৰু শিক্ষাক্ষেত্রত সম্প্রদায়ৰ অংশগ্রহণ বৃদ্ধি কৰিছে। কিন্তু শিক্ষাৰ গুণগত মান আৰু সুবিধাৰ বৈষম্য এতিয়াও এক গুৰুত্বপূর্ণ সমস্যা হিচাপে বিদ্যমান।

জাতীয় স্বাস্থ্য অভিযান- এ স্বাস্থ্যসেৱাৰ উন্নতি আৰু স্বাস্থ্য সচেতনতা বৃদ্ধি কৰিছে; তথাপিও সেৱা প্রদানৰ অসমতা আৰু উপযুক্ত সুবিধাৰ অভাৱে ইয়াৰ ফলাফলৰ ওপৰত প্রভাৱ পেলায়।

সামগ্রিকভাৱে ক'ব পাৰি যে ভাৰতবর্ষৰ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ সচেতনতা সৃষ্টি আৰু অংশগ্রহণ বৃদ্ধিৰ ক্ষেত্রত সফল, কিন্তু দীর্ঘম্যাদী প্রভাৱ নিশ্চিত কৰিবলৈ নিৰীক্ষণ, সম্প্রদায়ৰ অংশগ্রহণ আৰু দায়িত্ববোধৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাটো সময়োপযোগী।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ NSS-ৰ এটা ইতিবাচক ফলাফল উল্লেখ কৰা।

প্রশ্ন নং ৮ ঃ স্বচ্ছ ভাৰত অভিযানৰ মূল্যায়নত পৰিলক্ষিত হোৱা এটা মুখ্য প্রত্যাহ্বান কি?

(সংক্ষেপে উত্তৰ লিখা)

t চিন্তা চর্চা কৰক ১০.২

আপোনাৰ অঞ্চলত ৰূপায়িত হোৱা যিকোনো এটা সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচী (যেনে— NSS কার্যকলাপ, পৰিচ্ছন্নতা অভিযান, স্বাস্থ্য শিবিৰ বা সাক্ষৰতা কার্যসূচী) চিনাক্ত কৰি ইয়াৰ কার্যসূচী আলোচনা কৰক।

১০.১০ ভাৰতবর্ষত সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নত সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ

মূল্যায়নৰ গুৰুত্ব বৃদ্ধি পোৱাৰ পাছতো ভাৰতবর্ষত সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ ফলপ্রসূ মূল্যায়নৰ ক্ষেত্রত কিছুমান প্রত্যাহ্বান দেখা পোৱা যায়।

১. **মনোভাৱ, মূল্যবোধ আৰু আচৰণগত পৰিৱর্তন পৰিমাপ কৰাৰ জটিলতা**

বহু সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীৰ উদ্দেশ্য হৈছে মনোভাৱ, মূল্যবোধ আৰু আচৰণত পৰিৱর্তন আনিব পৰা। কিন্তু এইধৰণৰ পৰিৱর্তন ধীৰ গতিৰে আগবাঢ়ে আৰু সংখ্যাগত মাপকাঠীৰ জৰিয়তে ইয়াৰ সহজে পৰিমাপ কৰিব নোৱাৰি। ফলত মূল্যায়ন জটিল হৈ উঠে।

২. **উপযুক্ত তথ্য সংগ্রহ আৰু নথি-পত্র সংৰক্ষণৰ অভাৱ**

সঠিক মূল্যায়নৰ বাবে সুসংগঠিত তথ্য সংগ্রহ আৰু নথি-পত্র সংৰক্ষণ অত্যন্ত প্রয়োজনীয়। কিন্তু বহু কার্যসূচীত অপর্যাপ্ত নথিপত্র, অসম্পূর্ণ ৰেকর্ড আৰু অনিয়মিত প্রতিবেদন প্রস্তুতকৰণ দেখা যায়, যাৰ ফলত মূল্যায়নৰ বিশ্বাসযোগ্যতা ক্ষুণ্ণ হয়।

৩. **প্রশিক্ষিত মূল্যায়কৰ অভাৱ**

মূল্যায়ন সম্পন্ন কৰিবলৈ প্রযুক্তিগত জ্ঞান আৰু বিশেষ দক্ষতাৰ প্রয়োজন হয়। কিন্তু স্থানীয় স্তৰত প্রশিক্ষিত মূল্যায়কৰ অভাৱৰ বাবে বহু ক্ষেত্রত মূল্যায়ন কেৱল আনুষ্ঠানিক পর্যায়তে সীমাবদ্ধ থাকে আৰু গভীৰ বিশে-ষণ সম্ভৱ নহয়।

৪. **আঞ্চলিক বৈচিত্র্যৰ বাবে একক মানদণ্ড প্রয়োগৰ অসুবিধা**

ভাৰতবর্ষৰ সামাজিক, সাংস্কৃতিক আৰু অর্থনৈতিক বৈচিত্র্য ইমানেই বিস্তৃত যে সকলো অঞ্চলৰ বাবে একে

মূল্যায়ন পদ্ধতি আৰু মানদণ্ড প্রয়োগ কৰা সহজ নহয়। এটা অঞ্চলৰ বাবে উপযোগী সূচক অন্য অঞ্চলৰ বাবে অপ্রাসংগিক হ'ব পাৰে। ফলত তুলনামূলক মূল্যায়ন কঠিন হয়।

৫. **সম্প্রদায়ৰ সীমিত অংশগ্রহণ**

বহু ক্ষেত্রত সম্প্রদায়ৰ সদস্যসকলক মূল্যায়নৰ সক্রিয় অংশীদাৰ হিচাপে গণ্য নকৰি কেৱল উপভোক্তা হিচাপে ধৰা হয়। সচেতনতা, অনুপ্রেৰণা আৰু অংশগ্রহণমূলক ব্যৱস্থাৰ অভাৱৰ ফলত মূল্যায়নত সম্প্রদায়ৰ সক্রিয় অংশগ্রহণ সীমিত হয়, যিয়ে স্বচ্ছতা আৰু উপযুক্ততাৰ ওপৰত প্রভাৱ পেলায়।

5 জানি থোৱা ভাল

অংশগ্রহণমূলক মূল্যায়ন (Participatory Evaluation) হৈছে এনে এক পদ্ধতি, য'ত সম্প্রদায়ৰ সদস্যসকলে কোনো কার্যসূচীৰ পৰিকল্পনা, ৰূপায়ণ আৰু ফলাফল মূল্যায়নৰ ক্ষেত্রত সক্রিয়ভাৱে অংশগ্রহণ কৰে। ইয়াৰ ফলত স্বচ্ছতা আৰু সম্প্রদায়ৰ দায়িত্ববোধ বৃদ্ধি পায়।

2 ১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সম্প্রদায় নিয়োজিতকৰণ হৈছে শিক্ষাৰ এক গুৰুত্বপূর্ণ দিশ, যিয়ে শিক্ষণক বাস্তৱ সামাজিক পৰিস্থিতি আৰু সম্প্রদায়ৰ প্রয়োজনীয়তাৰ সৈতে সংযুক্ত কৰে।
- ই শিক্ষানুষ্ঠান আৰু সম্প্রদায়ৰ মাজত অংশগ্রহণ, সহযোগিতা আৰু পাৰস্পৰিক সম্পর্কৰ ভিত্তিত অর্থবহ সংযোগ সাধন কৰে।
- সম্প্রদায় নিয়োজিতকৰণ হ্রস্বকালীন সেৱামূলক কার্যকলাপত সীমাবদ্ধ নহয়; ই দীর্ঘম্যাদী অংশীদাৰিত্ব আৰু উমৈহতীয়া দায়িত্বৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে।
- এনে নিয়োজিতকৰণে শিক্ষার্থীক সামাজিক সমস্যা, সম্প্রদায়ৰ বৈচিত্র্য আৰু উন্নয়নমূলক প্রত্যাহ্বানসমূহ বুজিবলৈ সহায় কৰে।
- তাত্ত্বিক জ্ঞানক ব্যৱহাৰিক অভিজ্ঞতাৰ সৈতে সংযুক্ত কৰি সম্প্রদায় নিয়োজিতকৰণে অভিজ্ঞতাভিত্তিক শিক্ষণক উৎসাহিত কৰে।
- শিক্ষানুষ্ঠানসমূহে সম্প্রসাৰণ, সম্প্রসাৰণমূলক আৰু সেৱাভিত্তিক শিক্ষণৰ জৰিয়তে সম্প্রদায় নিয়োজিতকৰণৰ পৰিকল্পনা আৰু ৰূপায়ণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- দূ�ৰশিক্ষাৰ শিক্ষার্থীসকলৰ বাবে সম্প্রদায় নিয়োজিতকৰণ বিশেষভাৱে উপকাৰী, কিয়নো ই শিক্ষণক তেওঁলোকৰ সামাজিক আৰু বৃত্তিগত দিশৰ সৈতে সংযুক্ত কৰে।
- সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ বিভিন্ন প্রকাৰ আছে—যেনে শিক্ষামূলক, স্বাস্থ্য, পৰিৱেশ,

অর্থনৈতিক আৰু সামাজিক সচেতনতা কার্যসূচী।

- ভাৰতবর্ষত NSS, ৰাষ্ট্রীয় সাক্ষৰতা অভিযান, সর্ব শিক্ষা অভিযান, স্বচ্ছ ভাৰত অভিযান আৰু ৰাষ্ট্রীয় স্বাস্থ্য অভিযান আদিয়ে সম্প্রদায়ৰ অংশগ্রহণৰ গুৰুত্ব প্রতিফলিত কৰে।
- ফলপ্রসূ সম্প্রদায় নিয়োজিতকৰণৰ বাবে উপযুক্ত পৰিকল্পনা, প্রয়োজনীয়তা নির্ধাৰণ, সম্পদ সংগ্রহ আৰু বিভিন্ন অংশীদাৰৰ সৈতে সমন্বয় অত্যন্ত প্রয়োজনীয়।
- সকলো স্তৰত সম্প্রদায়ৰ সদস্যসকলৰ সক্রিয় অংশগ্রহণে কার্যসূচীৰ প্রাসংগিকতা, গ্রহণযোগ্যতা আৰু স্থায়িত্ব নিশ্চিত কৰে।
- সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন হৈছে ফলপ্রসূতা, প্রভাৱ আৰু দক্ষতা নিৰূপণৰ এক সুসংগঠিত প্রক্রিয়া।
- মূল্যায়নে দায়বদ্ধতা, স্বচ্ছতা আৰু ধাৰাবাহিক উন্নয়ন নিশ্চিত কৰে।
- পর্যবেক্ষণ, সমীক্ষা, সাক্ষাৎকাৰ, গোটভিত্তিক আলোচনা আৰু সামাজিক নিৰীক্ষা আদি মূল্যায়নৰ সাধাৰণ পদ্ধতি।
- সীমিত সম্পদ, সচেতনতাৰ অভাৱ আৰু মূল্যায়নৰ জটিলতা আদি প্রত্যাহ্বান থাকিলেও সম্প্রদায় নিয়োজিতকৰণ সামাজিক উন্নয়ন আৰু গণতান্ত্রিক মূল্যবোধৰ বিকাশৰ বাবে অত্যন্ত গুৰুত্বপূর্ণ।

১০.১২ অধিক জানিবলৈ

1. Bhattacharya, S. (2018). *Community Development and Social Participation*. New Delhi: Orient BlackSwan.
2. Dash, B. N. (2017). *Sociological Foundations of Education*. New Delhi: Kalyani Publishers.
3. National Education Policy (2020). Government of India.
4. Tandon, R. (2014). *Participatory Research and Community Engagement*. New Delhi: PRIA.
5. Ministry of Education, Government of India – Reports on NSS and Community Programmes.

.

K ১০.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায় নিয়োজিতকৰণ বুলিলে শিক্ষানুষ্ঠান, শিক্ষার্থী আৰু সম্প্রদায়ৰ সদস্যসকলৰ সক্রিয় আৰু অর্থবহ অংশগ্রহণক বুজায়, যাৰ মাধ্যমেৰে সহযোগিতা, যৌথ দায়িত্ব আৰু সমষ্টিগত কর্মৰ জৰিয়তে সম্প্রদায়ৰ প্রয়োজনীয়তা পূৰণৰ চেষ্টা কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ এটা গুৰুত্ব হৈছে—ই শিক্ষার্থীক তাত্ত্বিক জ্ঞানক বাস্তৰ সামাজিক পৰিস্থিতিৰ সৈতে সংযুক্ত কৰাত সহায় কৰে আৰু সামাজিক দায়বদ্ধতা বিকাশ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষানুষ্ঠানসমূহক সম্প্রদায় নিয়োজিতকৰণৰ গুৰুত্বপূর্ণ কেন্দ্র বুলি ধৰা হয়, কিয়নো জ্ঞানৰ কেন্দ্র হিচাপে শিক্ষাই সম্প্রদায়ৰ প্রয়োজনীয়তাৰ সৈতে শিক্ষাক সংযুক্ত কৰে আৰু বিভিন্ন সুসংগঠিত কার্যসূচীৰ মাধ্যমেৰে সামাজিক দায়বদ্ধতা বিকাশ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষানুষ্ঠানসমূহে (ক) সম্প্রসাৰমূলক কার্যসূচী অনুষ্ঠিত কৰি আৰু (খ) স্বাস্থ্য, শিক্ষা আৰু সামাজিক বিষয়ত সজাগতামূলক কার্যসূচী আয়োজন কৰি সম্প্রদায় নিয়োজিতকৰণত অৰিহণা যোগায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতবর্ষৰ দুটা সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচী হৈছে—(ক) ৰাষ্ট্রীয় সেৱা আঁচনি (NSS) আৰু (খ) ৰাষ্ট্রীয় সাক্ষৰতা অভিযান।

৬ নং প্রশ্নৰ উত্তৰ ঃ NSS-এ সাক্ষৰতা অভিযান, স্বাস্থ্য সচেতনতা কার্যসূচী, পৰিচ্ছন্নতা অভিযান, আৰু পৰিৱেশ সংৰক্ষণমূলক কার্যসূচীৰ দৰে স্বেচ্ছাসেৱামূলক কার্যসূচীত শিক্ষার্থীক অন্তর্ভুক্ত কৰি সম্প্রদায় নিয়োজিতকৰণক উৎসাহিত কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ NSS-ৰ এটা ইতিবাচক ফলাফল হৈছে—ই শিক্ষার্থীৰ মাজত সামাজিক দায়বদ্ধতা, নেতৃত্বৰ গুণ আৰু সচেতনতাৰ বিকাশ সাধন কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ স্বচ্ছ ভাৰত অভিযানৰ মূল্যায়নত পৰিলক্ষিত হোৱা এটা মুখ্য প্রত্যাহ্বান হৈছে—সম্প্রদায়ৰ সদস্যসকলৰ মাজত পৰিচ্ছন্নতা সম্পর্কীয় আচৰণগত পৰিৱর্তনৰ মানদণ্ড নিশ্চিত কৰা।

M ১০.১৪ আৰ্হি প্রশ্ন

(ক) অতি চুটি প্রশ্ন (50টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় নিয়োজিতকৰণ বুলিলে কি বুজায়?

প্রশ্ন নং ২ ঃ সম্প্রদায় নিয়োজিতকৰণৰ যিকোনো দুটা নীতি উল্লেখ কৰা।

প্রশ্ন নং ৩ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ এটা গুৰুত্ব উল্লেখ কৰা।

প্রশ্ন নং ৪ ঃ সম্প্রদায় নিয়োজিতকৰণৰ পৰিপ্রেক্ষিতত অভিজ্ঞতাভিত্তিক শিক্ষণ বুলিলে কি বুজায়?

প্রশ্ন নং ৫ ঃ সামাজিক নিৰীক্ষা (Social Audit) কি?

প্রশ্ন নং ৬ ঃ সম্প্রদায় নিয়োজিতকৰণত শিক্ষানুষ্ঠানসমূহৰ এটা ভূমিকা উল্লেখ কৰা।

প্রশ্ন নং ৭ ঃ ভাৰতবর্ষৰ যিকোনো দুটা সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীৰ নাম লিখা।

প্রশ্ন নং ৮ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন বুলিলে কি বুজায়?

খ) চুটি প্রশ্ন (150টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ প্রয়োজনীয়তা আৰু গুৰুত্ব ব্যাখ্যা কৰা।

প্রশ্ন নং ২ ঃ উদাহৰণসহ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ যিকোনো দুটা প্রকাৰ বর্ণনা কৰা।

প্রশ্ন নং ৩ ঃ সম্প্রদায় নিয়োজিতকৰণ বৃদ্ধিত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন নং ৪ ঃ জাতীয় সেৱা আঁচনি (NSS)-ৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰা।

প্রশ্ন নং ৫ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহত মূল্যায়ন কিয় গুৰুত্বপূর্ণ?

প্রশ্ন নং ৬ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নত ব্যৱহৃত মুখ্য পদ্ধতিসমূহ বর্ণনা কৰা।

প্রশ্ন নং ৭ ঃ ভাৰতবর্ষত সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নত সন্মুখীন হোৱা যিকোনো তিনিটা প্রত্যাহ্বান ব্যাখ্যা কৰা।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ শিক্ষাক্ষেত্রত সম্প্রদায় নিয়োজিতকৰণৰ ধাৰণা আৰু তাৎপর্য আলোচনা কৰা।

প্রশ্ন নং ২ ঃ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহ ব্যাখ্যা কৰা।

প্রশ্ন নং ৩ ঃ উপযুক্ত উদাহৰণসহ সম্প্রদায় নিয়োজিতকৰণত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা বিশ্লেষণ কৰা।

প্রশ্ন নং ৪ ঃ সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নৰ ধাৰণা, মানদণ্ড আৰু পদ্ধতি আলোচনা কৰা।

প্রশ্ন নং ৫ ঃ ভাৰতবর্ষৰ মুখ্য সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়ন কৰা।

প্রশ্ন নং ৬ ঃ ভাৰতবর্ষত সম্প্রদায় নিয়োজিতকৰণমূলক কার্যসূচীসমূহৰ মূল্যায়নত সন্মুখীন হোৱা প্রত্যাহ্বানসমূহ বিশ্লেষণ কৰি সেয়া সমাধান কৰাৰ উপায়সমূহ উল্লেখ কৰা।

*****

অধ্যায় ১১ ঃ সম্প্রদায় জড়িত গৱেষণা আৰু উদ্ভাৱন

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

11.2Â পৰিচয়

11.3 সম্প্রদায় জড়িত গৱেষণাৰ ধাৰণা আৰু অর্থ

11.4 সম্প্রদায় জড়িত গৱেষণাৰ প্রকাৰ আৰু আর্হি

11.5 উদ্ভাৱনত সম্প্রদায় জড়িত গৱেষণাৰ ভূমিকা

11.6 সম্প্রদায় জড়িত গৱেষণাৰ সুবিধা আৰু প্রত্যাহ্বান

11.7 সম্প্রদায় জড়িত গৱেষণা আৰু উদ্ভাৱনৰ ভৱিষ্যৎ দিশ

11.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.9 অধিক জানিবলৈ

11.10 অগ্রগতি পৰীক্ষা

11.11 আর্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপুনি

- সম্প্রদায় জড়িত গৱেষণাৰ ধাৰণা আৰু অর্থ ব্যাখ্যা কৰিব পাৰিব।
- সম্প্রদায় জড়িত গৱেষণাৰ বিভিন্ন প্রকাৰ আৰু আর্হিসমূহ চিনাক্ত কৰিব পাৰিব।

১১.২ পৰিচয়

সম্প্রদায় জড়িত গৱেষণা (Community Engaged Research - CER) হ'ল জ্ঞান সৃষ্টিৰ এক সহযোগিতামূলক দৃষ্টিভংগী, য'ত সম্প্রদায়ৰ সদস্য, সংগঠন আৰু অংশীদাৰসকলক গৱেষণা প্রক্রিয়াটোত সক্রিয়ভাৱে অন্তর্ভুক্ত কৰা হয়। ই পৰম্পৰাগত গৱেষক-চালিত আর্হিসমূহৰ গণ্ডী অতিক্রম কৰি সম্প্রদায়ক কেৱল এক নিষ্ক্রিয় বিষয় (Passive subjects) হিচাপে গণ্য কৰাৰ পৰিৱর্তে সম-অংশীদাৰ হিচাপে স্বীকৃতি প্রদান কৰে। সম্প্রদায় জড়িত গৱেষণাৰ উদ্ভাৱনসমূহ এই সহযোগিতাৰ পৰাই উদ্ভৱ হয়, যাৰ মূল লক্ষ্য হল বাস্তৱ জীৱনৰ সামাজিক সমস্যাসমূহ সমাধান কৰা, সামাজিক ন্যায়ৰ প্রসাৰ ঘটোৱা আৰু স্থানীয়ভাৱে প্রাসংগিক তথা সামাজিকভাৱে অর্থপূর্ণ বহনক্ষম সমাধান সূত্র সৃষ্টি কৰা।

১১.৩ সম্প্রদায় জড়িত গৱেষণাৰ ধাৰণা আৰু অর্থ

সামাজিক সমস্যাৰাজিক লৈ কৰা অধ্যয়ন বা সম্প্রদায় ভিত্তিক গৱেষণা এখন সমাজ ব্যৱস্থাৰ সংহতি আৰু গতিশীলতা পর্যবেক্ষণৰ বাবে অত্যন্ত প্রাসংগিক। সমাজৰ সুবিধাবঞ্চিত, আর্থ-সামাজিকভাৱে অবহেলিত, প্রান্তীয় আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীৰ লোকসকলৰ উৎকর্ষ সাধনৰ বাবে গৱেষণা কৰাটো সমতা নিশ্চিতকৰণ আৰু এক মর্যাদাপূর্ণ জীৱনধাৰণৰ মানদণ্ড প্রসাৰৰ ক্ষেত্রত অপৰিহার্য। গতিকে, গৱেষণাৰ জৰিয়তে জ্ঞানৰ নৱীকৰণে বাস্তৱ জীৱনৰ বিভিন্ন সমস্যা আৰু ইয়াৰ মাত্রাসমূহ অন্বেষণ কৰাত বিশেষভাৱে সহায় কৰিব, যাতে সমতা আৰু ন্যায়ক ব্যৱহাৰিক ক্ষেত্রৰ এক অবিচ্ছেদ্য অংশ কৰি তুলিব পৰা যায়। গ্রাম্য তথা পিছপৰা অঞ্চলৰ জনসাধাৰণৰ শিক্ষা, স্বাস্থ্য, সংস্থাপন, দক্ষতা আৰু প্রশিক্ষণৰ বর্তমান স্থিতিৰ ওপৰত চলোৱা গৱেষণাৰ ফলাফলসমূহে সামগ্রিকভাৱে নীতি-নির্ধাৰণ প্রক্রিয়াত গুৰুত্বপূর্ণ অৱদান যোগাব পাৰে।

"সম্প্রদায় জড়িত গৱেষণাই (Community Engaged Research) সম্প্রদায়ৰ সৈতে, সম্প্রদায়ৰ দ্বাৰা আৰু সম্প্রদায়ৰ বাবে পৰিচালিত গৱেষণা কার্যকলাপক বুজায়। ই শৈক্ষিক দক্ষতাৰ সৈতে সম্প্রদায়ৰ জ্ঞান, বাস্তৱ অভিজ্ঞতা আৰু স্থানীয় অগ্রাধিকাৰসমূহৰ সমন্বয় ঘটায়। ইয়াৰ মূল ধাৰণাটো হ'ল জ্ঞানৰ সহ-উৎপাদন (Co-production of knowledge), য'ত গৱেষক আৰু সম্প্রদায়ৰ সদস্য উভয় পক্ষই গৱেষণাৰ প্রশ্ন প্রস্তুতকৰণ, পদ্ধতি নিৰূপণ, তথ্যৰ ব্যাখ্যা আৰু ফলাফলৰ প্রয়োগৰ ক্ষেত্রত সক্রিয় অৱদান আগবঢ়ায়।

এই দৃষ্টিভংগীয়ে থলুৱা জ্ঞানতন্ত্র (Indigenous knowledge systems), অভিজ্ঞতালব্ধ শিক্ষণ (Experiential learning) আৰু অংশগ্রহণমূলক চর্চাক (Participatory practices) বিশেষ গুৰুত্ব প্রদান কৰে। সম্প্রদায় জড়িত গৱেষণা (CER) সাধাৰণতে শিক্ষা, জনস্বাস্থ্য, গ্রাম্য উন্নয়ন, সমাজসেৱা, পৰিৱেশ অধ্যয়ন আৰু লিঙ্গ অধ্যয়ন (Gender studies) ইত্যাদিৰ দৰে ক্ষেত্রসমূহত প্রয়োগ কৰা হয়।"

সম্প্রদায় জড়িত গৱেষণাৰ মূল বৈশিষ্ট্যসমূহ হ'ল —

- **সহযোগিতা আৰু অংশীদাৰিত্ব ঃ** গৱেষক আৰু সম্প্রদায়ৰ সদস্যসকলে সম-অংশীদাৰ হিচাপে একেলগে কাম কৰে।
- **পাৰস্পৰিক লাভালাভ ঃ** গৱেষণাৰ ফলাফলসমূহ এনেদৰে যুগুত কৰা হয় যাতে ই শৈক্ষিক মহল আৰু স্থানীয় জনসাধাৰণ-উভয়ৰে হিতসাধন কৰে।
- **অংশগ্রহণমূলক দৃষ্টিভংগী ঃ** সম্প্রদায়ৰ সদস্যসকলে গৱেষণাৰ প্রতিটো পর্যায়তে সক্রিয়ভাৱে অংশগ্রহণ কৰে।
- **প্রেক্ষাপট-নির্ভৰ জ্ঞান ঃ** ইয়াত স্থানীয় প্রেক্ষাপট আৰু বাস্তৱ পৰিস্থিতি বুজি পোৱাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।
- **কার্য-মুখী ফলাফল ঃ** সম্প্রদায় জড়িত গৱেষণাৰ (CER) লক্ষ্য প্রায়েই সামাজিক পৰিৱর্তন, নীতিৰ উন্নতিকৰণ বা সম্প্রদায়ৰ সর্বাংগীণ বিকাশ সাধন কৰা হয়।

W অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১: সম্প্রদায় জড়িত গৱেষণা বুলিলে কি বুজা যায়?

প্রশ্ন ২: সম্প্রদায় জড়িত গৱেষণাৰ ধাৰণাটো ব্যাখ্যা কৰা।

প্রশ্ন ৩:সম্প্রদায় জড়িত গৱেষণা পৰম্পৰাগত গৱেষণাৰ পৰা কেনেদৰে পৃথক?

১১.৪ সম্প্রদায় জড়িত গৱেষণাৰ প্রকাৰ আৰু আৰ্হি

সম্প্রদায় জড়িত গৱেষণা (Community-Engaged Research CER) হল এক বিশেষ দৃষ্টিভংগী, য'ত বাস্তৱ জীৱনৰ সামাজিক সমস্যাসমূহ সমাধানৰ অর্থে গৱেষণা প্রক্রিয়াটোত সম্প্রদায়ৰ সদস্যসকলক সক্রিয়ভাৱে অন্তর্ভুক্ত কৰা হয়। ই সহযোগিতা, পাৱস্পৰিক শিক্ষণ আৰু সামাজিকভাৱে প্রাসংগিক ফলাফল প্রাপ্তিক উৎসাহিত কৰে। সম্প্রদায় জড়িত গৱেষণাৰ বিভিন্ন ৰূপ থাকিব পাৰে আৰু ইয়াৰ প্রতিটোৰে উদ্দেশ্য তথা পদ্ধতিসমূহ স্বতন্ত্র।

- **অংশগ্রহণমূলক কার্যমূখী গৱেষণা**

অংশগ্রহণমূলক কার্যমুখী গৱেষণা (Participatory Action Research PAR) হ'ল এক সহযোগিতামূলক গৱেষণা দৃষ্টিভংগী, যিয়ে সামুহিক অন্বেষণ, প্রতিফলন আৰু কার্যব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই আর্হিত সম্প্রদায়ৰ সদস্যসকল কেৱল গৱেষণাৰ নিষ্ক্রিয় বিষয় নহয়, বৰঞ্চ তেওঁলোক হ'ল এনে সক্রিয় অংশীদাৰ যিয়ে সমস্যা চিনাক্তকৰণ, গৱেষণাৰ আহিলা প্রস্তুতকৰণ, তথ্য সংগ্রহ তথা বিশ্লেষণ আৰু সমাধানৰ ৰূপায়ণত সহযোগিতা আগবঢ়ায়। অংশগ্রহণমূলক কার্যমুখী গৱেষণা (PAR) পৰিকল্পনা, কার্যব্যৱস্থা, পর্যবেক্ষণ আৰু প্রতিফলনৰ এক চক্রীয় প্রক্রিয়াৰ (Cyclical process) মাজেৰে পৰিচালিত হয়। এই গৱেষণাৰ মূল লক্ষ্য হ'ল সবলীকৰণ (Empowerment), যাৰ জৰিয়তে সম্প্রদায়সমূহে জ্ঞান উৎপাদনৰ প্রক্রিয়াৰ ওপৰত নিয়ন্ত্রণ সাব্যস্ত কৰিব পাৰে আৰু গৱেষণাৰ ফলাফলসমূহ সামাজিক পৰিৱর্তন আনিবলৈ ব্যৱহাৰ কৰিব পাৰে। ইয়াক সাধাৰণতে সম্প্রদায়ৰ উন্নয়ন, শিক্ষা, জনস্বাস্থ্য আৰু সামাজিক ন্যায়ৰ দৰে ক্ষেত্রসমূহত বহুলভাৱে প্রয়োগ কৰা হয়।

- **সম্প্রদায়ভিত্তিক গৱেষণা**

সম্প্রদায় ভিত্তিক গৱেষণা (Community-Based Research CBR) বিশেষকৈ সম্প্রদায়টোৰে নিজে প্রত্যক্ষভাৱে চিনাক্ত কৰা সমস্যাসমূহৰ সমাধানৰ ওপৰত কেন্দ্রীভূত হয়। এই দৃষ্টিভংগীয়ে স্থানীয় প্রয়োজন, মূল্যবোধ আৰু জ্ঞানতন্ত্রক অগ্রাধিকাৰ প্রদান কৰে। গৱেষকসকলে সম্প্রদায়ৰ নেতৃত্ব আৰু সিদ্ধান্ত গ্রহণৰ কর্তৃত্বক সম্মান জনাই বিভিন্ন সামাজিক সংগঠন, নেতা আৰু সদস্যসকলৰ সৈতে সহযোগিতা কৰে আৰু তেওঁলোকক

কাৰিকৰী তথা পদ্ধতিগত পাৰদর্শিতা আগবঢ়ায়। CBR-ৰ লক্ষ্য হ'ল ব্যৱহাৰিক আৰু উপযোগী জ্ঞান সৃষ্টি কৰা, যিয়ে সম্প্রদায়ৰ পৰিকল্পনা, নীতি প্রণয়ন আৰু উন্নয়নমূলক পদক্ষেপসমূহত সহায় কৰিব পাৰে। ই শৈক্ষিক প্রতিষ্ঠান আৰু সম্প্রদায়ৰ মাজত বিশ্বাসৰ সম্পর্ক সুদৃঢ় কৰে আৰু গৱেষণাৰ ফলাফলসমূহ সামাজিকভাৱে প্রাসংগিক তথা হিতকাৰী হোৱাটো নিশ্চিত কৰে।

- **সেৱা শিক্ষণ গৱেষণা**

সেৱা-শিক্ষণ গৱেষণাই (Service-Learning Research) শৈক্ষিক শিক্ষণক অর্থপূর্ণ সম্প্রদায় সেৱাৰ সৈতে সমন্বিত কৰে। এই আর্হিটোত শিক্ষার্থী আৰু শিক্ষকসকলে দৰিদ্রতা, স্বাস্থ্য সজাগতা, পৰিৱেশীয় বহনক্ষমতা বা শিক্ষাৰ দৰে সামাজিক সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ বিভিন্ন সামাজিক সংগঠনসমূহৰ সৈতে অংশীদাৰিত্বৰে কাম কৰে। গৱেষণা কার্যকলাপসমূহ সেৱা-শিক্ষণ প্রকল্পসমূহৰ সৈতে সংলগ্ন হৈ থাকে, যিয়ে শিক্ষার্থীসকলক তেওঁলোকৰ তাত্ত্বিক জ্ঞানক বাস্তৱ জগতৰ প্রেক্ষাপটত প্রয়োগ কৰাৰ সুযোগ প্রদান কৰে। একে সময়তে, সম্প্রদায়সমূহে গৱেষণা-ভিত্তিক সমাধান আৰু সেৱাৰ জৰিয়তে সুফল লাভ কৰে। এই দৃষ্টিভংগীয়ে সম্প্রদায়ৰ উন্নয়নত অৰিহণা যোগোৱাৰ লগতে অভিজ্ঞতালব্ধ শিক্ষণ (Experiential learning), নাগৰিক দায়িত্ববোধ আৰু নৈতিক অংশগ্রহণক উৎসাহিত কৰে।

- **জ্ঞানৰ সহ-উৎপাদন**

জ্ঞানৰ সহ-উৎপাদন (Co-Production of Knowledge) আর্হিয়ে জ্ঞান সৃষ্টিৰ প্রক্রিয়াত শৈক্ষিক গৱেষক আৰু সম্প্রদায়ৰ সদস্যসকলৰ মাজত সম-অংশীদাৰিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই স্বীকাৰ কৰে যে বৈজ্ঞানিক পাৰদর্শিতা (Scientific expertise) আৰু বাস্তৱ অভিজ্ঞতা (Lived experiences)- এই উভয় ধাৰণাই সমানেই মূল্যবান আৰু পৰস্পৰৰ পৰিপূৰক। এই দৃষ্টিভংগীত গৱেষণাৰ প্রশ্ন, পদ্ধতি নিৰূপণ, বিশ্লেষণ আৰু ফলাফলৰ প্রসাৰ কার্য যুটীয়াভাৱে পৰিচালনা কৰা হয়। সহ-উৎপাদনে অধিক অন্তর্ভুক্তিমূলক, প্রেক্ষাপট-নির্ভৰ আৰু উদ্ভাৱনীমূলক গৱেষণাৰ ফলাফল নিশ্চিত কৰে। ইয়াৰ উপৰি ই জ্ঞানৰ গণতান্ত্রিকীকৰণত সহায় কৰে, ক্ষমতাৰ ভাৰসাম্যহীনতা হ্রাস কৰে আৰু বিশেষকৈ প্রান্তীয় তথা অপ্রতিনিধিত্বমূলক সম্প্রদায়সমূহৰ ক্ষেত্রত গৱেষণাৰ ফলাফলৰ প্রাসংগিকতা আৰু বহনক্ষমতা বৃদ্ধি কৰে।

১১.৫ উদ্ভাৱনত সম্প্রদায় জড়িত গৱেষণাৰ ভূমিকা

সম্প্রদায় জড়িত গৱেষণাৰ (CER) ক্ষেত্রত উদ্ভাৱন বুলিলে সম্প্রদায়ৰ সহযোগিতাৰ জৰিয়তে বিকশিত কৰা নতুন ধাৰণা, পদ্ধতি, সেৱা বা নীতিক বুজায়। সম্প্রদায়ৰ অংশগ্রহণে উদ্ভাৱনক অধিক সমৃদ্ধ কৰে, কিয়নো ই নিশ্চিত কৰে যে সমাধানসমূহ ব্যৱহাৰিক, সাংস্কৃতিকভাৱে উপযোগী আৰু বহনক্ষম।

শৈক্ষিক জ্ঞান আৰু সম্প্রদায়ৰ বাস্তৱ জীৱনৰ প্রয়োজনসমূহৰ মাজত এক যোগসূত্র স্থাপন কৰি উদ্ভাৱনৰ প্রসাৰত সম্প্রদায় জড়িত গৱেষণাই (CER) এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। পৰম্পৰাগত গৱেষণা পদ্ধতিসমূহ যিবোৰ প্রায়ে শৈক্ষিক প্রতিষ্ঠানৰ চাৰিসীমাৰ মাজতে সীমাবদ্ধ থাকে, তাৰ বিপৰীতে CER-এ সম্প্রদায়ৰ সদস্য, স্থানীয় সংগঠন আৰু অন্যান্য অংশীদাৰসকলক গৱেষণা প্রক্রিয়াৰ সমগ্র সময়ছোৱাত সক্রিয়ভাৱে অন্তর্ভুক্ত কৰে। এই সহযোগিতামূলক দৃষ্টিভংগীয়ে সামাজিকভাৱে প্রাসংগিক, অন্তর্ভুক্তিমূলক আৰু বহনক্ষম উদ্ভাৱনৰ সৃষ্টিত সহায় কৰে।

- **প্রকৃত বিশ্বজনীন সমস্যা নির্ধাৰণ**

উদ্ভাৱনৰ ক্ষেত্রত সম্প্রদায় জড়িত গৱেষণাৰ অন্যতম গুৰুত্বপূর্ণ ভূমিকা হ'ল প্রকৃত আৰু প্রেক্ষাপট-নির্ভৰ (Context-specific) সমস্যাসমূহ চিনাক্ত কৰা। স্বাস্থ্য, শিক্ষা, জীৰিকা, পৰিৱেশ আৰু সমাজ কল্যাণৰ সৈতে জড়িত প্রত্যাহ্বানসমূহৰ বিষয়ে সম্প্রদায়সমূহৰ ওচৰত প্রত্যক্ষ বা প্রাথমিক জ্ঞান (First-hand knowledge) থাকে। গৱেষণাৰ সমস্যা নিৰূপণৰ পর্যায়ত সম্প্রদায়ৰ সদস্যসকলক অন্তর্ভুক্ত কৰাৰ জৰিয়তে CER-এ ইয়াটো নিশ্চিত কৰে যে উদ্ভাৱনসমূহ কেৱল তত্ত্ব-চালিত (Theory-driven) হোৱাৰ বিপৰীতে প্রয়োজন-ভিত্তিক (Need-based) হয়। ইয়াৰ ফলত উদ্ভাৱনীমূলক সমাধানসমূহৰ প্রাসংগিকতা আৰু ব্যৱহাৰিক প্রয়োগযোগ্যতা বৃদ্ধি পায়।

- **জ্ঞানৰ সহ-সৃজন আৰু সমাধান**

সম্প্রদায় জড়িত গৱেষণাই শৈক্ষিক পাৰদর্শিতা (Academic expertise) আৰু সম্প্রদায়ৰ প্রজ্ঞা (Community wisdom) এই উভয়কে সমানে গুৰুত্ব দি জ্ঞানৰ সহ-সৃজনক (Co-creation of knowledge) উৎসাহিত কৰে। সংলাপ, যুটীয়া সিদ্ধান্ত গ্রহণ আৰু সহযোগিতামূলক পৰীক্ষণৰ জৰিয়তে উদ্ভাৱনৰ জন্ম হয়। সম্প্রদায়ৰ সদস্যসকলে থলুৱা জ্ঞান, স্থানীয় চর্চা আৰু বাস্তৱ অভিজ্ঞতাৰ অৱদান আগবঢ়ায়, আনহাতে গৱেষকসকলে বৈজ্ঞানিক পদ্ধতি আৰু বিশ্লেষণী আহিলাসমূহ যোগান ধৰে। এই সমন্বয়ে সৃজনীশীল, অন্তর্ভুক্তিমূলক আৰু সাংস্কৃতিকভাৱে উপযোগী উদ্ভাৱনৰ পথ প্রশস্ত কৰে।

- **সামাজিক আৰু তৃণমূল পর্যায়ৰ উদ্ভাৱন প্রসাৰ**

সামাজিক আৰু তৃণমূল পর্যায়ৰ (Grassroots) উদ্ভাৱনক উৎসাহিত কৰাৰ ক্ষেত্রত সম্প্রদায় জড়িত গৱেষণাই (CER) এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বহুতো উদ্ভাৱনীমূলক চর্চা সম্প্রদায়ৰ স্তৰতেই উদ্ভৱ হয়, বিশেষকৈ প্রান্তীয় বা সম্পদৰ সীমাবদ্ধতা থকা পৰিৱেশত এনেবোৰ অধিক দেখা পোৱা যায়। সম্প্রদায়ৰ অংশগ্রহণৰ জৰিয়তে গৱেষকসকলে বহনক্ষম কৃষি পদ্ধতি, সুলভ স্বাস্থ্য সমাধান, সম্প্রদায় ভিত্তিক শিক্ষাৰ আর্হি আৰু জীৰিকাৰ পদক্ষেপৰ দৰে স্থানীয় উদ্ভাৱনসমূহ লিপিবদ্ধ কৰিব পাৰে, সেইবোৰক পৰিমার্জিত কৰিব পাৰে আৰু ব্যাপক পর্যায়ত

সম্প্রসাৰিত (Scale up) কৰিব পাৰে। এই উদ্ভাৱনসমূহে প্রায়ে বাণিজ্যিক মুনাফাৰ পৰিৱর্তে সামাজিক প্রভাৱৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰে।

- **বহনক্ষম আৰু অন্তভূর্ক্তিকৃত উদ্ভাৱনৰ প্রসাৰ**

সম্প্রদায় জড়িত গৱেষণাৰ জৰিয়তে বিকশিত কৰা উদ্ভাৱনসমূহ অধিক বহনক্ষম হোৱাৰ সম্ভাৱনা থাকে, কিয়নো সম্প্রদায়সমূহে এই গৱেষণা প্রক্রিয়া আৰু ইয়াৰ ফলাফলসমূহক নিজস্ব বুলি গণ্য কৰে (Ownership)। যিহেতু সম্প্রদায়ৰ সদস্যসকল পৰিকল্পনাৰ পৰা ৰূপায়ণলৈকে সকলোতে সক্রিয়ভাৱে জড়িত হৈ থাকে, সেয়েহে তেওঁলোক সময়ৰ লগে লগে এই উদ্ভাৱনসমূহৰ ৰক্ষণাবেক্ষণ আৰু উন্নতিকৰণৰ বাবে অধিক দায়বদ্ধ হয়। ইয়াৰ উপৰি, সম্প্রদায় জড়িত গবেষণাই মহিলা, যুৱ প্রজন্ম আৰু প্রান্তীয় জনগোষ্ঠীসমূহৰ দৰে বিভিন্ন বৈচিত্র্যপূর্ণ গোটসমূহক সামৰি লৈ অন্তর্ভুক্তিমূলকতা নিশ্চিত কৰে আৰু ইয়াৰ জৰিয়তে এক সমতাপূর্ণ উদ্ভাৱনক (Equitable innovation) প্রসাৰিত কৰে।

- **প্রমাণভিত্তিক উদ্ভাৱনৰ জৰিয়তে নীতি আৰু কার্যসূচীৰ বিকাশ**

সম্প্রদায় জড়িত গৱেষণাই এনে ব্যৱহাৰিক তথ্য বা প্রমাণ (Practical evidence) সৃষ্টি কৰে যাৰ সহায়ত নীতি, কার্যসূচী আৰু প্রাতিষ্ঠানিক চর্চাসমূহক দিক-নির্দেশনা প্রদান কৰিব পাৰি। CER-ৰ পৰা উত্তৰ হোৱা উদ্ভাৱনসমূহে প্রায়েই বিদ্যমান ব্যৱস্থাসমূহৰ মাজত থকা সুৰুঙা বা অভাৱসমূহ দূৰ কৰে আৰু সেৱা বিতৰণ তথা শাসন প্রণালীৰ (Governance) ক্ষেত্রত বিকল্প আহি প্রদান কৰে। নীতি-নির্ধাৰক আৰু উন্নয়নমূলক সংস্থাসমূহে সম্প্রদায়ৰ বাস্তৱ পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি উদ্ভাৱনীমূলক হস্তক্ষেপসমূহ (Innovative interventions) প্রস্তুত কৰিবলৈ CER-ভিত্তিক ফলাফলসমূহ ব্যৱহাৰ কৰিব পাৰে ।

- **সামর্থ্যৰ বিকাশ আৰু সবলীকৰণ**

উদ্ভাৱনৰ ক্ষেত্রত সম্প্রদায় জড়িত গৱেষণাৰ (CER) আন এক গুৰুত্বপূর্ণ ভূমিকা হল সামর্থ্য বিকাশ (Capacity building)। গৱেষণা কার্যকলাপত অংশগ্রহণৰ জৰিয়তে সম্প্রদায়ৰ সদস্যসকলে সমস্যা সমাধান, তথ্য সংগ্রহ, বিশ্লেষণ আৰু সিদ্ধান্ত গ্রহণৰ দৰে বিভিন্ন দক্ষতা অর্জন কৰে। এই সবলীকৰণে স্থানীয় উদ্ভাৱনী পৰিস্থিতিতন্ত্রক (Innovation ecosystems) অধিক শক্তিশালী কৰি তোলে আৰু সম্প্রদায়সমূহক ভবিষ্যতে স্বতন্ত্রভাৱে উদ্ভাৱনীমূলক পদক্ষেপ গ্রহণ কৰিবলৈ সক্ষম কৰে। একে সময়তে, গৱেষকসকলেও অংশগ্রহণমূলক পদ্ধতি আৰু সামাজিকভাৱে দায়িত্বশীল উদ্ভাৱনৰ বিষয়ে গভীৰ অন্তর্দৃষ্টি লাভ কৰে।

- **শৈক্ষিক প্রতিষ্ঠান আৰু সম্প্রদায়ৰ সম্পর্ক সুদৃঢ়কৰণ**

সম্প্রদায় জড়িত গৱেষণাই শৈক্ষিক প্রতিষ্ঠান আৰু সম্প্রদায়সমূহৰ মাজত দীর্ঘম্যাদী অংশীদাৰিত্ব গঢ়ি তোলে। এই অংশীদাৰিত্বসমূহে নিৰন্তৰ শিক্ষণ, পৰীক্ষণ আৰু উদ্ভাৱনৰ বাবে একোখন ক্ষেত্র বা অৱকাশ সৃষ্টি

কৰে। ইয়াৰ ফলস্বৰূপে, বিশ্ববিদ্যালয়সমূহ সামাজিকভাৱে সংবেদনশীল উদ্ভাৱনৰ প্ৰাণকেন্দ্ৰ হৈ পৰে, আনহাতে সম্প্ৰদায়সমূহ জ্ঞান উৎপাদন আৰু প্ৰযুক্তিগত বা সামাজিক অগ্ৰগতিৰ ক্ষেত্ৰত সক্ৰিয় অৱিহণা যোগাওতা হিচাপে পৰিগণিত হয়।

- **উদ্ভাৱনৰ প্ৰতিলিপিকৰণ আৰু সম্প্ৰসাৰণ**

সম্প্ৰদায় জড়িত গৱেষণাৰ (CER) জৰিয়তে বিকশিত উদ্ভাৱনসমূহৰ প্ৰতিলিপিকৰণ (Replication) আৰু সম্প্ৰসাৰণৰ (Scaling) অধিক সম্ভাৱনা থাকে, কিয়নো এইবোৰ বাস্তৱ জীৱনৰ প্ৰেক্ষাপটত পৰীক্ষিত আৰু পৰিমাৰ্জিত কৰা হয়। সম্প্ৰদায়ৰ অনুমোদন বা বৈধকৰণে (Validation) ইয়াৰ বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতা বৃদ্ধি কৰে, যাৰ ফলত অনুৰূপ প্ৰয়োজন থকা আন সম্প্ৰদায়সমূহৰ সৈতে এই উদ্ভাৱনসমূহ খাপ খুৱাই লোৱাটো সহজ হৈ পৰে। ই এক ব্যাপক সামাজিক ৰূপান্তৰত অৱিহণা যোগায়।

প্ৰকৃততে, সামাজিকভাৱে প্ৰাসংগিক, অন্তৰ্ভুক্তিমূলক আৰু বহনক্ষম উদ্ভাৱনক উৎসাহিত কৰাৰ ক্ষেত্ৰত সম্প্ৰদায় জড়িত গৱেষণাই এক নিৰ্ণায়ক ভূমিকা পালন কৰে। শৈক্ষিক গৱেষণাৰ সৈতে সম্প্ৰদায়ৰ অংশগ্ৰহণৰ সমন্বয় ঘটাই, CLR-এ এনে উদ্ভাৱনীমূলক সমাধানৰ বিকাশত সহায় কৰে যিয়ে বাস্তৱ জগতৰ সমস্যাসমূহ সমাধান কৰে, সম্প্ৰদায়সমূহক সবলীকৰণ কৰে আৰু দীৰ্ঘম্যাদী সামাজিক তথা অৰ্থনৈতিক উন্নয়নত অৱিহণা যোগায়।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৪. সম্প্ৰদায় জড়িত গৱেষণাৰ মুখ্য ৰূপসমূহ কি কি? চমুকৈ ব্যাখ্যা কৰা।

প্ৰশ্ন ৫: সম্প্ৰদায় জড়িত গৱেষণাৰ এক প্ৰকাৰ হিচাপে 'সম্প্ৰদায় ভিত্তিক অংশগ্ৰহণমূলক গৱেষণা' (CBPR) আৰ্হিটো ব্যাখ্যা কৰা।

প্ৰশ্ন ৬: সেৱা-শিক্ষণ গৱেষণা (Service-Learning Research) আৰ্হিটোৰে সম্প্ৰদায় জড়িত গৱেষণাৰ ক্ষেত্ৰত কেনেদৰে অৱিহণা যোগায়?

১১.৬ সম্প্ৰদায় জড়িত গৱেষণাৰ সুবিধা আৰু প্ৰত্যাহ্বান

সম্প্ৰদায় জড়িত গৱেষণা (Community-Engaged Research CER) হ'ল জ্ঞান উৎপাদনৰ এক সহযোগিতামূলক দৃষ্টিভংগী, য'ত গৱেষণা প্ৰক্ৰিয়াৰ সমগ্ৰ সময়ছোৱাত সম্প্ৰদায়ৰ সদস্য, সংগঠন আৰু অংশীদাৰসকলক সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ লক্ষ্য হ'ল সামাজিক প্ৰাসংগিকতা, সমতা আৰু পাৰস্পৰিক শিক্ষণক উৎসাহিত কৰাৰ লগতে বাস্তৱ জগতৰ সমস্যাসমূহৰ সমাধান কৰা। যদিও সম্প্ৰদায় জড়িত গৱেষণাই অজস্ৰ সুফল প্ৰদান কৰে, ই একে সময়তে কিছুমান নিৰ্দিষ্ট প্ৰত্যাহ্বানো সৃষ্টি কৰে যিবোৰ গৱেষক আৰু সম্প্ৰদায়সমূহে সাৱধানতাৰে পৰিচালনা কৰা প্ৰয়োজন।

- **সম্প্রদায় জড়িত গৱেষণাৰ সুবিধা**

১) সামাজিক প্রাসংগিকতা

সম্প্রদায় জড়িত গৱেষণাৰ অন্যতম প্রধান সুফল হ'ল ইয়াৰ গভীৰ সামাজিক প্রাসংগিকতা। যিহেতু গৱেষণাৰ সমস্যাসমূহ সম্প্রদায়ৰ সৈতে সহযোগিতাৰ জৰিয়তে চিনাক্ত কৰা হয়, সেয়েহে ইয়াৰ ফলাফলসমূহে বাস্তৱ জীৱনৰ প্রয়োজন আৰু প্রত্যাহ্বানসমূহক প্রত্যক্ষভাৱে সম্বোধন কৰে। ইয়াৰ ফলস্বৰূপে গৱেষণাৰ পৰিণামসমূহ ব্যৱহাৰিক, উপযোগী আৰু সম্প্রদায়ৰ বিকাশৰ বাবে হিতকাৰী হোৱাটো নিশ্চিত হয়।

২) সম্প্রদায় সবলীকৰণ

সম্প্রদায় জড়িত গৱেষণাই (CER) সম্প্রদায়ৰ সদস্যসকলক কেৱল একো একোজন নিষ্ক্রিয় বিষয় (Passive subjects) হিচাপে গণ্য কৰাৰ পৰিৱর্তে তেওঁলোকক সক্রিয় অংশীদাৰ হিচাপে অন্তর্ভুক্ত কৰি সবলীকৰণ কৰে। সিদ্ধান্ত গ্রহণ, তথ্য সংগ্রহ আৰু ব্যাখ্যাৰ ক্ষেত্রত সক্রিয় অংশগ্রহণৰ জৰিয়তে সম্প্রদায়সমূহে গৱেষণা প্রক্রিয়া আৰু ইয়াৰ ফলাফলসমূহৰ ওপৰত এক নিজস্বতাৰ বোধ (Sense of ownership) লাভ কৰে। এই সবলীকৰণে সম্প্রদায়টোৰ মাজত আত্মবিশ্বাস, নেতৃত্বৰ গুণাবলী আৰু সামূহিক কার্যব্যৱস্থা (Collective action) গ্রহণৰ ক্ষমতা বৃদ্ধি কৰে।

৩) স্থানীয় আৰু শৈক্ষিক জ্ঞানৰ সমন্বয়

সম্প্রদায় জড়িত গৱেষণাই বৈজ্ঞানিক জ্ঞানৰ লগতে সম্প্রদায়-ভিত্তিক বা থলুৱা জ্ঞান-এই উভয় ধাৰণাকে সমানে গুৰুত্ব প্রদান কৰে। এই সমন্বয়ে সামাজিক সমস্যাসমূহৰ অধিক সামগ্রিক (Holistic) আৰু প্রেক্ষাপট-নির্ভৰ (Context-specific) বুজাবুজিৰ পথ প্রশস্ত কৰে। ইয়াৰ পৰিণতিত, গৱেষণাৰ পৰা ওলোৱা সমাধানসমূহ সাংস্কৃতিকভাৱে উপযোগী, উদ্ভাৱনীমূলক আৰু বহনক্ষম হৈ পৰে।

৪) দক্ষতাৰ বিকাশ

সম্প্রদায় জড়িত গৱেষণাৰ (CER) অংশগ্রহণে সম্প্রদায়ৰ সদস্যসকলক সমস্যা সমাধান, গৱেষণা পদ্ধতি, যোগাযোগ আৰু সমালোচনাত্মক চিন্তাৰ (Critical thinking) দৰে বিভিন্ন দক্ষতা বিকাশত সহায় কৰে। একে সময়তে, গৱেষক আৰু শিক্ষার্থীসকলে অংশগ্রহণমূলক পদ্ধতি, নৈতিক অংশগ্রহণ আৰু সম্প্রদায় ভিত্তিক শিক্ষণৰ অভিজ্ঞতা অর্জন কৰে, যাৰ ফলত তেওঁলোকৰ শৈক্ষিক আৰু সামাজিক সামর্থ্য বৃদ্ধি পায়।

৫) পাৰস্পৰিক বিকাশ

সম্প্রদায় জড়িত গৱেষণাই (CER) শৈক্ষিক প্রতিষ্ঠান আৰু সম্প্রদায়সমূহৰ মাজত পাৰস্পৰিক বিশ্বাস আৰু দীর্ঘম্যাদী অংশীদাৰিত্বক উৎসাহিত কৰে। স্বচ্ছ যোগাযোগ আৰু যুটীয়া দায়িত্ববোধে ইতিবাচক সম্পর্ক গড়ি তোলাত সহায় কৰে, যি নিৰন্তৰ সহযোগিতা আৰু ভৱিষ্যতৰ গৱেষণা পদক্ষেপসমূহৰ বাবে অপৰিহার্য।

৬) নীতি প্রণয়ন আৰু সামাজিক পৰিৱর্তন

সম্প্রদায় জড়িত গৱেষণাৰ ফলাফলসমূহে প্রায়ে নীতি প্রণয়ন আৰু কার্যসূচীৰ উন্নতিকৰণৰ বাবে শক্তিশালী তথ্যগত প্রমাণ (Evidence) যোগান ধৰে। যিহেতু এই গৱেষণাত সম্প্রদায়ৰ বাস্তৱ পৰিস্থিতিৰ প্রতিফলন ঘটে, সেয়েহে নীতি-নির্ধাৰক আৰু উন্নয়নমূলক সংস্থাসমূহে CLR-ভিত্তিক পৰামর্শাৱলী গ্রহণ কৰাৰ সম্ভাৱনা অধিক থাকে, যিয়ে অৱশেষত এক অর্থপূর্ণ সামাজিক পৰিৱর্তনৰ পথ প্রশস্ত কৰে।

- **সম্প্রদায় জড়িত গৱেষণাৰ প্রত্যাহ্বানসমূহ**

১) সময় খৰছী

সম্প্রদায় জড়িত গৱেষণাৰ বাবে সম্পর্ক স্থাপন, আলোচনা-পৰামর্শ, সহমত গঠন আৰু অংশগ্রহণমূলক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত যথেষ্ট সময়ৰ প্রয়োজন হয়। পৰম্পৰাগত গৱেষণাৰ তুলনাত সম্প্রদায় জড়িত গবেষণা (CER) অধিক ধীৰ গতিৰে অগ্রসৰ হয়, যিয়ে শৈক্ষিক সময়সীমা আৰু পুঁজিৰ সীমাবদ্ধতাৰ মাজত এক প্রত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে।

২) ক্ষমতাৰ ভাৰসাম্যহীনতা

ইয়াৰ অংশগ্রহণমূলক প্রকৃতি সত্ত্বেও, গবেষক আৰু সম্প্রদায়ৰ সদস্যসকলৰ মাজত ক্ষমতাৰ ভাৰসাম্যহীনতা (Power imbalances) অব্যাহত থাকিব পাৰে। শিক্ষা, ভাষা, সামাজিক স্থিতি আৰু সম্পদৰ প্রাপ্তিৰ ক্ষেত্রত থকা পার্থক্যসমূহে সিদ্ধান্ত গ্রহণ প্রক্রিয়াক প্রভাৱিত কৰিব পাৰে আৰু যদিহে এইসমূহ সাৱধানতাৰে সম্বোধন কৰা নহয়, তেন্তে ই প্রকৃত অংশগ্রহণক সীমিত কৰিব পাৰে।

৩) পুঁজিৰ অভাৱ

সম্প্রদায় জড়িত গৱেষণাত (CER) প্রায়ে সম্প্রদায়ৰ সভা, প্রশিক্ষণ, ভ্রমণ আৰু সামর্থ্য বিকাশৰ কার্যকলাপৰ বাবে অতিৰিক্ত সম্পদৰ প্রয়োজন হয়। পুঁজিৰ অভাৱ আৰু প্রাতিষ্ঠানিক সমর্থনৰ সীমাবদ্ধতাই সম্প্রদায় জড়িত গৱেষণা প্রকল্পসমূহৰ পৰিসৰ আৰু বহনক্ষমতাক সীমিত কৰি তুলিব পাৰে।

৪) নৈতিক পৰিচালনাৰ অসুবিধা

সম্প্রদায় জড়িত গৱেষণাত (CER) জ্ঞাত সম্মতি (Informed consent), গোপনীয়তা, তথ্যৰ মালিকীস্বত্ব আৰু সঠিক প্রতিনিধিত্বৰ দৰে নৈতিক বিষয়সমূহ পৰিচালনা কৰাটো জটিল হ'ব পাৰে। গৱেষকসকলে শৈক্ষিক সততা (Academic integrity) অক্ষুণ্ণ ৰখাৰ লগতে স্বচ্ছতা নিশ্চিত কৰা আৰু সম্প্রদায়ৰ স্বার্থ সুৰক্ষিত কৰাটো অপৰিহার্য।

৫) **ভিন্ন প্রত্যাশা**

গৱেষণাৰ ফলাফল, সময়সীমা আৰু লাভালাভৰ সন্দর্ভত সম্প্রদায় আৰু গৱেষকসকলৰ মাজত ভিন্ন প্রত্যাশা থাকিব পাৰে। যদিহে এই প্রত্যাশাৰ বিষয়ে স্পষ্টভাৱে আলোচনা কৰা নহয়, তেন্তে ভুল বুজাবুজি আৰু সংঘাতৰ সৃষ্টি হ'ব পাৰে, যিয়ে সহযোগিতা আৰু বিশ্বাসৰ ওপৰত প্রভাৱ পেলাব পাৰে।

৬) **শৈক্ষিক প্রত্যাহ্বান**

সম্প্রদায় জড়িত গৱেষণাই (CER) তেনেবোৰ শৈক্ষিক মূল্যায়ন ব্যৱস্থাত প্রত্যাহ্বানৰ সম্মুখীন হ'ব পাৰে, যিয়ে কেৱল 'পিয়াৰ-ৰিভিউড' (Peer-reviewed) প্রকাশনৰ দৰে পৰম্পৰাগত গৱেষণাৰ ফলাফলসমূহকহে অগ্রাধিকাৰ প্রদান কৰে। শৈক্ষিক কেৰিয়াৰৰ উত্তৰণৰ ক্ষেত্রত সম্প্রদায় জড়িত গৱেষণাৰ ব্যৱহাৰিক তথা গতিকে, সামাজিকভাৱে প্রাসংগিক জ্ঞানৰ প্রসাৰ, সম্প্রদায়ৰ সবলীকৰণ আৰু অন্তর্ভুক্তিমূলক উন্নয়নক উৎসাহিত কৰি সম্প্রদায় জড়িত গৱেষণাই যথেষ্ট সুফল প্রদান কৰে। অৱশ্যে, ইয়াৰ সৈতে সময়, সম্পদ, ক্ষমতাৰ গতিশীলতা আৰু নৈতিক দিশৰ সৈতে জড়িত বিভিন্ন প্রত্যাহ্বানো জড়িত হৈ থাকে। স্বচ্ছ কর্মপদ্ধতি, পাৰস্পৰিক সন্মান আৰু প্রাতিষ্ঠানিক সমর্থন গ্রহণ কৰি গৱেষক আৰু সম্প্রদায়সমূহে এই প্রত্যাহ্বানসমূহ অতিক্রম কৰিব পাৰে আৰু বহনক্ষম সামাজিক ৰূপান্তৰৰ বাবে সম্প্রদায় জড়িত গৱেষণাৰ সম্ভাৱনীয়তাক সর্বাধিক স্তৰত ব্যৱহাৰ কৰিব পাৰে।

ᴡ অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৭. সম্প্রদায় জড়িত গৱেষণাৰ প্রধান সুফলসমূহ কি কি?

প্রশ্ন ৮: সম্প্রদায় জড়িত গৱেষণাৰ ক্ষেত্রত সম্মুখীন হোৱা মুখ্য প্রত্যাহ্বানসমূহ কি কি?

১১.৭ সম্প্রদায় জড়িত গৱেষণা আৰু উদ্ভাৱনৰ ভৱিষ্যৎ দিশ

জটিল সামাজিক, অর্থনৈতিক আৰু পৰিৱেশীয় প্রত্যাহ্বানসমূহ সমাধানৰ বাবে সম্প্রদায় জড়িত গৱেষণা (CER) এক শক্তিশালী দৃষ্টিভংগী হিচাপে ক্রমান্বয়ে অধিক গুৰুত্ব লাভ কৰিছে। যিহেতু সাম্প্রতিক সমাজে দ্রুত প্রযুক্তিগত পৰিৱর্তন, ক্রমবর্ধমান বৈষম্য আৰু গোলকীয় সংকটৰ সম্মুখীন হৈছে, গতিকে CER-ৰ ভৱিষ্যত নির্ভৰ কৰিছে সহযোগিতা, অন্তর্ভুক্তিমূলকতা আৰু উদ্ভাৱনক শক্তিশালী কৰাৰ ওপৰত। অনাগত বছৰবোৰত সম্প্রদায় জড়িত গৱেষণা আৰু উদ্ভাৱন কেনেদৰে বিকশিত হোৱাৰ সম্ভাৱনা আছে, সেই সম্পর্কে তলত উল্লেখ কৰা দিশসমূহে আলোকপাত কৰিছে।

১) ডিজিটেল সঁজুলি আৰু প্ৰযুক্তিৰ সমন্বয়

সম্প্রদায় জড়িত গৱেষণাৰ অন্যতম গুৰুত্বপূৰ্ণ ভৱিষ্যত দিশ হ'ল ডিজিটেল সঁজুলি আৰু প্ৰযুক্তিৰ সমন্বয় ঘটোৱা। ডিজিটেল মঞ্চ, ম'বাইল এপ্লিকেচন, অনলাইন জৰীপ, জি.আই.এছ. (GIS) মানচিত্ৰণ আৰু তথ্য বিশ্লেষণৰ ব্যৱহাৰে সম্প্রদায়ৰ অংশগ্রহণ আৰু তথ্য সংগ্রহৰ প্রক্রিয়াক অধিক শক্তিশালী কৰি তুলিব পাৰে। ডিজিটেল উদ্ভাৱনে বিশেষকৈ দুৰ্গম আৰু বঞ্চিত সম্প্রদায়সমূহৰ মাজত অধিক প্রসাৰ, দ্রুত জ্ঞানৰ আদান-প্রদান আৰু তাৎক্ষণিক সমস্যা সমাধানৰ পথ প্রশস্ত কৰিব।

২) বহনক্ষম আৰু অন্তভূক্তিমূলক লক্ষ্য

ভৱিষ্যতৰ সম্প্রদায় জড়িত গৱেষণাই পৰিৱেশ সুৰক্ষা, সামাজিক সমতা আৰু অৰ্থনৈতিক সহনশীলতাৰ (Economic resilience) ওপৰত গুৰুত্ব আৰোপ কৰি বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ (Sustainable Development Goals) সৈতে ক্রমান্বয়ে অধিক সংগতি ৰাখিব। CER-ৰ পৰা উদ্ভৱ হোৱা উদ্ভাৱনসমূহ বিশেষকৈ নবীকৰণযোগ্য শক্তি, জলবায়ু অভিযোজন, বহনক্ষম জীৱিকা, জনস্বাস্থ্য আৰু অন্তৰ্ভুক্তিমূলক শিক্ষাৰ ওপৰত কেন্দ্রীভূত হ'ব। উদ্ভাৱনৰ সুফল যাতে সমাজৰ সকলো শ্রেণীৰ লোকে লাভ কৰিব পাৰে, তাক নিশ্চিত কৰিবলৈ প্রান্তীয় গোটসমূহৰ প্রতি অধিক মনোযোগ প্রদান কৰা হ'ব।

৩) আন্তঃবিভাগীয় আৰু অন্য বিভাগীয় গৱেষণা

জটিল সামাজিক সমস্যাসমূহক কোনো এক বিশেষ বিষয় বা শৃঙ্খলৰ (Discipline) জৰিয়তে সমাধান কৰিব নোৱাৰি। সম্প্রদায় জড়িত গৱেষণাৰ (CER) ভৱিষ্যতে আন্তঃবিভাগীয় (Interdisciplinary) আৰু পৰ-বিভাগীয় (Transdisciplinary) গৱেষণাক অধিক গুৰুত্ব প্রদান কৰা হ'ব, য'ত সমাজ বিজ্ঞান, প্রাকৃতিক বিজ্ঞান, প্রযুক্তি, স্বাস্থ্য আৰু শিক্ষাৰ বিশেষজ্ঞসকলৰ সৈতে সম্প্রদায়ৰ অংশীদাৰসকলক একগোট কৰা হ'ব। এই সহযোগিতামূলক দৃষ্টিভংগীয়ে অধিক ব্যাপক আৰু উদ্ভাৱনীমূলক সমাধানৰ পথ প্রশস্ত কৰিব।

৪) সহঃসৃজনৰ ওপৰত গুৰুত্ব

পৰিয়ালৰ ভিতৰতে আকৌ পুৰুষৰ তুলনাত মহিলাসকল অধিক অসুবিধাজনক স্থিতিত আছে। তেওঁলোকৰ শিক্ষাৰ হাৰ কম (ৰাষ্ট্রীয় হিচাপত পুৰুষৰ ৭৬ শতাংশৰ বিপৰীতে ৫৪ শতাংশ) আৰু পৰিয়াল আৰু পৰিবাৰিক সম্পদৰ বিষয়ে সিদ্ধান্ত গ্রহণৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্রণো কম। দ্বিতীয়তে, প্রতি তিনিটি শিশুৰ ভিতৰত দুটিয়েই কিছুপৰিমাণে বা গুৰুতৰভাৱে অপুষ্টিত ভোগে। দৰিদ্র পৰিয়ালৰ পৰিপুষ্টি মানো শংকাজনক। ইয়াৰ বাদেও দাৰিদ্র, লিংগ আৰু সম্প্রদায়গত বৈষম্যও দেশৰ গ্রাম্যাঞ্চলবোৰত অনেক। সেয়েহে দাৰিদ্র্য মোচনৰ বাবে বিস্তাৰিত কার্যপন্থা

ৰূপায়নে কৰিবলৈ গ'লে এনেবোৰ বাস্তবিকতা আৰু ইয়াৰ ফলাফলৰ প্ৰাপ্তি লক্ষ্য ৰাখিব লাগিব। এই বাস্তৱতাবোৰ প্ৰত্যন্ত এলেকাবোৰত স্পষ্ট, য'ত বিভিন্ন নিম্ন শ্ৰেণীত লোকে একোটা পিছপৰা এলেকাত বাস কৰে। তেওঁলোক সামূহিক সেবা যেনেঃ বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ, ৰাজহুৱা খোৱাপানীৰ সুবিধাৰ্থে স্থাপিত দমকল, সুলভ মূল্যৰ দোকান আদিৰপৰাও নিলগত বৈ যায়।

নগৰীয়া দৰিদ্ৰৰ বৈশিষ্ট্য হৈছে বস্তি এলেকা, বৰবাৰী ভূমি বা বহু সময়ত পথতে অত্যন্ত দৰিদ্ৰ ব্যৱস্থাতে বাস কৰি তেওঁলোক জীৱিকা নিৰ্বাহ কৰে। তেওঁলোক প্ৰকৃততে জীৱিকা আৰু বাসস্থানৰ নিশ্চয়তাহীন প্ৰথম প্ৰজন্মৰ প্ৰব্ৰজনকাৰী যাক আৰক্ষী আৰু পৌৰ প্ৰশাৰনেও নিৰ্যাতন চলাইছে। তেওঁলোক স্বাস্থ্য আৰু নিৰাপত্তাৰ সা-সুবিধাহীন স্থানত দখল কৰি থাকে। তেওঁলোকে হকাৰৰ কাম কৰি বা ৰিক্সা চলাই জীৱিকা অৰ্জন কৰে নতুবা ঠিকাদাৰৰ অধীনত ঠিকা শ্ৰমিকৰ কাম কৰে ঠিকাদাৰসকলেও শ্ৰম বা উদ্যোগ আইন নামানে। এনেদৰে জীয়াই থকাৰ যুঁজখনে তেওঁলোকক ক্ৰমে মানৱীয় প্ৰমূল্যহীন আৰু অপৰাধী মানসিকতাৰ গঢ়ি তোলে। এনে সমস্যা ৰোধৰ বাবে গৃহনিৰ্মাণৰ স্থানত অধিক সামাজিক নিয়ন্ত্ৰণ কৰা, নগৰাঞ্চলত কেতবোৰ ঔদ্যোগিক কাম-কাজ বন্ধ কৰা আৰু প্ৰৱজিত শ্ৰমিকৰ সুবিধাৰ্থে শ্ৰম আইনৰ কঠোৰ ৰূপায়ন কৰাৰ প্ৰয়োজন আছে।

চৰম দাৰিদ্ৰ আৰু নিয়োগবিহীনতাৰ বাবেহে গ্ৰাম্যাঞ্চলৰ লোকসকল নগৰাঞ্চললৈ ঢাপলি মেলিবলগীয়া হয়। গতিকে কেৱল নগৰাঞ্চলৰ দাৰিদ্ৰ নিৰ্মূলৰ বাবে চলোৱাই চেষ্টাই বিশেষ কাম নিদিয়ে, কাৰণ নিতৌ চাকৰি আৰু ভাল জীৱনৰ আশাত নহয় নতুন লোকৰ নগৰলৈ প্ৰব্ৰজন ঘটিয়েই থাকিব। অন্যাৰ্থত, গ্ৰাম্যাঞ্চলতকৈ নগৰাঞ্চলত মানবীয় মৰ্যাদা ৰক্ষাকাৰী তথা মৌলিক সঙ্গ-সুবিধাৰে ভৰা জীৱিকাৰ সৃষ্টি কৰা যথেষ্ট ব্যয়সাধ্য।

ভাৰতত বিভিন্ন চৰকাৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠনে দাৰিদ্ৰ নিৰ্মূলৰ বাবে অনেক আঁচনি লৈছে। তাৰ পৰিপ্ৰেক্ষিততে ভাৰতৰ দৰিদ্ৰতা নিৰ্মূল আঁচনিৰ বিষয়ে অধ্যয়ন কৰাৰ বিশেষ গুৰুত্ব আছে। এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশত বেছিভাগ লোকেই দৰিদ্ৰ। চহকী দেশতো দৰিদ্ৰ লোক পোৱা যায়। কিন্তু উন্নয়নশীল দেশবোৰতহে এই সমস্যা বেছি জটিল। উৎপাদনৰ সৈতে জড়িত সামন্তবাদী সম্পৰ্কৰ বাবেই দৰিদ্ৰতাৰ উদ্ভৱ হয়। সকলো দায়িত্বশীল লোক যেনেঃ শিক্ষাবিদ, ৰাজনীতিবিদ, পৰিকল্পনাকাৰী আৰু সমাজকৰ্মীৰ বাবেই দৰিদ্ৰতা হৈছে একধৰণৰ নৈতিক প্ৰত্যাহ্বান। ভাৰতীয় জনতাৰ যিসকল কৃষিকাৰ্যৰ সৈতে জড়িত সেইসকলৰ দাৰিদ্ৰ্যৰ কথা প্ৰবচনৰ লেখীয়া হৈ পৰিছে। ইয়াক নিৰ্মূল কৰাটো সমাজখনৰ পুনৰগঠন কাৰ্যসূচীৰ অন্যতম। দৰিদ্ৰতা হৈছে বিষয়গত আৰু পৰিসৰণ উভয় দিশৰপৰাই একধৰণৰ জটিল পৰিঘটনা। ভাৰতীয় অৰ্থনীতি প্ৰায় ২০০ বছৰ ধৰি ব্ৰিটিছৰ অধীনত আছিল। এয়া হৈছে পদ্ধতিগত শোষণৰ এটা দীঘলীয়া অধ্যয়ন। সেয়ে ১৯৪৭ চনত যেতিয়া ভাৰতে স্বাধীনতা পালে তেতিয়া আমি এক দুৰ্বল অৰ্থনীতি আৰু অত্যধিক দৰিদ্ৰত বুৰ যোৱা কৃষক শ্ৰেণীক উত্তৰাধিকাৰী হিচাপে পালোঁ।

ভাৰতত দাৰিদ্ৰ্য এক প্ৰকাৰৰ নিশ্চিত পৰিঘটনা বুলি ধৰা হয়। ইয়াত দৰিদ্ৰ শ্ৰেণীৰ লোকসকল খাদ্যশস্য, মাহজাতীয় শস্য, গাখীৰ, শাক-পাচলি, কাপোৰ-কানি, গ্ৰহণ কৰা কেল'ৰি আদিৰপৰা বঞ্চিত হৈ থাকে আৰু তেওঁলোক জীয়াই থকাৰ বাবে প্ৰয়োজনীয়খিনিত নোপোৱাকৈয়ে জীৱনপাত কৰিবলগীয়া হয়।

১৩.৪ দাৰিদ্ৰ আৰু দাৰিদ্ৰ সীমাৰেখাৰ ধাৰণা

দাৰিদ্ৰ্য হৈছে বিশ্বৰ বিভিন্ন দেশে সম্মুখীন হৈ থকা একধৰণৰ বিশেষ সমস্যা। দাৰিদ্ৰ্যৰো এনে কোনো উমৈহতীয়া গ্ৰহণযোগ্য সংজ্ঞা নাই বা থাকিব নোৱাৰে যিটো সকলোতে গ্ৰহণযোগ্য হ'ব পাৰে। বহলভাবে এয়াই ক'ব পাৰি যে দাৰিদ্ৰ্য এনে একধৰণৰ অৱস্থা, য'ত মানুহে মানুহৰ মৌলিক প্ৰয়োজনখিনিও পূৰণ কৰিব নোৱাৰে। মানুহৰ ন্যূনতম প্ৰয়োজনৰ ভিতৰত আছে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যসেৱা। যদিহে এখন দেশৰ বৃহৎসংখ্যক লোক ন্যূনতম সা-সুবিধাখিনিৰপৰাও দীৰ্ঘসময়ৰ বাবে বঞ্চিত হৈ থাকে, তেনে দেশ দাৰিদ্ৰ্যৰ আৱৰ্তচক্ৰৰ ভিতৰত সোমাই পৰা বুলি ধৰি লোৱা হয়। দাৰিদ্ৰ্য সীমাৰেখা হৈছে বিতৰণ আধাৰিত সীমাৰেখা, যি সীমাই দেশৰ বাসিন্দাসকলৰ দৰিদ্ৰ আৰু অ-দৰিদ্ৰ এই দুটা ভাগত বিভক্ত কৰে। এখন দেশ দাৰিদ্ৰ্যৰ ৰূপ কেনে সেয়া জানিবৰ বাবে দাৰিদ্ৰ সীমাৰেখাৰ ধাৰণাটো ব্যৱহাৰ কৰা হয়। সেই অনুসৰি দাৰিদ্ৰ্য সীমাৰ তলত কাম কৰা লোকসকল হৈছে দুখীয়া আৰু তাৰ ওপৰত বাস কৰাসকল হৈছে অ-দৰিদ্ৰ। দাৰিদ্ৰ্য সীমাৰেখাই, সামাজিকভাবে গ্ৰহণযোগ্য ন্যূনতম জীৱনৰ মান ৰক্ষাৰ চেষ্টা কৰে আৰু সমাজে সেয়া পূৰণৰ চেষ্টা কৰে।

১৩.৫ দাৰিদ্ৰৰ প্ৰকাৰ

(১) তুলনামূলক সম্পৰ্কিত দাৰিদ্ৰ্য (Relative poverty)
(২) সম্পূৰ্ণ দাৰিদ্ৰ্য (Absolute poverty)

তুলনামূলক দাৰিদ্ৰ্য ঃ

অৰ্থঃ তুলনামূলক দাৰিদ্ৰ্যই অন্য মানুহ, অঞ্চল বা দেশৰ তুলনাত মানুহ কিমান দাৰিদ্ৰ্য সেয়া বুজায়।

উদাহৰণ: যদিহে ৰামৰ আয় শ্যামতকৈ কম, তেন্তে আমি ৰাম তুলনামূলকভাবে দৰিদ্ৰ বুলি ক'ব পাৰোঁ।

গুৰুত্বঃ ই জনসংখ্যাৰ বেলেগ বেলেগ অংশৰ তুলনামূলকস্থিতি সম্পৰ্কে জনাত সহায় কৰে। সীমাবদ্ধতা: ইয়াৰ যোগেদি কেৱল আয়ৰ আধাৰত জনসংখ্যাৰ বেলেগ বেলেগ অংশৰ তুনলামূলক সম্পৰ্কে এটাহে দেখুৱায়। ইয়াত দৰিদ্ৰজন কিমান দৰিদ্ৰ বা তেওঁ জীৱনৰ মৌলিক ন্যূনতম সা-সুবিধাৰপৰা বঞ্চিত হৈ আছে নেকি তাৰ কোনো বিবেচনা নহয়।

সম্পূৰ্ণ দাৰিদ্ৰ্যঃ

অৰ্থঃ সম্পূৰ্ণ দাৰিদ্ৰ্যই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোকৰ মুঠ সংখ্যাক সূচিত কৰে। উদাহৰণঃ সম্পূৰ্ণ দাৰিদ্ৰাৰ হিচাপ মৰ্মে ভাৰতৰ মুঠ জনসংখ্যাৰ ২২ শতাংশ দাৰিদ্য সীমাৰেখাৰ তলৰ বাসিন্দা।

গুৰুত্ব ঃ ভাৰতৰ দৰে কম উন্নয়নৰ দেশবোৰৰ বাবে পৰিয়ালতে সম্পূৰ্ণ দাৰিদ্ৰৰ ধাৰণাটোৰ গুৰুত্ব আছে। ইয়াত

অলেখ দৰিদ্ৰ আছে। তেওঁলোকৰ হিচাপ-নিকাচত ই সহায় কৰে।

সীমাবদ্ধতা: সম্পূৰ্ণ দাৰিদ্ৰ্যৰ জোখ ল'বলৈ ব্যৱহাৰ কৰা 'দাৰিদ্ৰ্য সীমাৰেখা'ৰ ধাৰণাটোৱে অতি দৰিদ্ৰ আৰু সাধাৰণ দৰিদ্ৰৰ মাজত কোনো পাৰ্থক্য নাৰাখে। তদুপৰি ই নিৰক্ষৰতা, ভগ্নস্বাস্থ্য, সম্পদ আহৰণত অসামৰ্থ্যতা, সাধাৰণ বা ৰাজনৈতিক স্বাধীনতাৰ অভাৱ বা বৈষম্য আদি যিবোৰ কাৰকৰ বাবে দাৰিদ্ৰৰ উদ্ভৱ হ'ব পাৰে সেই সামাজিক কাৰকবোৰ বিবেচনা নকৰে।

১৩.৬ গ্ৰাম্য ভাৰতৰ দাৰিদ্ৰ্যৰ বৈশিষ্ট্যাৱলী

১) **ক্ষুধা, অন্নহীনতা আৰু অপুষ্টি ঃ** দৰিদ্ৰ পৰিয়ালৰ মৌলিক সমস্যা হৈছে অন্নহীনতা আৰু ক্ষুধা। দৰিদ্ৰসকলৰ মাজত অপুষ্টিও যথেষ্ট বেছি।

২) **দুৰ্বল স্বাস্থ্যঃ** ভগ্ন স্বাস্থ্য, অক্ষমতা বা গুৰুতৰ অসুস্থতাৰ বাবে তেওঁলোক শাৰীৰিকভাৱে দুৰ্বল। তেওঁলোকৰ সন্তান জীয়াই থকাৰ সম্ভাৱনা কম বা সু-স্বাস্থ্যৰে জন্মাৰ সম্ভাৱনা কম।

৩) **সীমিত অৰ্থনৈতিক সা-সুবিধা ঃ** শিক্ষাগত অৰ্হতা আৰু দক্ষতাৰ অভাৱৰ বাবে তেওঁলোকৰ অৰ্থনৈতিক সা-সুবিধাও সীমিত। সেয়ে তেওঁলোকৰ জীৱন-বৃত্তিও অস্থিৰ। তেওঁলোকে নিয়োগকৰ্তাৰপৰা কেতিয়াও নিজৰ ন্যায্য মজুৰি আদায়ৰ বাবে আলোচনা কৰিব নোৱাৰে আৰু তেনেদৰে তেওঁলোক শোষণৰ বলি হয়।

৪) **দুৰ্বল স্বাস্থ্যঃ** তেওঁলোকে ঋণদাঁতা মহাজনৰপৰ অতি উচ্চ হাৰৰ সুদত ঋণ লয় আৰু এনেদৰে দীৰ্ঘকালীন ঋণগ্ৰস্ততাত সোমাই যাব পাৰে।

৫) **বিদ্যুৎ আৰু পানীৰ সুবিধাৰ অভাৱ ঃ** বেছিভাগ দৰিদ্ৰ পৰিয়ালতে বিদ্যুৎ সংযোগ নাই। তেওঁলোকে খতি আৰু গোবৰ সিতা ব্যৱহাৰ কৰি ৰন্ধা-বঢ়া কৰে। দৰিদ্ৰ শ্ৰেণীৰ লোকৰ এটা বৃহৎ অংশই পৰিষ্কাৰ খোৱাপানীও নাপায়।

৬) **লিংগ অসমতা ঃ** নিয়োগৰ সা-সুবিধা, শিক্ষা আৰু সিদ্ধান্ত গ্ৰহণত পৰিয়ালৰ ভিতৰতে লিংগ অসমতা দেখা যায়। দৰিদ্ৰ মহিলাসকলে মাতৃত্বৰ সময়ত উপযুক্ত পৰিচৰ্যা লাভনকৰে।

৭) **ডাঙৰ পৰিয়াল ঃ** দুখীয়া লোকৰ পৰিয়ালৰ আকৃতি ডাঙৰ। তাৰ বাবেও তেওঁলোকৰ অৰ্থনৈতিক অবস্থা বেয়া হৈ পৰে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দাৰিদ্ৰ কি?

প্ৰশ্ন নং ২ ঃ সম্পৰ্কিত আৰু সম্পূৰ্ণ দাৰিদ্ৰৰ প্ৰভেদ লিখা

প্ৰশ্ন নং ৩ ঃ দাৰিদ্ৰ্য সীমাৰেখা কি?

১৩.৭ ভাৰতৰ গ্ৰাম্যাঞ্চলৰ দাৰিদ্ৰ্যৰ হাৰ

গ্ৰাম্য ভাৰতক ভাৰতৰ হৃদয় বুলি কোৱা হয়। পিছে বাস্তৱতে ভাৰতৰ গ্ৰাম্যাঞ্চলত বাস কৰা লোকসকলৰ জীৱন অত্যন্ত দৰিদ্ৰতাৰে ভৰা। বিভিন্ন প্ৰচেষ্টা সত্ত্বেও দৰিদ্ৰ গাঁওবাসীৰ অবস্থা আজিও সন্তোষজনক হৈ উঠা নাই। ২০১১ চনৰ আৰ্থ-সামাজিক আৰু জাতি পিয়লৰ কেইটামান তথ্য তলত উল্লেখ কৰা হ'ল-

- **অনুসূচিত জাতি, অনুসূচিত জনজাতি ঃ** গ্ৰাম্যাঞ্চলত সকলো পৰিয়ালৰ ভিতৰত প্ৰায় ১৮.৪৩ শতাংশ হৈছে অনুসূচিত জাতিৰ আৰু ১০.৯৭ শতাংশ হৈছে অনুসূচিত জনজাতিৰ লোক।
- **আয়ৰ প্ৰধান উৎস ঃ** গ্ৰাম্যাঞ্চলৰ মানুহৰ আয়ৰ অন্যতম উৎস হৈছে শাৰীৰিক শ্ৰম আৰু কৃষিকাৰ্য। সকলো পৰিয়ালৰ ভিতৰত প্ৰায় ৫১ শতাংশই শাৰীৰিক অংশকালীন শ্ৰমিকৰ ৰূপত কাম কৰে আৰু তাৰ ভিতৰৰে ৩০ শতাংশই কৃষিকাৰ্যত আত্মনিয়োগ কৰে।
- **বঞ্চনা ঃ** পিয়লৰ তথ্যমতে গ্ৰাম্যাঞ্চলৰ প্ৰায় ৪৮.৫ শতাংশ পৰিয়ালেই বঞ্চনাৰ বলি হৈছে।
- **সম্পত্তি ঃ** গ্ৰাম্যাঞ্চলৰ মাথোঁ ১১.০৪ শতাংশ পৰিয়ালৰহে ঘৰত ৰেফ্ৰিজাৰেটৰ আছে আৰু ২৯.৬৯ শতাংশৰ ঘৰত দুচকীয়া বাহন, নাও আদিৰ দৰে বাহন আছে।
- **আয়কৰ ঃ** গ্ৰাম্যাঞ্চলৰ মাত্ৰ ৪.৫৮ শতাংশ পৰিয়ালে আয়কৰ দিয়ে।
- **ভূমিৰ মালিকীস্বত্ত্ব ঃ** গ্ৰাম্য পৰিয়ালৰ প্ৰায় ৫৬ শতাংশৰে নিজাকৈ ভূমি নাই। গ্ৰাম্যাঞ্চলৰ ঘৰৰ আকাৰ: প্ৰায় ৫৪ শতাংশ পৰিয়ালৰে ঘৰ এটা বা দুটা কোঠাৰ। তাৰ ভিতৰত ১৩ শতাংশ লোক একোঠলীয়া ঘৰত থাকে।

১৩.৮ দাৰিদ্ৰ নিৰ্মূলৰ ব্যৱস্থাবলী

দাৰিদ্ৰ নিৰ্মূলকৰণ দেশৰ সন্মুখত এটা অন্যতম প্ৰত্যাহ্বান। যোৱা দুটা দশকত দেশত দাৰিদ্ৰ্য ক্ৰমে কমি আহিছে যদিও জনসংখ্যা বৃদ্ধি ঘটা হেতুকে দৰিদ্ৰ লোকৰ সংখ্যা একেই আছে। চৰকাৰে স্ব-নিয়োজন আৰু মজুৰিৰ বিনিময়ত নিয়োজন-উভয়ৰ বাবে বিশেষভাবে দাবিদ্ৰ্য নিৰ্মূলকৰণ আঁচনি যুগুতাই উলিয়াইছে। তলত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন 'স্ব-নিয়োজন আঁচনি' আৰু 'মজুৰিভিত্তিক নিয়োজন আঁচনি'ৰ বিষয়ে আলোচনা কৰা হ'ল-

স্বনিয়োজন আঁচনি-

চৰকাৰে ৰূপায়ন কৰা কেইখনমান স্বনিয়োজন আঁচনি এনেধৰণৰ-

(১) **গ্ৰাম্য নিয়োগ সৃষ্টি আঁচনি (আৰই জিপি) ঃ** গ্ৰাম্যাঞ্চল আৰু ক্ষুদ্ৰ নগৰাঞ্চলত স্বনিয়োজনৰ সুবিধা সৃষ্টিৰ বাবে চৰকাৰে এই এই কাৰ্যসূচী গ্ৰহণ কৰিছে।

- খাদী আৰু গ্ৰাম্য উদ্যোগ আয়োগ ইয়াৰ ৰূপায়ন কৰিছে।
- ক্ষুদ্ৰ উদ্যোগ স্থাপনত বেংকে এই আঁচনিৰ অধীনত ঋণদান কৰে।

(২) **প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনা (পি এম আৰ ৱাই)ঃ** এই আঁচনিমৰ্মে কম আয়ৰ শিক্ষিত নিবনুৱাক অৰ্থ সাহায্য দি উদ্যোগ স্থাপনৰ যোগেদি নিয়োগ সৃষ্টিত সুবিধা দিয়া হয়।

- অষ্টম পৰিকল্পনাত (১৯৯২-৯৭) এই আঁচনিৰ যোগেদি সাত লাখ ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ লক্ষ্য লোৱা হৈছিল।
- ২০০৩-০৪ বৰ্ষলৈ এই আঁচনিমৰ্মে ৩০ লক্ষাধিক লোকে নিযুক্তি পাইছে।

(৩) **স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা (এছ জি এছ ৱাই) ঃ** এছ জি এছ বাইৰ যোগেদি ক্ষুদ্ৰ উদ্যোগৰ বিকাশ ঘটাই হিতাধিকাৰী পৰিয়ালসমূহক (স্বৰোজগাৰীক) দাৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ তুলি অনাত সহায় কৰিব বিচৰা হৈছে। তাৰবাবে আত্মসহায় গোট (এছ এইচ জি) গঠনৰ দিহা কৰা হৈছে।

- এই আঁচনিৰ সুবিধা পাবলৈ আত্মসহায় গোট গঠন কৰা প্ৰয়োজন।
- প্ৰথমে তেওঁলোকে কিছু ধন সঞ্চয় কৰি নিজৰ মাজতে ক্ষুদ্ৰ ঋণৰূপে লেনদেন কৰিব লাগিব।
- পাছত বেংকৰ যোগেদি চৰকাৰে গোটবোৰক আংশিক সাহায্য দিয়ে যাতে গোটৰ যোগেদি সদস্যসকল স্বনিয়োজিত হ'ব পাৰে।

মজুৰিভিত্তিৰ নিয়োগৰ কাৰ্যসূচী ঃ চৰকাৰে মজুৰিভিত্তিক নিয়োগ সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি গ্ৰাম্যাঞ্চলত বাস কৰা দাৰিদ্ৰ অদক্ষ শ্ৰমিকসকলৰ সংস্থাপনৰ দিহা কৰিছে। তেনে কেইখনমান আঁচনি হৈছে:

(ক) সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা (এছ জি আৰ ৱাই)ঃ এই আঁচনিৰ যোগেদি শ্ৰমভিত্তিক নিয়োগৰ ব্যৱস্থা কৰি অতিৰিক্ত আৰু সহযোগী নিযুক্তিৰে খাদ্যৰ নিৰাপত্তা আৰু পুষ্টিকৰ খাদ্য লাভৰ সুযোগ বৃদ্ধি কৰিব বিচৰা হৈছে।

- মজুৰি খাদ্যশস্য আৰু নগদ ধন উভয় প্ৰকাৰেই দিয়া হয়।
- মজুৰিভিত্তিক নিয়োগৰ বাবে আগ্ৰহী সকলো লোকৰ বাবেই (গ্ৰাম্যাঞ্চলৰ) এই আঁচনি মুকলি আছে। শাৰীৰিক শ্ৰম আৰু দক্ষতাৰ প্ৰয়োজন নোহোৱা কামৰ বাবেহি তেওঁলোকক নিয়োগ কৰা হয়।

(খ) ৰাষ্ট্ৰীয় কামৰ বাবে খাদ্য আঁচনি (এন এফ ডব্লিউ পি)ঃ ২০০৪ চনত এই আঁচনি আৰম্ভ কৰা হৈছিল। মজুৰি লাভৰ বাবে সহযোগী নিয়োগৰ সৃষ্টি কৰাটো এই আঁচনিৰ উদ্দেশ্য আছিল।

- দেশৰ ১৫০ খন সবাতোকৈ পাছপৰা জিলাত আঁচনিখন প্ৰথমে ৰূপায়নৰ দিহা কৰা হৈছিল। এছ জি আৰ বাইৰ অধীনত অতিৰিক্ত সম্পদ সৃষ্টিহে এই আঁচনি লোৱা হৈছিল।
- এই আঁচনি ১০০ শতাংশই কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰূপায়িত হৈছে।
- এম জি এন আৰ ই জি-এৰ লক্ষ্য হৈছে গ্ৰাম্য অঞ্চলৰ লোকৰ বাবে বছৰত ১০০ দিনৰ মজুৰিভিত্তিক নিযুক্তি নিশ্চিতকৰণেৰে জীৱনৰ নিৰাপত্তা প্ৰদান কৰে। ইয়াৰ বাবে পৰিয়ালসমূহৰ অদক্ষ লোকসকলে শ্ৰম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা প্ৰয়োজন।

এই আঁচনি ৰূপায়িত হৈ থকা স্থানত আগ্ৰহীসকলে ন্যূনতম মজুৰিত কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিব লাগে।

2 ১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি তলত দিয়া বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- দৰিদ্ৰতা হৈছে বিশ্বৰ বহুকেইখন দেশ আক্ৰান্ত হোৱা একধৰণৰ জটিল সমস্যা।
- দাৰিদ্ৰ্য দুইপ্ৰকাৰৰ- তুলনামূলক দাৰিদ্ৰ্য আৰু সম্পূৰ্ণ দাৰিদ্ৰ্য।
- দাৰিদ্ৰ্য সীমা হৈছে বিতৰণৰ ভিত্তিত স্থিৰ কৰা একপ্ৰকাৰৰ কাল্পনিক সীমা, যিডালে দেশৰ জনসংখ্যাক দৰিদ্ৰ আৰু অদৰিদ্ৰ বুলি বিভাজিত কৰে।
- চৰকাৰে স্বনিয়োজন আৰু মজুৰিভিত্তিক নিয়োগ উফয় প্ৰকাৰৰ দাৰিদ্ৰ্য নিৰ্মূলকৰণ আঁচনিৰ যোগেদি বহু বছৰ ধৰি দৰিদ্ৰতা নিৰ্মূলৰ চেষ্টা চলাই আছে।

০ ১৩.১০ অধিক জানিবলৈ

1] B.N. Ghosh and Rama Ghosh, 'Concise History of Economic Thought'. Himalaya Publishing House.
2] H.L.Bhatia, 'History of Economic Thought', Vikas publication.
3] P.K. Dhar, Indaian Economy, Kalyani Publications.
4] G. Datt and A. Mahajan, Indian Economy, S. Chand.

K ১৩.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ দৰিদ্ৰতা হৈছে মানুহে নিজৰ জীৱনৰ মৌলিক প্ৰয়োজনখিনিও পূৰণ কৰিব নোৱাৰা এটা অবস্থা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পৰ্কিত বা তুলনামূলক দৰিদ্ৰতা হৈছে মানুহৰ সৈতে মানুহৰ দৰিদ্ৰতাৰ তুলনা। এই তুলনা অঞ্চল বা দেশৰ মাজতো হয়। আনহাতে সম্পূৰ্ণ দৰিদ্ৰতা হৈছে দাৰিদ্ৰ সীমাৰ তলত কাম কৰা মুঠ লোকৰ অৱস্থা।

তুলনামূলক দৰিদ্ৰতাই জনসংখ্যাৰ জনসংখ্যাৰ বেলেগ বেলেগ ভাগৰ মাজত দৰিদ্ৰতাৰ স্থিতি বুজাত সহায় কৰে। আনহাতে সম্পূৰ্ণ দৰিদ্ৰতাই ভাৰতৰ দৰে দেশতহে কম উন্নত দেশত দেখা যায়। ইয়াত দৰিদ্ৰৰ সংখ্যা বহুত। সম্পূৰ্ণ দৰিদ্ৰতাই দুখীয়াৰ সংখ্যা গণনাত সহায় কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দাৰিদ্ৰ্য সীমাৰেখা হৈছে বিতৰণভিত্তিক সীমা যিডাল সীমাৰেখাই দেশৰ মানুহক দৰিদ্ৰ আৰু অ-দৰিদ্ৰ এই দুভাগত বিভক্ত কৰে।

M ১৩.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ভাৰতৰ দৰিদ্ৰতাৰ বৈশিষ্ট্যাৱলী চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতৰ গ্ৰাম্য দৰিদ্ৰতাৰ হাৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ভাৰত চৰকাৰে গ্ৰহণ কৰা দৰিদ্ৰতা নিৰ্মূলৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কে চমুকৈ আলোচনা কৰক।

*****

অধ্যায় ১৪ ঃ প্ৰৱজনকাৰী শ্ৰমিকসকলৰ ওপৰত ক'ভিড-১৯ ৰ প্ৰভাৱ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ প্ৰৱজনকাৰী শ্ৰমিকৰ ধাৰণা
১৪.৪ প্ৰৱজনকাৰী শ্ৰমিকসকলৰ ওপৰত ক'ভিড-১৯ ৰ প্ৰভাৱ
১৪.৫ প্ৰৱজনকাৰী শ্ৰমিকসকলৰ বাবে প্ৰশমনমূলক ব্যৱস্থাসমূহ
১৪.৬ পাঠটিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পাছত আপুনি —

- প্ৰৱজনকাৰী শ্ৰমিকৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- ক'ভিড-১৯ মহামাৰীৰ সময়ত প্ৰৱজনকাৰী শ্ৰমিকসকলে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানসমূহ বুজিব পাৰিব।
- প্ৰৱজনকাৰী শ্ৰমিকসকলৰ জীৱিকা, স্বাস্থ্য, শিক্ষা আৰু সামাজিক অৱস্থাৰ ওপৰত মহামাৰীৰ প্ৰভাৱ বিশ্লেষণ কৰিব পাৰিব।
- সংকটৰ সময়ত প্ৰৱজনকাৰী শ্ৰমিকসকলক সহায় কৰাৰ বাবে গ্ৰহণ কৰা চৰকাৰী আৰু অসামৰিক পদক্ষেপসমূহৰ মূল্যায়ন কৰিব পাৰিব।

১৪.২ পৰিচয়

ক'ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে প্ৰৱজনকাৰী শ্ৰমিকসকল তেওঁলোকৰ দুৰ্বল অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত পুনৰ নিজ গৃহভূমিলৈ উভতি আহিবলৈ বাধ্য হৈছিল। এওঁলোক আছিল দেশৰ বিভিন্ন চহৰত বসবাস কৰা আৰু কৰ্মৰত লাখ লাখ 'সৰ্বহাৰা' (proletariat) শ্ৰেণীৰ লোক। এই মহামাৰীৰ

ফলত অধিকাংশ জনসাধাৰণে তেওঁলোকৰ কৰ্মসংস্থাপন আৰু জীৱিকা হেৰুৱাব লগা হোৱাত তেওঁলোকে চৰম দুৰ্দশাৰ সম্মুখীন হৈছিল। ইয়াতকৈও অধিক দুৰ্ভাগ্যজনক বিষয় আছিল তেওঁলোকৰ প্ৰতি কৰা অমানৱীয় আচৰণ: আনকি এই শ্ৰমিকসকলৰ দেহত বীজাণুনাশক (disinfectant) ছটিওৱাৰ দৰে কৰুণ ঘটনাও সংঘটিত হৈছিল। এনে জটিল সন্ধিক্ষণত অসংখ্য প্ৰব্ৰজনকাৰী পৰিয়ালে শশ মাইল পথ খোজকাঢ়ি নিজ ঘৰলৈ যাত্ৰা কৰাৰ বাতৰি পোৱা গৈছিল, য'ত এক বৃহৎ সংখ্যক মহিলা প্ৰব্ৰজনকাৰীও অন্তৰ্ভুক্ত আছিল। প্ৰকৃততে, এনে পৰিস্থিতিত বহু বিশেষজ্ঞই মহিলাসকলক বিস্থাপনৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হোৱা শ্ৰেণী হিচাপে গণ্য কৰে। এই সন্দৰ্ভত এনে বহুতো দিশ আছে যাৰ বাবে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে দৈনন্দিন জীৱনৰ বিভিন্ন প্ৰত্যাহ্ৱানৰ মুখামুখি হয়। তেওঁলোকে বৰ্তমানো মজুৰিৰ অসমতা আৰু নিম্নমানৰ কৰ্ম পৰিৱেশৰ দৰে সমস্যাৰ সন্মুখীন হৈ আছে, যি তেওঁলোকৰ স্বাস্থ্য আৰু সৰ্বাংগীণ কল্যাণৰ বাবে অনুকূল নহয়। কাৰ্যতঃ, জীৱিকা নিৰ্বাহৰ বাবে সংগ্ৰাম কৰি থকা এই শ্ৰমিকসকল আটাইতকৈ বেছি প্ৰভাৱিত হৈছে, কিয়নো তেওঁলোকৰ বহুতে কাম হেৰুৱাইছে, নিজ গৃহভূমিলৈ পুনৰ প্ৰব্ৰজন কৰিছে আৰু নতুন পৰিৱেশত পুনৰ সংস্থাপনৰ বাবে সংগ্ৰাম কৰিছে। গতিকে, চৰকাৰী নীতিসমূহে এই দিশসমূহ বিবেচনা কৰাটো জৰুৰী আৰু এই আকস্মিক সংকটৰ সময়ত অংশীদাৰসকলে নীতি-নিৰ্ধাৰকসকলক কেনেধৰণৰ পৰামৰ্শ আগবঢ়াব বিচাৰে তথা এই পৰিস্থিতিসমূহ কেনেকৈ মোকাবিলা কৰিব লাগে, সেই বিষয়ে আমি এক সুনিশ্চিত সিদ্ধান্তত উপনীত হোৱাটো প্ৰয়োজন।

ভাৰতীয় সংবিধানৰ ১৪ নং অনুচ্ছেদ অনুসৰি, আইনৰ চকুত সকলো সমান আৰু সকলোকে সমান আইনী সুৰক্ষা প্ৰদান কৰাটো বাধ্যতামূলক। ১৫ আৰু ১৬ নং অনুচ্ছেদত মহিলা, শিশু আৰু অন্যান্য অনগ্ৰসৰ শ্ৰেণীৰ বাবে 'সুৰক্ষামূলক বৈষম্য' (Protective Discrimination) হিচাপে অতিৰিক্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে, যাতে তেওঁলোকে সমাজৰ উন্নত শ্ৰেণীৰ সৈতে সমমৰ্যাদা লাভ কৰিব পাৰে। মানুহৰ জীৱনৰ মৰ্যাদাৰ প্ৰতি সদায় সম্মান জনোৱা উচিত আৰু সেয়েহে সংবিধানত এনে কিছুমান ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে যাতে যিসকল লোকে শোষণ, অৱজ্ঞা আৰু দুৰ্বলতাৰ সন্মুখীন হৈছে, তেওঁলোক সুৰক্ষিত থাকে। পৰিৱৰ্তিত পৰিস্থিতি বা প্ৰয়োজনীয়তাৰ সৈতে খাপ খুৱাবলৈ আইন আৰু নীতিসমূহ সংশোধন বা পৰিৱৰ্তন কৰিব পাৰি। একেদৰে, ৩৮ নং অনুচ্ছেদে সামাজিক ন্যায় আৰু ৩৯ নং অনুচ্ছেদে অৰ্থনৈতিক সুযোগৰ সম-বিতৰণ তথা ৰাষ্ট্ৰীয় সম্পদৰ ন্যায়সংগত ভাগ-বতৰা সুনিশ্চিত কৰাৰ লগতে আৰ্তজনৰ বাবে বিনামূলীয়া সামাজিক ন্যায় আৰু আইনী সাহায্যৰ ব্যৱস্থা কৰে। তথাপিও, আজিৰ সময়তো বহু লোক এই আইনী ব্যৱস্থাসমূহৰ বিষয়ে অৱগত নহয়। প্ৰব্ৰজনকাৰী শ্ৰমিক, বিশেষকৈ মহিলা শ্ৰমিকসকলে যেতিয়া তেওঁলোকৰ জীৱনৰ মৰ্যাদাৰ প্ৰতি ভাবুকি অহাৰ দৰে পৰিস্থিতিৰ মুখামুখি হয়, তেতিয়া তেওঁলোকে জিলা বা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ৰ সহায় ল'ব পাৰে। উল্লেখযোগ্য যে, ৪১ নং অনুচ্ছেদে শিক্ষাৰ অধিকাৰ আৰু কৰ্মৰ অধিকাৰ প্ৰদান কৰে আৰু ৪৩ নং অনুচ্ছেদে মজুৰিৰ সমতা আৰু সমান কামৰ বাবে সমান দৰমহাৰ সুৰক্ষা নিশ্চিত কৰে। দেশৰ প্ৰতিগৰাকী নাগৰিকৰে কিছুমান মৌলিক কৰ্তব্য আছে আৰু ভাৰতীয় সংবিধানৰ নীতি অনুসৰি বিশেষকৈ মহিলা প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ সুৰক্ষা নিশ্চিত কৰাটো এক বাধ্যতামূলক দায়িত্ব। সকলোৰে প্ৰয়োজনীয়তা আৰু প্ৰত্যাশাক গুৰুত্ব দি আমি সৰ্বজনীন মূল্যবোধৰ পৰা শিক্ষা গ্ৰহণ কৰিব লাগিব, যিটো বৰ্তমান সময়ৰ এক অন্যতম দাবী।

এই গোটটোত আমি বিশেষকৈ বিশ্বজোৰা মহামাৰী ক'ভিড-১৯ ৰ সময়ত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে কেনেধৰণৰ বিবিধ সমস্যাৰ সন্মুখীন হৈছে, সেই বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰিম। লগতে, চৰকাৰী আৰু বেচৰকাৰী সংগঠনৰ লগতে সুশীল সমাজৰ সদস্যসকলে এনে ক্ষতিগ্ৰস্ত মহিলাসকলৰ সুৰক্ষা, প্ৰতিৰোধ আৰু কল্যাণমূলক নিৰাপত্তা নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও ইয়াত আলোকপাত কৰা হৈছে।

১৪.৩ প্ৰৱজনকাৰী শ্ৰমিকৰ ধাৰণা

প্ৰব্ৰজনকাৰী শ্ৰমিক হ'ল সেইসকল ব্যক্তি যিয়ে কৰ্মসংস্থাপন তথা উন্নত জীৱিকাৰ সন্ধানত এখন ঠাইৰ পৰা আন এখন ঠাইলৈ-দেশৰ অভ্যন্তৰতে হওক বা আন্তঃৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰিয়েই হওক-প্ৰব্ৰজন কৰে। এই প্ৰব্ৰজন প্ৰক্ৰিয়াটো অস্থায়ী, ঋতুভিত্তিক বা দীৰ্ঘম্যাদী হ'ব পাৰে আৰু ই মূলত অৰ্থনৈতিক প্ৰয়োজনীয়তা, স্থানীয় কৰ্মসংস্থাপনৰ অভাৱ, দৰিদ্ৰতা তথা আঞ্চলিক বৈষম্যৰ দ্বাৰা প্ৰভাৱিত হয়।

প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক সাধাৰণতে কৃষি, নিৰ্মাণ কাৰ্য, উৎপাদন খণ্ড, খনন কাৰ্য, ঘৰুৱা কাম, পৰিবহণ আৰু বিভিন্ন অসংগঠিত সেৱা খণ্ডত নিয়োজিত হোৱা দেখা যায়। অধিকাংশ প্ৰব্ৰজনকাৰী শ্ৰমিকে অসংগঠিত বা অনানুষ্ঠানিক খণ্ডত কৰ্মৰত হৈ থাকে, যিটো খণ্ডৰ মূল বৈশিষ্ট্যবোৰ হ'ল- নিম্ন মজুৰি, কৰ্মসংস্থাপনৰ অনিশ্চয়তা, প্ৰতিকূল কৰ্ম পৰিৱেশ আৰু সামাজিক সুৰক্ষাৰ আঁচনিসমূহৰ পৰা বঞ্চিত হোৱা বা ইয়াৰ সীমিত সুবিধা লাভ কৰা।

প্ৰব্ৰজনক মূলতঃ দুটা ভাগত শ্ৰেণীবিভাজন কৰিব পাৰি ঃ

(1) **আভ্যন্তৰীণ প্ৰব্ৰজন ঃ** (দেশৰ ভৌগোলিক সীমাৰ ভিতৰত হোৱা যাতায়ত, যেনে গ্ৰাম্য অঞ্চলৰ পৰা চহৰীয়া অঞ্চললৈ হোৱা প্ৰব্ৰজন বা আন্তঃৰাজ্যিক প্ৰব্ৰজন) আৰু (ii) আন্তঃৰাষ্ট্ৰীয় প্ৰব্ৰজনঃ (বিভিন্ন দেশৰ মাজত হোৱা যাতায়ত বা সীমা অতিক্ৰম কৰি কৰা প্ৰব্ৰজন)

উন্নয়নশীল অৰ্থনীতিসমূহৰ শ্ৰম শক্তিৰ (workforce) এক উল্লেখনীয় অংশ হ'ল আভ্যন্তৰীণ প্ৰব্ৰজনকাৰী শ্ৰমিকসকল। তেওঁলোকে দেশৰ নগৰীকৰণ, ঔদ্যোগিক বিকাশ আৰু অৰ্থনৈতিক উৎপাদনশীলতাৰ বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়।

অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়োৱা এনে ব্যাপক অৱদান স্বত্বেও, প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে প্ৰায়ে বহুমুখী প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰ ভিতৰত অপৰ্যাপ্ত বাসস্থানৰ সুবিধা, অসুৰক্ষিত কৰ্ম পৰিৱেশ, নিয়োগকৰ্তা বা ঠিকাদাৰৰ দ্বাৰা শোষণ, আইনী সুৰক্ষাৰ অভাৱ, স্বাস্থ্যসেৱা আৰু শিক্ষাৰ সীমিত সুযোগ তথা সামাজিক বৰ্জন (social exclusion) আদি অন্যতম। ইয়াৰ উপৰি, পৰিচয় পত্ৰৰ অভাৱ আৰু চৰকাৰী কল্যাণমূলক সুবিধাসমূহৰ স্থানান্তৰযোগ্যতাৰ (non-portability) যি সমস্যা, সেইয়াই তেওঁলোকৰ দুৰ্বল তথা অসুৰক্ষিত অৱস্থা অধিক বৃদ্ধি কৰে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১:প্ৰব্ৰজনকাৰী শ্ৰমিক বুলিলে কি বুজা যায়?

১৪.৪ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত ক'ভিড-১৯ ৰ প্ৰভাৱ

ক'ভিড-১৯ মহামাৰীয়ে এক অভূতপূৰ্ব বিশ্বজনীন স্বাস্থ্য আৰু অৰ্থনৈতিক সংকটৰ সৃষ্টি কৰিছিল, যিয়ে বিশেষকৈ প্ৰব্ৰজনকাৰী শ্ৰমিকৰ দৰে অসুৰক্ষিত শ্ৰেণীৰ লোকসকলক অসামঞ্জস্যপূৰ্ণভাৱে (disproportionately) প্ৰভাৱিত কৰিছিল। ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ নগৰীয়া আৰু অৰ্ধ-নগৰীয়া অৰ্থনীতিৰ শ্ৰম শক্তিৰ এক বৃহৎ অংশই হ'ল এই প্ৰব্ৰজনকাৰী শ্ৰমিকসকল। এই শ্ৰমিকসকল মূলতঃ অনানুষ্ঠানিক বা অসংগঠিত খণ্ডত নিয়োজিত আৰু তেওঁলোকে জীৱন নিৰ্বাহৰ বাবে দৈনিক বা স্বল্পম্যাদী মজুৰিৰ ওপৰত নিৰ্ভৰ কৰে। ক'ভিড-১৯ৰ আকস্মিক প্ৰাদুৰ্ভাৱ আৰু কঠোৰ তলাবন্ধৰ (lockdown) নীতি বলৱৎ কৰাৰ ফলত তেওঁলোকৰ জীৱিকা, যাতায়ত (mobility), স্বাস্থ্যসেৱাৰ সুযোগ আৰু সামাজিক সুৰক্ষা ব্যৱস্থা চৰমভাৱে ব্যাহত হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে, আমাৰ শ্ৰম বজাৰ আৰু সমাজ কল্যাণমূলক ব্যৱস্থাত গভীৰভাৱে শিপাই থকা গাঁথনিগত বৈষম্যসমূহ (structural inequalities) স্পষ্টভাৱে উন্মোচিত হৈছিল।

১) জীৱিকাৰ সংকট

কভিড-১৯ মহামাৰীয়ে এক অভূতপূৰ্ব বিশ্বজনীন স্বাস্থ্য আৰু অৰ্থনৈতিক সংকটৰ সৃষ্টি কৰিছিল, যিয়ে বিশেষকৈ প্ৰব্ৰজনকাৰী শ্ৰমিকৰ দৰে অসুৰক্ষিত শ্ৰেণীৰ লোকসকলক অসামঞ্জস্যপূৰ্ণভাৱে (disproportionately) প্ৰভাৱিত কৰিছিল। ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহৰ নগৰীয়া আৰু অৰ্ধ-নগৰীয়া অৰ্থনীতিৰ শ্ৰম শক্তিৰ এক বৃহৎ অংশই হল এই প্ৰব্ৰজনকাৰী শ্ৰমিকসকল। এই শ্ৰমিকসকল মূলতঃ অনানুষ্ঠানিক ব্য অসংগঠিত খণ্ডত নিয়োজিত আৰু তেওঁলোকে জীৱন নিৰ্বাহৰ বাবে দৈনিক বা স্বল্পম্যাদী মজুৰিৰ ওপৰত নিৰ্ভৰ কৰে। ক'ভিড-১৯ৰ আকস্মিক প্ৰাদুৰ্ভাৱ আৰু কঠোৰ তলাবন্ধৰ (lockdown) নীতি বলৱৎ কৰাৰ ফলত তেওঁলোকৰ জীৱিকা, যাতায়ত (mobility), স্বাস্থ্যসেৱাৰ সুযোগ আৰু সামাজিক সুৰক্ষা ব্যৱস্থা চৰমভাৱে ব্যাহত হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে, আমাৰ শ্ৰম বজাৰ আৰু সমাজ কল্যাণমূলক ব্যৱস্থাত গভীৰভাৱে শিপাই থকা গাঁথনিগত বৈষম্যসমূহ (structural inequalities) স্পষ্টভাৱে উন্মোচিত হৈছিল।

২) আৰ্থিক সংকট

নিয়োগৰ আকস্মিক অৱসানে প্ৰব্ৰজনকাৰী শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে এক গভীৰ আৰ্থিক সংকটৰ (income shock) সৃষ্টি কৰিলে। যিহেতু এই শ্ৰমিকসকলৰ অধিকাংশই দৈনিক মজুৰিৰ ওপৰত

নির্ভৰশীল আৰু তেওঁলোকৰ সঞ্চয় তেনেই নগণ্য, সেয়েহে তেওঁলোকে নিজৰ উপার্জনৰ এটা বৃহৎ অংশ গ্রাম্য অঞ্চলত থকা পৰিয়াললৈ প্রেৰণ কৰে, যিসকলে মৌলিক জীৱন ধাৰণৰ বাবে এই ধনৰ ওপৰত নির্ভৰ কৰে। উপার্জনৰ এনে আকস্মিক বন্ধই প্রব্রজনকাৰী আৰু তেওঁলোকৰ ওপৰত নির্ভৰশীল সদস্যসকলৰ বাবে তীব্র আর্থিক অনিশ্চয়তা কঢ়িয়াই আনিলে। সুস্থিৰ উপার্জনৰ উৎসৰ অভাৱত, শ্রমিকসকলে খাদ্য, বাসস্থান আৰু স্বাস্থ্যসেৱাৰ দৰে অত্যাৱশ্যকীয় সামগ্রীসমূহ আহৰণ কৰিবলৈ সংগ্রাম কৰিবলগীয়া হ'ল। ইয়াৰ ফলত তেওঁলোকে উচ্চ সুতৰ ঋণ লোৱা, ব্যক্তিগত সম্পত্তি বিক্রী কৰা অথবা দান-সাহায্যৰ ওপৰত নির্ভৰ কৰিবলৈ বাধ্য হল। পৰিণামস্বৰূপে, এই মহামাৰীয়ে এইসকল লোকৰ মাজত দৰিদ্রতাৰ হাৰ যথেষ্ট বৃদ্ধি কৰিলে আৰু দৰিদ্রতা দূৰীকৰণ তথা আর্থ-সামাজিক গতিশীলতাৰ ক্ষেত্রত যোৱা কেইবা বছৰত হোৱা অগ্রগতিক পুনৰ পাছলৈ ঠেলি দিলে।

৩) নিজ গৃহলৈ প্রত্যাৱর্তন

দেশজুৰি ঘোষণা কৰা তলাবন্ধই (lockdown) প্রব্রজনকাৰী শ্রমিকসকলৰ মাজত নিজ গাঁৱলৈ উভতি যোৱাৰ (reverse migration) এক অভূতপূর্ব পৰিস্থিতিৰ সৃষ্টি কৰিলে। চহৰ অঞ্চলত বৃদ্ধি পোৱা নিবনুৱা সমস্যা, খাদ্যৰ নাটনি আৰু অনিশ্চয়তাৰ বাবে এই শ্রমিকসকলে নিজৰ গাঁৱলৈ উভতি যাবলৈ বাধ্য হৈছিল। ৰাজহুৱা পৰিবহণ ব্যৱস্থা বন্ধ হৈ পৰাত লাখ লাখ শ্রমিক চহৰত আৱদ্ধ হৈ পৰে। চৰম দুৰৱস্থাত পৰি বহুতো শ্রমিকে খোজ কাঢ়ি, চাইকেল চলাই বা অতিৰিক্ত ভিৰ থকা বাহনত উঠি দীঘলীয়া যাত্রা আৰম্ভ কৰে; য'ত তেওঁলোকৰ সৈতে শিশু, গর্ভৱতী মহিলা আৰু বৃদ্ধ সদস্যসকলো আছিল। এই বৃহৎ পৰিমাণৰ জন-প্রব্রজনে এক মানৱীয় সংকটৰ সৃষ্টি কৰিলে, যাৰ ফলত শ্রমিকসকলে চৰম ক্লান্তি, ক্ষুধা, জলহীনতা আৰু দুর্ঘটনাত পতিত হোৱাৰ লগতে কিছুমান মর্মান্তিক ক্ষেত্রত প্রাণহানিৰো সম্মুখীন হ'ল। এই সংকটে নগৰ পৰিকল্পনা, শ্রমিক কল্যাণ ব্যৱস্থা আৰু জৰুৰীকালীন প্রস্তুতিৰ গুৰুতৰ ত্রুটিসমূহ উন্মোচিত কৰিলে, কিয়নো চহৰীয়া আন্তঃগাঁথনিসমূহে এই জৰুৰীকালিন সময়ছোৱাত প্রব্রজনকাৰী শ্রমিকসকলক পর্যাপ্ত আশ্রয়, খাদ্য বা যাতায়তৰ সুবিধা প্রদান কৰাত ব্যর্থ হৈছিল।

৪) স্বাস্থ্যজনিত বিপদ

ক'ভিড-১৯ মহামাৰীৰ সময়ত প্রব্রজনকাৰী শ্রমিকসকল অধিক স্বাস্থ্যজনিত বিপদৰ সম্মুখীন হৈছিল। তেওঁলোকৰ এক বৃহৎ সংখ্যকে জনাকীর্ণ বসতিস্থল, অস্থায়ী আশ্রয় শিবিৰ অথবা অস্বাস্থ্যকৰ পৰিৱেশ থকা সামুহিক বাসস্থানত বাস কৰিছিল। এনে জীৱন ধাৰণৰ পৰিস্থিতিয়ে সামাজিক দূৰত্ব বর্তাই ৰখা, সঘনাই হাত ধোৱা আৰু আইছলেচনৰ (isolation) দৰে প্রতিৰোধমূলক ব্যৱস্থাসমূহ পালন কৰাটো কার্যতঃ অসম্ভৱ কৰি তুলিছিল। ইয়াৰ উপৰিও, আর্থিক অনাতন, স্বাস্থ্য বীমাৰ অভাৱ, ভাষাৰ প্রতিবন্ধকতা আৰু সঠিক পৰিচয় পত্র বা বাসস্থানৰ নথিৰ অনুপস্থিতিৰ দৰে তন্ত্রগত বাধাৰ বাবে তেওঁলোকৰ স্বাস্থ্যসেৱাৰ সুযোগ অতি সীমিত আছিল। সামাজিক কলঙ্ক (stigma), বাধ্যতামূলক কোৱাৰেণ্টাইন বা চাকৰি হেৰুওৱাৰ

আশংকাই বহু শ্ৰমিকক চিকিৎসা সহায় বিচৰাৰ পৰা বিৰত ৰাখিছিল। পৰিণামস্বৰূপে, প্ৰব্জনকাৰী শ্ৰমিকসকল ক'ভিড-১৯ সংক্ৰমণ আৰু অন্যান্য চিকিৎসা নকৰা স্বাস্থ্যজনিত সমস্যাৰ চৰম বিপদৰ সম্মুখীন হৈছিল।

৫) খাদ্য সুৰক্ষাহীনতা

মহামাৰীৰ সময়ছোৱাত প্ৰব্জনকাৰী শ্ৰমিকসকলে সম্মুখীন হোৱা আটাইতকৈ গুৰুতৰ সমস্যাসমূহৰ ভিতৰত খাদ্য সুৰক্ষাহীনতা (food insecurity) অন্যতম আছিল। উপাৰ্জনৰ শূন্যতা আৰু ৰাজসাহায্যযুক্ত খাদ্য সামগ্ৰীৰ সীমিত উপলব্ধতাই শ্ৰমিকসকলৰ মাজত ব্যাপক ক্ষুধা আৰু পুষ্টিহীনতাৰ সৃষ্টি কৰিছিল। যদিও চৰকাৰে বিভিন্ন খাদ্য সাহায্য আঁচনি গ্ৰহণ কৰিছিল, প্ৰব্জনকাৰীসকলে প্ৰায়ে গন্তব্য ৰাজ্যসমূহত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ (PDS) সুবিধা লাভ কৰাৰ ক্ষেত্ৰত পদ্ধতিগত বাধাৰ সন্মুখীন হৈছিল। ইয়াৰ এক মুখ্য কাৰণ আছিল ৰেচন কার্ডৰ বহনযোগ্যতাৰ (portability) অভাৱ, যাৰ ফলত বহু প্ৰব্জনকাৰীয়ে নিজৰ গৃহ ৰাজ্যৰ বাহিৰত ৰাজসাহায্যযুক্ত খাদ্য সামগ্ৰী লাভৰ পৰা বঞ্চিত হৈছিল। বিশেষকৈ অকলশৰীয়া পুৰুষ শ্ৰমিক আৰু চহৰৰ বস্তি অঞ্চলত বাস কৰা পৰিয়ালসমূহৰ বাবে এই পৰিস্থিতি অধিক ভয়াৱহ আছিল। পৰিণামস্বৰূপে, দীৰ্ঘদিনীয়া খাদ্য সুৰক্ষাহীনতাই শ্ৰমিকসকলৰ লগতে বিশেষকৈ মহিলা আৰু শিশুসকলৰ পুষ্টিৰ স্তৰত এক বিৰূপ প্ৰভাৱ পেলাইছিল।

৬) সামাজিক আৰু মানসিক প্ৰভাৱ

আৰ্থিক আৰু শাৰীৰিক দুৰৱস্থাৰ উপৰিও, মহামাৰীটোৱে প্ৰব্জনকাৰী শ্ৰমিকসকলৰ ওপৰত গুৰুতৰ সামাজিক আৰু মানসিক প্ৰভাৱ (psychosocial ramifications) পেলাইছিল। কৰ্মসংস্থাপনহীনতা, ভৱিষ্যতৰ অনিশ্চয়তা, সংক্ৰমণৰ ভয় আৰু পৰিয়ালৰ পৰা দীৰ্ঘদিনীয়া বিচ্ছেদ হোৱাৰ ফলত তেওঁলোকৰ মাজত ব্যাপক মানসিক চাপ, উদ্বেগ (anxiety) আৰু বিষাদৰ (depression) সৃষ্টি হৈছিল। ইয়াৰ উপৰিও, বিস্থাপনৰ মৰ্মান্তিক অভিজ্ঞতা, দুৰ্বিষহ পৰিৱেশৰ মাজত কৰা দীৰ্ঘদিনীয়া যাত্ৰা আৰু সামাজিক বৰ্জনে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ সমস্যাসমূহ অধিক বৃদ্ধি কৰিছিল। চহৰীয়া অঞ্চলত মজবুত সামাজিক সমৰ্থনৰ অভাৱে শ্ৰমিকসকলৰ মাজত নিসংগতাবোধ আৰু অসহায়তাৰ ভাৱ তীব্ৰতৰ কৰি তুলিছিল। মানসিক স্বাস্থ্য সেৱাৰ সুবিধা প্ৰায় উপলব্ধ নোহোৱাৰ বাবে এই সংকটৰ সময়ত তেওঁলোকৰ মানসিক যন্ত্ৰণাসমূহ সমাধান নোহোৱাকৈয়ে ৰৈ গৈছিল।

৭) লিংগভিত্তিক প্ৰভাৱ

ক'ভিড-১৯ মহামাৰীয়ে প্ৰব্জনকাৰী মহিলা শ্ৰমিকসকলক অসমানুপাতিকভাৱে (disproportionately) প্ৰভাৱিত কৰিছিল। এই মহিলাসকলৰ এক বৃহৎ অংশ ঘৰুৱা সহায়িকা, বস্তু উদ্যোগৰ শ্ৰমিক, পথৰ কাষৰ বিক্ৰেতা বা শুশ্ৰূষাকাৰী হিচাপে নিয়োজিত আছিল-যিবোৰ পেছাত তীব্ৰ কৰ্মসংস্থাপনহীনতা দেখা গৈছিল। উপাৰ্জন হেৰুওৱাৰ উপৰিও, তলাবন্ধৰ প্ৰতিবন্ধকতাৰ বাবে অবৈতনিক পৰিচৰ্যা, শিশুৰ যত্ন আৰু ঘৰুৱা

পৰিচালনাৰ দৰে অতিৰিক্ত দায়িত্বৰ বোজা মহিলাসকলে বহন কৰিবলগীয়া হৈছিল। ইয়াৰ উপৰিও, প্ৰব্ৰজনকাৰী মহিলাসকল শোষণ, ঘৰুৱা হিংসা আৰু স্বাস্থ্যজনিত বিপদৰ অধিক সম্মুখীন হৈছিল। প্ৰজনন স্বাস্থ্যসেৱা আৰু সামাজিক সুৰক্ষা আঁচনিসমূহৰ সীমিত উপলব্ধতাই তেওঁলোকৰ সমস্যাসমূহ অধিক জটিল কৰি তুলিলে, যিয়ে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ মাজত বৰ্তমান থকা লিংগ বৈষম্যক (gender inequalities) পুনৰ স্পষ্ট কৰি তুলিলে।

৮) সংৰচনাত্মক অসমতা

ক'ভিড-১৯ মহামাৰীয়ে প্ৰব্ৰজনকাৰী শ্ৰমিকৰ সৈতে জড়িত দীৰ্ঘদিনীয়া সংৰচনাত্মক সমস্যাসমূহ (structural issues) স্পষ্টকৈ উন্মোচিত কৰিলে, যাৰ ভিতৰত আছিল ব্যাপক সামাজিক সুৰক্ষাৰ অভাৱ, শ্ৰমিক আইনৰ দুৰ্বল প্ৰয়োগ, সুলভ বাসস্থানৰ নাটনি আৰু প্ৰব্ৰজনকাৰী জনসংখ্যা সম্পৰ্কীয় অপৰ্যাপ্ত তথ্য। নগৰীয়া অৰ্থনীতিলৈ তেওঁলোকৰ গুৰুত্বপূৰ্ণ অৱদান থকা স্বত্বেও, নীতি-নিৰ্ধাৰণৰ ক্ষেত্ৰত প্ৰব্ৰজনকাৰী শ্ৰমিকসকল এতিয়াও বহু পৰিমাণে উপেক্ষিত হৈ আছে। এই সংকটে এনে এক অন্তৰ্ভুক্তিমূলক উন্নয়নমূলক নীতিৰ (inclusive development policies) জৰুৰী প্ৰয়োজনীয়তা প্ৰকাশ কৰিলে যিয়ে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক অৰ্থনৈতিক বিকাশৰ অপৰিহাৰ্য অংশীদাৰ হিচাপে স্বীকৃতি দিয়ে আৰু তেওঁলোকৰ অধিকাৰ, মৰ্যাদা তথা কল্যাণ নিশ্চিত কৰে।

৯) চৰকাৰী পদক্ষেপ

এই সংকটৰ মোকাবিলা কৰিবলৈ চৰকাৰসমূহে কেইবাটাও সাহায্যমূলক পদক্ষেপ গ্ৰহণ কৰিছিল, যাৰ ভিতৰত আছিল সৰ্বজনীন খাদ্য বিতৰণ, পোনপটীয়া নগদ ধন হস্তান্তৰ, কৰ্মসংস্থাপন সৃষ্টিৰ আঁচনি আৰু বিশেষ পৰিবহণ ব্যৱস্থা। বিশেষকৈ ভাৰতৰ প্ৰেক্ষাপটত, প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক সহায় কৰিবলৈ বিনামূলীয়া ৰেচন আঁচনি, 'শ্ৰমিক স্পেচিয়েল ৰেল সেৱা, জৰুৰীকালীন আশ্ৰয় আৰু 'এক দেশ, এক ৰেচন কার্ড আঁচনিৰ দৰে পদক্ষেপসমূহ কার্যকৰী কৰা হৈছিল। যদিও এই ব্যৱস্থাসমূহে শ্ৰমিকসকলক আংশিক সকাহ দিছিল, তথাপিও হিতাধিকাৰীৰ পৰিচয় নিশ্চিতকৰণ, নথি-পত্ৰৰ জটিলতা আৰু সজাগতাৰ অভাৱৰ দৰে পদ্ধতিগত প্ৰত্যাহ্বানসমূহে এই আঁচনিসমূহৰ সফলতা সীমিত কৰি তুলিছিল। প্ৰশাসনিক বাধাৰ ফলত এতিয়াও এক বৃহৎ সংখ্যক প্ৰব্ৰজনকাৰী শ্ৰমিকে চৰকাৰী সুবিধাসমূহৰ সম্পূৰ্ণ লাভ উঠাবলৈ সক্ষম হোৱা নাছিল।

১০) দীৰ্ঘম্যাদী প্ৰভাৱ

প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত কাভিড-১৯ মহামাৰীৰ দীৰ্ঘম্যাদী প্ৰভাৱসমূহৰ ভিতৰত আছে বৰ্ষিত ঋণগ্ৰস্ততা, দক্ষতাৰ অৱক্ষয়, শিশুৰ শিক্ষাৰ ব্যাঘাত আৰু প্ৰব্ৰজনৰ ধৰণত হোৱা পৰিৱৰ্তন। দীৰ্ঘদিনীয়া নিবনুৱা সমস্যা আৰু অনিশ্চয়তাই বহু শ্ৰমিকক চহৰলৈ উভতি যোৱাৰ ক্ষেত্ৰত দ্বিধাগ্ৰস্ত কৰি তুলিছে, যাৰ

ফলত শ্ৰমিকৰ যোগান ব্যাহত হৈছে আৰু অৰ্থনৈতিক পুনৰুদ্ধাৰৰ গতি লেহেমীয়া হৈছে। এই মহামাৰীয়ে ভৱিষ্যতৰ যিকোনো সংকটৰ পৰা প্ৰব্জনকাৰী শ্ৰমিকসকলক সুৰক্ষিত কৰিবলৈ এক শক্তিশালী শ্ৰম ব্যৱস্থা, উন্নত সামাজিক সুৰক্ষা তন্ত্ৰ আৰু বহনক্ষম জীৱিকাৰ সুযোগৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। প্ৰকৃততে, কাভিড-১৯ মহামাৰীয়ে প্ৰব্জনকাৰী শ্ৰমিকসকলৰ ওপৰত এক বিধ্বংসী আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল, যিয়ে তেওঁলোকৰ নিয়োগ আৰু জীৱন ধাৰণৰ পৰিস্থিতিৰ চৰম অনিশ্চয়তা (precarious nature) উন্মোচিত কৰিলে। শ্ৰমিকৰ অধিকাৰ শক্তিশালী কৰা, সামাজিক সুৰক্ষা নিশ্চিত কৰা, স্বাস্থ্যসেৱাৰ সুবিধা উন্নত কৰা আৰু প্ৰব্জনকাৰী-অনুকূল কল্যাণমূলক ব্যৱস্থা গঢ়ি তোলাৰ গুৰুত্বক এই সংকটে পুনৰ প্ৰতিষ্ঠা কৰিলে। এক অধিক সমতাপূৰ্ণ আৰু স্থিতিস্থাপক (resilient) সমাজ গঠনৰ বাবে অন্তৰ্ভুক্তিমূলক আৰু দীৰ্ঘম্যাদী নীতি সংস্কাৰৰ জৰিয়তে এই প্ৰত্যাহ্বানসমূহৰ সমাধান কৰাটো অপৰিহাৰ্য।

W অগ্ৰগতিৰ নিৰীক্ষণ

২: ক'ভিড-১৯ মহামাৰীয়ে প্ৰব্জনকাৰী শ্ৰমিকসকলৰ নিয়োগ আৰু উপাৰ্জনৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল?

৩: তলাবন্ধৰ (lockdown) সময়ছোৱাত প্ৰব্জনকাৰী শ্ৰমিকসকলে সম্মুখীন হোৱা মুখ্য প্ৰত্যাহ্বানসমূহ কি কি আছিল?

৪: ক'ভিড-১৯ মহামাৰীয়ে প্ৰব্জনকাৰী শ্ৰমিকসকলৰ সৈতে জড়িত তন্ত্ৰগত বা গাঁথনিগত বৈষম্যসমূহক কেনেধৰণে উন্মোচিত কৰিছিল?

১৪.৫ প্ৰব্জনকাৰী শ্ৰমিকসকলৰ বাবে প্ৰশমনমূলক ব্যৱস্থাসমূহ

ক'ভিড-১৯ মহামাৰীয়ে প্ৰব্জনকাৰী শ্ৰমিকসকলৰ চৰম বিপন্নতা আৰু অনিশ্চিত অৱস্থাক উন্মোচিত কৰিলে আৰু সংকটৰ সময়ত তেওঁলোকৰ জীৱিকা, স্বাস্থ্য আৰু মৰ্যাদা সুৰক্ষিত কৰিবলৈ সৰ্বাত্মক প্ৰশমনমূলক ব্যৱস্থাৰ (mitigation measures) জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে। এনে প্ৰশমনৰ সফলতা চৰকাৰ, অসামৰিক সামাজিক সংগঠন, নিয়োগকৰ্তা আৰু স্থানীয় জনসমষ্টিৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰশীল। তলত উল্লেখ কৰা পদক্ষেপসমূহে ভৱিষ্যতৰ জৰুৰীকালীন পৰিস্থিতিত প্ৰব্জনকাৰী শ্ৰমিকসকলৰ ওপৰত পৰিব পৰা বিৰূপ প্ৰভাৱসমূহ হ্ৰাস কৰাৰ বাবে প্ৰয়োজনীয় মূল কৌশলসমূহ দাঙি ধৰিছে।

১) চৰকাৰী সাহায্য

বিশ্বজুৰি চৰকাৰসমূহে মহামাৰীৰ সময়ত প্ৰব্জনকাৰী শ্ৰমিকসকলৰ তাৎক্ষণিক প্ৰয়োজনীয়তাসমূহ পূৰণ

কৰিবলৈ জৰুৰীকালীন সাহায্য পেকেজসমূহ কার্যকৰী কৰিছিল। এই ব্যৱস্থাসমূহৰ ভিতৰত আছিল অত্যাৱশ্যকীয় খাদ্যশস্য বিতৰণ, পোনপটীয়া নগদ ধন হস্তান্তৰ, ৰাজসাহায্যযুক্ত ৰন্ধন গেছ আৰু সাময়িক আয়ৰ সমর্থন। ভাৰতৰ প্রেক্ষাপটত, প্রধানমন্ত্রী গৰিব কল্যাণ যোজনা (PMGKY), ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ (PDS) জৰিয়তে বিনামূলীয়া ৰেচন বিতৰণ আৰু মনৰেগা (MGNREGA) আঁচনিৰ অধীনত কর্মসংস্থাপনৰ সুযোগ বৃদ্ধিয়ে প্রৱজনকাৰী পৰিয়ালসমূহক অপৰিহার্য হ্রস্বকালীন সকাহ প্রদান কৰিছিল। যিহেতু এনে পদক্ষেপসমূহ অধিক ফলপ্রসূ কৰিবলৈ সাহায্য ব্যৱস্থাসমূহ সময়োপযোগী, পর্যাপ্ত পুঁজিযুক্ত আৰু অন্তর্ভুক্তিমূলক হোৱাটো প্রয়োজনীয়। প্রৱজনকাৰী শ্রমিকসকলৰ সঠিক চিনাক্তকৰণ নিশ্চিত কৰা, প্রশাসনিক প্রক্রিয়াসমূহ সৰল কৰা আৰু অন্তিম পর্যায়ৰ সেৱা বিতৰণ ব্যৱস্থাৰ (last-mile delivery) উন্নতি সাধন কৰাটো প্রৱজনকাৰী জনসংখ্যাৰ আটাইতকৈ দুর্বল শ্রেণীৰ ওচৰ পোৱাৰ বাবে অতি গুৰুত্বপূর্ণ।

২) সামাজিক সুৰক্ষা

মহামাৰীয়ে প্রৱজনকাৰী শ্রমিকসকলৰ বাবে সর্বাত্মক আৰু বহনযোগ্য (portable) সামাজিক সুৰক্ষা ব্যৱস্থাৰ অভাৱ স্পষ্টকৈ উন্মোচিত কৰিলে। সামাজিক সুৰক্ষা শক্তিশালী কৰিবলৈ সর্বজনীন আৰু স্থান-নিৰপেক্ষ কল্যাণমূলক ব্যৱস্থা গঢ়ি তোলাটো অত্যন্ত প্রয়োজনীয়। 'এক দেশ, এক ৰেচন কার্ড'ৰ দৰে আঁচনিয়ে প্রৱজনকাৰী শ্রমিকসকলক তেওঁলোকৰ কর্মস্থান নির্বিশেষে ৰাজসাহায্যযুক্ত খাদ্যসামগ্রী লাভৰ সুবিধা প্রদান কৰিছে, যাৰ ফলত খাদ্য সুৰক্ষাহীনতা হ্রাস পাইছে। ইয়াৰ উপৰিও, স্বাস্থ্য বীমা, দুর্ঘটনা বীমা, পেঞ্চন আঁচনি আৰু মাতৃত্বকালীন সুবিধাৰ পৰিসৰ বৃদ্ধি কৰিলে প্রৱজনকাৰী শ্রমিকসকলক দীর্ঘম্যাদী সুৰক্ষা প্রদান কৰিব পৰা যাব। শ্রমিকসকলক ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্যায়ৰ তথ্যভাণ্ডাৰত (database) পঞ্জীয়ন কৰাটো তেওঁলোকক বিভিন্ন কল্যাণমূলক আঁচনিত অন্তর্ভুক্ত কৰিবলৈ আৰু ফলপ্রসূ নীতি পৰিকল্পনাৰ বাবে অতিশয় গুৰুত্বপূর্ণ।

৩) যাতায়ত ব্যৱস্থা

তলাবন্ধৰ প্রাৰম্ভিক পর্যায়ত পৰিকল্পিত যাতায়ত বা গতিশীলতা ব্যৱস্থাৰ অভাৱে প্রৱজনকাৰী শ্রমিকসকলৰ বাবে চৰম দুর্ভোগ কঢ়িয়াই আনিছিল। যদিও পিছলৈ তেওঁলোকক নিজ ৰাজ্যলৈ ওভতাই পঠিয়াবলৈ বিশেষ ৰেল আৰু বাছৰ ব্যৱস্থা কৰা হৈছিল, তথাপিও এই বিলম্বই মানৱীয় সংকটটো অধিক তীব্র কৰি তুলিছিল। ভৱিষ্যতৰ প্রশমনমূলক কৌশলসমূহে জৰুৰীকালীন অৱস্থাত নিৰাপদ, সময়োপযোগী আৰু মর্যাদাপূর্ণ পৰিবহণ ব্যৱস্থাক অগ্রাধিকাৰ দিব লাগিব। ইয়াৰ ভিতৰত সংকটকালীন যাতায়তৰ বাবে 'ষ্টেণ্ডার্ড অপাৰেটিং প্রচিডিউৰ' (SOP) নির্ধাৰণ কৰা, পর্যাপ্ত সুবিধা থকা অস্থায়ী আশ্রয় শিবিৰ স্থাপন কৰা আৰু প্রেৰণকাৰী তথা গ্রহণকাৰী ৰাজ্যসমূহৰ মাজত সমন্বয় নিশ্চিত কৰা অন্তর্ভুক্ত। এনে পদক্ষেপে প্রৱজনকাৰী শ্রমিকসকলক অসুৰক্ষিত যাতায়তৰ পৰা ৰক্ষা কৰিব পাৰে আৰু তেওঁলোকৰ শাৰীৰিক তথা মানসিক যন্ত্রণা হ্রাস কৰিব পাৰে।

৪) জীৱিকাৰ ব্যৱস্থা

প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত সংকটৰ দীৰ্ঘম্যাদী প্ৰভাৱ হ্ৰাস কৰাৰ বাবে বহনক্ষম জীৱিকাৰ (sustainable livelihood) সুযোগ সৃষ্টি কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। গ্ৰামা আৰু চহৰীয়া উভয় অঞ্চলতে ৰাজহুৱা কৰ্মসংস্থাপন আঁচনিসমূহৰ সম্প্ৰসাৰণে তাৎক্ষণিকভাৱে উপাৰ্জনৰ সুবিধা প্ৰদান কৰিব পাৰে। গ্ৰাম্য নিয়োগ আঁচনিসমূহ শক্তিশালী কৰা, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহক (MSME) উদগনি দিয়া আৰু স্থানীয় উদ্যোগিতাক (entrepreneurship) উৎসাহিত কৰিলে চহৰমুখী প্ৰব্ৰজনৰ ওপৰত থকা অত্যধিক নিৰ্ভৰশীলতা হ্ৰাস কৰিব পৰা যাব। বজাৰৰ চাহিদাৰ সৈতে সংগতি ৰাখি কৌশল বিকাশ আৰু পুনৰ-দক্ষতা (reskilling) বৃদ্ধিৰ পদক্ষেপে শ্ৰমিকসকলৰ নিয়োগযোগ্যতা আৰু উপাৰ্জনৰ স্থিৰতা বৃদ্ধি কৰিব পাৰে। ডিজিটেল দক্ষতা, বৃত্তিমূলক প্ৰশিক্ষণ আৰু প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থাই প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক পৰিৱৰ্তিত শ্ৰম বজাৰৰ সৈতে খাপ খুৱাই লোৱাত আৰু উন্নত কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰাত সহায় কৰিব পাৰে।

৫) স্বাস্থ্যকৰ বাসস্থান

অস্বাস্থ্যকৰ আৰু জনাকীৰ্ণ বাসস্থানে মহামাৰীৰ সময়ত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বিপদাপন্নতা বা বিপন্নতা (vulnerability) বহুগুণে বৃদ্ধি কৰিছিল। সুলভ ভাড়াঘৰ, শ্ৰমিক হোষ্টেল আৰু বিশুদ্ধ পানী, অনাময় তথা বিদ্যুৎ সেৱাৰ দৰে মৌলিক পৌৰ সুবিধাসমূহ নিশ্চিত কৰাটো জৰুৰীকালীন সময়ত স্বাস্থ্যৰ বিপদ হ্ৰাস কৰাৰ বাবে অতি আৱশ্যক। নগৰ পৰিকল্পনাৰ নীতিসমূহে প্ৰব্ৰজনকাৰী-অনুকূল গৃহ নিৰ্মাণৰ সমাধানসমূহ অন্তৰ্ভুক্ত কৰা উচিত আৰু কম খৰচী গৃহ নিৰ্মাণৰ বাবে ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বক (PPP) উদগনি দিয়া উচিত। উন্নত জীৱন ধাৰণৰ পৰিৱেশে কেৱল স্বাস্থ্য আৰু নিৰাপত্তাৰ উন্নতি সাধন নকৰে, বৰঞ্চ ই উৎপাদনশীলতা আৰু সামগ্ৰিক কল্যাণকো বৃদ্ধি কৰে।

৬) সম্প্ৰদায়ৰ সহযোগিতা

মহামাৰীৰ সময়ত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক সহায় কৰাৰ ক্ষেত্ৰত অসামৰিক সমাজ সংগঠন (CSO), বেচৰকাৰী সংস্থা (NGO), স্থানীয় সামুহিক গোট আৰু স্বেচ্ছাসেৱকসকলে এক অপৰিহাৰ্য ভূমিকা পালন কৰিছিল। যেতিয়া চৰকাৰী বা আনুষ্ঠানিক ব্যৱস্থাসমূহ সংকটৰ বোজাত ভাৰাক্ৰান্ত হৈ পৰিছিল, তেতিয়া এই সংগঠনসমূহে খাদ্য, স্বাস্থ্যসেৱা, আইনী সাহায্য, পৰিবহণৰ সুবিধা আৰু মনো-সামাজিক পৰামৰ্শ (psychological counseling) প্ৰদান কৰিছিল। তৃণমূল পৰ্যায়ৰ প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰা আৰু চৰকাৰ তথা অসামৰিক সমাজৰ মাজত সহযোগিতাক উদগনি দিয়াটো জৰুৰীকালীন সঁহাৰি ব্যৱস্থাক (crisis response mechanism) অধিক উন্নত কৰাৰ বাবে গুৰুত্বপূৰ্ণ। সামূহিক অংশগ্ৰহণে সমাজত বিশ্বাস গঢ়ি তোলাত সহায় কৰে, সাংস্কৃতিকভাৱেৰ সংবেদনশীল পদক্ষেপসমূহ নিশ্চিত কৰে আৰু সাহায্য অভিযানৰ ফলপ্ৰসূতা বৃদ্ধি কৰে।

৭) **মানসিক স্বাস্থ্যৰক্ষা**

প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত পৰা মহামাৰীৰ মনস্তাত্ত্বিক প্ৰভাৱ (psychological impact) আছিল অত্যন্ত গভীৰ, যিটো প্ৰায়ে নীতি-নিৰ্ধাৰণৰ ক্ষেত্ৰত অৱহেলিত হৈ ৰৈছিল। সুলভ পৰামৰ্শদান সেৱা, হেল্পলাইন, সজাগতা অভিযান আৰু সহকৰ্মী সমৰ্থন কাৰ্যসূচীৰ (peer suhport) জৰিয়তে এই মানসিক স্বাস্থ্যৰ সমস্যাসমূহ সমাধান কৰাটো শ্ৰমিকসকলৰ সামগ্ৰিক পুনৰুদ্ধাৰৰ বাবে অপৰিহাৰ্য। সামাজিক কলঙ্ক (stigma) দুৰ কৰি, সেৱাসমূহৰ সম-সুবিধা নিশ্চিত কৰি আৰু অৰ্থনৈতিক বিকাশত শ্ৰমিকসকলৰ অৱদানক আনুষ্ঠানিক স্বীকৃতি দি তেওঁলোকৰ মৰ্যাদা আৰু আত্মবিশ্বাস ঘূৰাই আনিব পৰা যাব। প্ৰব্ৰজনকাৰী শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰা আৰু সামাজিক সংহতি বৃদ্ধি কৰা অন্তৰ্ভুক্তিমূলক নীতিসমূহ ভৱিষ্যতৰ সংকটৰ বিৰুদ্ধে স্থিতিস্থাপকতা (resilience) গঢ়ি তোলাৰ বাবে অতি গুৰুত্বপূৰ্ণ।

সামৰণিত ক'ব পাৰি যে, ক'ভিড-১৯ৰ দৰে সংকটৰ প্ৰভাৱ প্ৰশমন কৰিবলৈ কেৱল হ্ৰস্বকালীন সাহায্যৰ পৰিৱৰ্তে এক সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক দৃষ্টিভংগীৰ প্ৰয়োজন। সামাজিক সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা, নিৰাপদ যাতায়ত নিশ্চিত কৰা, বহনক্ষম নিয়োগ সৃষ্টি কৰা, জীৱন ধাৰণৰ পৰিৱেশ উন্নত কৰা আৰু সামাজিক অন্তৰ্ভুক্তিকৰণক উদগনি দিয়াটো এক ফলপ্ৰসূ প্ৰশমন কৌশলৰ মূল উপাদান। এই ব্যৱস্থাসমূহক আনুষ্ঠানিক বা তন্ত্ৰগত ৰূপ দি চৰকাৰ আৰু সমাজসমূহে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক অধিক উন্নত সুৰক্ষা প্ৰদান কৰিব পাৰে আৰু এক অধিক সমতাপূৰ্ণ তথা শক্তিশালী উন্নয়নমূলক আন্তঃগাঁথনি নিশ্চিত কৰিব পাৰে।

W অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৫ঃ ক'ভিড-১৯ মহামাৰীৰ দৰে সংকটৰ সময়ত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলক সুৰক্ষিত কৰিবলৈ প্ৰয়োজনীয় মূল প্ৰশমনমূলক ব্যৱস্থা (mitigation measures) সমূহ কি কি?

2 ১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তলাবন্ধৰ আকস্মিক প্ৰয়োগৰ ফলত নিৰ্মাণ, উৎপাদন, আতিথ্য আৰু ঘৰুৱা কামৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহ বন্ধ হৈ পৰিছিল, যাৰ ফলত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ মাজত ব্যাপক নিবনুৱা সমস্যাই দেখা দিছিল।
- নিয়মিত উপাৰ্জনৰ অভাৱ আৰু নগণ্য সঞ্চয়ৰ বাবে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে গভীৰ আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হৈছিল, যাৰ ফলত বহু পৰিয়াল দৰিদ্ৰতা আৰু ঋণৰ গ্ৰাসত পৰিছিল।
- পৰিবহণ সেৱা বন্ধ হৈ পৰাত শ্ৰমিকসকল অসুৰক্ষিত আৰু মৰ্যাদাহীনভাৱে নিজ গৃহলৈ উভতি যাবলৈ

বাধ্য হৈছিল, যাৰ ফলত এক চৰম মানৱীয় সংকটৰ সৃষ্টি হৈছিল।

- উপার্জনহীনতা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ (PDS) সীমিত উপলব্ধতাৰ বাবে শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ মাজত ব্যাপক খাদ্য সু�ৰক্ষাহীনতা আৰু পুষ্টিহীনতাই দেখা দিছিল।
- জনাকীর্ণ বাসস্থান আৰু অস্বাস্থ্যকৰ পৰিৱেশে শ্ৰমিকসকলক ক'ভিড-১৯ আৰু অন্যান্য স্বাস্থ্যজনিত বিপদৰ প্ৰতি অধিক সংবেদনশীল কৰি তুলিছিল।
- ভৱিষ্যতৰ অনিশ্চয়তা, সংক্ৰমণৰ ভয় আৰু সামাজিক বিচ্ছিন্নতাই শ্ৰমিকসকলৰ মাজত উদ্বেগ, মানসিক চাপ আৰু বিষাদৰ দৰে গুৰুত্বপূর্ণ মানসিক স্বাস্থ্যৰ সমস্যাৰ সৃষ্টি কৰিছিল।
- প্ৰব্ৰজনকাৰী মহিলা শ্ৰমিকসকলে অসমানুপাতিকভাৱে কর্মসংস্থাপন হেৰুওৱাৰ লগতে ঘৰুৱা কামৰ অতিৰিক্ত বোজা আৰু শোষণৰ বলি হ'বলগীয়া হৈছিল।
- ডিজিটেল বিভাজন আৰু প্ৰব্ৰজনৰ ফলত সৃষ্টি হোৱা অস্থিৰতাই শিশুসকলৰ শিক্ষাত ব্যাঘাত জন্মাইছিল আৰু স্কুলীয়া শিক্ষা আধাতে এৰাৰ সম্ভাৱনা বৃদ্ধি কৰিছিল।
- বহনযোগ্য (portable) সামাজিক সুৰক্ষাৰ অভাৱত বহু শ্ৰমিকে তেওঁলোকৰ কর্মস্থানত চৰকাৰী সাহায্য লাভৰ পৰা বঞ্চিত হৈছিল।
- এই মহামাৰীয়ে শ্ৰমিক সুৰক্ষা, বাসস্থানৰ অৱস্থা আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত থকা গভীৰ তন্ত্ৰগত বৈষম্যসমূহ উদঙাই দিলে। দক্ষতাৰ অৱক্ষয় আৰু ঋণগ্ৰস্ততাৰ দৰে দীর্ঘম্যাদী পৰিণামসমূহে শ্ৰমিকসকলক পুনৰ চহৰলৈ উভতি যোৱাত বাধা দিছে আৰু অর্থনৈতিক পুনৰুদ্ধাৰৰ গতি লেহেমীয়া কৰিছে।
- বিনামূলীয়া খাদ্য বিতৰণ আৰু পোনপটীয়া নগদ ধন হস্তান্তৰৰ দৰে চৰকাৰী পদক্ষেপসমূহ সংকটৰ সময়ত শ্ৰমিকৰ মৌলিক প্ৰয়োজনীয়তা পূৰণৰ বাবে অপৰিহার্য।
- ৰেচন কার্ডৰ বহনযোগ্যতা আৰু শ্ৰমিক পঞ্জীয়নৰ দৰে ব্যৱস্থাসমূহে যিকোনো স্থানতে সামাজিক সুৰক্ষাৰ সুবিধা লাভটো নিশ্চিত কৰে।
- জৰুৰীকালীন অৱস্থাত শ্ৰমিকৰ মর্যাদাপূর্ণ যাতায়ত নিশ্চিত কৰিবলৈ পৰিকল্পিত পৰিবহণ ব্যৱস্থা আৰু আন্তঃৰাজ্যিক সমন্বয়ৰ প্ৰয়োজন।
- ৰাজহুৱা কর্মসংস্থাপন আঁচনিৰ সম্প্ৰসাৰণ আৰু MSME খণ্ডক উদগনি দিলে জীৱিকাৰ পুনৰুদ্ধাৰ হোৱাৰ লগতে চহৰমুখী প্ৰব্ৰজন হ্ৰাস পাব।
- বজাৰৰ চাহিদা অনুযায়ী বৃত্তিমূলক শিক্ষা আৰু দক্ষতা বিকাশে শ্ৰমিকসকলৰ নিয়োগযোগ্যতা বৃদ্ধি কৰাত সহায় কৰে।
- সুলভ ভাড়াঘৰ আৰু শ্ৰমিক হোষ্টেলৰ দৰে ব্যৱস্থাই স্বাস্থ্যৰ বিপদ হ্ৰাস কৰাৰ লগতে শ্ৰমিকৰ নিৰাপত্তা নিশ্চিত কৰে।
- স্বাস্থ্য বীমা আৰু স্বাস্থ্য সজাগতা কার্যসূচীয়ে শ্ৰমিকসকলক স্বাস্থ্যজনিত জৰুৰীকালীন অৱস্থাৰ পৰা সুৰক্ষিত কৰে।

- বেচৰকাৰী সংস্থা আৰু স্বেচ্ছাসেৱকৰ অংশগ্ৰহণে আইনী আৰু মনস্তাত্ত্বিক সহায় আগবঢ়োৱাৰ লগতে সাহায্য বিতৰণ ব্যৱস্থাটো শক্তিশালী কৰে।
- মানসিক স্বাস্থ্যৰ পৰামৰ্শদান আৰু অন্তৰ্ভুক্তিমূলক সামাজিক নীতিয়ে শ্ৰমিকসকলৰ মৰ্যাদা আৰু আত্মবিশ্বাস পুনৰুদ্ধাৰত সহায় কৰে।
- শ্ৰমিক আইন শক্তিশালী কৰা আৰু প্ৰব্ৰজন সম্পৰ্কীয় তথ্য ব্যৱস্থাৰ উন্নতি সাধন কৰাটো দীৰ্ঘম্যাদী সুৰক্ষাৰ বাবে অতি প্ৰয়োজনীয়।

১৪.৭ অধিক জানিবলৈ

1. Breman, J. [2021). On Pauperism in Present and Past. Oxford University Press.
2. Chakraborty, L. & Thomas, E. [2020). The COVID-19 Pandemic and the Indian Economy. National Institute of Public Finance and Policy.
3. Ministry of Labour and Employment, Government of India [2020-2021). Report on Inter-State Migrant Workers during COVID-19.
4. NITI Aayog (2020). Migrant Labourers and COVID-19Ê. Policy Response and Way Forward.
5. Planning Commission of India (2011). Report of the Working Group on Migration.
6. International Labour Organization [ILO] (2020). COVID-19 and the World of Work:. Impact and Policy Responses.
7. World Bank (2020) COVID-19 Crisis Through a Migration Lens.
8. United Nations (2020) Policy Brief:. COVID-19 and People on the Move.
9. Srivastava, R.(202) ‘‘Understanding Circular Migration in India:. Its Nature and Dimensions.‘‘ Indian Journal of Labour Economics.
10. Gupta, A. & Mitra, A. (2020) ‘‘Migration, Vulnerability and COVID-19 in India.‘‘Economic and Political Weekly..
11. Oxfam India (2020) .India’s Unequal Recovery:. Impact of COVID-19 on Migrant Workers.

K ১৪.৮ অগ্রগতিৰ খতিয়ান

প্রশ্ন 1–1 উত্তৰ: প্রব্রজনকাৰী শ্রমিকসকল হ'ল সেইসকল ব্যক্তি যিয়ে জীৱিকাৰ উন্নত সুযোগ আৰু নিযুক্তিৰ সন্ধানত নিজৰ জন্মস্থানৰ পৰা যি সাধাৰণতে গ্রাম্য অঞ্চল বা অর্থনৈতিকভাৱে পিছপৰা অঞ্চল হয়-একেখন দেশৰে অন্য স্থানলৈ বা আন্তঃৰাষ্ট্রীয় সীমা অতিক্রমি অন্য দেশলৈ গমন কৰে। তেওঁলোকক প্রায়ে নির্মাণ কার্য, কৃষি, উৎপাদন খণ্ড আৰু ঘৰুৱা কামৰ দৰে অনানুষ্ঠানিক অর্থনীতিৰ অন্তর্ভুক্ত খণ্ডসমূহত নিযুক্তি কৰা হয়। প্রব্রজনকাৰী শ্রমিকসকলে সাধাৰণতে নিযুক্তিৰ অনিশ্চয়তা, অতি কম মজুৰি, অস্বাস্থ্যকৰ জীৱন ধাৰণৰ পৰিৱেশ আৰু আইনী সুৰক্ষাৰ অভাৱৰ দৰে তন্ত্রগত প্রত্যাহ্বানৰ সন্মুখীন হয়, যাৰ ফলত তেওঁলোক শ্রম বজাৰত এক অত্যন্ত দুর্বল আৰু প্রান্তীয় শ্রেণী হিচাপে বিবেচিত হয়।

প্রশ্নঃ ২ ৰ উত্তৰ ঃ ক'ভিড-১৯ মহামাৰীৰ ফলত নির্মাণ কার্য, উৎপাদন খণ্ড আৰু আতিথ্য সেৱাৰ দৰে উদ্যোগসমূহ আকস্মিকভাৱে বন্ধ হৈ পৰিছিল, যিবোৰ উদ্যোগ সম্পূর্ণৰূপে প্রব্রজনকাৰী শ্রমিকৰ ওপৰত নির্ভৰশীল। ইয়াৰ পৰিণামস্বৰূপে, এক বৃহৎ সংখ্যক শ্রমিকে নিজৰ কাম আৰু নিয়মিত উপার্জন হেৰুৱাবলগীয়া হ'ল। যিহেতু অধিকাংশ শ্রমিক কোনো চাকৰিৰ নিৰাপত্তা বা সঞ্চয় নোহোৱাকৈ অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ থাকে, সেয়েহে নিযুক্তিৰ এই অভাৱে তেওঁলোকৰ মাজত তীব্র আর্থিক সংকটৰ সৃষ্টি কৰিলে আৰু বহু পৰিয়ালক চৰম দৰিদ্রতা তথা ঋণৰ গ্রাসলৈ ঠেলি দিলে।

প্রশ্ন ৩-ৰ উত্তৰ ঃ ক'ভিড-১৯ মহামাৰীৰ ফলত নির্মাণ কার্য, উৎপাদন খণ্ড আৰু আতিথ্য সেৱাৰ দৰে উদ্যোগসমূহ আকস্মিকভাৱে বন্ধ হৈ পৰিছিল, যিবোৰ উদ্যোগ সম্পূর্ণৰূপে প্রব্রজনকাৰী শ্রমিকৰ ওপৰত নির্ভৰশীল। ইয়াৰ পৰিণামস্বৰূপে, এক বৃহৎ সংখ্যক শ্রমিকে নিজৰ কাম আৰু নিয়মিত উপার্জন হেৰুৱাবলগীয়া হ'ল। যিহেতু অধিকাংশ শ্রমিক কোনো চাকৰিৰ নিৰাপত্তা বা সঞ্চয় নোহোৱাকৈ অনানুষ্ঠানিক খণ্ডত নিয়োজিত হৈ থাকে, সেয়েহে নিযুক্তিৰ এই অভাৱে তেওঁলোকৰ মাজত তীব্র আর্থিক সংকটৰ সৃষ্টি কৰিলে আৰু বহু পৰিয়ালক চৰম দৰিদ্রতা তথা ঋণৰ গ্রাসলৈ ঠেলি দিলে।

প্রশ্ন- ৪ ৰ উত্তৰ ঃ ক'ভিড-১৯ মহামাৰীয়ে প্রব্রজনকাৰী শ্রমিকৰ সৈতে জড়িত দীর্ঘদিনীয়া তন্ত্রগত বৈষম্যসমূহ স্পষ্টকৈ উন্মোচিত কৰিলে, যাৰ ভিতৰত আছিল সামাজিক সুৰক্ষাৰ অভাৱ, শ্রমিক আইনৰ দুর্বল প্রয়োগ, অপর্যাপ্ত বাসস্থান আৰু স্বাস্থ্যসেৱা তথা কল্যাণমূলক আঁচনিৰ সীমিত সুবিধা। এই সংকটে প্রব্রজনকাৰী-অনুকূল নীতিৰ অভাৱক আঙুলিয়াই দিলে আৰু জৰুৰীকালীন সময়ত শ্রমিকসকলৰ অধিকাৰ, মর্যাদা তথা সুৰক্ষা নিশ্চিত কৰিবলৈ এক অন্তর্ভুক্তিমূলক পৰিকল্পনাৰ (inclusive planning) আৱশ্যকতা প্রতিষ্ঠা কৰিলে।

প্ৰশ্ন ৫ৰ উত্তৰঃ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বাবে গুৰুত্বপূৰ্ণ প্ৰশমনমূলক ব্যৱস্থাসমূহৰ (mitigation measures) ভিতৰত আছে তাৎক্ষণিক প্ৰয়োজনীয়তা পূৰণৰ বাবে খাদ্য বিতৰণ, পোনপটীয়া নগদ ধন হস্তান্তৰ আৰু জৰুৰীকালীন নিযুক্তি আঁচনিৰ দৰে চৰকাৰী সাহায্য। যিকোনো স্থানতে কল্যাণমূলক সুবিধা লাভ নিশ্চিত কৰিবলৈ বেচন কার্ডৰ বহনযোগ্যতা (portability) আৰু স্বাস্থ্য বীমাৰ দৰে সৰ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাটো অপৰিহাৰ্য। ইয়াৰ উপৰিও, নিৰাপদ যাতায়তৰ ব্যৱস্থা, কৰ্মসংস্থাপন সৃষ্টিৰ কাৰ্যসূচী, কৌশল বিকাশৰ পদক্ষেপ, সুলভ বাসস্থান, সুলভ স্বাস্থ্যসেৱা আৰু সামূহিক সমৰ্থন ব্যৱস্থাসমূহে শ্ৰমিকসকলৰ দুৰ্বলতা হ্ৰাস কৰি তেওঁলোকৰ দীৰ্ঘম্যাদী সুৰক্ষা আৰু সামগ্ৰিক কল্যাণ নিশ্চিত কৰিবলৈ আৱশ্যক।

১৪.৯ আৰ্হি প্ৰশ্ন

- ভাৰতৰ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ বহুমুখী প্ৰভাৱ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা আৰ্থ-সামাজিক বিস্থাপন তথা তন্ত্ৰগত দুৰ্বলতাসমূহ ব্যাখ্যা কৰক।
- দেশজোৰা তলাবন্ধই অনানুষ্ঠানিক খণ্ডৰ ওপৰত পেলোৱা প্ৰভাৱসমূহ পৰীক্ষা কৰক, বিশেষকৈ নিয়োগৰ সুযোগৰ দ্ৰুত হ্ৰাস আৰু ইয়াৰ ফলত প্ৰব্ৰজনকাৰী শ্ৰমিকসকলে সম্মুখীন হোৱা আৰ্থিক সংকটৰ মূল্যায়ন কৰক।
- মহামাৰীৰ সময়ত হোৱা ব্যাপক 'বিপৰীতমুখী প্ৰব্ৰজন'ৰ (reverse migration) মূল কাৰক আৰু ইয়াৰ ব্যাপক মানৱীয় পৰিণামসমূহ বিশ্লেষণ কৰক। চহৰীয়া অনিশ্চয়তা আৰু গ্ৰাম্য জীৱন ধাৰণৰ কৌশলসমূহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰক।
- প্ৰব্ৰজনকাৰী মহিলা শ্ৰমিকসকলৰ ওপৰত মহামাৰীৰ প্ৰভাৱৰ লিংগ-ভিত্তিক দিশসমূহ মূল্যায়ন কৰক। বিশেষকৈ তেওঁলোকৰ অসমানুপাতিক কৰ্মসংস্থাপনহীনতা আৰু অবৈতনিক ঘৰুৱা দায়িত্বৰ অতিৰিক্ত বোজাৰ বিষয়ে আলোচনা কৰক।
- প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ ওপৰত ক'ভিড-১৯ মহামাৰীৰ দীৰ্ঘম্যাদী আৰ্থ-সামাজিক পৰিণামসমূহ বৰ্ণনা কৰক, যাৰ ভিতৰত আছে বৃদ্ধি পোৱা ঋণগ্ৰস্ততা আৰু মানৱ সম্পদৰ (skill / human capital) অৱক্ষয়।
- প্ৰব্ৰজনকাৰী শ্ৰমিকৰ কল্যাণ আৰু নীতি পৰিকল্পনাৰ উন্নতিৰ বাবে মহামাৰীৰ পৰা প্ৰাপ্ত গুৰুত্বপূৰ্ণ শিক্ষাসমূহৰ সমন্বয় ঘটাই এক স্থিতিস্থাপক (resilient) আৰু অন্তৰ্ভুক্তিমূলক আৰ্হিৰ বিষয়ে আলোচনা কৰক।

*****